আনন্দৰাম ঢেকিয়াল ফুকনৰ

অসমীয়া লৰাৰ মিত্ৰ

দ্বিতীয় আৰু তৃতীয় কাণ্ড

সম্পাদক

ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা
অসম

ASAMĪYĀ LARĀR MITRA (No. 2 and 3) : Written by Anandaram Dhekial Phookan (1829–1859) in 1846 and published by the author in 1849 : this reprint edited by Dr. Jogendra Narayan Bhuyan and published by Dr. Prafulla Mahanta, Director, Anundoram Borooah Institute of Language, Art and Culture, Assam, Guwahati. Price : Rs 175.00 (deluxe edition), Rs. 150.00 (students' edition)

প্ৰথম প্ৰকাশ : ১৮৪৯

প্ৰথম পুনৰ্মুদ্ৰণ : জুন ১৯৯২
(দ্বিতীয় কাণ্ড)

বৰ্তমান পুনৰ্মুদ্ৰণ : জুলাই ১৯৯৯
(দ্বিতীয় আৰু তৃতীয় কাণ্ড একত্ৰ সংকলিত)

মূল্য : ১৭৫.০০ (শোভন সংস্কৰণ)
১৫০.০০ (বিদ্যাৰ্থী সংস্কৰণ)

মুদ্ৰক : শৰাইঘাট লেজাৰ প্ৰিণ্ট
গুৱাহাটী-৩

'অসমীয়া লৰাৰ মিত্ৰ'ৰ পুনৰ্মুদ্ৰণ সম্পৰ্কে আবিলেকৰ দুআষাৰ

বিংশ শতিকাৰ এই শেহৰটো দশকলৈকে, আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দুষ্প্ৰাপ্যতাৰ কথা স্বীকাৰ কৰি লৈ, বিদ্বৎ সমাজে গুণাভিৰামে সম্পাদন কৰা সংস্কৰণ, অৰুনোদই আৰু গ্ৰন্থখনৰ বিষয়ে উল্লেখ থকা আন গ্ৰন্থৰ সহায়তে, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ উন্মেষকালৰ ইতিহাস সম্পৰ্কে চিন্তা-চৰ্চা কৰি আছিল। ১৯৯২ চনত এই সংস্থাই ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাই সম্পাদন কৰা 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় কাণ্ডৰ প্ৰথম সংস্কৰণৰ পুনৰ্মুদ্ৰণ প্ৰকাশ কৰাৰ পিছত ভালেখিনি ভ্ৰান্তি দূৰ হয়। তাৰ পিছতো কিন্তু তৃতীয় কাণ্ডটো কালৰ বুকুত জাহ্ গ'ল বুলি থকা ধাৰণাৰ সলনি হোৱা নাছিল। অৱশেষত, আশাশুধীয়া গৱেষক ড° ভূঞাৰ নিৰলস অনুসন্ধান-অন্বেষণে তেনে ধাৰণা অমূলক বুলি প্ৰতিপন্ন কৰিলে। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডৰ প্ৰথম সংস্কৰণৰ অক্ষত অৱস্থাৰ এখন কিতাপ তেখেতে উদ্ধাৰ কৰিলে।

আধুনিক অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন তথা বিকাশৰ পথৰ প্ৰথমটো মাইলৰ খুটি 'অসমীয়া লৰাৰ মিত্ৰ' নিঃসন্দেহে আধুনিক অসমৰ সামাজিক-সাংস্কৃতিক ইতিহাস চৰ্চাৰ ক্ষেত্ৰত এখন অন্যতম আকৰ-গ্ৰন্থ। যোৱা প্ৰায় দুটা দশক ধৰি ড° ভূঞাই ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্য আৰু সমাজ-বিকাশৰ গতিধাৰা নিৰ্ণয়ৰ কাৰণে একান্তমনে কৰি থকা অনুসন্ধান-গৱেষণাই ইতিমধ্যে আমাক ভালেখিনি ইতিহাসৰ সমল দিছে। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডও তেখেতৰ গৱেষণাৰ অন্যতম সফলতা।

গ্ৰন্থখনৰ পুনৰ্মুদ্ৰণৰ সম্পৰ্কত এইখিনি কথাৰ অৱতাৰণা এই কাৰণেই কৰিবলগীয়া হ'ল, যে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা প্ৰকাশন প্ৰতিষ্ঠান নহয়, মূলতঃ গৱেষণা প্ৰতিষ্ঠানহে। কিন্তু সংশ্লিষ্ট ক্ষেত্ৰসমূহত অনুসন্ধানমূলক আৰু গৱেষণামূলক আঁচনি হাতত লৈ সংস্থাই তাক ৰূপায়ণ কৰে আৰু আঁচনিৰ সফল ৰূপায়ণৰ পিছত সিবোৰক সামৰ্থ্য অনুযায়ী গ্ৰন্থাকাৰে প্ৰকাশ কৰে। তাৰ উপৰি ইংৰাজী, অসমীয়া আৰু বিভিন্ন থলুৱা ভাষাত যিবোৰ গ্ৰন্থ নিতান্তই প্ৰয়োজনীয় আৰু গৱেষণামূলক, তেনেবোৰ গ্ৰন্থ সংস্থাই প্ৰকাশ কৰে। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ পুনৰ্মুদ্ৰণৰ ক্ষেত্ৰত ক'ব লাগিব যে যিবোৰ কাম

বিশ্ববিদ্যালয় আৰু আবিলেকৰ দৰে প্ৰতিষ্ঠানে পৰিকল্পিতভাৱে আঁচনি গ্ৰহণ কৰি কৰিব লাগিছিল, তেনে কাম এগৰাকী অধ্যাপকে নিজৰ দায়িত্বত কৰি আছে। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দুয়োটা কাণ্ড একত্ৰ সংকলন কৰি পুনৰ্মুদ্ৰণ কৰিবলৈ পাই সংস্থাই যিমান গৌৰৱ অনুভৱ কৰিছে, সিমানেই এজন একাগ্ৰচিত্ত গৱেষকৰ সফলতাক আনুষ্ঠানিকভাৱে স্বীকৃতি দিবলৈ পাই আনন্দ অনুভৱ কৰিছে।

প্ৰসংগতঃ উল্লেখযোগ্য যে আনন্দৰাম ঢেকিয়াল ফুকনে এখন অভিধান প্ৰণয়নৰ কামতো হাত দিছিল। সেই খবৰ তেওঁ নিজেই দিছে। কামটো সম্পূৰ্ণ কৰিব পাৰিলে নে নোৱাৰিলে সেই বিষয়ে অনুসন্ধানৰ নিতান্তই প্ৰয়োজন। সেই অভিধানখনকে ড° ভূঞাই 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথমটো কাণ্ড বুলি অনুমান কৰিছে। আশা কৰোঁ, তেখেতৰ অনুসন্ধান-গৱেষণাই এদিন সেই সত্যও উন্মোচন কৰিব পাৰিব।

গ্ৰন্থখনি প্ৰকাশ কৰাত সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে সভাপতি অধ্যাপক নৱকান্ত বৰুৱা ডাঙৰীয়া প্ৰমুখ্যে সংস্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ ওচৰত আমি কৃতজ্ঞ।

শৰাইঘাট লেজাৰ প্ৰিণ্টৰ স্বত্বাধিকাৰী শ্ৰীমান ৰমেন শৰ্মাৰ তৎপৰতা, মেনেজাৰ শ্ৰীমান পাঠকৰ উৎসাহ, আৰু কৰ্মীসকলৰ একাগ্ৰতাৰ শলাগ ললোঁ।

গৱেষক তথা পাঠক সমাজৰ সুবিধাৰ কাৰণেই দুয়োটা কাণ্ড একত্ৰ সংকলন কৰি পুনৰ্মুদ্ৰণ কৰা হ'ল। গ্ৰন্থখনিৰ পৰা পাঠকসমাজে উপকাৰ পালেই সম্পাদন আৰু প্ৰকাশনৰ লগত জড়িত সকলোৰে শ্ৰম সাৰ্থক হ'ব।

ৰজাদুৱাৰ : উত্তৰ গুৱাহাটী
গুৱাহাটী-৭৮১০৩০
২৭.৬.৯৯

প্ৰফুল্ল মহন্ত
সঞ্চালক
আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা
(আবিলেক), অসম

[দ্বিতীয় কাণ্ডৰ প্ৰথম পুনৰ্মুদ্ৰণৰ] প্ৰকাশকৰ নিৰেদন

থলুৱা ভাষা, কলা আৰু সংস্কৃতিৰ বিকাশৰ বাবে অসম চৰকাৰে স্বায়ত্ত-শাসিত অনুষ্ঠান হিচাপে স্থাপন কৰা আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই সংশ্লিষ্ট ক্ষেত্ৰসমূহত গৱেষণামূলক কাম-কাজ কৰাৰ লগতে ইংৰাজী, অসমীয়া আৰু বিভিন্ন থলুৱা ভাষাত প্ৰয়োজনীয় আৰু গৱেষণা-সমৃদ্ধ গ্ৰন্থ প্ৰকাশ কৰাৰ আঁচনি হাতত লৈছে। এই আঁচনিৰ আৰম্ভণিসূচক কৰ্ম হিচাপে ড° মুকুন্দ মাধৱ শৰ্মা প্ৰণীত ইংৰাজী গ্ৰন্থ ANUNDORAM BOROOAH সংস্থাই ইতিমধ্যে প্ৰকাশ কৰিছে। ভাষা, লোকসংস্কৃতি, জনগোষ্ঠী-অধ্যয়ন, অসমীয়া সাহিত্য, বড়ো সাহিত্য, অসমৰ চিত্ৰশিল্প ইত্যাদি বিষয়ৰ কেইবাখনো গ্ৰন্থ যথাসম্ভৱ সোনকালে প্ৰকাশ কৰিবৰ কাৰণে বৰ্তমানে সংস্থাৰ ফালৰ পৰা দিহা কৰি থকা হৈছে। ইয়াৰে দুখনমান গ্ৰন্থ এতিয়া যন্ত্ৰস্থ।

পুৰণি গ্ৰন্থ পুনৰ্মুদ্ৰণৰ আঁচনি আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই সাধাৰণভাৱে গ্ৰহণ কৰা নাই যদিও প্ৰয়োজন অনুসৰি মূল্যবান আৰু দুষ্প্ৰাপ্য কোনো কোনো গ্ৰন্থ পুনৰ্মুদ্ৰণ কৰিব। আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ' গ্ৰন্থখনি বৰ্তমানে অতি দুষ্প্ৰাপ্য হৈ পৰাত সংস্থাই এই গ্ৰন্থখনি পুনৰ্মুদ্ৰণ কৰা যুগুত হ'ব বুলি বিবেচনা কৰে। গ্ৰন্থখনিৰ পুনৰ্মুদ্ৰণে অসমীয়া পাঠক-সমাজক ডেৰশ বছৰৰ আগৰ অসমীয়া গদ্যৰ লগত মুখামুখি হোৱাৰ সুবিধা দিয়াৰ লগতে সেই সময়ত প্ৰৱৰ্তন হ'বলৈ ধৰা আধুনিক শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা অসমীয়া বিদ্যাৰ্থীসকলৰ চেতনাৰ পৰিধি বঢ়াবলৈ ঢেকিয়াল ফুকনে কিদৰে যত্ন কৰিছিল, তাৰো এটা আভাস দিব বুলি আশা কৰিব পাৰি।

গ্ৰন্থখনি সম্পাদনাৰ বাবে যোৱা শতিকাৰ অসমীয়া সমাজ আৰু সাহিত্যৰ অধ্যয়নলৈ উল্লেখযোগ্য বৰঙণি যোগাই থকা শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ডাঙৰীয়াক সংস্থাই দায়িত্ব দিয়ে। এই দায়িত্ব দক্ষতাৰে বহন কৰি অতি কম সময়ৰ ভিতৰতে গ্ৰন্থখনি সম্পাদনা কৰি উলিয়াই দিয়াৰ বাবে সংস্থা তেখেতৰ ওচৰত কৃতজ্ঞ। গ্ৰন্থখনি প্ৰকাশ কৰাত সকলো প্ৰকাৰৰ সহায় আৰু দিহা-পৰামৰ্শ আগ বঢ়োৱাৰ বাবে সংস্থাৰ কাৰ্যবাহী সমিতিৰ সভাপতি অধ্যাপক ড° প্ৰফুল্লদত্ত গোস্বামী ডাঙৰীয়ালৈকো আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

টাবু টাইদ
সঞ্চালক,
আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা

৬ মে', ১৯৯২
গুৱাহাটী

[দ্বিতীয় কাণ্ডৰ প্ৰথম পুনৰ্ম্মুদ্ৰণৰ] আগকথা

মোৰ মন অলপ কৌতূহলী, সেই কাৰণেই নেকি কেতিয়াবা মোৰ জোলোঙাত সোমায়হি নানান দুষ্প্ৰাপ্য পুথি-পত্ৰ। মনত পৰে, এসময়ত কাহানিবাই ছপা হোৱা (১৯১৫) গুণাভিৰাম বৰুৱা-ৰচিত ঢেকিয়াল ফুকনৰ জীৱনচৰিতৰ কপি এটা আৰু পিতৃ সিংহদত্ত দেৱ গোস্বামীৰ গানৰ কিতাপ 'গীতিমালিকা'ৰ কেইটামান কপি সংগ্ৰহ কৰিছিলোঁ পাণবজাৰৰ মদৰ দোকান বি এণ্ড দে কোম্পানীৰ ধূলিয়ে ভৰি থকা আলমাৰী এটাৰ পৰা। এওঁলোকে একালত কিতাপো বিক্ৰী কৰিছিল। ঢেকিয়াল ফুকনৰ জীৱনচৰিতখন ড° বিৰিঞ্চি কুমাৰ বৰুৱাই লৈ গ'ল। সেইদৰে, যোৱা শতিকাৰ শেষ ভাগত নবীনচন্দ্ৰ বৰুৱাই কৰা 'পেৰেডাইড লষ্ট'ৰ অনুবাদৰ পাত এখিলা পাইছিলোঁ চেনিকুঠিৰ পাণ-তামোল বেচা দোকান এখনৰ পৰা। জ্ঞানদাভিৰাম বৰুৱাৰ 'ফোকটেইলজ অব এছাম'ৰ প্ৰথম সংস্কৰণৰ কপি পাইছিলোঁ মোৰ কলিকতাৰ শিক্ষক ড° মোহিনী মোহন ভট্টাচাৰ্য্যৰ অনুগ্ৰহত।

নিজৰ মূৰ্খামিৰ কাৰণে আকৌ কেতিয়াবা যে কি দুৰ্লভ বস্তু হেৰুওৱা নাই! যোৱা মহাযুদ্ধৰ পিছৰ পৰা অসমৰ ৰাজধানীৰ চাহাববিলাকে এই দেশ এৰিবলৈ ধৰিলে, তেওঁলোকৰ ভাণ্ডাৰৰ পৰা বহুতো পুৰণি কিতাপ আৰু আলোচনী গৈ পালেগৈ শ্বিলঙৰ বৰবজাৰৰ বুঢ়ী খাচিয়নীৰ পোহাৰ, বিশেষকৈ আঠদিনীয়া বজাৰৰ দিনা। এদিন এখন পোহাৰত চকু পৰিল মিছিজ কাটাৰৰ ক'লা, দীঘলীয়া আকাৰৰ 'ভকেবিউলেৰি এণ্ড ফ্ৰেইজেজ'খন (১৮৪০)। (কট্টৰ নহয়—কাট্‌আৰ—কাটাৰ)। খাচিয়নীয়ে দাম কৰিলে আঠ অনা, মই যাচিলোঁ ছঅনা। তাই নিদিয়ে, ময়ো কেলেই কমাই নিদিবি বুলি ভেম কৰি গুচি গলোঁ। পিছে সেই দুৰ্লভ কিতাপ এতিয়া আঠ শ টকা দিলেও ক'ত পোৱা যাব?

ড০ নন্দ তালুকদাৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ ওপৰত গৱেষণা কৰি থকা কালডোখৰত তেওঁ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথম সংস্কৰণ (১৮৪৯) নাপালে— তেওঁ নিৰ্ভৰ কৰিবলগীয়া হ'ল গুণাভিৰামে সম্পাদনা কৰা সংস্কৰণ এটিৰ ওপৰতহে। অকস্মাৎ এদিন প্ৰথম সংস্কৰণৰ কপি এটা (দ্বিতীয় খণ্ড)

সোমালহি মোৰ জোলোঙাত। কিতাপখন দিলে মোৰ বিশেষ শ্ৰদ্ধাভাজন, পুৰণি কিতাপ-আলাচনী আটোমটোকাৰিকৈ সাঁচি ৰখা অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱাদেৱে। বুজৰবৰুৱাদেৱে আৰু দুখনমান দুষ্প্ৰাপ্য ইংৰাজী আৰু অসমীয়া কিতাপ দিলে।

এই কিতাপবিলাকৰ ভিতৰত দেখিলোঁ 'অসমীয়া লৰাৰ মিত্ৰ'খন যোৱা শতিকাৰ ভাষাজাগৰণৰ কালৰ প্ৰথম উল্লেখযোগ্য পাঠ্যপুথি আৰু আধুনিক অসমীয়া গদ্যৰ বিকাশৰ পথৰ এটি মাইলৰ খুটিৰূপে অতি মূল্যবান। ক্ষণজন্মা পুৰুষ ঢেকিয়াল ফুকনৰ কৃতিৰ চিনস্বৰূপেও কিতাপখনৰ সাৰ্থকতা নোহোৱা নহয়। এইবিলাক কাৰণতে আনন্দৰাম বৰুৱা সংস্থাৰ পৰা কিতাপখন ছপাই উলিয়াবৰ সিদ্ধান্ত লোৱা হয় আৰু এইখন সম্পাদনা কৰিবলৈ দিয়া হয় ঊনবিংশ শতিকাৰ ভাষা আৰু সাহিত্যসম্পৰ্কে অভিজ্ঞ অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞাক।

ভূঞাৰ ভূমিকাখন পঢ়িবলৈ পাই গম পাইছোঁ সম্পাদন কাম কিমান জটিল আৰু কষ্টসাধ্য, আৰু এই ডেকা পণ্ডিতজনে কিমান একাগ্ৰতাৰে দায়িত্বটো সমাধা কৰিছে। মোৰ তৃপ্তি দুটি কাৰণত— প্ৰথম, কিতাপখন ধ্বংসৰ মুখৰ পৰা উদ্ধাৰ হ'ল; দ্বিতীয়, এই কিতাপৰ দাতা বুজৰবৰুৱাদেৱে সন্তোষ পাব এই বুলিয়ে যে তেওঁ কৰা দান নিষ্ফল নহ'ল।

১৪.২.৯২ শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

আনন্দৰাম বৰুৱা
ভাষা-কলা-সংস্কৃতি সংস্থা

'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ড সম্পৰ্কত দুআষাৰ

অৱশেষত, আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ড উদ্ধাৰ কৰিব পৰা হ'ল। এই কাণ্ডটো আমি বিচাৰি পালোঁ নগাঁও চৰকাৰী অভ্যাসন বিদ্যালয় (পূৰ্বৰ নগাঁও গভৰ্নমেণ্ট এম. ভি. স্কুল)ৰ পুথিভঁৰালত। গ্ৰন্থখন সম্পূৰ্ণ ৰূপত আৰু অক্ষত অৱস্থাত পোৱা হৈছে। সেই দিশৰ পৰা চালে এই গ্ৰন্থখনে বহু বিষয়ত নতুন পোহৰ পেলোৱাৰ সম্ভাৱনা আছে।

গ্ৰন্থখনৰ সম্পৰ্কত আনন্দৰামে নিজে দিয়া বৰ্ণনা এনে ধৰণৰ : "The Geographical instructor in Assamese, compiled from Murray's Encyclopaedia and other sources, and written in a narrative style; —being No. 3 of the series 'Friend of Young Assam', —Samachar Chandrika Press, 1849, pp. 177."[১] আমাৰ দ্বাৰা উদ্ধৃত আৰু ১৮৪৯ খ্ৰীষ্টাব্দত কলিকতাৰ ১০ নম্বৰ বাসু চেটাৰ্জী ষ্ট্ৰীটৰ সমাচাৰ চন্দ্ৰিকা প্ৰেছত ৰাজকিষেন বেনাৰ্জীৰ দ্বাৰা মুদ্ৰিত 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডৰো গা-গ্ৰন্থখন ১৭৭ (১—১৭৭) পিঠীয়া। গ্ৰন্থৰ আকাৰ আৰু মুদ্ৰণৰ প্ৰকাৰ দ্বিতীয় কাণ্ডৰ লগত একে। গ্ৰন্থখনত পোনতে সন্নিৱিষ্ট হৈছে একো একোটা পৃথক পৃথক পাতত ক্ৰমে ইংৰাজী আৰু অসমীয়া ভাষাত গ্ৰন্থখনৰ নাম-পৰিচয়। তাৰ পাছত মুদ্ৰিত হৈছে নিৰ্ঘণ্ট (৪ পৃষ্ঠা), PREFACE (২ পৃষ্ঠা), আৰু ভূমিকা (৪ পৃষ্ঠা)। ১৭৮ সংখ্যক পৃষ্ঠাৰ পৰা ১৮২ সংখ্যক পৃষ্ঠালৈ মুদ্ৰিত হৈছে শুদ্ধিপত্ৰ (৫ পৃষ্ঠা)। ইমান সংযোজন সত্ত্বেও কলেৱৰত দ্বিতীয়টো কাণ্ডতকৈ তৃতীয়টো কাণ্ড সৰু। তৃতীয় কাণ্ডৰ কলেৱৰ মুঠ ১৯৬ (২+২+৪+২+৪+১৭৭+৫) পিঠীয়াহে। দ্বিতীয় কাণ্ডৰ গা-গ্ৰন্থখনেই আছিল ২২০ পিঠীয়া। সেই কাণ্ডতো যে তৃতীয় কাণ্ডত থকা দৰে নাম-পৰিচয়, 'নিৰ্ঘণ্ট', 'PREFACE', আৰু 'ভূমিকা' সন্নিৱিষ্ট হৈছিল, সেই কথা সহজে অনুমান কৰিব পাৰি। অনুমান কৰিব পাৰি 'শুদ্ধিপত্ৰ'ও আঁৰি দিয়া হৈছিল বুলি।

---

১. মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'Anandaram Dhekial Phukan : Plea for Assam and Assamese', Asam Sahitya Sabha, 1977, P. 165.

'অসমীয়া লৰাৰ মিত্ৰ' বোলোঁতে আনন্দৰামে 'অসমিয়া' লিখিছিল নে 'অসমীয়া' লিখিছিল, সেই আলোচনা দ্বিতীয় কাণ্ডৰ আমাৰ সম্পাদকীয় 'ভূমিকা'-লেখাত কৰি অহা হৈছে। তৃতীয় কাণ্ডৰ নাম-পৰিচয়ৰ পৃষ্ঠাটোত তেতিয়াৰ কলিকতীয়া ছপাশালৰ ভূতৰ দৌৰাত্ম্যৰ চিন বাৰুকৈয়ে ৰৈছে। সমগ্ৰ গ্ৰন্থখনৰ চাৰি ঠাইত মাত্ৰ মুদ্ৰিত হোৱা একেটা মাথোন শব্দৰ চাৰিটা পৃথক পৃথক ৰূপ : গ্ৰন্থৰ নাম-পৰিচয়সূচক পৃষ্ঠাটোত তিনি ঠাইত ছপা হৈছে ক্ৰমে 'আসমিয়া', 'অসমীয়া' আৰু 'অসমিয়া'। আনন্দৰামৰ 'ভূমিকা'-লেখাটোত এবাৰলৈ মাথোন ভুমুকি মৰা শব্দটোও হ'ল আকৌ 'অসামিয়া'। দ্বিতীয় কাণ্ডৰ 'ভূমিকা'-লেখাত আমি কৈয়েই থৈছোঁ, —ছপাৰ বিজুতি আনন্দৰামৰ ৰীতি হ'ব নোৱাৰে। গতিকে পৰিচয়-পৃষ্ঠাত শুদ্ধ ৰূপত মুদ্ৰিত 'অসমীয়া লোক এজনৰ দ্বাৰা' ৰচিত গ্ৰন্থখনৰ নাম তৰ্কাতীতভাৱে 'অসমীয়া লৰাৰ মিত্ৰ'। আন এটা প্ৰাসংগিক কথাও এইখিনিতে কৈ থব পাৰি। "আনন্দৰাম আৰু অৰুনোদইৰ একেই বৰ্ণবিন্যাস নীতি" বুলি মহেশ্বৰ নেওগে যি অনুমান কৰিছিল, 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডটোৱে সেই অনুমান অমূলক বুলি প্ৰমাণ কৰিলে। তৃতীয় কাণ্ড 'অসমীয়া লৰাৰ মিত্ৰ'ৰ পৰিচয় দিওঁতে অৰুনোদইয়ে গ্ৰন্থখনৰ পৰিচয়-পৃষ্ঠাটোৰ কথাখিনি যেনে ৰূপত ছপাইছে, আনন্দৰামৰ আখৰ-জোঁটনিযে প্ৰকৃততে তেনে নহয়, আৰু তেওঁৰ ৰীতি সম্পূৰ্ণ নিজা, বৰ্তমান কাণ্ডটোৱে তাকো দেখুৱাইছে। যথা, অৰুনোদইত মুদ্ৰিত ৰূপ : "ভুগোল প্ৰকৰন; অৰ্থাত প্ৰিথিবিত জি সকল দেস আচে, তাৰ নদি, পৰ্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য সাসন, উতপন দ্ৰব্য, বানিজ্য আৰু লোক সকলৰ ৰিতি, চৰিত্ৰ, ধৰম, ইত্যাদিৰ বিবৰন।" তৃতীয় কাণ্ডৰ পৰিচয়-পৃষ্ঠাত মুদ্ৰিত ৰূপ : "ভূগোল প্ৰকৰণ। অৰ্থাৎ পৃথিবীত যি সকল দেশ আচে তাৰ নদী, পৰ্ব্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য শাসন, উৎপন্ন দ্ৰব্য, বাণিজ্য, আৰু লোক সকলৰ ৰীতি, চৰিত্ৰ, ধৰ্ম্ম, ইত্যাদিৰ বিবৰণ।"

তৃতীয় কাণ্ডত সন্নিৱিষ্ট 'PREFACE'-অৰ কথাখিনি 'অসমীয়া লৰাৰ মিত্ৰ' লানিৰ সম্পৰ্কত গ্ৰন্থকৰ্তাৰ সাধাৰণ বক্তব্য যেন লাগে। তলৰ বাক্য দুটাই তাৰেই ইংগিত দিয়ে : 'It contains not only narrative and didactic pieces but it affords information on various other subjects chiefly on Geography, History &. Brief sketches of the Christian and Mahomedan Religions have been likewise inserted." বৰ্ণনাত্মক হলেও উপদেশাত্মক পাঠ তৃতীয় কাণ্ডত নাই, আছে দ্বিতীয় কাণ্ডতহে; আৰু সেইটো

আসমিয়া লৰাৰ মিত্ৰ।

৩ তৃতীয় কাণ্ড।

ভূগোল প্ৰকৰণ।

অৰ্থাৎ

পৃথিবীত যি সকল দেশ আছে তাৰ নদী, পৰ্ব্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্যশাসন, উৎপন্নদ্ৰব্য, বাণিজ্য, আৰু লোক সকলৰ ৰীতি, চৰিত্ৰ, ধৰ্ম্ম, ইত্যাদিৰ বিবৰণ।

অসমীয়া লোক এজনৰ দ্বাৰা

অসম দেশৰ লৰাবিলাকৰ উপকাৰলৈ অসমিয়া ভাষায় ৰচিত হল।

কলিকাতা নগৰৰ সমাচাৰ চন্দ্ৰিকা যন্ত্ৰত মুদ্ৰাঙ্কিত হল।
শক ১৭৭১ খ্ৰীষ্টীয় শক ১৮৪৯।
পথিৰ মুল্য ৸০ মাত্ৰ।

কাণ্ডতে আছে 'খ্ৰীষ্টীয়ান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ' আৰু 'মুষলমান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ' শীৰ্ষক দুটা বেলেগ বেলেগ পাঠ।

'PREFACE' শীৰ্ষক লেখাটোৰ ৰচনা-কাল ১৮৪৬ খ্ৰীষ্টাব্দৰ ২২ ডিচেম্বৰ। কব পাৰি, উক্ত তাৰিখত গ্ৰন্থলানিৰ, বিশেষকৈ দ্বিতীয় আৰু তৃতীয় কাণ্ড 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰণয়ন-কাৰ্য সম্পূৰ্ণ হৈছিল। কিন্তু গ্ৰন্থখনৰ কাণ্ড দুটা প্ৰকাশ হৈছিল উল্লিখিত তাৰিখৰ পৰা প্ৰায় তিনি বছৰ ছমাহৰ পাছতহে। তৃতীয় কাণ্ডত সন্নিৱিষ্ট 'ভূমিকা' শীৰ্ষক লেখাটোৱে সেই কথা কৈছে। এই লেখাটো ১৭৭১ শকৰ ২০ জেঠ তাৰিখৰ, অৰ্থাৎ ১৮৪৯ খ্ৰীষ্টাব্দৰ জুন মাহৰ প্ৰথম ভাগৰ। এইটো লেখাই গ্ৰন্থখন ছপাশালৰ পৰা ওলোৱা সময়ৰ ইংগিত দিছে। দ্বিতীয় কাণ্ডৰ সম্পাদকীয় 'ভূমিকা'-লেখাত আমি অনুমানৰ ওপৰত ভৰ দিয়েই কৈছিলোঁ, "কিতাপখন অন্ততঃ জুন মাহত" ওলায় বুলি।

তৃতীয় কাণ্ডৰ 'ভূমিকা' শীৰ্ষক লেখাটোও সাধাৰণভাৱে 'অসমীয়া লৰাৰ মিত্ৰ' লানিৰ বাবে লিখা বুলি ক'ব পাৰি; সেয়ে মাথোন লেখাটোৰ শেহৰ ফালে "সম্প্ৰতি ভালেমান পুৰুষাৰ্থেৰে ইংৰাজী ভাষাৰে লিখিত ভূগোল বিদ্যা বিষয়ক নানা পুস্তক ভাষান্তৰিতকৈ ৰচনা কৰিলোঁ" বুলি কোৱা কথাই বিশেষভাৱে তৃতীয় কাণ্ডৰ কথালৈ আঙুলিয়াইছে।

তৃতীয় কাণ্ডত সন্নিৱিষ্ট 'শুদ্ধিপত্ৰ'ই মুদ্ৰণ-প্ৰমাদৰ বেলিকা আনন্দৰাম কিমান সচেতন আছিল, বা কিতাপ এখন নিৰ্ভুল আৰু নিখুঁতভাৱে প্ৰকাশ কৰাটোযে তেওঁৰ আছিল কিমান অভিপ্ৰেত, তাৰেই প্ৰমাণ দিছে। অৱশ্যে, সৰিয়হৰ ভূলিতে ভূত ওলোৱা দৰে 'শুদ্ধিপত্ৰ'তো অসমীয়া 'ৰু'-স্থলত বঙলা 'রু'-ৰ ভূতে ভুমুকিয়াইছে তিনিবাৰ। বৰ্তমান তাঙৰণত পূৰ্বৰ 'শুদ্ধিপত্ৰ'খনৰ প্ৰয়োজন নাছিল যদিও আনন্দৰামৰ আখৰ-জোঁটনিৰ ৰীতি অনুধাৱন কৰাত সুবিধা হ'ব বুলিয়েই ইয়াক হুবহু পুনৰ্মুদ্ৰিত কৰি দেখুৱা হৈছে।

নাম-পৰিচয় পৃষ্ঠাত ডাঙৰ হৰফেৰে গ্ৰন্থখনক মাত্ৰ এবাৰ 'ভূগোল প্ৰকৰণ' বুলি কোৱা হৈছে যদিও গা-গ্ৰন্থখনৰ প্ৰতিটো বিকল্প পৃষ্ঠাৰ শীৰ্ষত মুদ্ৰিত হৈছে 'ভূগোল বৃত্তান্ত'হে। তালৈ চাই ক'ব পাৰি, 'ভূগোল বৃত্তান্ত'হে আনন্দৰামে গ্ৰন্থখনক দিয়া প্ৰকৃত নাম; আৰু সেই কথা মানি ললে কব লাগিব আনন্দৰামৰ 'অসমীয়া লৰাৰ মিত্ৰ' লানিৰ ১৭৭ পিঠীয়া গ্ৰন্থখনৰ নাম ডিম্বেশ্বৰ নেওগে কোৱা মতে 'ভূগোল শিক্ষক' নহয়, 'ভূগোল বৃত্তান্ত'হে; সেয়ে নহলে 'ভূগোল প্ৰকৰণ'। এই কাণ্ডটো উদ্ধাৰ হোৱাৰ লগে লগে, হেমচন্দ্ৰ গোস্বামীয়ে কোৱা

কথাৰ বিপৰীতে এইটোও প্ৰমাণিত হ'ল যে আনন্দৰামে 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় ভাগ (কাণ্ডটো) প্ৰকাশ কৰিছিল।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথম কাণ্ডৰ সম্পৰ্কত এইখিনিতে স্বাভাৱিকতে প্ৰশ্ন উঠিব পাৰে, যেনে, প্ৰথম কাণ্ডটো বাৰু আনন্দৰামে প্ৰকাশ কৰা নাছিল; কিন্তু তেওঁ ৰচনা কৰাও নাছিল নে? সংশ্লিষ্ট বিষয়ত আমাৰ গৱেষক বা ঐতিহাসিকসকল নীৰৱ। আমি কওঁ, প্ৰথম কাণ্ডটো আনন্দৰামে ৰচনা কৰিছিল, প্ৰকাশহে কৰিব নোৱাৰিলে। হয়তোবা প্ৰথমেই ৰচনা কৰিছিল প্ৰথমটো কাণ্ড। কিন্তু আৰ্থিক অৱস্থাৰ প্ৰতিকূলতাই সেই কাণ্ডটোৰ প্ৰকাশন-পথত বাধা জন্মালে, আৰু পৰিণামস্বৰূপে গ্ৰন্থখন পোহৰলৈ নাহিল।

আমি ভাবোঁ, 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথমটো কাণ্ড আছিল এখন অভিধান, ইংৰাজী-অসমীয়া-ইংৰাজী অভিধান। গুণাভিৰাম বৰুৱাই কৈছে, "অসমীয়া অভিধান নাই, সেই দেখি ফুকনে সেই অভিধান এখান কৰিবলৈ আৰম্ভ কৰিলে। বটলৰ চাহাবে তাৰ বিষয়ে নানা ঠাইলৈ গ্ৰাহক সংগ্ৰহৰ নিমিত্তে কাকত পঠোৱাত ৯৩ জন গ্ৰাহক সংগৃহীত হ'ল। ফুকনে ভাবিছিল যে ১৫০ জন গ্ৰাহক হলে অভিধান ছাপা কৰিবলৈ আৰম্ভ কৰিব।"[২] গ্ৰাহক-সংখ্যা বৃদ্ধি কৰিব নোৱৰা বাবেই হয়তোবা অভিধানখন অপ্ৰকাশিত অৱস্থাতে ৰৈ গ'ল। অভিধান এখনৰ প্ৰণয়ন-প্ৰকাশন কাৰ্যটো নিশ্চিতভাৱে আনন্দৰামৰ দীৰ্ঘম্যাদী আঁচনিৰ অন্তৰ্ভুক্ত। কিন্তু অসমীয়া ল'ৰাহঁতৰ নিজৰ ভাষাত পঢ়াশলীয়া পুথিৰ অভাৱ পূৰণৰ অৰ্থে তাৎকালিক প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় আৰু তৃতীয় কাণ্ডহে তেওঁ ১৮৪৯ চনত প্ৰকাশ কৰি উলিয়ালে। এই প্ৰসংগত তৃতীয় কাণ্ডৰ PREFACE-অত আনন্দৰামে কোৱা এষাৰ কথাই কিঞ্চিৎ পোহৰ পেলাব পাৰে। তেওঁ কৈছে, "It is much easier to acquire knowledge through the medium of a vernacular language than through a foreign; and it is with a view in some measure of supplying this deficiency that the compilation of the present series has been undertaken."[৩]

২. 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ', অসম প্ৰকাশন পৰিষদ, ১৯৭১, পৃ. ১২৯।

৩. মূল পৃষ্ঠা [2]।

আনন্দৰামে যিখিনি পুথি ৰচিছিল বা ৰচনা কৰাৰ আঁচনি তৰিছিল, আটাইখিনিয়েই 'অসমীয়া লৰাৰ মিত্ৰ' লানিৰ অন্তৰ্গত। তৃতীয় কাণ্ডৰ 'ভূমিকা' লেখাত "........এই সকল বিবেচনা কৰি নানা বিদ্যা আৰু নীতি বিষয়ক 'অসমীয়া লৰাৰ মিত্ৰ' নামে কেতবিলাক পুথি ৰচনাত প্ৰবৃত্ত হৈছোঁ" বুলি তেওঁ নিজে কোৱা কথাও তাৰ সাক্ষ্যবাহক। অৰুনোদইৰ একাদশ বছৰ দ্বাদশ সংখ্যাত (ডিচেম্বৰ, ১৮৫৬) সম্পাদক এ. এইচ. ডেনফোৰ্থে কোৱা মতে আনন্দৰামে অভিধান ৰচনা কৰিছিল দুখণ্ড : "ফুকনে ইংৰাজি-অসমিয়া আৰু অসমিয়া-ইংৰাজি, এই ৰূপে দুইখণ্ড অভিধান লিখিচে।"[8] কিন্তু আমাৰ বোধেৰে আনন্দৰামে অভিধান প্ৰণয়ণ কৰিছিল এখনহে। 'A Few Remarks on the Assamese Language' নামৰ পুথিত অভিধান-প্ৰসংগত তেওঁ নিজে এনেকৈহে কৈছে : "An English and Assamese and Asamese and English Dictionary is now in course of preparation for the press, by the compiler of the 'Friend of Young Assam."[৫] আনন্দৰামৰ অভিধানৰ নমুনা স্বৰূপে একাদশ বছৰ দ্বাদশ সংখ্যা অৰুনোদইত A-ৰ পৰা Ablution পৰ্যন্ত ছপা হৈছিল; গ্ৰন্থৰ আকাৰতহে ছপা হৈ পোহৰলৈ নাহিল। আনন্দৰামৰ অকাল বিয়োগ তাৰ কাৰণ হ'ব পাৰে; নাইবা এনেকুৱাও হব পাৰে যে অভিধানখনৰ প্ৰণয়ন কাৰ্য আনন্দৰামে সম্পূৰ্ণ কৰিব নোৱাৰিলে। গুণাভিৰামে কোৱা মতেও অভিধান এখন প্ৰণয়ন কৰিবলৈ আৰম্ভহে কৰিছিল আনন্দৰামে।[৬] সম্পূৰ্ণ কৰিবৰ বাবে যি ধৰণৰ প্ৰেৰণা অসমীয়া মানুহৰ পৰা তেওঁ পাব লাগিছিল, তেনে প্ৰেৰণাৰ অভাবো সেই অসম্পূৰ্ণতাৰ কাৰক হোৱাৰ সম্ভাৱনা আছে। অৰুনোদইৰ অষ্টম বছৰ পঞ্চম সংখ্যাত (মে' ১৮৫৩) প্ৰকাশিত 'অচম দেসৰ লোক সকলৰ প্ৰতি নিবেদন পত্ৰ'ত গুণাভিৰাম বৰুৱাই ('কলিকতা নগৰত থকা তোমোলাকৰ বন্ধু এজন অচমিয়া লোক') তেওঁৰ অসন্তোষ প্ৰকাশ কৰিছিল এনেদৰে : "আমাৰ দেসৰ কোনো এজন লোকে দেসৰ অবিদ্যা দেখিব নোআৰি 'অসমিয়া লৰাৰ মিত্ৰ' এনে নামেৰে দুই-এক পুথি ৰচি ভাল ভাল পুথি ৰচিবলৈ প্ৰতিগ্যা কৰিচিল; কিন্তু তেঁওক কোনেও উচাহ নিদিয়াৰ হেতুকে এতিয়া তেঁও পুথি ৰচিবলৈ এৰিচে।"[৭] কথাটোৰ বাবে

৪. উদ্ধৃত, বিৰিঞ্চিকুমাৰ বৰুৱাৰ দ্বাৰা সংকলিত 'অৰুনোদইৰ ধলফাট', অসম সাহিত্য সভা, ১৯৬৫, পৃ. ৭৮।
৫. 'Anandaram Dhekial Phukan : Plea for Assam and Assamese,' P. 166.
৬. 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ', পৃ. ১২৯।
৭. মহেশ্বৰ নেওগৰ দ্বাৰা পুনঃসংকলিত আৰু সম্পাদিত 'অৰুনোদই', অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃ. ৯৫০।

অসন্তোষ প্ৰকাশ কৰিছিল অৰুনোদইৰ সম্পাদকেও। উক্ত চিঠিৰ তলতে সম্পাদকীয় টোকা সংযোগ কৰা হৈছিল এইবুলি ঃ "অসমিয়া লৰাৰ মিত্ৰ', এনে নামেৰে পুথি ৰচনা কৰা শ্ৰীজুত আনন্দিৰাম ফুকনে আৰু পুথি ৰচনা কৰিবলৈ এৰা কথা সুনাত আমি অসন্তোস পাইচোঁ।" 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত গুণাভিৰাম বৰুৱাই কোৱা মতে পিতৃ হলিৰাম ঢেকিয়াল ফুকনৰ আদৰ্শেৰে পুত্ৰ আনন্দৰামেও আসাম বুৰঞ্জী এখন প্ৰণয়ন কৰিবলৈ (নিশ্চয় অসমীয়া ভাষাত) ইচ্ছা কৰিছিল; "কিন্তু সেই ইচ্ছা অনুসাৰে কাৰ্য কৰিব নোৱাৰিলে", হয়তোবা তেওঁক কোনেও উচাহ নিদিয়াৰ হেতুকেই।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ দুয়োটা কাণ্ড ১৮৪৯ চনত প্ৰকাশ পোৱাৰ পাছত সেই বছৰৰ অক্টোবৰ সংখ্যা আৰু পৰৱৰ্তী কেইবাটাও সংখ্যাৰ অৰুনোদইত গ্ৰন্থলানিৰ কেইবাটাও পাঠ পুনৰ্মুদ্ৰিত হৈছিল। কিন্তু পুনৰ্মুদ্ৰিত পাঠৰ সৰ্বহ সংখ্যকেই দ্বিতীয় কাণ্ডৰহে। তৃতীয় কাণ্ডৰ দুটা মাত্ৰ পাঠ ('নিজ হিন্দুস্থান' আৰু 'দক্ষিণ হিন্দুস্থান') একেটা শিৰোনামাৰে ('হিন্দুস্থানৰ নানা প্ৰদেশ') প্ৰকাশ পাইছিল কাকতখনৰ সপ্তম বছৰৰ দশমটো (অক্টোবৰ, ১৮৫২) সংখ্যাত।

অৰুনোদই কাকতলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ পোন প্ৰথম আৰু পোনপটীয়া অৰিহণা আছিল 'ইংলণ্ডৰ বিবৰন' (এপ্ৰিল, ১৮৪৭) শীৰ্ষক লেখাটো। তৃতীয় কাণ্ড 'অসমীয়া লৰাৰ মিত্ৰ'ত সন্নিবিষ্ট 'ইংগ্লণ্ড দেশ' শীৰ্ষক পাঠটো আৰু দ্বিতীয় কাণ্ডত সন্নিবিষ্ট 'ইংগ্লণ্ড দেশৰ মানুহৰ পূৰ্ব্ব কালৰ অসভ্যতাৰ কথা' আৰু 'লণ্ডন নগৰৰ বিবৰণ' শিৰোনামাৰ পাঠ দুটাৰো বহুখিনি কথা যোগ-বিয়োগ কৰি সেই লেখাটো তেওঁ যুগুতাইছিল। এক প্ৰকাৰে চাবলৈ গলে, অৰুনোদইৰ 'ইংলণ্ডৰ বিবৰন' দুয়োটা কাণ্ডৰ সংশ্লিষ্ট তিনিটা পাঠৰ বক্তব্য বিষয়ৰ ৰাসায়নিক সংমিশ্ৰণহে। তথাপি অৰুনোদইৰ 'ইংলণ্ডৰ বিবৰন'ৰ গুৰুত্ব দুই কাণ্ড 'অসমীয়া লৰাৰ মিত্ৰ'ৰ পাঠ তিনিটাতকৈ বহু পৰিমাণে বেছি। বিশেষকৈ, ইংলণ্ডৰ লোকসকলৰ আদৰ্শত নিজকে গঢ়াৰ উপৰি অসমৰ সৰ্বাংগীন উন্নতি সাধন কৰিবলৈ অৰুনোদইৰ লেখাটোত আনন্দৰামে অসমীয়াক যি 'উত্তিষ্ঠত জাগ্ৰত' বাণী শুনাইছিল, সেই বাণী দুয়োটা কাণ্ডৰ তিনিওটা পাঠতে অনুপস্থিত। আনহাতে, সেই বাণীৰ বাবেই আনন্দৰামৰ লেখাটোৰ মূল্য সদায়েই সোণসেৰীয়া। সেই বাবেই আমি অৰুনোদইত প্ৰকাশিত 'ইংলণ্ডৰ বিবৰন' শীৰ্ষক লেখাটোৰ পুনৰ্মুদ্ৰণ আনন্দৰামৰ আখৰ-জোঁটনিৰে 'ওপৰঞ্চি' হিচাপে এই গ্ৰন্থৰ লগত আঁৰি দিছোঁ।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডটোত "পৃথিৱীত যি সকল দেশ আছে, তাৰ নদী, পৰ্ব্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য শাসন, উৎপন্ন দ্ৰব্য, বাণিজ্য আৰু লোক সকলৰ ৰীতি, চৰিত্ৰ, ধৰ্ম্ম ইত্যাদিৰ বিবৰণ" প্ৰকাশ পালেও সিবোৰৰ মাজতে অনুৰণিত হৈছে আনন্দৰামৰ হৃদয়াবেগো। স্বদেশহিতৈষণা আছিল আনন্দৰামৰ জীৱনৰ মূল মন্ত্ৰ। অসমীয়া ল'ৰাহঁতক অসম-প্ৰেমত উদ্বুদ্ধ কৰিবৰ বাবে নাইবা নৈতিক উপদেশ দিবৰ বাবে দ্বিতীয় কাণ্ডত সুৰুঙা আছিল যিমান, তৃতীয় কাণ্ডত তেনে সুৰুঙা মুঠেই নাই। তৎসত্ত্বেও তেওঁ ল'ৰাহঁতক স্বদেশপ্ৰেমৰ বীজমন্ত্ৰ শুনাইছে এনেকৈ, "তুমি কোনো দেশৰ মানুহক কোন দেশ ভাল বুলি যদি সোধা তেন্তে প্ৰায় আটাইয়ে যি দেশত উপজিচে সেই দেশ ভাল বুলি ক'ব। এনে বুলি সকলোৱে ভাবিব পাই আৰু স্বদেশত এটাইতকৈ সজ হবলৈ পুৰুষাৰ্থ কৰিব পাই। তাতকৈ বঢ়া সুখ আৰু ক'ত আচে? তোমোলাকে সৰুৰে পৰা আপোনাৰ দেশৰ হিত চিন্তিবা।" আকৌ, ভূগোল অধ্যয়নৰ জৰিয়তে সজ আৰু ধাৰ্ম্মিক হবলৈ ল'ৰাবিলাকক দিয়া তেওঁৰ উপদেশ এনেকুৱা : "পৃথিৱীৰ নানা লোকৰ কথা জানি তোমোলাকৰ জ্ঞানী আৰু ধাৰ্ম্মিকৰ উপমাৰে চলিবলৈ আৰু অসজৰ উপমা এৰিবলৈ মতি হ'ব পাই। নানা দেশৰ বুৰঞ্জি কথা জানি যি কথা অন্যায় আৰু নিষ্ঠুৰ বা দুষ্ট আৰু অযুগুত তাত লাজ কৰি যি কৰ্ম্ম সজ আৰু যুগুত আৰু ধাৰ্ম্মিক তাকে কৰিবলৈ মনক উৎসাহ কৰিবা।"

গুণাভিৰাম বৰুৱাই জনোৱা মতে "তেওঁ [আনন্দৰামে] ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে। ৰোগশয্যাত থাকোঁতে সদায় সময়ে সময়ে গম্ভীৰ স্বৰে পৰমেশ্বৰৰ নাম লৈছিল।" ঈশ্বৰৰ অস্তিত্বৰ প্ৰতি অসমীয়া ল'ৰাহঁতৰো মন আকৰ্ষণ কৰিবলৈ যত্ন কৰি আধ্যাত্মিক উৎকৰ্ষ সাধনৰ পথটো দেখুৱাইছে আনন্দৰামে। 'পাঠকৰ প্ৰতি নিবেদন'ত তেওঁ কৈছে, "আমাৰ আটাইৰে পিতৃ পৰমেশ্বৰে আপোনাৰ মহিমা আৰু দয়া প্ৰকাশৰ নিমিত্তে আৰু আমাৰ বাসস্থানলৈ এই পৃথিৱী স্ৰজিচে। তাৰ উৰ্ব্বৰা মাটিৰ পৰা আমাৰ আহাৰ ওলায়, তাৰ পানিৰেহে পিয়াহ পলায় আৰু তাৰ মূল্যবান বস্তুৰেহে আমি ধনৱন্ত হওঁ। কৃপাবান ঈশ্বৰে এই পৃথিৱীত তেঁওৰ অনুগ্ৰহৰ চিনে ভৰাই থৈচে, আৰু পৃথিৱীৰ কথা আমি যিমান জানো তিমান ঈশ্বৰৰ কৃপাৰ কথা প্ৰতীতি হয়।" গ্ৰন্থখনৰ 'সমাপ্তি' শীৰ্ষক পাঠটোতো ল'ৰাহঁতৰ মন ঈশ্বৰাভিমুখী কৰিবলৈ তেওঁ যত্ন কৰিছে : "যি জনা মহৎ আৰু কৃপাবান ঈশ্বৰে সকলো বস্তুকে স্ৰজিচে

আৰু যাৰ অনুগ্ৰহত সেইবোৰ ৰক্ষা পাই আছে, তেঁওক মান্য আৰু প্ৰীতি কৰিব পোৱা।" গ্ৰন্থৰ শেহত ল'ৰাইতক আশীৰ্বাদ দিওঁতেও তেওঁৰ কথা একেসুৰীয়া : "ঈশ্বৰে তোমোলাকক কৃপা কৰি কুশলে ৰাখক আৰু সুমতি দিয়ক।" এনে ধৰণৰ ঈশ্বৰাভিমুখী মানসিকতা বা ঈশ্বৰানুগত্য সাম্প্ৰতিক কালৰ নিৰীশ্বৰবাদী (?) অসমীয়া বুদ্ধিজীৱীৰ দৃষ্টিত একপ্ৰকাৰৰ অপৰাধ হ'লেও তেনে 'অপৰাধ' আনন্দৰামে বহু ঠাইত কৰিছে জাতিটোৰ ভৱিষ্যৎ প্ৰজন্মৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ স্বাৰ্থতেই।

পিছে, ভগৱৎ-প্ৰেমত যেনেকৈ, মানৱ-প্ৰেমতো তেনেকৈ আনন্দৰামৰ হৃদয় উদ্বেলিত। তেওঁৰ দৃষ্টিত "বসুধৈব কুটুম্বকম্।" দাস-প্ৰথা প্ৰচলিত থকাটো বা গোলাম কিনা-বেচা কৰাটো সমগ্ৰ মানৱ-জাতিৰ বাবেই এক প্ৰকাৰৰ কলংক; সেই প্ৰথা যি কোনো জাতিৰেই লজ্জাজনক অৱস্থা। আনন্দৰামৰ মতে, "আমেৰিকাৰ সম্মিলিত মণ্ডলৰ এটাই কথাই ভাল, এটি মাথোন বৰ দুৰ্গুণ আৰু লাজৰ কথা আচে অৰ্থাৎ তাত গোলাম আচে।" সেই কলংক মোচনৰ বাবে, সেই অৱস্থাৰ দূৰীকৰণৰ বাবে আনন্দৰামৰ মনত আছিল এক প্ৰকাৰৰ নিৰন্তৰ আকাংক্ষা। ইংৰাজে আফ্ৰিকাৰ পৰা গোলাম কিনিবলৈ এৰা আৰু আফ্ৰিকাৰ লোকক সভ্য কৰিবলৈ কৰা পুৰুষাৰ্থলৈ আঙুলিয়াই তেওঁ কৈছে, "আমি চিত্তে সৈতে বাঞ্ছা কৰোঁ যে আন দেশৰ মানুহেও যেন এনে দুৰ্ম্মতিৰ পৰা মন পালটাই আফ্ৰিকাৰ হিত চিন্তে।"

দাস-প্ৰথাৰ বেলিকা যেনে, পুৰুষৰ বহুগামিতা বা বহুবিবাহ-প্ৰথাৰ বেলিকাও আনন্দৰামৰ মনোভংগী তেনে। "আসিয়াৰ দেশ বিলাকৰ নিচিনা তুৰুকতো তিৰোতা বিলাকৰ দুৰৱস্থা, সিবিলাকে বাহিৰলৈ জাব নোৱাৰে আৰু এটাইতকৈ কুৰীতি এই যে ধনৱন্ত বিলাকে অনেক তিৰোতাক কিনি আনি ৰাখে। এজনীতকৈ বঢ়া বিয়া কৰোৱা ৰীতি এই দেশতো চলিচে, কিন্তু তাৰ সমান কুৰীতি নাই।" শেহ উনবিংশ শতিকাৰ অসমতো যেতিয়া "নাস্তি স্ত্ৰিয়াঃ স্বতন্ত্ৰতা" বুলি নাৰীৰ মুক্তাৱস্থাক অস্বীকাৰ কৰা হৈছিল, তাৰ বিপৰীতে শতিকাটোৰ চল্লিছৰ দশকতে নাৰীৰ স্বাধিকাৰ সম্পৰ্কত আনন্দৰামৰ সচেতনতাই আমাক বিস্ময়াভিভূত নকৰাকৈ নাথাকে। অৱশ্যে গুণাভিৰাম বৰুৱাই কৈয়েই থৈছে, "স্ত্ৰী স্বাধীনতাৰো তেওঁ পক্ষপাতী আছিল" বুলি।

হয়, আনন্দৰাম পক্ষপাতী আছিল অসমত ব্ৰিটিছ-প্ৰশাসনৰো। ব্ৰিটিছ-প্ৰশাসনৰ গুণ-গান আনন্দৰামে কীৰ্তন কৰিছিল স্বতস্ফূৰ্তভাৱেই, স্বেচ্ছানুবৰ্তী হৈয়েই; অৰুনোদইৰ ম. আদ্যাক্ষৰী লেখক মাইলছ ব্ৰনছনৰ আৰ্হি বা

প্ৰেৰণাত উদ্বুদ্ধ হৈ নহয়।[৮] আনন্দৰামৰ ব্ৰিটিছ-ভক্তি বা ব্ৰিটিছানুগত্য লুকুৱাবলগীয়া বিষয়ো নহয়। তেওঁ লুকুৱা নাছিল। নিঃচৰ্তভাৱে ব্ৰিটিছ-প্ৰশাসনৰ প্ৰশংসা কৰিছিল আনন্দৰামে। কেৱল অৰুনোদইত প্ৰকাশিত 'ইংলণ্ডৰ বিবৰন'তেই নহয়, উভয় কাণ্ড 'অসমীয়া লৰাৰ মিত্ৰ'ৰ য'তেই ব্ৰিটিছ-শাসনৰ প্ৰসংগ উত্থাপিত হৈছে, ত'তেই তেওঁ প্ৰয়োজনবশতঃ ব্ৰিটিছৰ প্ৰশংসা নিঃসংকোচে কৰি গৈছে। তৃতীয় কাণ্ডৰ সিন্ধু প্ৰদেশৰ প্ৰসংগত তেওঁ কৈছে, "অল্প দিন হৈচে এই দেশৰ ৰজা মুছলমান আমিৰ আচিল আৰু সিবিলাকে প্ৰজাক বৰকৈ যাতনা দিচিল, কিন্তু এতিয়া ইংৰাজে তাক লৈচে তাৰ পৰা প্ৰজাৰ সুখ হব।" আফ্ৰিকা প্ৰসংগতো কৈছে, "ইংৰাজ সকলে গোলাম কিনি নিবলৈ অকল এৰিচে এনে নহয় কিন্তু আফ্ৰিকাৰ লোকক সভ্য কৰিবলৈ বৰ পুৰুষাৰ্থ কৰিচে।" দ্বিতীয় কাণ্ডত সন্নিবিষ্ট 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি' শীৰ্ষক পাঠৰ শেহৰ ছেদটো ("অসম দেশ মানৰ অধিকাৰত মহা দুৰ্গতিত পৰি অৰাজক প্ৰায় হল কিন্তু এতিয়া ইংগ্লণ্ডীয়াধিকাৰ হোৱাত ক্ৰমে উন্নতি হব লাগিচে আৰু কিচু কালৰ মুৰত আকৌ পূৰ্ব্বৰ দৰে হব আৰু লোক সকলো সভ্য আৰু সুখী হব এতেকে ঈশ্বৰে আমাৰ দেশৰ ভাললৈহে ইংৰাজক অধিপতি কৰিচে।") কোনোৱে ভবা দৰে[৯] গুণাভিৰাম বৰুৱাৰ সংযোজন নহয়, আনন্দৰামৰেই নিজা কথা সেইখিনি। তেনে কথা লিখি আনন্দৰামে মহাপাতক আচৰিলে বুলি আমি নাভাবোঁ, আৰু মানৰ অত্যাচাৰৰ ভুক্তভোগী যিসকল নহয়, সেইসকলে তেনেকৈ নভবাটোৱেই বাঞ্ছনীয়। আনন্দৰামে তেনেকৈ কোৱাৰ কাৰণ তেওঁৰ পিতৃ আৰু মানৰ অত্যাচাৰৰ প্ৰত্যক্ষদৰ্শী হলিৰাম ঢেকিয়াল ফুকনে তেনেকৈ কোৱাটো;[১০] তেনেকৈয়ে কবলৈ বাধ্য হৈছিল স্বয়ং মণিৰাম বড়ভাণ্ডাৰ বৰুৱাও।[১১] আৰ্তজনে ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰাটো সাম্প্ৰতিক কালৰ 'নিৰ্মোহ' ইতিহাস চৰ্চাকাৰীসকলৰ বাবে দৃষ্টিকটু হব পাৰে। কিন্তু স্বাধীন

---

৮ প্ৰসেনজিৎ চৌধুৰীৰ 'অৰুনোদই', ১৯৯৫, পৃ. ২৬ দ্ৰষ্টব্য। ব্ৰন্‌ছনৰ সংশ্লিষ্ট লেখাটো প্ৰকাশ হোৱাৰ পূৰ্বে নহলেও তাৰ দুমাহৰ পাছতেই যে আনন্দৰামৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দুয়োটা কাণ্ডৰ ৰচনা সম্পূৰ্ণ হৈছিল, আৰু 'অৰুনোদই'ত প্ৰকাশিত 'ইংলণ্ডৰ বিবৰন' যে উক্ত দুয়োটা কাণ্ডৰ তিনিটা লেখাৰ সংমিশ্ৰণহে, সেই কথা নজনাকৈয়ে শ্ৰীচৌধুৰীয়ে অভিমত দিছে।

৯. প্ৰসেনজিৎ চৌধুৰী, 'ঈশ্বৰ ইংৰাজ ইতিহাস,' ১৯৮৬, পৃ. ২১–২২।

১০. দ্ৰষ্টব্য : যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য সম্পাদিত 'আসাম বুৰঞ্জি', ১৯৬২, পৃ. ৫৯।

১১. ব্ৰজেন্দ্ৰনাথ বন্দ্যোপাধ্যায় সম্পাদিত 'সংবাদপত্ৰে সেকালের কথা', দ্বিতীয় খণ্ড, ৪ৰ্থ মুদ্ৰণ, পৃ ৬৫৫–৫৬।

ভাৰতৰ দেশীয় আৰু গণতান্ত্ৰিক চৰকাৰৰ আমোলত সকলো ধৰণৰ আৰ্থিক তথা সাম্পদিক নিৰাপত্তা ভোগ কৰি থকা বুদ্ধিজীবীয়ে ব্ৰিটিছাধীন ভাৰতত অসংখ্য সীমাবদ্ধতাৰ মাজত থাকি অসমৰ হকে যৎপৰোনাস্তি চিন্তা-চেষ্টা কৰোঁতাসকলৰ কাৰ্য-কলাপৰ প্ৰতি সদায়েই উন্নাসিকতা প্ৰদৰ্শন কৰি অহাটো বা সকলো কথাৰে ঋণাত্মক দিশটোহে দেখাটোৱে এটা দুৰাৰোগ্য বৌদ্ধিক ব্যাধিহে, সেইটোও অত্যন্ত উদ্বেগৰ বিষয়।

* * * * *

আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডটোৱে কেতিয়াবা ক'ৰবাত ওলাব, এনে ধাৰণা আমাৰ বিদ্বৎসমাজত নাছিল; অন্ততঃ সেই সম্পৰ্কীয় চিন্তা-চৰ্চাৰ কোনো আভাস ক'তোৱেই পাবলৈ নাই। কিন্তু কিতাপখন ওলাল; সিও আকৌ লণ্ডনৰ ব্ৰিটিছ মিউজিয়ম বা ইণ্ডিয়া অফিচ লাইব্ৰেৰীত নহয়; অসমৰে এখন অন্যতম পুৰণি স্কুলত সংৰক্ষিত প্ৰায় ডেৰশ বছৰীয়া পুৰণি কিতাপ কিছুমানৰ মাজত। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ অন্যতম ত্ৰাণকৰ্তা আনন্দৰাম ঢেকিয়াল ফুকনৰ এই গ্ৰন্থখনযে কালৰ বুকুত জাহ নোযোৱাকৈ সেই স্কুলখনত থাকিল, তাৰ বাবেই নগাঁও চৰকাৰী অভ্যসন বিদ্যালয়ৰ কৰ্তৃপক্ষ যিমান গৌৰৱৰ ভাগী, কিতাপখনৰ একমাত্ৰ কপিটোৰ সদ্ব্যৱহাৰ কৰিবলৈ আমাক অনুমতি দিয়া বাবে স্কুলখনৰ কৰ্তৃপক্ষৰ ওচৰত আমি সিমানেই ঋণী।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডটো বিচাৰি উলিওৱাৰ পাছত শ্ৰীযুত হোমেন বৰগোহাঞি-সম্পাদিত 'অসম বাণী' কাকতত কিতাপখনৰ এটা দীঘলীয়া পৰিচয় আমি দাঙি ধৰিছিলোঁ। আশ্চৰ্যৰ বিষয় যে আমাৰ সেই লেখাটো প্ৰকাশ হোৱাৰ পাছত গ্ৰন্থখনৰ প্ৰতি কোনেও ক'তো কোনো ধৰণৰ কৌতূহল প্ৰকাশ নকৰিলে। হয়, ১৮৪৬ খ্ৰীষ্টাব্দত ৰচিত আৰু ১৮৪৯ খ্ৰীষ্টাব্দত প্ৰকাশিত আনন্দৰামৰ 'ভূগোল বৃত্তান্ত' পঢ়ি এতিয়া কোনেও পৃথিৱীৰ কথা জানিব নোখোজে; কিতাপখনৰ ব্যৱহাৰিক প্ৰয়োজন এতিয়া আৰু নাই। কিন্তু ডেৰশ বছৰৰো পূৰ্বে ৰচিত আৰু প্ৰকাশিত আনন্দৰাম ঢেকিয়াল ফুকনৰ এখন বিলুপ্তপ্ৰায় গ্ৰন্থ উদ্ধাৰ হোৱা ঘটনাটোৰ সংবাদ-মূল্যওযে নাথাকিব পাৰে, তেনে অভিজ্ঞতা কিজানি অসমৰ লেখীয়া ৰাজ্য এখনতহে সম্ভৱ। আমাৰ বোধেৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা হিচাপেই কিতাপখনে আমাৰ ৰাজ্যিক

সংগ্ৰহালয়ত সংৰক্ষণ-যোগ্যতা পাব লাগিছিল। পিছে, ব্যক্তিগতভাৱে সংগ্ৰহালয় কৰ্তৃপক্ষৰ লগত সেই বিষয়ে যোগাযোগ কৰি আমি হতাশ হলোঁ। তেনে অৱস্থাতে 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা' (ABILAC)-ৰ সঞ্চালক ড° প্ৰফুল্ল মহন্ত আগবাঢ়ি আহিল গ্ৰন্থখনৰ পুনৰ্মুদ্ৰণ প্ৰকাশ কৰিবলৈ। উল্লিখিত প্ৰতিষ্ঠানেই 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয়টো কাণ্ড আমাৰ হতুৱাই সম্পাদনা কৰোৱাই প্ৰকাশ কৰিছিল ১৯৯২ চনত। ড° মহন্তৰ উদ্যোগত আৰু প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী সমিতিৰ সভাপতি শ্ৰীযুত নৰকান্ত বৰুৱাদেৱৰ সহযোগত এতিয়া দুয়োটা কাণ্ড একত্ৰ সংকলিত হৈ ৰ'ল, আৰু আনন্দৰামৰ কৃতি আৰু কীৰ্তিৰ নিদৰ্শন স্বৰূপে এই গ্ৰন্থ দুখন কিছু বছৰলৈ হেৰাই নোযোৱাকৈ থাকি গ'ল।

যোগেন্দ্ৰনাৰায়ণ ভূঞা
৬ জুলাই, ১৯৯৯

চানেকি পথ
বাঘৰবৰি-ঃ পাঞ্জাবাৰী
গুৱাহাটী-৭৮১০৩৭

[প্ৰথম পুনৰ্মুদ্ৰণৰ] ভূমিকা

'অসমীয়া লৰাৰ মিত্ৰ' আনন্দৰাম ঢেকিয়াল ফুকনে (খ্ৰীঃ ১৮২৯-১৮৫৯) অসমীয়া ভাষাত প্ৰণয়ন কৰা প্ৰথম গ্ৰন্থ। কেৱল অসমীয়া ভাষাতে নহয়, বঙলা আৰু ইংৰাজী ভাষাত আনন্দৰামে লিখা কেউখন গ্ৰন্থৰ ভিতৰতে 'অসমীয়া লৰাৰ মিত্ৰ'ৰ স্থান প্ৰথম। তেওঁ ইংৰাজী ভাষাৰ পৰা বঙলা ভাষাত অনুবাদ কৰি যুগুতোৱা 'সদৰ আদালতৰ নিষ্পত্তি' আৰু 'আইন ও ব্যৱস্থা সংগ্ৰহ' ১৮৫০ আৰু ১৮৫৫ খ্ৰীষ্টাব্দৰ মাজৰ কালছোৱাত প্ৰকাশ পায়। মেজৰ এ. জে. মফাট মিলছৰ হাতত দাখিল কৰা আনন্দৰামৰ প্ৰতিবেদন 'Observations on the Administration of the Province of Assam' ১৮৫৩ চনত (জুন মাহত?) ৰচিত আৰু মিলছ চাহাবৰ প্ৰতিবেদনৰ (Report on the Province of Assam) পৰিশিষ্টৰূপে ১৮৫৪ চনত প্ৰকাশিত। তেওঁৰ 'অসমীয়া ভাষা আৰু অসম দেশৰ দেশীয় ভাষা শিক্ষা' সম্পৰ্কীয় এতলা 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam' প্ৰকাশ পায় ১৮৫৫ খ্ৰীষ্টাব্দত। 'অসমীয়া লৰাৰ মিত্ৰ'য়েই গ্ৰন্থ ৰূপত প্ৰকাশ পোৱা তেওঁৰ প্ৰথম লেখা। গুণাভিৰাম বৰুৱাই কৈছে, "১৮৪৯ চনত সেই পুস্তক মুদ্ৰিত হয়"। এই গ্ৰন্থ প্ৰকাশৰ পটভূমি গুণাভিৰামৰ ভাষাত এনে ধৰণৰঃ "যি দেশৰ যি ভাষা [সি] ব্যৱহাৰ নহ'লে দেশৰ মঙ্গল নহয়। প্ৰথমে এই দেশত অসমীয়া ভাষাৰে সকলো কাৰ্য-কৰ্ম হৈছিল। পাছে বঙ্গলা ভাষাই যে এই দেশৰ প্ৰকৃত ভাষা, কৰ্ত্তৃপক্ষৰ দ্বাৰা এইটো সিদ্ধান্ত হোৱাত বঙ্গলা ভাষা সকলো বিষয়ত চলিবলৈ ধৰিলে। আদালত আৰু লোকৰ অৱস্থা দেখি অসমীয়া ভাষা চলাবৰ নিমিত্তে ফুকনৰ যত্ন হ'ল। নানা উপদেশ গৰ্ভ ইংৰাজী প্ৰস্তাৱৰ পৰা সংগ্ৰহ কৰি 'অসমীয়া লৰাৰ মিত্ৰ' নামে দুই কাণ্ড পুস্তক ফুকনে অসমীয়াত প্ৰচাৰ কৰিলে।"[১]

১৮৪৯ চনৰ কোন মাহত গ্ৰন্থখন প্ৰকাশ হৈছিল, সেই কথা জনাৰ উপায় নাই। কিন্তু সেই বছৰৰ অক্টোবৰ সংখ্যা অৰুনোদইত এই গ্ৰন্থৰ পৰিচয় প্ৰকাশ পাইছিল। গ্ৰন্থ-পৰিচিতিৰ পোনতে কোৱা হৈছে, "অসমিয়া লৰাৰ মিত্ৰ নামে দুতিয় আৰু ত্ৰিতিয় ভাগ দুখন সুন্দৰ কিতাপ গুআহাটিৰ পৰা পালোঁ।"[২] এই

---

১. 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ', অসম প্ৰকাশন পৰিষদ, ১৯৭১, পৃ. ৬২।

২. ড° মহেশ্বৰ নেওগৰ দ্বাৰা পুনঃ সংকলিত-সম্পাদিত 'অৰুনোদই', অ. প্ৰ. প., পৃ. ৩৭৭।

কথাই গুৱাহাটীৰ পৰা আনন্দৰামে শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছত ছপা হোৱা অৰুনোদইৰ সম্পাদক-প্ৰকাশকলৈ কিতাপ দুখন পঠোৱাৰ কথা বুজাইছে। তদুপৰি গ্ৰন্থখন বছৰটোৰ অন্ততঃ প্ৰথমাৰ্দ্ধতে ছপাশালৰ পৰা ওলাই আহিছিল বুলিও এই কথাৰ পৰা অনুমান কৰিব পাৰি। ‘অসমীয়া লৰাৰ মিত্ৰ’ কলিকতাৰ ‘সমাচাৰ চন্দ্ৰিকা যন্ত্ৰ’ত ছপোৱা হৈছিল বুলি গুণাভিৰামে কৈছে। আনন্দৰাম নিজে ১৮৫১ চনত গুৱাহাটীৰ পৰা কলিকতালৈ যাওঁতে সময় লাগিছিল সৰ্বমুঠ ১৮ দিন, আৰু ১৮৫২ চনত কলিকতাৰ পৰা গুৱাহাটীলৈ উভতি আহোঁতে লাগিছিল ২০ দিন। অক্টোবৰ সংখ্যা অৰুনোদইত ‘অসমীয়া লৰাৰ মিত্ৰ’ গ্ৰন্থৰ পৰিচয় প্ৰকাশ পাবলৈ হ’লে কিতাপখন অন্ততঃ আগষ্ট মাহৰ শেহ বা ছেপ্টেম্বৰ মাহৰ আদি ভাগতে শিৱসাগৰৰ মিছন প্ৰেছ পাবগৈ লাগিব। সেয়ে হ’লে, কিতাপখন কলিকতাৰ ছপাশালৰ পৰা ১৮৪৯ চনৰ অন্ততঃ জুন মাহত ওলাই সেই মাহৰ ভিতৰতে নহ’লেও জুলাই মাহৰ প্ৰথমকেইটা দিনতে গুৱাহাটী পাইছিলহি বুলি অনুমান কৰিব পাৰি।

‘আনন্দৰাম ঢেকিয়াল ফুকন ৰচনা সংগ্ৰহ’ গ্ৰন্থৰ সংকলক-সম্পাদক নন্দ তালুকদাৰে ‘অসমীয়া লৰাৰ মিত্ৰ’ৰ প্ৰথম সংস্কৰণৰ দুষ্প্ৰাপ্যতাৰ কথা স্বীকাৰ কৰিছে— “প্ৰথম সংস্কৰণ বৰ্তমান আমি জনাত ক’তো পাবলৈ নাই” বুলি। আকৌ, তেখেতৰ মতে, “লণ্ডনৰ বৃটিছ মিউজিয়াম আৰু লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীৰ তালিকাত দ্বিতীয় সংস্কৰণৰ পৰাহে” কিতাপখনৰ উল্লেখ পোৱা যায়।[৩] তালুকদাৰে কোৱা তথ্যসূত্ৰত আমি চকু ফুৰাইছোঁ। কিন্তু সেই তথ্য আনন্দৰাম ঢেকিয়াল ফুকনৰ দ্বাৰা ৰচিত মূল ‘অসমীয়া লৰাৰ মিত্ৰ’ সম্পৰ্কীয় নহয়, আনন্দৰামৰ মূল গ্ৰন্থখনৰ আলমতে গুণাভিৰাম বৰুৱাই যুগুতোৱা ৭৬ আৰু ৭৮ পিঠীয়া গ্ৰন্থখনৰহে।[৪]

---

৩. উক্ত গ্ৰন্থ, লয়াৰ্ছ বুক ষ্টল, ১৯৭৭, পৃ. ৩৩।

৪. "Asamīyā Laṛāɪ Mitra, Assamese Reader, By Ānandarām Dhekiāl Phukan, pp. 3, 73, 12 mo. Calcutta, 1873.
—3rd edition, pp. 76, 12 mo. Goalpara, 1875.
—4th edition, pp. 78, 12 mo. Goalpara, 1876
—5th edition, pp. 78 12 mo. Goalpara, 1877
—6th edition, pp. 78, 12 mo. Goalpara, 1878.
আৰু
"—[7th edition]. pp. 78, Goalpara 1879.
—[8th edition] pp. 78, Calcutta, 1880."

পিছে, সম্প্ৰতি আমাৰ হাতত পৰা 'অসমীয়া লৰাৰ মিত্ৰ'ৰ কপিটো আনন্দৰামৰ গ্ৰন্থখনৰ প্ৰথমটো সংস্কৰণৰ, আৰু অৰুনোদই কথিত আনন্দৰামৰ "দুখন সুন্দৰ কিতাপ"ৰ ("দুতিয় আৰু ত্ৰিতিয় ভাগ") মূল "দুতিয়" ভাগটো। দুষ্প্ৰাপ্য গ্ৰন্থখনৰ এই কপিটোৰ লগত জড়িত হৈ আছে অসমীয়া ভাষা-সাহিত্যৰ এজন নীৰৱ সেৱক, গুৱাহাটীৰ শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা ডাঙৰীয়াৰ অতুলন অসাধাৰণ গ্ৰন্থ-সংৰক্ষণ-স্পৃহা, আৰু 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম' (ABILAC) অনুষ্ঠানৰ সভাপতি, যশস্বী পণ্ডিত ড° প্ৰফুল্লদত্ত গোস্বামী ডাঙৰীয়াৰ উদ্যোগ আৰু উদাৰতা।

বেটুপাত আৰু নাম-পাতবিহীন এই কপিটো ১ৰ পৰা ২২০ পৃষ্ঠালৈকে অক্ষত অৱস্থাত পোৱা হৈছে। গ্ৰন্থখনৰ মূল কথাবস্তু ২১৭ পৃষ্ঠালৈকে মুদ্ৰিত। কোনোটো পৃষ্ঠাতে গ্ৰন্থখনৰ নাম পাবলৈ নাই। প্ৰতিটো পৃষ্ঠাৰ ওপৰৰ সোঁ-মাজত প্ৰথম বন্ধনীৰ ভিতৰত পৃষ্ঠা-সংখ্যাটো মুদ্ৰিত হৈছে। কথা-বস্তু মুদ্ৰিত অংশৰ পৰিমাণ ২০ x ১০ চেণ্টিমিটাৰ। প্ৰতি ৮ পৃষ্ঠাৰে হোৱা একোটা ফৰ্মাৰ প্ৰথম পৃষ্ঠাটোৰ তলৰ সোঁ-মাজত দ্বিতীয় ফৰ্মাৰ পৰা একাদিক্ৰমে 'খ', 'গ' আদি বৰ্ণেৰে ফৰ্মা-চিহ্ন দেখুওৱা হৈছে। ছপাৰ ভুলবশতঃ 'ণ' মুদ্ৰিত হৈছে দুটা ফৰ্মাত। তাৰ পাছৰ পৰা ফৰ্মা-চিহ্ন পাবলৈ নাই। মুদ্ৰিত পৃষ্ঠাসমূহ সাধাৰণতে ২২ শৰীয়া। কেতিয়াবা একেটা পৃষ্ঠাতে একাধিক পাঠৰ শিৰোনামা মুদ্ৰিত হৈছে। প্ৰতিটো পাঠৰ শিৰোনামা পোনতে ইংৰাজী ভাষাত, আৰু তাৰ তলতহে অসমীয়া ভাষাত মুদ্ৰিত। ২১৮ সংখ্যক পৃষ্ঠাটো উকা। "যি সকল লোকে 'অসমীয়া লৰাৰ মিত্ৰ' প্ৰচাৰ কৰিবলৈ ধন দিচে সিবিলাকৰ নাম আৰু ধনৰ সংখ্যা তলত লিখা গল" বুলি "ধন দিওঁতাৰ নাম"ৰ বিপৰীতে "ধনৰ সংখ্যা" (টকা হিচাপত) দেখুওৱা হৈছে ২১৯ আৰু ২২০ সংখ্যক পৃষ্ঠা দুটাত। ২২১ সংখ্যক পৃষ্ঠাটোতো ধন দিওঁতাসকলৰ নাম আৰু ধনৰ পৰিমাণ মুদ্ৰিত হৈছিল বুলি সহজে অনুমান কৰিব পাৰি। "ইংৰাজ আৰু দেশীয় ভদ্ৰ মহোদয় সকলে এই পুস্তক ছপাবৰ বিষয়ে অৰ্থেৰে সাহায্য কৰিলে" বুলি আৰু "মেথী চাহাব আৰু জেনকিনচ চাহাবে এই বিষয়ে বিশেষ উৎসাহ দিছিল" বুলি গুণাভিৰাম বৰুৱাই কৈ গৈছে। গ্ৰন্থখনৰ শেহৰ পৃষ্ঠাকেইটা সেই ভদ্ৰ মহোদয়সকল আৰু তেওঁলোকে আগবঢ়োৱা সাহায্যৰ পৰিচায়ক।

গ্ৰন্থখনৰ নাম যে দীৰ্ঘ ঈ-কাৰ যুক্ত 'ম'ৰে 'অসমীয়া লৰাৰ মিত্ৰ', সেই বিষয়ে সন্দেহ কৰাৰ থল নোহোৱা কৰিছে গ্ৰন্থখনৰ ২১৯ সংখ্যক পৃষ্ঠাটোৱেই।

এইটো যে 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় কাণ্ড, সেই কথা ১৮৪৯ চনৰ অক্টোবৰ সংখ্যা অৰুনোদইত প্ৰকাশ পোৱা পৰিচয়-প্ৰসংগই কৈছে। অৰুনোদইয়ে "এই কিতাপ দুতিয় ভাগৰ পৰা লৰা বিলাকে বিদ্যা সিকিবলৈ উদগোআ কথা পাই তলত চাপিচোঁ" বুলি যিখিনি কথা পুনৰ মুদ্ৰিত কৰিছে, সেইখিনি আমাৰ হাতত পৰা কপিটোৰ 'পাঠকৰ প্ৰতি নিবেদন' অংশৰ শেহৰ চাৰিটা অনুচ্ছেদ। তদুপৰি, অৰুনোদইৰ পৰিচয়-প্ৰসংগটোত আছে, "কেতিয়াবা যদি সেই কিতাপৰ পৰা কোনো কথা অৰুনোদইত চাপোঁ, তেন্তে তাক জানিবৰ নিমিতে সেসত অ. ল. ম. এই আখৰ লগাই দিম।" সেইমতে অৰুনোদইত অ.ল.ম. চিহ্নিত যিকেইটা লেখা পুনৰ্মুদ্ৰিত হৈছিল, সেইকেইটা এই কপিটোৰে অন্তৰ্গত। নাম-পাতত থকা বুলি অৰুনোদইয়ে দেখুৱা 'দুতিয়' শব্দটো নিশ্চয় আনন্দৰামৰ 'দ্বিতীয়' শব্দৰ সৰলীকৃত ৰূপহে। 'অসমীয়া লৰাৰ মিত্ৰ'ত 'দুতিয়' শব্দটো পাবলৈ নাই; তেনেকৈয়ে নাই 'ত্ৰিতিয়' শব্দটোও। কিন্তু 'দ্বিতীয়' 'তৃতীয়' শব্দ ব্যৱহাৰ কৰি গৈছে আনন্দৰামে 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি' কওঁতে। তেওঁ কৈছে, "...অসম দেশক তিনি জাতিয়ে আক্ৰমণ কৰিলে, প্ৰথম মুছলমান, দ্বিতীয় মোৱামৰিয়া বা মটক, তৃতীয় মান। (পৃ. ১৯৩)। কেৱল 'দ্বিতীয়'ই নহয়, 'অদ্বিতীয়' শব্দও আছে 'অসমীয়া লৰাৰ মিত্ৰ'ত। (পৃ. ১৪৭)।

গতিকে বৰ্তমান গ্ৰন্থখন আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ 'দ্বিতীয় কাণ্ড'। অৰুনোদইয়ে কোৱা মতে গ্ৰন্থখনৰ নাম-পাতৰ কথাখিনি হ'ব এনে ধৰণৰ :— "অসমীয়া লৰাৰ মিত্ৰ। ২ দ্বিতীয় কাণ্ড। বালকোপদেশক; অৰ্থাৎ অসম দেশৰ লৰাবিলাকৰ উপকাৰলৈ নীতি ধৰম, আৰু নানা বিদ্যা বিষয়ক উপদেশ। অসম দেশৰ লোক এজনৰ দ্বাৰাই ইংৰাজী ভাষাৰ নানা পুস্তকৰ পৰা সংগ্ৰহ হৈ অসমীয়া ভাষাই ভাষান্তৰ হ'ল। দ্বিতীয় ভাগ। মূল্য ১|০, পাঁচ সিকি মাত্ৰ"। আনন্দৰামে যে গ্ৰন্থখনত লেখক হিচাপে নিজৰ নাম দিয়া নাছিল, সেই কথাৰ যুক্তি ৰূপে গুণাভিৰাম বৰুৱাই কৈছে, "তেওঁৰ লোক সমাজত ওলাবলৈ বৰ ইচ্ছা নাই।" অৰুনোদইয়েও কৈছে— "লোকৰ আগত আপোনাৰ নামত প্ৰসংসা পাবৰ ইচা নাই দেখি ফুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে।" কিন্তু অৰুনোদইয়ে ভালদৰে জানে, "শ্ৰীজুত বাবু আনন্দিৰাম ঢেকিয়াল ফুকনে কলিকতালৈ গৈ হিন্দু কলিজত ভাল ৰূপে ইংৰাজি ৰিদ্যা সিকিলে; পাচে গুআহাটিলৈ উভতি আহি আপোন অসম দেসৰ উপকাৰ হবৰ নিমিতে চিন্তা

কৰি জেতিয়া আহৰি পাই তেতিয়া অলপ অলপকৈ এনে কিতাপ লিখিব ধৰিলে। আৰু বহু স্ৰমেৰে ইংৰাজি ভাসাৰ পৰা অসমিয়া ভাসাকৈ এই দুখন কিতাপ লিখি আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে।"

'অসমীয়া লৰাৰ মিত্ৰ'ৰ তৃতীয় কাণ্ডটোৰ বিষয়ে অৰুনোদইয়ে কৈছে যে সেই কাণ্ডটো ভূগোল প্ৰকৰণ, "অৰ্থাৎ প্ৰিথিবিত জি সকল দেস আচে, তাৰ নদি, পৰ্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য সাসন, উত্তপন দ্ৰব্য, ৰানিজ্য আৰু লোকসকলৰ ৰিতি, চৰিত্ৰ ধৰম ইত্যাদিৰ বিবৰন"। কিন্তু ডিম্বেশ্বৰ নেওগে কোৱা এষাৰ কথাই এই প্ৰসংগত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। নেওগে কৈছে "He was just twenty years old when with the help of Murray's Encyclopaedia, he issued his 'Bhugol Siksak' consisting of 177 pages, and his 'Asamiya Siksak' containing 222 pages, on various subjects as geography, history and science, as the fist and second volume respectively of his series known as 'Asamiya Larar Mitra".[৫] গ্ৰন্থ দুখনক নেওগে যথাক্ৰমে 'ভূগোল শিক্ষক' আৰু 'অসমীয়া শিক্ষক' বুলি নিৰ্দেশ কৰাত বিভ্ৰান্তিৰ সৃষ্টি হোৱা নাই, হৈছে গ্ৰন্থ দুখনক 'অসমীয়া লৰাৰ মিত্ৰ'লানিৰ যথাক্ৰমে প্ৰথম আৰু দ্বিতীয় খণ্ড বুলি কোৱাতহে। অৰুনোদইয়ে সেইদৰে কোৱা নাই। তদুপৰি অৰুনোদইত 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথম খণ্ডৰ কোনো উল্লেখেই নাই। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ এটা বাক্যয়ো বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। তেওঁ কৈছে, "অসমীয়া মানুহৰ আগ্ৰহ নেদেখি আৰু গৱৰ্ণমেণ্টেও সহায় নকৰাত তেওঁ আৰু তাৰ তৃতীয় ভাগ প্ৰকাশ নকৰিলে।"[৬] কিন্তু তৃতীয় ভাগ যে প্ৰকাশ হৈছিল, সেই কথা অৰুনোদইয়ে কৈছে।

আকৌ, আন এটা প্ৰসংগ অৱতাৰণা কৰাৰ প্ৰয়োজন উপস্থিত। নন্দ তালুকদাৰে 'আনন্দৰাম ঢেকিয়াল ফুকন ৰচনা সংগ্ৰহ'ত ১৮৪৯ খ্ৰীষ্টাব্দত মুদ্ৰিত গ্ৰন্থখন "এনেদৰে ছপা হৈছিল" বুলি যিটো নমুনা দাঙি ধৰিছে,[৭] সেইটো যে

---

৫. New Light on History of Asamiya Literature, Xuwani Prakasan, 1962, p. 370.

৬. বেণুধৰ শৰ্মা সম্পাদিত 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী', অসম সাহিত্য সভা, ১৯৭২, পৃ. ১৩৫-৬।

৭. দ্ৰষ্টব্য : উক্ত গ্ৰন্থ, পৃ. ৩৩।

কোনো মানুহৰ সুখ দেখি হিংসা নকৰিবা, কিয়নো তেওঁৰ মনত বা কি দুখ আছে তাক তুমি নেজানা।

বিদ্যা উপাৰ্জ্জন কৰিবলৈ শ্ৰম কৰিলে তোমাৰ সম্ভ্ৰম হব।

ঈশ্বৰক ভয় কৰা, কিয়নো তেওঁ সকলোৰে সৃষ্টি কৰ্ত্তা আৰু ৰক্ষক।

দুখিয়া মানুহক অপমান নকৰিবা কিয়নো তাৰ দুখ দেখি আমি মৰম হে কৰিব পাওঁ।

তুমি এভাবৰ ভিতৰত কি হয় নাজানা, এতেকে এক মুহূৰ্ত্তক কালো এনেই নে খেদাবা।

কাল কাকো বাট চাই না থাকে।

তুমি সোনকালে মৰিবা, এতেকে যি কেই দিন জীয়াই থাকা সেই কেই দিন সৎকৰ্ম্ম কৰিবা।

তোমাৰ বন্ধক হে তুমি ঠেলিবা, শত্ৰু বলে তোমাক ঠেলিব নিদিব।

তুমি যদি নিৰ্ব্বিঘ্নে থাকিব খোজা, তেন্তে কাৰো নিন্দা কৰা নকৰা।

তোমাৰ মিত্ৰক প্ৰশংসা কৰিবা, কিন্তু মুখামুখিকৈ নকৰিবা।

বেয়া মানুহৰ সৈতে সঙ্গ কৰাতকৈ অকলে থকাই ভাল।

পৰা পক্ষত তুমি কাকো বেজাৰ নিদিবা।

তোমাৰ সময় সদকৰ্ম্মত লগোৱা, কিয়নো কাল এবেলি গলে আৰু উভতি নাহে।

(প্ৰথম মুদ্ৰণৰ এটা পৃষ্ঠা)



দূৰ দৰ্শন যন্ত্ৰ অৰ্থাৎ দুৰ্ব্বীন, তাক আৰ্চিবেকবে আৰু তাৰ দ্বাৰা দিন গত থকা বস্তুকো বৰ সুন্দৰে দেখি বৰ দুৰ্ব্বীনেৰে আকাশৰ নক্ষত্ৰাদি আৰু সকলোবোৰে দিনগত থকা জাহাজ পৰ্ব্বত ইত্যাদি বস্তু চায়, ময় এনে সূক্ষ্ম দৰ্শন যন্ত্ৰ দেখিছোঁ তাতে গলে গোটেই সৰু পোকটিকো দহ আঠ হাত দিঘল দেখি আৰু এটা দুৰ্ব্বীন দেখিছোঁ তাৰে চন্দ্ৰৰ ওপৰত ঘৰ আৰু মানুহ থকা যেন দেখিলোঁ।

এতিয়া ভাপৰ কলৰ কথা কওঁ শুনা. পূৰ্ব্বে ভাপৰ গুণ প্ৰকাশ পোৱা নাছিল পিছে যি মানুহে প্ৰথমে তাক প্ৰকাশ কৰিলে তেঁও খাবলৈ বহি তপত পানিৰ ভাপে যি সাজত পানি তপতাইছিল তাৰে সাঁকৰ টো ওপৰলৈ তোলা দেখি মনত ভাবিলে যে তপত পানিৰ ভাপ অনেক কৰ্ম্মত লগাব পাৰি; এই বুলি তেঁও শ্ৰম কৰিব ধৰিলে পিছে এই তুচ্ছ কথাৰ পৰা ভাপৰ কল প্ৰকাশ হল।

ভাপৰ কলত তপত পানিৰ ভাপ এটা নলিৰে সোমায় আৰু সেই চুঙ্গাৰ এটা সাঁকৰ বা সোপা থাকে। সেই সাঁকৰ ভাপে ঠেলিলে ওপৰলৈ উঠে আৰু ভাপ টেচ হলে পৰিলে পৰে।

ওৱাট নামে এক সাহাবে ভাপৰ কলৰ অনেক ভাল কৰিলে তেঁও সাঁকৰটো ওপৰত দি থিয় হৈ তাৰে এডাল

(প্ৰথম মুদ্ৰণৰ এটা পৃষ্ঠা)

গ্ৰন্থখনৰ নাম-পাত বা বেটুপাতৰ নমুনা নহয়, বা হ'ব নোৱাৰে, সেই কথা আমাৰ আলোচনাই দেখুৱাই আহিছে। তালুকদাৰৰ দ্বাৰা সংকলিত-সম্পাদিত গ্ৰন্থখনৰ বিভিন্ন ত্ৰুটী-বিচ্যুতিলৈ আঙুলিয়াই দিওঁতে ড° মহেশ্বৰ নেওগ ডাঙৰীয়ায়ো আনন্দৰামৰ গ্ৰন্থখনৰ নামটো 'অসমিয়া লৰাৰ মিত্ৰ'হে হ'ব লাগে বুলি অভিমত প্ৰকাশ কৰিছিল। ড° নেওগ ডাঙৰীয়াই এনেকৈয়ো কৈছিল— "তাৰ নামটোতেই লেঠা ! আনন্দৰামৰ 'অসমিয়া' গুচাই কোনো পাৰ্থিৱ কাৰণ নোহোৱাকৈ কৰা গ'ল— 'অসমীয়া'।"[৮] এই বিষয়ে দুনাই কোৱাৰ প্ৰয়োজন নাই। কিন্তু ড° নেওগ ডাঙৰীয়াই একেটা প্ৰসংগতে কোৱা আন এটা কথা আলোচনা কৰাৰ প্ৰয়োজন আছে। তেখেতে কৈছিল, "আমি বোধ হয় অনুমান কৰিব পাৰোঁ, আনন্দৰাম আৰু অৰুনোদইৰ একেই বৰ্ণবিন্যাস নীতি।" তেখেতৰ অনুমানৰ কাৰণ আছিল নিশ্চয় আনন্দৰামৰ মূল গ্ৰন্থখনৰ দুষ্প্ৰাপ্যতা। কিন্তু বৰ্তমানৰ মূল গ্ৰন্থখনে ড° নেওগ ডাঙৰীয়াকো প্ৰত্যয় নিয়াব যে আনন্দৰাম আৰু অৰুনোদইৰ বৰ্ণবিন্যাস নীতি একে নহয়। অৰুনোদইৰ বৰ্ণবিন্যাস নীতি ('Style and Mode of Spelling') আছিল এনে ধৰণৰ—

"ভাসা লিখোঁতে আখৰৰ জিমান জাতি তিমানহে লিখিব লাগে; একে জাতিৰ দুই তিনি প্ৰভেদৰ সকাম নাই। জ, য় জৰ এই দুইৰো একেটা উচাৰন; এই হেতুকে অন্তস্থ য়ৰ বাহিৰে আন য নি লিখোঁ। শ, ষ, স তিনিটাৰে একে মাত; শ্ৰী শ্ৰীৰ একো ভেদ নে দেখোঁ; আমি কেৱল সহে লিখোঁ। ন, ণ, আৰু হ্ৰস্ব দিৰ্ঘতো এইদৰে বুজিবা। ভাসাত ৰণ নো বোলে, ৰনহে বোলে; পানী হলে পানি বোলে; পাপীৰ ঠাইত পাপি; কূলৰ ঠাইত কুল; সূৰ্য্যৰ ঠাইত সুৰ্জ বা সুৰুজ।-আৰু ৰেফৰ পাচত এটা আখৰ দুটাকৈ নু ফুটে; পৰ্ব্বত নো বোলে, পৰ্বত হে বোলে; সৰ্ব্ব, ধৰ্ম্ম, কৰ্ম্ম, মৰ্ম্ম, মুখত নোলাই; সৰ্ব, ধৰ্ম, কৰ্ম, মৰ্ম নাইবা ধৰম, কৰম, মৰম, এই ৰূপে ওলাই।"[৯]

অৰুনোদইয়ে অন্তস্থ য়-ৰ বাহিৰে আন য নিলিখিলেও আনন্দৰামে পিছে যি, যদি, যেন, যেনে, যোনে, যত্ন, যিমান, যাপন, মনোযোগী, তাৎপৰ্য্য আদি শব্দত অসংখ্য বাৰ য লিখিছে। অৰুনোদইয়ে কেৱল স-হে লিখে। আনন্দৰামে তাৰ বিপৰীতে শ, ষ, স-ৰ প্ৰয়োগ কৰিছে বিভিন্ন শব্দত।

---

৮. দ্ৰষ্টব্য : শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া-সম্পাদিক 'প্ৰকাশ', অ. প্ৰ. প., ডিচেম্বৰ ১৯৭৭, পৃ. ৮.১০।

৯. অৰুনোদই, পৃ. ১১৩৩।

আনন্দৰামে কৈছে যে ঈশ্বৰে "সকলো ভাষাকে বুজে আৰু শুনে" (পৃ. ১১৮), "সপ্তাহৰ ষষ্ঠ দিনা শুক্ৰবাৰে" "যিশুখ্ৰীষ্টক" "ক্ৰুশ"ত দিয়া (পৃ. ২১০), আৰু "দানশীলতা, সৰলতা, সত্যতা এইসকল কৰিবলৈ মুৰলমান ধৰ্ম্মে উপদেশ" (পৃ. ২১৪) দিয়াৰ কথাও তেওঁ কৈ গৈছে। আনন্দৰামে ৰন নুবুলি ৰণ বুলিছিল "দিল্লিৰ পাতচা সাজেহানে দক্ষিণলৈ ৰণ কৰিবলৈ জাওঁতে" (পৃ. ১৮৫)। অৰুনোদই আৰু আনন্দৰামৰ 'পানি' একে হ'লেও হ্ৰস্ব-দীৰ্ঘৰ প্ৰভেদ হ'লে আনন্দৰামে বাৰুকৈয়ে দেখুৱাইছে অন্যান্য স্থানত বিভিন্ন প্ৰসংগত। 'পাঠকৰ প্ৰতি নিবেদন' জনাওঁতেই "বিদ্যা শিকি কেনেকৈ জ্ঞানী" হ'ব পাৰি, সেই কথা তেওঁ ল'ৰাবিলাকক কৈছে। "বিদ্যা সকলো সদগুণৰে মূল" আৰু "মূৰ্খে সময় চুটি হয় মানে ভাল পায়" বুলিও কৈছে। অৰুনোদইৰ বুকুত নুফুটিলেও আনন্দৰামৰ মুখত "ৰেফৰ পাছত এটা আখৰ দুটাকৈ" ফুটে। অৰুনোদইৰ বিপৰীতে আনন্দৰামে 'পৰ্ব্বত' বোলে, 'পৰ্বত' নোবোলে। 'অসম দেশৰ বিৱৰণ' দিওঁতে তেওঁ অসমৰ "উত্তৰ আৰু উত্তৰ পূৰ্ব্ব সীমাত" "থকা পৰ্ব্বত সাৰি"ৰ নাম যেনেকৈ কৈছে, "দক্ষিণ আৰু দক্ষিণ পূৰ্ব্ব" সীমাত থকা "এসাৰি পৰ্ব্বত"ৰ কথা আৰু ব্ৰহ্মপুত্ৰৰ "দক্ষিণ পাৰে নগৰ বেৰাৰ পৰ্ব্বতৰ পশ্চিমে এটা কল্পিত ৰেখা" থকাৰ কথাও তেনেকৈ কৈছে একেটা অনুচ্ছেদতে। একেদৰেই আনন্দৰামে অসমীয়া ল'ৰাক 'সুকৰ্ম্ম' 'অকৰ্ম্ম'ৰ পাৰ্থক্য বুজাইছে ("সুকৰ্ম্ম কৰিলে পৰকালত পুৰস্কাৰ পাম কিন্তু অকৰ্ম্ম কৰিলে দণ্ডনীয় হম"); পৃথিৱীৰ 'ধৰ্ম্ম'ৰ কথা বুজাইছে ("নানা দেব দেবী পূজকৰ মতত বাজে পৃথিবীত আৰু তিনি ধৰ্ম্ম আছে, খ্ৰীষ্টিয়ান ধৰ্ম্ম, য়িহুদি ধৰ্ম্ম আৰু মুৰলমান ধৰ্ম্ম")। তেনেকৈয়ে গ্ৰন্থখনৰ 'সমাপ্তি'ত "ঈশ্বৰে তোমোলাকক আশীৰ্ব্বাদ কৰক"বুলি শুভেচ্ছা জনাইছে ৰেফৰ পিছত এটা আখৰ দুটাকৈ ফুটাই।

আনন্দৰামৰ বৰ্ণবিন্যাস ৰীতিৰ মৌলিকতাৰ মূল কাৰণ নিশ্চয় অৰুনোদইৰ প্ৰকাশ আৰু 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰকাশন-প্ৰণয়নৰ সমসাময়িকতা। নকলেও হয় যে অৰুনোদইৰ প্ৰথম প্ৰকাশ ঘটিছিল ১৮৪৬ চনৰ জানুৱাৰী মাহত। আনন্দৰামেও 'অসমীয়া লৰাৰ মিত্ৰ' প্ৰণয়ন কৰিছিল ১৮৪৬ চনতে। গ্ৰন্থখনতে তাৰ প্ৰমাণ আছে। 'নানা সম্বাদ' পাঠৰ এঠাইত আনন্দৰামে কৈছে, "প্ৰথম খ্ৰীষ্টিয়ান ধৰ্ম্ম পূৰ্ব্বে নাচিল কিন্তু ১৮৪৬ বচৰ হৈচে সেই ধৰ্ম্ম প্ৰকাশ হল" (পৃ. ১৩৩)। গতিকে গ্ৰন্থখন যে অৰুনোদই প্ৰকাশ হোৱাৰ

পূৰ্বে নহ'লেও ১৮৪৬ চনতে তেওঁ ৰচনা কৰিছিল, সেই কথা খাটাংকৈ ক'ব পাৰি। অৰুনোদইৰ বৰ্ণবিন্যাস ৰীতি সম্পৰ্কীয় পাঠ ('Style and Mode of Spelling') প্ৰকাশ পাইছিল তাৰ অন্ততঃ আঠ বছৰৰ পাছতহে।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ যিকেইটা পাঠ অ. ল. ম. নাইবা 'লৰাৰ মিত্ৰ'ৰে চিহ্নিত হৈ অৰুনোদইত পুনমুদ্ৰিত হৈছিল, সেই পাঠকেইটা হ'ল, 'পৰিশ্ৰমৰ ফল', 'অচম দেস সত্ৰুএ আক্ৰমন কৰা কথা', 'ইস্বৰ তেওঁৰ সকলো সৃষ্টিতকৈ গৌৰৱন্ত', 'উঁইৰ কথা', 'গিয়ানৰ পুত্ৰ অৰ্থাত মনুস্য', 'ইস্বৰৰ চকু সকলো ঠাইতে আচে', 'নানা সম্বাদ' আৰু 'চিপিও সেনাপতিৰ চৰিত্ৰৰ কথা'। অৰুনোদইত মুদ্ৰিত 'ইংলণ্ডৰ বিবৰন' শীৰ্ষক পাঠটো যদিও 'অসমীয়া লৰাৰ মিত্ৰ'ত সন্নিবিষ্ট, দৰাচলতে সেই পাঠটো আছিল পোনতে অৰুনোদইৰ বাবে "শ্ৰীজুত বাবু আনন্দিৰাম ফুকন কৰ্ত্তিক" প্ৰণীত আৰু প্ৰেৰিতহে। পাঠটোৰ কথাখিনি সংক্ষিপ্ত আৰু সংশোধিত ৰূপত দুটা পাঠত ('ইংলণ্ড দেশৰ মানুহৰ পূৰ্ব্ব কালৰ অসভ্যতাৰ কথা' আৰু 'লণ্ডন নগৰৰ বিবৰণ') বিভক্ত হৈ 'অসমীয়া লৰাৰ মিত্ৰ'ত প্ৰকাশ পাইছে।

কিন্তু 'অসমীয়া লৰাৰ মিত্ৰ'ৰ (ইয়াৰ পাছত চমুকৈ অ. ল. ম. বুলি কোৱা হ'ব) পাঠ অৰুনোদইত পুনমুদ্ৰিত হওঁতে অবিকলভাৱে হোৱা নাছিল। পুনৰ্মুদ্ৰণত আনন্দৰামৰ বৰ্ণবিন্যাসৰ পৰিবৰ্তন ঘটোৱাৰ উপৰি পাঠৰ শিৰোনামা আৰু বিষয়-বস্তুৰ ক্ষেত্ৰতো অৰুনোদইয়ে বিভিন্ন ধৰণৰ সাল-সলনি ঘটাইছিল। আনন্দৰামৰ প্ৰতিটো পাঠৰ অসমীয়া শিৰোনামাৰ ওপৰত ইংৰাজী শিৰোনামা সন্নিবিষ্ট হৈ আছে। অৰুনোদইয়ে পুনমুদ্ৰিত কেউটা পাঠৰে অসমীয়া শিৰোনামাৰ তলতহে ইংৰাজী শিৰোনামা ছপাইছে। তেনেকৈ ছপোৱাটো কাকতখনৰ ৰীতিয়েই আছিল। 'উঁইৰ কথা'ৰ বাহিৰে পুনমুদ্ৰিত পূৰ্বোক্ত শিৰোনামাকেইটাৰ ৰূপ অ. ল. ম.ত যথাক্ৰমে এনে দৰেহে আছে :— 'পৰিশ্ৰম', 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি', 'ঈশ্বৰ তেঁওৰ সকলো সৃষ্টিতকৈ গৌৰৱান্বিত', 'জ্ঞানৰ পুত্ৰ অৰ্থাৎ মনুষ্য', 'ঈশ্বৰৰ চকু সকলো ঠাইতে আচে' আৰু 'সিপিও সেনাপতিৰ সচ্চৰিত্ৰৰ কথা'। পাঠৰ শিৰোনামা স্থাপনৰ বেলিকা ঘটোৱা পৰিবৰ্তনত সম্পাদকীয় ঔচিত্যবোধ আৰু আখৰ-জোঁটনিৰ পৰিবৰ্তন সাধনৰ বেলিকা কাকতখনৰ নিজা ৰীতিৰ প্ৰতি থকা আনুগত্যৰ দৃঢ়তা প্ৰকাশ পাইছে বুলিয়েই ক'ব লাগিব। কিন্তু আন কেইটামান ক্ষেত্ৰত ঘটোৱা পৰিবৰ্তন

বাৰকৈয়ে চকুত লগা বিধৰ। অৰুনোদইয়ে আনন্দৰামৰ 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি' (BRIEF HISTORY OF ASAM) শিৰোনামটোৰ ৰূপান্তৰ ঘটালে 'অচম দেস সত্ৰুএ আক্ৰমন কৰা কথা' (INVASIONS OF ASAM) লৈ। পাঠটোৰ শেষৰ অনুচ্ছেদৰ পাঁচোটা শাৰী ("অসম দেশ মানৱ অধিকাৰত মহা দুৰ্গতিত পৰি অৰাজক প্ৰায় হল কিন্তু এতিয়া ইংলণ্ডীয়াধিকাৰ হোৱাত ক্ৰমে উন্নতি হব লাগিচে আৰু কিচু কালৰ মূৰত আকৌ পূৰ্ব্বৰ দৰে হব আৰু লোক সকলো সভ্য আৰু সুখী হব এতেকে ঈশ্বৰে আমাৰ দেশৰ ভালৈহে ইংৰাজক অধিপতি কৰিচে") অৰুনোদইয়ে কিয় নছপালে, সেই কথা জানিব পৰা নাযায়। অনুচ্ছেদটোৰ তলত দিয়া ৰজাসকলৰ নাম, ৰাজ্যপ্ৰাপ্তিৰ শক আৰু ভোগ-সংবৎসৰৰ উল্লেখ প্ৰয়োজনাতীত বিবেচিত হ'লেও উক্ত পাঁচোটা শাৰী পুনৰ্মুদ্ৰণ নকৰাৰ আন কিবা হেতু থকাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। পাঠটোত চুকাফা সম্পৰ্কত আনন্দৰামে লিখা "তেঁও স্বৰ্গী হলত" বাক্যাংশ "তেঁও ম্ৰিত্যু হলত" ৰূপলৈ অৰুনোদইয়ে পৰিবৰ্তন কৰিলে। আনন্দৰামৰ পাঠত থকা "তেঁওৰ মৰণান্তে চন্দ্ৰকান্ত সিংহ স্বৰ্গদেও ১৭৩২ শকৰ ৬ মাঘত ৰাজত্ব পালে" বাক্যটো "তেঁও ম্ৰিত্যু হলত চন্দ্ৰকান্তসিংহ ১৮১০ সঁকত ৬ মাঘত ৰাজ্য পালে" ৰূপ লৈ অৰুনোদইত ওলাইছে। অ.ল.ম.ৰ একেটা পাঠৰে ভাৰতীয় শককেইটা, যেনে, ১৭৩৬, ১৭৩৭, ১৭৪৩ আৰু ১৭৪৪ যথাক্ৰমে ১৮১৪, ১৮১৫, ১৮২১ আৰু ১৮২২ ৰূপলৈ পৰিবৰ্তিত হৈছে অৰুনোদইৰ পুনৰ্মুদ্ৰণত। এয়া শকাব্দৰ পৰিবৰ্তে অৰুনোদইৰ খ্ৰীষ্টাব্দৰ প্ৰয়োগ।

পুনৰ্মুদ্ৰিত হওঁতে অ.ল.মৰ পাঠকেইটাৰ বৰ্ণবিন্যাসৰ সৰলীকৰণ আৰু একাধিক শব্দৰ পৰিবৰ্তন ঘটোৱাৰ উপৰি আনন্দৰামৰ লেখাত নথকা কথাও অৰুনোদইত প্ৰকাশ পাইছে। অ.ল.ম.ৰ ১৯৩ পৃষ্ঠাৰ দ্বিতীয় ছেদত থকা "ইন্দ্ৰবংশীয় অসম ৰজাবিলাকৰ গুৰিৰ কথা নানা লোকে নানা দৰে কয়; সেইবিলাক লেখা বাহুল্য" বাক্যটোৰ পাছত মূলত নথকা দুটা বাক্য পুনৰ্মুদ্ৰণত নতুনকৈ সংযোজিত হৈছে এনেকৈ : "ইন্দ্ৰবংসি বুলি হৰ গৌৰি সম্বাদ নামে এখন পুথিত লিখিচে। ইন্দ্ৰৰ মূৰ্ত্তি তলত লিখা আচে।" সেই অংশতে ঐৰাৱতৰ ওপৰত উঠি থকা ইন্দ্ৰৰ ছবি এখন মুদ্ৰিত হৈছে অৰুনোদইত। অ.ল.ম.ত সেই ছবি নাই। অ.ল.ম.ৰ 'ঈশ্বৰ তেঁওৰ সকলো সৃষ্টিতকৈ গৌৰৱান্বিত' পাঠত নথকা তিনিটা ছবি (গোলাপ ফুল, সিংহ, সূৰ্য)

আছে অৰুনোদইত। একেদৰেই 'জ্ঞানৰ পুত্ৰ অৰ্থাৎ মনুষ্য'ৰো পুনৰ্মুদ্ৰণত হাবিৰ মাজে মাজে যোৱা ল'ৰা এটাৰ ছবিৰ সংযোজন ঘটিছে।

১৮৪৬ চনত ৰচিত আৰু ১৮৪৯ চনত প্ৰকাশিত 'অসমীয়া লৰাৰ মিত্ৰ' গ্ৰন্থখনেই প্ৰথম অসমীয়া আদি পাঠ (..."The first Assamese primer".) বুলি ড০ নগেন শইকীয়াই কৈছে।[১০] কিন্তু এজন অসমীয়াই লিখা বুলিহে গ্ৰন্থখনৰ বেলিকা এনে দাবী খাটে। প্ৰকৃততে মাৰ্কিন বেপ্টিষ্ট মিছনেৰীসকলে প্ৰকাশ কৰা 'বাৰে মতৰা' নামৰ কিতাপখনহে প্ৰথম অসমীয়া আদি পাঠ। সি যি হওক, অসমৰ পঢ়াশালিত অসমীয়া ভাষাৰ পৰিবৰ্তে বঙলা ভাষা প্ৰচলিত হৈ থকা হেতুকে প্ৰকাশ পোৱাৰ পৰা প্ৰায় দুটা দশকৰো ওপৰ কাল আনন্দৰামৰ অ.ল.ম.ৰ প্ৰচলন-প্ৰচালন বন্ধ হৈ থাকিল। ১৮৭২ চনত অসমত অসমীয়া ভাষাৰ পুনৰ্বাসন ঘটাৰ ফলত অ.ল.ম.ৰ পুনৰ্মুদ্ৰণৰ প্ৰয়োজনীয়তা বাঢ়িল। আনন্দৰামৰ গ্ৰন্থখনৰ দ্বিতীয় ভাগৰ নিৰ্বাচিত পাঠকেইটামানৰ সম্পাদিত ৰূপ এটা গুণাভিৰামে প্ৰকাশ কৰে ১৮৭৩ খ্ৰীষ্টাব্দত। গুণাভিৰামে নিজে কোৱা মতেই "সেই 'অসমীয়া লৰাৰ মিত্ৰ' সংক্ষিপ্ত ৰূপে এই দেশৰ স্কুলসমূহত এতিয়া প্ৰচাৰিত হৈছে"।[১১] ৭২ পিঠীয়া গ্ৰন্থখনৰ দুহেজাৰটা কপি কলিকতাত ছপোৱা হৈছিল বুলি নন্দ তালুকদাৰে দেখুৱাইছে।[১২] 'অসমীয়া লৰাৰ মিত্ৰ' নামত গ্ৰন্থখনৰ এইটো দ্বিতীয় তাঙৰণ হ'লেও দৰাচলতে গুণাভিৰাম বৰুৱা সম্পাদিত 'অসমীয়া লৰাৰ মিত্ৰ'হে এইখন; আনন্দৰাম ঢেকিয়াল ফুকন প্ৰণীত মূল গ্ৰন্থখন নহয়। আনহাতে, এইটোৱেই গুণাভিৰাম বৰুৱা সম্পাদিত অ.ল.ম.ৰ প্ৰথম সংস্কৰণ। ১৮৭৫ চনত অ.ল.ম.ৰ আন এটা সংস্কৰণ প্ৰকাশ পায়। এইটো অ.ল.মৰ তৃতীয় সংস্কৰণ, আৰু গ্ৰন্থখনৰ অসমত মুদ্ৰিত প্ৰথম সংস্কৰণ। ১৮৭৫ চনৰ ২৩ অক্টোবৰ সংখ্যা অসম ৰাজপত্ৰই দিয়া সংবাদ মতে গ্ৰন্থখনৰ এই সংস্কৰণটো গোৱালপাৰাৰ যদুনাথ ভট্টাচাৰ্যই প্ৰকাশ কৰে সেই চনৰ ২৯ আগষ্টত। 'ক্ৰাউন অক্টেভ' আকাৰৰ

১০. 'Background of Modern Assamese Literature', Omsons Publications, 1988, p. 177.

১১. আ. ঢে. ফু. জী. চ., পৃ. ৬২।

১২. আ. ঢে. ফু. ৰ. স., পৃ. ৪৮।

৭৬ পিঠীয়া গ্ৰন্থখনৰ মূল্য আছিল ৫ অনা (০.৩১ টকা)। মুদ্ৰিত কপিৰ সংখ্যা ১০০০।[১৩]

'আনন্দৰাম ঢেকিয়াল ফুকন ৰচনা সংগ্ৰহ'ত অ.ল.ম.ৰ গুণাভিৰাম বৰুৱা সম্পাদিত অষ্টম সংস্কৰণটো (১৮৮০) সন্নিবিষ্ট হৈছে। 'ৰচনা সংগ্ৰহ'ৰ ৪৭ পৃষ্ঠাৰ পৰা ৯৩ পৃষ্ঠালৈকে ব্যাপ্ত অংশটোৱেই অষ্টম সংস্কৰণটো। ৭৩ পিঠীয়া এই সংস্কৰণটো গ্ৰন্থখনৰ সংগ্ৰাহক-সম্পাদক নন্দ তালুকদাৰৰ মতে আনন্দৰামৰ দ্বিতীয় আৰু তৃতীয় দুয়োটা কাণ্ডৰ সংমিশ্ৰণ, আৰু "ভূগোল প্ৰকৰণৰ ভালেখিনি বিষয় বৰুৱা-সম্পাদিত নতুন সংস্কৰণত সন্নিবিষ্ট কৰিছে।" কিন্তু আমাৰ মতে তালুকদাৰৰ উক্তিটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। গুণাভিৰামে নিজে দি যোৱা ভূমিকা-লেখায়েই তাৰ প্ৰমাণ। ভূমিকা-লেখাত গুণাভিৰামে কৈছে, "ইংৰাজী ১৮৪৯ শকত আনন্দৰাম ঢেকিয়াল ফুকনে 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামে দুখানি পুথি ছপায়। দেশৰ উপকাৰ কৰাই তেঁওৰ প্ৰধান ইচ্ছা। সেই পুথি ইমান দিনে কোন [? কোনো] পাঠশালাত চলিত হোৱা নাছিল। এতিয়া অসম দেশৰ পঢ়াশালিবিলাকত অসমীয়া ভাষা চলিবলৈ ৰাজাজ্ঞা প্ৰচাৰ হোৱাত সেই পুথিৰ দ্বিতীয় কাণ্ডৰ পৰা কিছু কথা তুলি মূল নামে এই পুথি প্ৰচাৰ কৰা গ'ল। 'অসম দেশৰ বিবৰণ' নামে আখ্যান তাতকৈ বাহুল্য কৰা গইছে।" গুণাভিৰামৰ এই উক্তিয়ে আনন্দৰামৰ অ.ল.ম.ৰ তৃতীয় কাণ্ডৰ পৰা কোনো পাঠ চয়ন কৰাৰ ইংগিত নিদিয়ে। তদুপৰি, গুণাভিৰামৰ এই সংস্কৰণটোত "মুঠ একুৰি এঘাৰটা পাঠ আছে" বুলি তালুকদাৰে কোৱা কথাৰো সত্যতা নাই। গুণাভিৰামৰ সংস্কৰণটোত সন্নিবিষ্ট মুঠ পাঠ দহটা। ('পাঠকৰ প্ৰতি নিবেদন' আৰু 'সমাপ্তি'

---

১৩. "Name of the books — Assamiya Larar Mitra, or Friend of Asamiya Boys.
Name of Author, translator or editor— Gunabhiram Barua.
Place of Printing and publication— Goalpara.
Name of Publisher— Jadunath Bhattacharya.
Date of Publication—29th August, 1875.
Pages— 76.
Edition— 3rd.
Size— Crown 8 Vo.
Copies— 1000.
Price— 5 annas"
—Catalogue of Books registered during the quarter ending 30th September, 1875; The Assam Gazette, Oct. 23, P. 555.

শীৰ্ষক একোটা পাঠ বুলি ধৰিলে আনন্দৰামৰ মূল গ্ৰন্থৰ পাঠ-সংখ্যা ৯৫।) সেই দহোটা পাঠ হ'ল 'পাঠকৰ প্ৰতি নিবেদন', 'উপদেশ বাক্য', 'সদানন্দ হোৱাৰ সঙ্কেত', 'সন্তানসকলৰ পিতৃ-মাতৃৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম', 'ছাত্ৰৰ অধ্যাপকৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম', 'জ্ঞানৰ সংবাদ', 'কলিকতা নগৰৰ বিবৰণ', 'ভাৰতৰ সংক্ষেপ বুৰঞ্জি', 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি' আৰু 'অসম দেশৰ বিবৰণ'। আনন্দৰামৰ 'ভাৰতবৰ্ষৰ সংক্ষেপ বুৰঞ্জি' পাঠৰ শেহৰ চাৰিটা শাৰীৰ (পৃ. ১৮৬) পৰিবৰ্তে গুণাভিৰামে নিজৰ দুটা নতুন বাক্য সংযোগ কৰিছে। ১৮৫৮ আৰু ১৮৭৭ চনৰ উল্লেখ যুক্ত এনে প্ৰক্ষেপ আৰু প্ৰক্ষিপ্ততাই মূল গ্ৰন্থখনৰ ঐতিহাসিকতাত আঁচোৰ মাৰিছে বুলি ক'ব লাগিব। অৰুনোদইৰ পুনৰ্মুদ্ৰণত নথকা দৰেই গুণাভিৰামৰ সংস্কৰণতো 'অসম দেশৰ সংক্ষেপ বুৰঞ্জি' পাঠৰ শেহত থকা ৰজাসকলৰ তালিকাখন নাই। গুণাভিৰামৰ সংস্কৰণত আৰু নাই আনন্দৰামে মূল পাঠৰ লগত দিয়া ইংৰাজী শীৰ্ষকেইটা। গুণাভিৰাম-সংস্কৰণৰ 'উপদেশ বাক্য' পাঠটো আনন্দৰামৰ 'নানা বচন' পাঠৰ নামান্তৰ। তেনেকৈয়ে 'জ্ঞানৰ সংবাদ' পাঠটো 'নানা সম্বাদ'ৰ। তালুকদাৰে 'মুঠ একুৰি এঘাৰটা পাঠ আছে' বুলি কোৱাৰ হেতু নিশ্চয় 'আসাম দেশৰ বিবৰণ' শীৰ্ষক পাঠটোত গুণাভিৰামে দেখুৱা (মূল শীৰ্ষটোৰ উপৰি) 'কামৰূপ', 'দৰঙ্গ', 'নগাঁও', 'শিৱসাগৰ', লক্ষ্মীপুৰ', 'নাগা হিল্স বা নাগা পৰ্বত', 'খাসিয়া বা জয়ন্তীয়া পৰ্বত', 'গোয়ালপাড়া বা গুৱালপাড়া','ভোট', 'অকা', 'ডফলা', 'মিৰী', 'আবৰ', 'মিচমি', 'চিংফৌ', 'কছাৰি', 'মিকীৰ', 'গাৰো', 'কাছাৰ আৰু শ্ৰীহট্ট বা ছিলট' — এই দহটা উপশীৰ্ষকো একো একোটা পাঠ বুলি আৰু এই পাঠসমূহ অ.ল.ম.ৰ তৃতীয় কাণ্ড ('ভূগোল প্ৰকৰণ')ৰ পৰা গৃহীত বুলি কৰা ধাৰণাটো। কিন্তু তালুকদাৰৰ ধাৰণা শুদ্ধ নহয়।

'অসম দেশৰ বিবৰণ' আনন্দৰামৰ অ.ল.ম.ৰ এটা পাঠহে মাথোন। মূল এই পাঠটোৰ একো একোটা অনুচ্ছেদকে গুণাভিৰামে একো একোটা উপশীৰ্ষত ভগাই দেখুৱাইছে। গুণাভিৰামে যে আনন্দৰামৰ মূল পাঠটোৰ সংবৰ্দ্ধন ঘটাইছে, সেই কথা ভূমিকা-লেখাত তেওঁ স্বীকাৰ কৰিয়েই থৈছে। গুণাভিৰাম সম্পাদিক পাঠটোত ইংৰাজী ১৮৬৪, ১৮৬৫ আৰু ১৮৬৬ শককেইটা মুদ্ৰিত হোৱাটোৱেও এই কথাকে সূচায়। কেৱল সংবৰ্দ্ধনেই নহয়, কিছু কথা বৰ্জন আৰু সংশোধনো কৰিছে গুণাভিৰামে। গ্ৰন্থখনৰ সম্পাদক হিচাপে তেনে কৰাটো গুণাভিৰামৰ অৱশ্য কৰ্তব্য হৈয়েই পৰিছিল। মূল

পাঠটোৰ প্ৰথম অনুচ্ছেদটোত গুণাভিৰামে আনন্দৰামৰ "হে প্ৰিয় লৰাবিলাক!" অংশটো ৰাখি সম্পূৰ্ণ তিনিটা শাৰী[১৪] পৰিহাৰ কৰিছে সম্পাদনাৰ প্ৰয়োজনতে। আনন্দৰামে দৈৰ্ঘ্যৰ পুৰণি জোখ বুজাবলৈ ব্যৱহাৰ কৰা ক্ৰোশৰ হিচাপ (৫০০ মাইল "অৰ্থাৎ ২৫০ ক্ৰোশ", ৬০ মাইল "অৰ্থাৎ ৩০ ক্ৰোশ") গুণাভিৰামৰ পাঠত নাই। আনন্দৰামে দি যোৱা অসমৰ মাটি-কালিৰ হিচাপটোও[১৫] সম্পাদক গুণাভিৰামে পৰিহাৰ কৰিছে ঐতিহাসিক-ভৌগোলিক পৰিবৰ্তন-জনিত কাৰণতে। কিয়নো, আনন্দৰামৰ সময়ত কামৰূপ, দৰঙ, নগাঁও, শিবপুৰ, লক্ষ্মীপুৰ আৰু মটক বা সদিয়া নামেৰে অসমত জিলা আছিল ছখন। উইলিয়াম ৰবিনছনেও ১৮৪১ চনত অসমত ছখন জিলা থকাৰ কথাহে কৈছে ("The Province of Assam since it has been entirely under the management of British officers, has been divided into six districts— Kamroop, Durrung, Nowgong, Sibpur, Lukimpur, and Muttuk or Sadiya")[১৬]। গুণাভিৰামে গ্ৰন্থখন সম্পাদনা কৰা সময়ত ঐতিহাসিক-ভৌগোলিক পৰিবৰ্তন ঘটি "ছয় জিলা"ৰ ঠাইত "পাঁচ জিলা" হৈছিলহি; 'শিবপুৰ' হৈছিলহি শিৱসাগৰ, আৰু মটক বা সদিয়া জিলাখনৰ নামটোৱেই বিলুপ্ত হৈছিল।

আনন্দৰামে অ.ল.ম যুগুতোৱা কালত (১৮৪৬ খ্ৰীঃ) কামৰূপ, দৰঙ, নগাঁও, শিবপুৰ, লক্ষ্মীপুৰ আৰু সদিয়া জিলাৰ জনসংখ্যা আছিল যথাক্ৰমে "প্ৰায় ৪০০,০০০ চাৰি লক্ষ মান", "আঢ়াই লক্ষ", "দুই লক্ষ মান", "আঢ়াই লক্ষ", "পাঁচ চল্লিচ হেজাৰ" আৰু "পাঁচপন্ন হেজাৰ মান"। কিন্তু গ্ৰন্থখন গুণাভিৰামে সম্পাদনা কৰা কালত সেই জনসংখ্যাৰ পৰিবৰ্তন ঘটিল যথাক্ৰমে ৫৬১,৬৮১; ২৩৬,০০৯; ২৫৬,৩৯০; ২৯৬,৫৮০(? ২৯৬,৫৮৯) আৰু ১২১,২৬৭ লৈ। এই পৰিসংখ্যা ১৮৭১-৭২ খ্ৰীষ্টাব্দৰ অসমৰ লোক-পিয়লৰ।[১৭] গতিকে অসম দেশৰ বিবৰণত আনন্দৰামৰ লেখাৰ ওপৰত

---

১৪. "এতিয়ালৈকে আমি যি সকল কথা লেখিচোঁ সি অন্য দেশ বিষয়ক কিন্তু যি দেশত তোমোলাক আচা তাৰ বিবৰণ নেজানা, এতেকে ....।" —পৃ. ১৮৬।

১৫. "আৰু এই দেশত এক কোটি আঠাৰন লক্ষ সত্তৰি হেজাৰ পুৰা মান মাটি আচে।" —পৃ. ১৮৭।

১৬. A Descriptive Account of Asam, Sanskaran Prakashak, 1975. P. 311.

১৭. দ্ৰষ্টব্য : A Statistical Account of Assam, Vol. I., by W. W. Hunter, B. R. Publishing Corporation, Delhi, 1982, pp. 27; 111; 178; 233; 304.

গুণাভিৰামৰ হস্তাৱলেপন ঘটাৰ বাবে দায়ী গুণাভিৰাম নহয়, সময়হে, ১৮৭১-৭২ চনৰ লোক-পিয়লহে, নাইবা ডব্লু ডব্লু হাণ্টাৰ চাহাবৰ অসমৰ পৰিসংখ্যাগত বিবৰণ (১৮৭৯)হে।

গুণাভিৰাম বৰুৱাই আনন্দৰামৰ পাঠকেইটাৰ সম্পাদনা কৰোঁতে কেৱল তথ্য বা পৰিসংখ্যাগত পৰিবৰ্তনকে সাধন কৰি এৰা নাই, আনন্দৰামৰ বৰ্ণ-বিন্যাসৰো পৰিবৰ্তন সাধিছে। বহুবচনসূচক 'তোমালোক' সৰ্বনাম পদটো আনন্দৰামৰ হাতত সদায়েই 'তোমোলাক'। যেনে, "হে প্ৰিয় লৰা বিলাক, ভালেমান পুৰুষাৰ্থ কৰি তোমোলাকৰ উপকাৰৰ নিমিত্তে আমি এই পুথি প্ৰস্তুত কৰিলোঁ। তোমোলাকে বিদ্যা শিকি কেনেকৈ জ্ঞানী হবা তাত বাদে আমাৰ আন একো অভিপ্ৰায় নাই, এই হেতুকে তোমোলাকে এই পুস্তকত থকা কথাবিলাক ভালকৈ মন দি পঢ়িলে আমি হৰ্ষ পাম আৰু তোমোলাকৰো ভাল হব।" 'তোমোলাক' আনন্দৰামৰ ৰচনাৰ এটা অন্যতম পৰিচয়-চিহ্ন বুলিয়েই ক'ব পাৰি। মাৰ্কিন মিছনেৰী সম্পাদকেও সেই শব্দটোক যথাযথ ৰূপতে ৰাখিছিল অৰুনোদইত আনন্দৰামৰ ৰচনা পুনৰ্মুদ্ৰণ কৰোঁতে। অৱশ্যে আনন্দৰামৰ সমসাময়িক অসমীয়া খ্ৰীষ্টিয়ান লেখক নিধি লিবাই ফাৰোৱেলেও 'তোমোলাক' সৰ্বনামটো ব্যৱহাৰ কৰিছিল। 'জাত্ৰিকৰ জাত্ৰা'তো 'খ্ৰীষ্টিয়ানে' 'তোমোলাক'ক এৰা নাই। তদুপৰি, পূৰ্ণানন্দ শৰ্মা বৰুৱাৰ লেখীয়া উজনিয়াল অসমীয়ায়ো অসমীয়া ল'ৰাক অৰুনোদইৰ যোগেদি ভাল ৰূপে কাকত পৰ্হাৰ নিয়ম শিকাইছিল 'তোমোলাক' সৰ্বনামেৰেই। কিন্তু গুণাভিৰামৰ সংস্কৰণত 'তোমোলাক'ক 'তোমালোক' কৰা হ'ল।

পুনৰুক্তিসূচক ২ সংখ্যাটো শব্দ একোটাৰ পিঠিত বহুৱাই লিখাটো আছিল আনন্দৰামৰ আন এটা বিশেষত্ব। যেনে, "ইয়াত কি২ আচে" (পৃ. ২), "কোনো২ লৰাই" (পৃ. ৩), "মনে২ থাকিবা" (পৃ. ৮),"মাজে২ মাতিচিল" (পৃ.২০)। গুণাভিৰামে সেই সেই শব্দৰ গাৰ পৰা ২ সংখ্যাটো গুচাই প্ৰতিটো শব্দক দুবাৰকৈ দেখুৱাইছে "কি কি", "কোনো কোনো" আদি ৰূপত। অৱশ্যে অৰুনোদইৰ সম্পাদকেও আনন্দৰামৰ ২ সংখ্যাটো গুচাইছিল।

সংস্কৃত বা তৎসম শব্দৰ প্ৰতি থকা আনন্দৰামৰ আকৰ্ষণ ৰাৰুকৈয়ে পৰিলক্ষিত হয়। যেনে, "একেজনা ঈশ্বৰ আছে, সংসাৰৰ সৃষ্টি কৰ্ত্তা আৰু শাসন কৰ্ত্তা, সৰ্ব্ব শক্তিমান, অনাদি অনন্ত আৰু অজ্ঞেয়।" (পৃ. ১১৪)। ঈশ্বৰৰ কথা কওঁতে তেওঁ যিটো সুৰত কৈছে সংস্কৃত বা তৎসম শব্দ ব্যৱহাৰ কৰি ("তেঁও

সৃষ্টি কৰা বস্তুবোৰ সুন্দৰ, কিন্তু তেঁও সৌন্দৰ্য্য; সেইবোৰ বলিষ্ট, কিন্তু তেঁও বল; সি বোৰ সৰ্ব্ব গুণান্বিত, কিন্তু তেঁও সৰ্ব্ব গুণ"), 'খ্ৰীষ্টিয়ান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ' দিওঁতেও একেটা সুৰতে ("ঈশ্বৰ এক জনা, সৰ্ব্ব শক্তিমান, অনাদি, অনন্ত, সৰ্ব্বজ্ঞ, সৰ্ব্ব ন্যায্য, সৰ্ব্ব কৃপাবান, সৰ্ব্ব সত্য, সৰ্ব্বোত্তম"), বা 'মুছলমান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ' দিওঁতেও সেইটো সুৰতে কৈছে কথাখিনি ("মুছলমাল বিলাকে একে জনা ঈশ্বৰক সম্পূৰ্ণ নিৰ্ব্বিকাৰ সৃষ্টিকৰ্ত্তা ৰক্ষক আৰু সকলোৰে আজ্ঞা কাৰক বুলি মানে")। গুণাভিৰামে আনন্দৰামৰ পুস্তক, মনুষ্য, পীড়া, অভিলাষ, সৎ, মধ্য, গৃহ আদি শব্দক যথাক্ৰমে পুথি, মানুহ, দুখ, হাবিলাষ, সজ, মাঝ, ঘৰ আদিলৈ ৰূপান্তৰিত কৰিলে। পঢ়াশলীয়া ল'ৰাহঁতৰ বাবে যুগুতোৱা পুথি বাবেই নিশ্চয় গুণাভিৰামৰ এনেধৰণৰ সৰলীকৰণ প্ৰচেষ্টা। অন্যথা, বেণুধৰ ৰাজখোৱাই কোৱা মতে আধুনিক অসমীয়া ভাষাৰ শিৱসাগৰীয়া আৰু সংস্কৃতীয়া ধাৰা ("ইস্কুল") দুটাৰ গুণাভিৰাম দ্বিতীয়টো ধাৰাৰহে প্ৰবৰ্তক আছিল দেখোন, "আৰু দ্বিতীয়টিৰ নাম সংস্কৃতীয়া ইস্কুল"।[১৮] প্ৰসংগক্ৰমে এটা কথা এইখিনিতে কৈ থ'ব পাৰি যে বেণুধৰ ৰাজখোৱাই ক'লেও "সংস্কৃতীয়া ইস্কুল"টোৰ প্ৰৱৰ্ত্তক দৰাচলতে গুণাভিৰাম বৰুৱা নহয়, আনন্দৰাম ঢেকিয়াল ফুকনহে; গুণাভিৰামক সেই "ইস্কুল"ৰ ৰীতি-নীতিৰ ধাৰক-বাহক বুলিহে ক'ব লাগিব। কাৰণ, "সংস্কৃতীয়া ইস্কুল"টোৰ প্ৰতিষ্ঠা হৈছিল ১৮৪৯ চনতে, 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰকাশনতে।

'কলিকাতা নগৰৰ বিবৰণ'ত আনন্দৰামে "কলিকাতা নগৰত ভালেমান আলি আচে" বুলিহে মাথোন কৈ গৈছে। গুণাভিৰামে "সেই বিলাকৰ নাম দিয়া হইছে আৰু তাৰ ঘৰ বিলাকতো নম্বৰ আছে" বুলি নতুনকৈ সংযোগ কৰিছে। একেটা প্ৰসংগতে আনন্দৰামে কৈছে, "ইংৰাজ টোলাৰ আলিবোৰৰ কোখৰে২ ইটাৰ খাৱই আচে; সেই খাৱইৰে কলৰ দ্বাৰা গঙ্গাৰ পানি জাই নগৰৰ লোকৰ অনেক উপকাৰ কৰে কিন্তু বঙ্গালি টোলাৰ সৰহ আলিত এনে খাৱই নাই। ৰাতি হলে লোকৰ গমনা গমনলৈ প্ৰতি আলিৰ মুৰতে চাকি লগাই আৰু গঙ্গাৰ তীৰৰ গোটেই আলিটোতে সাৰি কৰি লেণ্টেন লগাই"। খাৱৈৰে পানী যোৱা ব্যৱস্থা পুৰণি হোৱা বাবেই গুণাভিৰামৰ সংস্কৰণত কেৱল

১৮. উদ্ধৃত; নন্দ তালুকদাৰৰ 'সম্বাদ পত্ৰৰ ব'দ-কাঁচলিত অসমীয়া সাহিত্য', ১৯৭৫, পৃ. ১৪৬।

"কলৰ দ্বাৰা" পানী গৈছে; আনন্দৰামৰ দিনৰ বিপৰীতে গুণাভিৰামৰ দিনত কলিকতাৰ সেই পানী "ইংৰাজ টোলা" "বঙ্গালী টোলা" নিৰ্বিশেষে সকলো ঠাইলৈকে "গই এই নগৰৰ লোকৰ অনেক উপকাৰ কৰে"। আনন্দৰামে দেখা 'লেণ্টেন' গুণাভিৰামৰ সংস্কৰণত নুমাল। গুণাভিৰামৰ দিনৰ কলিকতাত "প্ৰতি আলিৰ মুৰতে গাসেৰে চাকি লগায়।" এই সংশোধনৰ মূলত আনন্দৰামৰ সংস্কৰণ আৰু গুণাভিৰামৰ সংস্কৰণৰ মাজৰ সময়ছোৱাত ঘটা কলিকতা নগৰৰ আৰ্থ-সামাজিক পৰিবৰ্তন।

'ভাৰতবৰ্ষৰ সংক্ষেপ বুৰঞ্জি'ৰ যি ঠাইত আনন্দৰামে "তাৰ পিচত দুহেজাৰ এশ পঞ্চাশ বচৰ হল" বুলিছে (পৃ. ১৮১), সেই ঠাইত গুণাভিৰামে "তাৰ পিছত দুহেজাৰ দুশ মান বছৰ হল" বুলি কৈছে (পৃ. ৬৬)। "এশ পঞ্চাশ বছৰৰ" পৰিবৰ্তে কোৱা "দুশ মান বছৰ" কথাই কম-বেছি আঢ়ৈ কুৰি বছৰৰ ব্যৱধান সূচাইছে। এই ব্যৱধান আনন্দৰামৰ প্ৰথম সংস্কৰণ আৰু গুণাভিৰামৰ অষ্টম সংস্কৰণৰ মাজৰ। কিন্তু আনন্দৰামৰ অ.লম.ৰ প্ৰণয়ন আৰু গুণাভিৰামৰ অষ্টম সংস্কৰণৰ মাজৰ কালৰ ব্যৱধান যে অন্ততঃ একুৰি বাৰ বছৰৰ, আৰু গুণাভিৰামৰ অষ্টম সংস্কৰণটো ১৮৭৮ চনৰ, সেই কথা সঠিকভাৱে নিৰ্ণয় কৰিব পাৰি একেটা প্ৰসংগতে ব্যৱহৃত দুটা খ্ৰীষ্টাব্দৰ পৰা। খ্ৰীষ্টধৰ্ম প্ৰকাশ হোৱা কাল আনন্দৰামে "১৮৪৬ বচৰ হৈচে" বুলিছে, গুণাভিৰামে সেই ঠাইত "১৮৭৮ বছৰ হইছে" বুলি দেখুৱাইছে।

আনন্দৰামৰ অ.ল.মৰ আঠোটাকৈ সংস্কৰণ গুণাভিৰাম বৰুৱাৰ দ্বাৰা প্ৰচাৰিত হোৱাৰ ফলত এটা সময়ত গ্ৰন্থখনৰ প্ৰণেতা গুণাভিৰাম বৰুৱা বুলিয়েই পাঠক বা শিক্ষিত সমাজত এটা ধাৰণাৰ সৃষ্টি হৈছিল; অন্ততঃ ঊনবিংশ শতিকাৰ আশীৰ দশকত। তাৰ প্ৰমাণ এৰি থৈ গৈছে কৰ্মোপলক্ষ্যে অসমত থকা এজন বঙালী শিক্ষক আৰু শিক্ষাবিদ ৰামেশ্বৰ সেনে বঙলা ভাষাত লিখা তেওঁৰ আত্মজীৱনী ('আত্মকাহিনী বা স্বৰচিত জীবন কথা') ত। ৰামেশ্বৰ সেনে সত্তৰৰ দশকত নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলত "ছেকেণ্ড মাষ্টৰ" আৰু শতিকাটোৰ শেহৰটো দশকত হেডমাষ্টৰৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।[১৯] ১৮৮৪ চনত তেওঁ স্থানাপন্ন স্কুল উপ-পৰিদৰ্শক হিচাপে কাৰ্যনিৰ্বাহ কৰোঁতে

১৯. দ্ৰষ্টব্য : এই লেখকৰ প্ৰবন্ধ 'নগাঁও ইংৰাজী স্কুল : ঊনবিংশ শতিকাত'; স্মৃতিগ্ৰন্থ, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, ১৯৯০।

তেতিয়াৰ অসমৰ চিফ কমিছনাৰ এলিয়ট চাহাবক (Sir Charles Elliot) তেওঁ কেইদিনমান অসমীয়া ভাষা শিকাবলগীয়া হৈছিল। এলিয়টে বোলে ৰামেশ্বৰ সেনক কৈছিল, "বাবু, I wish to have a lesson from you in Assamese." সেই সময়ত এলিয়ট চাহাবৰ হাতত ৰামেশ্বৰ সেনে "ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ প্ৰণীত" 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ কিতাপখন দেখিবলৈ পালে। এলিয়টে পোনতে ৰামেশ্বৰ সেনৰ পৰা জানিব খুজিলে কিতাপখনত মুদ্ৰিত 'ল'ৰা' আৰু 'লৰা' শব্দৰ অৰ্থ-পাৰ্থক্য সম্পৰ্কে। কাৰণ, কিতাপখনৰ বেটুপাত আৰু প্ৰথম পৃষ্ঠাত বোলে শব্দটোৰ 'ল'ৰা' ৰূপ আৰু ভিতৰৰ পৃষ্ঠাবোৰত 'লৰা' ৰূপ মুদ্ৰিত আছিল।[২০] আনন্দৰামৰ অ.ল.ম.ৰ প্ৰথম মুদ্ৰণটোৰ মাজৰ কোনোটো পাততে যে গ্ৰন্থখনৰ নামটো মুদ্ৰিত হোৱা নাছিল, সেই কথা আমি পূৰ্বে কৈ আহিছোঁ।

ৰামেশ্বৰ সেনে এলিয়ট চাহাবক 'অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ সহায়েৰে অসমীয়া ভাষা শিকোৱাৰ কেইমাহমানৰ পাছত ধুবুৰীৰ জাহাজঘাটত সেনে

২০ "আমাকে উহাতে বসিতে বলিলেন।..... সাহেব বাহাদুৰেৰ হাতে দেখি ৰায় গুণাভিৰাম বড়ুৱা বাহাদুৰ প্ৰণীত আসামীয়া ল'ৰা মিত্ৰ নামে একখানি ক্ষুদ্ৰ পুস্তক ৰহিয়াছে। ঐখানি তিনি পড়িতে চান। আসামীয়া ল'ৰা মিত্ৰ পুথিখানিৰ মলাটেৰ উপৰ ও প্ৰথম পৃষ্ঠায় (ল'ৰা শব্দেৰ লএৰ উপৰে Apostrophe বা খুঁটুনি ৰহিয়াছে) আৰ পুস্তকেৰ মধ্যে কোন স্থানে লৰা শব্দেৰ লএৰ উপৰ ঐৰূপ খুঁটুনি নাই। সাহেব প্ৰথমেই আমাকে জিজ্ঞাসা কৰিলেন যে কেন প্ৰথমে লএৰ উপৰে খুঁটুনি দেওয়া হইয়াছে অন্য স্থানে দেওয়া হয় নাই। আমি অবশ্যই উহাৰ প্ৰকৃত কাৰণ জানিতাম ন। আমি সাহেবকে বলিলাম, আমি বাঙ্গালী, আসামীয়া ভাষা খুব ভালৰূপে জানি না। তথাপি আমাৰ মনে ইহাৰ যে যুক্তি উপস্থিত হইতেছে তাহা আপনাৰ নিকট নিবেদন কৰিতেছি। শব্দটিৰ প্ৰকৃত উচ্চাৰণ লোৱা, কিন্তু লৰা লিখিলে উহাৰ প্ৰকৃত উচ্চাৰণ নিৰ্দেশ হয় না। গ্ৰন্থকাৰ উহাৰ প্ৰকৃত উচ্চাৰণ দেখাইবাৰ জন্যই ঐ কৌশল অবলম্বন কৰিয়া ঐ প্ৰকৃত উচ্চাৰণটা বলিয়া দিয়াছেন। তাৰ পৰ আসামীয়াৰা ঐ শব্দেৰ যেৰূপ সচৰাচৰ বানান লেখেন সেই ৰূপই পুস্তিকা মধ্যে লেখা ৰহিয়াছে। আমাৰ যুক্তি ঠিক হইতে পাৰে বা নাও পাৰে, আমাৰ যেৰূপ বোধ হইল তাহাই আপনাৰ নিকট নিবেদন কৰিলাম। সাহেব সম্ভবতঃ আমাৰ উত্তৰে সন্তুষ্ট হইয়াছিলেন। ল'ৰা শব্দেৰ অৰ্থ বালক। সাহেব কয়েক পাতা পড়িলেন। প্ৰথমে প্ৰত্যেক শব্দেৰ ইংৰাজী প্ৰতিশব্দ বলিতে হইল; পৰে সমুদায় বাক্যেৰ অৰ্থ ও লিখিবাৰ পদ্ধতি (Idiom) বলিতে হইল। তাৰ পৰে ভাবাৰ্থ বলিতে হইল। সাহেব বাহাদুৰ প্ৰায় ৰাত্ৰি ৯টা পৰ্যন্ত পড়িলেন; বলিলেন, তাৰ পৰ দিন বিলাসীপাড়ায় যাইয়াও ঐৰূপে আসামী ভাষা শিক্ষা দিতে হইবে।"

—উক্ত গ্ৰন্থ, পৃ.৩১৩-৪

গুণাভিৰাম বৰুৱাক লগ পাই কিতাপখনৰ দুঠাইত 'ল'ৰা' আৰু মাজৰ আনবোৰ পৃষ্ঠাত 'লৰা' জোঁটনি দিয়াৰ কাৰণ সোধাত গুণাভিৰামে হেনো সেইটো তেওঁৰ ত্ৰুটী বুলি স্বীকাৰ কৰিছিল।[২১]

পিছে গুণাভিৰাম-সম্পাদিত গ্ৰন্থখনৰ ত্ৰুটী সম্পৰ্কীয় স্বীকাৰোক্তিৰ প্ৰয়োজনীয়তা বিচাৰি পোৱা নাযায়। আনন্দৰামৰ গ্ৰন্থখনৰ প্ৰথমটো মুদ্ৰণৰ ক'তোৱেই 'ল'ৰা' ৰূপটো পাবলৈ নাই; আদ্যন্ত মুদ্ৰিত হৈছে 'লৰা' হে। আনন্দৰামে গ্ৰন্থখন ৰচনা কৰা সময়ত, আৰু তাৰো বহুকাল পাছলৈকে অসমীয়া 'ল'ৰা'বোৰ 'লৰা' হৈয়েই আছিল। ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী সংখ্যা অৰুনোদইত তাৰ প্ৰমাণ আছে। ১৮৬৭ খ্ৰীষ্টাব্দত প্ৰকাশিত ব্ৰন্‌ছনৰ 'অসমিয়া আৰু ইংৰাজি অভিধান'ত "পুত্ৰ, পো, বালক" অৰ্থ বুজোৱা শব্দটোও 'লৰা'। ১৮৬৯ খ্ৰীষ্টাব্দত মুদ্ৰিত বলৰাম ফুকনৰ 'হৰ্স বিসাদ বিসয়ক ৰচনা'তো 'লৰা' ৰূপেই প্ৰকাশ পাইছিল। গুণাভিৰামৰ ১৮৭৪ খ্ৰীষ্টাব্দত প্ৰকাশ পোৱা 'লৰা পুথি'তেই নহয়, তেওঁৰ পুত্ৰ জ্ঞানদাভিৰামে ১৯১২ খ্ৰীষ্টাব্দত প্ৰকাশ কৰা 'লৰা-পুথি'তো 'ল'ৰা' দেখিবলৈ নাই— এই তৃতীয়টো সংস্কৰণৰ প্ৰতিটো পৃষ্ঠাৰ শীৰ্ষত পুথিখনৰ নামটো মুদ্ৰিত হোৱা সত্ত্বেও। ১৮৯২ খ্ৰীষ্টাব্দত অ. ভা. উ. সা. সভাৰ সহকাৰী সম্পাদক আনন্দ চন্দ্ৰ গুপ্ত (আগৰৱালা)ই পঢ়ি সন্তোষ প্ৰকাশ কৰা আৰু ১৮৯৩ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহৰ ১৯ তাৰিখে নগাঁও পাঠ্যপুথি বাছনী সমিতিয়ে অনুমোদন জনোৱা পানীন্দ্ৰনাথ গঁগৈ ৰচিত 'লৰা শিক্ষা' (মাজ ছোৱা)তো মুদ্ৰিত হৈছিল 'লৰা' ৰূপটোৱেই। হেমচন্দ্ৰ গোস্বামী সম্পাদিত 'অকণ' (১৮৩৭ শক)ৰ প্ৰথম বছৰ প্ৰথম সংখ্যা (মাঘ)ৰ বাকলি পাততো আলোচনীখন "লৰা ছোৱালীৰ সচিত্ৰ মাহেকীয়া

---

২১. "চিফ কমিসনাৰ সাহেব বাহাদুৰকে আসামীয়া ভাষা পড়ানৰ কয়েক মাস পৰে আমি একদিন অপৰাহ্নে ধুবড়ীৰ ষ্টিমাৰ ঘাটে বেড়াইতে গিয়া ডিব্ৰুগড় হইতে আগত ডাক ষ্টিমাৰে উঠিয়া দেখি 'অসমীয়া ল'ৰা মিত্ৰ' ৰচয়িতা ৰায় গুণাভিৰাম বড়ুৱা বাহাদুৰ ঐ ষ্টিমাৰে আছেন। তিনি নওগাঁ হইতে কলিকাতায় যাইতেছিলেন। তাহাকে দেখিয়াই আমি লৰা শব্দেৰ দুই স্থানেৰ বানান 'ল'ৰা' এবং পুস্তকেৰ পাঠেৰ মধ্যে সৰ্বত্ৰই 'লৰা' লেখাৰ কাৰণ জিজ্ঞাসা কৰিলাম, এবং বলিলাম যে চিফ্ কমিস্নাৰ বাহাদুৰ ঐৰূপ লেখাৰ কাৰণ আমাকে জিজ্ঞাসা কৰিয়াছিলেন। তিনি বলিলেন তুমি উহাৰ কিৰূপ যুক্তি দিয়াছিলে। আমি তাঁহাকে আমাৰ প্ৰদত্ত যুক্তিৰ কথা বলিলাম। তিনি অতীব সন্তুষ্ট হইয়া আমাৰ পিঠ চাপড়াইয়া বলিলেন, 'ভাই তুমি ঠিক যুক্তি দিয়াছিলেন। পুস্তকেৰ মধ্যে একটি পাদটীকা কৰিয়া ঐ যুক্তিটা আমাৰ দেওয়া উচিত ছিল, এটা আমাৰ একটা ত্ৰুটিৰ কাৰ্য্য হইয়াছে।" —উক্ত গ্ৰন্থ, পৃ. ৩১৭-৮।

কাকত” বুলিহে কৈছে। হেমচন্দ্ৰ বৰুৱাৰ ‘পাঠমালা’ৰ ত্ৰয়োদশ তাঙৰণতো (১৮৬০ শক) আছে ‘লৰা’। এনেবোৰ কাৰণত নহ’লেও, আনন্দৰামৰ প্ৰতি সন্মান জনাবৰ বাবেই গ্ৰন্থখনৰ নামটোত থকা ‘লৰা’টোৰ বা গ্ৰন্থখনৰ ভিতৰত থকা ‘লৰা’বোৰৰ ৰূপৰ পৰিবৰ্তন ঘটাব নোৱাৰি। কিন্তু এইটো নিশ্চয় তাৎপৰ্যপূৰ্ণ কথা যে গুণাভিৰাম বৰুৱা-সম্পাদিত আনন্দৰামৰ ‘অসমীয়া লৰাৰ মিত্ৰ’ৰ আলমতে চিফ কমিছনাৰ এলিয়ট চাহাবে অসমীয়া ভাষা শিকিলে। এলিয়টে গ্ৰন্থখনৰ প্ৰতিটো শব্দৰ ইংৰাজী প্ৰতিশব্দ শিকাৰ উপৰি প্ৰতিটো বাক্যৰ অৰ্থ বুজি লৈছিল। তদুপৰি, অসমীয়া ভাষা লিখাৰ পদ্ধতিও তেওঁ আয়ত্ত কৰিছিল ৰামেশ্বৰ সেনৰ সহায়ত এই গ্ৰন্থখনৰ পৰাই।

ৰামেশ্বৰ সেনৰ কথা যেতিয়া ওলালেই, উনবিংশ শতিকাৰ ত্ৰিছৰ দশকত অসমৰ পৰা অসমীয়া ভাষাক নিৰ্বাসন দি অসমত বঙলা ভাষা প্ৰচলন কৰা প্ৰসংগৰ লগত জড়িত কথা এটাও এইখিনিতে উনুকিয়াই থোৱাটো অপ্ৰাসংগিক নহ’ব নিশ্চয়। এলিয়টে অসমীয়া শিকিবলৈ ৰামেশ্বৰ সেনক মাতি পঠিয়াওঁতে ৰামেশ্বৰ সেনে ভয় খাইছিল এলিয়টে তেওঁৰ অসমীয়া ভাষা-জ্ঞান পৰীক্ষা কৰে বুলি। কাৰণ, তেওঁ অসমীয়া ভাষা ভালদৰে নাজানে।[22] কিন্তু সেইজন ৰামেশ্বৰ সেনেই নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ হেডমাষ্টৰ ৰূপে কাৰ্য নিৰ্বাহ কৰোঁতে অসম উপত্যকাৰ জিলাসমূহৰ কমিছনাৰ জি. গডফ্ৰে চাহাবক এইবুলি কৈছিল যে অসমীয়া ভাষা বঙলা ভাষাৰ ৰূপান্তৰহে, আৰু ভাষা দুটাৰ মাজত প্ৰকৃততে কোনো পাৰ্থক্য নাই।[23] প্ৰসংগটোত আমাৰ বোধেৰে মন কৰিবলগীয়া কথা এইটোহে যে ‘অসমীয়া লৰাৰ মিত্ৰ’ ৰচনাকে আদি কৰি

২২. “আমাৰ চক্ষু স্থিৰ। আমি খুব ভাল আসামীয়া জানি না, এখনও একটিং আছি।”

– উক্ত গ্ৰন্থ, পৃ. ৩১২।

২৩. “কোন সময়ে আসাম-উপত্যকা জেলা সমূহেৰ কমিসনাৰ জি. গডফ্ৰে সাহেবেৰ সহিত আসামীয়া ভাষা সম্বন্ধে আমাৰ কথোপকথন হয়। আমি বলি যে আসামীয়া ভাষা প্ৰকৃতপক্ষে ভিন্ন ভাষা নহে। বাঙ্গালা ভাষাৰ ৰূপান্তৰ মাত্ৰ। তাহাতে কমিসনাৰ সাহেব বাহাদুৰ বলেন যে তাহা হইলে তুমি ফৰাসী ভাষাকেও ইংৰাজী ভাষাৰ ৰূপান্তৰ বলিতে পাৰ। যখন আমাদেৰ আসামীয়া ভাষা সম্বন্ধে কথা-বাৰ্ত্তা হইতেছিল, তখন পাৰ্শ্বে ঘৰে তাহাৰ পেস্কাৰ শ্ৰীযুক্ত দুলাল চন্দ্ৰ চৌধুৰী বসিয়াছিলেন ও আমাদেৰ কথা-বাৰ্ত্তা

আনন্দৰামে বিভিন্ন প্ৰকাৰে কৰা পুৰুষাৰ্থ আৰু ব্ৰাউন, ব্ৰনছন আদিৰ আন্দোলনৰ ফলত প্ৰায় দুকুৰি বছৰৰ মূৰত অসমত অসমীয়া ভাষাৰ পুনৰ্বাসন ঘটাৰ পাছতো, শতিকাটোৰ শেহৰ দশকটোতো, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদিয়ে কোৱা অসমীয়া ভা৷াৰ বিৰুদ্ধে এচাম বঙালীৰ ষড়যন্ত্ৰ চলিয়েই আছিল। সিও আকৌ চলিছি৽ এখন জিলা স্কুলৰ প্ৰধান শিক্ষকৰ লেখীয়া দায়িত্বশীল আৰু উচ্চ পদাধিকাৰী ব্যক্তি একোগৰাকীৰ দ্বাৰা। অলমতিবিস্তৰেণ।

আনন্দৰামৰ গ্ৰন্থখনৰ পৰিচয় দিওঁতে অৰুনোদই কাকতে এই কথাও কৈছিল, "মাজে মাজে ভূল ওলাই, কিন্তু মানুহৰ লিখা কিতাপত বিসেসকৈ কোনো ভাসাত প্ৰথমে লিখা কিতাপবোৰত ভূল থাকে।" অৰুনোদইৰ এই কথাই এনে ধাৰণাও দিব পাৰে যে অসমীয়া ভাষাত প্ৰথমে লিখা কিতাপ বাবেই 'অসমীয়া লৰাৰ মিত্ৰ'ত ওলোৱা ভুলখিনি লেখক আনন্দৰামৰে। কিন্তু স্বৰূপাৰ্থত এই 'ভুল' ছপাশালৰহে, ছাপোঁতাৰহে। অৰুনোদইয়ে "মাজে মাজে" বুলি কলেও দৰাচলতে আনন্দৰামৰ গ্ৰন্থখনত মুদ্ৰণ-প্ৰমাদ অসংখ্য আৰু সেইবোৰ গ্ৰন্থখনৰ আদিৰ পৰা অন্তলৈকে ব্যাপ্ত। তেনে মুদ্ৰণ-প্ৰমাদ নিশ্চয় আনন্দৰামৰ অভিপ্ৰেত নাছিল।

আমি পূৰ্বে কৈ আৰু দেখুৱাই আহিছোঁ যে আনন্দৰামৰ নিজা বৰ্ণবিন্যাস ৰীতি আছিল; মাৰ্কিন মিছনেৰী পণ্ডিত বা অৰুনোদই কাকতৰ বৰ্ণবিন্যাস ৰীতিৰ লগত তেওঁৰ ৰীতিৰ সাদৃশ্য নাছিল; নাছিল যাদুৰাম ডেকা বৰুৱাৰ অসমীয়া-বঙলা অভিধানৰ লগতো। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কৈছে, "যাদুৰাম বৰুৱাৰ মতে আমি যিটো কথা যেনেকৈ উচ্চাৰণ কৰোঁ, তাক লেখোঁতেও তেনেকৈ লেখিব লাগে। সেইবাবে তেওঁ একে উচ্চাৰণৰ আখৰ বিলাকৰ (যেনে, শ, ষ, স; চ, ছ; জ, ঝ) ভিতৰত এটা আখৰ মাথোন

শুনিয়াছিলেন। তিনি এই কথা তাহাব বন্ধু-বান্ধবেব মধ্যে প্ৰচাব কবিয়াছিলেন, তাহাব ফলে আসাম প্ৰদেশেব তৎকালেব মাননীয় চিফ্ কমিসনাব স্যাব উইলিয়াম ওয়ার্ড বাহাদুবেব নিকটে কেহ কেহ আপত্তি কবিয়া লেখেন যে হেতু মহীব বামেশব সেন বাঙ্গালী ও নওগাঁব পাদ্রী বেভাবেণ্ড মূব আসামীয়া ভাষাব পাঠ্য পুস্তক নির্ব্বাচনী সভাব সভ্য হইতে পাবে না।"- উক্ত গ্রন্থ, পৃ. ৪২৫।

ব্যৱহাৰ কৰি ইবোৰ এৰি দিছিল।”[২৪] পিছে আমি দেখিছোঁ আৰু দেখুৱাই আহিছোঁ যে আনন্দৰামে তেনে কৰা নাই। কেৱল চ, ছ-ৰ প্ৰথমটোৰ ব্যৱহাৰ দ্বিতীয়টোতকৈ তুলনামূলকভাৱে ‘অসমীয়া লৰাৰ মিত্ৰ’ত বহুত বেছি। ছাত্ৰ, ছটা, ছখন, ছকুৰি আদি কেইটামান, আৰু নিচেই কেইটামান শব্দৰ বাহিৰে অন্যত্ৰ ছ-ৰ ব্যৱহাৰ আনন্দৰামে কৰাই নাই। আছে, দিছে, কৰিছোঁ আদি ক্ৰিয়া পদৰ অতীত-বৰ্তমান উভয় ৰূপতে চ-হে আছে। কিন্তু ‘যা’ ধাতুৰ বেলিকা বৰ্তমান- ভৱিষ্যৎ দুয়োটা কালতে ‘জ’ৰ ব্যৱহাৰ কৰাটো আনন্দৰামৰ গ্ৰন্থখনৰ এটা চকুত পৰা বিশেষত্ব। গতিকে ক’ব পাৰি, তেওঁৰ নিজা ৰীতি আৰু নীতি অনুসৰিহে অ. ল. ম. মুদ্ৰিত হোৱাটো তেওঁ নিশ্চয় বিচাৰিছিল। কিন্তু কলিকতাৰ সমাচাৰ চন্দ্ৰিকা যন্ত্ৰত কিতাপখন ছপাবলগীয়া হোৱা বাবে, আৰু গুণাভিৰামে কোৱা মতে কলিকতীয়া ছাপাৱালাই অসমীয়া ভাষা বুজিব নোৱৰা বাবে কিতাপখনত বহুতো মুদ্ৰণ-প্ৰমাদ ৰৈ গ’ল। কীৰ্তিকান্ত বৰুৱা নামৰ যিবা এজন অসমীয়া ব্যক্তিক ফুকনে কলিকতালৈ পঠিয়াইছিল কিতাপখনৰ মুদ্ৰণ সম্পৰ্কত আগ-পিছ কৰিবলৈ, তেওঁৰো প্ৰযত্ন বা সাফল্যৰ চিন কিতাপখনৰ মুদ্ৰণত নাই। এনে কিছুমান মুদ্ৰণ-দোষ কিতাপখনত আছে যিবোৰে ঊনবিংশ শতিকাৰ পঢ়াশলীয়া ল’ৰাকহে নালাগে, এতিয়াৰ উচ্চ শিক্ষিত পাঠককো বিপাঙত নেপেলোৱাকৈ নাথাকে। তেনে কিছুমান ভুলৰ বাবেই কিতাপখনৰ একো একোটা শব্দ বা বাক্যৰ ৰূপ কিম্ভূত-কিমাকাৰ হৈ পৰিছে। বাহুল্যৰ ভয়ত পৃষ্ঠাসংখ্যা উল্লেখ নকৰাকৈয়ে, তেনে অসংখ্য ৰূপৰ মাজৰ পৰা আমি কেইটামান দৃষ্টান্ত দাঙি ধৰিছোঁ যথাক্ৰমে মুদ্ৰিত হোৱা আৰু মুদ্ৰিত হবলগীয়া ৰূপৰ; যেনে—

> হজুৱাইলেক—হজুৱাই ক’লে, সজউপায়েৰে—সজ উপায়েৰে, সহায় তাৰ পৰা—সহায়তাৰ পৰা, সি কথা ন হয় পেৰীনসি কথা নহয়—সি কথা নহয় পেৰিন সি কথা নহয়, কি স্তু—কিন্তু, ভাল কৰি বৰ চেষ্টা নকৰিবা—ভাল কৰিবৰ চেষ্টা নকৰিবা, যেনে হবলৈ সি কোৱা—যেনে হবলৈ শিকোৱা, সিকল—সিলক, বিচাৰিগৈ২—বিচাৰি গৈ২, তাৰ শধুৱাই—তাৰ শ ধুৱাই, পৃথিবীৰ মাজে উৰাউকৰি—পৃথিবীৰ মাজে উৰাউ কৰি, থৈগুচিগল—থৈ গুচি গল,

২৪. বেণুধৰ শৰ্মা সম্পাদিত ‘পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী’, অসম সাহিত্য সভা, ১৯৭২, পৃ. ১৩৭।

চেলে হৃকৰে—চেনেহ কৰে, লগনেৰি— লগ নেৰি, ময়মতা শ্লোক ইন হয়—ময় মতা শ্লোক ই নহয়, সাহ্ন কৰিলে—সাহ্ নকৰিলে, তোমাৰ টো তকৈ—তোমাৰটোতকৈ, জাৰু—আৰু, গালৰাই—গা লৰাই, শুনিবৰ ত্ৰাস পালোঁ—শুনি বৰ ত্ৰাস পালোঁ, সাৰেন ও অৰ্ব্বুদ—সাৰে নও অৰ্ব্বুদ, চোলাদিলৰালত—চোলা দি লৰালত, পা নিৰ তললৈ, পানিৰ তললৈ, না বাগ ৰিবলৈ— নাবাগৰিবলৈ, ৭—১, বস্তু কৰে—বস্তু চালান কৰে, ভাল না না পাই—ভাল নাপাই, কি য় ন—কিয়নো, সহয়—নহয়, প্ৰংশসনীয়—প্ৰশংসনীয়, তাচে—আচে, ধকা—কথা, কধা—কথা, অধি কৈ—অধিককৈ, মাৰিলে ওউঠী—মাৰিলেও উঠি, কলিকাতানগৰৰ—কলিকাতা নগৰৰ, যেই ফালৰ ঘৰৰপৰা সিফাললৈ—যে ইফালৰ ঘৰৰ পৰা সিফাললৈ, নৰগত—নগৰত, চিন্ধুৰা হলেসি—বিন্ধুৰা হলে সি, ইএহেজাৰ— ই এহেজাৰ, খঙ্গন কৰি—খঙ্গ নকৰি, কৰিয়াচিল—কৰি আচিল, সিতাৰ গচক বলকৈ—সি তাৰ গচক বৰকৈ, দুই ওএকে—দুইও একে, ট্ৰুটচৰ আখ্যান—ব্ৰুটচৰ আখ্যান, হৈশ্ৰমকৰিলে—হৈ শ্ৰম কৰিলে, অপমানকঘৃণা—অপমানক ঘৃণা, দাষ—দোষ, মুৰৰ্শিদাবাদ—মুৰশিদাবাদ, পাখিতমুৰদি—পাখিত মুৰ দি, থৈজুইদি—থৈ জুই দি, কথা ভুনাপাই—কথা ভু নাপাই, অনাদৰে—আন দৰে, জুজল গাই—জুজ লগাই, হ্নিদুহ—হিন্দু, তোমোৰ—তোমাৰ, কিয়োনা—কিয়নো, সজবাটে—সজ বাটে, অধি ককৈ—অধিককৈ, পৰালৰা টি—পৰা লৰাটি, চিনাকিদিলে—চিনাকি দিলে, সনলি—সলনি, পবিল—পৰিল, মাগলত—মাগিলত, হৈসি—হৈ সি, একোখাবৰ—একো খাবৰ, সিকলে—সি কলে, কিখাম—কি খাম, ইআছি—ইত্যাদি, জিানবা—জানিবা, নথম কাকৈ সেলাক সাতি—নথমকাকৈ শ্লোক মাতি, Spark—Speak, BRITOSI—BRITISH, OF AIFRED THE GTEAT—OF ALFRED THE GREAT, RULES—RULER, OE—OF, ইত্যাদি।

কেৱল এয়ে নহয়, গ্ৰন্থখনত অসংখ্য 'ৰ' থকা সত্ত্বেও 'ৰু' বৰ্ণবোৰ 'ৰু'হৈ আছে। তেনেকৈ 'ঠ' বৰ্ণবোৰ 'ঠ্' হৈছে অকাৰণতে, যেনে, কাঠ্ৰ, কুঠাৰ, উঠে, উঠি, ঠাই ইত্যাদি।

ছপাৰ বিজুতি আনন্দৰামৰ ৰীতি হ'ব নোৱাৰে। ছপাৰ বিজুতিত ঘটা এনে ধৰণৰ আন কিছুমান বিসংগতি দূৰ কৰিবৰ বাবে আমি নিৰ্ণয়সূত্ৰ একোটা বান্ধি লৈছোঁ আনন্দৰামৰ পাঠৰ পৰাই। একোটা শব্দৰ যিটো ৰূপ একোটা পাঠত বা পাঠান্তৰতো সৰহ ভাগ ক্ষেত্ৰত আমি দেখিছোঁ, সেইটো ৰূপকে আমি ৰাখিবলৈ যত্ন কৰিছোঁ। কিন্তু কেতিয়াবা একেটা শব্দৰে দুটা পৃথক ৰূপো ৰাখিবলগীয়া হৈছে দুটা পৃথক পাঠত। সেই ক্ষেত্ৰত সংশ্লিষ্ট ৰূপটোৰ সংখ্যাগৰিষ্ঠতাক স্বীকৃতি দিবলগীয়া হৈছে। ক্ৰিয়া একোটাৰ নঞৰ্থক ৰূপটো সৰহ ভাগ ঠাইত পোৱা ৰূপলৈ আমি নিছোঁ। ক্ৰিয়াবাচক পৰসৰ্গবোৰৰ পুনৰ সংস্থাপনৰ বেলিকাও তেনে কৰিবলগীয়া হৈছে। অ.ল.ম.ত. প্ৰক্ষেপ চিন আছে; পিছে তাৰ প্ৰয়োগহে বিধিসম্মতভাৱে হোৱা নাই। আনন্দৰামৰ লেখাত প্ৰায়বোৰ যতি চিনৰে প্ৰয়োগ ঘটিছে কম-বেছি পৰিমাণে। কিন্তু পূৰ্ণ যতিৰ প্ৰয়োগ যথাস্থানত হোৱা নাই। কেতিয়াবা একোটা অনুচ্ছেদৰ শেহতহে পূৰ্ণ যতিৰ অৱস্থান। কিন্তু এই ক্ষেত্ৰত আমি ছপাৰ বিজুতিও লক্ষ্য কৰিছোঁ বহু ঠাইত। একোটা বাক্যৰ একে ঠাইতে দুটাকৈ যতি চিনক বহিবলৈ আনন্দৰামে অনুমতি দিয়াৰ কথা অকল্পনীয়। সেইবাবে সংশ্লিষ্ট যতি চিনকেইটাক আমি যথাস্থানত সংস্থাপিত কৰিছোঁ।

ক্ৰিয়া একোটাৰ সমাপিকা ৰূপৰ ঠাইতো আনন্দৰামৰ লেখাত অসমাপিকা ৰূপ আছে। সিবোৰক তেনেকৈয়ে ৰখা হৈছে। ১৮৪৪ চনত প্ৰকাশিত কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰন্‌জি পুথি'তো এনে ৰূপ আছে, যেনে, "এই সকলৰ ঘৈনিবোৰেও লই"। "সম্প্ৰতি মৰ্জদানুসাৰে বিসয়াৰ নাম লিখা জাই।" অৱশ্যে কাশীনাথৰ বুৰঞ্জীত জ হে আছে; য, য় পাবলৈ নাই। পাওঁ, চাওঁ আদি ক্ৰিয়া ৰূপৰ নাসিক্যভৱন অ.ল.ম.ৰ দুই-এঠাইত পিছৰ বৰ্ণৰ সলনি আগৰ বৰ্ণত দেখিবলৈ পোৱা গৈছে ছপাশালৰ ভূতৰ দৌৰাত্ম্যতহে। চৰ্তসাপেক্ষসূচক 'হেঁতেন' পৰসৰ্গ তেওঁৰ পাঠত সদায় 'হঁতন'। হ্ৰস্ব-দীৰ্ঘ দুয়োটা ই-কাৰৰ ব্যৱহাৰ তেওঁ কৰিলেও হ্ৰস্বতাৰ প্ৰতি আকৰ্ষণ তেওঁৰ অধিক। তেওঁৰ 'তেওঁ' সদায় 'তেঁও'। কাশীনাথ তামুলী ফুকনৰ 'বুৰন্‌জি'ত পিছে কেৱল 'তেঁও'কেই নহয়, 'এঁও'কো স্থান দিছে। আকৌ আনন্দৰামৰ দৃষ্টিত তই 'তয়', মই,'ময়'। গুৱাহাটী, গোৱালপাৰাৰ বাহিৰে আন সকলোতে তেওঁ ৱ-ৰ প্ৰয়োগ সিদ্ধ কৰি গৈছে। শ, ষ-ৰ ঠাইত কেতিয়াবা খ-ৰ ব্যৱহাৰ চকুত

পৰে 'স্নাৰিখা', 'নিখা', 'বৰখুন'ত। কাশীনাথেও "খৰত কৰিলে বৰখিব ও বৰখুনত খৰ হ'ব" বুলি কৈছিল।[২৫]

বৈকুণ্ঠনাথ ভট্টদেৱক অসমীয়া গদ্যৰ জনক বুলি ক'লে আনন্দৰাম ঢেকিয়াল ফুকনক আধুনিক অসমীয়া গদ্যৰ জনক বুলিব লাগিব, আৰু এই গদ্যৰ জন্ম 'অসমীয়া লৰাৰ মিত্ৰ'ৰ কোলাতে বুলি ক'ব লাগিব। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ যিটো "বিলাতী সুৰ"ৰ কথা কৈছে, অসমৰ মিছনেৰীসকলৰ কণ্ঠত সেই সুৰৰ গুণ্‌গুণনিহে উঠিছিল; প্ৰকৃততে অসমীয়া গদ্যত সেই সুৰ আৰোপ কৰিলে আনন্দৰামেহে। গোস্বামীয়ে কোৱা "আৰ্য্যামি" আৰু "চাহাবানি"ৰ মাজৰ "লগুণ-গাঁঠি" মিছনেৰীয়ে দিব জনা নাছিল; জানিছিল এফালে মিছনেৰী সকলৰ দ্বাৰা উদ্বুদ্ধ হৈ উদাৰ আৰু অকুণ্ঠভাৱে পাশ্চাত্য সভ্যতাক আৱাহন জনাওঁতা আৰু আনফালে ভাৰতীয় ঐতিহ্যৰ প্ৰতি অচলা ভক্তি ৰাখি সেই ঐতিহ্যকো একাধাৰে বহন কৰোঁতা আনন্দৰামেহে। উনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ কৃষ্ণপক্ষত ৰচিত আৰু প্ৰকাশিত 'অসমীয়া লৰাৰ মিত্ৰ'ৰ পূৰ্বে কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰনজি পুথি' ৰচিত আৰু প্ৰকাশিত হৈছিল। কাশীনাথৰ 'আসাম বুৰন্‌জি পুথি'য়েই অসমীয়া লেখকৰ প্ৰথম প্ৰকাশিত পুথি।[২৬] কিন্তু 'আসাম বুৰন্‌জি পুথি'ৰ গদ্যত "বিলাতী সুৰ"টো নাই, আধুনিকতাটো নাই, আৰু নাই সেই আৰ্য্যামি আৰু চাহাবানিৰ লগুণ-গাঁঠিটোও। অসমৰ সামাজিক জীৱনলৈ আধুনিকতাৰ বাৰ্তা কঢ়িয়াই আনিছিল যেনেকৈ আনন্দৰামে, অসমীয়া গদ্যকো আধুনিক সাজ পিন্ধালে তেনেকৈ আনন্দৰামেহে। অৰুনোদইৰ গদ্যৰ দৰে আনন্দৰামৰ গদ্য "কেঁচুৱাৰ ঠুনুক-ঠানাক মাত" নহয়। অৰুনোদইৰ গদ্যৰ দৰে কেৱল কোমলতাৰে পৰিপূৰ্ণ হৈ নাথাকি কোমলে-কঠিনে মিলি হোৱা এটা নতুন ৰূপ লৈছে আনন্দৰামৰ গদ্যই। তেওঁৰ বাক্যত এহাতে যেনেকৈ নিভাঁজ অসমীয়া ঘৰুৱা শব্দই শাৰী পাতিছে আপোনা-আপুনি ("মনে মনে থাকিবা নাইবা ভাল কথা কবা", "পিচে ৰজাই তাইক অনাই দেখিলে যে যি জনি

---

২৫. Assam Buranji, 1906, Page. 3.

২৬. "....it was the first Assamese book written by an Assamese appearing in print." –Dr. N. Saikia, Background of Modern Assamese Literature, p. 152.

তিৰোতাৰ হাত তেওঁ মগনিয়াৰক পিঠা দিয়াৰ সলনি কাটিছিল তায়েই"), তেনেকৈয়ে তৎসম শব্দৰো সমাবেশ ঘটিছে স্বতঃস্ফূৰ্তভাৱে ("মহৎ মন বিশিষ্ট মানুহে লক্ষ্মীৰ নিগ্ৰহক ঘৃণা কৰে আৰু তেওঁৰ মহৎ আত্মা একোতে বিমৰ্ষ নহয়," "সূৰ্য্য মহিমাৱন্ত হয়, কিন্তু যি জনাই সূৰ্য্যক সৃজিচে তেওঁ তাতকৈও মহিমাৱন্ত")। আনন্দৰামৰ বাক্যবোৰ সাধাৰণতে দীঘল। কেতিয়াবা একোটা অনুচ্ছেদৰ অন্ততহে বাক্য একোটিৰ পূৰ্ণ যতি পৰিছে। (দ্ৰঃ পৃঃ ৩৪, ৫৭, ৮৭)। কিন্তু তাৰ বিপৰীতধৰ্মী বাক্যও নোহোৱা নহয় ("বাৰু হয়", "আলাহ্ সকলো দোষৰে মূল", "কাল কালৈকো বাট চাই নাথাকে")। সম্বোধনাৰ্থক 'হে' অব্যয়েৰে আৰম্ভ হোৱা বাক্যও আনন্দৰামৰ ৰচনাত পৰ্যাপ্ত (হে প্ৰিয় লৰাবিলাক, হে লৰাবিলাক, হে ৰজা, হে আফ্ৰিকা দেশৰ তিৰোতা, হে পৃথিবীৰ নানা দেশীয় মানুহসকল)। এনে ধৰণৰ বাক্যৰ মূলত যে গুণাভিৰাম বৰুৱাই কোৱা "নানা উপদেশ-গৰ্ভ ইংৰাজী প্ৰস্তাৱ" আনন্দৰামে নিজে নাম-পাতত কোৱা মতে "অসমীয়া ভাষাই ভাষান্তৰ" হোৱাটো, সেই কথা কোৱা বাহুল্য মাথোন।

গুণাভিৰাম বৰুৱাই কৈছে, "অসমীয়া ভাষাৰ উন্নতিৰ মূল সেই ফুকন" : আনন্দৰাম ঢেকিয়াল ফুকন। কিন্তু সেই মূলত দেশী-বিদেশী আন কেইজনমান লোকেও সাৰ-পানী যোগাইছিল, অসমীয়া ভাষাক নিজ আসনত পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আনন্দৰামে চলোৱা আন্দোলনটোৰ চালিকা শক্তি বৃদ্ধি কৰাত আনন্দৰামক প্ৰেৰণা দিছিল। 'অসমীয়া লৰাৰ মিত্ৰ' গ্ৰন্থখন প্ৰকাশ কৰাত আনন্দৰামলৈ আৰ্থিক সাহায্য আগবঢ়োসকলৰ নাম গ্ৰন্থখনৰ শেহত আনন্দৰামে উল্লেখ কৰিছে। যি সময়ত অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষা হৈছিল নিৰ্বাসিতা, আৰু অসমৰ ল'ৰাৰ মাতৃভাষা অসমীয়াৰ ঠাই দখল কৰি বহি আছিল ধাত্ৰীভাষা বঙলা, সেই দুৰ্যোগৰ সময়ত "আদালত আৰু লোকৰ অৱস্থা দেখি অসমীয়া ভাষা চলাবৰ নিমিত্তে" আনন্দৰামে কৰা আন্দোলনটোক সক্ৰিয় আৰু গতিশীল কৰি তোলাৰ উদ্দেশ্যে মন আৰু ধন দিওঁতাসকলৰ নাম অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত নিশ্চয় স্থান পাবৰ যোগ্য। সেইবাবে আমি এইখিনিতে 'অসমীয়া লৰাৰ মিত্ৰ'ৰ ২১৯ সংখ্যক পৃষ্ঠাটোৰ কষ্টসাধিত পাঠোদ্ধাৰেৰে সেইসকল ব্যক্তিৰ নাম আৰু দানৰ (ধনৰ) তালিকাখন দাঙি ধৰিব খুজিছোঁ।

ধন দিওঁতাৰ নাম	ধনৰ সংখ্যা
শ্ৰীযুত কামেশ্বৰ সিংহ স্বৰ্গদেৱ	৪৫
শ্ৰীযুত ললীতৰাম সিংহ ৰাণীৰজা	৪০
শ্ৰীযুত চন্দ্ৰসেন ৰায়	২০
শ্ৰীযুত ৰায় দেববৰ বড় দলৈ	[২০]
শ্ৰীযুত ব্ৰজনাথ বড় ভণ্ডাৰী বড়ূৱা	১২
শ্ৰীযুত মাধম[মাধব]ৰাম ৰাজখোৱা	১০
শ্ৰীযুত সোমদত্ত বড় কটকী	১০
শ্ৰীযুত কৃষ্ণৰাম ভণ্ডাৰী বড়ূৱা	১০
শ্ৰীযুত ৰাধাকান্ত ডেকা বড়ূৱা	১০
শ্ৰীযুত গৰ্গৰাম মজিন্দাৰ বড়ূৱা	২০
শ্ৰীযুত মণিৰাম বড়ূৱা	২০
শ্ৰীযুত দুতিৰাম বড়ূৱা	১১
শ্ৰীযুত দীননাথ বড়ূৱা	১১
শ্ৰীযুত জাদুৰাম বড়ূৱা	৮
শ্ৰীযুত হৰনাথ বড়ূৱা	৫
শ্ৰীযুত গোলোকচন্দ্ৰ ডেকা বড়ূৱা	৭
শ্ৰীযুত হলিৰাম নাওসলীয়া বড়ূৱা	[৫]
শ্ৰীযুত বলৰাম বড়ূৱা	[৫]
শ্ৰীযুত [নমেলীয়া গোহাঁই]	[১০]
শ্ৰীযুত [ল] ঠোধৰ ফুকন	[১০]
শ্ৰীযুত ন [গা] হাজৰিকিয়া	১০
শ্ৰীযুত সিন্ধুৰাম হাজৰিকিয়া	৫
শ্ৰীযুত কেশৱ ৰাম বড়ূৱা	[১০]
শ্ৰীযুত কেশৱৰাম ৰুবকাৰ নবীচ	৫
শ্ৰীযুত অনুৰাম মহৰী	২
শ্ৰীযুত মিহিৰাম ভণ্ডাৰী বড়ূৱা	৫
শ্ৰীযুত কৃশৰাম মজিন্দাৰ বড়ূৱা	১
শ্ৰীযুত গোবিন্দৰাম ডেকা বড়ূৱা	১০
শ্ৰীযুত আনন্দৰাম ফুকন	[৩০]

শ্ৰীযুত গঙ্গাৰাম ডেকা বড়ুৱা	৩
শ্ৰীযুত ৰতিকান্ত ডেকা বড়ুৱা	৩
শ্ৰীযুত ৰাধানাথ কটকী	৫
শ্ৰীযুত ৰুদ্ৰৰাম বড় দলৈ	৫
শ্ৰীযুত মুন্সী কেফায়ৎ উল্লা	১০
শ্ৰীযুত কীৰ্ত্তিনাথ গোহাঁই	১
শ্ৰীযুত পৰ্শুৰাম ডেকা বড়ুৱা	১
শ্ৰীযুত পিজৌ গোহাঁই	১
[শম্ভুনাথ বাগচী	১০
গৌৰীনাথ চৌধুৰী	৫
ভৈৰৱ মুখোপাধ্যায়	৫
মেজৰ জেনকিনছ	৫০
জে মেথিউ	৫০
চি স্কট	৪০
কেপ্তেইন এফ ফিচাৰ	২৫
কেপ্তেইন চি ৰেন্ডছ	২০
ডাঃ কে এম স্কট	২০
ৰেভাঃ আৰ ব্ৰেণ্ড	২০
ৰেভাঃ আৰ কেম্পবেল	১০
লেফঃ ডব্লিউ এগ্নিউ	১০
মিঃ চি এ ব্ৰুচ	৫]

শেহৰ ১৩ জন ব্যক্তিৰ নাম আৰু দানৰ কথা বেণুধৰ শৰ্মাৰ 'টোকোৰা বাহৰ কুটা'ৰ পৰাহে আমি উদ্ধাৰ কৰিছোঁ।[২৭] সি যি হওক, 'অসমীয়া লৰাৰ মিত্ৰ' প্ৰকাশ কৰাৰ বেলিকা দেশীয়-য়ুৰোপীয় মুঠ ৫০ জন লোকে আনন্দৰামক সহায় কৰিছিল, আৰু সংগৃহীত ধনৰ পৰিমাণ আছিল ৬৬৬ টকা। অসমীয়া ভাষাৰ গ্ৰন্থ এখন প্ৰকাশ কৰাৰ বেলিকা য়ুৰোপীয় ব্যক্তি কেইগৰাকীৰ বদান্যতা নিশ্চয় মন কৰিবলগীয়া। আপাততঃ বঙালী বুলি ঠাৱৰ কৰিব পৰা অন্ততঃ দুজন ব্যক্তিৰ নাম দুটাও নিশ্চয় লক্ষ্যণীয়।

২৭. শ্ৰীঅজিত কুমাৰ শৰ্মা- সম্পাদিত 'বেণুধৰ শৰ্মা ৰচনাৱলী', ৪ৰ্থ খণ্ড, পৃ. ১০৭-৮।

এইখিনিতে বেণুধৰ শৰ্মাই দিয়া তালিকাখনৰ লগত আমি পোৱা তালিকাখনৰ কিছু পাৰ্থক্যলৈ আঙুলিয়াই দিয়াটো প্ৰাসংগিক হ'ব। আনন্দৰামে দিয়া তালিকাখনত প্ৰতিটো নামৰ আদিতে 'শ্ৰীযুত' ব্যৱহাৰ কৰা হৈছে। বেণুধৰ শৰ্মাৰ তালিকাত 'শ্ৰীযুত'ৰ অনুপস্থিতি বৰ ডাঙৰ কথা নহয়। কিন্তু আনন্দৰামৰ তালিকাৰ প্ৰথম নাম শ্ৰীশ্ৰীযুত কামেশ্বৰ সিংহ স্বৰ্গদেৱৰ ঠাইত কন্দৰ্পেশ্বৰ সিংহ, দেৱবৰ বড় দলৈৰ ঠাইত দেৱ বড়দলৈ, ৰাধাকান্তৰ ঠাইত ৰজনীকান্ত, বলৰামৰ ঠাইত বলোৰাম, হাজৰিকিয়াৰ ঠাইত হাজৰিকা আদি বহুৱাটো ঐতিহাসিক আৰু বিদ্যায়তনিক দিশৰ পৰা ক্ৰুটী বিবেচিত হ'ব পাৰে। ১৮৪৬ খ্ৰীষ্টাব্দত স্বৰ্গদেৱ পুৰন্দৰসিংহ স্বৰ্গী হোৱাত তেওঁৰ পুত্ৰ কামেশ্বৰ সিংহই উত্তৰাধিকাৰ সূত্ৰ লাভ কৰে। কেইবছৰ মানৰ পাছত ১৮৫২ চনত কামেশ্বৰ সিংহৰ মৃত্যু হয়।[২৮] কন্দৰ্পেশ্বৰ তেতিয়া এঘাৰ বছৰীয়া কিশোৰ মাথোন।[২৯] গতিকে আনন্দৰামৰ তালিকাৰ প্ৰথম দাতাজন কামেশ্বৰ সিংহ স্বৰ্গদেৱৰ ঠাইত কন্দৰ্পেশ্বৰ সিংহ হোৱাৰ সম্ভাৱনা লেশমানো নাই। তদুপৰি বেণুধৰ শৰ্মাই দাঙি ধৰা তালিকাত গুণাভিৰাম বৰুৱাই ২০ টকাৰে সহায় কৰাটো দেখুৱা হৈছে। কিন্তু আনন্দৰামৰ তালিকাত গুণাভিৰাম বৰুৱাৰ নামটো পাবলৈ নাই, পোৱাটো সম্ভৱো নহয়। কাৰণ, ১৮৪৯ খ্ৰীষ্টাব্দত আনন্দৰামে গুণাভিৰামৰ পৰা 'অসমীয়া লৰাৰ মিত্ৰ'ৰ বাবে কুৰিটা টকা সহায় পোৱাটো দূৰৰ কথা, ১৮৫১ খ্ৰীষ্টাব্দত আনন্দৰাম দ্বিতীয় বাৰ কলিকতালৈ যাওঁতে গুণাভিৰামক লগতে লৈ গৈ তেওঁক কলিকতাৰ কলুটোলা ব্ৰাঞ্চ স্কুলত ভৰ্তি কৰাইহে দিছিল।[৩০] বেণুধৰ শৰ্মাৰ তালিকাত গঙ্গাৰাম ডেকা বৰুৱাৰ নামৰ পাছতে গুণাভিৰাম বৰুৱাৰ নামটো মুদ্ৰিত হৈছে। আনন্দৰামৰ তালিকাত সেই ঠাইত আমি স্পষ্টভাৱে পাইছোঁ 'ৰতিকান্ত ডেকা বড়ুৱা' নামটোহে। আকৌ, এই নামটোৰ পাছতে স্পষ্টভাৱে জিলিকি আছে 'ৰাধানাথ কটকী' নামটো।

---

২৮. "১৮৫২ ইং সংকৰ ১০ জুন তাৰিখে বেলা তিনি বজাৰ সময় জোৰহাটত শ্ৰীশ্ৰীকামেশ্বৰ সিংহ মহাৰজা পৰলোক প্ৰাপ্ত হল, এই মহা অসন্তোসৰ বাত্ৰা জোৰহাটৰ পৰা সুনিচোঁ।" –অৰুনোদই, জুন, ১৮৫২।

২৯. "Purandar had died in 1846 and Kameswar, his son and successor, passed away a few years after. There remained Kandarpeswar, the Charing Raja, then a mere boy of eleven." –Political History of Assam, Vol. I., 1977, p. 65.

৩০. দ্ৰষ্টব্য ঃ এই লেখকৰ 'মহাকেজখনাৰ খিড়িকীয়েদি', ১৮৮৬, পৃ. ৬২।

কিন্তু শৰ্মাৰ তালিকাত গঙ্গাৰাম আৰু ৰাধানাথৰ মাজতে 'ধৰ্মকান্ত ডেকা বৰুৱা' নামটোৰ অনুপ্ৰৱেশ কেনেকৈ ঘটিল, তাৰ কোনো হেতু বিচাৰি পোৱা নাযায়।

আনন্দৰামক প্ৰেৰণা যোগোৱা উল্লিখিত ব্যক্তিসকলৰ সৰহ সংখ্যকৰে পৰিচয় গুণাভিৰামৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ই দিছে। দহোটা টকাৰে সহায় কৰা শ্ৰীযুত গোবিন্দৰাম ডেকা বড়ুৱা আছিল এজন নাজীৰ। এওঁৰ ঘৰ আছিল তেতিয়াৰ পাণবজাৰৰ পশুপতি ফুকনৰ ঘৰৰ ওচৰত। আনন্দৰামক এটকাৰে সহায় কৰোঁতা শ্ৰীযুত পৰ্শুৰাম ডেকা বড়ুৱা, গুণাভিৰামে কোৱা মতে, "তেওঁৰ বিশ্বাসী বন্ধু"জনেই নিশ্চয়। চন্দ্ৰসেন ৰায় হ'ল ভঁৰালী কাকতী উপাধিধাৰী এজন দেশীয় লোক। তেওঁ আছিল গুৱাহাটীৰ প্ৰধান সদৰামীন। দেৱৰৰ বড় দলৈও আছিল আন এজন সদৰামীন। "সোমদত্ত কটকী (বৰকটকী) এজনা ভৰলুমুখতে থকা দেশীয় লোক আৰু মাধৱৰাম ৰাজখোৱা মুনচেফ আছিল।" শম্ভুনাথ বাগ্‌চী আছিল গুৱাহাটীৰ কালেক্টৰীৰ চিৰস্তাদাৰ। বলৰাম ফুকন পাছলৈ 'হৰ্স বিসাদ বিসয়ক ৰচনা'ৰ লেখকজনেই। গঙ্গাধৰ গুণাভিৰাম বৰুৱাৰ বৈমাত্ৰেয় ভ্ৰাতৃ।

মেজৰ জেন্‌কিন্‌ছ আৰু জে মেথিউ হ'ল তেতিয়াৰ যথাক্ৰমে অসমৰ কমিছনাৰ আৰু কামৰূপ জিলাৰ ডেপুটি কমিছনাৰ। দুয়োজন আছিল "তেওঁৰ (আনন্দৰামৰ) পৰম বন্ধু" আৰু আনন্দৰামৰ জীৱনৰ প্ৰকৃত পথপ্ৰদৰ্শক। আনন্দৰামে যিজন "পাদ্ৰী চাহাবৰ মুখে পঢ়িছিল", সেইজনেই হ'ল ৰেভাৰেণ্ড আৰ ব্ৰেণ্ড। পোনতে "খাতা পৰগণাৰ জিম্মাদাৰ" আৰু ১৮৪৭ চনত ৰঙিয়াত "দিগম্বৰ বৰুৱাৰ কৰ্ম্মত মুনচেফ নিযুক্ত" হোৱা ব্যক্তিজনেই হ'ল ৰাধাকান্ত ডেকা বৰুৱা। চি এ ব্ৰুচ নিশ্চয় তেতিয়া গুৱাহাটীত থকা ষ্টীমাৰ এজেণ্টজন। মণিৰাম বৰুৱা যেনেকৈ দেৱান মণিৰাম, দীননাথ বৰুৱা তেনেকৈ লক্ষ্মীনাথৰ পিতৃ ডাঙৰীয়া দীননাথ বেজবৰুৱাজন। মণিৰাম দেৱানৰ সমসাময়িক দুতিৰাম বৰুৱা কনকলাল বৰুৱাৰ ককাকজনেই বুলি নিৰ্ণয় কৰিব পাৰি। ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই কনকলাল বৰুৱাৰ পৰিচয়-প্ৰসংগত কোৱা এষাৰ কথা এই নিৰ্ণয়ৰ সহায়ক। ড° নেওগে কোৱা "সৌমাৰ-শেষ-ৰাজ সিংহ-পুৰন্দৰৰ বৰভগুৱাৰ বৰুৱা, কোম্পানীৰ শাসনৰ দাৰোগা আৰু ফৌজদাৰী চিৰস্তাদাৰ আৰু শেহান্তৰত জেঠৈৰি-বৈনাই সমধৰ, ৰজাৰ দোৰোহী হৈ ফাঁচী কাঠত ওলমা মণিৰাম দেৱানৰ লগতে আচামী হৈ কলীয়াপানীৰ কয়েদী হোৱা

দুতিৰাম বৰুৱা"জনেই আনন্দৰামৰ কিতাপখন ছপাবলৈ এঘাৰটা টকাৰে প্ৰেৰণা যোগাওঁতা "দুতিৰাম বড়ুৱা"।[৩১] ৰুদ্ৰৰাম বড় দলৈ 'বঙ্গাল বঙ্গালনী'ৰ নাট্যকাৰজনেই আৰু মুন্সী কেফায়ৎ উল্লা 'ৰঙ্গিলীৰ পুথি' প্ৰণেতাজন। "যিসকল লোকে 'অসমীয়া লৰাৰ মিত্ৰ' প্ৰচাৰ কৰিবলৈ ধন দিছে সিবিলাকৰ নাম আৰু ধনৰ সংখ্যা"ৰ তালিকাখনত আনন্দৰামে নিজৰ নামটোও অন্তৰ্ভুক্ত কৰাটো মন কৰিবলগীয়া নিশ্চয়।

ব্যক্তিগত একাষাৰ

আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ লেখীয়া ঐতিহাসিক মূল্যৰ গ্ৰন্থ এখন সম্পাদনা কৰাৰ যোগ্যতা যে আমাৰ নাই, সেই কথা আমি নিজে যিমান জানো, আন কোনোৱেই সিমান নাজানে। ব্যক্তিগত বিভিন্ন ধৰণৰ সীমাবদ্ধতাৰ কথা জনোৱা সত্ত্বেও 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ই আমাৰ কান্ধতে ভাৰখন জাপি দিলে। অনুষ্ঠানটোৰ সভাপতি, আমাৰ পৰম শ্ৰদ্ধেয় শিক্ষাগুৰু ড° প্ৰফুল্লদত্ত গোস্বামী ডাঙৰীয়াৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আৰু অনুপ্ৰেৰণা নোপোৱা হ'লে এনে এখন বলে নোৱৰা ভাৰ কঢ়িয়াবলৈ আগবঢ়াটো আমাৰ বাবে সম্ভৱ নহ'লহেঁতেন। অনুষ্ঠানটোৰ সুযোগ্য সঞ্চালক শ্ৰীটাবুৰাম টাইদ ডাঙৰীয়াৰ তৎপৰতায়ো আমাক উৎসাহ যোগালে প্ৰচুৰ। দুয়োগৰাকী ব্যক্তিলৈকে আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ৰত্নপুৰ : নগাঁও — যোগেন্দ্ৰনাৰায়ণ ভূঞা
১৭ জানুৱাৰী ১৯৯২

---

৩১. নন্দ তালুকদাৰৰ দ্বাৰা সম্পাদিত আৰু অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'কনকলাল বৰুৱা ৰচনাৱলী'ৰ 'ভূমিকা', পৃ. ১২।

সূচীপত্ৰ

দ্বিতীয় কাণ্ড

অসমীয়া শীৰ্ষ	মূল পৃষ্ঠা	বৰ্তমান পৃষ্ঠা
পাঠকৰ প্ৰতি নিবেদন	১	১
নানা বচন	৫	৩
দানশীল তিৰোতাৰ আখ্যান	৮	৫
দানশীল য়িহুদীৰ আখ্যান	১১	৭
ভাল লৰাৰ কথা	১৩	৮
ভাল হবৰ উপায়	১৪	৯
পণ্ডিত আৰু বলী মানুহৰ কথা	১৮	১১
পণ্ডিত আৰু ৰজাৰ কোঁৱৰৰ কথা	১৮	১১
এক লৰা আৰু এক কুলি চৰাইৰ কথা	১৯	১২
উঁইৰ কথা	২০	১২
ভাল হোৱা লৰাৰ কথা	২১	১৩
ভাল মানুহৰ সঙ্গ কৰাৰ গুণ	২১	১৩
দৌৰাত্ম্যকাৰী ৰজা আৰু জমদূতৰ কথা	২২	১৪
এক খেতিয়ক আৰু তাৰ পুতেকহঁতৰ কথা	২৪	১৫
ঈশ্বৰৰ প্ৰতি আমাৰ কৰ্ত্তব্য কৰ্ম্ম	২৫	১৫
জ্ঞান শিক্ষা	২৬	১৬
ছাত্ৰৰ প্ৰতি উপদেশ	২৭	১৭
ঈশ্বৰলৈ ভয়	২৮	১৭
মাতৃ ভক্তি	২৯	১৮
চতুৰতা আৰু শ্ৰমৰ পুৰস্কাৰ	৩০	১৯
ধাৰ্ম্মিক পুত্ৰৰ কথা	৩৩	২০
পুত্ৰৰ পিতৃ মাতৃৰ প্ৰতি স্নেহ	৩৪	২১
সদানন্দ হোৱাৰ সঙ্কেত	৩৫	২২

সন্তান সকলৰ পিতৃ মাতৃৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম	৩৬	২২
পিতৃ মাতৃক অৱজ্ঞা কৰাৰ প্ৰতিফল	৩৮	২৩
ভায়েক ভনিয়েকৰ কথা	৩৮	২৪
ছাত্ৰৰ অধ্যাপকৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম	৪০	২৪
দানৰ পুৰস্কাৰ	৪১	২৫
মৰমিয়াল বিচাৰ কৰ্ত্তাৰ কথা	৪২	২৬
সিপিও সেনাপতিৰ সচ্চৰিত্ৰৰ কথা	৪৩	২৭
ধন সোন ঐশ্বৰ্য্য একোৱে দোষী মনক সুখী কৰিব নোৱাৰে	৪৫	২৮
মিচা কথা	৪৭	২৯
আমি মিচা কথা কব নাপাওঁ ৰঙ্গকৈও নাপাই	৪৯	৩০
হিত পৰামৰ্শ	৫০	৩১
চুৰ কৰাৰ কথা	৫০	৩১
কনা চোৱালিৰ কথা	৫২	৩২
ক্ৰোধ বিষয়ক	৫৪	৩৩
দুখিয়া মানুহৰ ধৰ্ম্ম	৫৫	৩৪
সোনতকৈ শ্ৰম ভাল	৫৯	৩৬
সন্তানৰ পিতৃ মাতৃৰ ভক্তি	৬৫	৩৯
হিতেচ্ছা	৬৬	৪০
দয়া	৬৭	৪১
মনৰ ধৈৰ্য্যতা	৬৮	৪১
পৰিশ্ৰম	৬৯	৪২
আস্পৰ্দ্ধা	৭০	৪৩
কেতিয়াও নহঁহা মানুহৰ কথা	৭২	৪৪
লজ্জা	৮০	৪৮
পৰিশ্ৰম	৮১	৪৯
ঈশ্বৰৰ চকু সকলো ঠাইতে আছে	৮৫	৫১
ঈশ্বৰক ভয় কৰা	৮৮	৫৩
তোমোলাক সকলোৱে ভাতৃ	৯০	৫৪
পৰস্পৰ প্ৰীতি কৰা	৯১	৫৫

[প্ৰথম পুনৰ্মুদ্ৰণৰ] ভূমিকা		০.৩৫
লৰাহঁত, সকলো কথাতে তোমোলাকৰ		
পিতৃ মাতৃক মান্য কৰা	৯৩	৫৬
যি মিচা কথা কয় সি তাৰ প্ৰতিফল পাব	৯৫	৫৭
তুমি চুৰ নকৰিবা	৯৭	৫৮
আনৰ নিন্দা কথা নকবা	৯৯	৫৯
তোমোলাকৰ যি বস্তু আচে তাতে সন্তুষ্ট হবা	১০০	৬০
শিষ্ট হোৱা	১০২	৬১
পাপৰ বেতন মৃত্যু	১০৪	৬২
গোচৰ	১০৫	৬৩
চাইৰচৰ সিদ্ধান্ত	১০৭	৬৪
ব্ৰুটচৰ আখ্যান	১০৯	৬৫
আলফ্ৰেড ৰজাৰ কথা	১১১	৬৬
ৰোম দেশৰ পাত্‌সাহ্‌ তীতচ	১১১	৬৬
আলচিবিদিচৰ আখ্যান	১১২	৬৭
নিত্য কৰ্ম্মৰ ফল	১১২	৬৭
ধৰ্ম্ম	১১৪	৬৮
জগতৰ সৰ্ব্বশ্ৰেষ্ঠ শাসন কৰ্ত্তা	১১৭	৭০
ঈশ্বৰ তেঁওৰ সকলো সৃষ্টিতকৈ গৌৰৱান্বিত	১১৯	৭১
ঈশ্বৰ সকলোৰে পিতৃ	১২০	৭১
জ্ঞানৰ পুত্ৰ অৰ্থাৎ মনুষ্য	১২২	৭২
ৰাতি সকলো বস্তুৰ ওপৰত ঈশ্বৰৰ তত্ত্বাৱধাৰণ	১২৪	৭৪
নানা সম্বাদ	১২৭	৭৫
সিংহৰ বিবৰণ	১৩৫	৭৯
মকৰ মাচৰ বিবৰণ	১৩৯	৮১
হাতিৰ বিবৰণ	১৪৩	৮৪
ইংগ্লণ্ড দেশৰ মানুহৰ পূৰ্ব্ব কালৰ অসভ্যতাৰ কথা	১৪৫	৮৫
লণ্ডন নগৰৰ বিবৰণ	১৪৮	৮৬
সভ্য আৰু অসভ্য মানুহৰ কথা, দ্বিপচকু, ঘড়ি, বায়ু		
ভাৰ মাপক যন্ত্ৰ,আৰু তাপ মাপক যন্ত্ৰৰ বিবৰণ	১৫১	৮৮

সূক্ষ্ম দৰ্শন যন্ত্ৰ, দূৰদৰ্শন যন্ত্ৰ, বাষ্পীয় অৰ্থাৎ ভাপৰ কল, বাষ্পীয় গাৰি, বাষ্পীয় নাও, বালুন অৰ্থাৎ আকাশলৈ উঠা যন্ত্ৰ, বায়ুৰ জাহাজ, নাবিকৰ কম্পাচ অৰ্থাৎ দিগ নিৰূপন যন্ত্ৰ ইত্যাদিৰ বিবৰণ	১৫৭	৯২
অগ্নিৰ পৰা ৰক্ষক আৰু অগ্নিৰ যন্ত্ৰ, জীৱন ৰক্ষক ডুব মৰা ঘন্টা, বায়ুৰ হিলৈ, বায়ু নিঃসাৰক যন্ত্ৰ, বজ্ৰ নিবাৰক যন্ত্ৰ, আৰু টেলিগ্ৰাফ নামে শীঘ্ৰে সম্বাদ পোৱা যন্ত্ৰ	১৬৩	৯৫
কলিকাতা নগৰৰ বিবৰণ	১৬৯	৯৯
ঢাকা নগৰৰ কথা	১৭৩	১০১
মুৰ্শিদাবাদৰ কথা	১৭৪	১০২
কাশী নগৰৰ কথা	১৭৬	১০৩
মক্কা আৰু মদিনা নগৰৰ কথা	১৭৮	১০৪
ভাৰতবৰ্ষৰ সংক্ষেপ বুৰঞ্জি	১৮১	১০৬
অসম দেশৰ বিবৰণ	১৮৬	১০৯
অসম দেশৰ সংক্ষেপ বুৰঞ্জি	১৯১	১১২
ইংৰাজ কৰ্ত্তৃক অসম দেশৰ ৰাজ্য শাসনৰ বিবৰণ	২০১	১১৭
ইংগ্লণ্ড দেশৰ ৰাজ্য শাসনৰ কথা	২০৫	১২০
খ্ৰীষ্টীয়ান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ	২০৮	১২১
মুছলমান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ	২১২	১২৩
নানা বচন	২১৪	১২৪
সমাপ্তি	২১৭	১২৬

তৃতীয় কাণ্ড

নির্ঘণ্ট

	মূল পৃষ্ঠা	বৰ্তমান পৃষ্ঠা
PREFACE	1	১৩৩
ভূমিকা	[ক]	১৩৫
পাঠকৰ প্ৰতি নিবেদন	১	১৩৭
পৃথিবীৰ আকৃতি আৰু পৰিমাণ	৩	১৩৮
ভূগোল বিদ্যাৰ নানা শব্দৰ অৰ্থ	৫	১৩৯
মনুষ্যৰ দ্বাৰা জল আৰু স্থল বিভাগ	৭	১৪০
মনুষ্য জাতিৰ কথা	ঐ	১৪০
সভ্যতাৰ কথা	৮	১৪১
ধৰ্ম্ম	১০	১৪২
ৰাজ্য শাসন	১৩	১৪৪
আসিয়া	১৫	১৪৪
আসিয়াৰ ৰুচিয়া দেশ	১৮	১৪৬
আসিয়াৰ তুৰুক দেশ	২০	১৪৭
আৰব দেশ	২২	১৪৮
পাৰস্য দেশ	২৫	১৫০
আফগানিস্থান	২৭	১৫১
তাতাৰ দেশ	২৯	১৫২
থিবেট দেশ	৩০	১৫৩
ভাৰতবৰ্ষ বা হিন্দুস্থান	৩৩	১৫৪
দূৰৈৰ ভাৰতবৰ্ষ	৫৫	১৬৭
চীন দেশ	৬০	১৬৯
জাপান ৰাজ্য	৬৫	১৭২
আসিয়াৰ উপদ্বীপ বিলাক	৬৭	১৭৩

আসিয়াৰ বুৰঞ্জি	৭০	১৭৫
ইউৰোপ	৭৪	১৭৭
ইংগ্লণ্ড দেশ	৭৭	১৭৯
স্কটলণ্ড দেশ	৮৬	১৮৩
আইয়র্লণ্ড দেশ	৮৭	১৮৪
স্বীদন্ দেশ	৮৯	১৮৫
নৰ্ব্বে দেশ	৯০	১৮৫
লাপ্লাণ্ড দেশ	৯১	১৮৬
ইউৰোপৰ ৰুচিয়া দেশ	৯৩	১৮৭
পোলণ্ড দেশ	৯৫	১৮৮
প্রুচিয়া দেশ	৯৬	১৮৯
দেন্মার্ক দেশ	৯৭	১৮৯
হলাণ্ড দেশ	৯৮	১৯০
বেল্জিয়ম্ দেশ	১০০	১৯১
জৰ্ম্মণি দেশ	ঐ	১৯১
অষ্ট্রিয়া ৰাজ্য	১০২	১৯২
ফ্রান্স দেশ	১০৩	১৯৩
স্পানিয়া দেশ	১০৫	১৯৪
পর্ত্তুগল দেশ	১০৭	১৯৫
স্বীত্জর্লণ্ড দেশ	১০৮	১৯৬
ইতালি দেশ	১০৯	১৯৬
গ্রীক দেশ	১১২	১৯৮
ইউৰোপৰ তুৰুক দেশ	১১৪	১৯৯
ইউৰোপৰ উপদ্বীপ বিলাক	১১৬	২০০
ইউৰোপৰ বুৰঞ্জি	১১৯	২০২
আফ্রিকা	১২২	২০৪
মিচৰ দেশ	১২৪	২০৫
ন্যুবিয়া দেশ	১২৬	২০৬

খব্চ দেশ	ঐ	২০৬
বার্ব্বী ৰাজ্য	১২৭	২০৭
পশ্চিম আফ্রিকা	১৩০	২০৮
দক্ষিণ আফ্রিকা	১৩২	২১০
পূৰ্ব্ব আফ্রিকা	১৩৩	২১০
মাজ আফ্রিকা	১৩৪	২১১
চাহাৰা নামে বৰ মৰুভূমি	১৩৫	২১২
আফ্রিকাৰ উপদ্বীপ বিলাক	১৩৭	২১২
আফ্রিকাৰ বুৰঞ্জি	১৩৮	২১৩
আমেৰিকা	১৪১	২১৫
আমেৰিকা প্ৰথমে দৰ্শন হোৱাৰ কথা	১৪২	২১৫
উত্তৰামেৰিকা	১৪৪	২১৭
আমেৰিকাৰ উত্তৰ আৰু পশ্চিমৰ দেশ বিলাক	১৪৬	২১৮
আমেৰিকাৰ ইংৰাজৰ অধীন দেশ	১৪৭	২১৯
সম্মিলিত মণ্ডল বিলাক	১৪৯	২২০
মেক্চিকো দেশ	১৫২	২২১
গোৱাটিমেলা দেশ	১৫৪	২২২
দক্ষিণামেৰিকা	ঐ	২২৩
কলম্বিয়া দেশ	১৫৫	২২৩
পিৰু দেশ	১৫৭	২২৪
বলিব্বিয়া দেশ	১৫৮	২২৫
চিলি দেশ	ঐ	২২৫
লাপ্লাতা দেশ	১৫৯	২২৫
ব্ৰাজিল দেশ	১৬০	২২৬
গুইয়ানা দেশ	১৬১	২২৬
পাটেগোনিয়া দেশ	ঐ	২২৭
আমেৰিকাৰ উপদ্বীপ বিলাক	১৬২	২২৭
কলম্বিয়ন উপদ্বীপ বিলাক	১৬৪	২২৮

আমেৰিকাৰ বুৰঞ্জি	১৬৬	২২৯
অষ্ট্ৰেলাসিয়া	১৬৮	২৩০
পলিনাসিয়া	১৭২	২৩২
মেপ অৰ্থাৎ পৃথিবীৰ নক্চাৰ কথা	১৭৩	২৩৩
সমাপ্তি	১৭৫	২৩৪
[শুদ্ধিপত্ৰ	১৭৮	২৩৬]

ওপৰঞ্চি

ইংগ্লণ্ডৰ বিবৰণ ২৪১

অসমীয়া লৰাৰ মিত্ৰ

দ্বিতীয় কাণ্ড

ADDRESS TO THE READER.
পাঠকৰ প্ৰতি নিবেদন।

হে প্ৰিয় লৰা বিলাক, ভালেমান পুৰুষাৰ্থ কৰি তোমোলাকৰ উপকাৰৰ নিমিত্তে আমি এই পুথি প্ৰস্তুত কৰিলোঁ। তোমোলাকে বিদ্যা শিকি কেনেকৈ জ্ঞানী হবা তাত বাজে আমাৰ আন একো অভিপ্ৰায় নাই, এই হেতুকে তোমোলাকে এই পুস্তকত থকা কথা বিলাক ভালকৈ মন দি পঢ়িলে আমি [হৰ্ষ] পাম আৰু তোমোলাকৰো ভাল হব, কিন্তু যদি পুথিৰ পাত লুটিয়াই পেলাই থোৱা তেন্তে তাত কৈ আন একো কথাতে আমি অধিক বিষম নাপাম। পাঠাৰম্ভৰ আদিতে কেইটি মান উপদেশ দিওঁ, অৱহেলা নকৰি গ্ৰহণ কৰিবা।

তোমাৰ চিত্তে সৈতে সকলো সাধ্যেৰে বিদ্যা শিকিবলৈ পুৰুষাৰ্থ কৰা।

এই উপদেশ শুনি তোমোলাকে বিদ্যা শিকাৰ গুণ কি যদি সোধা তেন্তে কওঁ শুনা। ।২।

বিদ্যা সকলো সদগুণৰে মূল, তাৰ পৰা মনুষ্যৰ ইহ কালত আৰু পৰ কালতো অসীম উপকাৰ হয়, বিদ্যাৱন্ত মানুহ নিৰ্ধনী হলেও তেঁওক সকলোৱে মান সৎকাৰ কৰে, কিন্তু ধনৱন্ত মূৰ্খে জ্ঞানীৰ সমাজলৈ গলে তাক কেৱে নুসুধি পণ্ডিতকহে আদৰ কৰিব। বিদ্যাৰ দ্বাৰা মনুষ্যৰ মন পোহৰ হয়, কিয়নো নানা শাস্ত্ৰ পঢ়িলে নানা কথা জনা জায়, বিদ্যা জানিলে এই পৃথিবী কেনে ইয়াত কি২ আছে আৰু আকাশ নক্ষত্ৰ প্ৰভৃতি নো কেনে এই সকল সুন্দৰে জানি, কিন্তু যাৰ বিদ্যা নাই সি এই সকল একোকে নেজানে আৰু তাৰ মন গোটেই এন্ধাৰ হৈ থাকে। বিদ্যা জানিলে সময় ব্যয় কৰিবলৈ সুন্দৰ উপায় ওলায়, আৰু পণ্ডিতে সময় দীঘল হবলৈ অভিলাষ কৰে, কিন্তু মূৰ্খে সময় চুটি হয় মানে ভাল পায়; কিয়নো সি সময় যাপন কৰিবলৈ একো উপায় নাপায়। বিদ্যাৰ পৰা অৰ্থলাভ, যশস্যা ইত্যাদি হয়, বিদ্যাক ভগন কৰিলে বাঢ়ে, আৰু একোৱে শুচাব নোৱাৰে; কিন্তু এই সকল শুণতকৈও বঢ়া শুণ আছে।

এই পৃথিৱীত জীয়াই থাকি আমি যি কৰ্ম কৰোঁ তাৰ ফল মৰিলে পাম, অৰ্থাৎ সুকৰ্ম কৰিলে পৰ কালত পুৰস্কাৰ পাম, কিন্তু অকৰ্ম কৰিলে দণ্ডনীয়

হম। এতিয়া তোমোলাকে দণ্ডনীয় হবলৈ ভাল পোৱা নে পুৰস্কাৰ পাবলৈ ভাল পোৱা; যদি পুৰস্কাৰ পাবলৈহে অভিলাষ কৰা তেন্তে বিদ্যাক সাৰথি কৰি লোৱা, বিদ্যাই ঘাই উপায়; যদি বোলা বিদ্যাই । ৩। কেনেকৈ পৰ কালত সুখী কৰিব তেন্তে ভাঙ্গি কওঁ শুনা। বিদ্যা শিকিলে জ্ঞান হয়, আৰু জ্ঞান হলে ঈশ্বৰক জনা জায় আৰু কি ভাল, কি বেয়া, কি কৰ্ত্তব্য, কি অকৰ্ত্তব্য, তাৰো বোধ হয়। এই দৰে মনে কুকৰ্ম্ম কৰিবলৈ জাব ধৰিলে জ্ঞানে অঙ্কুশৰ নিচিনা হৈ মনক আকৰ্ষণ কৰি ৰাখে, আৰু এই ৰূপে অজ্ঞানী মানুহে জ্ঞান নথকাৰ নিমিত্তে যিবোৰ অকৰ্ম্ম কৰিলে হঁতন, বিদ্যাৱন্তে জ্ঞান থকাৰ নিমিত্তে সেই বিলাক অকৰ্ম্মৰ পৰা ৰক্ষা পায়। সেই দেখি অকৰ্ম্ম নকৰাকৈ যদি থাকিল আৰু মনুষ্যৰ কৰিব লগা কৰ্ম্মকে যদি জানি কৰিলে, তেন্তে বিদ্যাক সাৰথি কৰি সি নিশ্চয়কৈ পৰ কালৰ দণ্ডৰ পৰা সাৰি অনন্ত সুখ পাব। হে লৰা বিল্লাক, ইয়াতকৈ অধিক আৰু কি উপকাৰ লাগে? ধৰ্ম্ম আৰু পুণ্যৰ সমান কি হব পাৰে? এতেকে যি বস্তুৰ পৰা ইহ কাল আৰু পৰ কালতো সুখ পাবা সেই বস্তুক পাবলৈ তোমোলাকে সাধ্য থাকে মানে পুৰুষাৰ্থ কৰিব নোপোৱানে?

তোমোলাকৰ ভিতৰৰ অনেকে প্ৰবৰ্ত্তিবৰ উপায়লৈ আৰু ধন আৰ্জ্জিবলৈ হে বিদ্যা শিকিব লাগে বুলি ভাবিব পাৰা কিন্তু সেইটো ভ্ৰমহে; কিয়নো বিদ্যাৰ যি সকল গুণৰ কথা কলোঁ তাৰ আগত ধন কি? আৰু কোনো২ লৰাই এনেও বুলিব পাৰে বোলে বিদ্যা শিকিলে নো কি হব? মোৰ ধন আচে বিদ্যা নহলেও সুখে খাই লৈ থাকিব পাৰিম।" হে মোৰ প্ৰিয় মিত্ৰ সকল, ময় মিনতি কৰি কওঁ, এনে ভাবনা।৪। কেতিয়াও তোমোলাকৰ মনত স্থিতি হ'ব নিদিবা, এনেকৈ ভাবি অনেক ধনৱন্ত লৰা নষ্ট হৈচে। পৃথিৱীৰ ধনেৰে পৰকালত কি কৰিবা?

হে লৰা বিলাক, তোমোলাক যদি অতি ধনৱন্তেই হোৱা তেও বিদ্যাক হেলা নকৰিবা, ধনৱন্ত হৈ বিদ্যাৱন্ত হব পাৰিলে অধিক সুখৰহে কথা, কিন্তু ধন থাকি বিদ্যা নাথাকিলে তাৰ সমান বিষম পাব লগা কথা আৰু নাই।

এতিয়া যদি বিদ্যা উপাৰ্জ্জন কৰিবৰ কি উপায় সোধা তেন্তে শুনা। শ্ৰম আৰু মনোযোগ এই দুয়েই ঘাই উপায়; মন দি শ্ৰম কৰিলে নিশ্চয়কৈ বিদ্যা হয়, আৰু এই কথাৰ কেতিয়াও অন্যথা নহয়। অনেক লৰাই ভাবে বোলে মোৰ কপালত যদি বিদ্যা হব লগা আচে তেন্তে হব, এই এটা নিচেই অবোধৰ

কথা, এই ভাবনা কৰি শ্ৰম নকৰা মূৰ্খৰ হে চিন। শ্ৰম কৰিলে অতি বৰ দুঃসাধ্য কথাকো কৰিব পাৰি, এতেকে তুমি পাৰামানে শ্ৰম কৰা, তোমাৰ অৱশ্যে বিদ্যা হব, কেতিয়াও নৈৰাশ নহবা। কোনো২ লৰা আনতকৈ বুদ্ধিমন্ত হয়, কিন্তু তুমি শ্ৰম কৰিলে তোমাৰো বিদ্যা নহৈ নেথাকে। লৰা কালেই বিদ্যা শিকিবৰ ভাল সময়, কিয়নো ডাঙ্গৰ হলে মানুহৰ প্ৰবৰ্ত্তিবৰ উপায় চিন্তোতেই দিন জায়, এতেকে সেই কাল এনেই নেখেদিবা; কিন্তু যদি শিশু কালৰে পৰা বিদ্যা নিশিকা ডাঙ্গৰ হলেও শিকিবা, আৰু বিদ্যা শিকিবৰ কাল গল নুবুলি পুৰুষাৰ্থ হে কৰিবা। আদিতে ।৫। বিদ্যা শিকিবলৈ টান দেখি ভাল নাপাব পাৰা কিন্তু কিছু মান শ্ৰম কৰি বিদ্যাৰ অলপ স্বাদ বুজিব পাৰিলে পিচে তোমাৰ পঢ়িবলৈ আপুনি অভিলাষ হব। অজ্ঞানে এই শ্ৰমকে সহিব নোৱাৰি অৱশেষত মূৰ্খ হয়।

কিন্তু হে প্ৰিয় লৰা সকল, বিদ্যাৰ দ্বাৰা তোমোলাকে যিবোৰ উপদেশ পোৱা সেই উপদেশ সকল শুনিলেই নহয়, কিন্তু যেনে শুনা তেনেকৈ চলিবও লাগে। লৰা কালত তোমোলাকৰ মন গোটেই কোমল, যি পিনে নিয়া সেই পিনেই জাব, আৰু তেতিয়াই যদি সজ বাটে নিয়া ডাঙ্গৰলৈ সৎ হবা কিন্তু অসজ বাটে নিলে ডাঙ্গৰলৈকো অসৎ হবা; এতেকে সৰুৰে পৰা সদাই ভাল কথা মনত সাঁচি থবা।

SELECT SENTENCES.
নানা বচন।

ঈশ্বৰক সকলো চিত্তে সৈতে প্ৰেম কৰিবা, আৰু আনকো আপোনাৰ নিচিনা দেখিবা।

তোমাৰ পিতৃ মাতৃক মান্য কৰিবা আৰু সকলো কথাতে সিবিলাকৰ আজ্ঞা মানিবা।

তুমি কেতিয়াও মিচা কথা নকবা, কিয়নো যি মিচা কয় সি তাৰ প্ৰতিফল পাব।

আনৰ ভাল বস্তু দেখি লোভ নকৰিবা, আৰু তাক চুৰ কৰিবলৈ হাত নেমেলিবা।। ৬।

তোমাৰ অধ্যাপকক প্রেম কৰিবা, আৰু তেঁও ছুকিয়ালে বা মাৰিলে বিষম নাপাবা।

ধেমালিতকৈ তোমাৰ পুথিক অধিককৈ ভাল পাবা।

তোমোলাকৰ ভিতৰত কেতিয়াও দন্দ বা মৰা মৰি নকৰিবা, কিয়নো তোমোলাক ভাই ককাই।

নিশিকিলে আৰু শ্রম নকৰিলে একো বিদ্যাই নহয়।

পাপৰ পৰা যদি ৰক্ষা পাব খোজা তেন্তে লোভ এৰা।

মানুহৰ মনত এনে কথা নোসোঁৱৰাবা যাৰ পৰা সি অসন্তোষ পায় আৰু পাপ কৰিবলৈ প্রবর্ত্ত হয়।

তোমাৰ জীবন ফুলৰ নিচিনা, ফুল যেনেকৈ ফুটে আৰু শুকায় সিও তেনে।

একো বেয়া কথা নামাতিবা, কিয়নো যাৰ লাজ নাই তাৰ জ্ঞানো নাই।

তোমাৰ সৰহ ধন দেখি বৰ হেন নেপাবা, এনে যাৰ ভাব সি গোটেই ক্ষুদ্র।

অহঙ্কাৰী নহবা কিয়নো অহঙ্কাৰক মনুষ্য আৰু ঈশ্বৰেও ঘৃণা কৰে।

দুখেৰে ধেমালি নকৰিবা, অতি সৰু জন্তুকো পীড়া নিদিবা। কোনো লৰাক তোমাতকৈ পাৰ্গৎ দেখি কেতিয়াও হিংসা নকৰিবা, কিন্তু শ্রম কৰি তোমাৰ আপোন গুণেৰে তাক জিকিবলৈ হে পুৰুষাৰ্থ কৰিবা।। ৭।

কোনো মানুহৰ সুখ দেখি হিংসা নকৰিবা, কিয়নো তাৰ মনত বা কি দুখ আচে তাক তুমি নেজানা।

বিদ্যা উপাৰ্জ্জন কৰিবলৈ শ্রম কৰিলে তোমাৰ সম্ভ্রম হব। ঈশ্বৰক ভয় কৰা, কিয়নো তেঁও সকলোৰে সৃষ্টি কৰ্ত্তা আৰু ৰক্ষক।

দুখিয়া মানুহক অপমান নকৰিবা কিয়নো তাৰ দুখ দেখি আমি মৰম হে কৰিব পাওঁ।

তুমি এডাঁৰৰ ভিতৰত কি হয় নাজানা, এতেকে এক মুহূৰ্ত্তক কালো এনেই নেখেদাবা।

কাল কালৈকো বাট চাই নাথাকে।

তুমি সোনকালে মৰিবা, এতেকে যি কেইদিন জীয়াই থাকা সেই কেইদিন সৎকৰ্ম্ম কৰিবা।

তোমাৰ বনক হে তুমি ঠেলিবা, কিন্তু বনে তোমাক ঠেলিব নিদিবা।

তুমি যদি নিৰ্ব্বিঘ্নে থাকিব খোজা, তেন্তে কাৰো নিন্দা কথা নকৰা।

তোমাৰ মিত্রক প্রশংসা কৰিবা, কিন্তু আপোনাক নকৰিবা।

বেয়া মানুহৰ সৈতে সঙ্গ কৰাতকৈ অকলে থকাই ভাল।

পৰা পক্ষত তুমি কাকো বেজাৰ নিদিবা।

তোমাৰ সময় সদ্ কৰ্ম্মত লগোৱা, কিয়নো কাল এবেলি গলে আৰু উভতি নাহে।। ৮।

সকলোকে প্ৰেম কৰা, কেত বোৰক মৰম কৰা, কিন্তু কাকো ঘৃণা নকৰিবা।

মনে২ থাকিবা, নাইবা ভাল কথা কবা।

যি কৰ্ম্ম এবেলিত বাজে দুবেলি কৰিব নোৱৰা তাক কৰোঁতে ভালকৈ গমি চাবা।

সৰু থাকোঁতে সাঁচিবা, ডাঙ্গৰ হলে ব্যয় কৰিবা।

আনৰ গুণক বিচাৰিবা, কিন্তু আপোনাৰ দোষ বিচাৰিবা।

সকলো কৰ্ম্মকে একে বেলিয়ে এনেকৈ কৰিবা যে তাক যেন দুবেলি কৰিব নালাগে।

আলাহ্ সকলো দোষৰে মূল।

এক আখাৰ মিচাক সঁচা কৰিবৰ নিমিত্তে আৰু একুৰি মিচা কব লাগে।

আনৰ দোষ দেখি জ্ঞানী মানুহে আপোনাৰ দোষ গুচাই।

সকলো দোষকে শ্ৰম আৰু পুৰুষাৰ্থেৰে গুচাব পাৰি।

ঈশ্বৰক কেতিয়াও নাপাহৰিবা আৰু সদাই আৰাধনা কৰিবা।

ANECDOTE OF A CHARITABLE WOMAN.

দানশীল তিৰোতাৰ আখ্যান।

কোনো সময়ত এক ৰজাই তেঁওৰ ৰাজ্যৰ প্ৰজা সকলক এই আজ্ঞা দিলে বোলে তহঁতৰ ভিতৰত যোনে মগনিয়াৰক ভিক্ষা দিয় তাৰ হাত ময় নিশ্চয়কৈ কাটিম, এই নিমিত্তে । ৯। সকলোৱে ভিক্ষা দিবলৈ এৰি কেৱে মগনিয়াৰক নুসুধিছিল। এদিন এটা মগনিয়াৰ বৰ ক্ষুধাতুৰ হৈ এজনি তিৰোতাৰ তলৈ আহি ভিক্ষা মাগিলত তাই কলে বোলে ময় তোক কেনেকৈ ভিক্ষা দিম, ৰজাই মোৰ হাত কাটিব, কিন্তু মগনিয়াৰে ঈশ্বৰৰ নাম ধৰি শপথ দিয়াত তাইৰ বৰ মৰম লাগি দুখন পিঠা মগনিয়াৰটোক দিলে পিচে ৰজাই এই কথা শুনি তাইক ধৰাই অনাই তাইৰ হাত দুখন কটালে।

কেই দিন মানৰ মূৰত ৰজাই মাকৰ আগত কলে বোলে মোৰ বিয়া কৰাবৰ মন গৈচে এতেকে ৰূপৱতী তিৰোতা এজনিয়ে সৈতে বিয়া দিয়া; ৰাজমাৱে ৰজাৰ এই কথা শুনি কলে বোলে আমাৰ লিগিৰীহঁতৰ ভিতৰত এজনি বৰ ৰূপৱতী আচে, কিন্তু তাইৰ এটা বৰ দুৰ্গুণ আছে তাইৰ দুইও খন হাত কটা। পিচে ৰজাই তাইক অনাই দেখিলে যে যি জনি তিৰোতাৰ হাত তেঁও মগনিয়াৰক পিঠা দিয়াৰ সলনি কাটিচিল তায়েই। তেঁও এই দোষক এফলিয়া কৰি থৈ তেঁও তাইক বিয়া কৰালে, কিন্তু তাইৰ লগৰ লিগিৰী বোৰে হিংসা কৰি ৰজাৰ তত মিচাকৈ তাইৰ কথা লগালত তেঁও তাইক অৰণ্যলৈ খেদি থবৰ আজ্ঞা ৰাজমাৱক দিলে।

ৰাজমাৱে ৰজাৰ আজ্ঞানুসাৰে তাইক কেচুৱা লৰাই সৈতে হাবিত থোৱালে, তাতে তাই বৰ বিলাপ কৈ কান্দিব ধৰিলে আৰু কান্দোতে২ বৰ ভাগৰি পিয়াহ লাগি লৰাটি কোলাত লৈ পানি বিচাৰি গৈ গৈ এখন নৈ পালেগৈ।১০। তাতে পানি খাবৰ মনেৰে চাপৰোঁতে লৰাটিও কোলাৰ পৰা নৈত পৰিল। এই দুৰ্ঘটনাত তাই লৰাৰ সলনি অতি ব্যাকুল হৈ কান্দিব ধৰিলে, এনেতে, অকস্মাৎ তাইৰ সমীপত দুটা মানুহ থিয় দি কলে বোলে আই কিয় কান্দিচা? তাতে তাই উত্তৰ দিলে, বোলে দেওসকল, পানি খাবলৈ চাপৰোঁতে কোলাৰ পৰা লৰাটি এই নৈতে পৰিল। সিবিলাকে এই কথাত কলে বোলে লৰাটি তোমাৰ তলৈ আকৌ আনি দিবলৈ বাঞ্ছা কৰানে? তাতে তিৰোতা জনিয়ে আতি হৰ্ষ হৈ লৰাটি পাবলৈ প্ৰাৰ্থনা কৰিলত সিবিলাকে ঈশ্বৰক আৰাধনা কৰিলে, পিচে লৰাটি আগৰ দৰে হৈ তাইৰ কোলালৈ আহিল। সিবিলাকে আকৌ সুধিলে বোলে ঈশ্বৰে তোমাৰ হাত দুখন আগৈ যেনে আছিল তেনে কৰি দিলে তুমি ভাল পোৱানে? এই কথাতো তাই পৰমানন্দ হৈ প্ৰাৰ্থনা কৰিলত সিবিলাকে ঈশ্বৰক আৰাধনা কৰিলে, তাতে তাইৰ হাত দুখনো আগৰ নিচিনা হল; শেষত তেঁওবিলাকে আমি কোন চিনানে বুলি সোধাত তাই কলে বোলে ঈশ্বৰেহে জানে, পিচে এই বুলি চিনাকি দিলে বোলে যি পিঠা দুখন তুমি মগনিয়াৰক দিচিলা আৰু যাৰ সলনি তোমাৰ হাত কটা গৈছিল সেই পিঠা দুখনেই আমি দুই, এতেকে তোমাৰ হাত আৰু লৰা পোৱাৰ সলনি ঈশ্বৰক ধন্যবাদ কৰা। এই অদ্ভুত কথা দেখি তাই অতি আচৰিত হৈ ঈশ্বৰৰ অসীম গুণ আৰু মহিমা বৰ্ণন কৰিলে।

ANECDOTE OF A CHARITABLE ISRAELITE.
দানশীল য়িহুদীৰ আখ্যান।

য়িহুদী সকলৰ মধ্যাত এটা ধাৰ্ম্মিক মানুহ্ আচিল, তাৰ ঘৰৰ তিৰোতা বোৰে সূতা কাটি দিচিল। সি সেই সূতা বেচি নিতৌ কপাহ্ কিনি যি লাভ পাইচিল তাৰে সেই দিনৰ খাদ্য কিনি তাকে খাই লৰা তিৰোতাই সৈতে এই দৰে প্ৰবৰ্ত্তি আচিল।

এদিন সি সূতা বেচি আহিব লাগিচে এনেতে বাটত এক মগনিয়াই ভিক্ষা মাগিলত সূতা বেচি পোৱা এটাই খনি ধনকে তাক দি সুদা হাতে ঘৰলৈ উভতি আহিল; ঘৰত লৰা তিৰোতা বোৰে কপাহ্ আৰু খাবৰ দ্ৰব্য খোজাত মগনিয়াৰক দিয়া কথা কলে, তাতে সিহঁতে কলে আমি পিচে কি খাম? বেচিবলৈকো একো নাই। সিহঁতৰ এটা ভগা কাঠৰ চৰিয়া আৰু এটা মাটিৰ থালি আচিল তাকে সি বেচিবলৈ নিলে, কিন্তু তাক কেৱে নিনিলে; পিচে বজাৰত থাকোঁতে এটা মানুহে এটা গোধোৱা গেলা মাচ লৈ তাৰো মাচ কেৱে নিকিনিলে দেখি সেই য়িহুদীক কলে বোলে মোৰ মাচটোৰ সলনি তোমাৰ চৰিয়া আৰু থালিটো দিবানে? এই কথাত মান্তি হৈ সি কাঠৰ থালি আৰু চৰিয়া সলাই মাচটো ঘৰলৈ নিলে।

তাৰ লৰা তিৰোতাই এই মাচটোৰে কি কৰিম বুলি সুধিলত সি কলে বোলে ঈশ্বৰে আমাক আন একো খাবৰ দ্ৰব্য।১২। নিদিয়ে মানে ইয়াকে সিজাই খামহঁক। পিচে সিহঁতে মাচৰ পেটটো ফালি এটা মুক্তা পাই গণকক দেখুৱালত সি কলে বোলে মুক্তাটো বিক্ষুৱানে চাচোঁন, বিক্ষুৱা হলে সি কোনোবা মানুহৰ, তেনে নহলে ঈশ্বৰে তোমোলাকলৈ কৃপা কৰি দিচে। এই কথাত চাই দেখিলে যে বিক্ষুৱা নহয়, পিচে ৰাতি পুৱালত য়িহুদী জোৱাহিৰীয়াৰ তলৈ গৈ সেই মুক্তা দেখুৱালত সি কলে বোলে তুমি এই মুক্তাটো কত পালা। ই এহেজাৰ টকাৰ, ময় তিমান বেচ দিব পাৰোঁ; কিন্তু অমুকৰ তলৈ লৈ জোৱা, তেঁও মোতকৈ ধনৱন্তও আৰু অধিক পাৰ্গৎ। এই কথাত সেই য়িহুদী সেই মানুহৰ তলৈ গৈ মুক্তা দেখুৱালত সি তাক চাৰি কুৰি হেজাৰ টকা বেচ দিলে, পিচে ইমান ধন পাই অতি হৰ্ষ হৈ সি টকা বোৰ ভাৰি ধৰি ঘৰৰ দুৱাৰ মুখলৈ নিয়ালে, এনেতে এটা মগনিয়াৰ আহি তাত কলে বোলে ঈশ্বৰে তোমাক যি দিচে তাক মোক দিয়া; মগনিয়াৰৰ এই কথাত সি এই সমিধান দিলে বোলে কালি আমিও তোমাৰ নিচিনা আচিলোঁ; তেও এই

ধনৰ আদ খনি নিয়া। এই বুলি ধনক দুইও দুভাগ কৰি নিলত মগনিয়াই কলে বোলে ধন খনি ৰাখা, ঈশ্বৰে তোমাৰ মঙ্গল কৰক, ময় ঈশ্বৰৰ দূত, তেঁও মোক তোমাক পৰীক্ষা কৰিবলৈ পাচিচে। য়িহুদীয়ে ঈশ্বৰক ধন্যবাদ কৰি নমৰে মানলৈকে সুখে কাল যাপন কৰিলে।১৩।

THE GOOD BOY.

ভাল লৰাৰ কথা।

ভাল লৰাই তেঁওৰ পাঠৰ প্রতি সদাই মনোযোগী আৰু ভালকৈ পঢ়িবলৈ সদাই পুৰুষাৰ্থ কৰে; কিন্তু বেয়া লৰাৰ অকল উমলিবৰ হে মন, আৰু সেই নিমিত্তে সি নমৰে মানলৈকে মূৰ্খ হৈ থাকে।

ভাল লৰাই তেঁওৰ পিতৃ মাতৃক বৰকৈ চেনেহ কৰে, তেঁওবিলাকৰ কথা সদাই শুনে আৰু সিবিলাকক সন্তোষ দিবলৈ সদাই যত্ন কৰে।

তেঁওক পিতৃ মাতৃয়ে যি কৰিব দিয়ে তাক কৰে, আৰু যি২ কৰিব নিদিয়ে তাক কেতিয়াও নকৰে; সিবিলাকে তেঁওক কোনো বস্তু নিদিলে তেঁও খঙ্গ নকৰে, কিন্তু ভাবে যে মোতকৈ পিতৃ মাতৃ জ্ঞানী এতেকে মোলৈ যি ভাল তাক ময় যিমান জানো তাতকৈ সিবিলাকে অধিক জানে।

তেঁও তেঁওৰ অধ্যাপকক আৰু যোনে তেঁওৰ হিত কথা কয় তাক বৰকৈ প্রীতি কৰে।

তেঁও নিতৌ ন২ কথা শিকিবলৈ ইচ্ছা কৰে আৰু আশা কৰে যে ময় ডাঙ্গৰ হলে ভালেমান কথা জানি জ্ঞানী আৰু ধাৰ্ম্মিক হুম।

তেঁও ভায়েক ভনিয়েক আৰু লগৰিয়াৰ প্রতি বৰ মৰমিয়াল, তেঁও কেতিয়াও সিবিলাকে সৈতে দ্বন্দ বা মৰামৰি।১৪। নকৰে আৰু সিহঁতক অকৰ্ম্ম কৰা দেখিলে বিষম পায় আৰু সৎ হবলৈ শিকায়।

তেঁও কাকো কটু ভাষা নকয়, কোনো খোড়া ভেঙুৰা বা বুঢ়াক দেখিলে তাহাঁতক বিগতি নকৰি উপকাৰ কৰিবলৈহে পুৰুষাৰ্থ কৰে। অমাত জন্তুকো তেঁও মৰম কৰে, কিয়নো জানে যে সিহঁতে মাতিব নোৱাৰে হয় কিন্তু আমাৰ নিচিনা দুখ পায়।

যি সকল বস্তু তেঁওৰ নহয় তাক তেঁও নোচোৰেও আৰু নিনিয়েও; তেঁও কেতিয়াও মিচা কথা নকয় আৰু অকৰ্ম্ম কৰিলে মিচা নামাতি সই কাঢ়ি এই

কথা কয় বোলে ময় এই কুকৰ্ম্মৰ নিমিত্তে বৰ অসন্তোষ পাইচোঁ, আৰু আগলৈকো এনে কৰ্ম্ম নকৰোঁ; এই নিমিত্তে তেঁওক কেৱে খঙ্গ নকৰে।

HOW TO BE GOOD.

ভাল হ্বৰ উপায়।

ঈশ্বৰক ভয় কৰা, তেঁওক কষ্ট নকৰিবা; ঈশ্বৰে সকলো ভাল লৰা চোৱালীক প্ৰীতি কৰে আৰু বেয়া বোৰক ঘৃণা কৰে। তুমি যদি কুপথে জাবলৈ প্ৰীতি নকৰা তেন্তে ঈশ্বৰে তোমাক আশীৰ্ব্বাদ কৰিব।১৫।

ভাল লৰা চোৱালীক সকলোৱে চেনেহ্ কৰে, কিন্তু বেয়াক কেৱে ভাল নেপাই আৰু বেথাও নকৰে। আলাহিয়া বা অসৎ লৰাই সৈতে সঙ্গ নকৰিবা, কিয়নো তেনে লৰাই সৈতে ফুৰিলে ভালেমান দুৰ্গুণ হয়।

খাওতে সোঁওতে সকলো কৰ্ম্মতে ঈশ্বৰক চিন্তিবা আৰু প্ৰাৰ্থনা কৰিবা, ঈশ্বৰক ভয় কৰিবা আৰু তেঁওৰ আজ্ঞা পালন কৰিবা; যোনে তেঁওক ভয় কৰে তাক তেঁও মৰম কৰে আৰু তাৰ ভাল কৰে, কিন্তু যোনে তেঁওক ভয় নকৰে তাক মৰম নকৰে আৰু সেই দেখি সি বিপদত পৰে। সকলো জ্ঞানী মানুহে ঈশ্বৰক ভয় কৰে।

ঈশ্বৰ অতি জ্ঞানী আৰু ন্যাহ্য, তেঁওৰ বাট সু, আৰু যি তেঁওৰ বাটেৰে জায় সিও সু হ্ব। সকলো মানুহ নিশ্চয়কৈ এবেলি মৰিব, সেই দেখি যি কেইদিন জীয়াই থাকা সেই কেইদিন সৎ হৈ থাকিবা আৰু তোমাৰ প্ৰভু পৰমেশ্বৰক এটাই চিত্ত আৰু মনেৰে প্ৰেম কৰা। তাৰ পৰা যেন তুমি মৰিলেও তেঁও তোমাক সুখ আৰু শান্তি দিয়ে।

ধেমালিতকৈ তোমাৰ পুথিক ভাল পাবা, কিয়নো যি লৰাই পুথিক ভাল পাই ভালকৈ পঢ়িবলৈ পুৰুষাৰ্থ কৰে সি শেষত জ্ঞানী হ্ব। কিন্তু যি ধেমালিকহে বৰ ভাল পাই সি নমৰে মানলৈকে দুখিয়া হৈ থাকিব।

যি ভাল লৰা হয় সি সদায় ধেমালি নকৰি পুথিৰ প্ৰতি মন দিয়ে; সি ঈশ্বৰক আৰু সকলো ভাল মানুহক প্ৰেম।১৬। কৰে, আৰু তাৰ মুখৰ পৰা কেতিয়াও এটিও বেয়া কথা নোলাই।

তোমাৰ সময় সৎকৰ্ম্মত ব্যয় কৰিবা। সময় এতিয়া আচে কিন্তু বতাহ্ৰ নিচিনা উৰি শীঘ্ৰে জাবগৈ। সময় যদি এবেলি গল সি আকৌ উভতি নাহে আৰু এক তিলাৰ্দ্ধ সময়ো সোনৰ ভঁৰাল উবুৰিয়াই দিও কিনিব নোৱাৰি।

বেয়া মানুহ আৰু বেয়া লৰাৰ বাট এৰি সৎকৰ্ম্ম কৰা, তোমাক কুবাটৰ পৰা ৰক্ষা কৰিবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰা, ঈশ্বৰে তোমাৰ কথা শুনিব। যোনে সৈতে ওমলা তাক বেজাৰ নিদিবা, কিন্তু মৰম কৰিবা; ধেমালি কৰাৰ সময়ত অসজ কথা নকবা, তেহে ঈশ্বৰে আৰু সৎ লোকে তোমাক চেনেহ কৰিব।

আন মানুহে তোমাক যেনে কৰিলে তুমি ভাল পাবা তুমিও তেনেকৈ তাহাঁতৰ প্ৰতি কৰিবা, অৰ্থাৎ আন মানুহে তোমাক গালি পাৰিলে তুমি ভাল পাবানে? মৰম কৰিলেহে ভাল পাবা; তেনেকৈ তুমিও ভাবিবা যে মোক গালি পাৰিলে ময় যেনে ভাল নেপাওঁ সিহঁতেও ময় গালি পাৰিলে ভাল নেপাই, এতেকে মোৰ নিচিনা মৰম কৰিলেহে ভাল পাব। এই কথা অনুসাৰে যদি তুমি চলা তেহে তুমি সুবাটে গৈছা বুলি জানিবা।

এই সংসাৰত তুমি যি কৰ্ম্ম কৰা তাৰেহে ঈশ্বৰে তোমাৰ সোধ সুধিব; অৰ্থাৎ তুমি যদি পৃথিবীত সৎকৰ্ম্ম কৰা।১৭। পৰকালতো তাৰ পুৰস্কাৰ পাবা, কিন্তু যদি ইয়াত অসৎ কৰ্ম্ম কৰা তত তাৰ প্ৰতিফল পাবা।

যি বোৰ লৰা চোৱালীয়ে পুথিত মন দিয়ে সিহঁতে সকলোৰে প্ৰশংসা পাব, কিন্তু যাৰ মন পুথিত নাই সি চেকনিহে পাব। জ্ঞানী লৰাই পঢ়িবলৈ ভাল পায়, কিন্তু অজ্ঞানৰ ধেমালিতহে মন থাকে, আৰু সেই নিমিত্তে মাৰ খায়। ময় তোমাক ডবিয়ালে আৰু তোমাৰ দোষৰ কথা কলে মোক নিৰ্ম্মৰমিয়াল হেন নেভাবি আগলৈ ভাল হবৰ পুৰুষাৰ্থ কৰিবা।

আলাহিয়া হৈ তোমাৰ সময় নষ্ট নকৰিবা, কিয়নো তেনে হলে তোমাৰ বৰ অপকাৰ হব এতেকে এলাহক গাৰ বলেৰে খেদি পঠোৱা।

মিচা কথা কেতিয়াও নকবা, চোৰ নকৰিবা, আৰু অকাৰণত শপথ নেখাবা, কিয়নো এই বোৰ কথা ঈশ্বৰে ভাল নেপায়।

ঈশ্বৰৰ আজ্ঞা পালন কৰিবলৈ অতি পুৰুষাৰ্থ কৰা, আৰু তোমাৰ মনে সৈতে ঈশ্বৰক ভয় কৰা কিয়নো তেঁওৰ বিধি বোৰ ন্যায় আৰু আন একো বিধি তেঁওৰ বোৰৰ সমান নহয়। যি বোৰে পাপক ভাল পাই, তাহাঁতৰ খোজত ভৰি নিদিবা, এতেকে ঈশ্বৰে তোমাক মৰম কৰিব, সকলো দোষৰ পৰা ৰক্ষা কৰিব, আৰু তোমাক অনন্ত সুখ দিব।১৮।

THE WISE AND THE STRONG MAN.
পণ্ডিত আৰু বলী মানুহৰ কথা।

এটা পণ্ডিত আৰু এটা বলৱন্ত মানুহ দুইও ভিন্ন দেশলৈ গৈ তাৰ ৰজাত কলে বোলে আমি বিদেশী, জীবিকা পাবৰ আশায় ইয়ালৈ আহিচোঁ, এতেকে মহাৰাজে দয়াকৈ ৰাখিলে থাকিব পাৰোঁ। এই কথা শুনি ৰজাই কলে বোলে যোনে এই গচ ডালৰ সুকান ঠানিটো ভাঙ্গিব পাৰে তাকে বিষয় দিম, তাতে সেই বলী মানুহে গপ কৈ গৈ ঠানিৰ গুৰিত ধৰি ভাঙ্গিব খুজি নোৱাৰিলে; পিচে পণ্ডিতে ঠানিৰ আগত ধৰি বল দিয়াত ভাঙ্গিল, তাতে ৰজাই পণ্ডিতক সেনাপতি পাতিলে।

তাৎপৰ্য্য— বিদ্যা নহলে অকল বলেৰে কোনো কৰ্ম্ম সিদ্ধি হব নোৱাৰে, এতেকে বলতকৈ বিদ্যা হে প্ৰসস্ত।

THE WISE MAN AND THE PRINCE.
পণ্ডিত আৰু ৰজাৰ কোঁৱৰৰ কথা।

এক ৰজাৰ কোঁৱৰ আৰু এক পণ্ডিত দুইও এক ভিন্ন দেশৰ ৰজাৰ নগৰৰ কোখৰত ৰলগৈ। এনেতে তাৰ ৰজাই তেঁওৰ তামুলিক এদিন অসময়ত আনিবলৈ দূত পঠালে, তাতে সেই তামুলিয়ে কিবা জগৰ লাগিচে বুলি বৰ ভয় পোৱা দেখি সেই পণ্ডিতে দূতক সোধাত সি কলে বোলে ৰজাই তামোল চোবাই আচিল, পিচে তাক মুখৰ পৰা উলিয়াই পেলাই মোক।১৯। পাঁচিচে, পণ্ডিতে এই কথা শুনি তামুলিক কলে বোলে তোমাৰ পেটিত যিমান তেল ধৰে তিমান খাই জোৱা; এই কথাত তামুলিয়ে পাৰে মানে তেল খাই ৰজাৰ আগলৈ গলত ৰজাই তাক চুন খুৱাবৰ আজ্ঞা দিলে। দূত সকলে তাক ভালেমান চুন খুৱালে কিন্তু তেলৰ গুণত সি নমৰিল, পাচ দিনা সি ৰজাৰ আগলৈ গলত তেঁও সুধিলে বোলে তয় চুন খাই কেনেকৈ জিলি? তাতে তামুলীয়ে নিবেদন কৰি জনালে বোলে স্বৰ্গদেৱে যেতিয়া বন্দিক আনিবলৈ পাঁচিচিল তেতিয়া কোনোবা দেশৰ পণ্ডিত এজনাই মোক তেল খাব দিচিল, সেই দেখি ময় জিলোঁ। ৰজাই এই কথা শুনি পণ্ডিতক অনাই বৰ সম্মাদৰ

কৰিলে কিন্তু ৰজাৰ কোঁৱৰে সেই নগৰৰ মানুহত চিনাকি দিলত সেই ৰজাই শুনি মোৰ দেশ লবৰ মনে ই আহিচে বুলি তাক বন্দিশালত বন্দি কৰি থলে।

তাৎপৰ্য্য– বিদ্যাত বাজে আন কোনো বস্তুৰ পৰা সকলো ঠাইতে মান্য পোৱা নেজায়, এতেকে সদাই বিদ্যাভ্যাস কৰাহে ভাল; ধনৰ পৰা কেতিয়াবা আপদত পৰা জায় কিন্তু বিদ্যাৰ দ্বাৰা সদাই সুখ হয়।

THE BOY AND THE CUCKOO.
এক লৰা আৰু এক কুলি চৰাইৰ কথা।

এটা বৰ কটু ভাষী লৰা আচিল, আন২ লৰাই সৈতে ৰঙ্গ কৰোঁতে অলপতে গালি পাৰিচিল। সি এদিন বাপেকে সৈতে।২০। চৰাই বিকা ঠাইলৈ গৈ দেখিলে যে এটা সজাত কুলি এটা আৰু এটাত কাঠ ঠোকোৰা এটা বেচিবলৈ আনিচে। সেই দুইওটা চৰাইয়েই মাজে মাজে মাতিচিল। তাকে শুনি মানুহে কুলিটোক হে কিনিলে কিন্তু সিটো চৰাইৰ মাত বেয়া দেখি কেৱে নিকিনেলে; ইয়াক দেখি সেই লৰাৰ বাপেকে কলে বোলে চোৱা কটুভাষী হোৱাৰ এই দুৰ্গুণ; এই উপদেশ পাই সেই লৰাই তেতিয়াৰে পৰা অতি ভাল হল।

তাৎপৰ্য্য– কটুভাষীক কেৱে আদৰ নকৰে, মিষ্টভাষীক সকলোৱে ভাল পায়।

THE WHITE ANT.
উঁইৰ কথা।

এক লৰাই নানা বিধৰ পুথি দেখি বিদ্যা শিকিবলৈ বৰ ভয় কৰি ভাবিলে বোলে ময় ইমান পুথি কেনেকৈ পঢ়িম আৰু নপঢ়িলেই বা কেনেকৈ বিদ্যা হব, ইয়াকে ভাবি২ গাঁৱৰ মুৰলৈ গৈ উঁইৰ এদম মাটি তোলা দেখি সুধিলে বোলে তোৰ গা দেখোঁ কোমল আৰু সৰু, তয়নো ইমান মাটিৰ দম কেনেকৈ কৰিলি? তাতে উঁইয়ে উত্তৰ দিলে বোলে ময় এটা সৰু লৰাক পঢ়িব দেখি ইয়াকে শিকিচোঁ যি মানুহে আলাহ নকৰি যত্ন কৰে সি সৰু হলেও ডাঙৰ কৰ্ম্ম কৰিব পাৰে।২১।

THE REFORMED BOY.
ভাল হোৱা লৰাৰ কথা।

এক লৰাই এখন ওখ পৰ্ব্বতত উঠি এটা পৰুৱাক পৰ্ব্বতৰ পৰা নমা দেখি পৰুৱাত সুধিলে বোলে তুমি কৰ পৰা আহিছা? পৰুৱাই কলে বোলে ময় পৰ্ব্বতৰ সি ফালৰ পৰা আহিচোঁ। তাতে সেই লৰাই সুধিলে বোলে তুমি ইমান সৰু পৰুৱা হৈ পৰ্ব্বত কেনেকৈ ডেলা? পৰুৱাই কলে বোলে ময় গুৰিৰে পৰা পুৰুষাৰ্থ কৰিচোঁ, সেই দেখি বৰ টান কথা হৈও মোৰ মনত বৰ কথা হেন নহল। পৰুৱাৰ এই উপদেশত সেই লৰা উদ্যমী হল, আৰু শ্ৰম কৰি কেইবচৰ মানৰ মূৰত পণ্ডিত হল।

তাৎপৰ্য্য— আলাহ এৰি সদাই পুৰুষাৰ্থ কৰিলে সৰু মানুহেও ডাঙৰ কাৰ্য্য কৰিব পাৰে আৰু অল্প বুদ্ধিয়কেও পণ্ডিত হব পাৰে।

THE ADVANTAGES OF GOOD COMPANY.
ভাল মানুহৰ সঙ্গ কৰাৰ গুণ।

এক লৰা পঢ়াশালিলৈ জাবলৈ বৰ আলাহ কৰিচিল, আৰু এই ভাবিচিল বোলে তালৈ গলে অধ্যাপকে পঢ়াৰ কথা সুধিব আৰু ভালেমান পৰ বন্দিয়াৰৰ নিচিনা হৈ থাকিব লাগিব। পিচে এদিন সি পঢ়াশালিৰ পৰা পলাই এখন কমাৰ শালত সোমাই কমাৰে ওৰে ঘঁহি কটাৰিৰ মুখ পাতল কৰা দেখি সুধিলে বোলে তয় এনে চিকোন লো ডোখৰ কিয় ঘঁহি বেয়া।২২। কৰ? তাতে কমাৰে হাঁহি কলে বোলে যেনে নিশিকিলে বিদ্যা নহয় তেনে ইয়াকো নঘঁহিলে ধাৰ নুঠে; এই কথা শুনি সেই লৰাই অধ্যাপকৰ তালৈ সদাই গৈ শাস্ত্ৰৰ কথা কোৱা কুই কৰি শেষত অতি বিদ্যাৱন্ত হল।

তাৎপৰ্য্য— সদাই পণ্ডিতে সৈতে থাকিলে বুদ্ধি হয়, আৰু শাস্ত্ৰৰ কথা শুনি অল্প কালতে বিদ্যাও হয়।

A TYRANNICAL KING AND THE ANGEL OF DEATH.

দৌৰাত্ম্যকাৰী ৰজা আৰু জম দূতৰ কথা।

এদিন এক বৰ দুষ্ট ৰজা সিংহাসনত বহি আছিল, এনেতে অতি ভয়ঙ্কৰ মূৰ্ত্তিৰে এটা মানুহক তেঁওৰ ঘৰৰ দুৱাৰেৰে সোমাই অহা দেখিলে। কিছুমান পৰৰ মূৰত সি আহি সিংহাসনৰ ওচৰত থিয় দিলত ৰজাই বৰ ভয় পাই আসনৰ পৰা নামি সুধিলে, বোলে হেৰ মানুহ, তোক মোৰ ঘৰলৈ এনে উখামুখিকৈ আহিব কোনে দিলে? দূতে কলে, এই ঘৰৰ গৰাকিয়ে মোক আহিব দিচে। মোক কেৱে বাহিৰ কৰিব নোৱাৰে, ৰজাৰ তলৈ আহিবলৈ কাৰো আজ্ঞা মোক নেলাগে, ময় ৰজাকো আৰু তাহাঁতক বেৰি থকা ৰক্ষক বিলাককো ভয় নকৰোঁ, মোক কোনো দুষ্ট ৰজাই গুচাব নোৱাৰে, আৰু মোৰ হাতৰ পৰা কেৱে সাৰিব নোৱাৰে, ময় মনুষ্যক সখি আৰু বন্ধু-বৰ্গৰ পৰা বঞ্চিত কৰোঁ। ৰজাই।২৩। এই কথা শুনি কঁপি মুচ্‌কচ্‌ গল, পিচে অলপ স্বস্ত হৈ সুধিলে বোলে তুমি জম দূতনে? সি উত্তৰ দিলে বোলে হয়। তাতে ৰজাই আকৌ কলে বোলে হে দেও, মোক এদিনলৈ আহৰি দিয়া, ময় মোৰ পাপ ক্ষমা কৰিবলৈ ঈশ্বৰক স্তুতি কৰিম, আৰু যিবোৰ ডকাদি অনা ধন মোৰ ভঁৰালত আচে তাকো ওভোতাই দিম, তেনে কৰিলেহে যেন ময় শাস্তিৰ পৰা ৰক্ষা পাম। কিন্তু জম দূতে কলে বোলে তয় যি ইচ্ছা কৰিচ তাক কেতিয়াও সম্পূৰ্ণ কৰিব নোৱাৰ, যেতিয়াই তোৰ জীৱনৰ মূৰ পৰিচে, ময় তোক কেনেকৈ আহৰি দিম? তাতে ৰজাই কলে বোলে মোক এডাঁৰ বেলিতো অবকাশ দিয়া; জম দূতে কলে বোলে সেই ডাঁৰ বেলি তয় অসাবধান হৈ থাকোঁতেই গৈচে, যিমান উষাহ কাঢ়িব লাগে তিমান উষাহ তয় লৈচ, অকল একেটা হে লবলৈ আচে। এই কথাত ৰজাই সুধিলে বোলে ময় মৰিলে মোৰ লগত কোন জাব? দূতে কলে বোলে পৃথিবীত যি কৰ্ম্ম কৰিচ তাত বাজে তোৰ লগত আন কেৱে নেজাই। ৰজাৰ মনত আৰু অধিক সোক লাগি কলে বোলে ময় একো কৰ্ম্ম কৰা নাই। এনেতে জম দূতে তেন্তে তোৰ অনন্ত অগ্নিত হে ঠাই হব বুলি তাৰ জীৱক ধৰি লৈ গলত শটো সিংহাসনৰ পৰা বাগৰি মাটিত পৰিল। সেই ৰজাৰ প্ৰজাবোৰৰ মাজত বৰ কন্দাকটি লাগিল আৰু সি গৈ যি যন্ত্ৰণা সহিলে তাৰ ভু পোৱা হলে সিহঁতৰ বিলাপ অধিক হল হঁতন।২৪।

THE FARMER AND HIS SONS.
এক খেতিয়ক আৰু তাৰ পুতেক হঁতৰ কথা।

এক খেতিয়ক মৰিবৰ সময়ত আপুনি যেনে ধাৰ্ম্মিক হৈ চলিচিল, পুতেক হঁতকো তেনেকৈ চলাবৰ মনে তাৰ দুই পুতেকক বিচনাৰ ওচৰলৈ মাতি নি কলে বোলে হে মোৰ প্ৰিয় লৰাহঁত, তহঁতলৈ এৰি জাবৰ মোৰ আন একো নাই, অকল মোৰ খেতিৰ মাটি বাৰি খনিহে আচে, তাৰে ওপৰত তহঁত দুইকো অধিকাৰ পাতিলোঁ আৰু মোৰ এই বাঞ্ছা যে ময় মৰিলে তহঁতে মোৰ কথাত মানা কৰি ময় যি এৰি জাওঁ তাক তহঁতে কেতিয়াও এৰি নিদিবি। মোৰ যি খনি ধন তাক মোৰ বাৰিৰ এঠাইত এহাত মাটিৰ তলত পুতি থৈচোঁ, ময় উঠিব পৰা হলে গায়ে গৈ দেখুৱালোঁ হঁতন, এতেকে হে লৰাহঁত, তহঁত থাক, সকলো কৰ্ম্মতে ন্যায্য হৈ দুইও মিলে প্ৰীতিয়ে থাকিবি কিন্তু বাৰি আৰু মাটিৰ কথা যি কলোঁ তাক নেপাহৰিবি।

পিচে সেই খেতিয়ক মৰিলত পুতেক হঁতে পুতি থোৱা ধন বিচাৰিবলৈ ধৰিলে আৰু এই ভাবিচিল বোলে আমি এই ধন পালে ৰজাৰ কোঁৱৰৰ নিচিনা হৈ খাই থাকিব পাৰিম। পিচে সিহঁতে গোটেই খন বাৰিকে খানি ধন নেপালে হয়, কিন্তু খনাত বাৰি চাহ্ হৈ তাতে ভালেমান সহ্ ধৰিলে আৰু তাকে বেচি সিহঁতে শেষত ধনকো পালে। ইয়াকে দেখি সিহঁতে খেতি কৰিলে কি লাভ হয় তাকে জানি।২৫। তেতিয়াৰে পৰা সোৰোপা শুচি বৰ শ্ৰমি হৈ সিহঁতৰ বাপেকৰ নিচিনাকৈ খেতি কৰি সুখকৈ প্ৰবৰ্ত্তি থাকিল।

OF OUR DUTY TO GOD.
ঈশ্বৰৰ প্ৰতি আমাৰ কৰ্ত্তব্য কৰ্ম্ম।

যি মহৎ ঈশ্বৰে স্বৰ্গ আৰু পৃথিবী সৃষ্টি কৰিচে তেঁৱেই মোকো কৰিচে; তেঁও ৰাতিয়ে দিনে মোক আপদৰ পৰা ৰক্ষা কৰে আৰু সদাই মোৰ হিত চিন্তে, এতেকে ময় তেঁওক জানিবলৈ আৰু তুষ্ট কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিব পাওঁ।

এই মহৎ ঈশ্বৰক সন্তোষ কৰিবলৈ ময় তেঁওৰ প্ৰতি আৰু মনুষ্যৰ প্ৰতি মোৰ যি কৰ্ত্তব্য কৰ্ম্ম তাকে কৰিব পাওঁ।

ঈশ্বৰৰ প্ৰতি মোৰ এই২ কৰ্ত্তব্য কৰ্ম্ম অৰ্থাৎ তেঁওক আৰাধনা কৰা, ভয় কৰা, প্ৰেম কৰা, মান্য কৰা আৰু তেঁওৰ গুণানুবাদ কৰা ইত্যাদি।

মনুষ্যৰ প্ৰতিও ময় এই কৰ্ম্ম কৰিব পাওঁ। অৰ্থাৎ পিতৃ মাতৃক মান্য কৰা, সদাই সঁচা কথা কোৱা আৰু সৎ হোৱা, আৰু সকলোকে দয়া কৰা ইত্যাদি। ময় যদি এইবোৰ কৰোঁ তেন্তে ঈশ্বৰ মোৰ পিতৃ আৰু হিতৈষী চিৰকাললৈকে হব, কিন্তু ময় ঈশ্বৰক ভয় বা প্ৰেম নকৰিলে মোক পাপী আৰু দুষ্ট বুলি ক্ৰোধ কৰিব।

ময় ঈশ্বৰৰ ক্ৰোধক অতি ভয় কৰোঁ কিয়নো তেঁও মোৰ দেহ নষ্ট কৰিব পাৰে আৰু মোৰ জীবাত্মাকো নৰকত।২৬। পেলাব পাৰে। ময় সদাই ঈশ্বৰৰ আজ্ঞা পেলাই পাপ কৰিচোঁ আৰু সেই নিমিত্তে তেঁওৰ ভয়ানক ক্ৰোধৰ তলতিয়া হৈচোঁ। ঈশ্বৰে আমাক যি কৰিবলৈ হাক দিচে তাক কৰিলে আৰু যি যি কৰিবলৈ আজ্ঞা দিচে তাক নকৰাকে পাপ বোলে। ঈশ্বৰৰ ক্ৰোধৰ পৰা ৰক্ষা পাবলৈ মোৰ পাপৰ নিমিত্তে অসন্তোষ কৰিব লাগে। ময় ঈশ্বৰক মোৰ পাপ ক্ষমা কৰিবলৈ প্ৰাৰ্থনা কৰিব পাওঁ আৰু পাপ কৰ্ম্মৰ সলনি অসন্তোষ কৰি আগলৈ ঈশ্বৰক সন্তোষ কৰিবলৈ পুৰুষাৰ্থ কৰিব পাওঁ। ময় যদি ইয়াকে কৰোঁ তেন্তে মোক ঈশ্বৰে ক্ষমা কৰিব।

LEARNING WISDOM.

জ্ঞান শিক্ষা।

হে প্ৰিয় লৰা, তোমাৰ আপোনাৰ ভাললৈ জ্ঞানী হোৱা আৰু তোমাৰ মিত্ৰ সকলে যি কয় তাক মনত সাঁচি থোৱা।

এই পৃথিবীত আৰু পৰকালতো যেন তোমাৰ সুখ আৰু শান্তি হয় সেই নিমিত্তে তুমি কুকৰ্ম্মৰ পৰা পলোৱা, পাপক ঘৃণা কৰা, আৰু ঈশ্বৰক সকলো শক্তিয়ে সৈতে প্ৰেম কৰা। কিন্তু তুমি এই বোৰ কৰ্ম্ম ঈশ্বৰৰ সহায় নোহোৱাকৈ কৰিব নোৱৰা, এতেকে তেঁওক প্ৰাৰ্থনা কৰা।

তুমি অতি নীচ আৰু ক্ষুদ্ৰ মানুহৰ নিচিনা হৈ পৃথিবীৰ মিচা ঐশ্বৰ্য্যত চিত্ত নিদিবা, কিয়নো সেই বোৰ স্বপ্নৰ নিচিনা আৰু শীঘ্ৰে গুচিব। এতিয়া তুমি যিবোৰ সুন্দৰ২ বস্তু।২৭। দেখা সেই বোৰ মৰিবৰ কালত আলিৰ ধূলিতকৈ বৰ বস্তু নহব।

এতেকে ধনৱন্ত মানুহৰ ঐশ্বৰ্য্য দেখি অসন্তোষ নকৰিবা আৰু তোমাৰো তাৰ নিচিনা ধন নোহোৱাত চিন্তা নকৰিবা, কিয়নো সকলো ধনৱন্ত মানুহেই সুখী নহয় আৰু সুন্দৰ বস্তুৰ পৰা শৰীৰৰ আৰোগ্যতা আৰু শান্তি পোৱা নেজাই।

ADVICE TO THE SCHOLAR.
ছাত্ৰৰ প্ৰতি উপদেশ।

হে মোৰ প্ৰিয় লৰা, তুমি লৰা কালতে যিসকল কথাৰ পৰা ডাঙ্গৰলৈ উপকাৰ হব তাকে শিকা আৰু তুমি শিকিবলৈ দুখ কৰিব পোৱা, কিয়নো তাৰ পৰা তুমি জীয়াই থাকা মানে ভাল হব।

তুমি এতিয়া পঢ়াশালিলৈ গৈ যদি ভাল কথা শিকা তেন্তে তাৰ দ্বাৰা ডাঙ্গৰ হলে তুমি ধন সুনাম আৰু শান্তি পাবা।

তুমি যদি যুবা কাল এনেই খেদোৱা তোমালৈ সেই কাল আৰু উভতি নাহে, এতেকে তুমি সেই সময় সৎ কৰ্ম্মত ক্ষেপন কৰিবা।

তুমি যদি কাল হেৰুউৱা তেন্তে ধনো হেৰুৱা বুলি জানিবা। পঢ়াশালিলৈ গৈ তুমি এনে নুবুলিবা বোলে ময় এডাঁৰ পৰ ওমলোঁ পিচে পঢ়িম গৈ। তুমি এডাঁৰ বেলিক অলপ হেন দেখিব পাৰা কিন্তু পঢ়িবৰ সময়ত সেই এডাঁৰকে নো কিয়।২৮। অকাৰনত নষ্ট কৰা? তোমাৰ ধেমালি কৰাৰ প্ৰস্তাৱ আছে। এতেকে ময় যে তোমাক কলোঁ বোলোঁ তোমাৰ সময় নষ্ট কৰা বেয়া তাকে তুমি সদাই মনত ৰাখিবা।

FEAR OF GOD.
ঈশ্বৰলৈ ভয়।

মনুষ্যে অকল মঙ্গহৰ হে ক্ষতি কৰিব পাৰে কিন্তু জীৱাত্মাৰ একো কৰিব নোৱাৰে, এতেকে তাক ভয় নকৰিবা কিন্তু মহৎ ঈশ্বৰক সদাই ভয় কৰিবা, কিয়নো তেঁও আমাৰ শৰীৰকো নষ্ট কৰিব পাৰে আৰু জীৱাত্মাকো নৰকত পেলাব পাৰে। আমি নিশ্চয় জানো যে সকলোৱে এক সময়ত মৰিব আৰু সকলো মনুষ্যকে ঈশ্বৰে যি ধূলিৰ পৰা সৃষ্টি কৰিচে তালৈকে আকৌ পঠাব।

এই সংসাৰত ধন নেসাঁচিবা কিয়নো ধনক মামৰে আৰু পোকে নষ্ট কৰিব পাৰে আৰু চোৰ সোমাই নিব পাৰে, কিন্তু স্বৰ্গলৈ ধন সাঁচা, তাত মামৰেও একো কৰিব নোৱাৰে আৰু চোৰেও চোৰ কৰিবলৈ ওচৰ চাপিব নোৱাৰে, এই নিমিত্তে যত তোমাৰ ধন আচে ততে তোমাৰ চিত্তো থাকিব।

যি আহিব লাগিচে তালৈ বৰ আশা নকৰিবা, কিয়নো এদিনতেনো কি হয় তাক তুমি নেজানা। হে প্ৰভু।২৯। আমাক তোমাৰ বাট দেখুৱা আৰু তোমাৰ আজ্ঞা পালন কৰিবলৈ শিকোৱা।

FILIAL DUTY.
মাতৃ ভক্তি।

ৰোম দেশৰ এক বিচাৰ কৰ্ত্তাই এজনি ভাল মানুহৰ তিৰোতাক বৰ দোষৰ নিমিত্তে বধ কৰিবলৈ চাওডাঙ্গক আজ্ঞা দিলে।

চাওডাঙ্গে তাই ভাল মানুহৰ তিৰোতা দেখি তেতিয়াই নেমাৰি বন্দিশালত এই মনেৰে থলে বোলে এইক মানুহৰ আগত অসম্ভ্ৰমকৈ মৰাতকৈ বন্দিশালত খাব নিদিলে আপুনি মৰিব; কিন্তু সি তাইক চাবলৈ তাইৰ জিয়েকক সদাই জাব দি সোমাওঁতে মাকলৈ কিবা খাবৰ বস্তু নিয়ে বুলি ভালকৈ গা বিচাৰিহে ভিতৰলৈ জাব দিচিল।

জিয়েক ভালেমান দিনলৈকে এনেকৈ গৈ আচিল আৰু অনেক দিন এনেকৈ গল, তেও সেই তিৰোতাজনি নমৰিলত সেই চাওডাঙ্গে ভাবিলে বোলে ইমান দিন খাবলৈ নেপাইও এই কিয় নমৰে? এই কথা গুনি চাই সি জিয়েক মাকৰ তলৈ জাওঁতে মনে২ চালত দেখিলে যে নিতৌ জিয়েক আহি মাকক তাইৰ পিয়াহ খুৱাই ইমান দিনলৈকে নমৰাকৈ ৰাখিচে।৩০।

এই আচৰিত কথা বিচাৰ কৰ্ত্তা সকলত জনোৱা হলত তেঁও ।৩০। বিলাকে মাকক ক্ষমা কৰিলে আৰু এনে ধাৰ্ম্মিক কন্যাক অকল মাকৰ প্ৰাণ দান দিলে এনে নহয় কিন্তু নমৰে মানলৈকে তাহাঁতক প্ৰবৰ্ত্তিবৰ উপায় দি যি ঠাইত এই আচৰিত কথা হৈচিল তাতে বন্দিশাল ভাঙ্গি মাতৃ ভক্তিৰ উদ্দেশ্যে মন্দিৰ নিৰ্ম্মাণ কৰিলে।

INGENUITY AND INDUSTRY REWARDED.

চতুৰতা আৰু শ্ৰমৰ পুৰস্কাৰ।

এক ধনৱন্ত খেতিয়কৰ দুটি লৰা আছিল, সৰুটি ডাঙৰটিতকৈ এবছৰে সৰু। সৰুটি লৰা উপজিবৰ দিনা তেঁও আপোনাৰ বাৰিৰ দুৱাৰ মুখত দুটি একে সমানৰ আমৰ পুলি ৰুলে।

সেই পুলি দুটিক একে দৰে পতি কৰিলত এনে সমান হৈ উঠিল যে তাৰ ভিতৰত কেৱে ভিন ভাৱ নেদেখিছিল; পিচে খেতিয়কে দুই পুতেকৰ নাম পুলি দুটিকো দিলে।

কালক্ৰমে তেঁওৰ পুতেক হঁত ডাঙৰ হৈ বাৰিত কোৰ ধৰিব আৰু আন আন বন কৰিব পৰা হলত এদিন তেঁও দুইকো লগত লৈ সেই পুলি চাবলৈ গল। পিচে তেঁওবিলাকে পুলি দুটিৰ ডাঙৰ দিঘল আৰু কলি ইত্যাদি প্ৰশংসা কৰিলত বাপেকে কলে বোলে, হে মোৰ প্ৰিয় লৰাহঁত, ময় তোমোলাকক এই গচ দুডালি দিলোঁ, সি বৰ সুন্দৰে আচে, তোমো ।৩১। লাকে যিমান পতি কৰা তিমান বাঢ়িব আৰু যিমান হেলা কৰা তিমান হ্লাস হব আৰু তোমোলাকে তাৰ হৈ যি শ্ৰম কৰা তাৰ ফল পাবা।

কৃষ্ণৰাম নামে সৰু লৰাটি বৰ শ্ৰমী আছিল; সি তাৰ গচক বৰকৈ পতি কৰি গচৰ পোক এৰুৱাই নেহালিবলৈ ঠেকা দি আৰু ৰদ নিয়ৰ লাগিবলৈ গুৰি খানি দিচিল। সংক্ষেপ কৰি, কব লাগিলে সৰু কালত তাক মাকে যেনেকৈ প্ৰতিপাল কৰিচিল সি তাৰ আম গচক তাতকৈও অধিক কৈ পতি কৰিলে।

কিন্তু তাৰ ককাইএক মুক্তাৰাম ভায়েকৰ নিচিনা নহৈ ওৰে দিনটো পৰ্ব্বতত উঠি বাটৰুৱাক দলিয়াই আছিল, আৰু গাঁৱৰ লৰা বোৰে সৈতে মৰামৰি কৰি থাকোঁতে এদিন জুজ কৰোঁতে লাথিত ভৰিও ভাগিল। এনেকৈ সি তাৰ গচক গোটেই হেলা কৰি শেষত তাৰ কথা কেতিয়াও নভবা হল; কিন্তু বাৰিষা এদিন অকস্মাৎ তাৰ ভায়েকৰ গচ ডাল আমৰ ভৰত ওলমি পৰা দেখি বৰ আচৰিত হল আৰু তাৰ ডালো তেনেকৈ লাগিচে বুলি চাবলৈ গৈ দেখে যে গচ ডালত কেইটামান শুকান পাতত বাজে আন একো নাই।

ইয়াকে দেখি খঙ্গ আৰু হিংসাত জলি উঠি বাপেকৰ তলৈ গৈ কলে বোলে পিতা মোক তুমি কেনে গচ দিচিলা? ময় তাত দহোটা আমো নেপাম, কৃষ্ণৰামক তুমি ভাল ডাল ।৩২। পিচা এতেকে তাৰ আমৰ ভাগোতো মোক দিব দিয়া।

তাতে বাপেকে কলে বোলে কি তোৰ ভাগ দিব? শ্ৰমী মানুহে তেন্তে সোৱোপাক খুৱাবলৈহে শ্ৰম কৰিবনে? তোৰ বাখনাত যি পাইচ তাতে সন্তোষ হৈ থাক, আলাহিয়া হোৱাৰ প্ৰতিফল এই, এতিয়া ভায়েৰৰ কপাল দেখি মোক অন্যায় কৰা নুবুলিবি। ভায়েৰৰ গচ যেনে আচিল তোৰো ডাল তেনেই আচিল আৰু দুইওৰো ডাল একে ঠাইতে হৈচিল। তাৰ ডাল সি পোকৰ পৰা পতি কৰি ৰাখিচে কিন্তু তোৰ ভয় কলিতে পোকক খাবলৈ দিচিলি। যি সকল বস্তু মোক ঈশ্বৰে দিচে তাক এনেই নষ্ট হবলৈ ময় দিব নোৱাৰোঁ, এতেকে এই গচ ডাল তোৰ তাৰ পৰা ময় নিলোঁ আৰু আজিৰ পৰা তোৰ নামেও তাক নেমাতোঁ। তাক ভাল কৰিবলৈ ভায়েৰৰ হাতত দিম আৰু আজিৰে পৰা গচ আৰু তাত যি আম লাগে সি সকলো ভায়েৰৰ বস্তু হব। তোক লাগে যদি আন এটা পুলি লৈ প্ৰতিপাল কৰ গৈ তাকো এনেকৈ গুচালে তোৰ ভায়েৰক দিম।

মুক্তাৰামে বাপেকৰ এই কথা ন্যায় হেন জানি বাৰিলৈ গৈ এটা ভাল চাই আতলচৰ [?আমৰ] পুলি বাচি ললে, আৰু ভায়েকে তাক প্ৰতিপাল কৰিবলৈ বুদ্ধি দিলত সি সেই বুদ্ধিৰে চলি সেই বেলি শ্ৰম কৰি ভালেমান আম পালে আৰু আগৰো দুৰ্ব্বভাৱ এৰি ভালো হল, পিচে বাপেকেও তাৰ সু প্ৰকৃতি।৩৩। দেখি অতি হৰ্ষ হৈ পিচ বচৰত তাৰ বাৰি খন দুই পুতেকৰ মাজত ভগাই দিলে।

THE PIOUS SONS.
ধাৰ্ম্মিক পুত্ৰৰ কথা।

চিচিলি নামেৰে উপদ্বীপৰ এটেনা পৰ্ব্বত বিদিৰ্ণ হলত তাৰ চাৰিও ফালৰ গাঁও বোৰত বৰ উপদ্ৰৱ হৈচিল।

পৰ্ব্বতৰ চাৰিও ফালে আগ্নেয় দ্ৰব্য সকল পমি পৰিচিল, তাৰে পৰা ৰক্ষা পাবৰ নিমিত্তে সেই২ গাঁৱৰ মানুহ বোৰ নিলগলৈ আঁতৰ হল। সকলোৱে বয় বস্তু লৈ পলাব লাগিচে, এই হুলস্থুলত আনাপিয়চ আৰু এম্ফিনোমচ্ নামে দুই ভায়েক তাহাঁতৰ ধন সোন আঁতৰ কৰিবলৈ বৰ উদ্বিগ্ন হৈ আচিল। এনেতে তাহাঁতৰ অকস্মাৎ এই কথা মনত পৰিল বোলে, আমাৰ আই বোপাই দুইও বুঢ়া, তেঁও বিলাক লৰি সাৰিব নোৱাৰে।

পিতৃ মাতৃৰ প্ৰতি ভক্তিয়ে আন সকলো কথাকে পাহৰালে। পিচে সিহঁতে কলে বোলে আমাক যি বিলাকে জন্ম দিচে আৰু উপজিবৰে পৰা প্ৰতিপাল কৰিচে সিবিলাকত কৈ বৰ বন কি আচে?

এই বুলি সিহঁতৰ এটাই বাপেকক আৰু এটাই মাকক কান্ধত লৈ অগ্নিৰ মাজেৰে গল; যি২ মানুহে এই ধাৰ্ম্মিক কৰ্ম্ম দেখিলে সিহঁতে বৰ আচৰিত হল আৰু যি বাটেৰে।৩৪। সেই দুই ভায়েক মাক বাপেকক লৈ গল তাক সকলোৱে "ধাৰ্ম্মিকৰ পথাৰ" নাম থলে, আৰু সিহঁতৰ সন্তান সন্ততিলৈকে সেই নামেই থাকিল।

FILIAL SENSIBILITY.
পুত্ৰৰ পিতৃ মাতৃৰ প্ৰতি স্নেহ।

পেৰিচ নগৰৰ এক পঢ়াশালিত এটা লৰাই শুকান ৰুটি আৰু পানিত বাজে আন একোকে নেখাইচিল।

সেই পঢ়াশালিৰ অধ্যক্ষে সেই ছাত্ৰে ধৰ্ম্মলৈ এনে কৰিচে হেন ভাবি তাক ভালেমান তিৰস্কাৰ কৰি তাৰ সেই প্ৰতিজ্ঞা ভাঙ্গিবলৈ ইচ্ছা কৰিলে, কিন্তু তেঁওৰ তিৰস্কাৰত একো গুণ নধৰিব দেখি এদিন তাক মতাই নিয়াই কলে বোলে পঢ়াশালিৰ ৰীতিয়েৰে নচলা বৰ বিষম, আৰু তয়নো কিয় এনেকৈ খা তাক ক; কিন্তু তেও সেই লৰাই একো কথা নেভাঙ্গিলত অধ্যক্ষে তাক পঢ়াশালিৰ পৰা মাক বাপেকৰ তলৈ খেদি পঠাম বুলিলত সি ভয় পাই কলে বোলে হে দেও, মোৰ বোপাইৰ ঘৰত এফেৰামান কলা ৰুটিত বাজে আন একো খাবলৈ পোৱা নাচিলোঁ কিন্তু ইয়াত ময় ভাল জোল আৰু চিকন বগা ৰুটি খাবলৈ পাওঁ আৰু ইচ্ছা কৰিলে ভালকৈ খাবলৈ পাৰোঁ কিন্তু মোৰ পিতৃ মাতৃ যি অৱস্থাত আছে তাৰ কথা মনত পৰি ময় একোকে খাব নোৱাৰোঁ।৩৫।

সেই অধ্যক্ষে মাক বাপেকলৈ পুতেকৰ ইমান চেনেহ দেখি বৰ অসন্তোষ কৰি চকুৰ পানি নেপেলোৱাকৈ থাকিব নোৱাৰিলে আৰু কলে বোলে তোমাৰ পিতা ৰণুৱা আচিল তেঁওৰ মাহিলি বেতন নাইনে? ছাত্ৰে কলে বোলে নাই, তেঁও পাবলৈ প্ৰাৰ্থনা কৰিচিল কিন্তু ধন নোহোৱাতে থাকি এৰি দিচে আৰু নগৰত ধাৰ কৰাতকৈ দুখত পৰিও গাঁৱত আচে।

ইয়াতে অধ্যক্ষে উত্তৰ দিলে বোলে তুমি কোৱা কথা যদি স্বৰূপ হয় তেন্তে ময় তোমাৰ পিতালৈ পাঁচ শ টকা বচৰি বেতন লগাই দিম, আৰু তোমাৰ পিতৃ মাতৃ ইমান দুখত পৰিচে দেখি এই তিন টকা তুমি ভাঙ্গি খাবলৈ নিয়া আৰু তোমাৰ পিতালৈ ময় চ মাহৰ বেতন আগামিকৈ পঠাই দিয়াম। তাতে ছাত্রে কলে বোলে হে দেঁও তুমি অনুগ্রহ কৰি মোৰ পিতালৈ যদি ধন পঠাব ইচ্ছা কৰিচা তেন্তে এই তিন টকাও তাৰ লগত দিবা কিয়নো তাৰ পৰা মোৰ পিতাৰ সিবোৰ লৰা প্রতিপাল হব পাৰিব।

THE SECRET OF BEING ALWAYS SATISFIED.
সদানন্দ হোৱাৰ সঙ্কেত।

ইটালী দেশৰ এক গোঁসাইৰ আনন্দ আৰু সন্তোষী স্বভাৱ আছিল। তেঁও উপজিবৰে পৰা ভালেমান দুখত পৰিচিল কিন্তু তেঁও কেতিয়াও অসন্তোষী নহৈছিল।৩৬।

তেঁওৰ এই সুস্বভাব দেখি তেঁওৰ মিত্র এজনে বৰ আচৰিত হৈ এদিন তেঁওক সুধিলে বোলে হে মিত্র তুমি মোক সদানন্দ হবৰ সঙ্কেত শিকাব পাৰানে?

তাতে সেই বুঢ়া মহাজনে উত্তৰ দিলে বোলে ময় অতি সহজে মোৰ সঙ্কেত শিকাব পাৰোঁ অর্থাৎ মোৰ চকুৰ ব্যৱহাৰৰ দ্বাৰা ময় সদানন্দ হৈ থাকোঁ। কিন্তু তেঁওৰ মিত্রে এই কথা নুবুজিলত তেঁও এই বুলি ভাঙ্গি কলে বোলে ময় যি কি অৱস্থাতে থাকোঁ আগে ময় স্বর্গলৈ চকু তুলি চাওঁ আৰু ভাবোঁ যে তলৈ জোৱাহে মোৰ ইয়াত ঘাই বন, পিচে ময় তলত পৃথিবীলৈ চাওঁ আৰু ভাবোঁ যে ময় মৰিলে ইয়াত মোক অল্প ঠাই হে লাগিব, পিচে ময় পৃথিবীৰ চাৰিও ফালে চাই ভাবোঁ যে ইয়াত মোতকৈও অনেক দুখিয়া আছে। এনেকৈ যথার্থ সুখ কত, আৰু যত আমাৰ সকলো দুখ আৰু ভাবনা সমাপ্তি হব তাকে জানো, এতেকে অসন্তোষ কৰিব লগা নাই।

DUTIES OF CHILDREN TO THEIR PARENTS.
সন্তান সকলৰ পিতৃ মাতৃৰ প্রতি কর্ত্তব্য কর্ম্ম।

তোমাৰ পিতৃ মাতৃক মৰম কৰা, কিয়নো সিবিলাকে তোমাক বৰ চেনেহ কৰে আৰু উপজিবৰে পৰা তোমাক প্রতিপালন কৰিচে।৩৭।

যেতিয়া তুমি অতি কেচুৱা আছিলা আৰু মাতিব বা ফুৰিব নোৱাৰি কান্দি সিবিলাকক বেজাৰ দিচিলা তেতিয়াও তেঁও বিলাকেহে প্ৰতিপালন কৰিচিল। তোমাৰ প্ৰতি পিতৃ মাতৃ যেনে মৰমিয়াল তেনে আৰু কোন আচে? তোমাক শিকাবলৈ তেনে দুখ কোনে সহিচে? তুমি যিবোৰ কথা জানা তাক কোনে শিকাইচে? তোমাক খাবলৈ আৰু শুবৰ বিচনা কোনে দিচিল? তোমাৰ আনন্দত কোনে ৰঙ্গ পায় আৰু তোমাৰ দুখত কোনে দুখ পায়? তুমি নৰিয়া পৰিলে কোনে মৰম কৰে আৰু প্ৰতিপালন কৰে? কোনে তোমাৰ ভাললৈ ঈশ্বৰক প্ৰাৰ্থনা কৰে?

তোমাৰ পিতৃ মাতৃক মান্য কৰা। তোমালৈ যি ভাল তাক তেঁও বিলাকে তোমাতকৈ অধিক জানে আৰু সিবিলাকে সদাই তুমি জ্ঞানী আৰু সুখি হবৰ বাঞ্ছা কৰে।

তোমাৰ পিতৃ মাতৃ নৰিয়া বা দুখত পৰিলে সিবিলাকক সুখি কৰিবলৈ তুমি পুৰুষাৰ্থ কৰিবা আৰু সিবিলাক দুখিয়া হলে প্ৰতিপাল কৰিবা। তোমাৰ হৈ সিবিলাকে যিমান কৰিচে আৰু যি দুখ সহিচে তাক কেতিয়াও নেপাহৰিবা।

DISOBEDIENCE WILL BE PUNISHED.

পিতৃ মাতৃক অৱজ্ঞা কৰাৰ প্ৰতিফল।

লৰাই পিতৃ মাতৃৰ কথাত মান্য কৰিব পাই, কিন্তু সিবিলাকৰ বচন নেমানি অনেকে প্ৰাণ হেৰাইচে আৰু কেতবোৰ খোৰা কোঙ্গাও হৈচে।

এটা সৰু লৰাই মাক বাপেকৰ হাক নেমানি পিঠা আৰু মিঠই বুটলি ফুৰিচিল, পিচে এদিন তেনেকৈ বোটলাত এন্দুৰৰ ফাঁদত হাত পৰি বৰকৈ কাটিলে।

এঠাইত কেতবোৰ লৰা গোট খাই এটা নাদৰ পাৰত ধেমালি কৰিব লাগিচিল; মাক বাপেকে নাদৰ ওচৰলৈ জাবলৈ সিহঁতক হাক দিচিল কিন্তু তেও এটা লৰাই কোখৰলৈ গৈ নাদত ভুমুকি দি চাওঁতে পৰিব ধৰিলত এজনি তিৰোতা লৰি গৈ তাৰ কাপৰত ধৰিলে কিন্তু লৰৰ বেগত থিতাপি হব নোৱৰাত লৰাৰ পিচত তাইও পৰিল।

নাদটোত পানি বৰ দ নাচিল দেখি তাই অলপ সুৰ্ত্তি পাই লৰাটো কোলাত লৈ থিয় দিলে, পিচে সিহঁতৰ এটাহ শুনি মানুহে অখলা লগাই

সিহঁতক জিয়াই তুলিলে, কিন্তু তেও গাত ৰবকৈ ঘা লাগিচিল। নাদ বোৰ নেঢাকি থোৱা বৰ বেয়া, কিন্তু সেই দেখি যে লৰাই মাক বাপেকৰ যে আজ্ঞা নুশুনিব এনে নহয়।

BROTHERS AND SISTERS.
ভায়েক ভনিয়েকৰ কথা।

তোমাৰ ভাই আৰু ভগিনীক মৰম কৰা, তেঁও বিলাকক।৩৯। বেজাৰ নকৰিবা আৰু গালি নেপাৰিবা আৰু সিবিলাকক মাৰিবলৈ তোমাৰ হাত নেদাঙ্গিবা।

তুমি ভাল পোৱা কিবা বস্তু সিবিলাকৰ তত থাকিলে তাক নেপাই তুমি খঙ্গ নকৰিবা আৰু কাঢ়িও নিনিবা কিন্তু সিবিলাকে ভাল পোৱা কোনো দ্ৰব্য যদি তোমাৰ তত থাকে তেন্তে তুমি সিবিলাকে সৈতে তাক ভগাই লবা।

তোমাৰ পিতৃ মাতৃয়ে তোমোলাকক দ্বন্দ কৰা দেখিলে বৰ বিষম পায়। সিবিলাকে তোমাক যেনেকৈ মৰম কৰে তেনেকৈ তোমোলাকেও মিলি থাকি পৰস্পৰ চেনেহ বেথা কৰিলে সিবিলাকে ভাল পায়।

তোমাৰ পিতৃ মাতৃ ভাই ভনিক মৰম নকৰিলে তোমাক কেৱে ভাল নেপাব আৰু সকলোৱে নিন্দা কৰিব। মানুহে কব বোলে মাক বাপেকে ইমান উপকাৰ কৰিচে, সিবিলাকক প্ৰেম নকৰি কাক নো কৰিব? আৰু ভায়েক ভনি একে পিতৃ মাতৃৰে পৰা উপজিচে, একে ঘৰতে ডাঙ্গৰ দিঘল হৈচে, এতেকে তেঁও বিলাককে মৰম নকৰিব যে কৰিবই নো কাক?

ON THE DUTY OF A PUPIL TO HIS INSTRUCTOR.
ছাত্ৰৰ অধ্যাপকৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম।

ছাত্ৰে সকলো প্ৰকাৰে তেঁওৰ অধ্যাপকক সন্তোষ কৰিবলৈ পুৰুষাৰ্থ কৰিব পাই কিয়নো তেঁও যি কয় সি তাৰ ভাললৈহে।

যেতিয়া অধ্যাপকে দোষ পাই ছাত্ৰক মাৰে তেতিয়া তেঁওক নিৰ্দয় বোলা বৰ বেয়া। যিটো অধ্যাপকে ছাত্ৰে দোষ কৰিলে তাক চেকনিবে নোকোৰাই সেই অধ্যাপকৰ প্ৰতি ছাত্ৰেই চেকনি লব।

কেতবোৰ লৰাই দোষৰ হৈ মাৰ খালে অধ্যাপকক খঙ্গ কৰে কিন্তু তুমি এনে কথা কেতিয়াও নকৰিবা, তোমাৰ অধ্যাপকৰ অনুগ্ৰহ আৰৌ পাবলৈহে পুৰুষাৰ্থ কৰিবা; তোমাক শিকাবলৈ তেঁওবিলাকে যিমান শ্ৰম কৰিচে তাকে মাথোন ভাবি চোৱা। মৰমিয়াল মানুহে শিকাবলৈ ভাল পায়, কিন্তু তেও সিবিলাকৰ কেতিয়াবা২ খঙ্গ উঠে।

হে লৰাহঁত তোমোলাকৰ শিক্ষকক অতি মান্য কৰা আৰু তোমোলাকক তেঁও খঙ্গ কৰিলে তেঁওক নিৰ্ম্মৰমিয়াল বুলি নেভাবিবা, আপোনাতে ভাবি চোৱা মাথোন; তোমাৰ কেতিয়াও খঙ্গ নুঠেনে? উমলিবৰ সময়ত তুমি তোমাৰ লগৰিয়াক খঙ্গ নকৰানে? এতেকে তোমাক পঢ়াওঁতে বেজাৰ পাই তোমাৰ অধ্যাপকে অলপ খঙ্গ কৰিলে তুমি বেয়া নেপাবা। বিদ্যা কেনে মূল্যবান তাকে মাথোন ভাবা, বিদ্যা অমূল্য ৰতন। এতেকে তোমাক এনে ৰতন যোনে দিচে তাৰ প্ৰতি কেনে কৃতজ্ঞ আৰু চেনেহিয়াল হব পোৱা।৪১।

BENEFICIENCE ITS OWN REWARD.
দানৰ পুৰস্কাৰ।

এক বৰ মৰমিয়াল সুতাৰ এদিন এক নগৰৰ পৰা আন এক নগৰলৈ জাবৰ ইচ্ছা কৰি বাৰে টকা ৰূপ বাটত ভাঙ্গি খাবলৈ ললে।

কিন্তু যাত্ৰা কৰিবৰ অল্প আগে সি এটা মানুহক বৰ অসন্তোষকৈ জোৱা দেখি তাৰ ওচৰলৈ গৈ সুধিলে বোলে তোমাক দুখৰ পৰা আমি উদ্ধাৰ কৰিব পাৰোঁ নে? তাতে সেই মানুহে তাৰ দয়া দেখি তাৰ দুখৰ কথা সকলোতে এই বুলি ভাঙ্গি কলে বোলে দহ টকা ৰূপ দিব নোৱৰাত আজি মোক লৰা তিৰোতাৰ তৰ পৰা বন্দিশাললৈ নিব।

তাতে সেই মৰমিয়াল সুতাৰে সুধিলে বোলে তোমাক তাতকৈ অধিক নেলাগে নে? ময়ে সৈতে আহাঁ, মোৰ পেৰাত ১২ টকা ৰূপ আচে সেই খনি এটাই তোমাৰ; এই বুলি সি তাক বাৰ টকা ৰূপ দিলে।

পাচ দিনা তেঁওৰ এক মিত্ৰে সুধিলে বোলে তুমি এটা মানুহক তাৰ লৰা তিৰোতাই সৈতে মহা দুখৰ পৰা উদ্ধাৰ কৰিচা বোলে হয় নে? তাতে সুতাৰে কলে বোলে হে মিত্ৰ ময় কালি এবাহ পৰিয়ালে সৈতে কেনে সুখেৰে ভোজন কৰিচোঁ, সিহঁতে চকু পানিৰে মোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি গৰাহে২ মোক আশীৰ্ব্বাদ কৰিচিল। ।৪২।

THE COMPASSIONATE JUDGE.
মৰমিয়াল বিচাৰকৰ্ত্তাৰ কথা।

ফ্ৰান্স দেশত এণ্টনি দোমাত নামে এক প্ৰধান বিচাৰকৰ্ত্তা আচিল। এদিন এজনি দুখিয়া বাৰি তিৰোতা তেঁওৰ চৰালৈ গৈ এক চৌধাৰিৰ নামে তাইৰ মাটি কাঢ়ি নিচে বুলি গোচৰ কৰিলে।

বিচাৰ পতিয়ে গোচৰ শুনি এই প্ৰমাণ পালে যে সেই তিৰোতাই নাজানি মাটিৰ পটাৰ কৰাল নামানিলত চৌধাৰিয়ে তাইক খেদাইচে। ইয়াকে জানি তেঁও চৌধাৰিক দুখিয়া বাৰিক দয়া কৰিব দিলে, কিন্তু সি বৰ নিৰ্ম্মৰমিয়াল আছিল দেখি তেঁও বাৰিক মাটিৰ পৰা খেদিবৰ আৰু গোচৰৰ খৰচও দিবৰ আজ্ঞা দিলে, এই আজ্ঞা দিওঁতে দোমাতৰ মৰম লাগি চকু মচিলত গিৰ২ কৈ চকুৰ পানি পৰিব ধৰিলে।

পিচে যেতিয়া তাইক বন্দি কৰি ধন সাধিবৰ আজ্ঞা হল তেতিয়া তাই আটাহ পাৰি কলে বোলে হে ন্যায় ঈশ্বৰ তুমি এজনি দুখিয়া তিৰোতা আৰু তাইৰ অনাথ পুত্ৰৰ পিতৃ হোৱানে? এই বুলি তাই মুচ্‌কচ্‌ গল।

তাতে সেই বিচাৰকৰ্ত্তাই তাইক তুলি তাইৰ স্বভাৱ প্ৰকৃতিৰ কথা সুধি গোচৰৰ খৰচ ৰূপ ১০০ দি চৌধাৰিক সেই খনি ধনতে মান্‌তি কৰাই বাৰিক মাটি খনিও দিয়ালে। ।৪৩।

বাৰিয়ে তাইৰ উপকাৰ কৰোঁতাৰ কৃপা দেখি সুধিলে বোলে হে দেও আপোনাক এই ধন কেতিয়া দিব লাগিব কলে ময় সাঁচি থব পাৰোঁ। দোমাতে কলে বোলে মোৰ চিত্তে যেতিয়া কব বোলে তয় এইটো কুকৰ্ম্ম কৰিচ তেতিয়া ময় তোমাত ধন সাধিম।

THE NOBLE BEHAVIOUR OF SCIPIO.

সিপিও সেনাপতিৰ সচ্চৰিত্ৰৰ কথা।

ৰোমান ৰাইজে সিপিওক ২৪ বচৰ বয়সত স্পানিয়া দেশে সৈতে ৰণ কৰিবলৈ সেনাপতি পাতিলে।

কাৰথেজ্ নগৰ জয় কৰাৰ পিচত তেঁওৰ ধৰ্ম্ম আৰু সুচৰিত্ৰৰ পৰীক্ষা তলত লিখা দৰে হল, আৰু পূৰ্ব্বৰ আৰু এতিয়াৰ পুৰাবৃত্ত লিখক সকলে এই কথা বৰ প্ৰশংসা কৰিচে।

স্পানিয়া হঁতৰ ৰণ জিকি তেঁও চাউনিলৈ আহিলত তেঁওৰ তলতিয়া বিষয়া সকলে তেঁওৰ তলৈ এজনি এনে ৰূপৱতী কন্যা আনিলে যে তাইৰ ৰূপ দেখি সভাৰ সকলোৱে মোহিত হল, সিপিওও তেঁওৰ স্বভাবিক ধৈৰ্য্যতা এৰি বৰ অস্থিৰ হৈ তেঁওৰ আসনৰ পৰা উঠিল, পিচে স্থিৰ হৈ সেই ৰূপৱতী বন্দিয়াৰৰ ঘৰ, থকা ঠাই, আৰু বংশ ইত্যাদিৰ কথা অতি আদৰকৈ সুধি ৰজাৰ কোঁৱৰ এটাই তাইক বিয়া কৰাবলৈ খুজিচে বুলি শুনি সেই কোঁৱৰক আৰু কন্যাৰ মাক বাপেকক আনিবৰ আজ্ঞা দিলে। ।৪৪।

পিচে সেই স্পানিয়া দেশৰ কোঁৱৰ তেঁওৰ তলৈ অনা হলত তেঁও তাক একোখৰকৈ মাতি নি সি সেই কন্যাৰ নিমিত্তে যে ভাবিচিল সেই ভাৱনা দূৰ কৰিবৰ নিমিত্তে এই বুলি কলে বোলে তুমি আৰু ময় দুইও ডেকা, সেই দেখি এফেৰিও আশঙ্কা নৰখাকৈ কওঁ, যিবিলাকে মোৰ তলৈ তোমাৰ খোজা বঢ়া কন্যা আনিচিল সিহঁতে তাইক তুমি অতি মৰম কৰা বুলিও কৈচিল আৰু তাইৰ ৰূপ গুণ দেখি সেই কথাত ময় সঁজাত কৰিচোঁ, কিন্তু ময় ভাবিচিলোঁ বোলোঁ তোমাৰ নিচিনা অৱস্থাত পৰা হলে ময়ো অনুগ্ৰহ বাঞ্ছা কৰিলো হঁতন। এতেকে ময় তোমাক এটি উপকাৰ কৰিব খোজোঁ, যুদ্ধৰ দ্বাৰা মই তোমাৰ অধিকাৰ হৈচোঁ হয় কিন্তু ময় তোমাৰ মিত্ৰ হব খোজোঁ; এইয়া তোমাৰ তিৰোতা লৈ যোৱা, আৰু সন্তোষ হবা। তুমি নিশ্চয় জানিবা যে তাই মাক বাপেকৰ ঘৰত যেনেকৈ থাকিল হঁতন আমাৰ ইয়াতো তেনেকৈ আছে, যি সুখৰ পৰা সৎ মানুহৰ ধৰ্ম্ম সুখ আৰু মৰ্য্যাদা নষ্ট হয় তেনে সুখ মই সিপিওৱে ভোগ কৰিব নোখোজোঁ, মোৰ আৰু তোমাৰ যোগ্য দান কৰিবলৈ ময় তাইক ৰাখিচিলোঁ, এতেকে এই অমূল্য দানৰ সলনি তুমি মোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি ৰোম দেশীয়ৰ মিত্ৰ হোৱা।

সেই কোঁৱৰে এই কথাত একো সমিধান দিব নোৱাৰি সেনাপতিৰ ভৰিত পৰি ৰবকৈ কান্দিব ধৰিলে আৰু সেই ।৪৫। কন্যাও সেই দৰে পৰিল। পিচে সেই কোঁৱৰৰ বুঢ়া বাপেকে অতি হৰ্ষ হৈ এই কলে বোলে হে মহৎ সিপিও, ঈশ্বৰে তোমাক মনুষ্যতকৈ অধিক ধৰ্ম্ম দিচে, হে মহিমাৱন্ত সেনাপতি তুমি এতিয়া এই কৃতজ্ঞ কন্যাৰ আশীৰ্ব্বাদ শুনি যি সন্তোষ পাইচা তাৰ সমান সুখ কি হব পাৰে।

সিপিও এনে আছিল, তেঁওৰ সদগুণ পুৰস্কৃত নোহোৱাকৈ নাথাকিল। সেই স্পানিয়া ৰজাৰ কোঁৱৰে এনে মহত্তা, দয়া, আৰু শীলতা দেখি অতি আচৰিত হৈ স্বদেশলৈ গৈ সেই মহৎ সেনাপতিৰ সদগুণ সকলো ঠাইতে এই বুলি প্ৰকাশ কৰিলে বোলে স্পানিয়া দেশলৈ এজনা এনেহে বিৰ আহিছে যে তেঁও সকলোকে আপোনাৰ দয়া আৰু ধৰ্ম্মৰ প্ৰভাৱত যিমানকৈ জিকে বাহুবলৰ দ্বাৰা তিমান নকৰে।

NO BANK OR POSSESSION CAN MAKE A GUILTY MIND HAPPY.

ধন সোন ঐশ্বৰ্য্য একোৱে দোষী মনক সুখী কৰিব নোৱাৰে।

দাইওনিচিচ নামে চিচিলি উপদ্বীপৰ এক ৰজা অতি ধনৱন্ত আচিল আৰু ঐশ্বৰ্য্যৰ পৰা উৎপত্তি হোৱা সকলো সুখ ভোগ কৰিচিল কিন্তু তেও সুখী নাচিল।

দেমক্লচ নামে তেঁওৰ এটা খাটনিয়াৰ তেঁওৰ ঐশ্বৰ্য্য দেখি মোহিত হৈ এদিন তেঁওৰ পৰাক্ৰম আৰু ধন প্ৰশংসা।৪৬। কৰি কলে বোলে দাইওনিচিচতকৈ ধনৱন্ত আৰু সুখী ৰজা কেতিয়াও নাচিল।

তাতে ৰজাই কলে বোলে দেমক্লচ তুমি এই সুখৰ স্বাদ বুজিব খোজানে আৰু যি সুখক তুমি ইমান ৰৰ বুলি ভাবিচা তাক জানিব খোজানে? এই কথাত দেমক্লচ অতি হৰ্ষ হৈ সেই সুখ অভিলাষ কৰাত ৰজাই ৰাজ ভোগ প্ৰস্তুত কৰিবলৈ আৰু তাক বহিবৰ সোনৰ বন কৰা আসন দিবলৈ আজ্ঞা কৰিলে।

পিচে এখোটালিক্ত সোন ৰূপৰ বাচন দমকৈ চাৰিও ফালে সজালে, অতি সুৱনি আলধৰা বোৰ তাৰ আল ধৰিবলৈ থিয় দিলে, আৰু নানা বিধৰ সুগন্ধি দ্ৰব্য তিয়াৰ কৰি সকলো বিধৰ ভাল২ খাবৰ দ্ৰব্য আনিলে। দেমক্লচ সুখত উন্মত্ত হৈ আপোনা আপুনি দেৱতা হেন বুলি ভাবিলে।

এই আনন্দৰ মধ্যত পৰি থাকি ওপৰলৈ চাই দেখে যে ঘৰৰ চালত এখন চোকা তৰোৱাল তাৰ মুৰৰ ওপৰত একে ডাল চুলিৰে আৰি থৈছে।

তৰোৱাল পৰি তাক নাশ কৰিবৰ ভয়ে তাৰ সকলো সুখকে গুচালে, সোন ৰূপৰ জিলিকনি আৰু বাজনা ইত্যাদিৰ পৰা সি সুখ নোপোৱা হল, সি খাবলৈ হাত বঢ়াবলৈকো ভয় কৰিব ধৰিলে, আৰু ফুলৰ মালাবোৰ দলিয়াই পেলালে আৰু সেই ভয়ানক ঠাইৰ পৰা নিলগ হবলৈ বাঞ্ছা কৰি এনে ভয়েৰে সুখ ভোগ কৰিবৰ আৰু অভিলাষ নাই বুলি ৰজাক।৪৭। আকৌ পূৰ্ব্বৰ অৱস্থালৈ জাবৰ অনুমতি পাবৰ প্ৰাৰ্থনা কৰিলে।

এই বুধিৰে দাইওনিচিচ ৰজাই ধন সোনৰ মাজত থাকিও আৰু ৰজাই ভোগ কৰা সুখ ভোগ কৰিও যে সদাই অসুখী আছিল তাকে দেমকণ্টচক জনালে।

LYING.
মিচা কথা।

মিচা কথা কোৱা সদাই নীচ মনৰ হে চিন। মিচলিয়া নাম যি মানুহে পায় সি সকলোৰে আগত যি লাজ পায় তাৰ কথা ময় নকৱঁই, মিচলিয়া যি সি লৰাই হক বা চোৱালিয়ে হক, ধনৱন্তেই হক বা দুখিয়াই হক আৰু মুনিহেই হক বা তিৰোতাই হক সকলো সমান; মিচলিয়াক যোনে চিনে সেয়েই ঘৃণা কৰে আৰু তাৰ কথা সঁচা হলেও কেৱে নপতিয়াই, সি কোনো সময়ত মানুহৰ সহায় খুজিলে তাৰ কথা মিচা বুলি কেৱে নুশুনে।

সকলো বিধৰ মিচা কথাই বেয়া, যি মিচা কথাৰে তুমি কাৰো দন্য কৰা সিতো বেয়াই, কিন্তু যি মিচা কথাৰ পৰা কাৰো দন্য নহয় সিও বেয়া।

কোনো ভাল কৰ্ম্ম কৰিচা হেন বুলি যদি তুমি মিচাকৈ দৰ্প কৰা তেন্তে তাৰ দ্বাৰা মানুহক চলা আৰু যদি কোনো কুকৰ্ম্ম লুকাবলৈ মিচা কোৱা তেন্তে তাৰ দ্বাৰা দোষৰ ওপৰত।৪৮। দোষ কৰা বুলি জানিবা। অপৰাধ লুকাবৰ নিমিত্তে মিচা কলে দোষ নাই বুলি কেতিয়াও নাভাবিবা কিয়নো মিচা যি সি মিচা, যি নিমিত্তেই কোৱা, আৰু ভাল হবলৈ অকৰ্ম্ম কৰিব নোপোৱা।

কিন্তু ময় সঁচা কব দিচোঁ বুলি তুমি আপোনা আপুনি কাৰো দোষৰ কথা নকবা, কিন্তু যেতিয়া তোমাক কেৱে সোধে বোলে অমুকে কি কৰিচে তেতিয়া তুমি স্বৰূপ কথা কবা বা একোকে নকবা, মিচা হলে কেতিয়াও নকবা।

আৰু তুমি জানিবা যে ঠাবেৰেও আৰু কথাবেও মিচা কব পাৰে, আৰু তুমি সঁচা কইও মিচা কব পাৰা অৰ্থাৎ ময় তোমাক কোনো এটা কৰ্ম্ম কৰিব দি যদি তোমাত সোধো বোলো সেই কৰ্ম্ম কৰিলানে? পিচে তুমি যদি কোৱা যে সেই কৰ্ম্ম কৰিবৰ এডাঁৰ পৰ হৈছে কিন্তু স্বৰূপত তুমি কৰা নাই আনেহে কৰিচে তেন্তে এনে কথাকো মিচা বোলে।

এতেকে হে প্ৰিয় লৰা সকল, মিচাৰ পৰা পলাবলৈ সাৱধান হোৱা আৰু পৰকালত মিচলিয়াৰ কি গতি হব তাকে মাথোন কেতিয়াও নেপাহৰিবা। ঈশ্বৰৰ তলৈ কোন জাব? অকল তেঁৱে জাব যোনে চিত্তে সৈতে সত্য। ঈশ্বৰে মিচা মুখক ঘৃণা কৰে কিন্তু সত্যবাদিক প্ৰেম কৰে। ।৪৯।

WE MUST NOT TELL LIES NO NOT IN SPORT.

আমি মিচা কথা কব নাপাওঁ ৰঙ্গকৈও নাপাই।

এটা লৰা এখন পথাৰত গৰু ৰখিবলৈ সদাই গৈচিল, সি ৰঙ্গ কৰিবলৈ বৰ ভাল পাইচিল দেখি বাঘ নাহিলেও মিচাকৈ কেতিয়াবা২ বাঘ বাঘ ঔ বুলি আটাহ পাৰিচিল।

বাঘে গৰু খায় দেখি তেনেকৈ আটাহ পাৰিলে ওচৰৰ পথাৰৰ বনুৱই বোৰে বন এৰি বাঘ খেদাবলৈ আহিব হেন বুলি ভাবি তেনেকৈ বাঘ২ বুলি বনুৱইক বনৰ পৰা মাতি নি পিচে ৰঙ্গ কৰিচোঁ বুলি কৈচিল।

পিচে এদিন সঁচা সঁচিকৈ বাঘ আহিলত সি লৰ মাৰি বনুৱই হঁতক বাঘ আহিচে বুলি কলেগৈ, কিন্তু সিহঁতে তাৰ কথা নুশুনি কলে বোলে বুপাই আমি তোক চিনিচোঁ, তয় যি ক সকলো মিচা।

অকাৰণে সি আটাহ পাৰিলে, কেৱে তাৰ গৰু ৰাখিবলৈ নগল, পিচে বাঘে কেতবোৰ গৰু মাৰিলে, কেতবোৰ কামুৰি এৰি গল।

এতিয়া তুমি চোৱাচোঁ মিচা কথা কোৱা কেনে অকৰ্ম্ম, এতেকে সদাই সঁচা কথা কবা তেনে নহলে সঁচা কলেও তোমাক কেৱে নপতিয়াব। ।৫০।

USEFUL ADVICE.
হিত পৰামৰ্শ।

কেতিয়াও মিচা কথা নকবা, তুমি দেখা বা শুনা কোনো কথাৰ বিবৰণ যেতিয়া কোৱা তেতিয়া যেনে দেখিছিলা তেনেকৈ কবা, কোনো কথা ন কৈ সাজি তোমাৰ বিবৰণ শুনিবলৈ ভাল কৰিবৰ চেষ্টা নকৰিবা, কোনো কথা পাহৰিলে পাহৰিচোঁ বুলি কবা।

কোনো অঙ্গীকাৰ কৰিবৰ পূৰ্ব্বে গুনি চাবা; তুমি কোনো কৰ্ম্ম কৰোঁ বুলি পিচে নকৰিলে আপুনি তুমি মিচলিয়া হবা আৰু তেনে হলে তোমাক কোনে পতিয়াব আৰু সঁজাত কৰিব? যি বিলাকে সঁচা কথা কয় আৰু অঙ্গীকাৰ ৰাখে সি বিলাকত বাজে আন কাতো কেৱে সঁজাত নকৰে।

তুমি কোনো কুকৰ্ম্ম কৰিলে শাস্তি পাবৰ ভয় কৰি মিচা নামাতিবা। কুকৰ্ম্ম কৰিলে যদি তুমি অসন্তোষ কৰি আগলৈ তেনে নকৰিবৰ পুৰুষাৰ্থ কৰা তেন্তে তোমাক মানুহে কদাচ খঙ্গ কৰিব আৰু শাস্তি দিব। সকলো মানুহে তোমাক সঁচা কথা কোৱাৰ সলনি মৰম কৰিব, সিবিলাকে ভাবিব বোলে ই দোষ ঢাকিবৰ নিমিত্তে আৰু শাস্তি নাপাবলৈকো মিচা কথা নকয়, এতেকে ই যি কয় সি সঁচা।

AGAINST STEALING.
চুৰ কৰাৰ কথা।

চুৰ কৰা পাপ, যি চুৰ কৰে সি ঈশ্বৰৰ আজ্ঞা অৱজ্ঞা কৰে।৫১। যি বস্তু আমাৰ নহয় তাক নিয়া মহা পাপ আৰু যোনে এনে কুকৰ্ম্ম কৰে সি তাৰ প্ৰতিফল পায়।

এটা লৰা আছিল, সি এদিন যি পঢ়াশালিত পঢ়িছিল তাৰ পৰা এখন পুথি চুৰ কৰি ঘৰলৈ নি মাকৰ আগত কলত তাই তাক শাস্তি নকৰি মুঠে হাঁহি কলে বোলে এনে কৰা ভাল নহয়।

পিচে সি আশয় পাই লাহে২ যি বস্তুকে ভাল দেখিছিল তাকে চুৰ কৰিবলৈ ধৰিলে শেষত চোৰ ধৰা পৰিলত ফাঁসীত দিবৰ আজ্ঞা হল।

ফাঁসীৰ চাঙ্গত উঠি সি মাকে সৈতে কথা কবলৈ ইচ্ছা কৰাত তাই কথা শুনিবৰ নিমিত্তে চাঙ্গত উঠিল, পিচে সি কথা কবৰ চলে তাইৰ কানলৈ মুখ

নি কানখন কামুৰি চিঙ্গি কলে বোলে ময় সৰু থাকোঁতে যে তয় হেলা কৰিচিলি তাৰ প্ৰতিফল পা, তয় হে মোৰ মৰণৰ কাৰণ, কিয়নো ময় যেতিয়া পঢ়াশালিব পৰা পুথি চুৰ কৰিচিলোঁ তেতিয়া যদি মোক মাৰিলি হঁতন তেন্তে ময় এই দুখ আৰু লাজত নপৰিলো হঁতন।

লৰাক সৰুৰে পৰা যেনে হবলৈ শিকোৱা জায় ডাঙৰ হলেও তেনে হয়, এতেকে সৰুতে সজ হবলৈ শিকাব লাগে। এই চোৰটক প্ৰথমে পুথি চুৰ কৰোঁতেই ভালকৈ মৰা হলে এনেকৈ কেতিয়াও নমৰিলে হঁতন।৫২।

THE BLIND GIRL.
কনা চোৱালিৰ কথা।

নাৰায়ণী নামেৰে এজনি চোৱালি আচিল। তাই একো কৰ্ম্ম মন লগাই নকৰি পঢ়িবলৈ পাঠ দিলে বৰ টান বুলি কান্দি নোৱাৰোঁ বুলি পেলাই থৈ সাধু কথা পঢ়িবলৈ ভাল পাইচিল আৰু লাহে২ নিশিকি সকলোকে একে লগে শিকিবৰ ইচ্ছায় আটাই কৰ্ম্মকে হেলা কৰি পিচে অজ্ঞান হবৰ উপক্ৰম কৰিলে।

এদিন তাই লগৰিয়া এজনিয়ে সৈতে ফুৰিবলৈ জাওঁতে বাটত বৰখুনে পালত আলিৰ কোখৰৰ পজা এটাত লৰি সোমাল গৈ; পজাৰ ভিতৰত আন কেৱে নাচিল অকল এজনি বাৰ বচৰিয়াঁ কনা চোৱালি নাম গাই২ কাপৰ সিব লাগিচিল।

ইয়াকে নাৰায়ণীয়ে দেখি বৰ আচৰিত হৈ সুধিলে বোলে তুমি কনা হবৰ আগে সিবলৈ শিকিচানে? তাতে সেই কনা চোৱালিয়ে কলে বোলে ময় কনা হৈ উপজিচোঁ ইয়াকে শুনি নাৰায়ণী আগতকৈও আচৰিত হৈ কলে, তুমি নো কেনেকৈ ববলৈ শিকিলা? ভালেমান দুখ আৰু বেজাৰ পাইচিলা যেন পাওঁ।

কনা চোৱালিয়ে কলে বোলে আইটী হয় ময় প্ৰথমে বেজাৰ পাইচিলোঁ, কিন্তু মন দি শিকিলত বেজাৰ গুচিল আৰু ময় এতিয়া দুখিয়া আই বোপাইৰ হৈ বৰ কৈ শ্ৰম কৰোঁ। ।৫৩।

ময় কনা হলোঁ দেখি মোৰ পিতৃ মাতৃয়ে বৰ অসন্তোষ কৰিচিল, কিন্তু সিবিলাক বনৈলে জোৱাত আমাৰ ওচৰ চুবুৰিয়াই মৰম কৰি মোক প্ৰতিপাল কৰিচিল; পিচে মোৰ সাত বচৰ মান বয়স হলত এজনি বুঢ়িয়ে এদিন মোত

কলে বোলে নাৰায়ণী তয় কনা হয় কিন্তু এনেই বহি থকা ভাল নহয়, খোড়া আৰু কোঙাইও বন কৰি খাইচে এতেকে আপি তয় যদি ভাল পা তেন্তে ময় তোক মোজা ববলৈ শিকাব পাৰোঁ, কিন্তু শিকিবলৈ বেজাৰ বুলি ভয় নকৰিবি, প্ৰথমে শিকা বৰ টিলা নহয়।

এই কথাত ময় বৰ হৰ্ষ পাই পিতৃ মাতৃক প্ৰবৰ্ত্তাবলৈ উপায় কৰিব পাৰিম হেন বুলি সেই দিনাৰে পৰা মোজা বোৱা বেজি লৈ মোজা ববলৈ শিকিব ধৰিলোঁ।

ভালেমান দিনলৈকে ময় অতি লাহেং শিকিলোঁ আৰু কেতিয়াবা পাৰিম হেন বুলি ভবা নাচিলোঁ, কিন্তু সেই বুঢ়ীয়ে ভাল মনেৰে শিকিব দিলত ময় শেষত মোজা বন্ধা জৰি এজোৰ বলোঁ, পিচে মোজা ববলৈকো শিকিলোঁ; এতিয়া ওৰে দিনটো বলেও বেজাৰ নালাগে আৰু মানুহেও কনা চোৱালিয়েঁ বোৱা মোজা কিনিবলৈ ভাল পাই।

নাৰায়ণীয়ে এই সকল কথা শুনি আপোনাৰ চৰিত্ৰ বেয়া বুলি জানি ভাবিলে বোলে কনা চোৱালিয়েই যদি ববলৈ শিকিলে ময় চকু থকাত শিকিবলৈ আৰু টিলাহে।

পাচ দিনাৰে পৰা তাই ভাল মনেৰে পাঠ পঢ়িবলৈ ধৰি।৫৪। পাঠ টিলা পালে, আৰু আগে সাত দিনত যিমান শিকিচিল সেই দিনা একে দিনে তিমান শিকিলে; শেষত তাই সদাই ভাল মনেৰে পঢ়ি শিকিবলৈ ৰঙ্গ পাই বিদ্যাৱতী আৰু জ্ঞানৱতী হৈ সকলোৰে মনত ভাল হ'ল।

ON ANGER.
ক্ৰোধ বিষয়ক।

কোনো কথাত তোমাৰ খঙ্গ উঠিলে খঙ্গ উঠাৰ আগে খঙ্গ নুঠিবৰ উপায় কৰিবা। খঙ্গ উঠাৰ পৰা তুমি আনৰ দোষৰ সলনি আপুনিহে শাস্তি ভোগা।

তোমাৰ কোনো মিত্ৰৰ কথাত খঙ্গ উঠিলে তেতিয়াই সেই কথাৰ উত্তৰ একো নিদিবা; কিয়নো তুমি শান্ত হ'লে খঙ্গৰ চিনো নাথাকিব।

খঙ্গৰ পৰা খঙ্গ অধিককৈ হে উঠে, এতেকে যেতিয়া খঙ্গ উঠে তেতিয়া এক আখাৰ কথাও নকবা।

প্ৰতিহিংসা কৰিবলৈ কেতিয়াও ইচ্ছা নকৰিবা। কোনো মানুহে তোমাক অপমান কৰিলে সেই অপমানক ঘৃণা কৰাৰ সমান প্ৰতিহিংসা নাই, অপমানক ঘৃণা কৰিলে অপমান কৰোঁতাই আপোনাৰ দোষ জানি বৰ দুঃখ পাব।

যি সকলে তোমাক অপমান কৰে সিহঁতে তোমাক বেজাৰ পোৱা দেখিলে আকৌ তোমাক অপমান কৰিবৰ ইচ্ছা।৫৫। কৰিব; কিন্তু তুমি সিহঁতৰ অপমানক ঘৃণা কৰিলে সিহঁতে লাজ পাব।

VIRTUE IN HUMBLE LIFE.
দুখিয়া মানুহৰ ধৰ্ম্ম।

পেৰিনৰ মাত নৌ ওলাওঁতেই বাপেক মাক দুইও মৰিল, সেই দেখি পঢ়িবলৈ এটা ধন দিব নলগা পঢ়াশালিলৈ গল।

পিচে পোন্ধৰে বচৰ বয়স হলত এক খেতিয়কে তাক মেৰ চাগ ৰখিয়াকৈ ৰাখিলে। সি যি ঠাইত মেৰ চাগ ৰখিচিল তাতে লুচেতা নামেৰে এজনি আপিয়ে তাইৰ বাপেকৰ মেৰ ৰখিচিল। সিহঁত দুইৰো সদাই দেখা দেখি হৈছিল পিচে পাঁচ বচৰৰ চিনাকিৰ মুৰত এদিন পেৰিনে কলে বোলে লুচেতা আমি দুইও বিয়া সোমাবলৈ তোমাৰ পিতাৰাক সুধিমনে? লুচেতাই লাজ কৰিলে, কিন্তু মান্‌তি হল।

পাচ দিনা তাই নগৰলৈ কিবা কাৰণে গলত সেই সময়কে ভাল হেন জানি পেৰিনে লুচেতাক বিয়া কৰাবলৈ তাইৰ বাপেকক খুজিলে, তাতে সেই বুঢ়াই কলে বোলে তয় মোৰ চোৱালিক বিয়া কৰাব খোজ, তাইক থবলৈ তোৰ ঘৰ আচে নে? আৰু প্ৰতিপাল কৰিবলৈ ধন আচে নে? লুচেতাৰ।৫৬। কপালেৰে দুইও কেনেকৈ প্ৰতিপাল জাবি? এতেকে সি কথা নহয় পেৰিন সি কথা নহয়।

এই কথাত পেৰিনে কলে, মোৰ বন কৰিবৰ হাত আচে, সদ্যহ কুৰি টকা আচে তাৰে বিয়াৰ খৰচ হব আৰু অধিক শ্ৰম কৰি ধনো সাচিম। কিন্তু বুঢ়াই কলে বোলে তয় এতিয়াও সৰুএ আচ, অলপ বাট চা, ধনৱন্ত হ, মোৰ চোৱালি তৌলৈকে থাকিল।

পেৰিনে গধুলি লুচেতা নহা মানলৈকে বাট চালে পিচে তাই আহি সুধিলে বোলে মোৰ পিতাই মান্‌তি নহলনে? পেৰিনে উত্তৰ দিলে যে দুখিয়া হোৱাৰ

নিমিত্তে মোৰ কেনে দুৰ্ভাগ্য, কিন্তু ময় গোটেই নৈৰাশ হোৱা নাই, কি জানি ময় ধনৱন্ত হৱেই।

সিহঁতে এনেকৈ কোৱা কুই কৰোঁতে ৰাতি হলত আন্ধাৰ হল, পিচে পেৰিনে উজটি খাই মাটিত পৰি এখন গধুৰ মোনা পালত ওচৰৰ পৰা এটা চাকি আনি দেখে যে মোনা খন সোনেৰে ভৰা।

পেৰিনে অতি হৰ্ষ হৈ কলে বোলে ময় ঈশ্বৰক আমাৰ কামনা পূৰ্ণ কৰাৰ নিমিত্তে ধন্যবাদ কৰোঁ। ইয়াকে দেখি তোমাৰ পিতাৰাও সন্তোষ হব আৰু আমিও সুখী হম।

কিন্তু বাটতে তাৰ এটা কথা মনত পৰিল বোলে এই ধন আমাৰ নহয় আন কাৰোবাৰ, কি জানি সি এতিয়া এই ধনৰ ।৫৭। সলনি বিলাপকে কৰিচে। আমি পুৰোহিতৰ তলৈ গৈ পৰামৰ্শ সোধোঁগৈ বলা, তেঁও আমাক মৰম কৰে।

এই বুলি গৈ সি ধনৰ মোনা খন পুৰোহিতৰ হাতত দি কলে বোলে পূৰ্ব্বে ময় ঈশ্বৰে আমাক বিয়া কৰাবৰ নিমিত্তে দিচে বুলি ভাবিচিলোঁ কিন্তু এতিয়া গমি চাওঁ যে ইয়াক নিয়া অবিধি।

পুৰোহিতে সিহঁত দুইকো মন দি চাই তাহাঁতৰ সততা প্ৰশংসা কৰি কলে বোলে পেৰিন এনে ভাৱ মাথন সদাই মনত ৰাখিবা, ঈশ্বৰে তোমাক কৃপা কৰিব, এই ধনৰ অধিকাৰক উলিয়াবলৈ আমি পুৰুষাৰ্থ কৰিম, সি তোমাক অৱশ্যে তোমাৰ সততাৰ পুৰস্কাৰ দিব, ময়ও যি পাৰোঁ দিম, তুমি লুচেতাক পাবা।

সেই মোনাৰ কথা সম্বাদ পত্ৰত লিখা গল আৰু ওচৰৰ গাঁও বোৰত কোৱা গল, কিন্তু তেও ভালেমান দিনৰ মুৰতো তাৰ গৰাকি নোলালত পুৰোহিতে পেৰিনৰ তলৈ ধন লৈ গৈ কলে বোলে এই বাৰ হেজাৰ টকাৰ পৰা একো লাভ নাই, তুমি তাৰ লাভ খনিতো খাব পোৱা, এতেকে তুমি তাক এনেকৈ থোৱা যে গৰাকি কেতিয়াবা আহিলেও মূল ধন খনি যেন দিব পাৰা।

এই কথা অনুসাৰে এডোখৰ মাটি কিনা গল, আৰু লুচেতাৰ বাপেকেও বিয়া দিবলৈ মানতি হল; পেৰিনে খেতি কৰি।৫৮। লুচেতাই ঘৰৰ বন কৰি দুইও আনন্দে খাই লই থাকিল আৰু লৰা দুটি হৈ সিহঁতৰ সুখ আৰু বৃদ্ধি কৰিলে।

পিচে পেৰিনে এদিন গধুলি বনৰ পৰা ঘৰলৈ আহোঁতে দুটা ভাল মানুহক ৰথ এখনত উভতি পৰা দেখি লৰি গৈ সিবিলাকক ধৰি তাৰ ঘৰলৈ নি অনেক আদৰ কৰি শক্তি অনুসাৰে সুশ্ৰুসা কৰিলে। তাতে ভাল মানুহ এটাই কলে বোলে এই ঠাই ডোখৰ মোলৈ বৰ সাংঘাতিক; দহ বচৰ হৈচে ময় ইয়াতে বাৰ হেজাৰ সোন হেৰুৱাইচোঁ।

পেৰিনে এই কথা বৰ মন দি শুনি সুধিলে বোলে তুমি তাৰ হৈ কিবা বিচাৰ কৰিচিলানে? তেঁও কলে যে ময় এঠাইলৈ জাবলৈ ওলাইচিলোঁ, জাহাজ মেলিব বুলি লৰা লৰি কৰি জাওঁতে একো বিচাৰ কৰিব নোৱাৰিলোঁ।

পাচ দিনা ৰাতিপুৱা পেৰিনে যিটি মানুহৰ সোন হেৰাইচিল তেঁওকে তাৰ ঘৰ বাৰি গৰু ইত্যাদি দেখুৱাই কলে বোলে এইবোৰ সকলো তোমাৰ বস্তু, সেই ধন মোৰ হাতত পৰিচিল, তাৰে ময় এই মাটি কিনিচোঁ আৰু এই মাটিও তোমাৰ; পুৰোহিতৰ তত এখন কাকত আচে, তাৰ দ্বাৰা ময় মৰিলেও এই মাটি পালা হঁতন।

সেই ভাল মানুহে কাকত খন বৰ আচৰিত হৈ পঢ়ি পেৰিন লুচেতা আৰু লৰা দুটিক চাই কলে বোলে ময় কত আচোঁ? কি শুনু? এনে দুখিয়া মানুহৰ ইমান ধৰ্ম্ম? এই মাটিত বাজে তোমাৰ আন মাটি আচেনে? পেৰিনে কলে।৫৯। বোলে নাই, কিন্তু তোমাক ৰাইয়ত লাগিব, এতেকে মোক ইয়াতে থাকিব দিবা।

তাতে সোনৰ গৰাকিয়ে উত্তৰ দিলে বোলে নহয়, তোমাৰ সততাৰ নিমিত্তে ইয়াতকৈ বঢ়া পুৰস্কাৰ পাব পোৱা; মোৰ বাণিজ্যত ভালেমান লাভ হৈচে আৰু মোৰ যি সোন হেৰাইচিল তাক পাহৰিলোঁৱেই। তুমি এই মাটি পাব পোৱা, এতেকে তুমি তাক আপোনাৰ বুলি ৰাখা, তোমাতকৈ অধিক মহৎ কৰ্ম্ম পৃথিবীত কোনে কৰিলে হঁতন?

পেৰিন আৰু লুচেতা দুইও অতি হৰ্ষ হল, পেৰিনে কলে বোলে হে মোৰ প্ৰিয় লৰাহঁত, তহঁতৰ উপকাৰ কৰা হাতত চুমা খা, লুচেতা এই মাটি এতিয়া আমাৰ হল, আমি এতিয়া শুদ্ধ মনেৰে ভোগ কৰিম।

এনেকৈ সততা পুৰস্কৃত হল; সেই দেখি যোনে পুৰস্কাৰ পাব খোজে সি সেই ধৰ্ম্ম কৰক।

INDUSTRY BETTER THAN GOLD.
সোনতকৈ শ্ৰম ভাল।

যেতিয়া দক্ষিণামেৰিকা দেশলৈ সোন পাবৰ আশায় অনেক মানুহ গৈচিল তেতিয়া পিজাৰো নামেৰে এটা স্পানিয়া দেশৰ মানুহেও আনৰ নিচিনাকৈ কপালৰ মাহাত্ম্য বুজিবৰ মন কৰিলে, কিন্তু তাৰ এটা ডাঙ্গৰ ভায়েকক বৰ মৰম কৰিচিল দেখি সি তাৰ তলৈ গৈ তাৰ অভিলাষ জনাই।৬০। লগত জাবলৈ প্ৰাৰ্থনা কৰি কলে বোলে আমি যিখিনি সোন পাওঁ তাৰ আদ খনি তুমি নিবা।

পিজাৰোৰ ককায়েক এলঞ্জোৰ বৰ সন্তোষী স্বভাব আছিল আৰু বৰ বিবেচক আছিল, তেঁও এই অভিলাষ ভাল নেপাই নানা বিপদৰ কথা আৰু সোন পোৱা নোপোৱাৰ অনিশ্চয়ৰ কথা কৈ ভায়েকক নেজাবলৈ পৰামর্শ দিলে।

কিন্তু তেঁওৰ পৰামর্শ পিজাৰোৱে নুশুনা দেখি তেঁও তাৰ লগত জাবলৈ মানতি হল, কিন্তু এই কথা কলে বোলে মোক সোনৰ ভাগো নালাগে, আৰু আন একোকে নালাগে অকল মোৰ বয় বস্তু খনি তোমাৰ জাহাজত নিবলৈ দিবা।

পিচে পিজাৰোৱে তাৰ যি আছিল সকলোকে বেচি এখন জাহাজ কিনি আৰু আন২ কেতবোৰ সোন পাবলৈ আশা কৰা মানুহে সৈতে যাত্ৰা কৰিলে, কিন্তু এলঞ্জোৱে হলে অকল নাঙ্গল, কোৰ, কুঠাৰ, ধানৰ বিধান, আৰু নানা বিধৰ সাকৰ গুটি ইত্যাদি খেতিৰ সামগ্ৰিত বাজে আন একোকে নললে... পিজাৰোৱে এইবোৰ বস্তু প্ৰবাসলৈ নিব নলগা বুলি পেটে ককায়েকৰ কথাত হাঁহি তেঁওক মুখে একো নুবুলিলে।

বৰ সুন্দৰ বতাহ পাই সিহঁত কিচু দিন গৈ সোন পোৱা ঠাইৰ ওচৰত এঠাইত জাহাজ লগালে গৈ।

তাৰে পৰা যি সোন পাবলৈ আশা কৰিচিল তাকে খানি।৬১। বলৈ আৰু আউটিবলৈ নানা বিধৰ অস্ত্ৰ শস্ত্ৰ ললে, আৰু কেতবোৰ মানুহ কুলি ধৰিলে; কিন্তু এলঞ্জোৱে কেইটামান মেৰ চাগ, চাৰিটা বলধ আৰু তাহাঁতক বাটত খুৱাবলৈ দ্ৰব্যাহে কিনি ললে।

এইবোৰ লৈ জাহাজ মেলি সিবিলাকে নিৰ্ব্বিঘ্নে আমেৰিকা দেশ পালে গৈ। তাতে এলঞ্জোৱে ভায়েকক কলে বোলে ময় তোমাৰ উপকাৰ কৰিবলৈ হে লগ লই আহিচোঁ, এতেকে ময় তীৰৰ কোখৰত গৰু মানুহ লৈ থাকোঁ, তুমি সোন বিচাৰাগৈ; আৰু তোমাৰ যিমান আশা তিমান পালে আকৌ তুমিয়ে সৈতে স্পানিয়ালৈ জাম।

পিজাৰো এই কথাত সোন বিচাৰিবলৈ ওলাল, কিন্তু ভায়েকৰ কথাত ঘৃণা কৰি তাৰ লগৰিয়া বোৰক কলে বোলে ময় ভাবিচিলোঁ যে মোৰ ককাই জ্ঞানৱন্ত, স্পানিয়া দেশতো সকলে তেনে হেন ভাবিচিল, কিন্তু এতিয়া দেখো তাৰ বিপৰীত হল। ইয়াত আহি তেঁও বলধ গৰুৰে বঙ্গ কৰিব খুজিচে, তেঁও যেন আপোনাৰ ঘৰতহে থাকি আন একো নকৰাকৈ খেতি কৰিব। কিন্তু আমি আমাৰ সময়েৰে কি কৰিব লাগে জানো, এতেকে লৰাইঁত বলা, আমাৰ যদি সুকপাল হয় তেন্তে জিয়াই থকা কেইদিন ধনৱন্ত হৈ খাব পাৰিম।

এই কথাত সকলোৱে প্ৰশংসা কৰি তেঁও যলৈকে নিয়ে তালৈকে জাবৰ প্ৰতিজ্ঞা কৰিলে, কিন্তু স্পানিয়া দেশৰ এটা।৬২। বুঢ়া মানুহে মুৰ জোকাৰি কলে বোলে তুমি তোমাৰ ককাইএৰাক যেনে অজ্ঞান পাতিচা তেনে হব নাপাই।

পিচে সিহঁত হাৰিয়ে বনে বাটে অবাটে পৰ্ব্বত নৈ চেৰাই ৰদে ৰৰখুনে ভালেমান ঠাই ফুৰিলে, কিন্তু এইবোৰ দুখকো দুখ নুবুলি সোন চাই২ এঠাইত কিচু সোন পালে।

এই সৌভাগ্যত বৰ উৎসাহ পাই যি ঠাইত সোন পালে তাতে খানিব ধৰিলে কিন্তু তাতে সিবিলাকৰ খাদ্য দ্ৰব্য গোটেই ঢুকাল। সিবিলাকে ভালেমান সোন পালে হয় কিন্তু ভোকত অতি কষ্ট পালে, তেও শ্ৰম কৰিহে আচিল আৰু ফল মূল খাই প্ৰাণ ধাৰণ কৰি আচিল।

কিন্তু শেষত তাকো নোপোৱা হলত আৰু সিবিলাকৰ ভিতৰৰ কেইটামানৰ দুখত প্ৰাণ নাশ হলত যি কেইটা ৰল সিহঁতে যি সোনৰ পৰা ইমান দুখ পাইচিল তাঁকে লৈ এলজোক যত এৰি আহিচিল তালৈকে পেট পেলাই২ চুঁচৰি জাব পাৰিলে মাথোন।

ইহঁতে ইফালে সোন বিচাৰিব লাগিচিল, সিফালে এলজোৱে কি হব তাক আগেই জানি এডোখৰ ভাল চাই মাটি বিচাৰি লৈ লগত অনা গৰু আৰু মানুহেৰে হাল বাই চাহ কৰিলে। পিচে সি তাতে লগত অনা গুটি আৰু আলু ইত্যাদি বই অনেক সহ পালে। মেৰ চাগ বোৰ যে আনিচিল তাক সাগৰৰ তীৰৰ এখন পথাৰত চৰোৱাত গায়ে পতি দুটাকৈ পোৱালি হল; ইয়াত বাজে পিজাৰো উভতি অহা ।৬৩। লৈকে অনেক পুৰুষাৰ্থ কৰি ভালেমান খাদ্য দ্ৰব্য গোটাই থলে।

পিজাৰো উভতি আহিলত ককাইয়েকে অতি আদৰকৈ আনি কাৰ্য্য কেনেকৈ সিদ্ধি কৰিলে তাৰে কথা সুধিলে, তাতে সি কলে বোলে আমি ভালেমান সোন পাইচোঁ কিন্তু আমাৰ লগৰ অনেক মানুহ মৰিচে আৰু যি কেইটা আচোঁ সিও খাবলৈ নেপাই মৰিব লগা হৈচোঁ, আজি দুদিনৰ পৰা গচৰ চাল আৰু ফল মূলত বাজে আন একো খোৱা নাই, এতেকে মোক শীঘ্ৰে খাবলৈ দিয়া।

এলজোৱে অতি নম্ৰ হৈ কলে বোলে আমি যেতিয়া আহোঁ তেতিয়া কাতো কেৱে একো নোখোজোঁ বুলিচিলোঁ, তুমি শ্ৰম কৰি যি সোন পোৱা তাকো ময় খোজা নাচিলোঁ, এতিয়া ময় শ্ৰম কৰি উপাৰ্জ্জন কৰা বস্তু যে তুমি খোজা ই বৰ আচৰিত; কিন্তু তুমি মোৰ খাবৰ দ্ৰব্যে সৈতে যদি তোমাৰ সোন সলোৱা তেন্তে ময় তোমাক খাবলৈ দিব পাৰিব পাৰোঁ।

পিজাৰোৱে এই কথা বৰ নিৰ্ম্মৰমিয়াল হেন ভাবিও ভোকত সেই কথাতে মান্‌তি হল কিন্তু খাবৰ দ্ৰব্যৰ সলনি এলঞ্জোৱে ইমান সোন নিলে যে অলপ দিনৰ মুৰতে তাৰ আটাই খনি সোনেই ঢুকাল।

পিচে এলঞ্জোৱে যি জাহাজত আহিচিল তাতে আকৌ উভতি যাবলৈ কলত পিজাৰোৱে বৰ খংকৈ কলে বোলে ।৬৪।। তুমি যেতিয়াই মই শ্ৰমকৈ যি আনিচিলোঁ তাৰ আটাই খনিকে নি এনে নিৰ্ম্মৰমিয়াল হলা তেতিয়াই তুমি নোহোৱা কৈ জাম, আৰু তোমাৰ নিচিনা এনে নিৰ্দ্দয় ভাইয়ে সৈতে যোৱাতকৈ এই বনত শুকাই মৰাই ভাল।

এলঞ্জোৱে এই কথাত খং নকৰি ভায়েকক অতি আদৰকৈ সাবট মাৰি কলে বোলে হে মোৰ প্ৰিয় পিজাৰো তুমি ইমান আপদত পৰি ইমান শ্ৰমকৈ অনা বস্তু মই স্বৰূপকৈ নিম বুলি পতিয়াইছানে? মোৰ প্ৰিয় ভাইৰ প্ৰতি এনে নিৰ্ম্মৰমিয়াল হোৱাতকৈ পৃথিৱীৰ এটাই সোনেই যদি গুচে তেও ভাল। কিন্তু তোমাৰ ধনলৈ ইমান লোভ দেখি সেই দোষ সংশোধন কৰি তোমাৰ উপকাৰ কৰিবলৈ ইচ্ছা কৰিচিলোঁ, তুমি এতিয়া শিকিলা যে যি শ্ৰম আৰু ভবিষ্যদ্বিবেচনা তুমি ঘৃণা কৰিচিলা সেয়েই নহলে তোমাক শুকাই মৰাৰ পৰা যি সোন আনিচা সি ৰাখিব নোৱাৰিলে হঁতন, এতেকে তোমাৰ ধন লৈ জোৱা, আগলৈ তাক যি ৰূপে ব্যৱহাৰ কৰিব পাই তাকো জানিলা।

পিজাৰোৱেও ককায়েকৰ মৰমত বৰ আচৰিত হৈ দেখি শিকি জানিলে যে সোনতকৈ শ্ৰম ভাল।

পিচে সিবিলাকে স্পানিয়া দেশ আকৌ নিৰ্ব্বিঘ্নে পালেগৈ, বাটত পিজাৰোৱে ককায়েকক সদাই তাৰ আদ খনি ধন দিব খুজিচিল কিন্তু তেঁও এই সমিধান দিচিল বোলে মই সোন নোহোৱাকৈ মোৰ আহাৰ মিলাব পাৰিম। ।৬৫।

FILIAL PIETY.

সন্তানৰ পিতৃ মাতৃ ভক্তি।

ঈশ্বৰৰ সৃষ্টিৰ পৰা মনুষ্যে জ্ঞান শিকক, আৰু তাৰ পৰা যি উপদেশ পাই সেই অনুসাৰে চলক।

হে পুত্ৰ, বনলৈ যোৱা, তাৰে সাৰস চৰাইক চোৱাগৈ, তাক তোমাৰ মনক উপদেশ কৰিব দিয়া; সি তাৰ বুঢ়া বাপেকক পাখিতকৈ নি নিৰ্ব্বিঘ্ন ঠাইত থৈ আহাৰ জোগায়।

তোমাৰ পিতৃ-মাতৃৰ প্ৰতি কৃতজ্ঞ হোৱা কিয়নো তোমাৰ পিতৃয়ে জীবন দিচে আৰু মাতৃয়ে প্ৰতিপালন কৰিচে।

সিবিলাকৰ কথা মান্য কৰা কিয়নো সি তোমাৰ ভাললৈহে, সিবিলাকৰ ভৰ্ৎসনাৰ প্ৰতি কান দিয়া কিয়নো সিবিলাকে তোমাক মৰম কৰিহে ভৰ্ৎসনা কৰে।

তোমাৰ পিতৃয়ে তোমাৰ সুখ চিন্তিচে এতেকে তেঁওৰ বয়সক মান্য কৰা আৰু তেঁওৰ পকা চুলিক অমান্য নকৰিবা।

তোমাৰ অনাথ শিশু অৱস্থাৰ কথা সোঁৱৰা আৰু যুবা কালত যি অবাধ্য আচিলা তাকো নেপাহৰিবা।

তোমাৰ পিতৃ মাতৃ যেতিয়া বুঢ়া হৈ অতি দুৰ্ব্বল হয় তেতিয়া সিবিলাকক সহায় কৰিবা আৰু সিবিলাকৰ জীবন হ্ৰাসৰ সময়ত প্ৰতিপালন কৰা।

এনে কৰিলে তেঁওবিলাক সুখে মৰিব আৰু তোমাৰ সন্তান-সন্ততিয়েও তোমাৰ ।৬৬। উপমা দেখি তোমাকো তেনেকৈ মান্য কৰিব।

BENEVOLENCE.

হিতেচ্ছা।

যেতিয়া তুমি তোমাৰ অভাব আৰু দোষৰ কথা বিবেচনা কৰা তেতিয়া হে মনুষ্য, যি জনাই তোমাক জ্ঞান দিচে, কথা কবৰ শক্তি দিচে আৰু পৰস্পৰ সহায় কৰিবলৈ মনুষ্য সভাতে থৈচে তেঁওৰ কৃপা স্বীকাৰ কৰা।

তোমাৰ আহাৰ, তোমাৰ বস্ত্ৰ, তোমাৰ ঘৰ, তোমাৰ আপদৰ পৰা ৰক্ষা, তোমাৰ জীবনৰ সুখ ভোগ, এইবোৰ সকলোকে তুমি মনুষ্য সমূহৰ সহায়তাৰ পৰা হে পাইচা; এতেকে তুমি মনুষ্য সমূহৰ হিতৈষী হব পোৱা, কিয়নো, মনুষ্য তোমাৰ মিত্ৰ হলে তোমাৰ উপকাৰ হয়।

যেনেকৈ সুগন্ধি পুষ্পৰ পৰা স্বাভাবিক সুঘ্ৰান ওলাই তেনেকৈ পৰোপকাৰিৰ পৰা সৎ কৰ্ম্ম ওলাই; পৰৰ হিতৈষী মানুহে আপোনাৰ চিত্তত সুখ ভোগ কৰে আৰু চুবুৰিয়াৰ উন্নতিত হৰ্ষ কৰে।

তেঁও মানুহক অপৱাদ দিয়া কথাত কান নিদিয়ে আৰু মানুহৰ দোষ দেখিলে তেঁওৰ চিত্তে বিষম পায়, তেঁওৰ সদাই ভাল কৰিবৰ হে ইচ্ছা আৰু তালৈকে অবকাশ বিচাৰে, অন্যৰ দুখ গুচালে তেঁও আপোনাৰ দুঃখ গুচা হেন ।৬৭। পায়। তেঁওৰ বৃহৎ মনে সদাই সকলো মানুহৰ সুখ চিন্তে আৰু তেঁওৰ উদাৰ চিত্তে সেই সুখ বঢ়াবৰ পুৰুষাৰ্থ কৰে।

PITY.
দয়া।

বসন্ত কালৰ হাতে যেনেকৈ পৃথিবীক নানা বিধৰ ফুল আৰু কলিৰে ঢাকে গ্ৰীষ্ম কালৰ দয়াত যেনেকৈ অনেক শস্য উৎপন্ন হয়, তেনেকৈ দয়াৰ হাস্যে দুখৰ সন্তান সকলৰ ওপৰত দান ঢালে।

যি মানুহে আনক দয়া কৰে তাকো আনে দয়া কৰিব, কিন্তু যাৰ দয়া নাই তাক কেৱে দয়া নকৰে।

কসাইয়ে যেনেকৈ চাগলি পোৱালিৰ কান্দনত মৰম নকৰি বধ হে কৰে তেনেকৈ নিষ্ঠুৰ মানুহৰ হৃদয়তো মানুহৰ দুখ দেখি মৰম নালাগে।

গোলাপ ফুলৰ পৰা নিয়ৰৰ টোপ মাটিত পৰিলে যেনে দেখিবলৈ সুন্দৰ, মৰমিয়াল মানুহৰ চকুৰ পানি তাতকৈও সুন্দৰ।

দুখীয়াৰ কান্দনৰ প্ৰতি কলা নহবা, আৰু নিৰ্দ্দোষীৰ দুখৰ প্ৰতি তোমাৰ চিত্ত টান নকৰিবা।

যেতিয়া পিতৃ মাতৃ হীন তোমাৰ তলৈ আহে, যেতিয়া অনাথ বিধবাই চকুৰ পানিৰে তোমাৰ সহায় যাচঞা কৰে, তেতিয়া হে দয়ালু মনুষ্য, তাইৰ দুখ দেখি কৃপা কৰিবা আৰু ।৬৮। যাৰ সহায় নাই তাক ৰক্ষা কৰিবলৈ তোমাৰ বাহু মেলিবা।

যেতিয়া তুমি কোনো মানুহক বস্ত্ৰ হীন আৰু গৃহ হীন হৈ জাৰত কঁপি বাটেৰে জোৱা দেখা, তেতিয়া তোমাৰ চিত্তক দান শীল কৰা আৰু দান শীলতাৰ পাখিৰে তাক মৃত্যুৰ পৰা ৰক্ষা কৰা, তাৰে পৰা তোমাৰ আত্মাও যেন জিয়ে।

FORTITUDE.
মনৰ ধৈৰ্য্যতা।

বিপদ, অসৌভাগ্য, অভাব, দুখ আৰু ক্ষতি এইবোৰ পৃথিবীৰ সকলো মনুষ্যৰ ভাগ্যতে অল্প বা অধিক আচে।

এতেকে হে দুখৰ সন্তান, মনুষ্যৰ জীবদ্দশাত যি দুখ হয় তাকে সহিবলৈ তোমাৰ মনক সাহ আৰু সহিষ্ণুতাৰে ধৈৰ্য্য কৰিব পোৱা।

উটে যেনেকৈ ভোক আৰু পিয়াহ আৰু ৰদ সহি তপত বালিৰে জাইও মুচ্‌কচ্‌ নাজাই তেনেকৈ মনুষ্যেও মনৰ ধৈৰ্য্যতাৰ দ্বাৰা সকলো বিপদ সহিব পাৰে।

মহৎ মন বিশিষ্ট মানুহে লক্ষ্মীৰ নিগ্ৰহক ঘৃণা কৰে আৰু তেঁওৰ মহৎ আত্মা একোতে বিমৰ্ষ নহয়।

লক্ষ্মীৰ কৃপাৰ দ্বাৰা তেঁওৰ সুখ নহয় আৰু তেঁওৰ ক্ৰোধতো তেঁও নৈৰাশ নহয়।

সমুদ্ৰৰ মাজৰ পৰ্ব্বতৰ নিচিনা তেঁও স্থিৰ হৈ থাকে আৰু ঢৌৰ ইন্দোলে তেঁওক ব্যাকুল কৰিব নোৱাৰে। । ৬৯।

পৰ্ব্বতৰ ওপৰৰ দুৰ্গৰ নিচিনা তেঁও মুৰ তোলে আৰু লক্ষ্মীৰ কাৰ বোৰ তেঁওৰ ভৰিত পৰে।

বিপদৰ সময়ত তেঁওক তেঁওৰ মনৰ ধৈৰ্য্যতা আৰু চিত্তৰ সাহে ৰক্ষা কৰে, তেঁও জীবনৰ দুখে সৈতে ৰনুৱাৰ নিচিনা হৈ সাক্ষাৎ কৰি জিকি আহে।

দুখত পৰিলে তেঁওৰ সুস্থিৰ মনে সেই দুখক ন্যূন কৰে আৰু তেঁওৰ ধৈৰ্য্যতাই দুখক পৰাভূত কৰে।

কিন্তু ভয়াতুৰ মানুহে ক্ষুদ্ৰ মনৰ নিমিত্তে লাজ হে পায়, অল্প বতাহতে যেনেকৈ বন হালি পৰে তেনেকৈ সিও দুখৰ চাঁ দেখিয়েই ভয়ত কম্পমান হয়; বিপদৰ সময়ত সি থৰবৰিয়া হয় আৰু দুখত পৰিলে তাৰ আত্মা নৈৰাশ হয়।

APPLICATION.
পৰিশ্ৰম।

যি বোৰ দিন গৈচে সি চিৰকাললৈকে গৈচে, আৰু যিবোৰ আহিব লগা সি বোৰো কিবা তোমালৈ নাহেই; এতেকে হে মনুষ্য, যি কাল গৈচে তালৈ চিন্তা নকৰি আৰু যি কাল আহিব তাতো আশা নকৰি যি সময় এতিয়া হাতত আচে তাৰে মাথোন সদ্ব্যৱহাৰ কৰা।

এই মুহূৰ্ত্তক মাথোন তোমাৰ, আহিব লগা মুহূৰ্ত্তক ভৱিষ্যৎ কালৰ গৰ্ভত, সি কি ওপজাই তাক তুমি নাজানা। ।৭০।

যি কৰ্ম্ম তুমি কৰিবলৈ ইচ্ছা কৰা তাক শীঘ্ৰে কৰা; যি কৰ্ম্ম ৰাতিপুৱা কৰিব পাৰি তাক গধূলিলৈ নথবা।

আলাহ দুখ আৰু অভাবৰ কাৰণ, কিন্তু ধৰ্ম্ম কৰ্ম্মত শ্ৰম কৰিলে সুখ পোৱা যায়, শ্ৰমী মানুহৰ হাতে অভাবক নষ্ট কৰে; সোভাগ্য শ্ৰমীৰ সঙ্গী।

কোনে ধন ঘটিচে শক্তিৱন্ত হইচে আৰু মান সংকাৰ পাইচে? কাৰ নাম নগৰত সকলোৱে প্ৰশংসা কৰি কয়? কোনে ৰাজ সভাৰ আগত ৰহে? যি

মানুহে তেঁওৰ ঘৰৰ পৰা আলাহক খেদে আৰু কয় বোলে তয় মোৰ বৈৰী, তেঁৰেই।

এনে মানুহে অতি সোনকালে উঠে আৰু পলম কৈ শোৱে; তেঁও মনক চিন্তাৰে আৰু শৰীৰক শ্ৰমেৰে ভাল ৰাখে আৰু উন্নতি কৰায়।

কিন্তু সোৰোপা মানুহ আপুনি আপোনাৰ ভাৰ, সময়ৰোৰ তাৰ মুৰত গধুৰ হৈ থাকে, সি আলাহিয়া হৈ ফুৰি কি কৰিব তাকো নজনা হয়। যেন্বৰ চাঁ যেনেকৈ একো চিন এৰি নেজাই, তেনেকৈ তেঁওৰ দিনবোৰো একো চিন নথকাকৈ জায়।

EMULATION.

আস্পৰ্দ্ধা।

তোমাৰ আত্মাই যদি মান্য পাবলৈ ইচ্ছা কৰে, আৰু ।৭১। তোমাৰ কানে যদি প্ৰশংসা শুনি ৰঙ্গ পায়, তেন্তে যি ধুলিৰে তোমাক সাজিচে তাৰ পৰা উঠি প্ৰশংসনীয় কোনো কৰ্ম্ম কৰিবলৈ পুৰুষাৰ্থ কৰা।

যি কৰ্ম্মতে ধৰা তাত প্ৰথম হবলৈ যত্ন কৰা, আৰু সৎ কৰ্ম্মত তুমি কাতোকৈ নাঘাটিবা; কিন্তু আনৰ সজ গুণ দেখি কেতিয়াও হিংসা নকৰি তোমাৰ আপোনাৰ গুণ বঢ়োৱা।

একে কৰ্ম্মতে যদি তোমোলাক দুটাই লাগা তেন্তে তোমাৰ সেই সম কৰ্ম্মাভিলাষীক কোনো অসজ উপায়েৰে ঘটুৱাবৰ ইচ্ছা নকৰিবা, কিন্তু তাক গুণেৰে জিকি হে তাত কৈ ডাঙৰ হবৰ পুৰুষাৰ্থ কৰিবা, কিয়নো তেনে কৰিলে যদি কৰ্ম্ম সিদ্ধিকে কৰিব নোৱাৰা তেও সম্মান পাবা।

সজ উপায়েৰে আনতকৈ ডাঙৰ হবলৈ খুজিলে মনুষ্যৰ মন মহৎ হয় আৰু সুনাম পাবলৈ ইচ্ছা কৰি কামনা সিদ্ধি হলে অতি হৰ্ষ হয়।

এনে মানুহে সকলো প্ৰতিবন্ধককে এফলিয়াকৈ থৈ নাৰিকল গচৰ নিচিনা ওখ হয়, আৰু চৰাইৰ নিচিনা হৈ আকাশলৈ উৰি সূৰ্য্যৰ মহিমাত চকু স্থিৰ কৰে।

ৰাতিও তেঁও বৰ লোকৰ উপমা সামাজিকত দেখে আৰু দিনত সিবিলাকৰ উপমাৰে চলা তেঁওৰ মহৎ সুখ, তেঁও মহৎ কথা ভাবে আৰু তাক সিদ্ধি কৰিব পাৰিলে বৰ হৰ্ষ হয় আৰু তেঁওৰ নাম গোটেই পৃথিবীকে ব্যাপে।

কিন্তু হিংসুক মানুহৰ চিত্ত গোটেই বিষে ভৰা, তাৰ ।৭২। জিবাই বিষ পেলাই আৰু তাৰ চুবুৰিয়াৰ সুখ দেখিলে তাৰ টোপনি ভাঙ্গে, সি তাৰ ঘৰত

অসন্তোষকৈ বহি থাকে, আৰু আনৰ ভাল হলে তাঁলৈ বেয়া হয়। ঘৃণা আৰু হিংসা সদাই তাৰ চিত্তত থাকে আৰু তাৰ বিশ্ৰাম কেতিয়াও নহয়, সি সদাই পৰৰ অহিত চিন্তে, কিন্তু সকলো মানুহৰ ঘৃণাই তাক খেদে আৰু সি মকৰাৰ নিচিনা আপোনাৰ জালতে মৰে।

THE MAN WHO NEVER LAUGHED.
কেতিয়াও নহঁহা মানুহৰ কথা।

ধন সোন গোলাম বান্দি ইত্যাদি ঐশ্বৰ্য্যেৰে ধনবন্ত এটা মানুহ এটি সৰু লৰা এৰি মৰিল। পিচে সেই লৰাটি ডাঙ্গৰ হৈ নানা ৰঙ্গ তামোচাত বিলাই বাপেকে এৰি জোৱা আটাই ধনকে নষ্ট কৰি শেষত এনেহে দুখিয়া হল যে পেট পুহিবৰ নিমিত্তে হজুৱাৰ লগত বন কৰিব ধৰিলে।

এই অৱস্থাতে সি কেই বচৰমান থাকিল, এনেতে এদিন কেৱে বনলৈ মাতে বুলি সি এখন বেৰৰ গুৰিত বহি আছিল, পিচে এটা সুৱনি মানুহ বৰ সুন্দৰকৈ পিন্ধি উৰি তাৰ ওচৰলৈ গলত সি সুধিলে বোলে ককাই তুমি মোক আগে চিনানে? তাতে সেই মানুহে উত্তৰ দিলে বোলে বুপাই মই তোমাক আগে মুঠে নিচিনো, কিন্তু তুমি এই অৱস্থাত আচা হয় তেও তোমাত ধনৰ চিন পাওঁ। হজুৱাই কলে ।৭৩। বোলে ককাই কি সোধা, মোৰ বাখনাত যি লেখিচিল সেয়েই হৈচে, মোক লগাব লগা তোমাৰ কিবা বন আচে নে? সেই মানুহে সমিধান দিলে বোলে ময় তোমাক এটা সুখিয়া বনত লগাব খোজোঁ; আমি একে লগে দহোটা সন্ন্যাসী থাকোঁ আমাৰ বন কৰিবলৈ কেৱে নাই। আমি তোমাক গাত কাপোৰ আৰু পেটত ভাত দিম, তুমি আমাৰ বন কৰিবা আৰু আমি ধনবো ভাগ দিম, কি জানি আমাৰ দ্বাৰা ঈশ্বৰে তোমাক আগৰ নিচিনা ধনৱন্তেই কৰে।

এই কথাত অতি হৰ্ষ হৈ সেই হজুৱাই মান্‌তি হল, পিচে সেই মানুহে কলে বোলে তুমিয়ে সৈতে এটা কথা বান্ধিব লগা আচে অৰ্থাৎ আমি যি কৰোঁ তাক কাতো নাভাঙ্গিবা আৰু যেতিয়া তুমি আমাক কান্দিব দেখা তেতিয়া আমি কিয় কান্দো তাৰ কথা নুসুধিবা। এই কথাতো সি মান্‌তি হলত সেই মানুহে তাক লগত লৈ এখন গা ধোৱা ঠাইলৈ গৈ তাতে তাৰ গা ধুৱাই আৰু ন কাপোৰ পিন্ধাই তাৰ ঘৰলৈ আৰু লগৰ সন্ন্যাসীহঁতৰ তলৈ নিলে।

সেই বনুৱাই ঘৰ সোমাই এটা বৰ ডাঙ্গৰ আৰু মনোৰম অট্টালিকা পালে, তাৰ চাৰিও ফালে মনোহৰ ফুলবাৰি এখন, তাৰ মাজেৰে এটা নিজৰা বইচিল আৰু চাৰিও ফালে চৰাই বোৰে সুললিত ৰাও কৰি আছিল। পিচে এই ঘৰৰ এখোঁটালিলৈকে তাক সেই সন্ন্যাসীয়ে নিলত সি দেখিলে যে সেই খোঁটালি নানা বৰণিয়া শিলেৰে বন্ধোৱা, তাৰ ।৭৪। চাল খন বিচক্ষণ সোনৰ, আৰু মজিয়াত পাটৰ দলিচা পাৰি থৈচিল; পিচে তাতে মুখামুখি হই অসন্তোষৰ কাপৰ পিন্ধি দহোটা সন্ন্যাসী বহি থকা দেখিলে। ইয়াতে বৰ আচৰিত হৈ ৰি সন্ন্যাসীয়ে তাক আনিচিল তাতে এই কথা সুধিবৰ মন কৰিলে, এনেতে পূৰ্ব্বৰ কথা বন্ধা মনত পৰি তাৰ জিবা টানি ৰাখিলে।

তাৰ পিচত তাক অনা সন্ন্যাসীয়ে ডেৰ কুৰি হেজাৰ সোন থকা এটা পেৰা আনি তাৰ হাতত দি কলে বোলে বুপাই এই পেৰাৰ সোন যেনেকৈ ভাল বুজা তেনেকৈ আমাৰ আৰু তোমাৰ হৈ ব্যয় কৰিবা, কিন্তু যি তোমাৰ তত থলোঁ তাত স্বৰূপ হবা। এই কথাত সেই ডেকা মানুহে (হজুৰাই) শুনিলোঁ আৰু মানতি হলোঁ বুলিলে।

সি সেই ধন ভালেমান দিনলৈকৈ ব্যয় কৰিলে, পিচে সিহঁতৰ মাজৰ সন্ন্যাসী এটা মৰিলত তাৰ লগৰীয়া বোৰে তাৰ শ ধুৱাই ঘৰৰ পিচৰ বাৰিত গোৰ দিলে; এনেকৈ এটা২ কৈ কেইওটা সন্ন্যাসী মৰিল, অকল যিটো মানুহে তাক আনিচিল সি হে থাকিল; কিন্তু সিও কিছু কাল নৰিয়া পৰিলত আৰু সি জিবৰ ভাৰসা নথকাত সেই ডেকা মানুহে বৰ অসন্তোষকৈ কলে বোলে দদাইময় বাৰে বচৰলৈকে স্বৰূপ হৈ শক্তি অনুসাৰে এডাঁৰ পৰ খতি নোহোৱাকৈ তোমাৰ সেৱা কৰিচোঁ। এই কথাত সন্ন্যাসীয়ে উত্তৰ দিলে হয় বুপাই, সকলো বোৰ ।৭৫। সন্ন্যাসী ঈশ্বৰৰ ঠাইলৈ নোজোৱালৈকে তুমি আলপাচন ধৰিচা হয়, আৰু আমিও নিশ্চয়কৈ মৰিম। পিচে সেই ডেকাই সুধিলে বোলে হে দেও তোমাৰ মৰিবৰ সময় চাপিলহি এতেকে তোমোলাকৰ সদাই শোক কৰাৰ আৰু কন্দাৰ কাৰণ কি কোৱা। সন্ন্যাসীয়ে কলে, বুপাই তোমাৰ সেই কথা শুনিবৰ সকাম আচে, ময় সদাই ঈশ্বৰক এই প্রার্থনা কৰি আচোঁ যে তেঁও যেন কাকো আমাৰ নিচিনা শোকিয়া নকৰে; এতেকে আমি যি দুখত পৰিচোঁ তাৰে পৰা যদি তুমি নিৰ্ব্বিঘ্নে থাকিব খোজা তেন্তে সেই দুৱাৰ খন নেমেলিবা। এইবুলি তেঁও এখন দুৱাৰ আঙুলিৰে দেখুৱালে। তেও যদি তোমাৰ আমাৰ নিচিনা হবৰ ইচ্ছা যায় তেন্তে মেলিবা আৰু আমাৰ অসন্তোষৰ কাৰণ বুজি পাবা, কিন্তু মেলিবা হে হয়, তাৰ পৰা বৰ শোক হে পাবা আৰু পিচে অসন্তোষ কৰিলেও একো নহ্‌ব।

পিচে সন্ন্যাসীটোৰ নৰিয়া টান হৈ মৰিলত ডেকা মানুহটে তাৰ শ ধুৱাই লগৰিয়া হঁতৰ গুৰিত গোৰ দি সেই ঠাইতে থাকিল, কিন্তু সেই সন্ন্যাসী বোৰৰ কথা দেখি সদাই বৰ অস্থিৰ হৈ আচিল, এনেতে এদিন দুৱাৰ মেলিব নিদিয়া কথা তাৰ মনত পৰি ভাবিলে বোলে ময় দুৱাৰ খন চালে একো দাই নাই; এই ভাবি সি গৈ ওপৰত মকৰাৰ জাল বন্ধা এখন সুন্দৰ দুৱাৰ চাৰিটা লোৰ তলাৰে মাৰি থোৱা দেখিলে, কিন্তু সন্ন্যাসীয়ে কোৱা কথা মনত পৰি উভতি আহিল। ।৭৬।

তেতিয়াৰে পৰা তাৰ মনে সদাই দুৱাৰ মেলিববহে ইচ্ছা কৰিলে, তেঁও সাত দিনলৈকে নেমেলাকৈ থাকিল, কিন্তু আঠ দিনৰ দিনা মন সামৰিব নোৱাৰি আপোনা আপুনি ভাবিলে বোলে ময় দুৱাৰ অৱশ্যে মেলিম, পিচে নো কি হয় চাওঁ; বাখনাত যি লেখিচে সি অৱশ্যে হব আৰু ঈশ্বৰৰ আজ্ঞা খণ্ডাব কোনে পাৰে? এই বুলি সি দুৱাৰ খনৰ তলা ভাঙ্গি মেলি সোমাই এটা ঠেক বাট পালে, সেই বাটে২ সি চড়াঁৰ মান পৰ গৈ এখন বৰ নৈৰ পাৰ পালেগৈ, তাতে সি বৰ আচৰিত হৈ সোঁও ফাল বাঁও ফাল চাই নৈৰ পাৰে২ জাব ধৰিলে; এনেতে এটা উৎক্ৰোশ চৰাই আকাশৰ পৰা নামি আহি তাক লৈ আকাশ পৃথিবীৰ মাজে উৰাউ কৰি তাক সমুদ্ৰৰ মাজৰ এখন উপদ্বীপত থৈ গুচি গল।

তাতে সি বৰ উদ্বিগ্ন হৈ কলৈ জাম কি কৰিম বুলি ভাবি বহি থাকোঁতে স্বৰ্গৰ তৰাৰ নিচিনা সাগৰত এখন জাহাজৰ পাল দেখিলে, তাতে উঠি জাব পাৰিম হেন বুলি সেই জাহাজ তাৰ গুৰিলৈ নহা মানলৈকে একেঠৰে চাই আচিল, পিচে কোখৰ পালত দেখে যে জাহাজ খন হাঁতি দাতৰ, ওপৰত সোনৰ হালপতা মৰা আৰু বঠা বোৰ চন্দন কাঠৰ। সেই জাহাজত চন্দ্ৰৰ নিচিনা দহ জনি কুমাৰি আচিল, সিহঁতে জাহাজৰ পৰা নামি আহি তাক ভালে মান আদৰকৈ ৰজা আৰু দৰা বুলিলে; পিচে সূৰ্য্য হেন এজনি কুমাৰিয়ে পাটৰ কাপৰ এখনত ৰাজ সাজ এটা আৰু হিৰা পানা খতোৱা ।৭৭। মটুক এটা হাতত লৈ তাৰ কোখৰলৈ আহি তাকে পিন্ধালে, পিচে সিহঁতে তাক সেই আচৰিত জাহাজত তুলি আকৌ পাল তৰি সাগৰেৰে জাব ধৰিলে।

এই বোৰ কথাত সেই ডেকা মানুহে এই কলে বোলে ময় স্বৰূপকৈ ইয়াক সমাজিক বুলি ভাবিচিলোঁ আৰু সিহঁতে নো মোক কলৈ নিয়ে তাৰো ভু নাপালোঁ, পিচে আমি সাগৰৰ তীৰ দেখা পালত দেখিলোঁ যে পাৰত বনুৱা বোৰ ৰণৰ সাজ কাচি আচে; কিন্তু সিহঁত কিমান তাক ঈশ্বৰে হে জানে।

আমি তীৰ পালত সিহঁতে মোৰ তলৈ হিৰা পানা মুক্তাৰ বন কৰা তলচাই সৈতে চাৰিটা ঘোৰা আনিলে তাৰে এটাত ময় উঠিলোঁ, ই কেইটা লগে২ গল। মোৰ মুৰত দণ্ড চত্ৰ ধৰিলে, আগত ঢোল খোল বজালে আৰু ৰণুৱা বোৰ সোঁও ফালে আৰু বাঁও ফালে দুসাৰি হৈ আগে২ গল, ময় পিচে২ গলোঁ; এনেতে ময় ভাবিলোঁ বোলোঁ ময় সাৰেই আচোঁ নে টোপনিতেই আচোঁ কিন্তু সামাজিক দেখিচোঁ বুলি স্বৰূপ হেন ভাবি গৈ২ পিচে এখন বৰ পথাৰ পালোঁগে, তাতে ৰজাৰ নগৰ এখন আৰু ফুলৰ বাৰী নানা বিধৰ বৃক্ষ আৰু নৈ দেখিলোঁ আৰু চৰাই বোৰে ঈশ্বৰৰ গুণানুবাদ কৰা শুনিলোঁ; এনেতে সেই নগৰৰ পৰা ঢল অহাৰ নিচিনাকৈ পথাৰ খন ভৰি সৈন্য ওলাল, পিচে সিহঁতৰ মাজৰ পৰা এজনা ৰজা কেইটামান পাত্ৰ মন্ত্ৰিয়ে সৈতে ঘোৰাত উঠি মোৰ গুৰিলৈ আহিল। ।৭৮।

ৰজাই পিচে ঘোৰাৰ পৰা নামিলত সিও নামিল আৰু দুইও সেৱা কৰা কৰি, আকৌ ঘোৰাত উঠিলত ৰজাই কলে বোলে আমাৰ লগত বলা কিয়নো তুমি আমাৰ আলহি, এই কথাত আগত সৈন্য বোৰ পিচত সিবিলাক দুইও কথা কোৱা কুই কৈ গৈ নগৰ পালত সকলোৱে তাত সোমাল; ৰজাই নামি সিয়ে সৈতে হাতত ধৰা ধৰি কৈ গৈ তাক আপোনাৰ ওচৰতে এখন সোনৰ সিংহাসনত বহুৱালে, পিচে ৰজাই মুখৰ কাপৰ গুচালত দেখিলে যে তেঁও ৰজা নহয় কিন্তু সূৰ্য্য যেন কন্যা এটি।

সেই ডেকা মানুহে ধন সোন ঐশ্বৰ্য্য বিভূতি আৰু কন্যাৰ ৰূপ দেখি বৰ আচৰিত হোৱা দেখি কন্যাই মাত লগালে বোলে হে ৰজা ময় এই ঠাইৰ কুঁৱৰি, আৰু যি বোৰ সৈন্য দেখিচা সেই বোৰ সকলোৱে তিৰোতা, তাহঁতৰ মাজত এটাও মুনিহ নাই; আমাৰ ইয়াত মুনিহ বোৰে খেতি কৰে ঘৰ বান্ধে আৰু আন২ বন কৰে কিন্তু তিৰোতা হে পাত্ৰ মন্ত্ৰি আৰু ৰণুৱা।

এই কথা শুনি সি বৰ আচৰিত হল আৰু সিবিলাকে কোৱা কুই কৰোতে ৰাজমন্ত্ৰি কেতবোৰ মানুহে সৈতে আহিল, তাইও পকি মুৰি বুঢ়ি আচিল। কুঁৱৰিয়ে তাইক কলে বোলে পুৰোহিতক আনা, তাতে তাই সেই আজ্ঞা পালিবলৈ গলত তেঁও সেই ডেকা মানুহত বৰ আদৰকৈ কলে বোলে ময় তোমাৰ ভাৰ্য্যা হলে সন্তোষ পোৱা নে? ।৭৯। এই কথাত সি মাটিত দণ্ডৱত হৈ কলে বোলে আই কুঁৱৰি দেও, বন্দি আপোনাৰ গোলামৰ যোগ্যও নহওঁ; কুঁৱৰিয়ে উত্তৰ দিলে, তুমি মোৰ গোলাম বান্দি ধন সোন ইত্যাদি নেদেখা নে? তুমি আপোন ইচ্ছাৰে সকলোকে কৰিব পাৰিবা আৰু দিবা থবাও আৰু

সকলোকে কৰিবা, কিন্তু সেই দুৱাৰ খন মাথোন নেমেলিবা (এই বুলি এখন বন্ধা দুৱাৰ দেখুৱালে) যদিহে মেলা তেন্তে শোক পাবা আৰু পিচে শোক কৰিলেও একো নহব। এই কথা কওঁতেই ৰাজ মন্ত্ৰিয়ে পুৰোহিত লৈ সোমালহি, কুঁৱৰিয়ে বিয়াৰ ক্ৰিয়া সকল কৰিব দিলত সিহঁতে তেঁওক সেই ডেকা মানুহে সৈতে বিয়া দি সকলোকে খুৱাই বুৱাই সমাপন কৰিলে আৰু সেই মানুহটো কুঁৱৰিয়ে সৈতে সাত বচৰ পৰম সুখে থাকিল।

কিন্তু এদিন সি এই ভাবিলে বোলে ময় যি বোৰ ধন সোন দেখিচোঁ তাতকৈ সৰহ এই দুৱাৰৰ ভিতৰত আচে, এতেকে হে কুঁৱৰিয়ে মোক দুৱাৰ মেলিবলৈ হাক দিচে, কিন্তু মই দুৱাৰ মেলিম; এই বুলি তেতিয়াই উঠি সি দুৱাৰ খন মেলি যিটো চৰাইয়ে তাক নৈৰ কোখৰৰ পৰা উপদ্বীপত পেলাইচিল তাকেই দেখিলে। পিচে তাক দেখি চৰাইয়ে কলে বোলে কেতিয়াও-সন্তোষ নোপোৱা ঠাইলৈ লৈ জাওঁ বলা, এই কথা শুনি সি পলাব খুজিলে কিন্তু চৰাইটোৱে পিচে২ গৈ তাক লৈ আকাশ পৃথিবীৰ মাজেৰে উৰাও কৰি যৰ পৰা তাক পূৰ্ব্বে আনিচিল তাতে থৈ গল। ।৮০।

সি তাতে বহি তত পাই যি সৈন্য তাৰ আগত গৈচিল আৰু যি বোৰ ধন সম্পত্তি দেখিচিল সেই বোৰ মনত কৰি সি বৰ বিলাপকৈ কান্দিলে। সি সেই বৰ নৈৰ তীৰতে ঘৈনিয়েকৰ তলৈ আকৌ উভতি জাব পাৰিব বুলি দুমাহ বাট চাই থাকিল, কিন্তু এদিন নিখা সাৰ পাই বৰকৈ কান্দিলত এটা মানুহৰ কথা হে শুনিলে কিন্তু তাক নেদেখিলে। সেই মাতে এই বুলিলে বোলে কেনে সুখ ভোগ কৰিচিলি, যি এৰি আহিলি তালৈ আকৌ জোৱা নিলগত থাওক আৰু হুমুনিয়াহ কাঢ়। এই কথা শুনিলত সি কুঁৱৰিৰ তলৈ উভতি জাবৰ আশাৰ পৰা নৈৰাশ হৈ সন্ন্যাসী থকা ঘৰলৈ সোমাল আৰু তেতিয়াহে জানিলে যে যিবোৰ সি কৰিচে আৰু দেখিচে সিহঁতো সেই গতিত পৰিচিল আৰু সিহঁতৰ কন্দাৰ সকামো বুজিলে। শোকে অসন্তোষে তাক চাৰিও ফালৰ পৰা বেৰি ধৰিলে, সি তাৰ থকা খোঁটালি সোমাই সদাই কান্দি২ ভাত পানি এৰি আৰু কেতিয়াও নাহাঁহি মৰিল আৰু সিবোৰ সন্ন্যাসীৰ লগত গোৰ গল।

MODESTY.

লজ্জা।

হে মোৰ প্ৰিয় লৰা, ময় তোমাক সদাই বৰ লাজুৱা বুলি কৈ আচোঁ; সকলো সদ্গুণ অতি অধিক হোৱা দোষ।

তুমি সমাজলৈ জাবলৈ লাজ কৰা আৰু কেৱে কোনো ।৮১। কথা সুধিলে অতিশয় উদ্বিগ্ন নোহোৱাকৈ তাৰ উত্তৰ দিব নোৱৰা; এনে হোৱা তোমালৈ আৰু আনলৈকো বৰ বিষম। এতেকে তুমি সমাজত ইমান লাজ এৰি অধিককৈ সাহ কৰিবৰ পুৰুষাৰ্থ কৰিবা, তেনে হলে তোমাৰ ৰীতি মৃদু আৰু নিৰ্ভয় হব।

এনে হবৰ উপায় এই অৰ্থাৎ তুমি তোমাৰ কথা বা কৰ্ম্মৰ দ্বাৰা কেতিয়াও এনে কৰ্ম্ম নকৰিবা যাৰ পৰা তুমি লাজ পাবা।

কিন্তু নিলাজ হোৱাতকৈ বৰ লাজুক হোৱাই ভাল, ময় তোমাক কৈচোঁ বোলোঁ যেতিয়া বাৰে তেৰে বচৰিয়া লৰা এটাই সমাজলৈ আহি ৰাজ সভাত থকা মানুহৰ নিচিনাকৈ বৰ নিৰ্ভয়কৈ সকলোৱে সৈতে অতি চতুৰ হৈ কথা কয় তেতিয়া ময় এনে লৰাক বৰ বেয়া পাওঁ।

লৰাৰ স্বাভাৱিক এবিধ লাজ আচে সেই লাজ হলে বৰ আদৰণীয়, যি লৰাৰ মুঠেই লাজ নাই তাক ভাল বুলিব নোৱাৰি কিন্তু যি লৰা অতি লাজুকাও নহয় নিলাজো নহয় অথচ লাজো আচে তাক সকলোৱে চেনেহ কৰে।

INDUSTRY.

পৰিশ্ৰম।

পৰিশ্ৰম সকলো সদ্গুণৰ মুল, মহৎ গুণ সকলো আলোচনা নকৰিলে গুচে। ।৮২।

কোনো মানুহ বৰ বুদ্ধিমন্ত হৈ ওপজাৰ নিমিত্তে যে কোনো বিদ্যাত বৰ পাৰ্গৎ হয় এনে বুলি ভবা মিচা, যেতিয়া তুমি কোনো পাৰ্গৎ মানুহক দেখা তেতিয়া তুমি তেঁও নো কেনেকৈ কাল ব্যয় কৰিচে তাকে সুধিবা, পিচে তুমি অৱশ্যে জানিবা যে তেঁওৰ জীবন প্ৰায় শ্ৰমতে গৈচে।

আমাক সকলোকে ঈশ্বৰে সমান বুদ্ধি দিয়া নাই হয়; কেতবোৰ আনতকৈ অধিক বুদ্ধিমন্ত হৈ ওপজে কিম্বা যদি উপজিবৰ পৰা নহয় তেও কেনেবাকৈ বুদ্ধিমন্ত হয়, কিন্তু তুমি নিশ্চয় জানিবা যে ঈশ্বৰে যেনে বুদ্ধি দিয়ক নিদিয়ক শ্ৰম নকৰিলে তাৰ পৰা একো গুণ নহয়।

এতেকে কোনো প্ৰশংসনীয় কৰ্ম্মৰ নিমিত্তে সদাই পৰিশ্ৰম কৰিবা, পৰিশ্ৰম কৰিলে সিদ্ধি নোহোৱা কৰ্ম্ম নাই, প্ৰথমে যিটো কৰ্ম্ম অসাধ্য হেন ভবা সিও পৰিশ্ৰমৰ দ্বাৰা সিদ্ধি হয়।

শ্ৰম কৰিলে যে অসাধ্য কৰ্ম্মও হয় আৰু স্বাভাৱিক দোষকো শোধন কৰিব পাৰি তাৰ এক আচৰিত দৃষ্টান্ত তলত লিখা গল, সেই বিবৰণ সঁচা আৰু পুৰাবৃত্ত ইতিহাস সকলৰ পৰা উদ্ধৃত কৰা গৈচে।

দুহেজাৰ মান বচৰ হল দিমস্তিনীচ্ নামে এজন সদ্বক্তা গ্ৰীক দেশৰ এথেন্স নগৰত আচিল; পূৰ্ব্ব কালৰ সদ্বক্তা সকলৰ মধ্যত এওঁক অতি প্ৰধান বুলি গণ্য কৰা জায়।

তেঁও সেই নগৰত কালিস্ত্ৰাতচ্ নামে এজন সদ্বক্তাৰ বক্তৃতা শক্তিৰ দ্বাৰা মানুহ সকলৰ মাজত যি কৰ্ত্তৃত্ব আৰু ।৮৩। মান সংকাৰ হৈচিল তাকে দেখি তেঁও সদ্বক্তা হবলৈ বৰ উৎসাহ পালে; সেই নিমিত্তে সকলো সুখকো এৰি পুৰুষাৰ্থ কৰিব ধৰিলে আৰু কালিস্ত্ৰাতচ্ যিমান দিন এথেন্স নগৰত আচিল তিমান দিন তেঁওৰ লগ নেৰি তেঁওৰ উপদেশৰ পৰা যিমান পাৰে তিমান শিকিলে।

প্ৰথমেই তেঁও লৰা থাকোঁতে তেঁওৰ সম্পত্তি ৰক্ষকৰ বিপক্ষে এক বক্তৃতা কৰি সম্পত্তি ওভোতাই ললে, ইয়াতে উৎসাহ পাই তেঁও পিচে লোক সকলৰ আগত বক্তৃতা কৰিলে কিন্তু তাত তেঁওৰ অসম্ভ্ৰম হে হল।

তেঁওৰ মাত বৰ সৰু আৰু বেয়া আচিল দেখি সভাৰ সকলোৱে তেঁওৰ কথা শুনি উপহাস কৰি হাতত চাপৰি বজাই নিন্দা কৰিলে, তাতে তেঁও বৰ লাজ পাই তললৈ মুখ কৰি ঘৰলৈ জাওঁতে চেটাইৰচ্ নামে এজন সদ্বক্তা তেঁওৰ মিত্ৰে বাটত লগ পাই দিমস্তিনীচৰ বিমৰ্ষ হোৱাৰ কাৰণ শুনি কলে বোলে মিত্ৰ এই বোৰ দোষ গুচাবৰ উপায় আচে। পিচে তেঁও এক কাব্যৰ শ্লোক মাতিব দিলত দিমস্তিনীচে গালে, তাৰ পিচত চেটাইৰচে এনেহে মাত আৰু ভঙ্গিৰে গালে যে দিমস্তিনীচেই কলে বোলে ময় মতা শ্লোক ই নহয়, তেতিয়াই দিমস্তিনীচে আপোনাৰ দোষ জানি সেই দোষ বোৰ গুচাবৰ নিমিত্তে বৰকৈ পুৰুষাৰ্থ কৰিব ধৰিলে।

তেঁওৰ মাতৰ স্বাভাৱিক যি দোষ আচিল তাকে গুচাবৰ ।৮৪। নিমিত্তে, আৰু উচ্চাৰণ ভাল কৰিবৰ নিমিত্তে যি শ্ৰম কৰিচিল তাক পতিয়াব নলগাই প্ৰায়; তাৰে পৰা আমি জানো যে স্থিৰ প্ৰতিজ্ঞ হৈ শ্ৰম কৰিলে সকলো দোষকে গুচাব পাৰি।

তেঁও এনেহে খোনা আচিল যে কেতবোৰ আখৰকে উচ্চাৰণ কৰিব নোৱাৰিচিল, এই দোষ গুচাবলৈ তেঁও সৰু২ শিল গুটি মুখত লৈ পঢ়িচিল। তেঁওৰ উসাহ নিচেই চুটি আচিল, এই দোষ গুচাবলৈ তেঁও নথমকাকৈ শ্লোক মাতি বৰ ওখ পৰ্ব্বতলৈ উঠিচিল আৰু সমাজত মানুহৰ হাইতো তেঁওৰ মাত শুনিব পৰা কৰিবৰ নিমিত্তে সাগৰৰ তীৰলৈ গৈ পানিৰ বোৰোৱিত বক্তৃতা কৰিচিল।

দিমস্তিনীচে মাত ভাল কৰিবলৈ যিমান যত্ন কৰিলে মুদ্ৰা দিবলৈকো তাতকৈ অল্প পুৰুষাৰ্থ কৰা নাচিল। তেঁওৰ ঘৰত এখন আৰ্চি আচিল, তাকে আগত থৈ মুদ্ৰা দিবলৈ শিকিচিল আৰু যি কথা সভাৰ আগত কব লাগে তাক তেঁও আগে আৰ্চি আগত থৈ কেই বেলি মান ঘৰতে আওৰাই পিচেহে সভাত কৈচিল। তেঁও বক্তৃতা কৰাৰ সময়ত কান্ধ নচুৱাইচিল, এই দোষ শোধন কৰিবৰ নিমিত্তে যত থিয় হৈ বক্তৃতা শিকিচিল তাৰ ওপৰত এখন তৰোৱাল ওলমাই থৈচিল, পিচে তাৰে তলত থিয় দি বক্তৃতা কৰোঁতে কান্ধ নচুৱালে তৰোৱালৰ আগ লাগিচিল; এনেকৈ কান্ধ নচুৱা স্বভাৱো গুচিল।

তেঁও বিদ্যা শিকিবলৈ যেনে শ্ৰম কৰিচিল সিও সৰু আচ।৮৫। বিত নহয়, মানুহৰ মাজত থাকিলে হাইত বিদ্যা শিক্ষা নহব বুলি ভয় কৰি তেঁও মাটিৰ তলত এটা ঘৰ কৰি তাতে এটা চাকি লগাই পঢ়িচিল আৰু কেতিয়াবা২ দুমাহ তিনি মাহলৈকে তাতে সোমাই আচিল; সেই গাঁতত চাকিৰ পোহৰত তেঁও যি বক্তৃতা কৰিচিল তাক তেঁওক হিংসা কৰা বোৰে তেল২ গোন্ধাই বুলি কৈচিল।

তেঁও নিতৌ অতি সোনকালে উঠিচিল আৰু আন কোনো বনুৱা তেঁওতকৈ আগে উঠিলে বৰ অসন্তোষ পাইচিল। তেঁও বিদ্যাত নিপুণ হবলৈ যি অসম্ভৱ শ্ৰম কৰিচিল তাৰ প্ৰমাণ এই এটা; তেঁও গ্ৰীক দেশৰ প্ৰধান পুৰাবৃত্ত বিবৰণৰ পুথি আপোন হাতেৰে আঠ বেলি লেখিচিল, এই অভিপ্ৰায় কৰি যে তেনেকৈ লেখিলে সেই গ্ৰন্থৰ ভাষা তেঁওৰ মনত থাকিব।

এনে আচৰিত শ্ৰম কৰি দিমস্তিনীচ্ শেষত এনেহে সদ্বক্তা হল যে তেঁও বক্তৃতা কৰিব ধৰিলে তাকে শুনিবলৈ গ্ৰীক দেশৰ সকলো ঠাইৰ পৰা মানুহবোৰ জুম বান্ধি২ এথেন্স নগৰলৈ আহিচিল।

THE EYES OF THE LORD ARE IN EVERY PLACE.

ঈশ্বৰৰ চকু সকলো ঠাইতে আচে।

এই কথাটো বৰ আচৰিত হয় কিন্তু অতি সঁচা আৰু দিনৰ প্ৰতি মুহূৰ্ত্ততে সি তোমোলাকৰ মনত থাকিব পাই,।৮৬। আৰু নিশ্চয়কৈ জানিবা যে এই কথা মনত থাকিলে আমি অনেক অকৰ্ম্মৰ পৰা ৰক্ষা পাওঁ; কিয়নো

তোমোলাকে কেতিয়াবা২ পিতৃ মাতৃ বা আন কোনো মান্য জনৰ চকু তোমোলাকত পৰিব বুলি ভয় নকৰা নে? আৰু তোমোলাক অকলে থাকিলে যি অকৰ্ম্ম কৰিলা হঁতন সেই কৰ্ম্ম তোমোলাকৰ পিতৃ মাতৃৰ চকুৰ আগত থাকিলে কৰিবলৈ নেৰা নে?

হে প্ৰিয় লৰা সকল; ময় এই কথা কওঁ মন দি শুনিবা আৰু সদাই মনত ৰাখিবা। তোমোলাক কেতিয়াও অকলে নাথাকা এই কথা মনতকৈ আপোনা আপুনি সদাই ভাবিবা হেনে এতিয়া মোক ঈশ্বৰে দেখি আচে; আৰু যেতিয়া তুমি এঠাইৰ পৰা আন এঠাইলৈ জোৱা তেতিয়াও কৰা হেনে ঈশ্বৰে মোক লৰাও চাই আচে, ঈশ্বৰে তোমোলাকক ৰাতিয়ে দিনে দেখি আচে; যিমান দূৰলৈকে জোৱা ঈশ্বৰৰ চকু তোমোলাকৰ পিচে২ জাব; অতি এন্ধাৰ ঠাইলৈকে যদি জোৱা তেও ঈশ্বৰে তোমোলাকক ভালকৈ দেখিব, পৃথিবীত এনে এডুখৰিও ঠাই নাই যে তেঁও নেদেখে আৰু সেই ঠাই ইয়ে সিয়ে যিমান অন্তৰ হক নহক তেঁও একে বেলিয়ে দেখে, এই মুহূৰ্ত্তকত তেঁও কোন ঠাইত কি হৈচে তাকো জানে, এতেকে তোমোলাকে এতিয়া জানিলা যে তোমোলাক এক মুহূৰ্ত্তকো অকলে নাথাকা, কিন্তু এই কথা কেতিয়াবা ভাবা নে? নভবা হেন পাওঁ। ।৮৭।

হে প্ৰিয় লৰা হঁত, এতিয়া এই কথা ঈশ্বৰে তোমোলাকৰ মনত যেন ভালকৈ থয় আৰু তোমোলাকেও যেন কোনো অকৰ্ম্ম কৰিব খুজিলে ঈশ্বৰে দেখি আচে বুলি তাৰ পৰা পৰাঙমুখ হোৱা, ঈশ্বৰে সকলো বিধৰ কুকৰ্ম্মকে বেয়া পাই বুলি তোমোলাকে জানা আৰু তেওঁ কোনো কথা কেতিয়াও নেপাহৰে, এতিয়া ঈশ্বৰক যদি তোমোলাকৰ আগতে দেখিলা হঁতন তেন্তে কোনো বৰ সাহিয়াল লৰাইও তেঁওৰ আগত অকৰ্ম্ম কৰিবলৈ সাহ নকৰিলে হঁতন, কেৱে বেয়া কথা নকলে হঁতন, কাৰো চিত্তত অসজ কথা নাথাকিল হঁতন, আৰু সকলোৱে সেই মহৎ বস্তুক ভয় কৰি কলে হঁতন বোলে ময় কেনেকৈ ঈশ্বৰৰ আজ্ঞা নামানি এই কুকৰ্ম্ম কৰিম? কিন্তু লৰা হঁত নিশ্চয়কৈ তুমি যতে আচা তাতে ঈশ্বৰো আচে আৰু তুমি যি২ কৰা সকলোকে দেখি আচে, যদি কোনো সোৰোপা লৰাই বাটে২ ৰঙ্গকৈ ফুৰে, ঈশ্বৰৰ চকু সি যি বাটে ফুৰে তাতে আচে; কিম্বা কোনো সৰু লৰাই ওচৰত কাকো নেদেখি পৰৰ ধেমালি কৰা বস্তু আনিবলৈ হাত মেলিলে এজনাৰ চকু তাত পৰি থাকে আৰু সেই চকুৱেই ঈশ্বৰৰ।

হে প্ৰিয় লৰা সকল, ঈশ্বৰে তোমোলাকক চাই আচে বুলি ভাবিবলৈ ভাল পাব পোৱা আৰু যি বোৰ লৰাই আপোনাৰ মনক দমি ঈশ্বৰে সন্তোষ পোৱা

কৰ্ম্ম কৰে সেই বোৰেহে এনে ভাবনাক ভাল পাই; সিবিলাকে ভাবে ।৮৮। বোলে আমাৰ সকলোৰে পিতৃ যে আমাত সন্তুষ্ট হৈচে, তেঁও মোৰ দুখকো দেখে আৰু দুখ সান্ত্বনা কৰিব, তেঁও মোৰ অভাবকো জানে আৰু তাক গুচাব, ময় নৰিয়া পৰিলে বা পিতৃ মাতৃ হীন হলে তেঁও দেখি থাকে, আৰু ময় জানো যে সময়ৰ মূৰত তেঁও মোলৈ সান্ত্বনা পঠিয়াব, তেঁও যেন পৰম বন্ধু, মোৰ অভাব দেখিবলৈ আঁতৰত নাই, সেই দেখি মোৰ দুখৰ সলনি ভাবনা কৰিব নাপাওঁ, কিয়নো তেঁও দেখি আচে আৰু মোক ৰক্ষা কৰিবলৈ তেঁওৰ হাত অৱশ্যে মেলিব।

এই সকল অতি সুন্দৰ চিন্তা, এতেকে নিশ্চয় জানিবা যে ঈশ্বৰে তোমোলাকক সদাই দেখি থাকে আৰু সেই নিমিত্তে সুকৰ্ম্ম নে অকৰ্ম্ম কৰা তাকো দেখে, এই সকল কথা শুনি সদাই চলিবা আৰু যিহৰ পৰা ঈশ্বৰ ওচৰত আচে বুলি জানিলে অসন্তোষ নহৈ হৰ্ষ হয় তাকে কৰিবা।

FEAR GOD.
ঈশ্বৰক ভয় কৰা।

হে প্ৰিয় লৰা সকল, আমি তোমোলাকত বিনয় কৰি কওঁ ঈশ্বৰক ভয় কৰা; ঈশ্বৰ কেনে জ্ঞানী আৰু মহিমাবন্ত আৰু তোমোলাক কেনে সৰু তাকে মনত ৰাখিবলৈ সদাই পুৰুষাৰ্থ কৰা, আমাৰ মহৎ ৰক্ষক যে ঈশ্বৰ তেঁও তোমোলাকক নৰখা হলে তোমোলাকৰ শৰীৰ আৰু আতমা এক ।৮৯। মুহূৰ্ত্তকো আপদৰ পৰা ৰক্ষা নপৰিল হঁতন। তোমোলাকে ঈশ্বৰৰ আজ্ঞা নামানি আপোন ইচ্ছাৰে অকৰ্ম্ম কৰিলে তেওঁ কিমান শাস্তি কৰিব পাৰে তাক ভাবা, আৰু এই কথাও নাপাহৰিবা যে যি অকৃতজ্ঞ হৈ ঈশ্বৰে যি সজ বাটে জাব দিচে তাৰে নেজায় তাক তেঁও অৱশ্যে দণ্ড কৰিব।

লৰা হঁত, তেঁও কেনে মৰমিয়াল চোৱা, আমি তেঁওক বেলিয়ে২ পাহৰিচোঁ, আমাৰ যেনে স্বভাৱ তেঁও হব দিয়া নাই সি হৈচে আৰু যি কথা আমাক কৰবলৈ হাক দিচে তাকো কৈচোঁ; তেঁও আমাক মৰম হে কৰে আৰু সদায় আমাৰ উপকাৰ হে কৰিচে। এতেকে আমাক সকলোকে ঈশ্বৰে পৰকাললৈ নৌ নিওঁতেই তোমোলাক সকলোৱে চিত্ত সদাই তেঁওৰ আজ্ঞা পালক হোৱা। যি ঈশ্বৰক পাহৰিচে আৰু কুকৰ্ম্মক প্ৰীতি কৰিচে তালৈ

পৰকাল বৰ ভয়ানক হব, কিয়নো তাত পাপী বোৰে নভবা নুশুনা যাতনা পাব।

হে প্ৰিয় লৰা সকল, ঈশ্বৰক ভয় কৰা, তেঁও তোমাক চিৰকাললৈকে প্ৰীতি কৰিব। ঈশ্বৰক নেপাহৰি চুৰ কৰা মিচা কথা কোৱা ইত্যাদি পাপক ভয় কৰাকে (নাইতো ঈশ্বৰে ক্ৰোধ কৰিব) ঈশ্বৰক ভয় কৰা বোলে। যিবোৰ লৰাই ঈশ্বৰক অসন্তুষ্ট কৰিবৰ ভয় কৰে সিবিলাকে আন একোকে ভয় কৰিব নালাগে, কিয়নো যোনে তেঁওক ।৯০। এনেকৈ ভয় কৰে তাৰ ওপৰত তেঁও কৃপাৰ ওপৰত কৃপা দমাই আৰু তাৰ মৰমিয়াল পিতৃ হৈ চেনেহ কৰে।

ALL YE ARE BRETHERN.

তোমোলাক সকলোৱে ভাতৃ।

তোমোলাক যি সকল এই পঢ়াশালিলৈ আহি বৰ হৰ্ষ মনে একে লগে বহি হাতত ধৰা ধৰিকৈ আচা সকলোৱে ভাই ককাই আৰু একে পিতৃৰে সন্তান, কিয়নো একে জনা দয়াময় পিতৃয়ে তোমোলাক সকলোকে স্ৰজিচে, সকলোকে প্ৰেম কৰে আৰু ৰক্ষা কৰে। তোমোলাকৰ এটাক যেনেকৈ ৰাখিচে তেনেকৈ সকলোকে একে জনাই ৰাখিচে। তেঁও তোমোলাকক সুখী দেখিলে হৰ্ষ পায় আৰু তোমোলাকক খাবলৈ আৰু লবলৈ দিয়ে; তোমোলাকে পৰস্পৰ প্ৰীতি কৰিলেও তেঁও আনন্দিত হয়।

এতিয়া তোমোলাক একে বংশৰে লৰা হৈ কেনেকৈ থাকিব পোৱা? তোমোলাকে পৰস্পৰ এনেহে প্ৰীতি আৰু মৰম কৰিবা যে যোনে দেখে সেইয়ে তোমোলাকক যেন ভাই ককাই বুলি ভাবে। তোমোলাকে কেতিয়াও মৰা মৰি আৰু দন্দ নকৰিবা, কোনো বস্তু লৈ কড়া কড়িও নকৰিবা, হিংসাও নকৰিবা, সংক্ষেপকৈ কব লাগিলে তোমোলাকৰ ভাই ককাইক যেনেকৈ ব্যৱহাৰ কৰা তেনেকৈ আনকো কৰিবা; তাৰ দ্বাৰা সকলোৱে সুখী হৈ থাকিব পাৰিবা। ।৯১।

LOVE ONE ANOTHER.

পৰস্পৰ প্ৰীতি কৰা।

পৃথিবীৰ মধ্যত সকলো বস্তুতকৈ প্ৰেম মিঠা, ঈশ্বৰ প্ৰেম স্বৰূপ আৰু ঈশ্বৰে যি সকল কৰিচে তাক দেখিলে এই কথা আমি স্বৰূপ বুলি জানো— ঈশ্বৰ সদাই দয়াময় আৰু তেঁওৰ সৃষ্টিৰ সকলোকে দয়া কৰে।

হে প্ৰিয় লৰা সকল, তোমোলাকেও ঈশ্বৰৰ দৃষ্টান্ত দেখি চলিব নোখোজা নে? যদি বাঞ্ছা কৰা তেন্তে ঈশ্বৰে তোমোলাকৰ চিত্তত এই গুণ দিব আৰু আমি পৰস্পৰ যিমান প্ৰীতি কৰোঁ তিমান সুখীও হয়। যি মানুহে খঙ্গ কৰে আৰু আনক ভাল নাপাই সি কেতিয়াও সুখী হব নোৱাৰে, সি সদাই খঙ্গ মুৱা হৈ অসন্তোষকৈ থাকে; কিন্তু যাৰ চিত্তত প্ৰীতি থাকে সি হৰ্ষ আৰু নম্ৰ হৈ থাকি আপুনি যিমান সুখ ভোগ কৰে আনকো তিমান সুখী কৰিবলৈ পুৰুষাৰ্থ কৰে।

পৰস্পৰ প্ৰীতি কৰা অৰ্থাৎ সকলোৰে প্ৰতি মৰমিয়াল হোৱা। তোমাৰ চিত্তত এই সদ্‌গুণ দিবলৈ আগে ঈশ্বৰক প্ৰাৰ্থনা কৰা, পিচে তোমাৰ সকলো কথাতে আৰু কৰ্ম্মতে এই গুণ প্ৰকাশ কৰিবা আৰু যি বস্তু দেখা (কিট পতঙ্গাদিও) তাক মৰম কৰিবা। মৰমিয়াল লৰাই মাখিকো নোজোকাই; যেতিয়া লৰা হঁত তোমোলাক সকলোৱে দন্দ খৰিয়াল নকৰি মিলে প্ৰীতিয়ে উমলি থাকা আৰু ভাল বস্তু । ৯২। পালে সকলোৱে ভগাই নিয়া তেতিয়াহে তোমোলাকৰ চিত্তত আনলৈ প্ৰীতি থকা বুলি জানিম, কিন্তু যি লৰা গোমোঠা মুৱা হৈ আনক মাৰিবলৈ হাত দাঙ্গে আৰু পৰৰ বস্তু কাঢ়ি নিয়ে তাৰ চিত্তত প্ৰীতি নাই। তাৰ মন খঙ্গেৰেই ভৰা, সি আপোনাকহে প্ৰীতি কৰে, আন কাকো নাজানে। হে প্ৰিয় লৰা বিলাক, তোমোলাকে এনে কথা কেতিয়াও নকৰিবা।

আকৌ যেতিয়া কোনো লৰাই আনৰ নাৱে কুকৰ্ম্মৰ সলনি গোচৰ দিয়ে তেতিয়াও তাৰ চিত্তত প্ৰীতি নথকা বুলি জানি, কিয়নো তোমাৰ কোনো কুকৰ্ম্মৰ কথা আনে কলে তুমি ভাল পাবা নে? প্ৰিয় লৰা সকল, তোমোলাকে মিলে প্ৰীতিয়ে নেথাকিলে আৰু আপোনাকহে মৰম কৰি আনক ভাল নাপালে আমি বৰ বিৰম পাওঁ; কিন্তু দন্দ হাই নকৰি সকলোৱে সকলক প্ৰীতি আৰু সহায় কৰি থাকিলে বৰ সন্তোষ পাওঁ। তোমোলাকে আমাক বিষাদ দিব খোজা নে? তেনে ইচ্ছা নকৰিব পোৱা, তেন্তে আমি হৰ্ষ কৰিলে ভাল পোৱা যদি সকলোতকৈ আগেই ঈশ্বৰক অসন্তুষ্ট নকৰিবলৈ পুৰুষাৰ্থ কৰা আৰু তোমোলাকৰ মনত খঙ্গ উঠিলে এক মুহূৰ্ত্তক মনে২ থাকি আপোনা আপুনি

কৰা বোলে হে ঈশ্বৰ মোৰ মনৰ পৰা এই বৈৰীক গুচুৱা; তেঁও অৱশ্যে তোমোলাকৰ কথা শুনি মনক নম্র কৰিব আৰু সদাই ভাবিবা হেনে ঈশ্বৰ সকলো ঠাইতে আচে আৰু সুকৰ্ম্ম কুকৰ্ম্ম দেখি আচে। ৯৩।

CHILDREN, OBEY YOUR PARENTS IN ALL THINGS.

লৰা হঁত, সকলো কথাতে তোমোলাকৰ পিতৃ মাতৃক মান্য কৰা।

এই পৃথিবীত আমাৰ যি সকল মিত্র আচে সকলোতকৈ পিতৃ মাতৃ মৰমিয়াল। তুম্মি উপজিবৰে পৰা সিবিলাকে তোমাৰ যি২ উপকাৰ কৰিচে আৰু আজিলৈকে কৰিব লাগিচে তাক তোমোলাকে কি জানি ভবাই নাই। এতেকে সিবিলাকৰ উপকাৰৰ কথা অলপ কওঁ শুনা।

যেতিয়া তুমি এই পৃথিবীত প্রথমে জন্ম ললা তেতিয়া তুমি গোটেই দুৰ্ব্বল আচিলা, সহায় নোহোৱাকৈ থিয় দিব বা আন একোকে কৰিব নোৱাৰিচিলা; কিন্তু তোমাৰ মাতৃয়ে ওৰে দিনটো তোমাক কোলাত লৈ ফুৰিচিল আৰু ঘৰৰ আন বন কৰি ভাগৰিলেও তোমাক প্রতিপাল কৰিববলৈ তেঁওৰ কেতিয়াও ভাগৰ নেলাগিচিল আৰু তোমাক কোলাত লৈ থাকোঁতে তেঁওৰ হাতৰ বিষ ধৰিলেও কোলাৰ পৰা নথইচিল। তেঁও বুকুত লৈ তোমাক খুৱাইচিল, আৰু ৰাতি তেঁওৰ ভাগৰ ধৰি টোপনি আহিলেও তুমি কান্দিলে নিচুকাইচিল আৰু এইবোৰ দুখ সহিও তেঁও এফেৰিও বেজাৰ নাপাইচিল আৰু তোমাক আদৰকৈ চুমা খাই তোমাক ডাঙ্গৰ কৰিববলৈ নানা দৰে প্রতিপাল কৰিচিল।। ৯৪।

তোমাৰ পিতৃয়ে তোমাৰ হৈ কি কৰিচে তাৰ কথা কওঁ শুনা— তোমাৰ পিতৃয়ে ৰাতি পুৱাৰ পৰা গধুলিলৈকে বন কৰি তোমোলাকক প্রবৰ্ত্তাবলৈ ধন আনে; বৰখুন আনিলে বা ভাগৰ লাগিলেও ঘৰত নাথাকে আৰু তিতিম বা ভাগৰ লাগিচে বুলি ঘৰত থাকোঁ নোবোলে, কিয়নো তেনে কৰিলে খাবলৈ কত পালা হঁতন, তেঁও অতি চেনেহকৈ ভাবে বোলে মোৰ লৰা লুৰি হঁতে কি খাব? এতেকে ময় বন কৰোঁ গৈ, এই বুলি ৰদেই হক বা বৰখুনেই হক, দুখেই হক বা সুখেই হক, সকলোকে এফলিয়া কৰি থৈ বনলৈ হে জায়। তোমাৰ হৈ ইমান দুখ কৰাৰ সলনি তুমি তোমাৰ পিতৃক কেনে চেনেহ কৰিব পোৱা?

হে মোৰ প্ৰিয় লৰা বিলাক, তোমোলাকৰ পিতৃ মাতৃয়ে ইমান মৰম কৰাৰ সলনি সিবিলাকৰ নিমিত্তে আজিলৈকে তোমোলাকে কি কৰিচা? এতিয়ালৈকে তোমোলাকে সিবিলাকৰ একো উপকাৰ কৰিব পৰা হোৱা নাই হয়, কিন্তু সিবিলাকক সন্তোষ কৰিবলৈ সকলোৱে এটি কৰ্ম্ম কৰিব পাৰা অৰ্থাৎ ভাল সন্তান হবলৈ প্ৰাৰ্থনা আৰু পুৰুষাৰ্থ কৰা আৰু সকলো কথাতে পিতৃ মাতৃক মান্য কৰা। ইয়াকে তোমোলাক জিয়াই থাকা মানে প্ৰতি দিনে কৰিব পোৱা, কিয়নো কাৰো মাক বাপেকে কুকৰ্ম্ম কৰিবলৈ নিশিকায়; কিন্তু শাস্ত্ৰৰ বিপৰীত কোনো কৰ্ম্ম কৰিব দিলেহে সিবিলাকৰ কথাতকৈ ঈশ্বৰৰ আজ্ঞা মানিব পাই। ৯৫। সকলো পিতৃ মাতৃয়ে সন্তান হঁতক সুকৰ্ম্ম কৰিব হে দিয়ে সেই নিমিত্তে সিবিলাকৰ কথা অৱশ্যে শুনিব পাই। যেতিয়া সিবিলাকে "তালৈ জোৱা, ইয়ালৈ আহাঁ, ইয়াকে কৰা" ইত্যাদি কোনা আজ্ঞা লৰাক কৰে তেতিয়া সি পৰম হিতৈষী পিতৃ মাতৃৰ আজ্ঞা বুলি সেই আজ্ঞা তেতিয়াই পালিব পাই; কিন্তু তললৈ মুৰকৈ খঙ্গ কৰি তিনি চাৰি বেলি নোবোলে মানে নকৰি থাকিব নাপাই। পিতৃ মাতৃয়ে লৰাই ভাল নোপোৱা কোনো কথা কৰিব দিলেও সেই কথা অৱশ্যে কৰিব, কিয়নো সিবিলাকে তাতকৈ অধিক জানে।

তোমোলাকৰ পিতৃ মাতৃয়ে কেতিয়াবা খঙ্গ কৰিলে বা ডবিয়ালে, তোমোলাকে বেজাৰ নাপাই সিবিলাকক শীঘ্ৰে আজ্ঞা পালন কৰি সন্তোষ কৰিবলৈ হে যতন কৰিবা। কিয়নো তুমি নজনা অনেক কথাত সিবিলাকে বেজাৰ পাই। এতেকে হে প্ৰিয় লৰা সকল, এইবোৰ কথা মনত সাঁচি থৈ পিতৃ মাতৃৰ আজ্ঞা মানিবলৈ তোমোলাকক মতি দিবৰ নিমিত্তে ঈশ্বৰক প্ৰাৰ্থনা কৰা।

HE THAT SPEAKETH LIES SHALL PERISH.
যি মিচা কথা কয় সি তাৰ প্ৰতিফল পাব।

হে প্ৰিয় লৰা হঁত, তোমোলাকৰ ভিতৰৰ কেৱে যেন এই কুকৰ্ম্ম নকৰা। তোমোলাকে সদাই মনত ৰাখিবা যে আমাৰ সৰ্ব্বজ্ঞ পিতৃ পৰমেশ্বৰ সদাই তোমোলাকৰ । ৯৬। গুৰিত থাকি যি কথা কোৱা তাকে শুনে আৰু আন কেৱে নুশুনাকৈ ফুচফুচাই কলেও তেঁও শুনে; তোমোলাকে জানিবা যে ঈশ্বৰে মিচা কথা সহিব নোৱাৰে কিন্তু সঁচাক হে ভাল পায়, যি লৰাই শাস্তিৰ পৰা ৰক্ষা পাবলৈকো মিচা নকই সাহকৈ সঁচাহে কয় তেনে লৰাৰ প্ৰতি তেঁও বৰ তুষ্ট হয়।

আমাক শাস্ত্রে কৈচে বোলে ঈশ্বৰ সত্য স্বৰূপ আৰু কেৱে মিচা কথা কৈ তেঁওৰ ক্রোধ নুতুলিব। যি লৰাই কয় বোলে ঈশ্বৰে মোৰ কথা শুনি আচে, এতেকে যিহত তেঁও সন্তুষ্ট হয় তাকে কম আৰু কৰিম তাকো ঈশ্বৰে অতি ভাল পাই। মহৎ ঈশ্বৰক অসন্তুষ্ট কৰাতকৈ ডাবি আৰু মাৰ খোৱাই ভাল, কিয়নো ঈশ্বৰৰ ক্রোধক আমি ভয় কৰিব পাওঁ; যদি কেৱে মিচা কথা কৈ মৰে পিচে তাৰ যি মুখে সদাই সঁচা কথা কব লাগিচিল সেই মুখেই মিচা কোৱাৰ সলনি তাৰ আত্মাই যি যাতনা পাব তাৰ কথা মনত কৰি আমাৰ মন মিচাৰ পৰা পলাব পাই। ঈশ্বৰে কুকৰ্ম্মৰ শাস্তি ততালিকে নিদিয়ে হয় কিন্তু যেতিয়া পাতকিয়ে এই সংসাৰৰ পৰা জাই তেতিয়া সি যি শাস্তি পাব তাকে মাথোন ভাবিবা।

এতেকে হে প্রিয় লৰা সকল, মিচা কথাৰ পৰা ৰক্ষা পাবলৈ ঈশ্বৰক স্তুতি কৰা, তেঁও এই মুহূৰ্ত্তকৰে পৰা তোমোলাক নমৰা মানলৈকে সঁচা কবলৈ শিকাওক।।৯৭।

THOU SHALT NOT STEAL.

তুমি চুৰ নকৰিবা।

সকলোৱে আপোনাৰ নিজা বস্তু ৰাখিবলৈ পাৰিবৰ নিমিত্তে শাস্ত্রে চুৰ কৰিবলৈ হাক দিচে। তোমোলাক সকলোৱে চুৰ নকৰা কিহক বোলে জানা, তাৰ অৰ্থ এই অৰ্থাৎ যি বস্তু তোমোলাকৰ নহয় সি অতি ক্ষুদ্র হলেও নিনিবা।

যদি তোমোলাকে স্বৰূপকৈ সৎ লৰা হৈ ঈশ্বৰৰ আজ্ঞা পালন কৰিব খোজা তেন্তে কি সৰু কি ডাঙৰ যি বস্তু তোমোলাকৰ নহয় তাক চুৰলৈকো মন নকৰিবা। কেতিয়াবা তোমোলাকে মনত ভাবিব পৰা বোলে অমুক বস্তুটি কেনে চিকোন ময় তাক পালোঁ হঁতন তেহে! কিন্তু লৰা হঁত, কেতিয়াবা তোমোলাকৰ মনত এনে ইচ্ছা হলে পাপ নামে যে তোমোলাকৰ বৈৰী আচে সেয়েই এনে কুমতি দিচে বুলি মনত কৰিবা আৰু সকলো চিত্তে সৈতে ঈশ্বৰক এই বুলি প্রার্থনা কৰিবা বোলে হে প্রভু মোক অকৰ্ম্ম কৰিবলৈ মতি নিদিবা।

হে প্রিয় লৰা সকল, তোমোলাকৰ মনত পৰৰ বস্তু আনিবলৈ ইচ্ছা হোৱা মাত্রেই সেই ইচ্ছা দমন কৰিবা, কিয়নো তাৰ পৰা তুমি নিশ্চয়কৈ পাপৰ পৰা ৰক্ষা পৰিব পাৰিবা আৰু সদাই "ঈশ্বৰৰ চকু সকলো ঠাইতে আচে" বুলি ।৯৮। জানিবা। যি চুৰ কৰে সি ঈশ্বৰৰ ক্রোধৰ তলতিয়া হব আৰু তাৰ প্রতিফলো পাব।

লৰা হঁত, নিশ্চয়কৈ জানিবা যে সৰু লৰা এটিয়ে লাটিম চুৰ কৰিলে যিমান পাপ, চোৰ এটাই ৰাতি সিন্ধি খানি এটোপোলা সোন চুৰ কৰি বন্দিশালত যাতনা পাই মৰাও তাৰ সমানেই পাপ; আৰু যি সৰুৰে পৰা বেজি চুৰ কৰে সি ডাঙৰ হলেও নাহে২ বৰ অকৰ্ম্ম কৰি শেষত মহা দুৰ্গতিত পৰে। তোমোলাকে যি কৰ্ম্ম কৰা সকলোতে সৎ হব পোৱা।

এই সকল উপদেশ সদাই মনত ৰাখিবা আৰু ঘৰতো এই কথাকে কৰা আৰু তোমাৰ পিতৃ মাতৃকো তোমাৰ কৰ্ম্মৰ দ্বাৰা সৎ বুলি দেখুৱাবা। তুমি যদি পঢ়াশালিত পৰৰ কিবা বস্তু পোৱা তেন্তে তেতিয়াই তোমাৰ অধ্যাপকক সোধাই দিবা; কোনো সৰু লৰাক ভুৰুকিয়াই তাৰ কোনো বস্তু নিবলৈ ইচ্ছা নকৰিবা; সি লৰা মানুহ একো নেজানে দেখি ভুৰুকিয়াব নোপোৱা। কোনো মানুহে বাটত কিবা বস্তু পেলাই জোৱা দেখিলে তুমি তেতিয়াই সেই বস্তু তাৰ গৃহস্থক সোধাই দিবাগৈ, কিয়নো ঈশ্বৰৰ আজ্ঞা মানিবৰ নিমিত্তে, তোমাৰ প্ৰতি আনে যেনে কৰিলে তুমি ভাল পোৱা তুমিও তাৰ প্ৰতি তেনে কৰিবা।

হে প্ৰিয় লৰা সকল, ঈশ্বৰে তোমোলাকক আশীৰ্ব্বাদ কৰক, আৰু ৰাতিয়ে দিনে তোমোলাকৰ কথা কৰ্ম্ম আৰু ।৯৯। ভাৱনাত তেঁওৰ পবিত্ৰ নামলৈ ভয় আৰু প্ৰেম কৰিবৰ মতি দিয়ক, তাৰে পৰা তোমোলাক ইহকাল পৰকালত সুখী হবা।

SPEAK NOT EVIL ONE OF ANOTHER.
আনৰ নিন্দা কথা নকবা।

তোমোলাক সকলোৱে অকাৰণে পৰৰ কুকৰ্ম্মৰ কথা নকৈ ঈশ্বৰৰ গুণানুবাদ আৰু সৎ কথা কলে ময় বৰ সন্তোষ পাওঁ। কোনো লৰাই কাৰো দোষৰ কথা কব নাপাই, কিন্তু পৰস্পৰ এনেহে প্ৰীতি কৰিব পোৱা যে তোমোলাকৰ লগৰিয়াই দোষ কৰিলে অসন্তোষ কৰি আনকো তাৰ কথা কব নিদিবা; কিয়নো তুমি কুকৰ্ম্ম কৰিলে আন কোনো দুষ্ট লৰাই তোমাৰ কথা এটাইৰে আগত কৈ ফুৰিলে ভাল পোৱা নে? কেৱে এই পঢ়াশালিত বা আন কোনো ঠাইত অকৰ্ম্ম কৰিলে তোমোলাকৰ ভিতৰৰ অনেকে সেই কথা কবলৈ ভাল পোৱা, কিন্তু এনেকৈ কেতিয়াও কাৰো কথা নকবা। কোনো লৰাই তোমাক জোকালে বা গালি পাৰিলে তুমি সহিহে থাকিবা আৰু তাক ক্ষমা কৰিবা, কিন্তু অধ্যাপকত গোচৰ দিওঁগৈ নুবুলিবা, কিয়নো তোমোলাক সকলোৱে একে জনা পিতৃৰে পৰা হৈছো আৰু সকলোৱে ভাই ককাই হোৱা; এতেকে ভাই ককাইৰ প্ৰতি এনে কৰা বেয়া।। ১০০।

তোমোলাকে কি নিমিত্তে পৰৰ দোষৰ কথা কবলৈ ভাল পোৱা ময় কওঁ শুনা। যাই হেতু গৰ্ব্ব। তুমি আপোনা আপুনি আন লৰাতকৈ ভাল হব খোজা আৰু তুমি অধ্যাপকক জনাব খোজা যে আনে যি অকৰ্ম্ম কৰিচে তাক তুমি কেতিয়াও নকৰা; কিন্তু ঈশ্বৰে এনে অহঙ্কাৰক ঘৃণা কৰে, এতেকে তুমি এনে কুমতিৰ পৰা ৰক্ষা পাবলৈ প্ৰাৰ্থনা কৰা, তেনে নকৰিলে তুমি বৰ পাপ আৰু দুখত পৰিবা। আৰু এটা হেতু এই, লৰা বোৰে সৰহকৈ কথা কবলৈ ভাল পায়; যি অনেক কথা কয় সি তেতিয়াই পৰৰ দোষৰ কথাও কয় আৰু এইদৰে ভালেমান কুকৰ্ম্মও কৰে।

প্ৰিয় লৰা সকল, ময় তোমোলাকক যে এই সকল কথা কলোঁ তাক মনত ৰাখি পৰৰ নিন্দা কৰা যে এটা দুৰ্স্বভাৱ তাক এৰা, সকলোকে মৰম কৰিবা আৰু কাৰো দোষ দেখিলে ক্ষমা কৰিবা আৰু যেতিয়া তোমোলাকৰ কাৰো নিন্দা কৰিবৰ মতি হয় তেতিয়া এই উপদেশ সকল মনত কৰিবা।

BE CONTENT WITH SUCH THINGS AS YE HAVE.

তোমোলাকৰ যি বস্তু আচে তাতে সন্তুষ্ট হবা।

তোমোলাক সকলোৱে সন্তুষ্ট হোৱা কিহক বোলে ।১০১। জানা; কিন্তু অকল বুজিলেই বা শুনিলেই নহয়, যেনে শুনা আৰু বুজা তেনে চলিবও লাগে। আনৰ বস্তুলৈ ইচ্ছা কৰা বৰ বেয়া আৰু এনে দুৰ্মতি কোনো লৰাৰ মনত থাকিব নাপাই, তোমাৰ যদি এনে মতি হয় তেন্তে তাক তোমাৰ তৰ পৰা নিবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰা, অকল পাপ যে এটা বস্তু আচে তাতে মাথোন সন্তুষ্ট নহবা। আমাত যি পাপ থাকে তাক যিমান সোনকালে পাৰোঁ তিমান সোনকালে এৰাবৰ যত্ন কৰিব পাওঁ, কিন্তু তোমাৰ আন কোনো বস্তু থাকিলে তাত সন্তুষ্ট হবা, কিয়নো ঈশ্বৰে তোমালৈ যি ভাল আৰু উপযুক্ত তাকে হে দিচে।

তুমি কোনো লৰাৰ হাতত এটি বৰ চিকোন পুতলা বা আন কোনো বস্তু দেখি "সেই বস্তুটি মোৰ হল হঁতন তেহে" এনে বুলি নাভাবি কৰা বোলে লৰাই যি বস্তু পায় তাতে সন্তুষ্ট হব পাই আৰু ঈশ্বৰে মোক যি সকল দিচে তাৰো ময় যোগ্য নহওঁ। তুমি যেতিয়া পৰলিয়া চাউলৰ ভাত খোৱা, কিন্তু তোমাৰ চুবুৰিয়া কেৱে পায়সকে আদি কৰি নানা ভাল দ্ৰব্য খায়, তেতিয়া তুমি এনেকৈ নবুলিবা বোলে মোৰ খোৱা বস্তু বেয়া, ময় ইয়াতকৈ ভালকৈ খাব

খোজোঁ আৰু অমুকে মোতকৈ ভাল বস্তু খায়, কিন্তু তুমি যিহকে পোৱা তাকে খাই সন্তুষ্ট হবা।

যি বস্তু পাবলৈ তুমি ইচ্ছা কৰা তাকে চাই বহি নাথাকিবা আৰু যি মানুহৰ সেই বস্তু তাৰো গুৰিত সদাই নাথাকিবা,।১০২। কিয়নো তেনে কৰিলে তোমাৰ অভিলাষ আৰু অধিকহে হব। তুমি এনে বস্তুত চকু দিবা যাৰ পৰা তোমাৰ মনৰ সেই অভিলাষ গুচে। যি বস্তু আমাৰ নহয় তালৈ বৰকৈ চাই থকা মিচা সময় ব্যয় মাথোন; আৰু তেনে কৰিলে লাহে২ সেই বস্তু পাবলৈ অভিলাষ হয়, বিশেষ শাস্ত্ৰতো যি বস্তু আমাৰ নহয় তালৈ ইচ্ছা কৰিব হাক দিচে।

কোনো অজ্ঞান লৰাই বাটেৰে জাওঁতে বজাৰত ভাল বস্তু দেখি তাকে চাবলৈ থমকি "কেনে সুন্দৰ বস্তু" বুলি অভিলাষ কৰিলে ময় বৰ বিষম পাওঁ; কিয়নো এনেকৈ সি যি বস্তু তাৰ নহয় তালৈ ইচ্ছা কৰি২ শেষত অসন্তোষ কৰি ঈশ্বৰে দিয়া বস্তুতো সন্তোষ নহয়।

হে প্ৰিয় লৰা বিলাক, পৰৰ বস্তুত লোভ নকৰিবা; তোমোলাকৰ যি আচে তাতে সন্তোষ হৈ থাকিবা। এই উপদেশ পুথিৰ পাতত লেখা তোমোলাকে দেখিচা কিন্তু তাক তোমোলোকৰ চিত্তত লেখাই থোৱা।

BE COURTEOUS.
শিষ্ট হোৱা।

আমি সকলোৰে প্ৰতি শিষ্ট হব পাওঁ, কিন্তু গৰ্ব্ব কৰা অতি বেয়া আৰু সকলো বিধৰ অশিষ্ট ব্যৱহাৰ আৰু অমান্য কৰাক এৰিব পাওঁ। কিন্তু লৰা বোৰে এই উপদেশ পাহৰি সদাই সিবিলাকতকৈ ডাঙ্গৰ জনক মান সৎকাৰ নকৰে,।১০৩। কিন্তু তোমোলাকে এই কথা নিতৌ মনত ৰাখিবা আৰু যেতিয়া আলিৰে জোৱা আৰু ভাল মানুহৰ সমাজত থাকা তেতিয়া অশিষ্ট লৰাৰ নিচিনাকৈ কৰ্ম্ম নকৰিবা।

যি লৰা শিষ্ট হয় সি কোনো ভাল মানুহক অহা দেখিলে অতি নম্ৰ আৰু নত হৈ তেঁওক বাট এৰি দিয়ে, অসজ লৰাৰ নিচিনা হজুৱাৰ দৰে গৰ্ব্বকৈ গাত ঠেলা মাৰি নেজায়; যি লৰাৰ এনেকুৱা চৰিত্ৰ তাক শাস্তি দিব লাগে।

যেতিয়া তুমি কোনো ভাল মানুহে সৈতে কথা কোৱা তেতিয়া অতি নম্ৰ হৈ কথাৰ উত্তৰ প্ৰত্যুত্তৰ দিবা। সদাই আপুনি, দেও, আপোনাৰ বা দেৱৰ অনুগ্ৰহ অনুগ্ৰহকৈ ইত্যাদি মিঠা কথা কৰা। কেৱে সৈতে কোনো কথাৰ বিবাদ

লাগিলে এক আখাৰো কটু কথা নকবা, কিন্তু সকলো কথাত নম্র হবা। তুমি যদি বৰ ধনৱন্তেই হোৱা তেও শিষ্টাচাৰী নহলে তোমাক কেৱে ভাল নাপাব; যি সকলোকে সমাদৰ কৰে তাক আটাইয়ে প্রীতি কৰে, কিন্তু যি গৰ্ব্ব কৰি থাকে তাক কেৱে ভাল নাপাই ঘৃণা হে কৰে।

মান্য জন আহিলে তুমি আগবাঢ়ি আনিবাগৈ আৰু বিদায় দিওঁতেও আগবঢ়াই থৈ আহিবা, এই সকলকে শিষ্ট হোৱা বোলে। হে প্রিয় লৰা বিলাক, এই বোৰ উপদেশ তোমোলাকে মনত সঁচাৰ মাৰি থৈ দিনৰ প্রতি মুহূৰ্ত্ততে সেই উপদেশেৰে চলিলে নিশ্চয়কৈ তোমোলাকক সকলোৱে প্রেম কৰিব। ১০৪।

THE WAGES OF SIN IS DEATH.
পাপৰ বেতন মৃত্যু।

এই বচন তোমোলাকে ভালকৈ বুজা নাই হেন পাওঁ, এতেকে ময় বুজাই কওঁ শুনা। তোমোলাকে বেতন (অর্থাৎ দৰমহা) বুলি অনেক বেলি শুনিব পোৱা, কিয়নো তোমোলাকৰ পিতৃয়ে কোনোবা মানুহৰ ঘৰত বন কৰি বনৰ বেচ ধন অনা দেখিচা; সেই যে ধন তাকে বেতন বোলে। সিবিলাকে যি গৃহস্থৰ বন কৰে তাৰ তৰ পৰা ধন পাব পাই আৰু সেই ধনকে বেতন বোলে, কিয়নো সি ন্যায়কৈ আৰ্জা।

কিন্তু জানিবা, যে ধনত বাজে আন বেতনো আচে আৰু তোমোলাকৰ পিতৃ মাতৃ সকলে পৃথিবীৰ যি গৃহস্থৰ বন কৰে তাত বাজে আৰু আন গৃহস্থো আচে; এটা গৃহস্থ আচে তাৰ নাম পাপ, (এই নাম শুনিব পোৱা) সেই পাপ নামে গৃহস্থে তোমোলাক সকলোকে চাকৰ ৰাখিব খোজে আৰু সি তাৰ চাকৰ হঁতক যি বন কৰিব দিয়ে তাৰে নাম পাপ, অর্থাৎ সকলো বিধৰে দুষ্টামি দুৰ্ভাৱনা আৰু কুকৰ্ম্ম ইত্যাদি। সিও তাৰ চাকৰ বোৰক তাৰ বন কৰাৰ সলনি বেতন দিয়ে, কিন্তু ময় নিশ্চয় জানো যে সি যি বেতন দিয়ে সি অতি বেয়া আৰু তাৰ দৰমহা খাবলৈ ময় তোমোলাকক ৰবকৈ হাক দিওঁ, কিয়নো সি তাৰ চাকৰ বোৰক বেতন মৃত্যু দিয়ে; সেই মৃত্যু শৰীৰৰ নহয়, কিন্তু জীবাত্মাৰ মৃত্যু, অর্থাৎ জীবাত্মাই নৰকত যি যাতনা পায়। ।১০৫।

যি বোৰ মানুহ আৰু লৰা তিৰোতাই পাপৰ চাকৰ হৈ তাৰ বন কৰে সিহঁতক তাৰ সলনি পাপে এই বোৰ বেতন দিয়ে, "পাপৰ বেতন মৃত্যু।" যি

মানুহে তাৰ অসৎ আজ্ঞা মানিচে সি এই বেতন পাব পাই, এতেকে হে প্ৰিয় লৰা সকল, পাপ কৰ্ম্মৰ প্ৰতিফল যে কলোঁ, এই কথা মনত ৰাখি এতিয়াৰে পৰা পাপক বৰকৈ ভয় কৰিবলৈ শিকা আৰু সদাই তাৰ পৰা পলাবলৈ প্ৰতিজ্ঞা কৰা।

THE LAWSUIT.
গোচৰ।

এক খেতিয়ক দুই পুতেকক এৰি মৰিল; সিহঁত দুইও বাপেকে এৰি জোৱা সম্পত্তিৰে প্ৰবৰ্ত্তি ভালকৈ খাই লই সুখকৈ থাকিব পাৰিলে হঁতন কিন্তু সিহঁতৰ বাপেকে এৰি জোৱা বৃত্তিৰ মধ্যত এখন আম কঠাল ইত্যাদিৰ বৰ সুন্দৰ বাৰী আছিল আৰু তাৰ পৰা বচৰি ভালে মান লাভ পোৱা গৈছিল।

সেই বাৰী খন সিহঁতৰ বাপেক মৰিবৰ কালত ভগাই দিয়া নহল সেই নিমিত্তে দুইও ভায়েকে তাক পাবলৈ দ্বন্দ কৰিব ধৰিলে; শেষত সিহঁতৰ কাকো কেৱে নমতা হল আৰু পৰস্পৰ বৰ বৈৰতা হল। এক ভায়েকে কলে বোলে তয় মোৰ বস্তু নিব খোজ এতেকে তয় ভাল মানুহ নহ আৰু ।১০৬। তয় এনে বাৰীৰ অধিকাৰ হবৰ যোগ্যও নহ, পিচে সিহঁতৰ গাঁৱৰ পুৰোহিতে বিবাদ শুনি সিহঁতক মিলাই ৰাখিবৰ ইচ্ছা কৰি কলে বোলে মিত্ৰ সকল, তোমোলাকে কি কৰা, সুখে থাকি ভাগৰ লাগিল নে? এই বাৰী খনেই তোমোলাকৰ মিল প্ৰীতি ভাঙ্গিবৰ হেতু হল নে? দুইও গোট খাই তাক চাহ কৰা, পিচে সহ হলে ভগাই নিবা; এই কথাত এক ভায়েকে কলে বোলে ময় এনে ইচ্ছা নকৰোঁ, গোটেই খন ময় পাওঁ; সি ভায়েকে কলে বোলে বাৰু বুজা জাব ময় হে পাম; সিহঁতৰ এই সকল কথাত সেই পুৰোহিতে কলে, তেন্তে দুইৰ এটাই এটাৰ তৰ পৰা ধন লৈ ভাগ এৰি দিয়া; তাতে সিহঁতে দুইও একে বেলিয়ে কলে বোলে মোৰ ভাইয়ে এৰি দিয়ক। পিচে পুৰোহিতে সিহঁতক একো পিনে মিলাই ৰাখিব নোৱাৰি কলে বোলে তহঁতে ইয়াৰ প্ৰতিফল পাবি।

ভায়েক হঁত এই কথাত মন নিদি দুইও দুই উকিল ধৰি গোচৰ আৰম্ভ কৰিলে, আন গোচৰৰ নিচিনা সিহঁতৰ গোচৰো পৰি থাকিল, সেই সময়তে বাৰীৰ গচ সকল কেৱে পতি নকৰাত গোটেই নষ্ট হল, শেষত পাঁচ বচৰৰ মুৰত গোচৰৰ সিদ্ধান্ত হল কিন্তু যি জিকিলে গোচৰৰ খৰচ দিবলৈ সেই বাৰী খন আৰু তাৰ লগতে আন বৃত্তিকো বেচিলে। ১০৭।

এই বোৰ দুৰ্ঘটনা হলত দুইও ভায়েকে বৰ উদ্বিগ্ন হল, পিচে এটাই কলে বোলে আমাৰ এনে হবই পায়, এই বোৰ আমি এৰাব পাৰিলো হঁতন, আমাৰ মাটি বাৰী আৰু ধন এটাই থাকিল হঁতন আৰু ইমান দুখ নাপাই সকলোৱে সুখকৈ খাই লই থাকি সকলোৰে মনত ভাল হলো হঁতন; তাতে সি ভায়েকে মাত লগালে বোলে এই সকল সুখ আমাৰ দোষতহে গুচিচে, সকলো কথা আকৌ পূৰ্ব্বৰ দৰে হল হঁতন যদি তেহে; এই কথাত ডাঙ্গৰ ভায়েকে কলে বোলে যি গল সি আৰু উভতি নাহে এতেকে আগলৈ জনা হওঁ হঁক, এই বুলি দুইও সাপটা সাপটিকৈ কলে, আমি জীয়াই থাকো মানে কাৰো কেৱে শত্ৰু নহওঁ, পিচে দুইও কান্দিলে আৰু সেই দিনাৰে পৰা দুইৰো বৰ প্ৰীতি হল।

THE DECISION OF CYRUS.
চাইৰচৰ সিদ্ধান্ত।

নাৰায়ন। তুমি সেই চিনত কাঁৰ মাৰিব পাৰা নে? মোৰ পিতাই মোক এজোৰ কাঁৰ ধেনু দিচে, তাৰেই মাৰোঁ হঁক বলা।

গোপাল। বাৰু মোক আগৈ মাৰিবলৈ দিয়া।

না। অল্প ৰবা, আগৈ তোমাতকৈ ডাঙ্গৰ বোৰে মাৰক, মোৰ মৰা হলে পিচে তোমাক দিম কিন্তু মোৰ চোলাটো বৰ টান, হাত দাঙ্গিবকে নোৱাৰোঁ, তোমাৰ গালৈ ভাল হব, তোমাৰটো বৰ ডাঙ্গৰ এতেকে সলনি কৰোঁ দিয়া। ১০৮।

গো। ময় তেনে কথা নকৰোঁ, মোৰ চোলাটো ডাঙ্গৰ হয় কিন্তু তোমাৰটোতকৈ মোৰটোৰ ভাল বৰণ এতেকে ময় তাক ৰাখিম।

না। তুমি যদি ভাল কথাত নিদিয়া তেন্তে বলকৈ সলাম। তোমাৰ গালৈ মোৰটো ভাল হব এতেকে সলালে দুইৰো ভাল হব।

এই কথা কৈ সিহঁতে দুইও জোটা পোটি কৰিব ধৰিলে, এনে সময়তে চাইৰচ আহি দেখি সুধিলে বোলে লৰা হঁত কি হইচে? কিহৰ সলনি দ্বন্দ কৰিচা হঁক।

গো। মোৰ বল নাই দেখি ই মোৰ চোলাটো কাঢ়ি নিব খোজে।

না। ময় আমাৰ দ্বন্দ সুধিবলৈ চাইৰচক মানিলোঁ, তুমি তেওঁৰ সিদ্ধান্তত মান্তি হবানে।

গো। বাৰু হম।

চা। কি কথা কোৱা, তেহে তোমোলাকৰ দ্বন্দৰ কথা ভু পাম।

না। মোৰ চোলাটো মোৰ গালৈ সৰু কিন্তু তাৰটোও তাৰ গালৈ ডাঙ্গৰ, প্ৰায় মাটিত পৰে; এতেকে দুইও চোলা সলনি কৰিব খোজোঁ।

চা। তেন্তে মোৰ এই সিদ্ধান্ত, ডাঙ্গৰটো লৰাই ডাঙ্গৰটো চোলা আৰু সৰুটো লৰাই সৰুটো নিব পাই।

সিহঁত দুইও এই সিদ্ধান্ত পাই চোলা সলনি কৰিব । ১০৯। ধৰিলে, এনেতে অধ্যাপক সোমাই তাকে দেখি সুধিলে বোলে কিয় কাপৰ সলাইচ হঁক।

চা। হয়, সিহঁতে চোলাৰ হৈ দ্বন্দ কৰি মোৰ তলৈ সোধ সোধাবলৈ আহিছিল আৰু ময় সিদ্ধান্ত দিচোঁ বোলোঁ যালৈ যিটো চোলা ভাল সেয়েই তাক পাব।

অধ্যাপক। তুমি কি বুজি এনে সিদ্ধান্ত দিলা।

চা। যালৈ যিটো ভাল তাকে সেইটো দিয়াইচোঁ।

অ। কিন্তু যাৰ বস্তু সি মানতি নোহোৱাকৈ কি ব্যৱস্থাৰে তাৰ বস্তু তুমি নিয়ালা।

চা। ময় জানিলোঁ যে এনেকৈ সলালে তাৰ লাভ হব।

অ। আনে কিহত সুখী হয় তাক জানিবৰ তোমাৰ শক্তি নাই, সুবিচাৰৰ নিমিত্তে ডাঙ্গৰ চোলাটো তাৰ অধিকাৰক দিব পাই। তোমাৰ সিদ্ধান্ত অন্যায় হৈচে, তুমি সুবিচাৰহে কৰিব পোৱা, কালৈ কি ভাল তাক সুধিব নোপোৱা।

ন্যায্যতাৰ মূৰ্ত্তি সদাই চকুত কাপৰ বন্ধা আৰু হাতত তৰ্জু এখনেৰে কৰে, তাৰ অৰ্থ এই যে তেঁওৰ কাতো ভিন ভাৱ নাই কিন্তু সকলো মানুহকে পাব লগা খনি বেচি কমি নকৰাকৈ দিয়ে।

BRUTUS THE COUNSEL.
ব্ৰুটচৰ আখ্যান।

ৰুম ৰাজ্য পূৰ্ব্বে ৰজাৰ দ্বাৰা শাসিত হৈছিল, পিচে এক ৰজাই প্ৰজা সকলক বৰকৈ যাতনা দিয়াত সকলোৱে তাক । ১১০। খেদি দেশ শাসন কৰিবলৈ বচৰি কন্সল নামে দুটা শাসন কৰ্ত্তা পাতিলে আৰু কেতিয়াও ৰজা নাপাতোঁ বুলি শপত কাঢ়িলে। ব্ৰুটচ নামে এজন মানুহে ৰজাক খেদিবলৈ অগ্ৰগণ্য হৈছিল আৰু প্ৰথমে তেঁও আৰু কলেটাইনচ নামে এজন দুইও কন্সল হল।

সেই ভগা ৰজাই আকৌ ৰজা হবৰ মনে আন চলকৈ নগৰলৈ কটকি পাঁচিলত কেত বোৰ মান দুষ্ট মানুহে আকৌ তেঁওক ৰজা পাতিবলৈ গোট খাই ভিতৰি মেল কৰিব ধৰিলে, পিচে দৈবাৎ সেই ৰাজ দ্ৰোহী বোৰে মেল কৰাৰ

কথা প্ৰকাশ হল। এদিন সিহঁত সকলোৱে ৰাতি মেল কৰাত এটা গোলামে লুকাই থাকি সিহঁতৰ মেলৰ আটাই কথাকে শুনি কন্সল হঁতৰ আগত কই দিলে।

তেতিয়াই সেই ৰাজ কুমন্ত্ৰি বোৰক ধৰিবলৈ আজ্ঞা দিলে, পিচে সিহঁতৰ মাজত ব্ৰূটচৰ পুতেকো আছিল। সিহঁত সকলোকে সোধৰ ঠাইলৈ অনা হলত আপোনাৰ কুকৰ্ম্মৰ সলনি একো উত্তৰ দিব নোৱাৰি মনে২ কি দণ্ড কৰে তালৈকে বাট চাই থাকিল। সেই দেশত যি ৰজা পাতিবলৈ মন্ত্ৰণা কৰে তাক প্ৰাণ দণ্ড কৰিচিল, তাতে ব্ৰূটচৰ পুতেককো দেখি সিবোৰ বিচাৰপতিয়ে নকম্পাকৈ থাকিব নোৱাৰিলে কিন্তু ব্ৰূটচেহে একেৰিও অসন্তোষ ।১১১। নকৰি বৰ খঙ্গ মুৰাকৈ পুতেক হঁতক কুকৰ্ম্মৰ সলনি কিবা উত্তৰ আচে বুলি তিনি বেলি সুধিলে, কিন্তু একো উত্তৰ নাপাই চাণ্ডাঙ্গ হঁতক কলে বোলে এতিয়া তহঁতৰহে বন কৰিব লগা আচে, এই বুলি তেঁও বহিল কিন্তু একোৱে তেঁওৰ প্ৰতিজ্ঞা ভাঙ্গিব নোৱাৰিলে, পিচে আগত থাকি পুতেক হঁতক কটালে।

OF ALFRED THE GREAT.
আলফ্ৰেড ৰজাৰ কথা।

এহেজাৰ মান বচৰ হৈচে ইংগ্লণ্ড দেশৰ আলফ্ৰেড্ নামে এক ৰজা আছিল, তেঁও ইংগ্লণ্ডৰ ৰজা সকলৰ ভিতৰত অতি জ্ঞানৱন্ত আছিল। তেঁওৰ জীৱনৰ প্ৰতি ঘড়ীৰে বন নিৰূপণ আছিল আৰু তেঁও দিন আৰু ৰাতিক আঠ ঘড়ীকৈ তিনি ভাগ কৰিচিল।

তেঁও অতি নৰিয়া থাকিও শোৱা খোৱা আৰু ভ্ৰমণৰ নিমিত্তে আঠ ঘড়ী হে থৈচিল আৰু আধৰুৱা যোলে ঘড়ীৰ আদ খনি পুথি পঢ়ি আৰু লেখি আৰু ঈশ্বৰক আৰাধনা কৰি ক্ষেপণ কৰিচিল, সি আদ খনিত ৰাজ কৰ্ম্ম কৰিচিল। তেঁওৰ দিনত ঘড়ী নাচিল দেখি তেঁও এনে বাতি কৰিচিল যে সি ঠিক আঠ ঘণ্টাহে জ্বলিচিল।

TITUS EMPEROR OF ROME.
ৰোম দেশৰ পাত্‌সাহ তীতচ।

বেচ্‌পেচীয়নৰ পুতেক তীতচ পাতচাহক কেৱে গালি পাৰিলে সেই কথা তেঁওৰ আগত কাকো কব নিদিচিল, ।১১২। গালি পৰা কথা কলে তেঁও এই

সমিধান দিচিল বোলে তাহঁতে যদি অকাৰণে মোৰ স্বভাৱত কলঙ্ক দিয়ে তেন্তে তাৰ সলনি দণ্ড নকৰি দয়াহে কৰিব লাগে কিন্তু কেৱে যদি মোক সকাৰণে অপৱাদ দিয়ে তেন্তে তাক দণ্ড কৰা অন্যায়, কিয়নো সিহঁতে মোৰ সঁচা কথাহে কইচে।

ALCIBIADES A LESSON TO PRIDE.
আল্‌চিবিদিচৰ আখ্যান।

আল্‌চিবিদিচ্‌ নামে এজন ধনৱন্ত মানুহ গ্ৰীক দেশত আচিল, তেঁও আপোনাৰ ধন সম্পত্তি আৰু মাটিৰ কথা কই অহঙ্কাৰ কৰোঁতে তেঁওৰ গুৰু সক্ৰেতীচে তেঁওক পৃথিবীৰ মূৰ্ত্তি এখন দেখুৱাই আটিকা দেশ (অৰ্থাৎ যি দেশত এথেন্স নগৰ আচে) আৰু সেই নগৰতে তেঁওৰ বৃত্তি বিচাৰি উলিয়াব দিলে; সেই দেশ অতি ক্ষুদ্ৰ আচিল দেখি তেঁওৰ চক্ষু গোচৰ নহল, পিচে অনেক শ্ৰম কৰি দেখিলত সক্ৰেতীচে আকৌ আটিকা দেশত তেঁওৰ মাটি উলিয়াব দিলত তেঁও কলে বোলে সি অতি ক্ষুদ্ৰ হেতুকে নেদেখি; তাতে গুৰুৱে কলে বোলে চোৱা চোন এই অদৃশ্য এক বিন্দু ঠাইতে তুমি কিমান অহঙ্কাৰ কৰিব লাগিচা।

FORCE OF HABIT.
নিত্য কৰ্ম্মৰ ফল।

চীন দেশৰ এক পাতচাই প্ৰথমে সিংহাসনত উপবিষ্ট । ১১৩। হৈ পূৰ্ব্বৰ ৰজা সকলৰ দিনত যিবোৰ বন্দিয়াৰক অন্যায়কৈ বন্দি কৰিচিল সিহঁতক এৰি দিবৰ আজ্ঞা দিলে।

পিচে মুক্ত হোৱা বন্দিয়াৰ বোৰে ৰজাক আশীৰ্ব্বাদ কৰিবলৈ আহিল। তাৰে মাজত বৰ বুঢ়া এটা ৰজাৰ ভৰিত পৰি কলে বোলে, হে চীন দেশৰ মহা পিতৃ চোৱা ময় এটা চাৰি কুৰি বচৰিয়া বুঢ়া, মোক বাইচ বচৰ বয়সতে বন্দিশালত দিচে কিন্তু ময় একো অপৰাধ কৰা নাচিলোঁ আৰু মোক কেৱে অপৰাধী বোলাও নাচিল। ময় অকলে এন্ধাৰত আজি তিনি কুৰি বচৰ আচোঁ আৰু দুখ সহি মোৰ সহজ হৈচে, যি সূৰ্য্যৰ দিপ্তিলৈ তুমি মোক এৰি দিচা তাক মোৰ চকুৱে মনিব নোৱাৰে, মোক সহায় কৰিবলৈ আৰু মোৰ দুখ গুচাবলৈ কেৱে মোক মনত ৰাখিচে বুলি আলিত বিচাৰি ফুৰিলোঁ কিন্তু মোৰ বংশৰ কেৱে নাইকিয়া হল, মিত্ৰ বোৰো মৰি ঢুকাল আৰু সকলোৱে পাহৰিলে।

এতেকে হে মহাৰাজময় যি কেইদিন জিওঁ সেই কেইদিন বন্দিশালতে থাকিব দিয়া, বন্দিশালৰ বেৰ মোৰ মনত বৰ ৰজা থকা ঘৰতকৈও ভাল, ময় আৰু সৰহ দিন নিজিওঁ এতেকে যি বন্দিশালত ময় ডেকা আৰু লৰা কাল খেদালো তাত যদি এতিয়া থাকিব নিদিয়া তেন্তে ময় দুখিয়া হম ।১১৪।

RELIGION.

ধৰ্ম্ম।

একে জনা ঈশ্বৰ আচে; সংসাৰৰ সৃষ্টি কৰ্ত্তা আৰু শাসন কৰ্ত্তা, সৰ্ব্ব শক্তিমান, অনাদি অনন্ত আৰু অজ্ঞেয়।

যি জনা সৰ্ব্ব শ্ৰেষ্ঠ অতি জ্ঞানৱন্ত আৰু দয়ালু, তেঁওক হে পূজা সেৱা স্তব স্তুতি আৰু ধন্যবাদ কৰিব লাগে।

তেঁৱেই হাতেৰে স্বৰ্গ নিৰ্ম্মাণ কৰিচে আৰু আঙুলিৰে নক্ষত্ৰ সকলৰ ৰেখা নিৰ্ণয় কৰিচে, তেঁৱেই সমুদ্ৰৰ সীমা নিশ্চয় কৰে আৰু সেই সীমা চেৰাব নোৱাৰে, আৰু ধুমুহাক আজ্ঞা কৰে বোলে নিজম দি থাক।

তেঁৱেই পৃথিবীক লৰায় আৰু সকলো দেশৰ মানুহে ভয়ত কঁপে, তেঁৱেই সংসাৰক মুখৰ কথাৰে আনিব পাৰে আৰু হাতেৰে প্ৰহাৰ কৰি সকলোকে সংহাৰ কৰে।

সৰ্ব্ব শক্তিমানৰ মহিমাক মান্য কৰা আৰু নষ্ট হবলৈ ভয় কৰি তেঁওৰ ক্ৰোধ নুতুলিবা।

ঈশ্বৰে তেঁওৰ সৃষ্টিৰ সকলোৰে তত্বাৱধাৰণ কৰে আৰু অসীম জ্ঞানেৰে শাসন কৰে আৰু চলায়। তেঁও সংসাৰ শাসন কৰিবৰ নিমিত্তে ব্যৱস্থা কৰিচে আৰু অতি আচৰিত ৰূপে সৃষ্টিৰ নানা জীবৰ নিমিত্তে বিবিধ ব্যৱস্থা কৰিচে।

তেঁওৰ গভীৰ মনত সকলো জ্ঞান আচে আৰু ভবিষ্যৎ কালৰ সঙ্কেত সকল তেঁওৰ আগত মুকলি হৈ থাকে। তোমাৰ চিত্তৰ ভাবনা সকল তেঁওৰ দৃষ্টিৰ পৰা নুলুকায় ।১১৫। আৰু তুমি কোনো প্ৰতিজ্ঞা কৰাৰ পূৰ্ব্বেই তেঁও জানে। তেওঁ সকলো কৰ্ম্মতে আচৰিত, তেঁওৰ অভিপ্ৰায় বুজিব নোৱাৰি আৰু তেঁওৰ জ্ঞান তোমাৰ বোধৰ অগম্য। এতেকে তেঁওৰ জ্ঞানক সকলো মান সৎকাৰ কৰা আৰু অতি নম্ৰ আৰু নত হৈ তেঁওৰ আজ্ঞা মানা।

ঈশ্বৰ অতি মৰমিয়াল আৰু কৃপাবান, তেঁও এই সংসাৰ দয়া আৰু প্ৰেমেৰে কৰিচে। তেঁওৰ সৃষ্টিৰ সকলোতে তেঁওৰ কৃপা দেখি, তেঁও সকলো

ভালৰে মূল আৰু সকলো সম্পূৰ্ণতাৰ মধ্য। তেঁওৰ সৃষ্টিৰ সকলো প্ৰাণিয়ে তেঁওৰ গুণ কয় আৰু সিহঁতে যি সুখ ভোগ কৰে সিও তেঁওৰ প্ৰশংসা কয়।

তেঁওৰ প্ৰাণিক তেঁও ৰূপ দিয়ে, আবৰণ আহাৰ দিয়ে আৰু পুৰুষানুক্ৰমে ৰক্ষাও কৰে।

আমি স্বৰ্গলৈ চকু তুলি চালে তেঁওৰ মহিমা জলি থকা দেখোঁ, আৰু তললৈ পৃথিবীলৈ চালেও তেঁওৰ কৃপা হে দেখোঁ; পৰ্ব্বত, গহ্বৰ, পথাৰ, আৰু নদীএ হৰ্ষ হৈ তেওঁৰ গুণানুবাদ কৰে।

কিন্তু হে মনুষ্য, তেঁও তোমাক বিশেষকৈ অনুগ্ৰহ কৰি তেঁওৰ সৃষ্টিৰ সকলোতকৈ তোমাক ডাঙ্গৰ কৰিচে। সৃষ্টিৰ ওপৰত তোমাৰ ৰাজত্ব ৰাখিবৰ নিমিত্তে তেঁও তোমাক জ্ঞান দিচে, আৰু সমাজৰ পৰা তোমাৰ উন্নতি হ্বলৈ কথা কবৰ শক্তি দিচে, আৰু তেঁওৰ অনুপম গুণ সকল চিন্তা কৰিবৰ নিমিত্তে চিন্তা শক্তি দিচে। তোমাৰ জীবন । ১১৬। কি ৰূপে চলাব লাগে তালৈকে তেঁও যি ব্যৱস্থা কৰিচে, সি তোমাৰ স্বভাৱৰ এনেহে গণ্য যে তেঁওৰ আজ্ঞা মানিলে তোমাৰ সুখ হয়।

তেওঁৰ দয়াক ধন্যবাদ কৰা, আৰু মনে মনে তেওঁৰ আচৰিত প্ৰেমৰ চিন্তা কৰা। তোমাৰ চিত্ত কৃতজ্ঞতাৰে ভৰক, তোমাৰ মুখে গুণানুবাদ কৰক, আৰু তোমাৰ জীৱনৰ কৰ্ম্ম সকলে তেওঁৰ ব্যৱস্থা সকললৈ তোমাৰ প্ৰীতি দেখুৱাক।

ঈশ্বৰ অতি ন্যায্য আৰু যথাৰ্থ আৰু পৃথিবীৰ সোধ অতি ন্যায়কৈ কৰিব। তেঁও ব্যৱস্থা সকল অতি দয়াকৈ কৰা নাই নে? আৰু যোনে তেঁওৰ আজ্ঞা ভাঙ্গে তাক দণ্ড নকৰিব নে?

হে সাহিয়াল মনুষ্য, তোমাৰ দণ্ড পলম হয় দেখি ঈশ্বৰৰ বাহু দুৰ্ব্বল বুলি নাভাবিবা, আৰু তোমাৰ কৰ্ম্ম সকলত তেঁও চকু পচাৰে বুলি নাজানিবা; তেঁওৰ চকু সকলোৰে চিত্তৰ গোপন বস্তুতো বিন্ধি সোমাই, আৰু সি চিৰকাললৈকে মনত থাকে আৰু তেঁও কোনো মানুহক মান্য নকৰে। বৰ, সৰু, দুখিয়া, ধনবন্ত জ্ঞানী আৰু অজ্ঞানী, সকলোৰে আত্মা যেতিয়া মনুষ্য দেহৰ পৰা জায় তেতিয়া ঈশ্বৰৰ ন্যায্য আজ্ঞাৰ পৰা ন্যায় ৰূপে আপোনাৰ কৰ্ম্মৰ প্ৰতিফল পাব।

তেতিয়া দুষ্ট বোৰে ভয়ত কঁপিব কিন্তু ধাৰ্ম্মিক চিত্তে হৰ্ষ পাব।

এতেকে হে মনুষ্য, জীয়াই থাকা মানে ঈশ্বৰক ভয় কৰা আৰু তেঁও যি বাট দেখুৱাইচে সেই বাটেৰে জোৱা। জ্ঞানে ।১১৭। তোমাক উপদেশ দিয়ক, ধৈৰ্য্যতাই কুমতিক দমন কৰক, ন্যায্যতাই তোমাৰ হাতক চলাওক, দয়াই তোমাৰ চিত্তক উৎসাহ দিয়ক, আৰু পৰমেশ্বৰৰ প্ৰতি কৃতজ্ঞতাই তোমাক

ধৰ্ম্মনিষ্ঠ কৰক। এই বোৰে তোমাক ইহকালতো সুখ দিব আৰু পৰকালতো ঈশ্বৰৰ ঠাইলৈ নিব, যত অনন্ত সুখ পাবা।

THE SUPREME RULER OF THE WORLD.
জগতৰ সৰ্ব্ব শ্ৰেষ্ঠ শাসন কৰ্ত্তা।

মনুষ্যেৰে ভৰি থাকা অনেক ৰাজ্য, দেশ, দ্বীপ আৰু উপদ্বীপেৰে এই পৃথিবী খন, তাৰ শাসন কৰ্ত্তা ঈশ্বৰ। হাঁফলুত যেনেকৈ গুৰি পৰুৱা থাকে, মনুষ্যেও তেনেকৈ পৃথিবীৰ ওপৰত একেলগে বাস কৰে।

কেতবোৰ মানুহে বৰ জাৰৰ পৰা ৰক্ষা পাবলৈ শৰীৰক পশুৰ চালেৰে আবৰণ কৰে, কেতবোৰে গ্ৰীষ্ম ঠাইত ৰদ সহে, কেতবোৰে দ্ৰাক্ষাৰস, কেতবোৰেঁবা নাৰিকলৰ ভিতৰৰ সোৱাদ গাখিৰ খায়, আৰু কেতবোৰে নদীৰ পানি খাই পিয়াহ নিবাৰণ কৰে।

সকলোৱে ঈশ্বৰৰ বংশৰ নিচিনা; গৰখিয়াই যেনেকৈ তাৰ পালৰ গৰু চিনে, তেনেকৈ ঈশ্বৰেও আমাক সকলোকে চিনে; মনুষ্য সকলে তেঁওক নানা ভাষাৰে আৰাধনা ।১১৮। কৰে কিন্তু তেঁও সকলো ভাষাকে বুজে আৰু শুনে আৰু তেঁও সকলোকে ৰক্ষা কৰে; কেৱে ইমান ডাঙৰ নহয় যে তেঁও ৰক্ষা নকৰিব।

হে আফ্ৰিকা দেশৰ তিৰোতা, তুমি বন্দিশালত থাকি বিলাপ কৰিচা, আৰু তোমাৰ নৰিয়া সন্তানৰ ওপৰত পৰি শোক কৰিচা, তোমাক আনে যদিও নেদেখে তেও ঈশ্বৰে দেখে, আৰু আন কেৱে যদি দয়া নকৰে তেও ঈশ্বৰে কৃপা কৰে; দুখিয়া আৰু অনাথ সকলোৱে আপোনাৰ দুখত পৰি তেঁওলৈ আটাহ পাৰি আশ্ৰয় প্ৰাৰ্থনা কৰা তেঁও অৱশ্যে তোমাক শুনিব।

হে ৰজা, শত২ দেশৰ ওপৰত ৰাজত্ব কৰা হয়, তোমাৰ অঙ্গ মৃত্যুৰ নিচিনা ভয়ানক, তোমাৰ সৈন্যে দেশ জোৰে, তেও তোমাৰ ওপৰত কেৱে নাই বুলি দৰ্প নকৰিবা; কিয়নো ঈশ্বৰ তোমাৰ ওপৰত আচে, তেঁওৰ পৰাক্ৰমী বাহু ওপৰত, আৰু তুমি কুকৰ্ম্ম কৰিলে তেঁও তোমাক নিশ্চয় দণ্ড কৰিব।

হে পৃথিবীৰ নানা দেশীয় মানুহ সকল, ঈশ্বৰক ভয় কৰা; হে মনুষ্যৰ বংশ সকল, পৰম প্ৰভু পৰমেশ্বৰৰ নাম লোৱা। ঈশ্বৰে সৃষ্টি নকৰা যদি কেৱে আচে তেন্তে সেইয়ে মাথোন তেঁওক নভজক, তেঁও আশীৰ্ব্বাদ নকৰা যদি কোনো আচে সি তেঁওৰ গুণানুবাদ নকৰক। ।১১৯।

GOD GLORIOUS ABOVE ALL HIS WORKS.
ঈশ্বৰ তেঁওৰ সকলো সৃষ্টিতকৈ গৌৰবান্বিত।

আহাঁ ময় কি বস্তু সুন্দৰ তোমাক দেখুৱাওঁ। সম্পূৰ্ণ হৈ ফুটা গোলাপ ফুল অতি সুন্দৰ। ফুলৰ কুঁৱৰী হেন কেনেকৈ ঠানিত বহি আছে; তাৰ পাত বোৰ জুইৰ নিচিনা জলে; আৰু তাৰ সুঘ্ৰাণত বায়ুও সুগন্ধী হইচে; সকলোৱে তাক দেখি হৰ্ষ পায়।

গোলাপ ফুল অতি সুন্দৰ হয় কিন্তু তাতকৈও সুন্দৰ আছে; যি গোলাপক স্ৰজিচে তেঁও তাতকৈও সুন্দৰ, তেঁও প্ৰেম স্বৰূপ আৰু সকলোৰে চিত্ত হৰ্ষ কাৰক।

কি বস্তু বলৱন্ত দেখুৱাওঁ আহাঁ। সিংহ বলী, সি যেতিয়া গাঁতৰ পৰা উঠি গা লৰায় আৰু যেতিয়া সি আটাহ পাৰে তেতিয়া পথাৰৰ পশু পলায় আৰু বনৰ জন্তু বোৰ লুকায়, কিয়নো সিংহ অতি ভয়ানক।

সিংহ বলৱন্ত হয়, কিন্তু যি জনাই তাক স্ৰজিচে তেঁও তাতকৈও বলিষ্ঠ আৰু তেঁওৰ ক্ৰোধ অতি ভয়ানক। তেঁও আমাক এক মুহূৰ্ত্তকে মাৰিব পাৰে, তেঁওৰ হাতৰ পৰা আমাক কেৱে ৰাখিব নোৱাৰে।

কি বস্তু মহিমাৱন্ত দেখুৱাওঁ বলা। সূৰ্য্য গৌৰৱান্বিত; যেতিয়া তেঁও আকাশত দিপ্তি কৰে আৰু স্বৰ্গৰ সিংহাসনত বহি পৃথিবীৰ চাৰিওফালে চায় তেতিয়া তেওঁক পৃথিবীৰ মধ্যত সকলোতকৈ সুন্দৰ আৰু মহিমাৱন্ত দেখি। । ১২০।

সূৰ্য্য মহিমাৱন্ত হয়, কিন্তু যি জনাই সূৰ্য্যক স্ৰজিচে তেঁও তাতকৈও মহিমাৱন্ত। আমাৰ চকুৰে তেঁওক নেদেখো, কিয়নো তেঁওৰ দিপ্তিয়ে চকুত চাট মাৰে দেখি আমি সহিব নোৱাৰোঁ; ৰাতিয়ে দিনে তেঁও সকলো ঠাইকে দেখে আৰু তেঁওৰ দিপ্তি সকলো সৃষ্টিৰ ওপৰত পৰে।

তেঁও নো কোন? আৰু তেঁওক নো কি বোলে? ময় তেঁওৰ গুণানুবাদ কৰিম। তেঁওৰ মহৎ নাম ঈশ্বৰ, তেঁও সকলোকে সৃষ্টি কৰিচে; কিন্তু তেঁও নিজে অতি সুন্দৰ। তেঁও সৃষ্টি কৰা বস্তুবোৰ সুন্দৰ, কিন্তু তেঁও সৌন্দৰ্য্য; সেই বোৰ বলিষ্ট, কিন্তু তেঁও বল; সি বোৰ সৰ্ব্ব গুণান্বিত, কিন্তু তেঁও সৰ্ব্ব গুণ।

GOD IS THE PARENT OF ALL.
ঈশ্বৰ সকলোৰে পিতৃ।

সেই মেৰ চাগ পালৰ ৰখিয়াক চোৱা। সি তাহাঁতক প্ৰতিপাল কৰে, ভাল নিজৰাত পানী খুৱাই আৰু ন পথাৰলৈ চৰাব নিয়ে। মেৰ চাগৰ পোৱালি বোৰৰ ভাগৰ লাগিলে সি কান্ধতকৈ নিয়ে আৰু সিহঁত অবাটে গলেও ওভোতাই আনে।

কিন্তু মেৰ চাগ ৰখিয়াৰ নো ৰখিয়া কোন ? কোনে তাক প্ৰতিপালন কৰে ? যি বাটে জাব লাগে সেই বাটে নিয়ে আৰু সি অবাটে গলে কোনে ওভোতাই আনিব? ।১২১।

ঈশ্বৰ মেৰ চাগ ৰখিয়াৰো ৰখিয়া, তেঁও সকলোৰে ওপৰত ৰক্ষক আৰু সকলোকে প্ৰতিপাল কৰে, আমি সকলোৱে তেঁও ৰখা পাল আৰু গচ পুলি ইত্যাদি সকলোকে আমালৈ হে কৰিচে।

মাকে তেঁওৰ কেচুৱা লৰাক চেনেহ কৰে, কোলাত লৈ খুৱাই বুৱাই বৰ বেথাকৈ তোলে, সি শুলে তেঁও ৰখি থাকে, সদাই সজ কথা শিকাই, এখন্তকো নাপাহৰে আৰু নিতৌ ডাঙ্গৰ হয় মানে বৰ ৰঙ্গ পায়।

কিন্তু মাকৰ নো পিতৃ মাতৃ কোন? তেঁওক নো কোনে ভাল বস্তুৰে প্ৰতিপাল কৰে আৰু অতি মৰমকৈ ৰাখে? কাৰ হস্তে নো তেঁও দুখৰ পৰা ৰক্ষা পায় আৰু তেঁও নৰিয়া পৰিলে নো কোনে ভাল কৰে?

ঈশ্বৰ মাকৰো পিতৃ মাতৃ, কিয়নো তেঁও সকলোকে স্ৰজিচে; মুনিহ তিৰোতা আদি কৰি যি সকল এই পৃথিবীত জীয়াই আচে সকলো তেওঁৰ সন্তান, আৰু তেঁও সকলোকে মৰম কৰে; ৰজাই তেঁওৰ প্ৰজা সকলক শাসন কৰে, তেঁওৰ মূৰত সোনৰ মুকুট আৰু হাতত ৰাজদণ্ড আছে; সিংহাসনত বহি তেঁও চাৰিও ফালে আজ্ঞা পঠায়, প্ৰজা সকলে তেঁওক ভয় কৰে, তাহাঁতে সজ কৰ্ম্ম কৰিলে তেঁও ৰক্ষা কৰে আৰু অসজ কথা কৰিলে দণ্ড কৰে।

কিন্তু ৰজাৰ ওপৰত নো ৰজা কোন? আৰু কোনে নো তেঁও ।১২২। যি কৰিব লাগে তাক আজ্ঞা কৰে, কাৰ হাত তেঁওক ৰক্ষা কৰিবলৈ মেলে? আৰু তেঁও অসজ কৰ্ম্ম কৰিলেই বা কোনে দণ্ড কৰে? ঈশ্বৰ ৰজাৰ ওপৰতো ৰজা; তেঁওৰ মুকুট ৰশ্মিৰ, তেঁওৰ সিংহাসন তৰা বোৰৰ ওপৰত, তেঁও ৰজা সকলৰ ৰজা, প্ৰভুৰ প্ৰভু; তেঁও আমাক জীবলৈ আজ্ঞা দিলে জীওঁ, আৰু মৰিব দিলে মৰোঁ, গোটেই পৃথিবীতে তেঁওৰ ৰাজত্ব আৰু সকলো সৃষ্টিতে তেঁওৰ চকু।

ঈশ্বৰ আমাৰ ৰখিয়া হেতুকে তেওঁৰ পিচে২ জাম, তেঁও আমাৰ পিতৃ, এতেকে আমি প্ৰীতি কৰিম, ঈশ্বৰ আমাৰ ৰজা এতেকে তেঁওক মান্য কৰিম।

CHILD OF REASON.
জ্ঞানৰ পুত্ৰ অৰ্থাৎ মনুষ্য।

হে জ্ঞানৰ পুত্ৰ কৰ পৰা আহিলা? তোমাৰ চকুৱে কি দেখিলে আৰু তোমাৰ ভৰি কোন পিনলৈ গৈচিল?

ময় পথাৰৰ মাজে২ ফুৰিচিলোঁ, জন্তু বোৰ মোৰ চাৰিও ফালে ফুৰিচিল, আৰু কেত বোৰ গচৰ তলত জিৰাইচিল, ধান বোৰ গজি আহিব লাগিচিল, আৰু পথাৰ বোৰ শৰৎ কালত ৰূপে জিলিকিচিল।

তুমি তাতকৈ আন একো নেদেখিলা নে? হে জ্ঞানৰ পুত্ৰ, পালটা; কিয়নো এই বোৰতকৈ ডাঙ্গৰ বস্তু আছে; ঈশ্বৰ পথাৰতে আচিল, তুমি তেঁওক নেদেখিলা নে? তেঁওৰ কান্তি ।১২৩। পথাৰতে আচিল, আৰু তেঁওৰ হাঁহিত সূৰ্য্যৰ কিৰণ সজীব হইচিল।

ময় হাবিয়েং২ ফুৰিচিলো, গচত বতাহ লাগি হূহূ শব্দ হৈচিল, বান্দৰ বোৰ ইঠানিৰ পৰা সিঠানিলৈ জঁপিয়াই ফুৰিচিল; চৰাই বোৰে ঠানিৰ পৰা সুললিত ধ্বনি কৰিচিল।

তুমি নিজৰাৰ মাত আৰু বতাহৰ হূহূনিত বাজে আন একো নুশুনিলা নে? হে জ্ঞানৰ পুত্ৰ, পালটি আহাঁ, কিয়নো এই বোৰতকৈও ডাঙ্গৰ বস্তু আচে। ঈশ্বৰ গচৰ মাজত আচিল, পানিৰ মাততো তেঁওৰ মাত আচিল, গচৰ চাঁতো তেঁওৰ হে সুললিত ধ্বনিয়ে শব্দ কৰিচিল; তুমি এই বোৰত মন নিদিলা নে?

ময় চন্দ্ৰক সোনৰ জুই কুৰা হেন হৈ গচৰ আঁৰত উঠা দেখিলোঁ। তৰা বোৰ এটা এটাকৈ আকাশত উঠিল, এনেতে মেঘ বোৰ কলা হৈ দক্ষিণলৈ বাগৰি গল। বিজুলি চমক মাৰিলে আৰু নিলগত মেঘে গাজি মোৰ ওচৰলৈ আহিলত ভয়ানক শব্দ শুনি বৰ ত্ৰাস পালোঁ।

বজ্ৰত বাজে আন একোতে তোমাৰ চিত্তে ভয় নেখালে নে? বিজুলিত আন একোৰে জিলিকনি নেদেখিলা নে? আৰু আন একোতে ভয় নেখালা নে?

হে জ্ঞানৰ পুত্ৰ, পালটা কিয়নো ইয়াতকৈও ডাঙ্গৰ বস্তু আচে। ঈশ্বৰ সেই ধুমুহাত আচিল, তুমি তেঁওক নেদেখিলা নে? সকলো ঠাইতে তেঁওলৈ হে ভয়, আৰু তোমাৰ । ১২৪। মনে তেনে হেন নাভাবিলে নে? ঈশ্বৰ সকলো ঠাইতে আচে, যি শব্দ আমি শুনো তাক তেঁৱেইহে কয়, আমাৰ চকুৱে যি দেখে সকলোতে তেঁও আচে, হে জ্ঞানৰ পুত্ৰ, ঈশ্বৰ নোহোৱাকৈ একো নাই, এতেকে সকলো ভাবনাতে তুমি ঈশ্বৰক ভাবিবা।

DIVINE PROVIDENCE OVER ALL THINGS DURING NIGHT.

ৰাতি সকলো বস্তুৰ ওপৰত ঈশ্বৰৰ তত্ত্বাবধাৰণ।

মহিমাৱন্ত সূৰ্য্য পশ্চিমে অস্ত হৈছে, ৰাতিৰ নিয়ৰ পৰিচে আৰু বায়ু তপত গুচি শীতল হইচে।

ফুল বোৰ মুদ গৈ ঠানিত ওলমি আচে, কুকুৰা পোৱালি বোৰ মাইকীৰ পাখিৰ তলত একেলগ হৈ শুইচে, আৰু মাইকীয়েও শুইচে।

সৰু২ চৰাইটি হঁতে মাতিবলৈ এৰি পিচ ফালে পাখিত মুৰ দি গচৰ ঠানিত শুইচে। মৌৰ বাহতো মৌৰ গুণ গুণি নুশুনি, সিহঁতে বন কৰি মমৰ বহাত শুইচে।

মেৰ চাগ বোৰো গাৰ লোম পাৰি শুইচে, আৰু তাহাঁতৰ মাত পথাৰত নুশুনি। কাৰো শব্দ নাই, লৰাই ধেমালি কৰা, মানুহে খোজ কঢ়া, বা ইফালৰ পৰা সিফাললৈ অহা জোৰা কৰা একোকে নুশুনি।১২৫।

কমাৰৰ নিয়াৰিত হাতুৰিৰ কোব নুশুনি, আৰু সূতাৰৰ কৰতৰো শব্দ নাই। সকলো মানুহ বিচনাত নিজম দি পৰি আচে আৰু লৰা বোৰো মাকৰ বুকুত শুই আচে।

আকাশ পৃথিবী সকলো এন্ধাৰ, আটাই বোৰ চকুৱেই মুদ গৈচে, আৰু সকলো হাতেই মনে২ আচে।

যেতিয়া সকলোৱে নিদ্ৰাত থাকি আপোনা আপুনি ৰক্ষা কৰিব নোৱাৰে, আৰু বিপদ হৈচে নে নাই তাকো নেদেখে, তেতিয়া সিহঁতক কোনে ৰক্ষা কৰে?

এটি চকু আচে যি কেতিয়াও নোশোৱে। এটি চকু আচে যি এন্ধাৰ ৰাতিতো যেনেকৈ, দিনৰ পোহৰতো তেনেকৈ দেখে। সূৰ্য্য বা চন্দ্ৰৰ পোহৰ নহলে, ঘৰৰ ভিতৰত চাকি নাথাকিলে, আৰু আকাশতো এটি তৰাও নহলে, সেই চকুৱে সকলো ঠাইতে দেখে আৰু পৃথিবীৰ সকলোকে ৰাখে।

যি চকুৱে কেতিয়াও নোশোৱে সেই চকুৱেই ঈশ্বৰ। আমাক ৰাখিবলৈ আমাৰ ওপৰত তেঁওৰ হাত সদাই মেলি থৈচে। আমাৰ ভাগৰ লাগিলে জিৰাবৰ নিমিত্তে ঈশ্বৰে টোপনি স্রজিচে আৰু আমি শুবলৈ ৰাতি কৰিচে।

বনুৱই ভাগৰ পাই আৰু সৰু২ লৰা আৰু কীট পতঙ্গ ইত্যাদি সকলোৱে নিৰ্ভয়ে শোৱে, কিয়নো ঈশ্বৰে সকলোকে ৰখে।১২৬।

তুমি শোৱা, কিয়নো তেঁও কেতিয়াও নোশোৱে, তুমি নিৰ্ব্বিঘ্নে চকু মুদা, কিয়নো তোমাক ৰক্ষা কৰিবলৈ তেঁও সদাই চকু মেলি আচে।

যেতিয়া এন্ধাৰ গুচি ৰাতি পুৱা সূৰ্য্যৰ দিপ্তি তোমাৰ চকুত পৰে, তেতিয়া ঈশ্বৰৰ প্ৰশংসাৰে দিনটো আৰম্ভ কৰিবা। তুমি যেতিয়া শোৱা তেতিয়া তোমাৰ চিত্তে ঈশ্বৰক ধন্যবাদ কৰক, আৰু যেতিয়া উঠা তেতিয়াও তোমাৰ মুখে তেঁওৰ গুণ গাওক।১২৭।

USEFUL KNOWLEDGE.
নানা সম্বাদ।

হে প্ৰিয় লৰা বিলাক, তোমোলাকে যি পৃথিবীত বাস কৰা সিনো কেনে, আৰু তাতনো কি আচে, তোমোলাকে অদ্যাপিও নাজানা; আৰু জগতৰ নানা দেশৰ কথা ভু নাপাই আন দেশো আমাৰ দেশৰ নিচিনা বুলি ভাবিব পাৰা, কিন্তু পৃথিবীৰ সকলো ঠাইয়েই একে দৰৰ নহয়, এক দেশৰ মানুহে যি খাদ্য পিন্ধে, যি ঘৰত থাকে, যি ভাষা কয়, যি ধৰ্ম্ম মানে আৰু যি দৰে চলে, আন দেশৰ মানুহে তেনেকৈ নচলে; এক দেশৰ মানুহ বোৰ অতি বগা, এক দেশৰ বা অতি কলা, আৰু এক দেশৰ বা তাম বৰণিয়া; কোনো দেশক ৰজাই কোনো দেশক প্ৰজাই শাসন কৰে, কোনো দেশত বৰ জাৰ, আৰু কোনো২ দেশ বৰ গৰমি, আৰু এঠাইত বা ঈশ্বৰক এক দৰে পূজা কৰে, এঠাইত বা আন দৰে পূজা কৰে; আৰু ইয়াত বাজে নানা দেশত নানান বিধৰ গচ, বন, ফুল, পশু, চৰাই, কীট, পতঙ্গ, ধাতু ইত্যাদি বস্তু হয়; এই সকল কথা তোমোলাকে জানিবলৈ পুৰুষাৰ্থ কৰিব পোৱা, কিয়নো তাৰ পৰা অনেক উপকাৰ হয় আৰু তোমোলাক জ্ঞানী হবও পাৰিবা, তাৰ সংক্ষেপ বিবৰণ আমি লেখিলোঁ, মন দি পঢ়ি নাপাহৰিবলৈ যতন কৰিবা।১২৮।

এই পৃথিবী খন প্ৰায় ৰবাব টেঙ্গাৰ নিচিনা ঘুৰণিয়া, তাৰ পৰিধি * ২৫ হেজাৰ মাইল, অৰ্থাৎ তিমান ডাঁৰৰ বাট ২১৮৭৫ ক্ৰোশ, আৰু ব্যাস ** ৮ হেজাৰ মাইল বা ৭০০০ সাত হেজাৰ ক্ৰোশ, পৃথিবীৰ ওপৰত জল আৰু স্থল আচে, দুভাগ মান জল এভাগ স্থল, মনুষ্যে স্থলক চাৰি ভাগকৈ বিভক্ত কৰিচে, ইংৰাজী ভাষাত সেই খণ্ডক ইউৰোপ, আসিয়া, আফ্ৰিকা, আৰু আমেৰিকা বোলে; ইউৰোপ দিঘলে ৩০০০ মাইল, পুতলে ২৪০০ মাইল,

---

*পৰিধি অৰ্থাৎ বেষ্টন, পৃথিবী ঘুৰণিয়া তাক ঘুৰাই এডাল জৰিৰে জুখিলে সেই জৰি ২১৮৭৫ ক্ৰোশ দিঘল হব।

**ব্যাস অৰ্থাৎ পৃথিবীৰ উত্তৰ কেন্দ্ৰৰ পৰা দক্ষিণ কেন্দ্ৰলৈ ভিতৰেৰে এডাল জৰি সুমালে সেই জৰি ৭০০০ ক্ৰোশ হব।

এই খণ্ড অতি ক্ষুদ্র কিন্তু তাত বাস কৰা মনুষ্যসকল অতি সভ্য, তাৰ প্রধান দেশ ইংগ্লণ্ড (অর্থাৎ ইংৰাজৰ দেশ), ফ্রান্স দেশ, ৰুসিয়া, স্পানিয়া, ইতালি ইত্যাদি। আসিয়া খণ্ড দিঘলে ৭৫০০ মাইল, পুতলে ৫২৫০ মাইল, তাত তুৰুক, আৰব, পাৰস্য, কাবুল, চীন, ৰুসিয়া, আৰু ভাৰতবর্ষ (এই দেশতে অসম দেশ) ইত্যাদি দেশ আচে।

আফ্রিকা খণ্ড দিঘলে ৫০০০ মাইল বা ৪২০০ ক্রোশ, পুতলে ৪৭০০ মাইল বা ৪০০০ ক্রোশ; তাত মিচৰ, খৱচ ইত্যাদি দেশ; ।১২৯। আমেৰিকা খণ্ড দিঘলে ৭৫০০, পুতলে ৯০০, এই খণ্ডৰ দুই ভাগ আছে, উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা।

পৃথিবীৰ মধ্যত প্রায় সাৰে নও অর্ব্বুদ মান মানুহ আচে, তাৰে ইউৰোপত কুৰি কোটি, আসিয়াত ষাটি কোটি, আফ্রিকাত পাঁচ ছয় কোটি, আৰু আমেৰিকাত চাৰি কোটিৰ অধিক, ভাৰতবর্ষত এক অর্ব্বুদ চাৰি কোটি, কিন্তু অসম দেশত মুঠে বাৰে লক্ষ।

পৃথিবীৰ সকলো ঠাইতে জাৰ আৰু জহ সমান নহয়; পৃথিবীক পাঁচ খণ্ডকৈ ভাগ কৰা গৈচে, সেই খণ্ড বোৰকে কটিবন্ধ বোলে, মধ্যতে উষ্ণ কটিবন্ধ অর্থাৎ এই ভাগত বৰ গৰমি, তাতে আসিয়াৰ ব্রহ্মা দেশ, হিন্দু স্থান, আৰব, আৰু আফ্রিকাৰ মাজ ডোখৰ, আৰু আমেৰিকাৰ মধ্য খণ্ড পৰিচে। উষ্ণ কটিবন্ধৰ উত্তৰ দক্ষিণে সম কটিবন্ধ দুই, তাত বৰ জাৰো নাই আৰু বৰ গৰমিও নহয়, তাতে চীন, পাৰস্য, ইউৰোপ খণ্ড, আমেৰিকা আৰু আফ্রিকাৰ দক্ষিণ ইত্যাদি ঠাই।

সম কটিবন্ধৰ উত্তৰে আৰু দক্ষিণে উত্তৰ আৰু দক্ষিণ কেন্দ্রলৈকে শীত কটিবন্ধ, এই দুই খণ্ডত থকা ঠাই বোৰত বৰ জাৰ, সদাই হিম নুগুচে আৰু গোটেই উত্তৰ কেন্দ্রৰ ওচৰত থকা দেশত ঘাম কালি চাৰি মাহ মানলৈকে সূর্য্য মাৰ নাজায়; কিন্তু জাৰ কালি চাৰি মাহ মানলৈকে সূর্য্য ।১৩০। নোলায়; তাত সাগৰৰ পানি বোৰ বৰখুনত পৰা সিলৰ নিচিনা সিল হয়।

নানা দেশত নানা বিধৰ জন্তু আৰু গচ ইত্যাদি হয়, সেই বোৰ লেখা বৰ বাহুল্য; আফ্রিকা খণ্ডত সিংহ পোৱা জায় আৰু আসিয়াৰো ঠাইয়ে২ আচে। আসিয়াত হাতি, গঁৰ, বাঘ, ভালুক, উট, পহু, নানা বিধৰ বানৰ, বন মানুহ ইত্যাদি অনেক আচৰিত জন্তু আচে, কিন্তু এই সকল ইউৰোপ বা আমেৰিকাত নাই, তাৰ মানুহে এই সকল জন্তুক দেখি বৰ আচৰিত হয়। আফ্রিকা খণ্ডতো হাতি, উট, আৰু নদীৰ ঘোৰা নামে এক আচৰিত জন্তু ইত্যাদি আচে। ইউৰোপ খণ্ডত বগা ভালুক ইত্যাদি জন্তু; আমেৰিকাতো এই ৰূপে নানা জন্তু আচে।

উত্তৰ কেন্দ্ৰৰ ফালে সাগৰত হুৱেল নামে যে এবিধ মাচ আচে, তাৰ সমান ডাঙ্গৰ জন্তু পৃথিবীত নাই।

পৃথিবীৰ নানা দেশত নানা বৰণিয়া মানুহ আচে। ইউৰোপৰ, আসিয়াৰ পশ্চিম খণ্ডৰ আৰু আফ্ৰিকাৰ উত্তৰ খণ্ডৰ মানুহ বোৰৰ বৰণ অতি বগা, দেখিবলৈকো সুৱনি। আসিয়াত বাস কৰা মনুষ্য বোৰৰ বৰণ হালধিয়া সেতা; আৰু দেখিবলৈ গঢ়িত। আফ্ৰিকা খণ্ডৰ লোক সকল (উত্তৰ খণ্ডত বাজে) অতিশয় কলা, প্ৰায় আঙ্গাৰৰ নিচিনা; সিহঁতৰ চুলি মেৰ চাগৰ নোমৰ নিচিনা কুটকুৰা আৰু ওঠ বৰ ডাঙ্গৰ। আমেৰিকা খণ্ডত ইউৰোপৰ পৰা গৈ যি লোক বাস কৰিচে সিহঁত বগা কিন্তু তাৰ আদিম লোক বিলাক তাম বৰণিয়া ৰঙ্গা।১৩১।

সকলো দেশৰ মানুহৰ অৱস্থা একে নহয়, অৰ্থাৎ আমি যেনেকৈ থাকোঁ আন দেশৰ মানুহেও তেনেকৈ নাথাকে। এই দেশৰ মানুহে আৰু গাৰো, মিকিৰ ইত্যাদি পৰ্ব্বতীয়া জাতিয়ে সমান নহয়, আমি সিহঁতকৈ সকলো কথাতে ভাল; তেনেকৈ পৃথিবীত সভ্য আৰু অসভ্য দুই প্ৰকাৰ মানুহ আচে। যি দেশ অসভ্য, তাৰ মানুহ বোৰে নানা দৰে পশু, চৰাই, মাচ ইত্যাদি ধৰি তাকে খাই জীৱন ধাৰণ কৰে। সিহঁতে খেতি কৰিব নাজানে, সিহঁতৰ ঘৰ বোৰ পজাৰ নিচিনা মাটি, বতা গচৰ চাল ইত্যাদিৰে সাজে. থাকিবলৈ অতি অসুখ। সিহঁতৰ অনেক লাঙ্গট হৈ ফুৰে, সুখকৈ থাকিব পৰা ঘৰ সাজিবলৈ আৰু লবলৈ কাপৰ বৰৰও বুদ্ধি নাজানে, আৰু ৰান্ধিবলৈকো ভালকৈ ভু নাপায়। সিহঁতৰ পঢ়িবৰ পুথি নাই আৰু সেই নিমিত্তে অজ্ঞান আৰু দুষ্ট। পৃথিবীৰ ভালেমান ঠাইতে এই অসভ্য মানুহ বিলাক থাকে। উত্তৰ আমেৰিকাৰ পশ্চিম খণ্ড, দক্ষিণ আমেৰিকাৰ দক্ষিণ খণ্ড, আসিয়া আৰু আফ্ৰিকাৰ অনেক উপদ্বীপ, আস্ট্ৰেলিয়া আৰু পলিনাসিয়া, আফ্ৰিকাৰ মধ্য দক্ষিণ আৰু পশ্চিম খণ্ড, আৰু আসিয়াৰ ঠাইয়ে২ এই অসভ্য জাতি মনুষ্য বাস কৰে। এই বোৰ অসভ্য জাতিকে মৃগয়া কৰি থকা অসভ্য জাতি বোলে; কিন্তু আৰু এবিধ আচে সিহঁতক ভ্ৰামক জাতি বোলে, অৰ্থাৎ সিহঁতৰ ঘৰচিয়া একো জাক পশু আচে; সেই বোৰক লৈ এঠাইৰ পৰা আন ঠাইলৈ ফুৰি থাকে, কোনো ঠাইত স্থিতি।১৩২। হৈ নাথাকে। সিহঁতৰ ঘৰ বোৰ কাপৰৰ বা চালৰ আৰু তাক লৰাই নিব পাৰি, সিহঁতে ৰান্ধিবলৈ আৰু কাপৰ বৰলৈকো জানে। আসিয়া খণ্ডৰ অনেক দেশৰ মানুহেই এনে অসভ্য অৱস্থাত আচে।

আৰব দেশৰ কেত বোৰ, তাতাৰ দেশ আৰু তিব্বত দেশৰ মানুহে এনেকৈ থাকে, আৰু আফ্ৰিকাতো আচে। যিবোৰ মানুহ নগৰত থাকে, ভাল ঘৰ সাজিবলৈ পাৰে আৰু পিন্ধিবলৈ চিকোন কাপৰ বব জানে, ৰান্ধিবলৈ ভু পায়

আৰু পুথি লেখে আৰু পঢ়ে, সিহঁতকে সভ্য লোক বোলে। সভ্য দেশত মানুহে জাহাজত কৰি এক দেশৰ বস্তু আন দেশলৈ নিয়ে, ইয়াকে বাণিজ্য বোলে আৰু সভ্য লোক বোৰ বৰ সুখী। গোটেই ইউৰোপ, আমেৰিকাৰ ভালে খনি ঠাই, আৰু আসিয়াৰ দক্ষিণ, আফ্রিকাৰ উত্তৰৰ মানুহ বোৰ সভ্য। কিন্তু সকলো দেশৰে সভ্যতা সমান নহয়। চীন আৰু জাপান দেশৰ মানুহে খৰ সাজিব জানে আৰু শিল্প বিদ্যাত বৰ পাৰ্গত; কিন্তু সিহঁত ইংৰাজ, ফৰাসিস বিলাকৰ দৰে বিদ্যা আৰু বুদ্ধিত নহয়, আৰু জানিবা যে আদ্ খনি সভ্য দেশো আচে। আমাৰ (অসম) দেশ ইংৰাজৰ দেশতকৈ সভ্যতাত ভালে মানে কমি, কিয়নো অসম দেশৰ মানুহে মনুষ্য আকাশলৈ উঠা আৰু ভাপেৰে জাহাজ চলোৱা কথা কৰিব নালাগে কেতিয়াবা সমাজিকতো দেখিচিল নে? ।১৩৩।

পৃথিবীৰ নানা দেশৰ লোকৰ সৃষ্টি কৰ্ত্তাৰ বিষয় একে মত নহয়, আৰু নানা দেশৰ লোকে নানা দৰে তেঁওক আৰাধনা কৰে। কোনো২ দেশৰ মানুহে অনেক তলীতিয়া দেৱতা আচে বুলি জানে কিন্তু প্ৰায় সকলো দেশৰ মানুহেই সকলোৰে ওপৰত এজনা ঈশ্বৰ আছে বুলি মানে। কোনো জাতিয়ে ঈশ্বৰক নিৰ্ব্বিকাৰ বোলে কিন্তু কেত বোৰে মনুষ্যৰ নিচিনা ঈশ্বৰতো পাপ পুণ্য আচে বুলি কয়, আৰু অনেক জাতিয়ে ঈশ্বৰ বুলি মাটি সিল, কাঠ ইত্যাদিৰে সাজা মূৰ্ত্তিক মানে, এই বোৰকে দেব দেবী পূজক বোলে। এই মতাৱলম্বী উত্তৰ আমেৰিকাৰ আদি লোক সকল, আফ্রিকাৰ দক্ষিণ পশ্চিম আৰু মধ্যৰ মানুহ বিলাক, আৰু আসিয়াৰ ভাৰতবৰ্ষ, চীন, ব্ৰহ্মা ইত্যাদি দেশস্থ মনুষ্য সকল। দেব দেবী পূজকৰ ধৰ্ম্মৰ নানা মত আচে; তাৰ প্ৰধান হিন্দু মত আৰু বৌদ্ধ মত। বৌদ্ধ ধৰ্ম্ম ব্ৰহ্মা, চীন ইত্যাদি দেশত চলে। পৃথিবীৰ মধ্যত নানা দেব দেবী পূজক প্ৰায় ছয় অৰ্ব্বুদ মান আচে; তাৰে হিন্দু এক অৰ্ব্বুদ, বৌদ্ধ ধৰ্ম্মাৱলম্বী চাৰি অৰ্ব্বুদ।

নানা দেব দেবী পূজকৰ মতত বাজে পৃথিবীত আৰু তিনি ধৰ্ম্ম আচে, খ্ৰীষ্টীয়ান ধৰ্ম্ম পূৰ্ব্বে নাচিল কিন্তু ১৮৪৬ বচৰ হৈচে সেই ধৰ্ম্ম প্ৰকাশ হল। খ্ৰীষ্টীয়ান সকলে বাইবেল নামে ধৰ্ম্ম পুস্তকক মানে আৰু য়িশুখ্ৰীষ্টক অৱতাৰ আৰু ।১৩৪। মনুষ্যৰ ত্ৰাণকৰ্ত্তা বোলে। এই ধৰ্ম্মাৱলম্বী তুৰুক্ক দেশত বাজে গোটেই ইউৰোপ খণ্ড আৰু আমেৰিকাত ইউৰোপৰ পৰা গৈ বাস কৰা মানুহ বোৰ খ্ৰীষ্টীয়ান। পৃথিবীত প্ৰায় দুই অৰ্ব্বুদ পঞ্চাশ কোটি মান খ্ৰীষ্টীয়ান আচে।

য়িহুদি সকলেহে য়িহুদি ধৰ্ম্ম মানে, সিহঁতে য়িশুখ্ৰীষ্ট পিচে আহিব বুলি কয় আৰু খ্ৰীষ্টীয়ানৰ বাইবেলৰ আদি খণ্ড মানে; পৃথিবীত পঞ্চাশ লক্ষ য়িহুদি আচে। মুচলমানৰ ধৰ্ম্ম ইং সক ছশৰ পৰা মহম্মদ নামে এক মানুহে স্থাপন কৰিচে।

এই ধৰ্ম্মক আৰব পাৰস্য তুৰুক তাতাৰ মিচৰ ইত্যাদি দেশৰ মানুহে মানে; এই ধৰ্ম্মাৱলম্বী মানুহ প্ৰায় এক অৰ্ব্বুদ মান হ্ব।

পৃথিবীৰ নানা দেশ নানা দৰে শাসিত হয়, প্ৰধান দুবিধ; ৰজা বা পাৎচাৰ শাসন, আৰু প্ৰজা সমূহৰ শাসন। যি দেশত ৰজাই আপোন ইচ্ছাৰে দেশ শাসন কৰে সেই দেশতে স্বাধীন ৰজাৰ শাসন বোলে। চীন, জাপান, পাৰস্য, তুৰুক, ব্ৰহ্মা, ইত্যাদি দেশত এনে ৰাজত্ব আৰু যি দেশত ৰজা থাকে কিন্তু তেঁও ব্যৱস্থাৰেহে চলিব পাৰে সেই দেশতে পৰিমিত ৰাজত্ব বোলে, ইংগ্লণ্ডাদি দেশত এনে ৰাজত্ব। যি২ দেশত ৰজা নাই কিন্তু প্ৰজা সমূহে হে দেশ শাসন কৰে তাকে প্ৰজা সমূহৰ শাসন বোলে। আমেৰিকা প্ৰায় গোটেই খনতে আৰু ইউৰোপৰ ঠাইয়েং২ এনেকৈ শাসন কৰে। ।১৩৫।

পৃথিবীৰ মধ্যত অনেক ভাষা আছে, তাক লেখা বাহুল্য; প্ৰধান সংস্কৃত, আৰবি, লাটিন, গ্ৰীক ইত্যাদি।

THE LION.
সিংহৰ বিবৰণ।

সিংহৰ মুৰ আৰু গলধন বৰ ডাঙ্গৰ কিন্তু পিচ ভৰিৰ ফালে তাতকৈ সৰু। তাৰ ডিঙ্গিত ভালেমান চুলি আছে, আৰু শৰীৰৰ গঠনেই বলী; সিংহ ওখই তিনি হাত মান আৰু দিঘলে নেগুৰে সৈতে আঠ নও হাত মান হ্ব; সি ডাঙ্গৰে দিঘলে বাঘ আৰু পশুৰ মধ্যত ভয়ানক।

সিংহ অতি বলী, তাৰ হাতোৰাৰে কোব মাৰি ঘোৰাৰ মুৰ ভাঙ্গিব পাৰে। ডাঙ্গৰ সিংহে ঘোৰা আৰু বলধক লৈ জাব পাৰে; সি বলে নোৱৰা জন্তু প্ৰায়েই নাই, অকল হাতি, বাঘ আৰু গঁৰেহে সিয়ে সইতে জুজিব পাৰে। সিংহৰ বল আৰু সাহৰ নিমিত্তে তাক জন্তুৰ ৰজা বোলে।

সিংহৰ বৰণ হালথিয়া ৰঙ্গা, গলধনৰ চুলি বোৰ ঘোৰ বৰণিয়া আৰু কেতিয়াবা২ কলাও। তাৰ খঙ্গ দেখিবলৈ বৰ ভয়ানক, সি নেগুৰেৰে গাৰ দুইও ফাল কোবায়, ওঠ চেলেকে, দাঁত বোৰ উলিয়াই আৰু চকুৰ পৰা জুই ওলোৱা হেন দেখি। সিংহে বনে বনে ফুৰি মেঘে গৰ্জ্জাৰ দৰে আটাহ পাৰে; যি হাবিলৈ মহ পহু ইত্যাদি।১৩৬। জন্তু চৰিবলৈ জাই সিংহেও তালৈকে জাই, কোনো জন্তুৰ ওচৰ পালে জাপ মাৰি ধৰি পিচে ডোখৰ২ কৈ চিঙ্গি মঙহ বোৰ আৰু কেতিয়াবা২ হাৰকো খায়। সিংহে সদাই ৰাত্তিহে আহাৰ বিচাৰি ফুৰে আৰু জন্তুক ধৰোঁতে মেকুৰিৰ নিচিনা নিচ আৰু ঢেঁট।

আফ্রিকা দেশৰ প্রায় ঠাইতেই আৰু আসিয়াৰ দক্ষিণ ফালে সিংহ থাকে, কিন্তু আসিয়াতকৈ আফ্রিকাত সৰহ আছে। যি ঠাই বৰ তপত তাৰ সিংহ বৰ ডাঙৰ আৰু ভয়ানক হয়। দক্ষিণ আমেৰিকাতো সিংহ বোলা এক জন্তু আছে কিন্তু তাৰ যথার্থ নাম পুমা নাইবা কুগা।

কেতিয়াবা২ সিংহ ভালেমান দিনলৈকে জিয়াই থাকে; ইং ১৭৬০ শকত লণ্ডন নগৰত পম্পা নামে এটা সিংহ তিনি কুৰি দহ বচৰ বয়সত মৰিচিল।

সিংহী সিংহতকৈ ভালেমান ডাঙৰ। তাইৰ গলধনত চুলি নাই আৰু তাইৰ স্বভাৱ সিংহতকৈ ভয়ানক কিন্তু সিংহীৰ মৃদুতাৰ দৃষ্টান্ত ফ্রান্স দেশৰ মানুহ এঁজনে এই বুলি কৈছে। এবছৰৰ পূৰ্ব্বে মাচকাৰা নগৰলৈ এটি সিংহী আনা হৈচিল আৰু তাইক থৰলৈ এটি বহা নগৰৰ বাহিৰে কৰি দিচিল। তাই নগৰৰ আলিয়ে২ ফুৰিচিল, লৰা বোৰে তাইয়ে সৈতে ধেমালি কৰি পিঠিত উঠি নেগুৰত ধৰি টানিচিল, কিন্তু এই বোৰ কৰাতো তাই একো নকৰি লৰা বোৰে সৈতে ধেমালি কৰি দুখ নোপোৱাকৈ কামুৰিচিল। ।১৩৭। সিংহৰ সৰু২ পোৱালী বোৰ সৰু২ কুকুৰৰ মানহে ডাঙৰ আৰু চাগলি পোৱালীৰ নিচিনাকৈ দুষ্টামি নকৰাকৈ ধেমালি কৰে।

সিংহ ইউৰোপলৈকো পোহনিয়া কৰি নিচে আৰু ইংগ্লণ্ড দেশতো আচে। পূৰ্ব্বে ৰোম দেশৰ পাতচা বোৰে জুজ লগাই ৰঙ্গ চাবলৈ অনেক সিংহ অনাই থৈচিল আৰু চিজৰ নামে ৰজাৰ দিনত ৪০০ আৰু পম্পিৰ দিনত ৬০০ সিংহ এই নিমিত্তে আচিল।

কোনো এক সময়ত সিংহ ৰখিয়া এটাই এফেৰিও ভয় নকৰাকৈ সিংহে সৈতে ধেমালি কৰি তাৰ জিবা আৰু দাত টানি উমলি থাকে। লণ্ডন নগৰৰ ওচৰৰ এক গাঁৱত সেই সিংহক লৈ তাৰ মুখ মেলি তাৰ ভিতৰত আপোনাৰ মুৰ সুমাই কিছু মান পৰ থাকি কথা কই, ওচৰত থকা মানুহত সিংহে নেগুৰ লৰাইচে নে নাই বুলি সুধি নাই বুলি কলে কিছুমান পৰ থাকে কিন্তু লৰাইচে বুলি শুনিলে সিংহৰ খঙ্গ উঠা জেন জানি সি মুৰ বেগে উলিয়াই আনে; এই দৰে ৰঙ্গ দেখুৱাই সেই মানুহে ভালে মান ধন পালে।

ববচেল্ নামে এজন সাহাবে আফ্রিকা দেশ ভ্রমন কৰোঁতে সিংহৰ হাতত পৰাৰ এই কথা লিখিচে; আমি আদ ক্রোশ মান নদীৰ তীৰে২ আহি আচোঁ, চাৰিও ফালে হাবি আচিল; এনেতে আমাৰ লগৰ কুকুৰ বোৰে বৰকৈ ভুকিব ধৰিলে। পিচে চাই দেখিলোঁ যে সিংহ এটা; পিচে কুকুৰ বোৰক ।১৩৮। ভুকিবলৈ উচটাই দিলত কলা চুলিৰে এহাল মতা আৰু মাতি সিংহ দেখিলোঁ। মাতিটো আমাক দেখি বনৰ আৰ হৈ পলাল, কিন্তু মতাটো আগ বাঢ়ি আহি

আমাক চাব ধৰিলে; আমি সকলোৱে, ভয় পাই হিলৈ খাঁজি যুগুত হৈ থাকিলোঁ, কিন্তু কুকুৰ বোৱে তাৰ গুৰিলৈ গৈ ভুকিব ধৰিলত সিংহে আপোনাৰ বল জানি তালৈ মন নিদি আমাৰ ফালেহে চাই আছিল, কিন্তু কেইটা মান কুকুৰ বৰ কোখৰলৈ গৈ ভুকাত হাত লৰাইয়েই দুটা মাৰিলে আৰু সিহঁতক কেনেকৈ মাৰিলে আমি মনিবকে নোৱাৰিলোঁ। কুকুৰে ভুকাত আমি হিলৈৰে গুলিওৱাত সিংহৰ গাত লাগি তেজ বব ধৰিলে; পিচে আমাক সি জাপ মাৰি ধৰিব বুলি আছিলোঁ কিন্তু লাহে২ আঁতৰ হৈহে গল। এই সিংহটো অতি ডাঙ্গৰ, প্ৰায় বলধ এটাৰ নিচিনা আৰু ইয়াকে কলা সিংহ বোলে।

আফ্ৰিকাৰ দক্ষিণে যত হটেণ্টট নামে এক জাতি মানুহ আচে সিহঁতে সদাই সিংহৰ হাতত পৰে। এদিন গধুলি এটা সিংহে তাক খেদি অহা দেখি পৰ্ব্বতৰ শৃঙ্গলৈ উঠি গৈ অলপ দত থিয় দি এডাল লাখুটিৰ মূৰত তাৰ টুপি আৰু চোলা দি লৰালত সিংহে তাকে মানুহ বুলি শৃঙ্গৰ পৰা জাপ মাৰোতে পৰ্ব্বতৰ জহৰত পৰিল, আৰু এদিন এটা হটেণ্টট গৰুক পানি খুৱাবলৈ নিব লাগিচিল, এনেতে সিংহ এটাই তাক খেদাত সি লৰি গৈ এজোপা গচত উঠিল, কিন্তু সিংহে জাপ মাৰি তাক ঢুকি নেপাই গচৰ তলতে এদিন বহি থাকি । ১৩৯। পিচে বৰ পিয়াহ লাগি পানী খাবলৈ জোৱাত সেই মানুহটো গচৰ পৰা নামি লৰি সাৰিল।

যি মানুহে সিংহক খুৱায় তাক সি কেতিয়াও নেপাহৰে। এদিন এবাহ নাবিক এটা সিংহক চাবলৈ গৈচিল, সি কিবা খাই আছিল আৰু তাক কেৱে জোকাব নোৱাৰিচিল; কিন্তু সিহঁতৰ মাজৰ এটা নাবিকে এই বুলি সিংহৰ কোখৰলৈ গল, বোলে নিৰো, অ, নিৰো, মোক তয় নিচিন নে? সিংহে এই কথা শুনি খাবলৈ এৰি তাৰ গুৰিলৈ গল, সি তাৰ মূৰত থপৰিয়াই মৰম কৰিলে, সিংহেও মেকুৰিৰ নিচিনাকৈ তাৰ গাত গা ঘঁহিয়ালে। সকলোৱে এই কথা দেখি বৰ আচৰিত হলত নাবিকে কলে বোলে তিনি চাৰি বচৰ মান হল এই সিংহটো আমাৰ জাহাজত আছিল। আৰু ময় তাক খুৱাইচিলোঁ।

THE WHALE.
মকৰ মাচৰ বিবৰণ।

পৃথিবীৰ ভিতৰত আমি ভু পোৱা যি যি জন্তু আচে সকলোতকৈ মকৰ মাচ ডাঙ্গৰ। কেত বোৰ মকৰ মাচ দুকুৰি দহ হাত দিঘল আৰু তাৰ মূৰ টোৱেই গাৰ তিনি ভাগৰ এভাগ; তাৰ নেগুৰ ন হাত দিঘল আৰু পাখি একুৰি

চাৰি হাত বহল। ।১৪০। ডাঙ্গৰ গৰুৰ চকুৰ নিচিনা তাৰ চকু আৰু এনে ঠাইত যে চকুৰে চাৰিও ফালে চাব পাৰে। মকৰী ন দহ মাহ গৰ্ভৱতী হৈ থাকে কিন্তু আন মাচৰ নিচিনা কনি নাপাৰি পশুৰ দৰে এটি পোৱালীহে ফুকায়; সেই পোৱালীক মাকে পিয়াহ খুৱাই। মকৰ মাচে সাগৰৰ এবিধ একাঙ্গুলী দিঘল কলা পোক আচে তাকে খায়।

সমুদ্ৰৰ এই বৃহৎ জন্তুৰ অনেক অৰি আচে, ওকনিৰ নিচিনা এবিধ সৰু পোক সাগৰত আচে, সেই বোৰে মকৰ মাচৰ গাত সোমাই তাৰ তেল খায়। কঁকিলা মাচো তাৰ প্ৰধান শত্ৰু, সি সদাই মকৰৰ পিচে২ গৈ সিয়ে সৈতে যুদ্ধ কৰিব খোজে। এই সৰু জন্তুক দেখিলে মকৰ মাচ ভয়ত কম্পমান হৈ পানিত উল্লম্ফন কৰি নিলগৰ পৰা পলাই আঁতৰ হয়, কিয়নো মকৰ মাচৰ আপোনক ৰক্ষা কৰিবলৈ নেগুৰত বাজে আন একো উপায় নাই; তাৰে সি শত্ৰুক মাৰিবলৈ পুৰুষাৰ্থ কৰে আৰু তাৰ কোপ লাগিলে তৎক্ষণাৎ সি নষ্ট হয় কিন্তু কঁকিলা মাচ সহজে পলায় আৰু জাপ মাৰি মকৰৰ ওপৰত পৰি তাৰ ধৰাল মুখেৰে তাৰ গা ফালি পেলায়, তাতে মকৰৰ গাৰ ঘাৰ তেজেৰে সমুদ্ৰৰ পানি ৰঙ্গা হয় আৰু সেই মহা জন্তু তাৰ শত্ৰুক মাৰিবলৈ যতন কৰি সুদাই নেগুৰ পানিত আচাৰে; তাতে প্ৰতি আচাৰে বৰ তোপৰ শব্দতকৈও অধিক শব্দ হয়।

কিন্তু এই বৃহৎ জন্তুৰ সকলো শত্ৰুতকৈ মনুষ্য প্ৰধান বৈৰী, আন শত্ৰুৱে এশ বচৰৰ ভিতৰত যিমান নষ্ট কৰে, মনুষ্যে একে বচৰতে তিমান নাশ কৰে। মকৰ মাচ দক্ষিণ আৰু উত্তৰ ।১৪১। কেন্দ্ৰৰ কোখৰত পোৱা জায়, পূৰ্ব্বে মকৰ মাচক কেৱে জোকোৱা নাচিল হেতুকে প্ৰথমে যেতিয়া মানুহে তাক ধৰিবলৈ উপক্ৰম কৰিলে তেতিয়া সিহঁত সমুদ্ৰৰ পৰা আহি খাঁৰিত সোমাই থাকিচিল আৰু তীৰৰ কোখৰত প্ৰায় মৰা গৈচিল, কিন্তু দেস্মাৰ্ক, হলাণ্ড আৰু ইংগ্লণ্ড দেশৰ পৰা এই মাচ ধৰিবলৈ প্ৰতি বচৰে অনেক জাহাজ জোৱাত সেই মাচ অলপ হৈচে, আৰু হিমময় বৰ দ পানিত হে এতিয়া সদাই থাকে।

এই মকৰ মাচ ধৰাৰ বিবৰণ অতি আচৰিত আৰু পৃথিবীৰ মধ্যত অসম্ভৱ কথা, তাৰ বিবৰণ এই।

এই মাচ ধৰিবৰ নিমিত্তে যি জাহাজ জায় তাৰ প্ৰতি জাহাজতে ছুখন নাও থাকে, প্ৰতি নাওতে ছটা বাইচা আৰু মাচ মাৰিবৰ নিমিত্তে জাঠি লৈ এটা মানুহ থাকে, জাহাজৰ পৰা অলপ দূৰৈত দুখন নাও গৈ বৰফৰ ওপৰত লগাই মাচলৈ পৰ দি থাকে আৰু চাৰি ঘড়ীৰ মুৰত নাওৰৰ সলনি দিয়ে। মকৰ মাচ দেখিলেই এই নাও দুখন পিচে২ বেগাই গৈ মাচৰ ওচৰ পাই, সি তললৈ

নগলে অস্ত্ৰ ধাবীয়ে মাচৰ গাত টেঁটা মাৰে। মাচক টেঁটা মাৰিয়েই নাৱত এখন বঠা থিয় কৰি জাহাজৰ মানুহক মাচ পৰা বুলি বাৰ্ত্তা দিয়ে। তাতে জাহাজ ৰখিয়াই আন বোৰ নাওৱক আগৰ দুখনক সহায় কৰিবলৈ পঠাই দিয়ে।

মকৰ মাচৰ গাত টেঁটা লাগিলে সি বৰ বেগে লৰি জায়।১৪২। যি জৰিত টেঁটা বন্ধা থাকে সি দুশ বেওঁ (চাৰি হাত এক বেওঁ) দিঘল আৰু সুন্দৰে কতো গাঁঠি নলগাকৈ জৰি এৰি দিবলৈ তাক ঘুৰণিয়াকৈ নাওৱত মেৰাই থয়। প্ৰথমে মকৰ মাচ এনে বেগেৰে জায় যে টেঁটাৰ জৰি এৰি দিওঁতে নাওৱত ঘহনি লাগি জুই উঠে বুলি জৰি পানিৰে তিয়ায়, কিন্তু মাচ ভাগৰিলে নাৱৰিয়া হঁতে আৰু জৰি এৰি নিদি টানি ধৰে আৰু সেই দুশ বেওঁ জৰি ঢুকালে আন নাওৱৰ জৰি জোৰা দিয়ে। কেতিয়াবা এনেও হয় যে সেই ছয়ো খন নাওৱৰ এটাই বোৰ জৰিকে লাগে কিন্তু প্ৰায় তিনি খন নাওৱৰ জৰিতকৈ অধিক নালাগে, এই মাচ সৰহ পৰ পানীৰ তলত থাকিব নোৱাৰে, কিন্তু উসাহ লবলৈ পানীৰ ওপৰত উঠি ভাগৰ লাগি ওপঙ্গি থাকে। সেই সময়তে আন নাও বোৰ তাৰ গুৰি চাপি গৈ আকৌ টেঁটা মাৰে, তাতে মকৰ মাচ আকৌ ডুব মাৰি তললৈ জায়; কিন্তু আগৰ নিচিনা বেগ গুচে, পিচে আকৌ দ্বিতীয় বেলি ওপঙ্গিলে উভতি তললৈ জাব নোৱাৰে, তাতে জাঠি ইত্যাদিৰে নাৱৰিয়া হঁতে বধ কৰে। পিচে যেতিয়া তাৰ মুখেৰে তেজে সৈতে মিহলা পানি ওলায় তেতিয়াহে তাৰ মৰিবৰ প্ৰস্তাৱ হল বুলি জানি।

মকৰ মৰিলে তাক জাহাজে সৈতে এডাল ডাঙ্গৰ জৰিৰে বান্ধে আৰু এফাল লুটিয়াই মুৰত এডাল আৰু নেগুৰত এডাল দুডাল জৰিৰে বান্ধি তাৰ গাৰ পৰা পিচলি নপৰি ।১৪৩। তিনি চাৰিটা মানুহ ভৰিত লোৰ কাঁইট বান্ধি মাচৰ ওপৰত উঠি তাৰ গাৰ তেল বোৰ আঠ হাত দিঘল আৰু তিনি হাত পুতলকৈ কাটি জাহাজত তোলে। তেল তোলা হলে ওঠৰ লোম বোৰ কুঠাৰেৰে কাটি লয়। এটা মকৰ মাচৰ গাৰ পৰা কুৰি পিপা তেল পোৱা যায়, তাৰ মূল্য আড়াই হেজাৰ টকা। সভ্য লোকে তাৰ মঙহ নেখায় কিন্তু উত্তৰৰ অসভ্য জাতি বোৰে তাৰ মঙহ পালে বৰ হৰ্ষ পায় আৰু তাৰ তেল বৰ মিঠা বুলি পান কৰে। সিহঁতে যত মৰা মকৰ মাচ পায় তাতে লৰা তিৰোতাই সৈতে বাস কৰি নুঢুকাই মানে খাই থাকে, পিচে ঢুকালে তাৰ পৰা উঠি জায়। এই মাচ মাৰিবলৈ প্ৰতি বচৰে ইংগ্লণ্ডৰ পৰা তিনি শ জাহাজ জায়, আৰু এই ব্যৱসা কৰা মানুহ বোৰে প্ৰায় সকলোৱে লাভ কৰি আছে।

THE ELEPHANT.

হাতিৰ বিবৰণ।

পৃথিবীৰ স্থলত থকা সকলো জন্তুতকৈ হাতি ডাঙ্গৰ; তাৰ জন্ম স্থান আসিয়া আৰু আফ্রিকা খণ্ডত। কোনো২ সাত আঠ হাতমান দিঘল, আৰু ছয় হাত ওখ। সি কেতিয়াবা২ এশ ছকুৰি বচৰ জিয়ে। মাইকি বোৰে এটাকৈ পোৱালী জন্মায়, পোৱালী ওপজোঁতে দুহাতমান ওখ আৰু ১৪/১৫ বচৰলৈকে বাঢ়ে।।১৪৪।

হাতি দেখিবলৈ অতি কদৰ্য্য, তাৰ চকু অতি সৰু, কান বৰ বহল, আৰু বৰণটো কলা। তাৰ সকলো অঙ্গৰ ভিতৰত শুঁৰডাল বৰ আচৰিত; তাৰ ভিতৰত আঙ্গঠিৰ নিচিনাকৈ পকোৱা নলিৰ দৰে দুটা বাট আচে আৰু শুঁৰৰ আগত এক প্ৰকাৰ আঙ্গুলি আচে তাৰেই অতি সৰু বস্তুকো মাটিৰ পৰা তুলিব পাৰে আৰু সকলো বস্তুকে তাৰেই তুলি মুখত ভৰায়, হাতিয়ে শুঁৰেৰেই সকলোকে কৰে, তাৰ বৰ বল আৰু হাবিত ফুৰোঁতে তাৰেই গচকো ভাঙ্গে।

মতা হাতি বোৰৰ চাৰি পাঁচ মাহ মান বয়সত দুটা দাঁত ওলায়, এবচৰৰ মুৰত সেই দাঁত সৰি ন দাঁত ওলায়, সেই দাঁত বৰ দিঘল হয় আৰু তাৰে মানুহে অনেক বস্তু সাজে।

হাতিয়ে কুঁহিয়াৰ খাবলৈ বৰ ভাল পায় দেখি কোনো মানুহে তাক মাৰিবৰ নিমিত্তে কুঁহিয়াৰ ফালি বৰবিহ সুমাই থয়, পিচে সেই কুঁহিয়াৰ খাই হাতি মৰে।

হাতিক নানা বুঁধিৰে ধৰা জায়, কোনো সময়ত বৰ খোঁক কৰি তাতে মুৰ সুমাই ধৰে, কোনো২ ঠাইত বৰ গাত খানি ওপৰত গচৰ ঠানি, খেৰ ইত্যাদি দি তাতে হাতিক পেলাই জৰি লগাই ধৰে। হাতিৰ স্বভাৱ বৰ মৃদু আৰু লগতে পোহ লয়; ঠায়ে২ বগা হাতিও পোৱা যায়, মান আৰু শ্যাম দেশৰ ৰজা বিলাকে বগা হাতি পালে বৰ আনন্দ হৈ সৰহ ধন দিও কিনে। সেই হাতিৰ ওপৰত কোনো মানুহ নুঠে কিন্তু ৰজাৰ দৰে সেই হাতিৰো বৰুৱা ফুকন আদি অনেক বিষয়া আচে।১৪৫। আৰু সেই হাতি ওলালে তাৰ আগে পিচে অস্ত্ৰ সস্ত্ৰ লৈ অনেক মানুহ ফুৰে, ওপৰত দণ্ড চত্ৰ ধৰে আৰু সকলোৱে দেখি সেৱা কৰে। সকলো জন্তুতকৈ হাতিৰ অতি আচৰিত বুদ্ধি আৰু জ্ঞান।

কেই বচৰ মান হল দিল্লী নগৰত এটা হাতি বাটত এক ঘৰৰ খিড়িকীৰ ওচৰত কেত বোৰ দৰ্জিক বন কৰা দেখি খিড়িকীৰে তাৰ শুঁৰ সুমালত এটা দৰ্জিয়ে বেজি এটাৰে শুঁৰৰ আগত বিন্ধিলে, হাঁতিয়ে একো নুবুলি গৈ কেত

বোৰ ঘোলা পানি শুঁৰত ভৰাই লৈ যত দৰ্জ্জিহঁতে বন কৰিছিল তালৈকে উভতি গৈ যি কাপৰ সিচিল তাৰে ওপৰত সেই বোকা বোৰ পেলাই দিলে।

এক হাতিয়ে তাৰ মাউতক মাৰিলত তাৰ ঘৈনিয়েকে দেখি লৰা চোৱালীয়ে সৈতে হাতিৰ ভৰিত পৰি কলে বোলে তয় যেতিয়াই মোৰ স্বামীক মাৰিলি মোক আৰু মোৰ লৰা হঁতকো মাৰ। হাতিয়ে থমকি মৰম লগা হেনকৈ ডাঙ্গৰ লৰাটোক শুঁৰেৰে ডিঙ্গিত তুলি লৈ মাউত কৰি ললে আৰু আন কাকো মাউত হ'ব নিদিছিল।

OF THE BARBARISM AND MANNERS OF THE ANCIENT BRITISH.

ইংগ্লণ্ড দেশৰ মানুহৰ পূৰ্ব্ব কালৰ অসভ্যতাৰ কথা।

দুহেজাৰ মান বচৰৰ পূৰ্ব্বে ইংগ্লণ্ড দেশৰ মানুহ (অৰ্থাৎ ।১৪৬। ইংৰাজ বোৰ) গোটেই অসভ্য আছিল। সিহঁতে কাপৰ নিপিন্ধি নাঙট হৈ ফুৰিছিল, কেৱল দক্ষিণৰ লোক বিলাকেহে মাজে২ জন্তুৰ চালেৰে গা ঢাকিছিল; সিহঁতে শোভাৰ নিমিত্তে গাত গচ, ফুল, মাচ, পশু, আৰু চৰাই ইত্যাদি আঁকিছিল, আৰু সেই আঁক বোৰত এবিধ এঠা দিছিল হেতুকে কেতিয়াও নেৰিছিল।

ইংৰাজ হঁতৰ পূৰ্ব্ব পুৰুষ সকলে সেই কালত হাবিত বাস কৰিছিল, আৰু কাঠেৰে সৰু২ ঘৰ কৰি গচৰ ঠানিৰে বা চালেৰে ঢাকিছিল। এনেকুৱা দুশ তিনিশ পজাৰে গাঁও একোখন হৈছিল, আৰু সেই গাঁৱৰ চাৰিও ফালে মাটিৰে গড় একোটা বান্ধিছিল; মৃগয়া কৰি সিহঁতে যি মঙহ পাইছিল তাকে খাইছিল, কিন্তু মাচ আৰু চৰাই খোৱা সিহঁতৰ ধৰ্ম্মত নিষেধ আছিল।

সেই কালত ইংগ্লণ্ডৰ লোক বিলাক অতি অজ্ঞান আছিল, অকল সিহঁতৰ পুৰোহিত বোৰেহে বিদ্যা জানিছিল, আৰু সিহঁতে শিষ্য বোৰক বৰকৈ বশীভূত কৰি ৰাখিছিল; সিহঁতে নানা বিধৰ দেৱতা পূজা কৰিছিল আৰু সেই দেৱতা ৰুষ্ট হলে শান্তিৰ নিমিত্তে এনেহে কুকৰ্ম্ম কৰিছিল যে তাক শুনিবই নলগা। এক সময়ত সিহঁত ৰণত হাৰি আমাৰ শনি দেৱতা ৰুষ্ট হৈছে বুলি শান্তি কৰিবৰ নিমিত্তে ভাল মানুহৰ ঘৰৰ তিনি শ লৰা বাচি আনি বৰ সাজ এখনত থৈ জুই

দি পুৰিলে। এতিয়াৰ ইংৰাজ বোৰ সেই সকল লোকৰে সন্তান। কিন্তু সিহঁ ।১৪৭। তৰ ব্যৱহাৰে আৰু এতিয়াৰ মানুহৰ ব্যৱহাৰে কিমান অন্তৰ চোৱা। এতিয়া যেনে কেত বোৰ অসভ্য জাতি আচে ইংৰাজ হঁতো পূৰ্ব্বে তেনে কুব্যৱহাৰী আৰু অসৎ আচিল, কিন্তু কালক্ৰমে এতিয়া সিহঁত জ্ঞানত সম্পন্ন হৈচে, বানিজ্যত এটাইতকৈ প্ৰধান, শিল্প কৰ্ম্মত অদ্বিতীয়, আৰু সকলো বিধৰ বিদ্যা আৰু জ্ঞানত শ্ৰেষ্ঠ আৰু সিহঁতৰ বিদ্যাৰ অক্ষয় ভঁৰালৰ পৰা পৃথিবীৰ সকলো ঠাইলৈকে বিদ্যা আৰু জ্ঞান পঠিয়াইচে। এতেকে এই দেশতো জ্ঞানোদয় হোৱা বৰ অসাধ্য নহয়, কিয়নো যি উপায়েৰে অতি অসভ্যতাৰ পৰা ইংৰাজহঁত উঠি সভ্য হৈচে আন দেশৰো সেই উপায় আচে। যি বিদ্যাৰ দ্বাৰা ইউৰোপ খণ্ড সি কেই খণ্ডতকৈ সৰু হৈও বৰ প্ৰখ্যাত হৈচে সেই বিদ্যাও সকলোৰে সাধ্যৰ ভিতৰত আচে। আমি ভৰসা কৰোঁ যে সেই বিদ্যা এই দেশতো শীঘ্ৰ ব্যাপক, আৰু কেতিয়াবা এনেও হব পাৰে যে এই দেশৰ লোক বিলাকো বিদ্যাত ইউৰোপৰ লোক সকলৰ তুল্য পাৰ্গত হয়।

হে প্ৰিয় লৰা বিলাক, ইংৰাজ হঁতৰ সভ্যতা জানিবৰ নিমিত্তে তলত লণ্ডন নগৰৰ বিৱৰণ আৰু ইংগ্লণ্ড দেশৰ নানা আচৰিত যন্ত্ৰাদিৰ কথা লেখিলোঁ, মন লগাই পঢ়িবা, সেই সকল কথা অতি স্বৰূপ, তোমোলাকৰ মনত অদ্ভুত হেন বুলি মিচা নুবুলিবা। ।১৪৮।

OF THE CITY OF LONDON.
লণ্ডন নগৰৰ বিৱৰণ।

ইংগ্লণ্ড দেশৰ ৰাজধানী লণ্ডন নগৰ তেমস্ নদীৰ পাৰত, ৰোমান বিলাকে যেতিয়া ইংগ্লণ্ড জয় কৰি সিহঁতৰ অধীন কৰিলে তেতিয়াও এই নগৰৰ নাম লণ্ডন আচিল। এহেজাৰ বচৰ হৈচে ইংগ্লণ্ডৰ মহাখ্যাত বৰ আলফ্ৰেড ৰজাই লণ্ডনক ৰাজধানী পাতিলে। জোৱা দুশমান বছৰৰে পৰা এই নগৰ দুগুণে বাঢ়িচে। সি সমুদ্ৰৰ পৰা ত্ৰিশ ক্ৰোশ অন্তৰ আৰু তাক তিনি ভাগ কৰা গৈচে, দুভাগ তেমস্ নদীৰ দক্ষিণে এভাগ উত্তৰে। সি দিঘলে চাৰি ক্ৰোশ, পুতলে সকলো ঠাইতে সমান নহয়, কোনো ঠাইত তিনি ক্ৰোশ কোনো ঠাইত পাঁচ ক্ৰোশ।

লণ্ডন নগৰৰ ৰাজ-আলি বোৰ বৰ বহল আৰু দিঘল, আৰু পৃথিবীৰ সকলো নগৰৰ আলিতকৈ ভাল। তাৰ প্ৰতি আলিৰে তিনি২ ভাগ আচে, মাজ ডোখৰ বৰ২ শিলেৰে বন্ধোৱা, আৰু তাত অকল ৰথ আৰু ঘোৰা চলে, দুইও কোখৰ

বৰ সুন্দৰ সুন্দৰ শিলেৰে বন্ধোৱা, তাৰে অকল মানুহ অহা জোৱা কৰে। দুইও কোখৰৰ বাটৰ তলত বৰ২ খাৱই আচে তাৰে নগৰৰ মলি তেমস্ নৈত পৰৈগে; একোটা ৰাজ আলিত ইমানহে গাৰি, বগি চলে যে একো আলিতে দিনত ৭০০ গাৰি ইত্যাদি জোৱা অহা কৰে, লণ্ডন নগৰত প্ৰায় বাৰ হাজাৰ ৰাজ আলি আৰু গলি (অৰ্থাৎ ঠেক বাট) ।১৪৯। আচে; আৰু কলিকাতাৰ লালদিঘিৰ চাৰিও ফালে যেনেকুৱা বৰ সুন্দৰ২ ঘৰ আচে তেনে প্ৰায় এশ চাৰি কোনিয়া পল্লী আচে। তাত পকি ঘৰ দুই লক্ষ মান আচে, আৰু এই দেশত যেনেকৈ নিলগৰ পৰা পানি আনিব লাগে লণ্ডন নগৰত তেনে নহয়, নগৰৰ মাজেৰে যে তেমস্ নদী বৈচে তাৰে ওচৰত একোটা এনেহে কল কৰি খৈচে যে সেই কলেৰে নগৰৰ প্ৰতি ঘৰলৈকে সিহৰ নলিৰে পানি জায়।

লণ্ডন নগৰত কুৰি লক্ষ মানুহ আচে আৰু এই লোক বিলাকে প্ৰতি বচৰে আহাৰাদিৰ নিমিত্তে সাত অৰ্ব্বুদ টকা ব্যয় কৰে।

এই নগৰত প্ৰায় সাত আঠ শ গিৰিজা ঘৰ আচে আৰু লৰা বিলাকক পঢ়াবলৈ পাঁচ ছয় হেজাৰ পঢ়াশালি আছে। মানুহৰ কুকৰ্ম্ম নিবাৰণ কৰিবলৈ আৰু বিদ্যা বৃদ্ধিলৈ, বুঢ়া আৰু অসমৰ্থ প্ৰতিপাললৈ, দুখিয়া মানুহৰ নৰিয়া হলে বিনা ধনে ঔষধ দিবলৈ অনেক সম্প্ৰদায় আচে। কনা খোৰাৰ উপকাৰলৈ আৰু গৰ্ভৱতী তিৰোতাৰ প্ৰসৱত সহায়লৈ, আৰু অন্য২ দয়ালু কৰ্ম্মলৈ এই নগৰত অসংখ্য সম্প্ৰদায় আছে; সৰ্ব্বমুঠত এনে উপকাৰক হেজাৰ ডেৰ হেজাৰ সম্প্ৰদায় হব।

লণ্ডন নগৰ ৰাজধানী হেতুকে তাত ছটা ৰাজ গৃহ আছে। মহা সোধৰ ঠাই নটা, আৰু সৰু ৪২ দুকুৰি দুটা আছে; তাতে নগৰৰ মানুহৰ সোধ সোধে। ব্যৱস্থা শিকিবলৈ চাইটা মহা ।১৫০। ধৰ্ম্ম শাস্ত্ৰালয় আচে। আৰু ৮০০০ উকিল সকলো সোধৰ ঠাইত আচে। লণ্ডনত ১৪টা ফাটক আৰু ৰজাই কৰা চাৰি ঠাইত চিত্ৰ কৰ্ম্ম ইত্যাদি হয় আৰু ওঠেৰটা পুস্তকালয় আচে, তাতে সকলো ভাষাৰে পুথি থাকে আৰু সকলোৱে তালৈ গৈ সেই পুথি পঢ়ি মনু বৃদ্ধি কৰে।

লণ্ডন নগৰ পৃথিবীৰ সকলো ঠাইতকৈ ঘাই বাণিজ্য স্থান, এই নগৰেৰে বচৰেকত এশ ক্ৰোৰ টকাৰ বস্তুৰ অহা জোৱা হয়। লণ্ডন নগৰৰ তেমস্ নদীত চাৰি খন মহা শাঁকো আচে, তাৰ ওপৰেৰে গাৰি আৰু ঘোৰা সদাই জোৱা অহা কৰে আৰু তলেৰে জাহাজ চলে। যি শাঁকো শেৰত সাজিচে তাত ৮০লক্ষ টকা ব্যয় হৈছে।

কিচু কাল হল এই নদীৰ পানীৰ তলেৰে মাটি খানি এটা বাট কৰিছে, তাৰে গাৰি ঘোৰা আৰু মানুহ অহা জোৱা কৰে, আৰু সেই শাঁকোৰ ওপৰেৰে

নাও চলে। লণ্ডনত চাৰি পাঁচ হেজাৰ পৰিয়াল আছে। সিহঁতে ৰাতিয়ে দিনে ফুৰি নগৰ ৰক্ষা কৰে আৰু এই নগৰৰ প্ৰতি আলিতে চাকি জ্বলে, তাতে লোকে সুখে ৰাতি অহা জোৱা কৰিব পাৰে। পূৰ্ব্বে তেল ইত্যাদিৰেহে আলি পোহৰ হৈছিল, কিন্তু এতিয়া কেই বচৰ মানৰ পৰা গাচ নামেৰে এবিধ বস্তুৰে চাকি লগায়, তাৰে পোহৰ হয়। সেই গাচ কেনেকৈ কৰে কওঁ শুনা; নগৰৰ ঠাইয়ে২ গাচ কৰিবলৈ ঘৰ আছে, সেই ঘৰতে অনেক নাগ মাটি বা তেল পুৰি তাৰ ধোঁৱা লগ কৰে। সেই ধোঁৱা ।১৫১। সিহৰ নলিৰে চাৰিও ফালে চলায় নিয়ে, পিচে প্ৰতি ঘৰতে সেই নলিৰ পিতলৰ মুখেৰে ধোঁৱা ওলায়; সেই নলিত জুই লগালে অকস্মাৎ জলি উঠে আৰু যিমান পৰ ইচ্ছা তিমান জলি থাকে, নুমাব লাগিলে সেই নলিত এনেহে কল আচে যে তাক টিপিলে ধোঁৱা চলিবলৈ এৰে, তাতে জুই আপুনি নুমায়। শৰীৰৰ শীৰেৰে যেনেকৈ তেজ চলে, এই নগৰতো তেনেকৈ পানি আৰু পোহৰ চলে।

এই নগৰ এতিয়া পৃথিবীৰ মধ্যত সকলো নগৰতকৈ ডাঙ্গৰ আৰু সম্পত্তি বাণিজ্য আৰু জ্ঞানতো বৰ। পূৰ্ব্বে এই মহা নগৰ অৰণ্য আচিল কিন্তু কালক্রমে নানা উদ্যোগ আৰু সুবিচাৰৰ দ্বাৰা সি এতিয়া এনে বৰ হৈছে; কিন্তু ইয়াতো কেতিয়াবা অবিচাৰ হলে পৃথিবীৰ আন২ মহানগৰৰ নিচিনা লোপ হব।

SAVAGES AND CIVILIZED PEOPLE, SPECTACLES AND CLOCKS AND THE BAROMETER AND THERMOMETER.

সভ্য আৰু অসভ্য মানুহৰ কথা, দ্বিপচকু, ঘড়ি, বায়ু ভাৰ মাপক যন্ত্ৰ আৰু তাপ মাপক যন্ত্ৰৰ বিবৰণ।

পূৰ্ব্বে নথকা বস্তুৰ সৃষ্টিৰ পৰা আমাৰ সুখ কিমান ।১৫২। বাঢ়ে তাক তোমোলাকে নভবা হেন পাওঁ। মনুষ্যৰ নো কি বস্তু অতি আৱশ্যক? আহাৰ-সেই আহাৰ অসভ্য অৱস্থাত থাকিলে সি মৃগয়া কৰি পায়। পূৰ্ব্বৰ ইংৰাজ হঁত চিকোন অসভ্য আচিল, সিহঁতে আহাৰৰ নিমিত্তে মৃগয়া কৰিচিল; কিন্তু সভ্য মানুহ বিলাকে মৃগয়া নকৰাকৈ আহাৰ মিলায়; সিহঁতে হাল বাই ধান ৰুই তাকে কাটি আনে আৰু জন্তু বোৰক পোহনিয়া কৰে। এতিয়া তোমোলাকে জানিলা যে বুদ্ধি ভৰিতকৈও বেগৱন্ত আৰু হাততকৈও বলৱন্ত।

মনুষ্যক আৰু কি বস্তু অতি আৱশ্যককৈ লাগে? কাপৰ- অসভ্য মানুহ বিলাকে নাঙট হৈ ফুৰে বা জন্তুৰ চাল পিন্ধে; কিন্তু সভ্য লোকে সূতা আৰু নোম বই কাপৰ কৰে। অসভ্য বোৰে কাপৰ পালে চাল পিন্ধিব হেন পোৱা নে? নহয়, সিহঁতে কেতিয়াও তেনে নকৰে।

অসভ্য

সভ্য

ইয়াত বাজে মানুহক থাকিবলৈ ঘৰ লাগে। পূৰ্ব্বৰ ইংৰাজ হঁত পজাত বা গাঁতত বাস কৰিচিল কিন্তু সিহঁতে । ১৫৩। ঘৰ সাজিব জনা হলে এনে নকৰিলে হঁতন। তোমাৰ ঘৰত যি সকল দ্ৰব্য আছে তাক এদিন চাই ভাবি চাবা, পিচে তুমি জানিবা যে তুমি অসভ্য দেশত জন্ম নধৰাৰ সলনি ঈশ্বৰক ধন্যবাদ কৰিব পোৱা, অসভ্য মানুহে দোডোখৰ কাঠ ঘঁহি জুই তোলে; কিন্তু আমি চুম্‌কি সিল এডোখৰ তিখাত ঘঁহি ততালিকে জুই তোলোঁ, আৰু দিয়াসলাই ঘঁহিও পাৰোঁ। অসভ্য লোক বিলাকৰ বহিবলৈ দলিচা মাচিয়া বা শুবলৈ বিচনা নাই আৰু খাবলৈ ৰান্ধিবলৈ বাচন আৰু মম বাতি ইত্যাদি একো বস্তুৰ কথা ভু নাপায়। কিন্তু এই সকল নহলে আমি থাকিব নোৱাৰোঁ এতেকে তাৰ নিমিত্তে আমি ঈশ্বৰত কৃতজ্ঞ হব পাওঁ।

তোমোলাক এতিয়া সৰুৱে আচা আৰু ডাঙ্গৰ হলে যি কথা ভাবিবা তাক এতিয়া নেভাবা, মোৰ দ্বিপচকুলৈ চোৱা, তাৰ পৰা তোমোলাকৰ একো গুণ নহয় কিন্তু মোলৈ বৰ উপকাৰক। মানুহ বিলাক বুঢ়া হলে লেখি থবৰ যোগ্য অনেক কথা জানে, কিন্তু সিবিলাকৰ চকুৱে ভালকৈ নেদেখাত দ্বিপচকু নোহোৱাকৈ লেখিব নোৱাৰে। দ্বিপচকুৱে বুঢ়া মানুহক ডেকা চকু দিয়ে। দ্বিপচকু যেনেকৈ কৰে তেনে ভালকৈ দেখি।

ইংগ্লণ্ড দেশৰ পূৰ্ব্ব কালৰ লোক বিলাকে দ্বিপচকুৰ কথা ভু নাপাইছিল আৰু ময় আন যি সকল বস্তুৰ কথা কম তাকো নেজানিছিল। ।১৫৪।

ঘড়ি আৰু বৰ ঘড়ি কিহক বোলে তোমোলাকে জানিব পোৱা। এই যন্ত্রেৰে দিন আৰু ৰাতিৰ ডাঁৰ পৰ জানি। ঘড়ি বোৰ সৰু আৰু মোনাতকৈ লৈ ফুৰায়, বৰ ঘড়ি হলে ডাঙ্গৰ আৰু তাত ডাঁৰ পৰ বাজে; কিন্তু কোনো২ সৰু ঘড়িও বাজে। বৰ ঘড়ি বোৰ পৰিমাণেৰে বা জোখেৰে চলে, কিন্তু সৰু ঘড়িৰ ঘিলা বোৰ হেচা মাৰিলে উঠি অহা গুণাত পৰ মেৰাই থয় সেই গুণা খহোঁতে লৰে। বৰ ঘড়ি নথকাত ৰদৰ ঘড়ি এবিধ ব্যৱহাৰ হৈছিল কিন্তু তাৰ পৰা ৰদ নুঠিলে ডাঁৰ পৰ কব নোৱাৰিছিল, কিন্তু বৰ ঘড়ি হোৱাত ৰাতিয়ে দিনে সময় ঠিক কৰিব পাৰিছিল, ৰাতি চাকি লগাই অলপহে চাব লাগে। তাৰ পিচত ঘড়িক বজা কৰা গল, তাৰ পৰা বৰ জাৰ কালি অতি এন্ধাৰ নিশাতো এক আঙ্গুল নলৰাকৈ বিচনাতে থাকি ডাঁৰ পৰ জানি।

ঘড়ি* প্ৰথমে কেতিয়া কোনে কৰিলে ময় তোমোলাকক নিশ্চয়কৈ কব নোৱাৰোঁ কিন্তু ইংগ্লণ্ড দেশত ঘড়ি চলতি হবৰ চাৰি শ কি পাঁচ শ বচৰ হৈচে, ষ্ট্রাট্স্বৰ্গ, আৰলিয়ন্স নগৰত দুটা প্ৰখ্যাত ঘড়ি আচে কিন্তু তাৰ বিবৰণ ভালেমান কথা। বৰ্চিলিচ নগৰৰ ৰাজ গৃহত এবেলি এটা ঘড়ি আচিল, সি বৰ আচৰিত তাত ঘণ্টা বাজিবৰ পূৰ্ব্বে দুটা কুকুৰাই পাখি জোকাৰি মাতিচিল, পিচে মূৰ্ত্তি বোৰে হাতত তাল লৈ আহি তাক বৰ টাঙ্গনেৰে কোবাইচিল।।১৫৫।

ইংগ্লণ্ড দেশৰ কোম্পানি বাহাদুৰে চীন দেশৰ পাত্চাক ভেঁটিবলৈ দুটা বৰ ঘড়ি কৰিচিল, তাৰ বিবৰণ কবলৈ ময় পাহৰিব নাপাওঁ। সেই ঘড়ি দুটা ৰথ খনৰ দৰে কৰিচিল আৰু তাতে এটি ৰূপৱতী বিবি বহি আচিল; সেই বিবিৰ মূৰ্ত্তিৰ তলত আধলিতকৈ অলপ ডাঙ্গৰ ঘড়ি এটা আচে, আৰু সেই ঘড়ি ঘূৰাই নিদিয়াকৈ আঠ দিনলৈকে সুন্দৰে ডাঁৰ পৰ বাজি চলি থাকে। সেই বিবিৰ আঙ্গুলিত একাঙ্গুলৰ ১৬ ভাগৰ এভাগ মান ডাঙ্গৰ হিৰা আৰু মুক্তা খতোৱা এটি চৰাই আচে, সেই চৰাইটিয়ে ভিতৰত থকা কলৰ দ্বাৰা পাখি মেলি ভালেমান পৰ জোকাৰে। সেই বিবিৰ মূৰৰ ওপৰত এটা চাতি আচে আৰু ভৰিত এটা সোনৰ কুকুৰ আচে।

লণ্ডন নগৰৰ ডন্সটন নামে গিৰজাৰ এটা ঘড়ি চাবলৈ অনেক মানুহ গৈচিল, তাৰ ডাঁৰ পৰ দুটা মানুহৰ মূৰ্ত্তিয়ে ডাঙ্গৰ টাঙ্গনেৰে বজাইচিল কিন্তু সেইটো ঘড়ি এতিয়া নাই।

ঘৰত আৰু দুটা বস্তু ঘড়িৰ নিচিনাকৈ ব্যৱহাৰ হয়, তাৰ এটাৰ নাম বায়ুৰ ভাৰ মাপক, এটাৰ নাম তাপ মাপক যন্ত্ৰ। । ১৫৬। বায়ুৰ ভাৰ মাপক যন্ত্ৰে



বতৰ খৰ হয় নে চেঁচা হয় তাকে নিৰ্ণয় কৰে। এটা নলি কৰি তাৰ পৰা বায়ু উলিয়াই মুখত সোপা দি এখন সাজত ৰস থৈ তাতে সেই নলিটো দি এই যন্ত্ৰ কৰে; পিচে বায়ু খৰ হলে ৰস বোৰ নলিৰে উজায় কিন্তু খৰ নহলে তেনেই থাকে। ইয়াৰ দ্বাৰা সেই নলিৰ গাত দিয়া অঙ্ক চাই সকলোৱে ৰৰখুণ হবনে খৰ দিব জানিব পাৰে। এইটো বৰ আচৰিত নহয় নে? তুমি পৰ্ব্বতত উঠিলে এই যন্ত্ৰৰ দ্বাৰা কিমান ওখত আচা কব পাৰা, কিয়নো যিমান ওখলৈ উঠা তিমানকৈ বায়ুও পাতল হৈ পাৰাক ঠেলি নলিলৈ তোলা গুচে।

তাপ মাপক যন্ত্ৰে কিমান জাৰ কিমান গৰমি তাকে নিৰ্ণয় কৰে, তাক বুজাই কওঁ শুনা। ৰস তপতালে বিয়লি চেঁচাত যিমান ঠাই লাগে তপতত তাতকৈ অধিক ঠাই ব্যাপে। লাৰুৰ নিচিনা ফুৰনিয়া এটা সাজত ৰস ভৰাই তাতে এটি প্ৰায় সূতাৰ নিচিনা সৰু নলি লগায়, পিচে বায়ু চেঁচা হলে ৰস বোৰে সাজৰ মধ্যতে থাকে কিন্তু তপত হলে সেই নলিৰে ওপৰলৈ উঠে। এতিয়া তোমো ।১৫৭। লাকে বায়ুৰ ভাৰ মাপক আৰু তাপ মাপক যন্ত্ৰ কি বুজিলা; এই বোৰ পুৰ্ব্বৰ ইংৰাজৰ মানুহ বোৰে নেজানিচিল।



ময় যি কওঁ তাক মনত ৰাখিব পাৰিলে তুমি অনেক জানিবা, কিন্তু সেই নিমিত্তে গপ নকৰিবা, যদি তুমি সদ্ব্যৱহাৰ কৰা তেন্তে যিমান শিকা তিমান ভাল, কিন্তু জ্ঞানী হৈ দুষ্ট হোৱাতকৈ হোজা হৈ ধাৰ্ম্মিক হোৱাই ভাল। ময় যিমান অধিক দিন জিওঁ তিমান অধিককৈ পতিয়াম যে শুদ্ধ আৰু মৰমিয়াল চিত্ত বৰ বিদ্যা আৰু গুণতকৈ ভাল, আৰু পৃথিবীৰ গোটেই বোৰ বিদ্যাই মনুষ্যক যিমান সুখী কৰে, ঈশ্বৰক ভয় কৰি তেওঁৰ আজ্ঞা পালন কৰিলে তাতকৈ অধিক সুখী কৰে।

MICROSCOPE, TELESCOPE, STEAM ENGINE, STEAM CARRIAGE, STEAM BOATS, BALLOON, AIRIAL SHIP, AND MARINER'S COMPASS.

সূক্ষ্ম দৰ্শন যন্ত্ৰ, দূৰদৰ্শন যন্ত্ৰ, বাষ্পীয় অৰ্থাৎ ভাপৰ কল, বাষ্পীয় গাড়ি, বাষ্পীয় নাও, বালুন অৰ্থাৎ আকাশলৈ উঠা যন্ত্ৰ, বায়ুৰ জাহাজ, নাবিকৰ কম্পাচ অৰ্থাৎ দিগ নিৰূপন যন্ত্ৰ ইত্যাদিৰ বিবৰণ।

সূক্ষ্ম দৰ্শন যন্ত্ৰ নানা বিধৰ আৰ্চিৰে কৰে, সুদা চকুৰে কোনো বস্তু চালে যিমান ডাঙৰ দেখি এই যন্ত্ৰেৰে চালে তাতকৈ ভালে মান ডাঙৰ দেখি।।১৫৮।

দূৰদৰ্শন যন্ত্ৰ অৰ্থাৎ দুৰ্ব্বীন, তাক আৰ্চিৰে কৰে আৰু তাৰ দ্বাৰা নিলগত থকা বস্তুকো বৰ সুন্দৰ দেখি। বৰ দুৰ্ব্বীনেৰে আকাশৰ নক্ষত্ৰাদি আৰু সৰু বোৰেৰে নিলগত থকা জাহাজ পৰ্ব্বত ইত্যাদি বস্তু চায়। ময় এখন সূক্ষ্ম দৰ্শন যন্ত্ৰ দেখিচোঁ, তাৰে চালে গোটেই সৰু পোকটিকো দহ আঠ হাত দিঘল দেখি আৰু এটা দুৰ্ব্বীন দেখিছোঁ, তাৰে চন্দ্ৰৰ ওপৰত ঘৰ আৰু মানুহ থকা হেন দেখিলোঁ।

এতিয়া ভাপৰ কলৰ কথা কওঁ শুনা, পূৰ্ব্বে ভাপৰ গুণ প্ৰকাশ পোৱা নাচিল, পিচে যি মানুহে প্ৰথমে তাক প্ৰকাশ কৰিলে তেওঁ খাৰলৈ বহি তপত পানীৰ ভাপে যি সাজত পানী তপতাইচিল তাৰ সাঁফৰটো ওপৰলৈ তোলা দেখি মনত ভাবিলে যে তপত পানীৰ ভাপ অনেক কৰ্ম্মত লগাব পাৰি; এই বুলি তেওঁ শ্ৰম কৰিব ধৰিলে, পিচে এই তুচ্ছ কথাৰ পৰা ভাপৰ কল প্ৰকাশ হল।

ভাপৰ কলত তপত পানীৰ ভাপ এটা নলিত পেলায় আৰু সেই চুঙ্গাৰ এটা সাঁফৰ বা সোপা আচে। সেই সাঁফৰ ভাপে ঠেলিলে ওপৰলৈ উঠে আৰু অল্প চেঁচা পানী পৰিলে পৰে।

ওৱাট নামে এক সাহাবে ভাপৰ কলক অনেক ভাল কৰিলে। তেঁও সাঁফৰটো ওপৰত দি বিন্ধাই তাৰে এডাল ।১৫৯। মাৰি সুমাই তললৈ আৰু ওপৰলৈ চলি থকা কৰিলে, আৰু সেই মাৰিৰ তলে ওপৰে ভাপ দিলত উঠি পৰি থাকে। সেই মাৰি ডাল বৰ ডাঙৰ কাঠ এডালত বান্ধি দিয়াত কাঠ ডালকো তললৈ ওপৰলৈ লৰাই থাকে, ইয়াৰ দ্বাৰা কৰ্ম্ম কাৰক সকলে ঘিলা বোৰ ঘুৰাই আৰু যি কৰ্ম্মকে কৰোঁ বোলে তাকে কৰিব পাৰে।

ভাপৰ কলৰ আচৰিত বল, তাৰ দ্বাৰা হেজাৰে২ কৰ্ম্ম কৰিব পাৰি। ভাপৰ গাড়ি ভাপৰ নাও তাৰেই চলায় আৰু কাপৰ ইত্যাদিও তাৰেই কৰে। ভাপৰ গাড়িত সকলোতকৈ সোনকালে জাব পাৰি আৰু সি অতি আচৰিত। ভাপৰ গাড়ি যি বাটে জায় সেই বাটো সামান্য নহয়, তাক ৰেইল ৰোড্ বোলে। ৰেইল ৰোড কৰিবৰ নিমিত্তে আলিটো সমান কৰে, কেতিয়াবা২ পৰ্ব্বতকো কাটি সমান কৰিব লাগে, পিচে ওপৰত লো পোন আৰু দিঘল কৰি পাতি গাড়িৰ ঘিলা সুমাই জাবলৈ লোৰ কৰে।



ভাপৰ

ভাপৰ গাড়ি খনত মানুহ নেজায়, কিন্তু বোৰাৰ সলনি সি পিচত বান্ধি দিয়া সাত খন ৰথ টানি নিয়ে; পিচত বান্ধি দিয়া বোৰত মানুহ আৰু কললৈ নাগমাটি নিয়ে। ভাপৰ ।১৬০। গাড়ি সকলোতকৈ বেগে জায়, একে ঘড়িতে ডেৰ কুৰি দুকুৰি বা তিনি কুৰি মাইল অৰ্থাৎ এই মান ডাঁৰৰ বাট জাব পাৰে। মাটিত যেনেকৈ পানিতো তেনেকৈ ভাপৰ কল অনেক কৰ্ম্মত লাগে। কেই বছৰ মান হল, আমেৰিকা দেশত এক সাহাবে বঠা নোহোৱাকৈ ভাপৰ কলেৰে নাও চলাব পাৰি বুলি এখন নাও কৰি তাত বঠা নিদিয়াকৈ ভাপৰ কল এটা তাৰ মাজত দি নাৱৰ দুই ফালে দুটা ঘিলা দিলে, আৰু কলে



সৈতে লগাই ঘূৰিব পৰা কৰিলে, আৰু সেই ধিলাত কেতবোৰ শঠা বান্ধিলে। পিচে কল চলাত থিলা দুটাও ঘূৰিল আৰু তাৰ লগতে বঠা বোৰো ঘূৰাত নাও চলিব লাগিল। এই দৰে কৰ্ম্ম সিদ্ধি হোৱাত আন মানুহেও এইদৰে কৰিলে; আৰু এতিয়া ইউৰোপ আৰু আমেৰিকাৰ সকলো ঠাইতে ভাপৰ নাও প্ৰচলিত হৈছে। এই নাও বোৰ অতি ডাঙ্গৰ, তাৰ কোনো২ বোৰত দুশ মানুহ খাই শুই জাব পাৰে। দেখিবলৈ প্ৰায় সৰু জাহাজ খনৰ নিচিনা আৰু উজাই বতাহক মুখ কৰিও এক ঘড়িত তিনি ক্ৰোশ আৰু চাৰি দিনত আড়াই শ ক্ৰোশৰ বাট চলে। ভাপৰ নাও দিনে ৰাতিয়ে এনে স্থিৰ হৈ চলে যে তাত জোৱা মানুহে চলিচে বুলি গমকে নেপায়।। ১৬১।



তোমোলাকে ফানুচ উৰুৱা দেখিব পোৱা, ফানুচত যি বতাহ থাকে সি জুইৰ দ্বাৰা আন বায়ুতকৈ পাতল হৈ ফানুচ ওপৰলৈ উঠে। বালুনো তেনেই প্ৰায়; কিন্তু তাক যি বায়ুৰে ভৰায় সিহে ভিন। বালুন পাট সূতাৰে জাল হেনকৈ বই ঘুৰনিয়াকৈ মোনা হেন কৰে আৰু সামান্য বায়ুতকৈ পাতল বায়ুৰে ভৰাই তাৰ তলত এখন নাও বান্ধি মাটিত বৰ ফই লগাই বান্ধি থয়, পিচে ফই কাটি দিলে একে বেলিয়ে আকাশলৈ উঠে। এক সময়ত ব্লাঙ্কাৰ্ড আৰু জেফৰি নামে দুই সাহাবে সাগৰ পাৰ হৈ দোবৰ নগৰৰ পৰা কালিচ নগৰলৈ গৈছিল। এটা মানুহ বালুনে সৈতে পেটিৰে বান্ধি বালুনৰ পৰা ওলমি শুন্যতে থাকি পাখিৰ নিচিনা কোনো বস্তু লৈ বতাহ বাই বালুনক যি পিনে নিবৰ ইচ্ছা হয় সেই পিনে নিব পাৰিবলৈ পুৰুষাৰ্থ কৰা হৈছে, কিন্তু আজিলৈকে সিদ্ধি হোৱা নাই।

ইংগ্ৰণ্ড দেশত বায়ুৰ জাহাজ নামে এক বস্তু চলাবৰ মনস্থ কৰিচিল। তাক এনেকৈ সাজিচিল; দিঘলে এশ তিনি কুৰি চৰণত ঘাটি নহব, ৫০ চৰণ ওখ আৰু ৪০ চৰণ বহল। ইয়াৰে শুন্যতে ইউৰোপৰ ৰাজধানী বোৰলৈ অহা জোৱাৰ উপায় কৰিবৰ ইচ্ছা কৰিচিল। তাত ।১৬২। ১৭ টা মানুহ আৰু পথিককো নিবৰ অভিপ্ৰায় আচিল। এই

জাহাজৰ যি ভাগত বালুন আচিল সি অতি ডাঙ্গৰ আৰু যি ভাগ মানুহ জাবলৈ আচিল তাত বৰ২ পাখিৰ নিচিনা লগাই দিচিল; কিন্তু এই জাহাজ আজিলৈকো চলাব পৰা নাই আৰু তাক চলাব পাৰিলে মানুহৰ অসংখ্য লাভ হব।



চুম্বক মণি প্ৰকাশ হোৱা কথাও বৰ আচৰিত। পূৰ্ব্বকালে নাবিক বিলাকে সমুদ্ৰৰ পাৰ নেদেখাকৈ জাহাজ চলাব নোৱাৰিছিল কিন্তু এতিয়া গোটেই পৃথিবীয়ে ফুৰিব পাৰে। পাঁচ' শ মান বচৰ হল, প্ৰকাশ পালে যে আকবৰ পৰা তুলি অনা লো ওলমাই থলে আপোনা আপুনি পিচে উত্তৰ ফাললৈ পোনাই থকা হয়। তাক কোনো লোৱে সইতে ঘঁহিলে সেই লোৰ ঘঁহা আগ সদাই উত্তৰ কেন্দ্ৰলৈ থাকে। সেই লো কম্পাচৰ মাজত দিলে সেই কম্পাচৰ দ্বাৰা কোনো মানুহ মাটিত বা সাগৰত থাকি দিগ্ জানিব পাৰে। কম্পাচ এনেকৈ কৰে; তুলাপাতৰ ওপৰত মণ্ডলয় নিচিনা কৰি বত্ৰিচ সমান ভাগ কৰি চাৰিও ফালে দিশ বিদিশ আৰু উপদিশ লেখে। সেই তুলাপাতৰ মাজত এটা লোৰ খুঁটী মাৰে, তাৰে ওপৰত ঘুৰিব পৰাকৈ আগটো চুম্বক মণিৰে ঘঁহি এটা বেজি দিয়ে; ৰি ফাললৈ মুখ কৰি থোৱা, সেই বেজিটো সদাই উত্তৰলৈ মুখ দি থাকিব। । ১৬৩। সেই নিমিত্তে অপ্ৰয়াসে পৃথিবীৰ চাৰিও দিগ জনা যায়। মাটিত থকা মানুহ বিলাকে নাবিকৰ কম্পাচক হাজাৰ প্ৰশংসা কৰক কিন্তু যি সাগৰত ফুৰি নানা বিপদত পৰিচে সিহে তাৰ গুণ জানে।

FIRE ESCAPES AND THE FIRE ENGINE, LIFE PRESERVER DIVING BELL, AIR-GUN, AIR PUMP, LIGHTNING ROD, TELEGRAPH.

অগ্নিৰ পৰা ৰক্ষক আৰু অগ্নিৰ যন্ত্ৰ। জীৱন ৰক্ষক ডুব মৰা ঘণ্টা। বায়ুৰ হিলৈ, বায়ু নিঃ সাৰক যন্ত্ৰ। বজ্ৰ নিবাৰক যন্ত্ৰ। আৰু টেলিগ্ৰাফ নামে শীঘ্ৰে সম্বাদ পোৱা যন্ত্ৰ।

তুমি কেতিয়াবা অগ্নিৰ পৰা ৰক্ষা পোৱা যন্ত্ৰৰ কথা শুনিছিলা নে? নাই হবলা। অগ্নিৰ পৰা ৰক্ষা পাবৰ নানা যন্ত্ৰ আছে, কিন্তু ময় এবিধ বা দুবিধৰ হে কথা কম। বৰ ঠেক আলিৰ ঘৰ বোঁৰত জুই লগা অতি ভয়ানক কথা। ময়

অনেক বেলি জুই লগাত থাকি তাৰ ভয়ানক প্ৰতিফল দেখিচোঁ, সেই নিমিত্তে অগ্নিৰ পৰা ৰক্ষা পোৱা যন্ত্ৰক বৰ আচৰিত বুলি মানো। এই যন্ত্ৰ বিলাকৰ দ্বাৰা জুই লগা ঘৰৰ পৰা মানুহ ওলাব পাৰে।

এবিধ যন্ত্ৰ গোটেই ঢিলা, সি মুঠে বৰ কাপৰ এখন; আৰু ধৰিবলৈ ডাঠ সজুকা থাকে। ঘৰত জুই লাগিলে চাৰিটা । ১৬৪। ছটা বা আঠোটাই তাক মেলি ধৰে, পিচে যি মানুহ বোৰ আন কোনো পিনে ওলাই জাব নোৱাৰে সিহঁত খিলিকিৰে তাত জাপ মাৰি পৰে। তুমি ভাবিব পৰা যে কেৱে দুতলা পকিৰ পৰা খিলিকিৰে জাপ মাৰি পৰিবলৈ সাহ নকৰিব, কিন্তু এনে নহয়, ময় অনেক মানুহক তলত ধৰিবলৈ একো নথকাতো ওপৰৰ পৰা জাপ মাৰি বৰ দুখ পোৱা দেখিচোঁ; আৰু এবিধ যন্ত্ৰ আচে তাক এডাল দিঘল মাৰিৰ মুৰত জৰি লগাই তাতে এটা বৰ পাচি বান্ধি কৰে। পিচে ঘৰত জুই লাগিলে মানুহ তলৰ জুইৰ নিমিত্তে সাৰিব নোৱাৰিলে সেই মাৰি ডাল থিয় কৰি আলিৰ মানুহ বোৰে সেই পাচিটো ওপৰৰ খিলিকিলৈ তোলে, পিচে ঘৰৰ ভিতৰত থকা মানুহ বিলাক তাতে উঠিলে পাচি নমাই আনে। যদি জুই লগা ঘৰৰ মানুহ কেৱে নৰিয়া বা পাচিত উঠিবলৈ ভয় কৰে তেন্তে মাটিতে পাচিত এটা মানুহ উঠি ওপৰত থকা মানুহ বোৰক নমাই আনে।

অগ্নিৰ যন্ত্ৰৰ দ্বাৰা জুই নুমাই কাঠৰ সাজ এবিধত অতি সোনকালকৈ পানি ভৰাই পিচে তাৰ চালৰ নলি এডালৰ দ্বাৰা পানি ওপৰলৈ উধাই পঠিয়াই। চালৰ নলিৰ মুখতে ধাতুৰ নলি এটা থাকে, পিচে যন্ত্ৰ নিয়া মানুহে সেই নলি জুই লগা পিনে টোঁৱাই দিলে পানি বোৰ এনে বেগে জায় যে বৰ ওখ ঘৰো ঢুকি পাইগৈ।

অগ্নিত লগা যন্ত্ৰৰ বিবৰণ কৰোঁ, এতিয়া ময় পানিত লগা ।১৬৫। বস্তুৰ কথা কম। জীৱন ৰক্ষক অৰ্থাৎ মানুহক পানীত নুডুবাকৈ যি যন্ত্ৰে ৰাখে সি অনেক বিধৰ হয়। নাৱৰিয়া বোৰ সদাই পানিত পৰিব পাৰে, এতেকে সিহঁত সকলোৱে সাঁতুৰিবলৈ জানিব পাই কিন্তু কেত বোৰে নেজানে। কুঁহিলাৰ নিচিনা এবিধ গচৰ চালেৰে একোটা চোলা কৰে, তাৰে জীৱন ৰক্ষা হয়। পাতলকৈ তামৰ ফোঁপোলা কৰি ঘুৰণিয়া লাৰু হেন কৰে বা চুঙ্গা কৰে, সিও এবিধ জীৱন ৰক্ষক আৰু সি ভালে মান ভৰ সহে। মনুষ্যৰ শৰীৰ পানীত ওপঙিবলৈ সৰহ উদ্যোগ নেলাগে, কিন্তু ভালে মান পৰ পানীত থাকিলে বৰকৈ সাঁতুৰিব পৰা মানুহকো জীৱন ৰক্ষক লাগে। আৰু এবিধ বৰ সুন্দৰ জীৱন ৰক্ষক আচে, তাকো কৰ্ক নামে এবিধ কুঁহিলাৰ নিচিনা গচৰ চালেৰে ডিঙ্গিৰ মালা বা হাঁসুলিৰ দৰে কৰি মুৰ সুমাবলৈ মাজতে এটি ফিঙ্কা কৰে।

জীবনৰ নাও এক বৰ আচৰিত বস্তু। এই নাও প্ৰায় কুৰি বিধ আছে, প্ৰথম বিধকে কৰ্কেৰে কৰে। সেই নাৱৰ তলিত বিন্ধা দিলেও সি ওপঙিব, এই নাৱৰ দ্বাৰা হেজাৰে২ মানুহ ৰক্ষা পাইচে। যেতিয়া কোনো জাহাজ ডুবিব লগা হয় আৰু তাৰ মানুহ বোৰৰ প্ৰাণ সংশয় হয় তেতিয়া এই নাৱত নাবিক বোৰ উঠি বামত উঠা দেখিবলৈ বৰ ভাল। জাহাজ ডুবাত নাবিক বিলাকে কাঠ পিপা ইত্যাদি একে লগ কৰি ভেল সাজিও বামত উঠে।। ১৬৬।



ডুব মৰা ঘণ্টা বৰ আৱশ্যকীয় যন্ত্ৰ কিয়নো সি নহলে যি বস্তু পানিৰ তলত কৰিব নোৱাৰি তাৰ দ্বাৰা কৰিব পাৰি। সি দেখিবলৈ ঘণ্টাৰ নিচিনা আৰু পানিৰ তললৈ পেলাই দিলে নাবাগৰিবলৈ তলত গধুৰ বস্তু বান্ধি দিয়ে। তাৰ ভিতৰত যি বায়ু থাকে তাৰ নিমিত্তে ভিতৰলৈ পানি সোমাব নোৱাৰে, সেই ঘণ্টাৰ ভিতৰতে মানুহ জায় আৰু বাহিৰৰ পৰা এডাল নলিৰে ভাল বায়ু ভিতৰলৈ দিয়ে, সেই নিমিত্তে মানুহ বোৰ পানীৰ তলতে যিমান পৰ ইচ্ছা তিমান থাকিব পাৰে। ডুব মৰা ঘণ্টাৰ দ্বাৰা পানীৰ তলৰ [যি] কোনো ঠাইকে চাব পাৰি, আৰু সাগৰৰ তলৰ পৰ্ব্বতকো উৰাব পাৰি। যদি বোলা পানিৰ তলত নো কেনেকৈ খাৰেৰে সিল উৰাই তেন্তে কওঁ শুনা। ডুব মৰা ঘণ্টাৰ ভিতৰত যোৱা মানুহ বোৰে সিলত গাঁত কৰি এহাত মান দিঘল এটা বগি তামৰ চোঁটা কৰি সেই গাঁতত দি বালি ওপৰত দিয়ে। পিচে সেই খাৰৰ চোঁটাৰ মুৰত এটা বগি তামৰ চুঙ্গা পানিৰ বাহিৰে ওলায়, তাতে সেই নলিৰে এডোখৰ । ১৬৭। তপত কৰি ৰঙ্গা কৰা লো পেলাই দিয়ে আৰু খাৰত জুই লাগি সিল উৰাই নিয়ে।



এতিয়া বায়ুৰ হিলৈৰ বিবৰণ শুনা। বায়ুক চেপি সামান্য বায়ুতকৈ এহেজাৰ গুণে অধিক স্থিতি স্থাপক অৰ্থাৎ হেঁচা মাৰিলেও উঠি সমান হোৱা কৰিব পাৰি; এই নিমিত্তে সি

অনেক কৰ্ম্মত লাগে আৰু খাৰৰ সলনি বায়ুৰেই কৰ্ম্ম হয়, বায়ুৰ হিলৈৰ পৰা ওলোৱা গুলিটোৱে খাৰেৰে মৰা হিলৈৰ গুলিৰ সমান কৰ্ম্ম কৰে। হিলৈৰ ভিতৰত বায়ু সুমালে অকস্মাৎ এটা বাট উলিয়াই আৰু বায়ু ঠেলি জাওঁতে গুলিও ওলায়। যিমান টানকৈ বতাহক ঠেলে তিমান বেগেৰে গুলিও ওলাই যায়। বায়ুৰ হিলৈ নানা দৰে সাজে।



বায়ু নিঃসাৰক যন্ত্ৰৰ দ্বাৰা কোনো সাজৰ পৰা বায়ু সুহি নিব পাৰি; তাৰে পৰা পণ্ডিত সকলে বায়ুৰ নানা গুণ উলিয়াই কৰ্ম্মণীয় কৰিবৰ চেষ্টা কৰে। এই যন্ত্ৰৰ দ্বাৰা অনেক অদ্ভুত কথা দেখা গৈচে কিয়নো কোনো সাজৰ পৰা বতাহ সুহি নিলে সিহু এডোখৰৰ দৰে পাতল পাখি এটাও পৰিব; তুমি আচৰিত হব পাৰা। ।১৬৮। কিন্তু সি অতি স্বৰূপ। তাত ঘণ্টা বজালেও তাৰ মাত নুশুনিবা, কোনো জন্তু তাত থাকিব নোৱাৰিব, চাকিও নজলিব আৰু ধোঁৱাও ওপৰলৈ নুঠিব।

আমেৰিকা দেশৰ ফ্ৰাঙ্কলিন্ নামে এজন সাহাবে বজ্ৰ নিবাৰণ কৰিবলৈ এক যন্ত্ৰ প্ৰকাশ কৰিলে। ঘৰতকৈ ওখ এডাল দিঘল লোৰ শলাকা কৰে আৰু তাৰ আগ গোটেই সৰু কৰে, পিচে ঘৰৰ ওচৰত মাটিত তাক পোতে। বজ্ৰ ঘৰৰ ওচৰলৈ আহিলে সেই লোৰ শলাকাত পৰে আৰু তাৰে গৈ মাটিত সোমায় কিন্তু ঘৰত প্ৰবেশ নকৰে।



টেলিগ্ৰাফ যন্ত্ৰ ৰাজ কৰ্ম্মলৈ বৰ ভাল, কিয়নো তাৰ দ্বাৰা সম্বাদ অতি সোনকালে পোৱা জায়; তাৰ আকাৰ এই।

এখন বৰ কাঠামত খিলিকিৰ ঝিলমিলিৰ দৰে কাঠৰ চলাকৈ জৰিৰে সকলো ফালে লৰাব পৰাকৈ দিয়ে, এই বোৰৰে ফলিৰ সকলো বোৰ আখৰ আৰু দহোটা অঙ্কৰ চিন আচে আৰু আৱশ্যক২ চাই কেত বোৰ কথাও আচে; এইদৰে আঠ দহ মাইল অন্তৰে একোখন টেলিগ্ৰাফ থাকে, পিচে এটাৰ পৰা আন ।১৬৯। এটালৈ সেই কাঠামেৰে বাৰ্ত্তা



পঠিয়াই। এনেকৈ তিনি চাৰি মিনিটৰ (এক ঘড়িৰ ৬০ ভাগৰ এভাগে এক মিনিট) মধ্যতে ১০০ মাইল অন্তৰৰ বাৰ্ত্তা পোৱা জায় আৰু প্ৰতি মাইলে এডাঁৰৰ বাট।

হে প্ৰিয় লৰা বিলাক, এই যন্ত্ৰ বোৰৰ কথা যে কলোঁ ই কেৱল ইংগ্লণ্ড আমেৰিকা আৰু ইউৰোপত হে আচে, আসিয়া খণ্ডত যতে আমাৰ দেশ, তাত নাই; সেই নিমিত্তে গমি চাবা, আমাৰ দেশক কেনেকৈ সভ্য বোলা জায়।

OF THE CITY OF CALCUTTA.
কলিকাতা নগৰৰ বিবৰণ।

কলিকাতা নগৰ সমুদ্ৰৰ পৰা ৫০ ক্ৰোশ দূৰ আৰু গঙ্গা নদীৰ তীৰত; এই নদীকে ইংৰাজ বিলাকে হুগলী বোলে; কিন্তু এই দেশৰ হিন্দু বোৰে ভাগিৰথী আৰু গঙ্গা বোলে। এই নগৰতে ফোৰ্ট উলিয়ম নামে এখন কোঁঠ আছে, তাক ক্লাইব সাহাবে দুই কোটি অৰ্থাৎ দুশ লক্ষ টকা ভগন কৰি সজাইচে। আৰু তাক ৰক্ষা কৰিবৰ নিমিত্তে প্ৰায় দহ্ হেজাৰ সৈন্য লাগে। যোৱ চানক্ নামে সাহাবে কলিকাতা নগৰ প্ৰথমে স্থাপন কৰিলে বুলি শুনা জায়। ইং ১৭৫৭ শঁকত এই নগৰ এতিয়াৰ নিচিনা নাচিল, তেতিয়া নদিয়া জিলাৰ অধীন এখন গাঁওহে আচিল, তাত থকা মানুহ বিলাকো।১৭০। খেতিয়ক আচিল আৰু সিহঁতৰ ঘৰ ইয়াত এটা তাত এটা এনেকৈ আচিল, একো ঠাইত ১০/১২ ঘৰতকৈ অধিক নাচিল। এতিয়াৰ চাঁদপাল ঘাটৰ দক্ষিণে এখন হাবি আচিল, সেই হাবি আৰু খিদিৰ পুৰৰ মধ্যতে দুখন গাঁও আচিল, তাতে সেট্ নামে এঘৰ ধনৱন্ত মানুহ বাস কৰিচিল; সিবিলাকে সেই গাঁৱত অনেক মানুহ আনি বহুৱালে আৰু এই নগৰ বঢ়াবলৈ বৰ পুৰুষাৰ্থ কৰিচিল। এতিয়া যি ঠাইত কোঁঠ আৰু পথাৰ তাতে দুই গাঁও আৰু হাবি আচিল আৰু যি চৌৰঙ্গিত এতিয়া হেজাৰে২ বৰ২ অট্টালিকা আচে সেই ঠাইত ১৭১৭শঁকত কেত বোৰ সামান্য মানুহৰ ভগা পজা আচিল।

এতিয়া কলিকাতা নগৰ ভাৰতবৰ্ষৰ ৰাজধানী, আৰু আন সকলো নগৰতকৈ সুন্দৰ। দিঘলে তিনি ক্রোশ আৰু পুতলে সকলো ঠাইতে সমান নহয়, তাক দুভাগ কৰা জায়; এভাগত ইংৰাজ বাস কৰে আৰু এভাগত দেশী লোক থাকে। চৌৰঙ্গি নামে যে এডোখৰ ঠাইত ইংৰাজৰ বাস স্থান, সি অতি মনোৰম্য, তাত অতি সুন্দৰ২ ৪৩০০ অট্টালিকা আৰু মুখতে এখন বৰ পথাৰ আচে, এক কোখৰে গৱর্ণমেণ্টৰ হৌচ নামে এটা ৰাজগৃহ আচে, সি কলিকাতাৰ এটাই গৃহতকৈ সুন্দৰ। ইংৰাজ টোলাৰ আলি বোৰো অতি বহল আৰু এফেৰিও মলি নাই আৰু এই খণ্ডতে ৰাজ ব্যৱসায় কৰা গৃহ বোৰ। ইংৰাজ থকা ঠাইতকৈ দেশী মানুহ থকা খণ্ড বেয়া, তাৰ আলি বোৰো ঠেক আৰু ঘৰ বোৰো বৰ ঘন আৰু ।১৭১। মলিয়া, মাজে২ একোটা ধনৱন্ত মানুহৰ বৰ অট্টালিকা কিন্তু চাৰিও ফালে ওচৰত খেৰৰ বা খাপৰিৰ পজা, দেশী মানুহ থকা খণ্ডৰ ভিতৰত বৰ বজাৰ নামে এক ঠাই আচে, তাৰ নিচিনা মলিন আৰু অধিক মানুহ থকা ঠাই কলিকাতাত প্রায়েই নাই আৰু সি প্রধান বেপাৰৰ ঠাই।

কলিকাতা নগৰত ভালে মান আলি আচে আৰু ইংৰাজ টোলাৰ আলি বোৰৰ কোখৰে কোখৰে ইটাৰ খাৱই আচে; সেই খাৱইৰে কলৰ দ্বাৰা গঙ্গাৰ পানি জাই নগৰৰ লোকৰ অনেক উপকাৰ কৰে কিন্তু বঙ্গালি টোলাৰ সৰহ আলিত এনে খাৱই নাই। ৰাতি হলে লোকৰ গমনাগমনলৈ প্রতি আলিৰ মুৰতে চাকি লগায় আৰু গঙ্গাৰ তীৰৰ গোটেই আলিটোতে সাৰি কৰি লেণ্টেন লগাই। সেই নিমিত্তে বিদেশী মানুহ গলে প্রথমে কিবা মহোৎসৱ হৈচে বুলি ভাবিব পাৰে।

কলিকাতাৰ সন্নিকটত মহাৰাষ্ট্র সকলৰ দৌৰাত্ম্য নিবাৰণ কৰিবৰ নিমিত্তে এক মহা নালা খানিচিল, সি আজিলৈকে আচে আৰু তাত বৰ সুন্দৰ২ সাঁকো কেইখন মান আচে। কলিকাতা নগৰৰ বাহিৰে অনেক উপনগৰ আচে, তাত ধনৱন্ত মানুহ সকলৰ সুন্দৰ২ উদ্যান আৰু অট্টালিকা আচে। আৰু নগৰৰ সন্নিকটত কালিঘাট নামে এক দেৱালয় আচে, তালৈকে অনেক যাত্রী জায় কিন্তু নগৰৰ মধ্যতো দেশীয় লোক সকলৰ মাজে২ ভালে মান স্থাপিত শিৱ মন্দিৰ আচে। ।১৭২। কলিকাতা নগৰ ভাৰতবৰ্ষৰ ৰাজধানী, তেও তাক ৰক্ষাৰ নিমিত্তে গড় বা আন কোনো নিবাৰক নালাগে কিয়নো তাৰ আক্রমণ হোৱাই অসম্ভৱ। যদিও সম্ভব হয় তেন্তে ইউৰোপীয় সকলো লোক কোঁঠত ঠাই পাব। এই কোঁঠ নদীৰ পুব পাৰে আৰু নগৰৰ নিচেই সমীপত। হিন্দুস্থানৰ সকলো কোঁঠতকৈ ই দৃঢ় আৰু সুৱনি। সি আঠ কোণিয়া, পাঁচ কোণ নৈৰ পাৰতে। তাৰ তলতে নদী আচে সেই হেতুকে সেই ফালৰ পৰা আক্রমণ হোৱাৰ শঙ্কা নাই, যদি হয় তেন্তে অকল নদীৰ পৰাহে হব পাৰে। সেই নিমিত্তে সেই পিনে

ৰৰতোপ থৈছে আৰু তাৰ দ্বাৰা বৰ দূৰৈৰে আহা জাহাজকো মাৰিব পাৰি। এই কোঁঠৰ ভিতৰে প্ৰায় এখন নগৰৰ দৰে।

কলিকাতা পূৰ্ব্বে বৰ ক্লেশ দায়ক ঠাই আছিল কিন্তু এতিয়া হাবি বোৰ মুকলি হোৱাত ভাল হৈছে। তেও সুন্দৰ বনৰ ওচৰ দেখি কেতিয়াবা২ বায়ু বেয়া হয়। কলিকাতাত নানা দেশৰ মানুহ আছে, গোটাই নগৰত মুঠে পাঁচ লক্ষ মান মানুহ বাস কৰে। এই নগৰস্থ মানুহ বিলাকৰ গোচৰ সুধিবৰ নিমিত্তে সুপ্ৰিম কোৰ্ট নামে মহাৰাণীৰ বিচাৰ স্থান আৰু তাৰ তলতিয়া ছোট আদালত নামে এক বিচাৰাগাৰ আছে। প্ৰতি পাড়াই একোখন থানা আছে, তাৰ ওপৰত মেজেষ্টৰ সাহাব আছে।

এই নগৰতে ভাৰতবৰ্ষৰ অধিপতি শ্ৰীশ্ৰীগৱৰ্ণৰ জেনেৰল বাহাদুৰ বাস কৰে, সেই নিমিত্তে ই ভাৰতবৰ্ষৰ।১৭৩। ৰাজধানী। কলিকাতা নগৰ বৰ বাণিজ্যৰ ঠাই, নানা দেশৰ মানুহ আহি বেপাৰ কৰে। আৰু গঙ্গা নদীত সদাই দুশ তিনি শ জাহাজ নুগুচে। এই নগৰ বিদ্যাৰো প্ৰধান স্থান; তাত ভালে মান পঢ়াশালি আছে, সেই সকলত প্ৰায় ইংৰাজি ভাষাহে অধ্যয়ন হয়। কলিকাতাৰ সিপাৰে বিচপৰ কলেজ নামে এখন প্ৰধান পঢ়াশালি আছে আৰু নগৰতো হিন্দু কলেজ সংস্কৃত কলেজ হাইস্কুল ইত্যাদি অনেক পঢ়াশালি আছে। তাৰ দ্বাৰা কলিকাতা বাসী ভালে মান বঙ্গালিয়ে বিদ্যা শিকি সভ্য হব লাগিচে আৰু আমি ভৰসা কৰোঁ যে অলপ কালৰ মুৰতে কলিকাতাৰ লোক সকলো সভ্যতাত ইউৰোপৰ মানুহ বিলাকৰ সমান হব।

OF THE CITY OF DACA.
ঢাকা নগৰৰ কথা।

ঢাকা নগৰ বুঢ়ি গঙ্গা নদীৰ পূব পাৰে আৰু নদী তাৰ ওচৰে জোৱাৰ নিমিত্তে বাণিজ্য কৰিবলৈ বৰ ভাল ঠাই কিয়নো এই নদীৰে সকলোলৈকে অহা জোৱা কৰিব পাৰি। এই নগৰ গঙ্গাৰ মুখৰ পৰা মুঠে পঞ্চাশ ক্ৰোশ দুৰ আৰু কলিকাতাৰ পৰা তৰে ৯০ ক্ৰোশ, নাৱে নৈৰ পাকৰ নিমিত্তে প্ৰায় ২০০ ক্ৰোশ দূৰ হব।

সোনাৰ গাঁওৰ পিচতে ঢাকা বঙ্গ দেশৰ ৰাজধানী হল আৰু সি তৃতীয় নগৰ বুলি বিখ্যাত। তাৰ চাৰিও ফালৰ মাটি ।১৭৪। বোৰ দ দেখি ঘাম কালিতো বনেৰে ঢাক গৈ থাকে। কাশী আৰু পাটনাৰ নিচিনা গৰমি তাত নাই, অকল

ভাদ আহিন এই দুই মাহত পানি শুকুৱাৰ সময়ত বায়ুৰ দোষ হয়, তেও বঙ্গ দেশত ঢাকাৰ নিচিনা মনোহৰ ঠাই আৰু নাই, আৰু তাৰ কপাহি কাপৰৰ নিচিনা কাপৰ জগতৰ মধ্যত আন কতো নহয়। আইন আকবৰী পুথিত আব্‌ল ফজলে এই নগৰৰ নাম লেখা নাই এই হেতুকে ঢাকা পুৰণি নগৰ নহয় বুলি জনা জায়।

ঢাকা উপ নগৰে সৈতে দিঘলে প্ৰায় তিনি ক্রোশ কিন্তু পূতল তিমান নহয় আৰু তাত ঠাইয়ে২ আন নগৰৰ নিচিনা ইটাৰে সজা অট্টালিকাও আচে, আৰু ঠাইয়ে২ খেৰৰ ঘৰো আচে কিন্তু আলি বোৰ ঠেক আৰু বেঁকা। ইয়াত বচৰৰ ভিতৰৰ প্ৰায় দুবেলি এবেলি সেই খেৰৰ ঘৰ বোৰ জুই লাগি পোৰে, কিন্তু তাৰ পৰা মানুহৰ দন্য নপৰে। এই নগৰত মানুহ ভালে মান আচে, প্ৰায় এক লক্ষ পঞ্চাশ হেজাৰ; তাৰ আদ খনি মুষলমান। বঙ্গ দেশৰ পূৰ্ব্ব প্ৰদেশৰ ঘাই বিচাৰৰ ঠাই ঢাকা।

OF THE CITY OF MOORSHEDABAD.
মুৰ্শিদাবাদৰ কথা।

বঙ্গ দেশৰ ৰাজসাহি প্ৰদেশত মুৰ্শিদাবাদ নামে এখন নগৰ আচে; সি পূৰ্ব্বে ৰাজধানী আছিল আৰু অতি পূৰ্ব্বে ।১৭৫। মখসুদাবাদ নাম আচিল, পিচে ১৭০৪ শকত মুৰ্শিদ কুলিখাঁ নৱাবে ইয়াকে ৰাজধানী কৰিলত তাৰ নাম মুৰ্শিদাবাদ হল। ভাগিৰথী বা কাশিম্বাজাৰ নদী বা গঙ্গাৰ ঘাই ঠানিৰ দুইও পাৰে এই নগৰ চাৰি ক্রোশ ব্যাপিচে। তাৰ এটা ঘৰো দেখিবলৈ সুৱনি নহয় আৰু নৱাবৰ ঘৰো ইমান সৰু যে নকৈ অহা মানুহে তেঁওৰ ঘৰ কোনটো চিনি নেপায়, কিন্তু পিচে অলপ কেই বচৰ মানৰ ভিতৰত এক বৰ অট্টালিকা সাজিচে, তেও নাজিম সাহাব তাত বাস নকৰে। এই নগৰৰ আলি নিচেই ঠেক আৰু মলিন, সাহাব লোক বিলাকৰ ৰথ প্ৰায় নচলে, আৰু তাত কোঁঠ বা গড় কেতিয়াও নাচিল পিচে ১৭৪২ শকত মাৰহাট্টা হঁত অহাত এখন সৰু কোঁঠ কৰিচিল।

এই নগৰত ভালে মান বাণিজ্য হয় আৰু কটল লোৱা ঘৰৰ ওচৰত সৰহ নাও থাকে। কাতি মাহৰ পৰা চত মাহলৈকে ভাগিৰথী প্ৰায় শুকাই থাকে, এই ভাগিৰথী ঝিলিঙ্গাই সইতে মিলি হুগলী নাম লৈচে। মুৰ্শিদাবাদত উকা আৰু

ফুলাম অনেক পাট সূতাৰ কাপৰ হয় আৰু আন দেশলৈ অনেক বাণিজ্য বস্তু [চালান] কৰে।

যেতিয়া জাফৰ খাঁ নবাব ঢাকাৰ পৰা আহি মুৰ্শিদাবাদত বাস কৰিলেহি তেতিয়াৰে পৰা মুৰ্শিদাবাদ বঙ্গ দেশৰ ৰাজ নগৰ হল, পিচে ১৭৫৭ শঁকলৈকে অৰ্থাৎ ইংৰাজৰ অধিকাৰ হোৱালৈকে ৰাজধানীয়ে থাকিল, তাৰ পিচত ৰাজ । ১৭৬। ধানী নামহে থাকিল; কিন্তু কলিকাতাহে ৰাজধানী হল। তেও মুৰ্শিদাবাদ মাজ ঠাই দেখি কটল লোৱা ঠাই আচিল, কিন্তু শেষত সিও গুচি কলিকাতাহে ৰাজধানী থাকিল।

OF THE CITY OF BENARES.
কাশী নগৰৰ কথা।

বাৰানসী প্ৰদেশত কাশী নগৰ আচে; আৰু তাত বাৰা আৰু নসী নামে দুখন নদী থকাত সংস্কৃত ভাষাত তাক বাৰানসী বোলে। এই নগৰৰ ওচৰত গঙ্গা নদী দুই ক্ৰোশলৈকে ধনুৰ নিচিনাকৈ বেঁকা হৈ গৈচে, সেই বেঁকা তীৰৰ ওপৰতে কাশী নগৰ। তীৰৰ ওপৰৰ বাটৰ পৰা তলৰ পানীলৈকে নানা বিধৰ গৃহ সাজিচে, তাতে নদীৰ সিপাৰৰ সমান ঠাইত থিয় হলে গোটেই খন নগৰকে দেখি আৰু মাজে২ কূলৰ পৰা বাটলৈকে ৩০ পদ ওখ অনেক ঘাট বৰ২ সিলেৰে সাজিচে। এই নগৰৰ আলি বোৰ এনেহে ঠেক যে ঘোৰা হাতিত জোৱা মানুহ বোৰে বৰ কষ্ট পায় আৰু আলিৰ দুইও কোখৰৰ ঘৰ বোৰ লগালগি আৰু সিলেৰে ছতলালৈকে বান্ধিছে। সকলোৰে ওপৰৰ তলাৰ সমূখৰ পিনে বাৰান্দা আৰু চাৰিও ফালে খিলিকি আচে, তাৰে নিমিত্তে সুন্দৰকৈ বতাহ লাগে কিন্তু আলিৰ মানুহ নেদেখি। আলিৰ দুই কোখৰৰ ঘৰ বোৰ এনেহে ওচৰা ওচৰি যে ইফালৰ ঘৰৰ পৰা সিফাললৈ এডোখৰ কাঠ । ১৭৭। দি জাব পাৰি। এই নগৰত ইটা আৰু সিলেৰে সজা এক তলাৰ পৰা ছতলালৈ ঘৰ প্ৰায় বাৰে হেজাৰ আচে আৰু মাটিৰে সজা প্ৰায় ষোলে হেজাৰ ঘৰ হব। ইং ১৮০৩ শঁকত তাৰ নিত্য নিবাসি লোক প্ৰায় ৫ লক্ষ বিৰাশী সহস্ৰ গণিত হৈচিল, তাত বাজে মোঙ্গল আৰু বিদেশী মানুহ বিলাকৰ পৰিচাৰক তিনি হেজাৰ আৰু তিথি পৰ্ব্বত গণিব নোৱৰা মানুহ হয়। এই মানুহ বোৰৰ মধ্যৰ দহ ভাগৰ এভাগ মুছলমান। হিন্দু বিলাকৰ দৰ্প চূৰ্ণ কৰিবলৈ এই নগৰতে আৰঙ্গিৰ পাতচাই এটা

মসীদ কৰাইচিল, তাৰ শৃঙ্গ বৰ সুন্দৰ আৰু গঙ্গাৰ তীৰৰ বৰ ওখ ঠাইত, নিলগৰে পৰা দেখি। সেই ঠাইত পূৰ্ব্বে এটা মন্দিৰ আছিল কিন্তু তাক নষ্ট কৰি এই মসীদ কৰিলে। এই মসীদৰ শৃঙ্গৰ ওপৰৰ পৰা গোটেই নগৰ আৰু ওচৰৰ ঠাইৰ ভালে মান দূৰলৈকে আৰু সকলো বোৰ মন্দিৰকে দেখি।

শিক্রোল নামেৰে ঠাইত ইংৰাজ বিলাকৰ বৰ সুন্দৰ২ ঘৰ আচে। সেই ঠাই বৰ মনোৰম কিন্তু তাৰ চাৰিও ফালে অনেক গচ নথকাত ভাল নেদেখি; গচ থকাও ভাল নহয় কিয়নো তাত মহে বাহ লয়।

কাশীৰ ৰজা কাশী নগৰৰ পৰা ২।।০ ক্রোশ আঁতৰত গঙ্গাৰ সিপাৰে ৰাম নগৰত থাকে। সেই নগৰত প্ৰায় আঠ হেজাৰ ব্ৰাহ্মণ থাকে, সিবিলাকৰ ভিতৰত অনেক ধনৱন্ত আচে কিন্তু সকলোৱে দান লয়। ইয়াত ইংৰাজ অল্প থাকে, ।১৭৮। ৰজাৰ কৰ্ম্ম কৰিবলৈহে তিনি জন আচে, তাত বাজে মুদই বা নীলকৰ সাহাব সৰহ নাই। এই কাশী নগৰৰ লোক বিলাকৰ অনেক মগনিয়াৰ হয় কিন্তু অনেক ধনৱন্ত মানুহো আচে আৰু বঁদেলখণ্ড দেশৰ পৰা অনা সৰহ হীৰা ইত্যাদি ৰত্ন কাশীত পোৱা জায় আৰু নগৰৰ ভিতৰৰ বা ওচৰৰ মাটি বোৰৰো বৰ দৰ।

এই নগৰত লৰা বোৰে একে বেলিয়ে লেখিবলৈ আৰু পঢ়িবলৈ শিকে। সিহঁতে বালিৰ ওপৰত আঙ্গুলিৰে বা নলিৰে আখৰ লেখে আৰু লেখিবৰ সময়ত উচ্চাৰণ কৰে, পিচে হাতেৰে বালি সমান কৰি আকৌ তাৰে ওপৰত লেখে। এই নগৰত পূৰ্ব্বৰে পৰা সংস্কৃত বিদ্যা প্ৰচলিত আচে আৰু সি এনে পূণ্য স্থান বুলি খ্যাত যে অনেক ৰজাই যজ্ঞ আৰু পূণ্য কৰিবলৈ পাত্ৰ মন্ত্ৰিক পঠিয়াই। এই নগৰৰে পুৰণি নাম কাশী অৰ্থাৎ তেজোময়। সেই নাম আজিলৈকে প্ৰসিদ্ধ আচে কিন্তু পশ্চিমৰ ইতিহাস কৰ্ত্তা সকলৰ পুথিত এই নাম পোৱা নেজায়, তাত মথুৰা যমুনাৰ ওচৰৰ কিলশোবাৰাৰ নাম আচে কিন্তু কাশীৰ নাম নাই।

OF THE CITIES OF MECCA AND MEDINA.

মক্কা আৰু মদিনা নগৰৰ কথা।

আৰব দেশৰ হেজাস্ প্ৰদেশত চুফ সমুদ্ৰৰ পৰা এদিনাৰ বাটত মক্কা নগৰ। এই নগৰলৈ অবিশ্বাসী অৰ্থাৎ ।১৭৯। মুষলমান নোহোৱা মানুহ কাকো জাবলৈ নিদিয়াত পূৰ্ব্বে তাৰ কথা গোপনে আছিল কিন্তু ইউৰোপীয় লোকে শেষত

এতিয়া তাক প্ৰবন্ধে চাই তাৰ বিবৰণ প্ৰকাশ কৰিলে। মক্কা নগৰ দুই পৰ্ব্বতৰ মধ্যত বৰ ঠেক ঠাই এডোখৰত। তাৰ আলি বোৰ বালিয়া আৰু সমান আৰু ঘৰ বোৰ অতি পৰিষ্কাৰ আৰু সুন্দৰ আৰু সিলেৰে সাজিচে। তিনি তলাতকৈ চাপৰ প্ৰায়েই নাই। মক্কাৰ মানুহ বোৰে যাত্ৰিক থাকিবলৈ ঘৰ দি তাৰ কেৰেয়াৰেই প্ৰবৰ্ত্তে; নগৰৰ বজাৰ আলিতে দিয়ে। যাত্ৰিৰ দ্বাৰা মক্কা বৰ প্ৰধান নগৰ হই এক সময়ত পূৰ্ব্বে এক লক্ষ মানুহ থকা বুলি কয় কিন্তু ওয়াবি নামে এক জাতি মুষলমানৰ উপদ্ৰৱত তাত বাস কৰা লোক ভালে মান টুটিল, এতিয়া প্ৰায় ত্ৰিশ হেজাৰ মান মানুহ থাকে। মক্কা নগৰত মুষলমান সকলৰ ধৰ্ম্ম স্থাপক মহম্মদ জন্মিচিল। মুষলমান বিলাকে বৰ পবিত্ৰ তীৰ্থ বুলি ভাবে আৰু মক্কালৈ গলে বৰ পুণ্য হয় বুলি নানা দূৰ দেশৰ পৰা হেজাৰ২ মানুহ জায়। মক্কা নগৰত এক বৰ সুন্দৰ মন্দিৰ আচে, সি চাৰি চুকিয়া, অতি ডাঙ্গৰ আৰু তিনি চাৰি সাৰিকৈ থুম লগাইচে। যাত্ৰি বোৰ জখলাৰ নিচিনাৰে নামি গৈ এটা বৰ খোঁটালি পাইগৈ। মন্দিৰৰ মধ্যতে কাবা অৰ্থাৎ নবিৰ গৃহ, সি চাৰি চুকিয়া, কলা পাটৰ কাপৰেৰে ঢকা, মধ্যতে সোনৰ বন কৰি আখৰ তুলিচে। দুৱাৰ খন ৰূপৰ হালপতা মৰা; তাৰ সমুখতে ৰূপৰ সোনৰ বন কৰা এখন ।১৮০। আঠুৱা, তাৰে মাজতে জিব্ৰৰেইল নামে ঈশ্বৰৰ দুতে অনা কলা সিল আচে। যাত্ৰি বিলাকে মন্ত্ৰ বুলি এই কাবাক সাত বেলি প্ৰদক্ষিণ কৰি প্ৰতি বেলিয়ে সেই সিলক চুমা খাই; এই ক্ৰিয়া কৰিবলৈকে হেজাৰ২ ক্ৰোশ দূৰৰ পৰা অসংখ্য যাত্ৰি জাই। পিচে যাত্ৰি বিলাকে সেই মন্দিৰৰে আৰু এঠাইত জমজম্ নামে এটা নাদ আচে, তাৰ পানিত স্নান কৰি তাৰ জল পান কৰে; তাৰে পৰা সকলো পাপ ক্ষয় হয় বুলি কয়। শেষত নগৰৰ ১৫ ক্ৰোশ দক্ষিণে আৰাফাট নামে এখন পৰ্ব্বতলৈ যাত্ৰি গলে কৰ্ম্ম সমাপন হয়।

মক্কা নগৰৰ পৰা ১০০ ক্ৰোশ অন্তৰত উত্তৰ পশ্চিম ফালে মদিনা নগৰ, তাতে মহম্মদক গোৰ দিচিল; এই নগৰো মুষলমানৰ তীৰ্থ ঠাই কিন্তু মক্কাৰ সমান নহয়। মদিনা সৰু নগৰ, দেখিবলৈকো ভাল নহয় আৰু পাঁচ শ মান ঘৰতকৈ অধিক ঘৰ নাই; এটা বৰ ডাঙ্গৰ আৰু সুন্দৰ মসীদ আচে, তাৰে ভিতৰত মহম্মদৰ কবৰো আচে। তাৰ দুই কোখৰে আবুবিকৰ আৰু অমাৰ কালিফৰ কবৰ। মদিনাক নবিৰ নগৰ বোলে কিয়নো যেতিয়া তেওঁ মক্কাৰ পৰা পলাল তেতিয়া মদিনাৰ মানুহ বিলাকে তেওঁক আশ্ৰয় দিলে। । ১৮১।

OUTLINE OF THE HISTORY OF INDIA.
ভাৰতবৰ্ষৰ সংক্ষেপ বুৰঞ্জি।

ভাৰতবৰ্ষৰ বুৰঞ্জিক তিনি চোৱা কৰা জায়; আদিতে হিন্দু ৰজা বিলাকৰ ৰাজত্বৰ বিবৰণ, দ্বিতীয় মুৰলমান পাত্চা বিলাকৰ ৰাজ্যৰ কথা, তৃতীয় ইংৰাজ দেশৰ অধিকাৰ হোৱাৰ কথা। পূৰ্ব্বৰ হিন্দু ৰজা সকলৰ ৰাজত্বৰ ইতিহাস নাই কিয়নো সেই কালৰ কথাৰ বুৰঞ্জি নাই; অকল গ্ৰীক আৰু ফাৰসী বুৰঞ্জিৰ পৰা জনা যায় যে দুহেজাৰ তিনি শ মান বচৰ হল, পাৰস্য দেশৰ দাৰা নামে পাত্চাই হিন্দুস্থানৰ উত্তৰ পশ্চিম ফাল অধিকাৰ কৰি তাৰ ৰজা বিলাকক কৰতলিয়া কৰিচিল, আৰু তাৰ পিচত দুহেজাৰ এশ পঞ্চাশ বচৰ হল, সেকন্দৰ সাহ নামে গ্ৰীক দেশৰ এক ৰজাই পাৰসী দেশ জয় কৰি সিন্ধু নদী পাৰ হৈ আহি পঞ্জাবলৈকে অধিকাৰ কৰিচিল আৰু বঙ্গাল দেশলৈকো আহিবৰ ইচ্ছা কৰিচিল কিন্তু তেওঁৰ সৈন্য বোৰ নহাত অভিলাষ সিদ্ধি কৰিব নোৱাৰিলে। সেকন্দৰ পাত্চাৰ পিচত হিন্দু ৰজা বিলাকৰ ইউৰোপৰ মানুহে সৈতে বেপাৰত বাজে আন একো ব্যৱসাই নাচিল, সেই নিমিত্তে আকৌ মুৰলমান হঁতে হিন্দু ৰাজ্য ভ্ৰষ্ট নকৰালৈকে বুৰঞ্জি জনা নেজায়।

ইং ১০০০ শঁকত কাবোল দেশৰ ওচৰৰ গজনিৰ মহম্মদ নামে এক ৰজাই সিন্ধু নদী পাৰ হৈ বাৰে বেলি হিন্দুস্থানলৈ আহি সোমনাথ নগৰকোঁটকে আদি কৰি হিন্দু দেৱালয় আদি বিনাশ কৰি হিন্দু লোক বিলাকক ভালেমান যন্ত্ৰণা দিলে। মহম্মদৰ পিচে ১২০৮ শঁকত কুতোবদ্দীন নামে এক পাত্চাই হিন্দু ৰজা বিলাকক জিকি দিল্লী ৰাজধানীৰ সিংহাসনত । ১৮২। বহি অধিপতি হল। এঁৱেই সেনাপতি পঠিয়াই বঙ্গাল দেশ ললে, এই কুতোবদ্দীন পাত্চাৰ দিনৰে পৰা মুৰলমানৰ পৰাক্ৰম বাঢ়িল আৰু ৰণ কৰি২ প্ৰায় গোটেই খন ভাৰতবৰ্ষকে লাহে লাহে যবনাধিকাৰ কৰিলে। কুতোবদ্দীন পাত্চাৰ দিনৰে পৰা ইংৰাজে দেশ অধিকাৰ কৰিবলৈকে নানা বংশৰ নানা মুৰলমান পাত্চাই ভাৰতবৰ্ষ শাসন কৰিলে আৰু সিবিলাকৰ ভিতৰত অনেক বৰ২ পাত্চা হৈ গৈছে; প্ৰধান আক্বৰসাহ ইত্যাদি। যবনাধিকাৰ সময়ত অনেক যুদ্ধবিগ্ৰহো হৈচিল; শেষত মুৰলমান সকলৰ ৰাজ্য গুচি অলপ কালৰে পৰা ইংৰাজ বিলাক ভাৰতবৰ্ষৰ অধিপতি হৈচে তাৰ বিবৰণ কওঁ শুনা।

যেতিয়ালৈকে লোকে পৃথিবী আৰু আকাশৰ বিবৰণ নেজানিচিল তেতিয়ালৈকে সমুদ্ৰৰে অহা জোৱা কৰা বৰ টান আচিল, আৰু জাহাজ বোৰ

সমুদ্ৰৰ মাজে২ নচলাই পাৰৰ কোখৰে২ চলাইচিল; এই হেতুকে নিলগ দেশলৈ জাব নোৱাৰিচিল আৰু পূৰ্ব্বে ইউৰোপৰ লোক বিলাকে বামেৰে হে ভাৰতবৰ্ষে সৈতে বেপাৰ কৰিচিল। পিচে পৃথিবীৰ আকাৰ জানি কম্পাচৰ সৃষ্টি হৈ দিনে২ সকলো কথা ভালকৈ প্ৰকাশ হলত জাহাজেৰে জোৱা অহা টিলা হব লাগিল। ইং ১৪১২ শঁকৰ পৰা ১৪৬৩ শঁকলৈকে পৰ্ত্তুগল দেশৰ মানুহে জাহাজেৰে জোৱা অহা কৰি আফ্ৰিকা খণ্ডৰ পশ্চিম সীমা ৭০০ ক্ৰোশ গৈ পালে, আৰু জাওঁতে২ সিহঁতে।১৮৩। গমি চালে যে তীৰ লাহে২ পূব ফালে গৈচে; তাতে সিঁহতৰ ভৰষা হল যে এই পিনে গলে ভাৰতবৰ্ষৰ বাট পাম। পিচে কলম্বচে আমেৰিকা খণ্ড প্ৰকাশ কৰাৰ পাঁচ বচৰৰ মুৰত পৰ্ত্তুগলৰ ৰজাৰ আজ্ঞা ক্ৰমে ১৪৯৭ শঁকৰ জুলাই মাহৰ আঠদিন জোৱাত গামা নামে এটা বৰ নাবিক পৰ্ত্তুগলৰ টেগচ নৈৰ পৰা জাহাজ মেলি অলপ কালৰ মুৰত আফ্ৰিকাৰ দক্ষিণে উত্তমাশা অন্তৰীপ পালেগৈ, তাতে দেখে যে পৰ্ব্বতৰ নিচিনা হৈ সমুদ্ৰৰ ঢৌ উঠিচে; ইয়াকে দেখি নাবিক বিলাকে গামাৰ ভৰিত পৰি কলে বোলে এই সমুদ্ৰেৰে জাব নোৱাৰি এতেকে ইয়াৰে পৰা উভতি বলা। গামাই এই কথা নুশুনি জাহাজ চলাবৰ আজ্ঞা দিলত নাবিক হঁতে মনে২ খঙ্গ কৰি ঠঠি পাতিলে, তাতে গামাই বুজ পাই ঘাই নাবিক কেইটাক লোৱা দি বন্দি কৰি আপুনি ভায়েকে সৈতে হালি ধৰি উত্তমাশা অন্তৰীপ ঘুৰিলে। কিচু দিনৰ মুৰত মুষলমান হঁতৰ এখন উপদ্বীপ পাই তাৰে পৰা জাহাজ মেলি আন এখন উপদ্বীপ পালে, তাতো নেথাকি একে বেলিয়ে ভাৰতবৰ্ষৰ পিনে জাহাজৰ মুখ পালটাই দক্ষিণ দেশৰ কালিকট নগৰ পালে। কিচু কালৰ মুৰত আকৌ দেশলৈ গুচি গল, গামাৰ অহাত দুবচৰ দুমাহ লাগিচিল। ইউৰোপৰ লোক বিলাকৰ উত্তমাশা অন্তৰীপ অৰ্থাৎ কেপ ঘুৰি সমুদ্ৰ ।১৮৪। বাটে ভাৰতবৰ্ষলৈ অহাৰ আদি এই। আৰু মনুষ্যে কৰা সকলো কৰ্ম্মৰ ভিতৰত এই এটা আচৰিত। তাৰ পিচত পৰ্ত্তুগীচ্ বিলাক আৰু আন আন জাতি বোৰ সেই বাটেৰে অহা জোৱা কৰি ভাৰতবৰ্ষৰ লোকে সৈতে বৰ বাণিজ্য কৰিব ধৰিলে আৰু মিচৰ দেশেৰে অহা জোৱা গুচিল। পিচে পৰ্ত্তুগলৰ মানুহ বিলাকে ভাৰতবৰ্ষৰ ঠাইয়ে২ কুঠি কৰি ভাৰতবৰ্ষত হোৱা দ্ৰব্যেৰে বেপাৰ কৰি অনেক লাভ পালে আৰু বৰ পৰাক্ৰমী হল। কিন্তু পূৰ্ব্বে সিহঁতৰ এই দেশত যি২ অধিকাৰ আচিল সেই বোৰ গুচি এতিয়া মুঠে গোৱা নামে এখন নগৰ হে আচে, ইংৰাজ লোক এই দেশলৈ প্ৰথমে এই ৰূপে আহিল।

ইং ১৬০০ শঁকত ইংলণ্ডৰ ৰাণী ইলিজেবেথে লণ্ডন নগৰৰ এক কম্পানি মুদৈক ভাৰতবৰ্ষত বেপাৰ কৰিবৰ নিমিত্তে অখন আজ্ঞা পত্ৰ দিলে, কম্পানি

শব্দৰ অৰ্থ এই; কেতবোৰ মানুহ গোট খাই বাণিজ্য কৰিবৰ নিমিত্তে গায়ে পতি ধন তুলি মুঠ ধনেৰে বেপাৰ কৰিলে সেই মানুহ বিলাকক কম্পানি বোলে। কুঁৱৰীয়ে কম্পানিক আজ্ঞা পত্ৰ দিবৰ সময়ত সিবিলাকৰ মুঠ ধন পাঁচ লক্ষ টকাহে আছিল, সেই টকাৰে কম্পানিয়ে নানা বিধিয়া বস্তু কিনি চাৰি খন জাহাজ ভৰাই বাণিজ্য কৰিবলৈ এই দেশলৈ পঠালত দিনে২ লাভ পালে আৰু এই দেশৰ পৰা যি২ বস্তু নিলে তাক বেচি তত লাভ পালে, ইয়াতে বাণিজ্য ভালে মান বাঢ়িল। পিচে ।১৮৫। বাণিজ্য কৰিবৰ নিমিত্তে আকৌ ৰাজাজ্ঞা পত্ৰ এখন পালে; পিচে বেলিয়ে২ কিনি বিকি হিসাপ কৰিলত মুঠ ধন ছকুৰি লক্ষ হল। এনেকৈ কম্পানিয়ে বেপাৰ কৰি আছিল, এনেতে ইং ১৬৩৪ শঁকৰ দিল্লিৰ পাতচা সাজেহানে দক্ষিণলৈ ৰণ কৰিবলৈ জাওঁতে তেঁওৰ জিয়েক এজনিৰ কাপৰত জুই লাগি পোৰা গলত চুৰাট নগৰতে যে ইংৰাজৰ গোলা আছিল তাৰে পৰা এজন দাক্তৰ আনিবলৈ পঠিয়ালে; তাতে কম্পানিৰ জাহাজ এখনৰ বৌটন নামেৰে এজন দাক্তৰ গৈ পাতচাৰ জিয়েকৰ নৰিয়া ভাল কৰিলে, এই আপাহত পাতচাই কি বটা লাগে বুলি সুধিলত বৌটন সাহাবে আপোনালৈ একো নুখুজি কম্পানিক মাষুল নিদিয়াকৈ তেঁওৰ ৰাজ্যত বেপাৰ কৰিবৰ আজ্ঞা দিবলৈ প্ৰাৰ্থনা কৰিলত পাতচাই সেই প্ৰাৰ্থনা সিদ্ধি কৰিলে, তাৰে পৰা কম্পানিৰ বেপাৰ কালক্ৰমে বাঢ়িল। পিচে কম্পানিয়ে সৈতে নবাবৰ মাজে২ বিৰোধ লাগিলত আৰু বঙ্গাল দেশৰ হিন্দু ৰজা কেত বোৰো নবাবৰ উপদ্ৰৱত বেজাৰ পাই ইংৰাজে সৈতে মিলিলত নবাবে সৈতে কম্পানিৰ দন্দ অতি টানকৈ লাগিল; শেষত ইংৰাজি ১৭৫৭ শঁকত বঙ্গাল দেশৰ সিৰাজুদ্দৌলা নবাবে সৈতে কম্পানিৰ পলাসি নামে ঠাইত ৰণ লাগি নবাব ঘাটিল। ইয়াৰে পৰা কম্পানি প্ৰায় দেশৰ অধিপতি হল, কিন্তু ইং ১৭৬৫ শঁকত কম্পানিক শাহ্ আলম্ পাতচাই বঙ্গাল বেহাৰ আৰু উৰিষ্যা দেশৰ দেওয়ানীৰ অধিপতি ।১৮৬। পাতিলত তাৰে পৰা এই তিন দেশৰ অধিকাৰ হল। পিচে ১৭৭৫ শঁকত অযোধ্যাৰ নবাব আসফদ্দৌলাই সৈতে সন্ধি কৰি কাশী প্ৰদেশ ললে, ১৭৯২ আৰু ১৭৯৯ শঁকত টিপু সুলতানৰ দেশ অধিকাৰ হল। এনেকৈ কাল ক্ৰমে প্ৰায় গোটেই খন ভাৰতবৰ্ষই এতিয়া কম্পানিৰ অধিকাৰ হৈছে, আৰু দেশাধিপতি হৈ প্ৰজাৰ সুখ বঢ়াবলৈ হে পুৰুষাৰ্থ কৰিছে; তাৰে পৰা জনা জায় যে এই দেশৰ কুশললৈহে ঈশ্বৰে ইবিলাকক দেশৰ অধিপতি কৰিছে।

OF THE LOCAL GEOGRAPHY OF ASAM.

অসম দেশৰ বিবৰণ।

হে প্ৰিয় লৰা বিলাক, এতিয়ালৈকে আমি যি সকলৰ কথা লেখিচোঁ সি অন্য দেশ বিষয়ক কিন্তু যি দেশত তোমোলাক আচা তাৰ বিবৰণ নেজানা, এতেকে তলত মুঠকৈ লেখিলোঁ।

পূৰ্ব্বে চুকাফা নামে আদি অসম ৰজা এই দেশলৈ আহি বৰ পৰাক্ৰমী হৈ সকলোকে তলতিয়া কৰাত তেঁওক লোকে অসম অৰ্থাৎ তেঁওৰ সমান কেৱে নোহোৱা বুলিলত তেঁওৰ দেশৰো নাম অসম হল, সেই নিমিত্তে এতিয়া গোটেই খন দেশকে অসম দেশ বোলে। এই দেশৰ নামৰ আদি মূল এই।

অসম দেশৰ উত্তৰ আৰু উত্তৰ পূৰ্ব্ব সীমাত ভোট, অঁকা, । ১৮৭। ডফলা, আবৰ, মিচিমি, খামতি, চিংফৌ ইত্যাদি জাতি থকা পৰ্ব্বত সাৰি। দক্ষিণ আৰু দক্ষিণ পূৰ্ব্ব সীমাতে খাসিয়া, কচাৰি, নগা ইত্যাদি থকা আৰু এসাৰি পৰ্ব্বত, পশ্চিম সীমা বঙ্গ দেশ। ইংৰাজে অসম দেশ অধিকাৰ কৰিবৰ পৰা অসম আৰু বঙ্গলাৰ মাজ সীমা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে মানাহ নদী, দক্ষিণ পাৰে নগৰ বেৰাৰ পৰ্ব্বতৰ পশ্চিমে এটা কল্পিত ৰেখা।

পশ্চিম সীমাৰ পৰা পূৰ্ব্বে মিচিমি চিংফৌ পৰ্ব্বতলৈকে অসম দেশ দিঘলে ৫০০ পাঁচশ মাইল অৰ্থাৎ ২৫০ ক্ৰোশ, পুতলে সকলো ঠাইতে সমান নহয়, মুঠকৈ লেখিলে ৬০ মাইল অৰ্থাৎ ৩০ ক্ৰোশ মান হব আৰু এই দেশত এক কোটি আঠাৱন লক্ষ সত্তৰি হেজাৰ পূৰা মান মাটি আচে। অসম দেশ পৰ্ব্বতৰ মাজত আৰু মাজেৰে ব্ৰহ্মপুত্ৰ নদ গৈচে।

এই দেশ সম্প্ৰতি ছয় জিলা আৰু ছভাগ কৰা গৈচে অৰ্থাৎ কামৰূপ, দৰঙ্গ, নগাঁও, শিবপুৰ, লক্ষ্মীপুৰ আৰু মটক বা সদিয়া।

কামৰূপ জিলাৰ পশ্চিমে গুৱালপাড়াৰ জিলা, উত্তৰে ভোটৰ পৰ্ব্বত, পূৰ্ব্বে বৰনদী আৰু নগাঁও জিলা, দক্ষিণে খাসিয়াৰ পৰ্ব্বত। কামৰূপ জিলা এটাই জিলাতকৈ বৰ, তাত প্ৰায় সত্তৰি খন পৰগনা, তিনিশ একাশি খন সত্ৰ আৰু সাইত্ৰিশ খন দেৱালয় আচে। এই জিলাৰ উত্তৰ পাৰে অনেক নদী আচে, প্ৰধান মানাহ নদী (ভোটৰ পৰ্ব্বতৰ পৰা ।১৮৮। উঠি ব্ৰহ্মপুত্ৰত পৰিচে), চাউল খোৱা, কালদিয়া, ন নদী, বৰলিয়া, বৌবৌৱা, বৰনদী ইত্যাদি। দক্ষিণ পাৰেও ভালে মান সৰু২ নদী আচে।

কামৰূপ জিলাত গুয়াহাটী নগৰ, ইয়াকে শাস্ত্ৰত প্ৰাগ জ্যোতিষ্পুৰ বোলে। অসম ৰজাৰ দিনতো এই খন বৰ নগৰ আছিল আৰু কামৰূপৰ অধিপতি বৰফুকন ইয়াতে বাস কৰিছিল আৰু এতিয়াও কমিচনৰ সাহাব আৰু জিলাৰ অধিপতি সাহাব বিলাক ইয়াতে থাকে। এই নগৰক পৰ্ব্বতে বেৰি আছে আৰু সি লুইতৰ পাৰতে, পূৰ্ব্বে তাৰ চাৰিও ফালে গড় আছিল আৰু ইয়ালৈ সোমোৱা চকি আছিল, সেই বোৰৰ চিন আজিলৈকে আছে। ইংৰাজ আহিবৰ পৰা এই নগৰ ক্ৰমে ভাল হৈছে।

দৰঙ্গ জিলা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, তাৰ উত্তৰ সীমা ভোট, অঁকা আৰু ডফলাৰ পৰ্ব্বত, পূৱে কবি জান, পশ্চিমে বৰ নদী। এই জিলাত বৰ২ পাঁচ ভাগ আছে অৰ্থাৎ দৰঙ্গ, চাটগাৰি, চুটিয়া, চাই দুৱাৰ আৰু ন দুৱাৰ। এই কেই ভাগকো আকৌ মৌজাকৈ ভাগ কৰা গৈছে। এই জিলাৰ প্ৰধান নদী মঙ্গলদৈ, মৰা ধনসিৰি, জিয়া ধনসিৰি ইত্যাদি। পূৰ্ব্বে দৰঙ্গ জিলাৰ অধিপতি সাহাব সকল মঙ্গলদৈত আছিল কিন্তু এতিয়া তেজপুৰত থাকে। এই জিলাতে বিশ্বনাথ নামে এক ঠাই আছে, তাতে শিৱৰ দেৱালয় এখন আছে।

নগাঁও জিলা ব্ৰহ্মপুত্ৰৰ দক্ষিণে; তাৰ পূৱে ধনসিৰি নদী, ।১৮৯। পশ্চিমে আৰু দক্ষিণ আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ, কলং আৰু ডুমৰিয়া, আৰু দক্ষিণে কচাৰি আৰু জয়ন্তিয়া পৰ্ব্বত। এই জিলাৰ পূৰ্ব্বে চাৰি ভাগহে আছিল কিন্তু এতিয়া ন ভাগ কৰা গৈছে অৰ্থাৎ মৰং, কলিয়াবৰ, চাপৰি মহল, নগাঁও, মিকিৰ মহল, মিকিৰ পৰ্ব্বত, যমুনা মুখ, ৰহা, দান্তী পুৰ। নগাঁও জিলাৰ প্ৰধান নদী কলং, সি বিশ্বনাথৰ গুৰিত ব্ৰহ্মপুত্ৰৰ পৰা ওলাই গুয়াহাটীৰ ওপৰ খিনিতে আকৌ ব্ৰহ্মপুত্ৰত পৰিছে। কিলিং, কপিলী, ধনসিৰি ইত্যাদি নদীও এই জিলাতে। নগাঁৱতে সদৰ ঠাই, সি কলং নৈৰ পাৰতে আৰু দেখিবলৈ বৰ সুন্দৰ।

শিবপুৰ জিলাৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদ আৰু বৰি দিহিং, দক্ষিণে নগাৰ পৰ্ব্বত, পূৰ্ব্বে নামচং নদী আৰু পশ্চিমে ধনসিৰি নদী, এই জিলাতে পূৰ্ব্বে স্বৰ্গদেও সকল থকা ৰাজ নগৰ বিলাক আছে। আদিতে গৰগাঁও ৰাজধানী আছিল আৰু ই ডাঙৰ নগৰ, পিচে তাৰ পৰা ৰাজধানী ৰঙ্গপুৰলৈ গল; গৰগাঁও দিখৌ নদীৰ পাৰত। ৰঙ্গপুৰো এই নদীৰ কোখৰত আৰু পূৰ্ব্বে অতি সুন্দৰ নগৰ আছিল, ইংৰাজৰ অধিকাৰ হোৱাতো ইয়াতে আদিতে জিলা পাতিছিল কিন্তু এতিয়া তাৰ পৰা গুচিছে। জোৰহাট নগৰ দিচৈ নদীৰ তীৰত। গৌৰিনাথ স্বৰ্গদেৱৰ দিনত ভালে মান উপদ্ৰৱ হোৱাত ৰাজধানী ৰঙ্গপুৰৰ পৰা জোৰহাটলৈ নিলে কিন্তু তাৰ পৰা ভাগি আহি গুয়াহাটীত হে বৈছিল, পিচে গুয়া ।১৯০। হাটীৰ পৰা উজাই জোৱাত জোৰহাটতে আকৌ ৰাজধানী থাকিল। পুৰন্দৰ

সিংহ স্বৰ্গদেৱো এই নগৰকে ইংৰাজৰ দিনতো ৰাজধানী কৰিচিল। কাপ্তান নিউবিল সাহাবে ৰঙ্গপুৰৰ পৰা জিলা জোৰহাটলৈ নিচিল কিন্তু এতিয়া তাৰো পৰা গুচি ৰঙ্গপুৰৰ সিপাৰে শিৱসাগৰত হৈচে। এই জিলাৰ প্ৰধান নদী দিচৈ, দিখৌ, বৰিদিহিং ইত্যাদি। শিবপুৰ জিলাত ৫০ খন টাঙ্গনি আচে, সেই টাঙ্গনিক মৌজা কৰি ভাগ কৰিচে।

লক্ষ্মীপুৰ জিলাৰ পুবে দিহং নদী, পশ্চিমে কবি জান, উত্তৰে আবৰ, মিৰি আৰু ডফলাৰ পৰ্ব্বত, দক্ষিণে লুইত। এই জিলাক উত্তৰা দক্ষিণাকৈ সোবনসিৰি নদীয়ে দুভাগ কৰিচে; পূৰ্ব্ব ডোখৰত চিচি, ধমাজি, বৰদলনি, ঢকুৱাখনা; আৰু পশ্চিম ডোখৰত লক্ষ্মীপুৰ, বাঁহকটা ছয় দুৱাৰ, আৰু মিৰি মহল, এই কেই খন মহল আচে। এই জিলাৰ প্ৰধান সোবনসিৰি নদী, সি ব্ৰহ্মপুত্ৰত মাজুলিৰ গুৰিত পৰিচে।

সদিয়া জিলাৰ উত্তৰ পূৰ্ব্ব আৰু দক্ষিণে আবৰ, খামতি, মিচিমি, চিংফৌ, নগাৰ ·পৰ্ব্বত; আৰু পশ্চিমে শিবপুৰ আৰু লক্ষ্মীপুৰ জিলাৰ পৰা দিহং, ব্ৰহ্মপুত্ৰ, বৰিদিহিং আৰু নামচং নদীৰে ভাগ হৈচে। অসম দেশৰ বুৰঞ্জিক চাৰি ভাগ কৰা জাই। প্ৰথম অসম ৰজাৰ অধিকাৰ হোৱাৰ পূৰ্ব্বৰ যি২ ৰজা হৈ গৈছে তাৰ কথা, দ্বিতীয় অসম ৰজা বিলাকৰ পৰা মানে দেশ লোৱালৈকে, তৃতীয. মানৰ অধি ।১৯১। কাৰ হোৱাৰ পৰা ইংৰাজৰ অধিকাৰ হোৱালৈকে, চতুৰ্থ ইংৰাজৰ অধিকাৰ হোৱাৰ পৰা বৰ্ত্তমান কাললৈকে।

এই জিলাৰ দুভাগ আচে, এভাগ মটকৰ দেশ, এভাগ সদিয়া। মটকৰ দেশক দুভাগ কৰা জাই অৰ্থাৎ ভাটি ন খেল আৰু উজনি ন খেল। ভাটি ন খেলত উনষাটি আৰু উজনিত সাত জিম্মাদাৰ আচে।

অসম দেশত প্ৰায় ১২০০,০০০ বাৰে লক্ষ মান মানুহ আচে, তাৰে কামৰূপ জিলাত প্ৰায় ৪০০,০০০ চাৰি লক্ষ মান, দৰঙ্গ জিলাত আঢ়াই লক্ষ, নগাঁৱত দুই লক্ষ মান, শিবপুৰত আঢ়াই লক্ষ, লক্ষ্মীপুৰত পাঁচ চল্লিচ্ হেজাৰ, সদিয়াত পাঁচপন্ন হেজাৰ মান হব।

অসম দেশত খাজানা প্ৰায় সাত লক্ষ তিনি হেজাৰ মান টকা উঠে; তাৰে কামৰূপত দুই লক্ষ সত্তৰি হেজাৰ, দৰঙ্গত এক লক্ষ পাঁচ চল্লিচ্ হেজাৰ, নগাঁৱত এক লক্ষ তেতাল্লিচ হেজাৰ, শিবপুৰত এক লক্ষ পাঁচ হেজাৰ, আৰু সদিয়া আৰু লক্ষ্মীপুৰত চল্লিচ হেজাৰ।

BRIEF HISTORY OF ASAM.
অসম দেশৰ সংক্ষেপ বুৰঞ্জি।

অতি পূৰ্ব্বে গোটেই অসম দেশকে কামৰূপ বুলিচিল, আৰু সি চাৰি পিঠ কৰি ভাগ কৰা হৈছিল। অৰ্থাৎ কাম ।১৯২। পিঠ, ৰত্ন পিঠ, স্বৰ্ণ পিঠ, আৰু সৌমাৰ পিঠ। এই কামৰূপত পূৰ্ব্বৰে পৰা অনেক ৰাজবংশে ৰাজত্ব কৰি আহিচে। সকলোৰে আদিতে মহীৰঙ্গ দানৱ ৰজা আচিল, তেঁওৰ পিচত তেঁওৰ বংশৰে চাৰি জনা ৰজা হলত নৰকাসুৰ, ভোগদত্ত প্ৰভৃতি ৰজা হৈ থাকে আৰু নৰকৰ বংশৰে অনেক ৰজা হৈ কামৰূপ ক্ৰমে শাসন কৰে। নৰক বংশৰ পিচত ক্ষেত্ৰিয় বংশ, তাৰ পিচত ব্ৰহ্মপুত্ৰৰ বংশ, তাৰ পিচত বাৰ ভুঁয়া, তাৰ পিচে মুৰলমান বংশ ক্ৰমে ৰাজত্ব কৰে। শেষত শিৱবংশীয় বিশ্বসিংহ আৰু নৰনাৰায়ণ ক্ৰমে ৰজা হয়। নৰনাৰায়ণ ৰজা অপুত্ৰক আচিল তন্নিমিত্তে যুবৰাজ চিলাৰায়ৰ পুতেক ৰঘুদেৱক তোলনিয়া পুত্ৰ কৰি ৰাখিলে, কিন্তু এনেতে তেঁওৰো লক্ষ্মীনাৰায়ণ নামে পুত্ৰ জন্মিলত তেঁওৰ ৰাজ্য দুইকো ভগাই দিলে। পিচে তেঁওৰ মৰণান্তে দুইও ৰজাই দন্দ কৰিব ধৰিলে, পিচে ৰঘুদেৱৰ পুতেক পৰীক্ষিত নাৰায়ণেও সেই ৰূপে বিবাদ কৰাত লক্ষ্মীনাৰায়ণে আৰঙ্গজেব পাতচাৰ তত আশ্ৰয় লোৱাত তেঁও সেনা পঠাই পৰীক্ষিতক ধৰোৱাত তেঁওৰ ভায়েক বলিত নাৰায়ণে ইন্দ্ৰবংশীয় স্বৰ্গদেও সকলৰ শৰণাগত হোৱাত তেতিয়াৰে পৰা কামৰূপ ইন্দ্ৰবংশীয় অসম ৰজা সকলৰ অধিকাৰ হল।

উজনিতো বাৰ ভুঁয়াৰ অধিকাৰৰ পৰা নানা মণ্ডলে ভাগ হৈ আচিল, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে উত্তৰ পূৰ্ব্ব কোণৰ সদিয়াৰ পিনে চুটিয়া ৰজাৰ অধীন আচিল, তাৰ ওচৰতে ।১৯৩। খামতি চিঙ্ফৌ ইত্যাদি পৰ্ব্বতিয়া জাতিৰ অধিকাৰ আচিল আৰু তুৰবক নামে গৌৰৰ পাতচাৰ পুতেকে ৰটা নদীৰে পৰা চাই দুৱাৰলৈকে আক্ৰমণ কৰিচিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে উত্তৰ পূৰ্ব্ব ফালে ৰৰাহি মৰাণ, তাৰ পশ্চিমৰ পৰা কচাৰি ৰজা আৰু তাৰ বাহিৰে নগা ইত্যাদিৰ অধিকাৰ আচিল, এই সকলোবোৰ ঠাই ক্ৰমে ইন্দ্ৰবংশীয় অসম ৰজা সকলৰ অধিকাৰ হল। এতেকে এতিয়া যি ৰজা সকলে গোটেই অসম দেশকে হস্তগত কৰি লৈ ১১৫১ শঁকৰ পৰা ৰাজ্য ভোগ কৰিলে, তাৰ প্ৰস্তাৱ লেখিম।

ইন্দ্ৰবংশীয় অসম ৰজা বিলাকৰ গুৰিৰ কথা নানা লোকে নানা দৰে কয়, সেই বিলাক লেখা বাহুল্য। আদিতে ১১৫১ শঁক আৰু ১২২৯ ইংৰাজি শঁকত চুকাফা নামে ৰজা প্ৰথমে সৌমাৰলৈ আহি মটক প্ৰভৃতি নানা পৰ্ব্বতিয়া জাতিক অধীন কৰিলে। তেঁও স্বৰ্গি হলত তেঁওৰ সন্তান সন্ততিয়েই ক্ৰমে নানা

ঠাই অধিকাৰ কৰি উন্‌চল্লিচ্ জনা ৰজা হৈ গৈছে। এই উনচল্লিচ জনা ৰজাৰ দিনত অসম দেশক তিনি প্ৰধান জাতিয়ে আক্ৰমণ কৰিলে; প্ৰথম মুছলমান, দ্বিতীয় মোৱামৰিয়া বা মটক, তৃতীয় মান।

চুকাফা ৰজাৰ পৰা ১৯ জনা ৰজা হৈ গৈ বিংশতি জনা অৰ্থাৎ চুতুম্‌লা হিন্দু মতে জয়ধ্বজ সিংহ ৰজাৰ দিনত ১৫৭৭ শঁকত বঙ্গাল দেশৰ নবাব মিৰজুমলাই অনেক সৈন্যেৰে আহি অসম দেশ ললেহি, আমাৰ ৰজা দেও ঠাৰবিব নোৱাৰি ।১৯৪। নামৰূপৰ চৰাইখোৰোঙলৈ ভাগি গল। পিচে বাৰিখা হলত বঙ্গালহঁতৰ খাবৰ নাইকিয়া হলত আৰু মাউৰ লাগি অনেক সৈন্য মৰিলত নবাবে সন্ধি কৰিবলৈ ইচ্ছা কৰাত স্বৰ্গদেৱে বন্দি ১০০, বেটি ১০০, হাতি ৩০টা, সোন দুহেজাৰ, ৰূপ বাৰে হেজাৰ, এই খনি জৌতক দি সালঙ্কৃতাকৈ ৰমণি গাভৰুক আৰঙ্গজেব পাতচালৈ দিলে; নবাবে দেশ এৰি দি ভটিয়াই গল।

মোৱামৰিয়াৰ উপপ্লবৰ বিবৰণ এই। চুকাফা ৰজাৰ পৰা ৩০ জনা ৰজা হৈ ১৬৩৬ শঁকত শিৱসিংহ স্বৰ্গদেৱেই ৰজা হল, কিচু কালৰ মুৰত তেঁওৰ চত্ৰ ভঙ্গ যোগ হৈছে বুলি ফুলেশ্বৰী আইকুঁৱৰি দেৱক বৰ ৰজা নাম দি চত্ৰ দিলে, এনেতে তেঁও শূদ্ৰ মহাজন কেতবোৰে গোঁসানিক নেমানে বুলি শুনি দুৰ্গোৎসৱ পূজাত মোৱামৰাৰ মহন্তকে আদি কৰি কেইজন মানক অনাই বৰ ৰজাই গোঁসানি সেৱা কৰাই সিন্দুৰ, ৰঙ্গা চন্দন, বলিৰ ৰক্ত ইত্যাদিৰে ফোট দি নিৰ্ম্মাল্য প্ৰসাদ লোৱাই কিছু দুৰ্গতি কৰাত মোৱামৰা মহন্তে সকলোতকৈ পেটে মৰণ তুল্য মানি ললে। এয়েই মোৱামৰিয়া উপদ্ৰৱৰ ঘাই হেতু। এই দুৰ্গতিৰ প্ৰতিকাৰ কৰিবলৈ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত পুৰুষাৰ্থ কৰিচিল, কিন্তু নোৱাৰিলে, শেষত চুকাফা ৰজাৰ পৰা ৩৩ জনা ৰজা হৈ ৩৪ জনা অৰ্থাৎ লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত ১৬৯১ শঁকৰ আঘোনত মোৱামৰিয়াৰ খোৰা আৰু ৰাঘ মৰাণ দুয়েই মুখ্য হৈ খোৰা মৰাণৰ ।১৯৫। ঘৈনিয়েকক ৰাধা ৰুক্মিনী নাম দি ভাইয়ে সৈতে বৰ জনা গোহাঁই দেৱক আগত লৈ সকলো মোৱামৰিয়াই গোট খাই স্বৰ্গদেৱক ৰজা ভাঙ্গি বন্দি কৰি থৈ সিহঁতৰে খোৰাৰ পুতেক ৰমাকান্তক ৰজা পাতিলে। পিচে স্বৰ্গদেৱে সকলোৰে আলচি সেই শঁকৰে চতৰ বিহুত ৰাঘ খোৰা আৰু ৰমাকান্তক মাৰি নগৰ ললে। লক্ষ্মীসিংহ স্বৰ্গদেও স্বৰ্গি হলত তেঁওৰ পুতেক গৌৰিনাথ সিংহ ৰজা হল; এঁওৰ দিনতে পূৰ্ব্ব শত্ৰু মোৱামৰিয়াই আকৌ ১৭০৯ শঁকৰ মাঘ মাহত ৰণ কৰি ৰঙ্গপুৰ নগৰত ভৰথি মৰাণক ৰজা পাতিলে, তাতে স্বৰ্গদেও নগাঁও গুৱাহাটিলৈকে ভাগি আহি শ্ৰীযুত কম্পানি বাহাদুৰত সহায় খোজাত কাপ্তান (ওৱেলচ ওয়ালিচ) সাহেব সৈন্য লৈ আহি মোৱামৰিয়াক জিনি স্বৰ্গদেৱক ৰাজধানিত থৈ গল। এই মোৱামৰিয়াৰ উপদ্ৰৱত

এই দেশৰ অসংখ্য মানুহ নষ্ট হল, আৰু তেতিয়াৰে পৰা অসম দেশ জন শূন্য অৰণ্যৰ নিচিনা হল আৰু ৰজাও দুৰ্ব্বল আৰু নিৰ্ধন হল; কিন্তু মোৱামৰিয়াৰ উপদ্ৰৱত দেশ গোটেই নষ্ট হোৱা নাচিল, বৰঞ্চ পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙ্গৰিয়াই ভগা দেশ ভাল কৰিবলৈ অনেক যতন কৰি প্ৰজাক সুখী কৰি, পিচে মানৰ বিগ্ৰহত হে একে বেলিয়েই ধ্বংশ হল আৰু ৰজা প্ৰজা উপান্ত হৈ অৱশেষত অসম ৰজাৰ ৰাজত্ব ভ্ৰষ্ট হল।

গৌৰিনাথ সিংহ ৰজাৰ পৰলোক হলত কমলেশ্বৰ সিংহ ৰজা হল, তেঁওৰ মৰণান্তে চন্দ্ৰকান্ত সিংহ স্বৰ্গদেও ১৭৩২ ।১৯৬। শঁকৰ ৬ মাঘত ৰাজত্ব পালে। কুকুৰা চোৱা বৰা ভুতৰ পুতেক সতৰাম স্বৰ্গদেৱৰ প্ৰধান বল্লভ হৈ নানা কুমন্ত্ৰণা দি কেত বোৰ মানুহে সৈতে গোট খাই ১৭৩৬ শঁকত ৰাজ মন্ত্ৰি পূৰ্ণানন্দ বুঢ়াগোহাঁঞিক মাৰিবলৈ মন্ত্ৰণা কৰিলত ডাঙ্গৰিয়াই বুজ পাই কুমন্ত্ৰণাকাৰি বিলাকক কাটি চকু কাঢ়ি কান নাক কাটি দণ্ড বন্ধ কৰিলে। তেতিয়াৱে পৰা ৰজা আৰু মন্ত্ৰি দুইৰো পেটে বিৰোধ হৈ ৰজাৰ ফলিয়া মানুহক মন্ত্ৰিয়ে আৰু মন্ত্ৰিৰ ফলিয়াক ৰজাই নষ্ট কৰিবলৈ ধৰিলে। পিচে গুৱাহাটিৰ বদনচন্দ্ৰ ফুকনো ৰজাৰ ফলিয়া বুলি সঙ্কা কৰি বুঢ়া গোহাঁঞে তেওঁক ধৰিবলৈ পৰ্ব্বতিয়া ফুকনক পঠোৱাত বৰফুকনে আগেই বুজ পাই ১৭৩৭ শঁকৰ আহিন মাহত গুয়াহাটীৰ পৰা পলাই বুঢ়াগোহাঁঞিক প্ৰতিকাৰ দিবৰ নিমিত্তে মানৰ দেশলৈ গৈ মান ৰজাৰ তৰ পৰা ১৪০০০ সৈন্যেৰে বৰ ফুকন উজনিৰে ওলালহি। এনেতে বুঢ়াগোহাঁঞি ডাঙ্গৰিয়া মৰিলত পুতেক ৰুচিনাথ বুঢ়াগোহাঁঞি হল; পিচে বৰ ফুকন সসৈন্যে জোৰহাট পাব লগা হলত বুঢ়াগোহাঁঞি গুয়াহাটীলৈ ভাগি গল, বৰফুকন স্বৰ্গদেৱে সৈতে সাক্ষাৎ কৰি মন্ত্ৰি ফুকন বুঢ়াগোহাঁঞিৰ ফালৰ কেত বোৰ মানুহক দণ্ড কৰিলে। পিচে স্বৰ্গদেৱে মান ৰজালৈ এক কন্যা দি সৈন্যক সন্তোষকৈ বিদায় দিলে। পিচে বুঢ়াগোহাঁঞিক মাতি পঠোৱাত নহাত মন্ত্ৰি ফুকনলৈ সংশয় কৰি নাহে বুলি ৰাজমাও ইত্যাদিয়ে পৰামৰ্শ কৰি মন্ত্ৰি ফুকনক ৰূপচিং চুপাদাৰৰ ।১৯৭। হতুৱাই কটালে, কিন্তু তেঁও বুঢ়াগোহাঁঞি নাহি ব্ৰজনাথ গোহাঁই দেৱে সৈতে সসৈন্যে উজাই গৈ চন্দ্ৰকান্ত স্বৰ্গদেৱক ভাঙ্গি পুৰন্দৰ সিংহ স্বৰ্গদেৱক ৰজা পাতি সেৱা কৰিলে। এই কথা মানৰ ৰজাই শুনি ৩০০০০ সৈন্যৰে আলুঙ্গ মিঙ্গি বৰগোহাঁঞিক পঠিয়াই চন্দ্ৰকান্ত স্বৰ্গদেৱক আকৌ ৰজা পাতিলে। পুৰন্দৰসিংহ স্বৰ্গদেও চিলমাৰিলৈ ভাগি গল। পিচে খেৰেমিয়াল কচাৰিৰ পতাল বৰবৰুৱাই জয়পুৰত কোঁঠ পাতি মানেৰে ৰণ কৰিবৰ মনস্থে থকাত মান ৰজাই স্বৰ্গদেৱলৈ (চন্দ্ৰকান্ত সিংহ) ৰাজযোগ্য অলঙ্কাৰ দি সঁজাতি ফুকনে সৈতে

মিঙ্গিমাহা তিলোৱাক পঠোৱাত সিহঁতে বৰবৰুৱাৰ প্ৰাৰম্ভ দেখি তাক চলকৈ মাৰিলে, তাতে স্বৰ্গদেৱে মান অমিল ৰূপে আহিচে বুলি বুঢ়াগোহাঁঞিক ৰণ কৰিবলৈ আজ্ঞা দি গুৱাহাটিলৈ ভটিয়াই গল। উজনিত মানে ৰণ জিকি বুঢ়াগোঁহাঞিক বন্দি কৰি মিল ৰূপে স্বৰ্গদেৱলৈ কটকি পঠালে নহাত ৰণ হল, ৰণত ঠাৰৰিব নোৱাৰি গুৱাহাটিৰ পৰা ভাগি গল। পাচে মিঙ্গিমাহা তিলোৱাই স্বৰ্গদেৱত নিৰাশা হৈ মান ৰজালৈ দিয়া কুঁৱৰিৰ ভায়েক জোগেশ্বৰ সিংহক লোক দৰ্শক ৰূপে ৰজা নাম দি ১৭৪৩ শঁকৰ পৰা নিজে ৰাজত্ব কৰিব লাগিলে। শেষত চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে সৈন্য লৈ হাদিৰা চকিৰ পৰা গুৱাহাটি আক্ৰমণ কৰি ক্ৰমে উজাই মানেৰে জিকি মহগড় পালে; মানৰো দেশৰ পৰা অনেক সৈন্যেৰে মিঙ্গিমাহা বান্দুলা বৰগোহাঁঞি ।১৯৮। পালেহি। তাতে ৰণ লগাত মহগড়ত স্বৰ্গদেও ঘাটি ১৭৪৪ শঁকত ভটিয়াই পৰ দেশলৈ গল। এনেতে মানৰ সেনাপতিয়ে কম্পানিৰ ৰাজ্যৰ গুৱালপাড়াত থকা ডেবিড্‌চন্ সাহাবলৈ চন্দ্ৰকান্ত ৰজাক আশ্ৰয় দিলে বলকৈ যতে থাকে তাৰে পৰা আনিবৰ আজ্ঞা পাইচোঁ বুলি কাকত লেখাত ঢাকাত থকা কম্পানিৰ চিপাহিৰ অধিপতিলৈ মানে কাকত লেখাৰ দৰে সীমাত জোকালে সিহঁতক খেদি পঠাবৰ আজ্ঞা হল, আৰু স্কট সাহেবকো লাগে মানে সৈন্য দিবৰ আজ্ঞা হল। ইয়াকে শুনি মানে অসমৰ পিনৰ সীমা লজ্ঘন নকৰিলে হয় কিন্তু কাচাৰৰ পিনে কম্পানিৰ সীমাত জোকালত মান ৰজাই সৈতে কম্পানিৰ ৰণ কৰা ১৮২৪ ইং শঁকৰ ৫ মাৰ্চত নিশ্চয় হল, আৰু গুৱালপাড়াত থকা সৈন্য অসম দেশলৈ ক্ৰমে উজাই আহি গুৱাহাটি কলিয়াবৰ ইত্যাদি ঠাইয়ে২ মানহঁতক ৰণত ঘটুৱালে, আৰু ১৭৪৭ শঁকৰ ২১ মাঘত আৰু ইং ১৮২৫ সনৰ ২ ফেব্ৰুআৰিত ৰঙ্গপুৰ নগৰ ললেহি। তাৰে পৰা অসম দেশত মানৰ অধিকাৰ গুচি কম্পানিৰ অধিকাৰ হল, অৱশেষত ইংৰাজি ১৮২৬ শঁক ২৪ ফিব্ৰুৱাৰিত মান ৰজাই কম্পানিয়ে সৈতে সন্ধি কৰি অসম দেশ একে বেলিয়ে এৰি দিলে।

অসম দেশ মানৰ অধিকাৰত মহা দুৰ্গতিত পৰি অৰাজক প্ৰায় হল কিন্তু এতিয়া ইংগ্লণ্ডীয়াধিকাৰ হোৱাত ক্ৰমে উন্নতি হব লাগিচে আৰু কিচু কালৰ মুৰত আকৌ পূৰ্ব্বৰ দৰে হব ।১৯৯। আৰু লোক সকলো সভ্য আৰু সুখী হব এতেকে ঈশ্বৰে আমাৰ দেশৰ ভাললৈহে ইংৰাজক অধিপতি কৰিচে।

ৰজা সকলৰ নাম।	বাং প্ৰাং শক	ভোগ সং
১ সৌমাৰ দেশলৈ আদিতে অহা চুকাফা ৰজা	১১৫১	৩৯-৪-১৫
২ তেঁওৰ পুত্ৰ চুতেওফা	১১৯০	১৩
৩ তেঁওৰ পুত্ৰ চুবিনফা	১২০৩	১২
৪ তেঁওৰ পুত্ৰ চুখাঙ্ফা	১২১৫	৩৯
৫ তেঁওৰ পুত্ৰ চুখ্ৰাঙ্ফা	১২৫৪	৩২
৬ তেঁওৰ ভাতৃ চুতুফা	১২৬৮	১২
অৰাজক	১২৯৮	৪
৭ তেঁওৰ ভাতৃ ত্যাওখামথি	১৩০২	৯
অৰাজক	১৩১১	৯
৮ তেঁওৰ পুত্ৰ চুডাঙ্ফা বা বামুনি কোঁৱৰ	১৩২০	৯
৯ তেঁওৰ পুত্ৰ চুজাঙ্ফা	১৩২৯	১৫
১০ তেঁওৰ পুত্ৰ চুকক্ফা	১৩৪৪	১৭
১১ তেঁওৰ পুত্ৰ চুচেন্ফা	১৩৬১	৪৯
১২ তেঁওৰ পুত্ৰ চুহেন্ফা	১৪১০	৫
১৩ তেঁওৰ পুত্ৰ চুপিম্ফা	১৪১৫	৪
১৪ তেঁওৰ পুত্ৰ চুহুনমুঙ্গ বা স্বৰ্গনাৰায়ণ দিহিঙ্গিয়া ৰজা	১৪১৯	৪২
১৫ তেঁওৰ পুত্ৰ চুক্লেনমুঙ্গ গৰগঁয়া ৰজা	১৪৬১	১৩
১৬ তেঁওৰ পুত্ৰ চুখাম্ফা খোৰা ৰজা	১৪৭৪	৫৯
১৭ তেঁওৰ পুত্ৰ চুচেঙ্গফা বা বুদ্ধি স্বৰ্গনাৰায়ণ বা প্ৰতাপ সিংহ	১৫৩৩	৩৮
		।২০০।
১৮ তেঁওৰ পুত্ৰ চুৰম্ফা বা ভগা ৰজা	১৫৭১	৩
১৯ তেঁওৰ পুত্ৰ চুতিঙ্ফা বা নৰিয়া ৰজা	১৫৭৪	২
২০ তেঁওৰ পুত্ৰ জয়ধ্বজ সিংহ বা ভগনিয়া ৰজা	১৫৭৬	৯
২১ চুপঙ্গমুঙ্গ বা চক্ৰধ্বজ	১৫৮৫	৭
২২ তেঁওৰ ভাতৃ চুন্যৎফা বা উদয়াদিত্য	১৫৯২	২
২৩ তেঁওৰ ভাতৃ চুক্লনফা বা ৰামধ্বজ	১৫৯৪	২
২৪ চুহুঙ্গ ৰজা	১৫৯৬	০-১-১৫
২৫ গোবৰ ৰজা	ঐ	০-০-২০
২৬ চুজিনফা	ঐ	২-৯-২৫

ৰজা সকলৰ নাম।	বাং খ্রাং শক	ভোগ সং
২৭ চুডৈফা	১৫৯৯	২
২৮ চুলিক্‌ফা বা লৰা ৰজা	১৬০১	২
২৯ গদাধৰ সিংহ	১৬০৩	১৪-১০
৩০ তেঁওৰ পুতেক ৰুদ্র সিংহ	১৬১৭	১৮-৬
৩১ তেঁওৰ পুত্র শিৱ সিংহ	১৬৩৬	১০-৩-১১
৩২ তেঁওৰ ভাতৃ প্রমত্ত সিংহ	১৬৬৬	৬-১০-৫
৩৩ তেঁওৰ ভাতৃ ৰাজেশ্বৰ সিংহ	১৬৭৩	১৭-৭-২১
৩৪ তেঁওৰ ভাতৃ লক্ষ্মী সিংহ	১৬৯১	১১-৬-১০
৩৫ তেঁওৰ পুত্র গৌৰিনাথ সিংহ	১৭০২	১৪-৭-২২
৩৬ কমলেশ্বৰ সিংহ	১৭১৭	১৫-৫-১০
৩৭ তেঁওৰ ভাতৃ চন্দ্রকান্ত সিংহ	১৭৩২	৭-১-৫
৩৮ পুৰন্দৰ সিংহ	১৭৩৯	১-০-১৪
-পুনঃ চন্দ্রকান্ত সিংহ	১৭৪০	২-৮
৩৯ জোগেশ্বৰ সিংহ	১৭৪৩	৩-১০-১৯
		। ২০১।

GOVERNMENT OF ASAM BY THE ENGLISH.

ইংৰাজ কৰ্ত্তৃক অসম দেশৰ ৰাজ্য শাসনৰ বিবৰণ।

এই দেশ সম্প্রতি কি ৰূপে শাসিত হৈছে আৰু ইয়াৰ অধিপতি নো কোন ইয়াক অনেক লোকে নেজানি নানা দৰে ভাবে, এতেকে আমাৰ দেশৰ ৰাজ্য শাসন আৰু অধিপতি সকলৰ বিবৰণ তলত লিখা গল।

সম্প্রতি আমাৰ দেশৰ শাসন কৰ্ত্তা কম্পানি বাহাদুৰ। কম্পানিৰ অৰ্থ এই; কেত বোৰ মানুহ গোট খাই বাণিজ্য কৰিবৰ নিমিত্তে গায়ে পতি ধন তুলি মুঠ ধনেৰে উমইহ্‌তত বেপাৰ কৰিলে সেই মানুহ বিলাকক কম্পানি বোলে। ইংৰাজি ১৬০০ শকত ইংগ্লণ্ড দেশত এনে এক কম্পানিয়ে ৰাজাজ্ঞা পত্র এখন লৈ ভাৰতবৰ্ষৰ লোকে সৈতে প্রথমে বাণিজ্য আৰম্ভ কৰিলে, তাতে ভালে মান লাভ পাই এই ৰূপে বাণিজ্য কৰি আছিলে, পিচে ১৬৬১ ইং শকত যুদ্ধ আৰু সন্ধি কৰিবলৈ অনুমতি পালে, তাৰে পৰা কম্পানিয়ে কালক্রমে গোটেই

ভাৰতবৰ্ষকে অধিকাৰ কৰিলে। কিন্তু কম্পানি যি সি ইংগ্লণ্ডৰ সামান্য. প্ৰজা, সেই নিমিত্তে সিবিলাকৰ দেশত একো অধিকাৰ নাই, ইংগ্লণ্ড ৰজাৰহে এই দেশ। কম্পানিক সনন্দৰ দ্বাৰা মুঠে শাসন কৰিবলৈ হে দিচে আৰু তাকো চিৰ কাললৈকে দিয়া নাই। ইংৰাজি ১৮৩৪ শঁকত ইংগ্লণ্ডাধিপে ভাৰতবৰ্ষ শাসন কৰিবলৈ কম্পানিক এক ।২০২। সনন্দ দিচে, তাৰ দ্বাৰা সিবিলাকে ১৮৫৪ শঁকলৈকে ৰাজ্য শাসন কৰিব পাৰিব; সেই কাল গলে ইংগ্লণ্ডৰ ৰজা প্ৰজাই কম্পানিৰ গাৰ পৰা ৰাজত্ব গুচাবও পাৰিব বা ৰাখিবও পাৰিব। এতিয়া আমাৰ অধিপতি কোন জানিলা।

এই দেশ কেনেকৈ শাসিত হৈচে কওঁ শুনা। অনেক মানুহেৰেই কম্পানি, আৰু সেই মানুহ বিলাকৰ ভাগ আচে, সিবিলাককে কোৰ্ট অফ প্ৰোপ্ৰাইয়েটৰচ বোলে (অৰ্থাৎ অধিকাৰ বিলাকৰ সমাজ); কিন্তু সকলো বিলাকেই কৰ্ম্মত প্ৰবৃত্ত হব নোৱাৰে হেতুকে সিবিলাকৰ ভিতৰৰে চৌব্বিশ জনক বাচি কম্পানিৰ সকলো কৰ্ম্মৰ ভাৰ দিয়ে, আৰু সেই চৌব্বিশ জনকে কোৰ্ট অফ ডাইৰেক্‌টৰচ অৰ্থাৎ কৰ্ম্মকাৰক বিলাকৰ সমাজ বোলে, আৰু সেই চৌব্বিশ জন সময়েং সলনি হয়। কোৰ্ট অফ ডাইৰেক্‌টৰচে কম্পানিৰ ভাৰতবৰ্ষৰ ৰাজ্য শাসনৰ সকলো কৰ্ম্মকে কৰে কিন্তু ভাৰতবৰ্ষৰ ৰাজ্য শাসনত একো অন্যায় নহবলৈ আৰু ইংগ্লণ্ড দেশীয়ৰ উন্নতিলৈ ইংগ্লণ্ড ৰাজ্যৰ ঘাই বিষয়া কেইজন মানৰ এক সমাজ আচে তাকে বোৰ্ড অফ্ কণ্ট্ৰোল বোলে; সিবিলাকেই কম্পানিক সকলো কৰ্ম্মতে চলায় আৰু ভাৰতবৰ্ষৰ পৰা কোনো কাকত গলে বা ভাৰতবৰ্ষলৈ কোনো কাকত আহিলে সিবিলাকৰ দ্বাৰাই হে আহিব জাব পাই, আৰু এখেত থকা অধিপতি বিলাকলৈ কোৰ্ট 'অফ ডাইৰেক্‌টৰচে সিবিলাকৰ অনুমতি নোহোৱাকৈ কোনো আজ্ঞাদি পঠাব ।২০৩। নোৱাৰে ভাৰতবৰ্ষৰ পৰা কোনো কথা জনালে তাৰ প্ৰতি বিহিত আজ্ঞা দিবলৈ ডাইৰেক্‌টৰ সকলে পলম কৰিলে বোৰ্ড অফ্ কণ্ট্ৰোলে বিহিত সমিধান দিব পাই, তাকে ডাইৰেক্‌টৰচে পঠাব পাই; সংক্ষেপে কব লাগিলে, কম্পানিয়ে ভাৰতবৰ্ষৰ প্ৰজাক কিবা অন্যায় কৰে বুলি এই সমাজ ইংগ্লণ্ডৰ ৰাজ্য দ্বাৰা হৈচে।

এই সকল কৰ্ম্ম কাৰক ইংগ্লণ্ডত হে আচে কিন্তু ভাৰতবৰ্ষত থাকি শাসন কৰিবলৈ আনং বিষয়া আচে। ভাৰতবৰ্ষত কম্পানিৰ আটাই খনি দেশকে চাৰি ৰাজধানীকৈ ভাগ কৰা হৈচে, অৰ্থাৎ বঙ্গাল ৰাজধানী বা ফোৰ্ট উলিয়ম, ফোৰ্ট সেইণ্ট জৰ্জ্জ বা মান্দ্ৰাজ, বম্বাই আৰু আগ্ৰা ৰাজধানী। এই চাৰি ৰাজধানীৰ তলতিয়া একো খণ্ডকৈ ৰাজ্য আচে আৰু প্ৰতি ৰাজধানীতে একোজন গৱৰ্ণৰ অৰ্থাৎ শাসন কৰ্ত্তা আৰু তিনি জন মন্ত্ৰি থাকে। বঙ্গ ৰাজধানীৰ তলতিয়া বঙ্গাল

বেহাৰ উৰিষ্যা অসম দেশ আৰাকান ইত্যাদি। এই ৰূপে সি তিনি খনৰো তলতিয়া দেশ আচে, এই কেউ খন ৰাজধানীৰ ওপৰত এজনা অধিপতি আচে, তেঁওকে ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰল বোলে, তেঁও চাৰিও ৰাজধানীৰ অধিকাৰ, আৰু বঙ্গ ৰাজধানীৰো গবৰ্ণৰ। এঁওৰ বৰ ক্ষমতা আৰু তেঁওৰো কেই জনা মান মন্ত্ৰি আচে। সেই মন্ত্ৰিয়ে সৈতে গবৰ্ণৰ জেনেৰলক সুপ্ৰিম গবৰ্ণমেণ্ট অৰ্থাৎ মুখ্য শাসন কৰ্ত্তা বোলে; এই মুখ্য শাসন কৰ্ত্তাই ভিন্ন দেশৰ ৰজাৰ সম্পৰ্কীয় ।২০৪। কোনো কথা কৰিলে তাক কম্পানিয়েও লৰাব নোৱাৰে কিন্তু গবৰ্ণৰ জেনেৰলে অকলেই মন্ত্ৰি বিলাকৰ পৰামৰ্শ নোলোৱাকৈও ভিন দেশৰ পক্ষে সকলো কৰ্ম্মকে কৰিব পাৰে কিন্তু অহিতলৈ কোনো যুদ্ধ বিগ্ৰহ বা সন্ধি কৰিলে সেই নিমিত্তে ইংগ্লণ্ডত তেঁওৰ নামে গোচৰ হব পাৰে নাইবা তেঁওক কৰ্ম্মৰ পৰা গুচাব পাৰি। ৰাজ্য শাসন কৰাত গবৰ্ণৰ জেনেৰলৰ তিমান ক্ষমত্তা নাই, তেঁও কৌন্সল অৰ্থাৎ মন্ত্ৰি সকলৰ অনুমতি নোহোৱাকৈ কোনো আইন কৰিব নোৱাৰে, আৰু অনুমতিৰে কৰিলেও ইংগ্লণ্ডৰ শাসন কৰ্ত্তা আৰু কোৰ্ট অফ্ ডাইৰেক্টৰ্চে সেই আইনৰ হিত কৰিব পাৰে। সৈন্যাদিৰ চলকৰো ভাৰতবৰ্ষৰ মুখ্য শাসন কৰ্ত্তাই কৰায়। কিনতু গবৰ্ণৰ জেনেৰল বা নানা ৰাজধানীৰ গবৰ্ণৰ বিলাকে নিজে কোনো সোধ পোচ নকৰে, প্ৰতি ৰাজধানীতে দেয়ানি আৰু ফৌজদাৰিৰ সোধ কৰিবলৈ বিচাৰৰ ঠাই আচে। প্ৰতি ৰাজধানীৰ তলতিয়া যি সকল প্ৰদেশ আচে, সেই প্ৰদেশ বোৰ জিলাকৈ ভাগ হৈচে, আৰু প্ৰতি জিলাতে দেয়ানি আৰু ফৌজদাৰিৰ গোচৰ সুধিবলৈ জজ, প্ৰধান সদৰামীন, সদৰ আমীন, মুনসেফ, মাজিষ্ট্ৰেট প্ৰভৃতি বিষয়া আচে। এই সকল বিষয়াৰ নাম সকলো প্ৰদেশতে একে নহয় কিন্তু সকলোৰে কৰ্ম্ম একে। জিলাত আপিল কৰিবৰ ঠাই আচে, কিন্তু কম্পানিৰ সকলো সোধৰ ঠাইৰ ওপৰতে সদৰ দেয়ানি আদালত আচে; ইয়াতকৈ শ্ৰেষ্ঠ ।২০৫। দেয়ানি বিচাৰৰ ঠাই কম্পানিৰ নাই, আৰু ফৌজদাৰিৰ গোচৰৰ আপিল শুনিবলৈকো এটাইতকৈ শ্ৰেষ্ঠ সোধৰ ঠাই আচে, তাকে সদৰ নিজামত আদালত বোলে, এই দুই আদালতৰ আপিল ইংগ্লণ্ড দেশৰ ৰজাৰ তত হে হব পাৰে। চাৰিও ৰাজধানীত একোটাকৈ চাৰিটা সদৰ দেয়ানি আৰু সদৰ নিজামত আদালত আচে আৰু তাত প্ৰতি ৰাজধানীৰ তলতিয়া প্ৰদেশৰ গোচৰৰ আপিল হয়। এই সকলত বাজে খাজানা সাধিবলৈ প্ৰতি জিলাত একোজন কলেক্টৰ আৰু ঠাইয়েং তেঁওৰ সহকাৰীও আচে; চাৰি পাঁচ জিলাৰ কলেক্টৰৰ ওপৰত একোজন কমিচনৰ আচে আৰু এই সকলোৰে ওপৰত ৰাজধানীত সদৰ বোৰ্ড অফ্ ৰেবিনিউ আচে। যি নগৰত ৰাজধানী অৰ্থাৎ কলিকাতা, মাদ্ৰাজ, বম্বাই, এই নগৰত বাস কৰা মানুহৰ গোচৰ সুধিবলৈ

ইংগ্লণ্ডৰ ৰজাৰ একোটা আদালত আছে তাকে সুপ্রিম কোর্ট বোলে, আৰু সেই আদালততে ইংগ্লণ্ডৰ পৰা অহা সকলো সাহাবৰ গোচৰ সোধ হয়। সুপ্রিম কোর্টৰ ওপৰত কম্পানিৰ একো ক্ষমতা নাই আৰু তাত কম্পানিৰ সকলো বোৰ ইংৰাজৰ চাকৰৰ সোধ হব পাৰে।

OF THE GOVERNMENT OF ENGLAND.

ইংগ্লণ্ড দেশৰ ৰাজ্য শাসনৰ কথা।

ইংগ্লণ্ড দেশৰ শাসন কৰ্ত্তা ৰজা আৰু পাৰ্লিমেণ্ট। ৰজা ।২০৬। সকলোৰে ওপৰত আৰু তেঁওৰ ভালে মান ক্ষমতা; তেঁও যুদ্ধ আৰু সন্ধি কৰিব পাৰে আৰু সকলো বিষয়তে যোগ্য অযোগ্য চাই মানুহ নিযুক্ত কৰিবও পাৰে আৰু ভাঙ্গিবও পাৰে, কিন্তু এই সকলো কৰ্ম্মকে ব্যৱস্থাৰে হে কৰিব পাই, অন্যায়কৈ কাকো দণ্ড বন্ধ কৰিব নোৱাৰে। এক ৰজা মৰিলে তেঁওৰ বৰ পুতেক ৰজা হয়, পুতেক নেথাকিলে জিয়েক হয় কিন্তু সন্তানাদি নেথাকিলে লাগতিয়াল বণ্ডহেই ৰাজত্ব পায়।

পাৰ্লিমেণ্ট দুই সভাৰে এক সমূহৰ, আৰু এক বৰ২ বিষয়াৰ সভা। সমূহৰ সভাত প্ৰায় ছশ পঞ্চাশ জন মানুহ আছে, আৰু সেই মানুহ বোৰক এই দৰে বাচি আনে; ইংগ্লণ্ড, স্কটলণ্ড, আইয়ৰলণ্ড আৰু উৱেলচ দেশৰ প্ৰতি প্ৰদেশৰ মানুহ বোৰে এজন বা অধিক মানুহক প্ৰতিনিধিকৈ পাৰ্লিমেণ্টৰ সমূহ সভাৰ সভাস্থ কৰি পঠায়, আৰু অনেক লোকে সভাস্থ হবলৈ ইচ্ছা কৰিলে যাক পঠাবলৈ অধিক মানুহে সম্মত দিয়ে সিয়েই সভাস্থ হৈ জাই। কোনো প্ৰদেশে এজন, কোনো২ বোৰে চাৰি পাঁচ জন সভাস্থ পঠিয়াই, আৰু কোনো২ নগৰৰ মানুহেও পাৰ্লিমেণ্টলৈ সভাস্থ পঠিয়াই; এইবোৰ সভাস্থ একে লগ হৈ মেল কৰে আৰু সেই সভাকে হাউচ্ অফ কমনচ্ বোলে।

বিষয়াৰ সভা এনে। আমাৰ দেশত যেনে ডাঙ্গৰিয়া ফুকন বৰুৱা আৰু ৰাজখোৱা ইত্যাদি বৰ বিষয়া আছিল তেনেকৈ ।২০৭। ইংগ্লণ্ডতো ডিউক, মাৰকুইচ, অৰ্ল, ৱাইকৌণ্ট আৰু বাৰণ ইত্যাদি বিষয়া আছে। এই বিষয়া ইংগ্লণ্ডৰ চাৰিশ, স্কটলণ্ডৰ ১৬ জন, আইয়ৰলণ্ডৰ ৩২ জন একে লগে বহি এক সভা কৰে আৰু সেই সভাকে বিষয়াৰ সভা বোলে; ইংৰাজি নাম হাউচ অফ লৰ্ডচ; পিচে এই দুই সভাৰেই পাৰ্লিমেণ্ট। পাৰ্লিমেণ্টে সদাই মেল নকৰে, বছৰত এক সময়ত হয়, কিন্তু ৰজাই ইচ্ছানুসাৰে পাৰ্লিমেণ্ট আহ্বান কৰিবও পাৰে আৰু বহিবলৈ হাক দিবও

পাৰে আৰু ৰজাই পাৰ্লিমেণ্ট বিসৰ্জন কৰিবও পাৰে কিন্তু বিসৰ্জন হলে সমূহ সভাৰ সভাস্থ আগৰ বোৰ গুচি নকৈ কেত বোৰক বাচি পঠিয়াই।

পাৰ্লিমেণ্টৰ প্ৰধান কৰ্ম্ম ৰাজ্য শাসনলৈ আইন কৰা আৰু ৰাজ্য শাসনৰ ভগনলৈ ধন সধোৱা। ৰজাই পাৰ্লিমেণ্টৰ অভিমত নোহোৱাকৈ প্ৰজাৰ ওৰ পৰা কৰ কঁটল সধাব নোৱাৰে। পাৰ্লিমেণ্টে নকৈ আইন কৰে, আৰু পুৰণি ব্যৱস্থাক ৰহিত কৰিব পাৰে। কোনো আইন কৰিব লাগিলে দুই সভাৰ কোনো সভাস্থেই আগে নিবেদন কৰি সভাক জনাব পাৰে, পিচে যি সভাৰ সভাস্থে আইন প্ৰসঙ্গ কৰে সেই সভাস্থ সকলে সেই প্ৰসঙ্গ তিনি বেলি পঢ়ি ৰৰকৈ গমি চাই অৰ্থাৎ সেই আইনক চলতি কৰা জাব নে নেজাব, পিচে বিবেচনা কৰি যদি সভাৰ অনেকে সম্মত হয় তেন্তে সেই প্ৰসঙ্গ সি সভালৈ পঠোৱা জাই; সি সভাতো বিবেচনা ।২০৮। হৈ তাৰ সভাস্থ বিলাকো যদি সম্মত হয় তেন্তে সেই প্ৰসঙ্গ ৰজাৰ তলৈ যায়, পিচে ৰজাইও সম্মত হৈ চহি কৰিলে সেই আইন হয় আৰু প্ৰজাই তাক মানিব পাই। কিন্তু ৰজাই চহি নকৰিলে আইন হব নোৱাৰে। যদি কোনো লোকে ৰাজদ্ৰোহ কৰে বা ব্যৱস্থাৰ বিপৰীত কৰি দেশৰ দন্য কৰে তেন্তে তাৰ নামে এই সভাত গোচৰ হয়।

ইংগ্লণ্ড দেশৰ গোচৰ সোধাৰ ৰীতিও বেলেগ, ইংৰাজি ভাষাত তাকে জুৰিৰ বিচাৰ বোলে। যেতিয়া কোনো মানুহ পদকিয়া ৰূপে সোধৰ চৰালৈ অনা হয় তেতিয়া তাৰ ওচৰ চুবুৰিয়া ১২ জনক মাতি আনি জুৰি কৰি বহুৱাই পিচে সাক্ষীবাদিৰ মুখ সিবিলাকে শুনিলে সোধ কৰা জনাই সোধে বোলে পদকিয়া দোষী নে নিৰ্দ্দোষী? পিচে সিবিলাকে বিবেচনা কৰি দোষী বুলিলে দণ্ড হয় নিৰ্দ্দোষী বুলিলে মুক্ত হয়, কিন্তু পদকিয়াই সেই বাৰ জনাৰ কাতো মানতি নহলে তাক গুচাই আনক দিয়ে; এই ৰূপে কেৰে কাৰো অন্যায় কৰিব নোৱাৰে।

BRIEF SKETCH OF THE CHRISTIAN RELIGION.

খ্ৰীষ্টীয়ান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ।

অনেক লোকে খ্ৰীষ্টীয়ান ধৰ্ম কি নেজানে আৰু নানা দৰে ভাবে, এতেকে ইংৰাজ সকলৰ যি ধৰ্ম্ম তাকে লিখা ।২০৯। গল। খ্ৰীষ্টীয়ানে এই২ কথা মানে বোলে ৰূম নগৰৰ ৭৫৩ সনত অৰ্থাৎ ১৮৪৬ বচৰ হৈচে, ৰোম ৰাজ্যৰ পাতচা আগষ্টচৰ দিনত পৃথিবীৰ সকলে সুখী হৈ কাল যাপন কৰিচিল; এনেতে ঈশ্বৰে

তেঁওৰ পুতেক য়িশুখ্রীষ্টক মনুষ্যলৈ পূৰ্ব্বৰ ধৰ্ম্ম বিলাকতকৈও এক নিৰ্ম্মল আৰু পবিত্ৰ ধৰ্ম্ম প্ৰকাশ কৰিবলৈ পঠিয়ালে। য়িশুখ্রীষ্ট য়িহুদা দেশৰ বৈথলিহিম নগৰত হেৰোড ৰজাৰ দিনত উপজিছিল, তেঁওৰ মাক মৰিয়ম কুমাৰী আছিল। তেঁও উপজিলত যিৰুসালমৰ পূৰ্ব্ব দেশৰ পৰা জ্ঞানী মানুহ তৰা এটাৰ দ্বাৰা বাট চিনি তেঁওক সেৱা কৰিবলৈ আহি সোন ধুনা ইত্যাদি দান দিলে। পিচে হেৰোড ৰজাই দুবচৰতকৈ সৰু সকলো বোৰ লৰাক মাৰিবলৈ আজ্ঞা দিলত তাৰ পৰা ৰক্ষা পাবলৈ য়িশুখ্রীষ্টক লৈ তেঁওৰ মাক মিচৰ দেশলৈ পলাই গৈ তাতে হেৰোড নমৰালৈকে থাকি সি মৰিলত আকৌ য়িহুদা দেশলৈ আহি গালিলিৰ নাজেৰেথ নগৰত ৰলহি। য়িশুখ্রীষ্ট ৩০ বচৰ বয়সিয়াল হলত তেঁওৰ ধৰ্ম্ম প্ৰকাশ কৰিবলৈ অৰ্থাৎ মনুষ্য সকলক ঈশ্বৰে সৈতে মিলাই ক্ষমা কৰি পৰিত্ৰাণ কৰিবলৈ আৰম্ভ কৰিলে। তেঁও সকলোকে ভাল কৰি ফুৰি মানুহ বিলাকক উপদেশ দি মন পালটাবলৈ আৰু অনিত্য বস্তুৰ পৰা নিত্য বস্তুত মন দিবলৈ শিকালে। তেঁওৰ কথা সাব্যস্ত কৰিবলৈ তেঁও অনেক অদ্ভুত কৰ্ম্ম অৰ্থাৎ নৰিয়া ভাল কৰা, কনাক চকু দিয়া, খোৰাক খোজ কাঢ়িব পৰা কৰা, মৰাক জিওৱা, ।২১০। কুষ্ঠ ৰোগীক ভাল কৰা আৰু সৰু লৰাক কোলাত লৈ আশীৰ্ব্বাদ কৰা ইত্যাদি কৰিলে। তেঁও আগলৈ কি হব তাকো কৈছিল আৰু সেই কথা ফলিছিল, বিশেষ ময় মৰাৰ তিনি দিনৰ দিনা আকৌ উঠিম বুলি যে কৈছিল সেই কথাও ঘটিল, কিয়নো য়িহুদী বিলাকৰ শাসন কৰ্ত্তা বোৰে তেঁওক খঙ্গ কৰি পন্তিয়চ পাইলেট নামে শাসন কৰ্ত্তাৰ দ্বাৰা তেঁওক মৰালে। সপ্তাহৰ ষষ্ঠ দিনা শুক্ৰবাৰে তেঁওক ক্ৰুশত বধ কৰিলে; তেঁওৰ শৰীৰক মাটিত গোৰ দি চিপাহিয়ে শুক্ৰ শনিবাৰে ৰখি আছিল, পিচে ৰবিবাৰৰ দিনা অৰ্থাৎ সপ্তাহৰ প্ৰথম দিনা গ্যোৰৰ পৰা তেঁও আকৌ উঠি পৃথিবীত ৪০ দিনলৈকে দেখা দি তেঁওৰ শিষ্য বিলাকত সাব্যস্ত জনাই সকলো দেশৰ লোকক সেই ধৰ্ম্ম প্ৰবৰ্ত্তাবলৈ আজ্ঞা দি সিবিলাকক যিৰুসালমৰ পৰা অলিৰেত পৰ্ব্বতলৈ নিলে, তাৰে পৰা সিবিলাকক আশীৰ্ব্বাদ কৰি তেঁও স্বৰ্গলৈ উঠি দহ দিনৰ মূৰত তেঁওৰ অঙ্গীকাৰ অনুসাৰে শিষ্য সকলৰ ওপৰত পবিত্ৰ আত্মা দিলে। সেই পবিত্ৰ আত্মা আদিতে ধুমুহাৰ দৰে শব্দ কৰি জুইৰ নিচিনা হৈ আহিল আৰু এতিয়া য়িশুখ্রীষ্টত বিশ্বাসী সকলোকে পবিত্ৰ আৰু সান্ত্বনা কৰে।

য়িশুখ্রীষ্টে এই ৰূপে জন্ম লৈ এই সকল কৰ্ম্ম কৰিচে বুলি খ্রীষ্টীয়ান ধৰ্ম্মাবলম্বী সকলে কয়।

খ্রীষ্টীয়ান সকলে এই বিশ্বাস কৰে বোলে ঈশ্বৰ এক জনা, সৰ্ব্ব শক্তিমান, অনাদি, অনন্ত, সৰ্ব্বজ্ঞ, সৰ্ব্ব ন্যায্য, সৰ্ব্ব ।২১১। কৃপাবান, সৰ্ব্ব সত্য, সৰ্ব্বোত্তম। ভূতে সদাই মনুষ্যক পাপ কৰিবলৈ লোৱাইচে, কিন্তু ঈশ্বৰৰ দূতে

সদাই থাকি বিশ্বাসী বিলাকক ধৰ্ম্মোপদেশ দিচে আৰু বিশ্বাস কৰে বোলে শেষ দিনা সিবিলাক সকলোৰে শৰীৰ আকৌ উঠিব আৰু য়িশুখ্ৰীষ্ট পৃথিবীৰ অন্তত আকৌ আহি সকলো মনুষ্যৰে সোধ সুধি সিবিলাকক কৰ্ম্মানুসাৰে দণ্ড বা পুৰস্কাৰ কৰিব অৰ্থাৎ পুণ্যৱন্ত সকল ঈশ্বৰৰ আগত থাকি স্বৰ্গৰ চিৰস্থায়ী সুখ ভোগলৈ জাব কিন্তু পাপী আৰু দুষ্ট বিলাক নৰকৰ কেতিয়াও নুনুমোৱা জুইত পৰিব।

খ্ৰীষ্টীয়ান সমূহক খ্ৰীষ্টীয়ান মণ্ডলী বোলে আৰু বাপ্তিস্তৰ সংস্কাৰ দ্বাৰা সেই মণ্ডলীলৈ সোমাব পাৰি আৰু সহভোগৰ চিন প্ৰভু ভোজনৰ সংস্কাৰ।

খ্ৰীষ্টীয়ান বিলাকৰ পুৰোহিত আচে আৰু সিবিলাকেই ধৰ্ম্মোপদেশ দিয়ে আৰু প্ৰাৰ্থনা কৰে। খ্ৰীষ্টীয়ানৰ ধৰ্ম্ম পুস্তক বাইবল্; সিবিলাকৰ ব্ৰত আৰু পৰ্ব্ব আচে, আৰু সপ্তাহৰ প্ৰথম দিনা অৰ্থাৎ ৰবিবাৰে য়িশু আকৌ গোৰৰ পৰা উঠিচিল হেতুকে সেই দিনা প্ৰাৰ্থনা কৰে।

খ্ৰীষ্টীয়ান ধৰ্ম্মে ধনক প্ৰীতি কৰা আৰু তাক পাবলৈ বিচাৰা, অহঙ্কাৰ, প্ৰতিহিংসা, ব্যভিচাৰ ক্ৰিয়া, লোভ, প্ৰতাৰণা, নিন্দা, গৰ্ব্ব, সৰহকৈ খোৱা, খোৱা পিয়া আৰু পিন্ধাত অসাৱধানতা, গোচৰ, ক্ৰোধ, দন্দ, শত্ৰুতা, বিবাদ এই সকল কৰ্ম্ম কৰিবলৈ টানকৈ হাক দিয়ে কিন্তু নম্ৰতা, মৃদুতা, ধৈৰ্য্যতা, ।২১২। পবিত্ৰতা, ক্ষমা, সৰু ঠাইত বহিবলৈ বাচি লোৱা, পৰস্পৰৰ ভৰি ধুওৱা, শত্ৰুক প্ৰীতি কৰা, অপমান আৰু অপকাৰক সহি থকা, সত্যতা, সাধুতা, দান কৰা, ব্ৰত কৰা, ঈশ্বৰক প্ৰাৰ্থনা কৰা, বিশ্বাস আৰু সকলোতকৈ ঘাইকৈ দানশীলতা এই সকল কৰ্ম্ম কৰিবলৈ সকলোকে উপদেশ দিয়ে।

BRIEF SKETCH OF THE MAHOMEDAN RELIGION.

মুষলমান ধৰ্ম্মৰ সংক্ষেপ বিবৰণ।

মহম্মদ ইংৰেজি ৫৭০ শকত অৰ্থাৎ খ্ৰীষ্ট জন্মিবৰ ৫৭০ বছৰৰ মূৰত আৰব দেশৰ মক্কা নগৰত উপজিচিল। তেঁও আদিতে বাণিজ্য কৰিচিল, পিচে খাদিয়া নামে এজনি ধনৱন্ত বিধৱাক বিয়া কৰাই বাণিজ্য ব্যৱসায় কৰি কাৰো সঙ্গ নকৰাকৈ ভালে মান দিন অকলে আচিল আৰু এনেকৈ একাকী হৈ থাকোঁতে বোলে জিবৰেইল নামে ঈশ্বৰৰ দূত সাক্ষাৎ হৈ তেঁওক ঈশ্বৰে নবি পাতিচে বুলি কলে। পিচে এনেকৈ অনেক দৈব বাণী হৈচিল বুলি তেঁও কৈচিল। প্ৰথমে তেঁও ধৰ্ম্ম প্ৰকাশ কৰোঁতে অতি মৃদু আৰু নম্ৰ আচিল কিন্তু

শেষত তেঁও তৰোৱালেৰে আপোন ধৰ্ম্ম প্ৰকাশ কৰিলত তেঁওৰ মহা পৰাক্ৰমৰ নিমিত্তে অনেক দেশৰ লোকে তেঁওৰ ধৰ্ম্ম ললে। যি পুথিত মুষলমানৰ ধৰ্ম্ম আচে ।২১৩। তাকে কোৰাণ বোলে আৰু তাত খ্ৰীষ্টীয়ানৰ বাইবলৰ আৰু য়িহুদী বিলাকৰ তালমদ পুথিৰ অনেক কথা আচে।

মুষলমান বিলাকে একে জনা ঈশ্বৰক সম্পূৰ্ণ নিৰ্ব্বিকাৰ সৃষ্টি কৰ্ত্তা ৰক্ষক আৰু সকলোৰে আজ্ঞা কাৰক বুলি মানে। সিবিলাকে প্ৰতিমা পূজাক ইমানকৈ ভয় কৰে যে জিয়াই থকা কোনো বস্তুৰ ছবি বা মূৰ্ত্তিকো ব্যৱহাৰ কৰিব নাপাই। মুষলমানে ঈশ্বৰৰ দূত আৰু ভূত ইত্যাদিত বিশ্বাস কৰে আৰু মুসিসৰ পুস্তক ধৰ্ম্ম গীত আৰু খ্ৰীষ্টীয়ানৰ শুভ বাৰ্ত্তা এই সকল ঈশ্বৰৰ বাক্য বুলি মানে। আদম, নূঃ, এব্ৰাহাম, মুসিস আৰু য়িশুখ্ৰীষ্টক ঈশ্বৰৰ নবি বুলি মানে কিন্তু মহম্মদক ঘাই বুলি বিশ্বাস কৰে। শৰীৰ আকৌ উঠাক আৰু সোধ হোৱাৰ কথাও মানে আৰু ভাবে বোলে বেয়া ভাল সকলো কথা ঈশ্বৰৰ আজ্ঞাৰে হয় আৰু সেই সকলু সুখ স্বৰ্গত চিৰস্থায়ী পাতত লেখি থৈচে।

এই ধৰ্ম্মৰ ক্ৰিয়া সকলৰ মধ্যত প্ৰধান নানা ৰূপে শৰীৰ ধোৱা আৰু দিনৰ ভিতৰত পাঁচ বেলি আৰাধনা কৰা। যেতিয়া মসীদৰ পৰা (নমাজ) প্ৰাৰ্থনা কৰিবলৈ মাতে তেতিয়া শক্তি থকা সকলোৱে প্ৰাৰ্থনা কৰিবলৈ মসীদলৈ জাই। ভাল মুষলমান বিলাক প্ৰাৰ্থনা কৰিবলৈ এনেহে সাৱধান যে আৰাধনাৰ সময় পালে সিবিলাকে যতে থাকে তাতে আঠু কাঢ়ি মক্কাৰ ফালে মুখ দি আৰাধনা কৰে। সিবিলাকে দান দিয়া ব্ৰত কৰা ইত্যাদি পূণ্য কৰ্ম্মও কৰে। সিবিলাকে ত্বকছেদ ।২১৪। ক্ৰিয়াও কৰে আৰু বৰা গাহৰি ইত্যাদি কোনো২ জন্তুৰ মঙহো অপবিত্ৰ বুলি নেখাই। সুৰা খাব নাপাই। দানশীলতা সৰলতা সত্যতা এই সকল কৰিবলৈ মুষলমান ধৰ্ম্মে উপদেশ দিয়ে। নিৰ্ম্মল হবলৈ দৃঢ়কৈ বিধি দিচে। এজন মানুহে চাৰি জনি তিৰোতা বিয়া কৰাব পাই। হত্যা কৰিলে প্ৰাণ দণ্ড কৰিব পাই, বৰ চুৰ কৰিলে হাত কাটিব পাই, ব্যভিচাৰ কৰাক শিল দলিয়াই মাৰিব লাগে, বেশ্যা গমন কাৰীক চাবুক মাৰিব বা দেশৰ পৰা এবচৰলৈ খেদিব পাই আৰু যি সুৰা পান কৰে তাক ৮০ চাবুক মাৰিব পাই।

SELECT SENTENCES AND PARAGRAPHS.

নানা বচন।

আনৰ উন্নতিত বিষম পাই সিবিলাকক মানুহৰ প্ৰশংসাৰ পৰা বঞ্চিত কৰিবলৈ ইচ্ছা কৰা হিংসক মানুহক হে চিন।

যি মানুহ অপৰিমিত ৰূপে চলে আৰু সদাই সোৰোপা হৈ থাকে তাকে হে আমি নৰিয়া দেখিম, শৰীৰৰ বাহিৰৰ নৰিয়া দৰিদ্ৰতা ইত্যাদি যি দুঃখ, কুকৰ্ম্ম কৰিলে মনত যি চিন্তা হয় তাতকৈ পাতল।

ধন আৰু সুখৰ লোভে মনুষ্যক পাপ কৰ্ম্ম কৰোৱাই।

যি মানুহে একে বেলিয়ে সৰহ কৰিম বুলি বাট চাই ।২১৫। থাকে সি এনেকৈ ভাবি থাকোঁতেই মৰিব পাৰে আৰু অন্ত কালত মিচা ভৰষাৰ সলনি শোক কৰে।

আমি অতি মৰমিয়াল হৈ আনৰ দোষাদোষ চাব পাওঁ কিন্তু আপোনাৰ দোষ বিচাৰোঁতে অতি দৃঢ় হব পাওঁ।

অপকাৰৰ নিমিত্তে উপকাৰ কৰাৰ সমান প্ৰতিহিংসা নাই।

অপকাৰৰ নিমিত্তে প্ৰতিহিংসা কৰিলে শত্ৰুৰ সমান হয় কিন্তু ক্ষমা কৰিলে শত্ৰুতকৈ ডাঙ্গৰ হয়।

ঈশ্বৰ সকলোতকৈ দয়ালু, তেঁও আমাৰ পিতৃ। আমি সৎ কৰ্ম্ম কৰিলে তেঁও ভাল পায় আৰু অকৰ্ম্ম কৰিলে বেয়া পায়। এতেকে আমি তেঁওক বৰ প্ৰেম কৰিব পাওঁ।

দুখিয়া মানুহে তোমাৰ সহায় খুজিলে তাক অপমান নকৰিবা। সিবিলাকৰ কামনা যদি সিদ্ধি কৰিব নোৱাৰা তেন্তে নম্ৰ হৈ নোৱাৰোঁ বুলিবা, তোমাৰ দুখিয়ালৈ মৰম লাগিলে তাক প্ৰকাশ কৰিবলৈ লাজ নকৰিবা।

তোমাৰ পিতৃ মাতৃৰ হিত পৰামৰ্শ শুনিবা আৰু সিবিলাকৰ উপদেশ মনত সাঁচি থবা। সিবিলাকৰ বয়সক মান্য কৰিবা আৰু সিবিলাকৰ সঙ্গৰ পৰা যি লাভ হয় তাক কৃতজ্ঞ হৈ ভোগ কৰিবা; এক সৎ লৰাই তেঁওৰ অতি চেনেহৰ পিতৃ মৰাত বৰকৈ বিলাপ কৰাত তেঁওৰ মিত্ৰ বিলাকে এই বুলি সান্ত্বনা কৰি কলে, বোলে, তোমাৰ পিতৃক তুমি সদাই মান্য ।২১৬। আৰু চেনেহ কৰিচিলা নে? তাতে সেই লৰাই উত্তৰ দিলে বোলে ময় পিতৃ জিয়াই থাকোঁতে তেনে হেন ভাবিচিলোঁ কিন্তু এতিয়া পূৰ্ব্বে যেনেকৈ অমান্য কৰিচিলোঁ সেই সকল কথা মনত পৰি অতি বিষম পাওঁ।

চৰ্ আইজাক্ নিউটন নামে এজন বৰ পণ্ডিতৰ অতি জুৰ স্বভাব আচিল। তেঁও যি গৃহত শাস্ত্ৰাদি আলোচনা কৰিচিল তাৰে পৰা এক সময়ত আন এঠাইলৈ জোৱাত তেঁওৰ কাকত বিলাকৰ গুৰিত এটি সৰু কুকুৰ আচিল, সেইয়ে চাকি পেলাই তেঁও কেই বচৰ মান পুৰুষাৰ্থ কৰি যি পুথি লেখিচিল তাক গোটেই পুৰিলে। নিউটন সাহাবে এই বিপত্তি দেখি তেঁওৰ জুৰ স্বভাৱেৰে আন একোকে নুবুলি, মুঠে কলে বোলে ডাইয়েমণ্ড, অ ডাইয়েমণ্ড, তয় যি অকৰ্ম্ম কৰিলি তাক তয় ভু নাপা।

জন হাউয়াৰ্ড সাহাবে এবচৰৰ মুৰত তেঁওৰ হিসাপ কৰি কিছুমান ৰূপ পাব লগা হলত তেঁওৰ ভাৰ্য্যাক সেই ৰূপ ৰঙ্গ তামোচাত ব্যয় কৰিবলৈ কোৱাত তেঁও কলে বোলে এই ধনেৰে এঘৰ দুখিয়া মানুহৰ সুন্দৰ ঘৰ হব পাৰে। এই কথাত সেই ৰূপেই সেই ধন ব্যয় হল।

আৰিষ্টটল পণ্ডিতক যেতিয়া লোকে সুধিলে বোলে মানুহে মিচা কথা কৈ কি লাভ পায়? তেঁও তেতিয়া কলে বোলে সেই মানুহে সঁচা কথা কলেও কেৱে নপঁতিয়াই।

চৰ ফিলিপ চিদনি যুদ্ধত গুলি খাই তেঁওৰ [কৰঙ্গনটো] ।২১৭। ভাঙ্গিলত চাউনিলৈ নিয়া হল, তাতে তেজ গৈ২ বৰ পিয়াহ লাগিলত খাবলৈ পানি খুজিলে। তাকে আনিলত তেঁও বাটিৰে খাবলৈ মুখত লোৱাত আৰু গুলি খোৱা এজন চিপাহি সেই পিনে নিয়া হলত সি পানিৰ বাটি দেখি অভিলাষ কৰিলে। তাতে চিদনিয়ে আপোনাৰ মুখৰ পৰা বাটি নি সেই চিপাহিক দি কলে বোলে মোতকৈ তোমাৰ অভাব হে বঢ়া।

CONCLUSION.
সমাপ্তি।

হে প্ৰিয় লৰা বিলাক। তোমোলাকে এই পুথি পঢ়ি নানা বিদ্যা বিষয়ক কথা জানিলা। কিন্তু অকল পঢ়িলা বুলি সন্তোষ হৈ নাথাকিবা কিন্তু যি পঢ়িলা তাক কেতিয়াও নাপাহৰিবলৈ পুৰুষাৰ্থ কৰিবা। এই পুথি পঢ়ি তোমোলাকে যি উপদেশ পাইচা সেই বোৰ শুনি থাকিলেই নহয় কিন্তু তোমোলাকৰ সকলো কথাতে সেই উপদেশ মনত কৰি কৰ্ম্ম কৰিবা। হে মোৰ প্ৰিয় সৰু মিত্ৰটি হঁত, সম্প্ৰতি আমি তোমোলাকত বিদায় হলোঁ। ঈশ্বৰে তোমোলাকক আশীৰ্ব্বাদ কৰক। তোমোলাকে আকৌ এই ৰূপৰ পুথি পঢ়িবলৈ পাবা, তাৰ পৰা অনেক লাভ আৰু উপকাৰ হব ইতি।

সমাপ্ত।

অসমীয়া লৰাৰ মিত্ৰ

তৃতীয় কাণ্ড

THE
FRIEND OF YOUNG ASSAM

NO. 3

THE
GEOGRAPHICAL INSTRUCTOR
IN ASSAMESE

COMPILED BY A NATIVE OF ASSAM

CALCUTTA:

PRINTED BY RAJKISSEN BANERJEA,

AT THE SUMACHAR CHUNDRICA PRESS,

NO. 10, BACHOO CHATTERJEA'S STREET.

1849

Price 12 As.

অসমীয়া লৰাৰ মিত্ৰ।

৩ তৃতীয় কাণ্ড।

ভূগোল প্ৰকৰণ।

অৰ্থাৎ

পৃথিবীত যি সকল দেশ আছে তাৰ নদী, পৰ্ব্বত, নগৰ,
অদ্ভুত বস্তু, ৰাজ্যশাসন, উৎপন্নদ্ৰব্য, বাণিজ্য,
আৰু লোক সকলৰ ৰীতি, চৰিত্ৰ, ধৰ্ম্ম,
ইত্যাদিৰ বিবৰণ।

অসমীয়া লোক এজনৰ দ্বাৰা

অসম দেশৰ লৰাবিলাকৰ উপকাৰলৈ
অসমীয়া ভাষায় ৰচিত হল।

কলিকাতা নগৰৰ সমাচাৰ চন্দ্ৰিকা যন্ত্ৰত মুদ্ৰাঙ্কিত হল।
শঁক ১৭৭১ খ্ৰীষ্টীয় শঁক ১৮৪৯।
পুথিৰ মূল্য ৶০ মাত্ৰ।

PREFACE.

The exertions of the British Government to introduce the study of English into Assam and through that medium to instruct the natives in the liberal arts and sciences have not met with any degree of success. Our countrymen unable to appreciate the advantages of an English education, instead of returning thanks for the good which it was the object of Government to render them, evinced an ill disposition which led nearly to the abandonment of the project. Nor does it seem likely that they would soon display any promptitude to educate their youth in English.

During the prosperity of the Ahom kings, the children of the respectable classes of people were instructed in Sanscrit; but since the conquest of Assam by the English owing to the want of sufficient encouragement, Sanscrit education has been entirely negleted, so that, at present the Assamese youths are likely to be deprived of the blessings of education.

The plan pursued in the vernacular schools established by Government is not sufficient of itself to give the students a useful practical education, for, the books used in them are in the Bengalie language and consequently they are not strictly vernacular.

The urgent necessity of educational improvement in this country being great, every attempt to raise the Assamese from [2] their deep ignorance and to interest them in useful subjects may be naturally expected from every well-wisher of his country.

It is much easier to acquire knowledge through the medium of a vernacular language than through a foreign; and

it is with a view in some measure of supplying this deficiency that the compilation of the present series has been undertaken.

The following work suited to the comprehension of the youngest classes of learners has been compiled and translated from the English. It contains not only narrative and didactic pieces but it affords information on various other subjects chiefly on Geography, History &c. Brief sketches of the Christian and Mahomedan religions have been likewise inserted.

It is hoped that the series will be continued and a few more books be prepared, should the same encouragement which we have already experienced from our countrymen, and particularly from the European gentlemen be continued to us.

Gowahatty.
22d Dec 1846.

ভূমিকা।

এতদ্দেশত পূর্ব্বে সংস্কৃত বিদ্যাৰ অনুশীলন থকাত সেই ভাষা অধ্যয়ন কৰি সকলো ভদ্র সন্তানে বহু বিধ শাস্ত্রজ্ঞ হৈ বিদ্যাৰ পৰা উৎপত্তি হোৱা সকলো লাভ আৰু সুখ ভোগ কৰি মনুষ্যৰ কর্ত্তব্যাকর্ত্তব্য কৰ্ম্ম সকল জানিছিল। কিন্তু অধুনা এতদ্দেশ ইংগ্লণ্ডীয়াধীন হোৱাত প্রায় সকলো বিশিষ্ট লোকেই সংস্কৃত কি অন্য কোনো ভাষাধ্যয়ন দ্বাৰা নীতি ধৰ্ম্ম আৰু অন্যান্য শাস্ত্রাদিত নিপুণ হ্বৰ পুৰুষাৰ্থ নকৰি পূৰ্ব্ব পুৰুষ সকলৰ দৃষ্টান্তৰ বিপৰীতাচৰণ কৰা হে দৃষ্ট হয়। প্রায় সকলো ভদ্র সন্তান পঞ্চ কি ষষ্ঠ বৎসৰ বয়স প্রাপ্ত হলে সিবিলাকৰ পিতৃ মাতৃ সকলে অকল অক্ষৰ পৰিচয় আৰু সুন্দৰকৈ লেখিব পৰা কৰিবৰ মনস্থে সামান্য উপদেশ দি এই বিদ্যা দ্বয়ত কিঞ্চিৎ সক্ষম হলেই শাস্ত্রাদি শিক্ষা কৰিব নিদি ভবিষ্যৎ কাললৈ জীবনোপায়ৰ চিন্তা কৰিব দিয়ে। এই ৰূপে এতিয়া সকলো ভদ্র সন্তানেই বিদ্যা ৰত্নৰ অসীম উপকাৰৰ পৰা বঞ্চিত হৈ অন্ধৰ নিচিনা ধৰ্ম্ম আৰু পৰকাললৈ জোৱাৰ বাট নে দেখি ইহ কাল পৰকাল উভয়কে নষ্ট কৰাৰ আগন্তুক কৰিচে। যদিবা কোন লোকে সিবিলাকৰ সন্তান সকলক সংস্কৃতাধ্যয়ন কৰায় কিন্তু তাৰ পৰাও বিশেষ উপকাৰ দৃষ্ট হোৱা নাই; কিয়নো কেৱে শাস্ত্র সকলত নিপুণ হ্বলৈ বাট নাচায় আৰু কিঞ্চিৎ ব্যুৎ [খ] পত্তি হলেই পণ্ডিত হৈচোঁ হেন বুলি অধিককৈ অধ্যয়ন কৰাৰ পৰা পৰাঙ্মুখ হয়।

প্রাজ্ঞ মহাশয় সকলে বিবেচনা কৰি চাওক, আমাৰ দেশৰ মনুষ্য সকলে বিদ্যাৰ প্রতি ইমান তাচ্ছল্যতা প্রকাশ কৰি আপোনাৰ অহিত নিচিন্তিচেনে? আৰু উত্তৰ কাললৈ বাঢ়ি অহা সন্তান সকলৰ উন্নতি গুচুৱাৰ হেতু নহৈচেনে? গমি চাওক, বাল্যাবস্থাত যাৰ মন বিদ্যাৰ দীপ্তিৰ দ্বাৰা উজ্বল নহয় সি ডাঙ্গৰ হলে জ্ঞানী আৰু ধাৰ্ম্মিক কেনেকৈ হ্বব? বিদ্যোপাৰ্জ্জন নকৰিলে প্রাজ্ঞ কেনেকৈ হ্বব? আৰু প্রাজ্ঞ নহলে পৰমেশ্বৰক কেনেকৈ জানিব, আৰু তেঁওৰ বাট বা কেনেকৈ চিনিব? এতেকে সকলো পৰোপকাৰী আৰু দেশ হিতৈষী মনুষ্যৰ এতদ্দেশত বৃদ্ধি হৈ অহা এই মহদ্দোষ দৃঢ়কৈ শিফা নৌ ধৰোঁতেই সমূলোৎপাটন কৰিবৰ উপায় চিন্তা কৰা সৰ্ব্বতোভাবে কর্ত্তব্য। এই দেশৰ নিকটবৰ্ত্তি যে বঙ্গ দেশ তন্নিবাসি লোক সকলৰ মধ্যতো এই ৰূপে বিদ্যাৰ আলোচনা হ্রাস হৈছিল, কিন্তু এতিয়া আমাৰ পৰম হিতৈষী শাসন কৰ্ত্তা সকলে বিদ্যাৰ প্রতি অতি উৎসাহ প্রদান কৰি বঙ্গ ভূমিত নানা বিদ্যালয় স্থাপন কৰি দেশীয় আৰু ইংগ্লণ্ডীয় ভাষাৰ দ্বাৰা বিদ্যা বিতৰণ কৰাত ভালেমান লোক অতি সুশিক্ষিত আৰু পণ্ডিত হৈচে; আৰু আমি ভৰসা কৰোঁ যে বঙ্গ দেশত কিচু কালৰ মধ্যত প্রায় সকলো ভদ্র সন্তানেই পণ্ডিত হ্বব। এই দেশতো প্রথমে স্থানে২ দেশীয় আৰু ইংগ্ল [গ] ণ্ডীয় ভাষা শিক্ষাৰ্থে বিদ্যালয় স্থাপন হৈছিল আৰু উত্তৰ কাললৈ তাৰ সংখ্যা বৃদ্ধিও হল

হঁতন, কিন্তু আমাৰ দেশৰ লোক সকলে বিদ্যাৰ প্ৰতি অতিশয় অনাদৰ প্ৰকাশ কৰাত সেই বিদ্যালয় বোৰ হ্ৰাস হৈ গৈচে, অৱশেষত, এতিয়া পূৰ্ব্বে যে সংস্কৃত ভাষা আচিল তাৰ ব্যৱহাৰো গুচিল আৰু ইংগ্লণ্ডীয় ভাষাও ঘৃণ্য হল সুতৰাং বিদ্যা একে বেলিয়ে লোপ হবৰ উপক্ৰম হৈচে।

সংস্কৃত ভাষা অতি সুকঠিন, সম্প্ৰতি এই দেশত যি ৰূপে অধ্যয়ন হয় সেই ৰূপে পঢ়িলে ব্যাকৰণাদি পাঠ কৰি ভাষাৰ বোধ হওঁতেই প্ৰায় চয় সাত বৎসৰাধিক কাল লাগে, তৎপৰে সেই ভাষাৰে লিখিত ন্যায় অলঙ্কাৰ আৰু অন্যান্য ধৰ্ম্ম আৰু নীতি শাস্ত্ৰাদিত যৎসামান্য ব্যুৎপত্তি ও বহুকালৰ শ্ৰম নহলে হব নোৱাৰে; কিন্তু এই দেশৰ লোকৰ সম্প্ৰতি বিদ্যাৰ প্ৰতি যি অনাদৰ তাৰ নিমিত্তে যে ইমান শ্ৰম কৰি সংস্কৃত শাস্ত্ৰ সকল অধ্যয়ম কৰিব সিও অসম্ভব। ইংগ্লণ্ডীয় ভাষাৰে লিখিত অনেক শাস্ত্ৰ আচে আৰু এই ভাষাত নানা বিদ্যাৰ যিমান শাস্ত্ৰ সংস্কৃতত তিমান নাই; কিন্তু সি ভিন্ন দেশীয় ভাষা হেতুকে তাত প্ৰথমে ব্ৰোধ হওঁতেই ভালেমান পুৰুষাৰ্থ আৰু কাল ব্যয় লাগে, পিচে তাৰ নানা শাস্ত্ৰ সকলত নিপুণ হোৱা এই দেশীয় লোকৰ ইদানিকৰ অলসতাৰ নিমিত্তে অসাধ্য। এই সকল প্ৰতিবন্ধক গুচাই বিদ্যা আৰু জ্ঞানৰ কিৰণৰ দ্বাৰা অসম দেশ উজ্ব [ঘ] লাম্বিত কৰিবৰ নিমিত্তে প্ৰধান২ বিদ্যা সকল লোক সমূহৰ বোধ গম্য ভাষায় লিখিত হোৱা আৱশ্যক, কিয়নো সংস্কৃত বা ইংৰাজি ভাষা বুজিব পৰা হবলৈকে যি শ্ৰম আৰু কাল লাগে বোধ গম্য ভাষাত সেই শ্ৰম নালাগে; প্ৰথমেই সকলোৱে নানা বিদ্যা বিষয়ক পুস্তক সকল পাঠ কৰিবলৈ আশু ক্ষম হয়, সুতৰাং ন্যূন পৰিশ্ৰমাবশ্যকতায় লোক সকলৰ সেই বোধ গম্য ভাষাৰে লিখিত পুস্তক পঢ়িবলৈ প্ৰবৃত্তি জম্মিব। কিন্তু এনেকুৱা পুস্তক কত আচে? অনেক গুণবান আৰু সক্ষম মহাশয় সকল আচে কিন্তু অদ্যাপিও কেৱে অসম দেশৰ উপকাৰলৈ এনে কোনো পুস্তক ৰচনা নকৰিলে সেই নিমিত্তে মুঠে নোহোৱাতকৈ এক প্ৰকাৰ হোৱা ভাল, এই সকল বিবেচনা কৰি নানা বিদ্যা আৰু নীতি বিষয়ক 'অসমীয়া লৰাৰ মিত্ৰ' নামে কেত বিলাক পুথি ৰচনাত প্ৰবৃত্ত হৈচোঁ; আৰু সম্প্ৰতি ভালেমান পুৰুষাৰ্থেৰে ইংৰাজী ভাষাৰে লিখিত ভূগোল বিদ্যা বিষয়ক নানা পুস্তক ভাষান্তৰিত কৈ ৰচনা কৰিলোঁ তাত অনেক অশুদ্ধ আচে আৰু এনে কৰ্ম্ম আমাতকৈ নিপুণ লোকে কৰিবৰ হে যোগ্য, কেৱে নকৰাত এই কৰ্ম্মত প্ৰবৰ্ত্ত হবলৈ সাহস কৰিলোঁ; পৰন্তু বিজ্ঞ মহাশয় সকলে অশুদ্ধাদি ক্ষমা কৰিব, কিয়নো যশস্যা পোৱা আমাৰ অভিপ্ৰায় নহয়, কেনেকৈ দেশোপকাৰ হব এই হে প্ৰধান ইচ্ছা।

অসম গুৱাহাটী।
শঁক ১৭৭১ তাৰিখ ২০ জ্যৈষ্ঠ।।১।

ADDRESS TO THE READER.
পাঠকৰ প্ৰতি নিবেদন।

হে মোৰ প্ৰিয় মিত্ৰ সকল- ময় নিশ্চয়কৈ জানো যে তোমোলাকে যি পৃথিবীত বাস কৰিচা তাৰ বিবৰণ শুনিবলৈ বৰ সন্তোষ পাবা, আমাৰ এটাইৰে পিতৃ পৰমেশ্বৰে আপোনাৰ মহিমা আৰু দয়া প্ৰকাশৰ নিমিত্তে আৰু আমাৰ বাস স্থানলৈ এই পৃথিবী স্ৰজিচে। তাৰ উৰ্ব্বৰা মাটিৰ পৰা আমাৰ আহাৰ ওলায়, তাৰ পানিৰেহে আমাৰ পিয়াহ পলায় আৰু তাৰ মূল্যবান বস্তুৰেহে আমি ধনৱন্ত হওঁ। কৃপাবান ঈশ্বৰে এই পৃথিবীত তেঁওৰ অনুগ্ৰহৰ চিনে ভৰাই থৈচে, আৰু পৃথিবীৰ কথা আমি যিমান জানো তিমান ঈশ্বৰৰ কৃপাৰ কথা প্ৰতীতি হয়।

এই পুথিৰ দ্বাৰা পৃথিবীৰ সম্পূৰ্ণ বিবৰণ তোমোলাকে জানিব নোৱাৰা, কিন্তু তোমোলাক যেতিয়া আৰু কিছু ডাঙ্গৰ আৰু জ্ঞানী হোৱা তেতিয়াহে সেই বিলাক কথা ।২। বুঝিব পাৰিবা, সম্প্ৰতি পৃথিবীৰ লোক আৰু দেশ বিলাকৰ কথাহে জানিবা।

তোমোলাকে নিশ্চয় জানিবা যে এই পুথিত সঁচাত বাজে এটিও অপ্ৰমাণিক বা মিচা কথা নাই। ইংৰাজ সকলৰ জাহাজ পৃথিবীৰ সকলো ঠাইলৈকে গৈচে আৰু নানা লোক নানা দেশলৈ গৈ২ সেই দেশৰ বিবৰণ প্ৰকাশ কৰিচে, এতেকে যদি কিবা আচৰিত কথা পঢ়া তাকো মিচা বুলি নাভাবিবা কিয়নো যেতিয়া তোমোলাকৰ মনৰ এন্ধাৰ গুচি বিবেচনা শক্তি হব তেতিয়া দৃঢ়কৈ পতিয়াবা।

ভূগোল বিদ্যাই পৃথিবীৰ ওপৰৰ ঠাইৰ বিবৰণ শিকায়। কিন্তু বিদ্যাৰ বিবৰণ পাঠ কৰাৰ পূৰ্ব্বে এই বিদ্যা শিকিলে কি লাভ হয়, তাকে জনা কৰ্ত্তব্য।

ভূগোল বিদ্যা জানিলে আমাৰ মনে ভালেমান সন্তোষ পায়; আৰু তাৰ পৰা আমাৰ চিত্ত ঈশ্বৰৰ প্ৰতি কৃতজ্ঞ হয়; কিয়নো নানা দেশৰ মানুহে কেনেকৈ থাকে কি সুখ ভোগ কৰে আৰু আমি কেনেকৈ থাকোঁ তাকে জানি আমাৰ সুখ দেখি তুলনাৰ দ্বাৰাই ঈশ্বৰৰ ধন্যবাদ কৰিবলৈ চিত্তে উৎসাহ পায়।

আপোনাৰ ঘৰৰ পৰা অল্প লোকেহে পৰ দেশলৈ ভ্ৰমণ কৰিবলৈ জায়, আৰু অনেকে নমৰে মানলৈকে স্বদেশতে থাকে কিন্তু সকলোৱে কোন দেশ কেনে জানিবলৈ বাঞ্ছা কৰে আৰু সেই অভিলাষ ভূগোল বিদ্যা নেজানিলে সম্পূৰ্ণ ।৩। কৈ সিদ্ধি হব নোৱাৰে; এতেকে এই বিদ্যা শিকিলে যি দেশলৈ তুমি কেতিয়াও জোৱা নাই তাৰ সকলো বিবৰণ জানিবা, আৰু ঘৰৰ ভিতৰত সোমাই থাকিও কোন পিনে কি দেশ আৰু সেই দেশ বিলাকৰ মানুহৰ নো কি

অৱস্থা, কেনে স্বভাৱ, কি ৰূপ ৰীতি চৰিত্ৰ, আৰু তাত নো কি বস্তু জন্মে এই বোৰ সকলোকে জানিবা সেই নিমিত্তে ভূগোল বিদ্যাই মনক প্ৰসন্ন কৰে আৰু মুকলি কৰি নম্ৰ হবলৈ শিকায়।

OF THE SHAPE AND SIZE OF THE EARTH.
পৃথিবীৰ আকৃতি আৰু পৰিমাণৰ কথা।

পৃথিৰী যেন ৰবাব টেঙ্গাটোৰ নিচিনা ঘুৰণিয়া, যদি বোলা তাৰ প্ৰমাণ কি তেন্তে কওঁ শুনা।

সমুদ্ৰৰ পৰা যেতিয়া জাহাজ পাৰলৈ আহে তেতিয়া জাহাজ নিলগত থাকোঁতেই যদি চোৱা তেন্তে আগে তাৰ মস্তুল হে দেখিবা, পিচে ওচৰলৈ আহিলে তলিলৈকে দেখিবা। পৃথিবী ঘুৰণিয়া নোহোৱা হলে নিলগতে গোটেইখন জাহাজকে দেখা গল হঁতন। ভালেমান ব্যাপি থকা সমান পথাৰ এখনত নিলগৰ পৰা গচ বা আন ওখ বস্তুৰ মুৰহে দেখি ওচৰলৈ গলেহে গোটেই গচকে দেখি, পৃথিবীৰ ঘুৰণিয়া আকৃতিৰ নিমিত্তে এই দৰে নেদেখি। কিন্তু এনেকুৱা নিচেই সমান ঠাই এই দেশত প্ৰায় নাই, তাতাৰ দেশত যি মৰু ।৪। ভূমি আচে তাতে নিলগৰ পৰা মানুহক চালে মুৰহে দেখি ওচৰ চাপি গলেহে ভৰিলৈকে দেখি।

আৰু এক প্ৰমাণ এই; তিনি শ বচৰ হল মাগিলন নামে এক সাহাবে স্পেইন দেশৰ পৰা জাহাজ মেলি ক্ৰমে পূব মুখে গৈ২ ১১২৪ দিনৰ মুৰত পৃথিবী ঘুৰি যি ঠাইৰ পৰা জাহাজ মেলিচিল আকৌ তাকে পালে। তাৰ পিচত আৰু অনেক লোকে পৃথিবী ঘুৰিলে; এতিয়া ৯ মাহতে বাণিজ্যৰ জাহাজ ঘুৰি আহে। পৃথিৰী ঘুৰণিয়া নোহোৱা হলে জাহাজৰ মুখ নোভোতাই আকৌ আহিব নোৱাৰিলে হঁতন।

তৃতীয় প্ৰমাণ এই; ব্ৰহ্ম সিদ্ধান্ত আৰু সিদ্ধান্ত শিৰোমণি ইত্যাদি হিন্দু জ্যোতির্গ্ৰন্থত পৃথিৱী কদম ফুলৰ নিচিনা ঘুৰণিয়া বুলি কৈচে। এই কথা ইংৰাজী শাস্ত্ৰ বিলাকে সৈতে মিলে, আৰু অতি স্বৰূপ, কিয়নো তাক পঢ়ি গ্ৰহণ গণি আকাশত কি হব নহব কব পাৰি; এতেকে পৃথিবীৰ আকৃতি ঘুৰণিয়াত বাজে আন একো নহয়।

পৃথিবীৰ পৰিধি পঁচিচ হেজাৰ মাইল অৰ্থাৎ তিমান ডাঁৰৰ বাট, নাইবা এঁকৈচ হেজাৰ আঠ শ পাঁচ সত্তৰি ক্ৰোশ (পৃথিবীখন ঘুৰাই এডাল জৰি মেৰিয়ালে সেই জৰিডালকে পৰিধি বা বেষ্টন বোলে) আৰু ব্যাস প্ৰায় আঠ হেজাৰ মাইল বা সাত হেজাৰ ক্ৰোশ (পৃথিবীৰ মাজেৰে অৰ্থাৎ উত্তৰ কেন্দ্ৰৰ পৰা দক্ষিণ কেন্দ্ৰলৈকে এডাল সতা সমালে সেই সূতাকে ব্যাস বোলে।) ।৫।

DEFINITIONS.
ভূগোল বিদ্যাৰ নানা শব্দৰ অৰ্থ।

ভূগোল বিদ্যাৰ অৰ্থ আমি পূৰ্ব্বেই কৈচোঁ, ই পৃথিবীৰ ওপৰ ডোখৰৰহে বিবৰণ কয়, কিন্তু তাৰ ভিতৰৰ বিবৰণ আন বিদ্যাত হে আচে।

পৃথিবীৰ ওপৰত জল আৰু স্থল আচে, তাৰ দুভাগ মান জল, এভাগ স্থল। সেই জল বোৰ গোটেই লুনিয়া, আৰু পাগিলে সেৰত আদ্ পোৱাকে লোন পৰে।

যিবিলাক জল আৰু স্থলৰ ভাগৰ আকৃতি একে সেই বিলাকৰ একোটা নাম দি বিভাগ কৰা গৈচে।

স্থলৰ স্বাভাৱিক অংশ এই২, যথা, মহাদ্বীপ, দ্বীপ, প্ৰায় দ্বীপ, ডমৰুমধ্য, অন্তৰীপ আৰু পৰ্ব্বত ইত্যাদি। জলৰ অংশ এই২, যথা, মহাসাগৰ, সাগৰ, হ্ৰদ, খাল, অখাত, মোহনা আৰু নদী ইত্যাদি।

অনেক ব্যাপি থকা যি মাটি আৰু যাৰ ওপৰত অনেক দেশ আচে কিন্তু সাগৰৰ দ্বাৰা ভাগ হোৱা নাই তাকে মহাদ্বীপ বোলে। পৃথিবীত দুখনহে মহাদ্বীপ আচে অৰ্থাৎ নদ্বীপ, আৰু পূৰণি দ্বীপ।

দ্বীপ অৰ্থাৎ মাজুলি। যি ঠাইৰ চাৰিও ফালে পানি থাকে তাকে দ্বীপ বোলে, সেই দ্বীপৰে সৰু২ বিলাকক উপদ্বীপ বোলে। ।৬।

যি ঠাইৰ চাৰিও ফালে পানি কিন্তু এফালে মৃত্তিকাই সৈতে যোগ হৈ থাকে তাকে প্ৰায় দ্বীপ বোলা জায়।

যি ঠেক ঠাই ডোখৰে দোডোখৰ ডাঙ্গৰ ঠাইক একে লগ কৰে তাকে ডমৰুমধ্য বোলে।

মাটিৰ যি ভাগ মহাদ্বীপৰ পৰা সমুদ্ৰৰ ভালেমান নিলগলৈকে ক্ৰমে চিয়া হৈ আগবাঢ়ি জায় তাৰে আগ ডুখৰিক অন্তৰীপ বোলে।

যি ঠাই বৰ ওখ আৰু সিল মাটিৰ তাকে পৰ্ব্বত বোলে।

জল বিভাগ, যথা– যি লুনিয়া পানি গোটেই পৃথিবীকে ব্যাপিচে তাকে মহাসাগৰ বোলে।

মহাসাগৰৰ যি ভাগৰ তিনিও ফালে মাটি কিন্তু এফালে পানিয়েৰে মিলি থাকে তাকে সাগৰ বোলা জায়।

হ্ৰদ, ই পুখুৰিৰ নিচিনা, তাৰে চাৰিও ফালে মাটি, কোনো পিনে পানিৰে নিম্মিলে তাকে হ্ৰদ বোলে।

সমুদ্ৰৰ যি ভাগ বাহু খনৰ নিচিনা হৈ মাটিত সোমায় তাকে খাল বোলে। আৰু তাৰে যি বোৰ খাল বৰ বহল তাকে অখাত বোলে।

সমুদ্ৰৰ যি ভাগ ঠেক হৈ দোডোখৰ ঠাইক বেলেগ কৰে তাকে মোহনা বোলে, আৰু সেই মোহনা বহল হলে বৃহদ মোহনা বোলে।

মেঘৰ পৰা বৰখুন হৈ যি পানি পৰে সেই পানি পৰ্ব্বতৰ কানো দ ঠাইত একে লগ হৈ পিচে তাৰ পৰা সোঁত হৈ ।৭। তেনে আৰু সোঁতে সৈতে কেতিয়াবা২ মিলি সাগৰত পৰিলে সেই সোঁতকে নদী বোলে।

মনুষ্যৰ দ্বাৰা জল আৰু স্থল বিভাগ।

পৃথিবীৰ ওপৰৰ স্থলক পূৰ্ব্বে ভূগোল বেত্তা সকলে চাৰি ভাগকৈ বিভাগ কৰিচিল, তাকে ইংৰাজি ভাষাত আসিয়া, ইউৰোপ, আফ্রিকা আৰু আমেৰিকা বোলে, কিন্তু এতিয়া ন ন ঠাই দৃষ্ট হোৱাত স্থলক পাঁচ ভাগ কৰা জায়, কেৱে২ ছয় ভাগো কৰে, অৰ্থাৎ আসিয়া, ইউৰোপ, আফ্রিকা, আমেৰিকা, অষ্ট্ৰেলাসিয়া আৰু পলিনাসিয়া। কিন্তু যি পাঁচ ভাগ কৰে সি অষ্ট্ৰেলাসিয়া আৰু পলিনাসিয়া দুইও খণ্ডক একে ভাগ বুলি পঞ্চম ভাগ বোলে, এই কেই ভাগত নানা দেশ আচে তাৰ বিবৰণ পিচে লিখা জাব।

পৃথিবীৰ জলক পাঁচ ভাগ কৰা জায়, অৰ্থাৎ পাচিফিক মহাসাগৰ, অট্লাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ আৰু দক্ষিণ মহাসাগৰ।

MANKIND.

মনুষ্য জাতিৰ কথা।

পৃথিবীত বাস কৰা এটাই বোৰ মনুষ্য একে দৰৰ নহয়, কিন্তু দেশ লৈ২ মানুহৰ বৰ্ণ, গঢ়, স্বভাব আৰু বুদ্ধি বেলেগ।

ইউৰোপ খণ্ড, আসিয়াৰ পশ্চিম ফাল, আফ্রিকাৰ উত্তৰ ।৮। ডোখৰ, এই বিলাকৰ মানুহৰ বৰ্ণ অতি বগা, দেখিবলৈ গঢ়িত, অতি বিদ্যাৱন্ত আৰু স্বভাৱো সজ।

আফ্রিকাৰ উত্তৰ ডোখৰত বাজে গোটেই খণ্ডতে যি মানুহ বাস কৰে সিহঁতৰ বৰ্ণ অতি কলা, প্ৰায় এঙ্গাৰৰ নিচিনা, চুলি কুটকুৰা, দেখিবলৈকো বেয়া আৰু নিচেই অজ্ঞান।

আসিয়াৰ উত্তৰ আৰু পূৰ্ব্ব ফালৰ মানুহ বিলাকৰ বৰ্ণ সেঁতা হালধিয়া আৰু সাঁও বৰণিয়া, মুখ বোৰ চেপেটা। পূৰ্ব্বৰে পৰা একে দৰৰ সভ্য আৰু স্বভাবো মৃদু। ইউৰোপৰ আৰু আমেৰিকাৰ অতি উত্তৰৰ লোক বিলাকো এই দৰৰ।

সাগৰৰ কেতবোৰ উপদ্বীপৰ মানুহ বোৰৰ কিচু কলা বৰ্ণ, দিঘল চুলি, বলিষ্ট, কিন্তু বৰ অসভ্য।

আমেৰিকা খণ্ডৰ আদি মানুহ বিলাকৰ বৰ্ণ তাম বৰণিয়া ৰঙ্গা, স্বভাৱ কোমল কিন্তু অসভ্য। পৃথিবীৰ মধ্যত মুঠে ন অৰ্ব্বুদ অৰ্থাৎ নব্বই কোটিতকৈ সৰহ মানুহ আচে।

CIVILIZATION.

সভ্যতাৰ কথা।

পৃথিবীৰ সকলো দেশৰ মানুহৰ অৱস্থা একে নহয়, পাঁচ বিধ অৱস্থা অৰ্থাৎ বন্য, অসভ্য, অৰ্দ্ধসভ্য, সভ্য আৰু অতিসভ্য।

যিবিলাক লোকে মৃগয়া কৰি ডকাদি বা ফল মুল খাই থাকে, গাঁতত বা পজাত বাস কৰে, চাল পিন্ধে বা লাঙটে ।৯। ফুৰে আৰু খেতি কৰি নগৰ কৰি থাকিব নেজানে সিহঁতকে বন্য জাতি বুলি, এনেকুৱা মানুহ আমেৰিকাৰ ঠায়ে২ আফ্ৰিকাৰ মাজ ঠাইত, অষ্ট্ৰেলিয়া আৰু পলিনাসিয়াৰ উপদ্বীপ বিলাকত বাস কৰে।

যিবোৰ মানুহ চালৰ ঘৰ কৰি থাকি একোজাক ঘৰচিয়া পশু লৈ এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমি ফুৰে, কাপৰ বৱলৈ আৰু ৰান্ধিবলৈ জানে, কিন্তু পুথি নাই আৰু শিল্প বিদ্যাও নেজানে, সিহঁতকে অসভ্য বোলে। আসিয়া আৰু আফ্ৰিকাৰ ঠায়ে২ এনে মানুহ বাস কৰে।

অৰ্দ্ধ সভ্য দেশৰ মানুহ বিলাকে নগৰ কৰি থাকে, শিল্প বিদ্যা জানে, পুথি ৰাখে ব্যৱস্থা আচে, কিন্তু পৰ দেশেৰে বাণিজ্য নাই, জ্ঞান বিদ্যাৰ বৃদ্ধি নাই, আৰু সামান্য মানুহ বোৰেও বিদ্যা নিশিকে। আসিয়াৰ অনেক দেশ আৰু আফ্ৰিকাৰ উত্তৰৰ মানুহ বিলাক এই অৱস্থাত আচে।

যি দেশ সভ্য, তাৰ মানুহে শিল্প বিদ্যা ইত্যাদি সকলো বিদ্যা সুন্দৰে জানে, কিন্তু অনেক অসভ্য ৰীতি আচে আৰু প্ৰায় লোক অজ্ঞান। ইউৰোপৰ কেতবোৰ দেশ আৰু আমেৰিকাৰ ঠায়ে২ লোক সকলৰ এই অৱস্থা।

অতি সভ্য লোক বিলাক বিদ্যা আৰু শিল্প কৰ্ম্মত বৰ পাৰ্গত, কলেৰে সকলো কৰ্ম্মকে কৰে, বাণিজ্য আৰু জ্ঞানত অতি শ্ৰেষ্ঠ। ইংগ্লণ্ডকে আদি কৰি ইউৰোপৰ কেতবোৰ দেশ ।১০। আৰু আমেৰিকাৰ সম্মিলিত মণ্ডলৰ মানুহ বিলাক অতি সভ্য।

RELIGIONS.

ধৰ্ম্ম।

পৃথিবীৰ মধ্যত চাৰি প্ৰকাৰ ধৰ্ম্ম চলিচে অৰ্থাৎ নানা বিধৰ দেব দেবী পূজকৰ মত, য়িহুদি ধৰ্ম্ম, খ্ৰীষ্টীয়ান ধৰ্ম্ম আৰু মুষলমান ধৰ্ম্ম।

দেব দেবী পূজকৰ নানা মত আচে, যাই হিন্দু আৰু বৌদ্ধ মত, এই দুই ধৰ্ম্ম ভাৰতবৰ্ষত, আৰু চীন মান ইত্যাদি দেশৰ মানুহে মানে।

THE JEWISH RELIGION.

য়িহুদি ধৰ্ম্মৰ বিবৰণ।

য়িহুদি সকলৰ ধৰ্ম্ম এই যে বহু কাল হৈচে ঈশ্বৰে য়িহুদি নামে এক বিশেষ জাতি বাচি লৈ এব্ৰাহামক তাৰ অধ্যক্ষ কৰিলে। কালক্ৰমে সিবিলাকৰ সংখ্যা বাঢ়িলত ঈশ্বৰে সিবিলাকক মিচৰ দেশৰ পৰা আনিলে, আৰু সিবিলাক অহাত মিচৰৰ ফেৰৌ ৰজাই পিচে২ খেদি অহাত তাক সসৈন্যে চুফ সমুদ্ৰত ডুবাই মাৰিলে, পাচে ঈশ্বৰে সিবিলাকক সুচিচৰ দ্বাৰা কেতবোৰ ব্যৱস্থা দিলে, তাৰ দ্বাৰা প্ৰতিমা পূজা কৰিবলৈ হাক হল, কেতবোৰ ক্ৰিয়া কৰিবৰ আজ্ঞা হল, আৰু ।১১। পুৰোহিত কেতবিলাক নিয়োযিত হল, সেই ব্যৱস্থাৰ দ্বাৰা য়িহুদি বিলাকক জন্তু বলি দিবলৈ, পৰ্ব্ব আৰু পবিত্ৰ দিন ৰাখিবলৈ আজ্ঞা হল। সিবিলাকৰ বৃত্তিৰ দহ ভাগৰ এভাগ ঈশ্বৰৰ সেৱাত লগাইচিল, সিবিলাকে ঈশ্বৰৰ আৰাধনা কৰিবলৈ এক মহা আচৰিত মন্দিৰ কৰিচিল, আৰু সিবিলাকে সপ্তাহৰ সপ্তম দিনা অৰ্থাৎ শনিবাৰে একো বন নকৰি ধৰ্ম্ম কৰ্ম্ম কৰিচিল, কিয়নো সেই দিনা ঈশ্বৰে সৃষ্টি কৰি জিৰাইচিল। মিচা কথা কোৱা, পৰস্ত্ৰী গমন, লোভ কৰা, ইত্যাদি কৰ্ম্ম বৰ নিষেধ আচিল, গোলাম ৰাখিব পাৰিচিল আৰু স্বদেশক প্ৰীতি কৰিবৰ আজ্ঞা আচিল, সিবিলাকে কৃষি কৰিচিল আৰু যিৰুযলেম নামে সিবিলাকৰ নগৰত পূৰ্ব্বত সকলে একে লগ হৈচিল।

THE CHRISTIAN RELIGION.

খ্ৰীষ্টীয়ান ধৰ্ম্মৰ বিবৰণ।

খ্ৰীষ্টীয়ান সকলে বিশ্বাস কৰে যে কালক্ৰমে য়িহুদি সকলৰ ধৰ্ম্ম সম্পূৰ্ণ কৰিবলৈ আৰু সিবিলাকক আৰু আন জাতিক ধৰ্ম্ম কথা শিকাবলৈ ঈশ্বৰে

য়িশুখ্ৰীষ্টক পঠালে। তেঁও স্বয়ং সকলো ধৰ্ম্ম আৰু পুণ্যৰ উপমা আছিল, আৰু মনুষ্যৰ নিমিত্তে প্ৰাণ ত্যাগ কৰিলে, তেঁওৰ জীৱন নৰিয়াক ভাল কৰা, কণাক চকু দিয়া, দুখিয়াক সান্ত্বনা কৰাকে আদি কৰি সজ কৰ্ম্মত গৈছিল। ।১২।

খ্ৰীষ্টীয়ান সকলৰ ধন সাঁচা, পৰস্ত্ৰী গমন কৰা, প্ৰভৃতি হিংসা কৰা বৰ নিষেধ; বিবাহ কৰা বা কুমাৰী আৰু কেৰলিয়া হৈ থকা বৰ যুগুত, খ্ৰীষ্টীয়ান সকলে সদাই ঈশ্বৰতে চিত্ত লগ্ন কৰা, এই সংসাৰ ঘৃণা কৰা, আৰু মৃত্যুত হৰ্ষ হোৱা ইত্যাদি ৰূপে চলিব পাই। সিবিলাকৰ মন্দিৰ আৰু পুৰোহিত আছে আৰু সপ্তাহৰ প্ৰথম দিনা অৰ্থাৎ ৰবিবাৰে য়িশুখ্ৰীষ্ট মৈদামৰ পৰা উঠিছিল বুলি সেই দিনা ঈশ্বৰাৰাধনাদি ধৰ্ম্ম কৰ্ম্ম কৰে, শুক্ৰবাৰে ব্ৰত কৰে, কিয়নো সেই দিনা য়িশুখ্ৰীষ্টক বধ কৰিছিল, আৰু চল্লিচ দিন ব্ৰত কৰে; কিন্তু সিবিলাকৰ ভিতৰৰ কেতবিলাকে ন মত লৈ এই সকল ক্ৰিয়া নকৰে। খ্ৰীষ্টীয়ানে বিশ্বাস কৰে বোলে অল্প কালৰ মূৰত খ্ৰীষ্ট আকৌ পৃথিৱীলৈ আহি জীয়া আৰু মৰা এটাই মানুহৰ সোধ সুধিব, আৰু সকলোৱে বৰ বিচক্ষণ শৰীৰ আকৌ পাব আৰু পুণ্যৱন্ত বিলাক অনন্ত সুখলৈ জাব, কিন্তু পাপী বোৰ অনন্ত নৰকত পৰিব, সেই সময়তে এই পৃথিৱীক জুইয়ে পুৰি পেলাব।

THE MAHOMETAN RELIGION.
মুষলমান ধৰ্ম্মৰ বিবৰণ।

খ্ৰীষ্টীয়ান ধৰ্ম্ম প্ৰকাশ হোৱাৰ পাচে আৰব দেশীয় মহম্মদ নামে এজনে মনুষ্য সকলৰ মাজত একে জনা সত্য ঈশ্বৰৰ জ্ঞান তৰোৱালেৰে প্ৰকাশ কৰিবলৈ তেঁওক পাঁচিচে ।১৩। বুলি বিদিত কৰিলে। তেওঁ য়িশুখ্ৰীষ্টক মানিছিল, কিন্তু তেঁও নিজে ন আৰু অধিক আজ্ঞা আনিচোঁ বুলি কৈছিল, তেঁওৰ ধৰ্ম্ম কোৰাণ নামে শাস্ত্ৰত আছে, আৰু তাত য়িহুদিৰ বাইবেল আৰু খ্ৰীষ্টীয়ানৰ শুভবাৰ্ত্তাৰ অনেক কথা আছে। মুষলমানে চাৰি জনী তিৰোতা বিয়া কৰাব পাই, কিন্তু ব্যভিচাৰ ক্ৰিয়া বৰ নিষেধ, আৰু সুৰা বা আন কোনো ৰাগি খোৱাও অতি নিষিদ্ধ। মুষলমান সকলে এটাইবে সোধ হব বুলি মানে, আৰু খ্ৰীষ্টীয়ানৰ দৰে ভূত আৰু ঈশ্বৰৰ দূত আছে বুলি কয়। সিবিলাকে পুণ্যৱন্ত সকলে পৰকালত সুখ আৰু পুৰস্কাৰ, পাপীয়ে দণ্ড আৰু যাতনা পাব বুলি মানে।

এই সকল ধৰ্ম্মাৱলম্বী লোকৰ সংখ্যা তলত লিখা গল।

বৌদ্ধ	....	.....	৪০০,০০০,০০০
হিন্দু	....	.....	১০০,০০০,০০০
নানা দেব দেবী পূজক	....	.....	১০০,০০০,০০০
য়িহুদী	....	.....	৫,০০০,০০০
খ্ৰীষ্টীয়ান	....	.....	২৬০,০০০,০০০
মুষলমান	....	.....	১০০,০০০,০০০
			৯৬৫,০০০,০০০

GOVERNMENT.
ৰাজ্য শাসন।

পৃথিবীৰ নানা দেশ নানা দৰে শাসিত হয়। ঘাই দুবিধ শাসন আচে অৰ্থাৎ ৰজাৰ শাসন আৰু প্ৰজা সমূহৰ শাসন।।১৪।

যি দেশত এজন মানুহে ৰজা বা পাৎচা নাম লৈ দেশক শাসন কৰে সেই দেশতে ৰজাৰ শাসন থকা বোলে, কিন্তু ৰজাৰ শাসনো দুবিধ আচে। যেতিয়া ৰজাই আপোন ইচ্ছাৰে সকলো কৰ্ম্ম কৰে তেতিয়া তাকে স্বাধীন ৰাজত্ব বোলে, কিন্তু যেতিয়া ব্যৱস্থাৰেহে চলিব পাৰে তেতিয়া পৰিমিত ৰাজত্ব বোলে।

যি দেশত ৰাজ্যৰ প্ৰজা বোৰ গোট খাই দেশ শাসন কৰে তাতে প্ৰজা সমূহৰ শাসন থকা বোলে। ।১৫।

ASIA.
আসিয়া।

পৃথিবীৰ কেইও ভাগতকৈ আসিয়া ডাঙ্গৰ, তাৰ উত্তৰৰ সীমা হিমসাগৰ, পূবৰ সীমা পাচিফিক্ মহাসাগৰ, দক্ষিণৰ সীমা ভাৰত মহাসাগৰ, আৰু পশ্চিমে আফ্ৰিকা আৰু ইউৰোপ।

আসিয়া খণ্ড দিঘলে ৭৫০০ মাইল বা ৬৬৭৩ ক্ৰোশ, পুতলে ৫২৫০ মাইল বা ৪৬২০ ক্ৰোশ, আৰু তাত প্ৰায় সাঠি কোটি মানুহ আচে।

প্ৰায় গোটেই আসিয়া খনেই তিনি জাতিৰ অধীন, অৰ্থাৎ উত্তৰে ৰুচিয়াৰ, দক্ষিণে ইংৰাজৰ, পূৰ্ব্ব ফালে চীনৰ, কিন্তু এই সকলত বাজে মান, তুৰুস্কী, আৰু পাৰসীৰো কিচুমান অধিকাৰ আচে।

আসিয়াত ঘাই বাৰেখন দেশ আচে, উত্তৰে ৰুচিয়া, পূৰ্ব্বে চীন ৰাজ্য, আৰু জাপান ৰাজ্য, দক্ষিণে ভাৰতবৰ্ষ, মান আৰু শ্যাম, পশ্চিমে আৰব, আৰু তুৰুক দেশ, আৰু মধ্যাত তিব্বত, পাৰসী আৰু কাবুল দেশ।।১৬।

আসিয়াত অনেক পৰ্ব্বত আচে, ঘাই, ভাৰতবৰ্ষৰ উত্তৰে হিমালয় পৰ্ব্বত সাৰি, ৰুচিয়াৰ দক্ষিণে আলটেই নামে পৰ্ব্বত সাৰি, তুৰুক দেশৰ গুৰিত ককাচ আৰু টৰচ পৰ্ব্বত সাৰি।

আসিয়াত ভালেমান বৰ২ নদী আচে, উত্তৰে ৰুচিয়াত লীনা, অবী আৰু ইলীচি নদী আলটেই পৰ্ব্বতৰ পৰা ওলাই হিমসাগৰত পৰিচে, চীন দেশত হোৱাংহো আৰু কোয়াংকো নামে দুই নদী, ভাৰতবৰ্ষত সিন্ধু নদী, ব্রহ্মপুত্র আৰু গঙ্গা, আৰু তুৰুক দেশত টিগ্রিজ আৰু ফৰাৎ নদী আচে।

আসিয়াৰ প্রধান দ্বীপ আৰু উপদ্বীপ এই২, পূৰ্ব্বে জাপান উপদ্বীপ সকল, তাৰে ডাঙ্গৰ নিফন, ফিলিপিন উপদ্বীপ বিলাক তাৰ প্রধান লুজন, দক্ষিণ পূৰ্ব্বে পূৰ্ব্ব ভাৰত উপদ্বীপ বিলাক তাৰে ঘাই, সুমত্রা, জাবা, বর্ণিও আৰু চিলিবিচ ইত্যাদি। ভাৰতবৰ্ষৰ দক্ষিণে সিংহল দ্বীপ ইত্যাদি, উত্তৰে নৱাজেম্বলা নামে দুই উপদ্বীপ আচে আৰু এই বিলাকত বাজে আৰু অনেক সৰু২ উপদ্বীপ আচে।

আসিয়াৰ প্রায়দ্বীপ বিলাকৰ মাজত ঘাই ৰুচিয়া ৰাজ্যত কামস্কাট্কা, চীন ৰাজ্যত কৰিয়া, মান দেশৰ দক্ষিণে মালাক্কা আৰু ভাৰতবৰ্ষ, আৰব দেশ আৰু তুৰুক দেশ।

আসিয়াত দুঠাই ডমৰুমধ্য আচে, চুৱেজ ডমৰুমধ্যে আসিয়াক আফ্রিকাই সৈতে যোগ কৰে, আৰু ক্রা ডমৰুমধ্যে মালাক্কা দেশক শ্যাম দেশে সৈতে যোগ কৰে।

আসিয়াৰ অন্তৰীপ ঘাই পূৰ্ব্বে পূৰ্ব্ব কেপ আৰু লোপা।১৭। ট্কা; দক্ষিণে মালাক্কাৰ দক্ষিণে ৰোমানিয়া অন্তৰীপ আৰু আৰব দেশৰ পূৰ্ব্বে ৰাচ আলহাদ অন্তৰীপ।

আসিয়াৰ সাগৰ এই২ পূৰ্ব্বে কামস্কাট্কা সমুদ্র, ওখটচ্ক সাগৰ, জাপান সাগৰ, হালধিয়া সাগৰ, পূৰ্ব্ব সাগৰ, আৰু চীনৰ সাগৰ, দক্ষিণে আৰব সাগৰ, আৰু পশ্চিমে চুফ সমুদ্র।

এই খণ্ডৰ খাল আৰু অখাতৰ ভিতৰত উত্তৰে অবিৰ খাল, দক্ষিণে শ্যামৰ খাল, কাম্বে আৰু কচৰ খাল, বঙ্গালৰ অখাত, পাৰসীৰ খাল আৰু অৰ্ম্মচৰ খাল। আসিয়াৰ মোহনা এই২, আসিয়া আৰু আমেৰিকাৰ মাজত বেৰিং মোহনা, কৰিয়া আৰু জাপানৰ মাজত কৰিয়াৰ মোহনা; সুমত্রা আৰু জাৱা উপদ্বীপৰ মাজত সণ্ডাৰ মোহনা, সুমত্রা আৰু মালাক্কাৰ মাজত মালাক্কাৰ মোহনা, ভাৰতবৰ্ষ আৰু সিংহল দ্বীপৰ মাজত মানাৰৰ মোহনা, আৰু চুফ সমুদ্রলৈ সোমোৱা বাটত বাবেল মাণ্ডলৰ মোহনা।

আসিয়াৰ হ্রদ এই২, ৰুচিয়া দেশত বৈকাল হ্রদ, তাতাৰ দেশৰ পশ্চিমে কাস্পীয়ন হ্রদ আৰু তাৰ ওচৰত আৰাল হ্রদ আৰু তিব্বত দেশত পালতী আৰু মানস হ্রদ।।১৮।

আসিয়াৰ নানা দেশৰ বিবৰণ

ASIATIC RUSSIA.

আসিয়াৰ ৰুচিয়া দেশ।

পৃথিবীৰ ভিতৰত যত মহাৰাজ্য আচে সকলোতকৈ ৰুচিয়া ডাঙ্গৰ, সি ইউৰোপ আৰু আসিয়া দুইও খণ্ডত ব্যাপিচে, আৰু ইউৰল পৰ্ব্বতৰ দ্বাৰা আসিয়াৰ আৰু ইউৰোপৰ ৰুচিয়া বেলেগ হৈচে। আসিয়াৰ ৰুচিয়া পূৰ্ব্বে পাচিফিক মহাসাগৰলৈকে ব্যাপিচে, তাক দুভাগ কৰা জায় অৰ্থাৎ চিবিৰিয়া আৰু কাস্পীয়ন হ্রদৰ গাত থকা দেশ বিলাক।

কাস্পীয়ন হ্রদৰ গাত থকা ঠাই বোৰত প্ৰধান দুই প্ৰদেশ, চৰ্কেচিয়া আৰু জৰ্জ্জিয়া। চৰ্কেচিয়াৰ তিৰোতা বিলাকৰ সমান ৰূপৱতী পৃথিবীৰ আন কোনা দেশৰ তিৰোতা নহয়, তাৰ লোক বোৰো অতি সাহিয়াল, সিহঁতৰ এক ৰীতি এই যে সন্তান নহয় মানে গিৰিয়েক ঘৈনিয়েক নিচেই বেলেগ হৈ থাকে আৰু দেখা দেখিও নকৰে আৰু লৰা হলেও যুদ্ধ ইত্যাদিত পাৰ্গত নহয় মানে বাপেক মাকে সৈতে নেথাকে। ককেচচ্ পৰ্ব্বত সাৰিৰ উত্তৰে চৰ্কেচিয়া, দক্ষিণে জৰ্জ্জিয়া। তাৰ সমান উৰ্ব্বৰা ঠাই সেই অঞ্চলত নাই, আৰু তাৰ মানুহ বোৰো সাহিয়াল, আৰু তিৰোতা বোৰো ৰূপৱতী।।১৯।

এই ভাগতে ৱলগা নদীৰ মুখত আষ্ট্ৰাকান নামে মুখ্য নগৰ। চিবীৰীয়া দেশ অতি ডাঙ্গৰ, তাত বৰ জাৰ আৰু তিমান খন দেশ প্ৰায় চন হৈ হাবিৰেহে আবৃত হৈ আচে। তাত অনেক বৰ২ নদী আচে, প্ৰধান লিনা, অবী, ও ইনিচী। কেউখন আলটেই পৰ্ব্বত সাৰিৰ পৰা উৎপত্তি হৈ উত্তৰ মুৱা হৈ গৈ উত্তৰ হিম সাগৰত পৰিচে। চিবীৰিয়াক দুই খণ্ড কৰা জায়, পূৰ্ব্ব চিবীৰিয়া, পশ্চিম চিবীৰিয়া; পশ্চিম খণ্ডৰ ৰাজধানী ইৰটিচ নদীৰ পাৰত টবলস্ক্ নগৰ, পূৰ্ব্ব খণ্ডৰ অৰ্কটস্ক্ ৰাজ নগৰ। চিবীৰিয়াৰ পূৰ্ব্ব পিনে কামস্কাট্কা নামে এখন প্ৰায়দ্বীপ আচে, তাত লেখিব নোৱাৰা নানা জন্তু আচে আৰু তাৰ মানুহ বোৰো আচৰিত; সিহঁত চুটি, মুৰ বোৰ ডাঙ্গৰ আৰু নিচেই সোৰোপা; জাৰ কালি গচৰ ঠাঁনিৰে গাঁত হেন ঘৰ কৰি থাকে, আৰু জহ কালি চাঙ্গৰ ওপৰত ঘৰ কৰি থাকে।

সিহঁতে ফুৰোঁতে পাচিৰ নিচিনা নাৱৰ গঢ় কৰি একো খন ৰথ কৰে, তাকে পাঁচ চ হাল কুকুৰ লগাই টনাই নিয়ে তাতে মানুহ উঠি জায়। চিবীৰিয়া প্ৰায় হাবি হেতুকে শস্য নহয় কিন্তু তাত নানা জন্তুৰ যি উত্তম২ চাল পোৱা জায় সেইয়ে ঘাই বাণিজ্যৰ বস্তু।

আসিয়াৰ ৰুচিয়া ইমান খন দেশ, তেও তাত সাঠি লক্ষ মানুহ হে আচে, চিবীৰিয়াত দুই জাতি লোক আচে অৰ্থাৎ ইউৰোপৰ পৰা পাতচাই যি বোৰ মানুহক দোষৰ নিমিত্তে চিবীৰিয়াত খেদি থৈচে সেই এক জাতি আৰু চিবীৰিয়াৰ নানা ।২০। অসভ্য জাতি বোৰ। ইউৰোপৰ পৰা যিবোৰ আচে সিবিলাক সভ্য আৰু খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে, নানা জাতি বিলাক যে আচে সিহঁত নিচেই অসভ্য আৰু প্ৰতিমা পূজক।

ৰুচিয়া মহাৰাজ্যৰ অধিপতি এজনা স্বাধীন পাতচা, তেঁও ইউৰোপত হে থাকে আৰু আসিয়াৰ ৰাজ্য বিষয়া পঠাই শাসন কৰায়।

TURKEY IN ASIA.
আসিয়াৰ তুৰুক দেশ।

আসিয়াৰ তুৰুক দেশ এখন প্ৰায়দ্বীপ, সি অতি উৰ্ব্বৰা আৰু তাৰ জল বতাহ অতি মনোৰম কিন্তু ভালে মান ঠাই প্ৰায়েই হাবি হৈ আচে। তাক প্ৰধান চাৰি ভাগ কৰা জায়। অৰ্থাৎ পালেষ্টাইন, চিৰিয়া, আসিয়া মাইনৰ আৰু ফৰাৎ নদীৰ পাৰৰ প্ৰদেশ বিলাক।

পালেষ্টাইন প্ৰদেশ অতি পূৰ্ব্বৰে পৰা প্ৰখ্যাত, তাতে য়িহুদি সকলৰ ৰাজ্য আচিল আৰু সেয়েই সিবিলাকৰ নিজ দেশ। খ্ৰীষ্টীয়ান সকলে তাক পবিত্ৰ ভূমি বোলে কিয়নো তাৰে বৈথলিহিম নগৰত য়িশু খ্ৰীষ্ট জন্মিচিল, তাতে যিৰুযালম নগৰ আচে, সি পূৰ্ব্বে য়িহুদি সকলৰ ৰাজ্যৰ ৰাজধানী আচিল আৰু তাতে য়িশু খ্ৰীষ্টৰ মৈদাম আচে আৰু সেই মৈদামৰ নিমিত্তে হে মুষলমান আৰু খ্ৰীষ্টীয়ানৰ ক্ৰুশ নামে বৰ ৰণ হৈচিল।।২১।

চিৰিয়া প্ৰদেশো অপ্ৰখ্যাত নহয়, তাত ফিনিচিয়াকে আদি কৰি অনেক মহা ৰাজ্য হৈ গৈচে, এতিয়া তাৰ ৰাজধানী এলেপো নগৰ অতি সুন্দৰ, দামাস্কাচ বা চাম নগৰ তৰোৱাল ইত্যাদি অস্ত্ৰৰ নিমিত্তে আৰু অতি উত্তম পাট কাপৰৰ নিমিত্তে প্ৰখ্যাত। চিৰিয়াত পূৰ্ব্বে পাল্মীৰা, টাইয়ৰ, চয়দ বা চীদন আৰু আন্তি ওখ নামে যি বিলাক মহা২ নগৰ আচিল তাৰ চিন মাথোন হে আচে।

আসিয়াৰ তুৰুকৰ সকলো প্ৰদেশতকৈ আসিয়া মাইনৰ ডাঙ্গৰ, তাৰ ৰাজধানী স্মীৰ্ণা নগৰ, আৰু ইফেজচ নামে নগৰ যি পূৰ্ব্বে অতি প্ৰখ্যাত, সিও তাতে।

ফৰাৎ নদীৰ পাৰৰ প্ৰদেশ বিলাকত আশুৰ, কাল্‌দিয়া, আৰু বাবেল প্ৰভৃতি অনেক মহা ৰাজ্য হৈ গৈচে আৰু সৰহ দিন হোৱা নাই বগ্‌দাদৰ কালিফ সকলে অতি পৰাক্ৰমী মহাৰাজ্য স্থাপন কৰিচিল, তাত চাৰি খণ্ড আচে অৰ্থাৎ আৰ্মাণি দেশ, দাইয়ৰ্বেকৰ, কৰ্দিস্তান আৰু ইৰাক আৰাবি। আৰ্মাণিৰ ৰাজনগৰ অৰ্জ্জেৰম; দাইয়ৰ্বেকৰত দাইয়ৰ্বেকৰ; তিগ্ৰচী আৰু ফৰাৎ নদীৰ মাজত কৰ্দিস্তান যাকে পূৰ্ব্বে মিস্পটেমিয়া বুলিচিল তাতে মুচল নামে নগৰ, ইৰাক আৰাবী যাকে পূৰ্ব্বে চিনাৰ বুলিচিল তাতে পূৰ্ব্বৰ মুষলমান ৰাজ্যৰ মহা ৰাজধানী। তিগ্ৰিজ নদীৰ তীৰত বগ্‌দাদ নগৰ আৰু যি বাবেল নগৰ পূৰ্ব্বে পৃথিবীৰ সকলো নগৰত কৈ।২২। মনোৰম সেই নগৰৰ ঠাই মাত্ৰ আচে। বচৰা নামে আৰু এক বৰ বাণিজ্যৰ নগৰ আচে।

আসিয়াৰ তুৰুক দেশত দলিচা, দ্ৰাক্ষা, ঘোৰা, চাল, পাটকাপৰ ইত্যাদি অনেক উত্তম২ বস্তু উৎপন্ন হয় আৰু দামাস্ক আৰু বচোৰাত বৰ ভাল গোলাপ ফুল পোৱা জায়।

আসিয়াৰ তুৰুক দেশ তুৰুক ৰাজ্যৰ চুল্‌তানৰ অধীন, কিন্তু তেঁও ইউৰোপত থাকে, আৰু এই দেশ পাচা নামে বিষয়াৰ দ্বাৰা শাসন কৰে।

আসিয়াৰ তুৰুক দেশত এক কোটি কুৰি লক্ষ মান মানুহ আচে; তুৰুক জাতি যি প্ৰধান তাৰ বিবৰণ ইউৰোপৰ তুৰুক দেশৰ কথাত লেখা জাব, কিন্তু সিহঁতত বাজে আৰু অনেক পৰ্ব্বতিয়া জাতি আচে।

ARABIA
আৰব দেশ।

চুফ সমুদ্ৰৰ পূৰ্ব্বে আৰু তুৰুক দেশৰ দক্ষিণে আৰব দেশ, তাত নদী মুঠেই নাই দেখি প্ৰায় দেশেই মৰু, আৰু তাৰ মাজত ভালেমান ঠাই বালিময় মৰু ভূমি আচে। আৰব দেশক তিনি ভাগ কৰা জায়। যি ডোখৰ উৰ্ব্বৰা তাকে সুখদ আৰব, যি ডোখৰ সিলময় তাক সিলিয়া আৰব আৰু যি ঠাই বালিময় তাকে মৰু আৰব বোলে।।২৩।

সিলময় আৰবত মাজত পৰ্ব্বত আৰু গোটেইখান মৰু পথাৰৰ নিচিনা, পৰ্ব্বত বিলাকৰ মাজতে মক্কা আৰু মদীনা নগৰ; আৰবৰ এটাই নগৰতকৈ মক্কা

বিচক্ষণ, সি দুখন পৰ্ব্বতৰ মাজত আৰু মুৰলমান সকলৰ ঘাই তীৰ্থ হেতুকে তালৈ হেজাৰ২ মুৰলমান জায়। মক্কাত মুৰলমানৰ মত স্থাপক মহম্মদ উপজিছিল আৰু তাতে কাবা নামে মন্দিৰ আছে। মদিনা নগৰ মক্কাতকৈ সৰু আৰু তাতে মহম্মদৰ মৈদাম আছে, সিও মুৰলমানৰ বৰ তীৰ্থ কিন্তু মক্কাৰ সমান নহয়।

আৰবৰ দক্ষিণে যি ঠাই তাকে সুখদ আৰব বোলে, সি অতি উৰ্ব্বৰা, আৰু মোচা নামে এখন বাণিজ্যৰ নগৰ চুফ সমুদ্ৰৰ তীৰত; এদন নামে আৰু এখন নগৰ বাবেল মণ্ডলৰ মোহনাত আছে সি ইংৰাজৰ অধীন। চানা আৰু মস্কাট নামে আৰু দুই নগৰ আছে।

আৰব দেশত যি ঘোৰা পোৱা জায় তাৰ সমান পৃথিবীৰ আন কোনো দেশত নাই, উটো তাত অনেক কিয়নো আৰব হঁতৰ উটেই ধন, সেয়েই নহলে সিহঁতৰ ৰক্ষা পোৱাৰ আন একো উপায় নাই। আৰবত কাফি আৰু নানা সুগন্ধি দ্ৰব্য অনেক হয়।

আৰবত এক কোটিতকৈ বঢ়া মানুহ আছে; সিবিলাক বৰ ডাঙ্গৰ দিঘল নহয় কিন্তু ঘোৰাত উঠাত বৰ পাৰ্গৎ। খোৱা বোৱাত অতি নিয়মিক, মঙহ প্ৰায়েই নেখায়,।২৪। সিবিলাকৰ কাপৰো তিমান ভাল নহয়, কিন্তু ভাগ্যৱন্ত বোৰে যি টুপি এবিধ পিন্ধে সি সাত থকিয়া বৰ ভাল পাগুৰি মেৰায় আৰু ওপৰত সোনৰ আখৰেৰে কোৰাণৰ দুই এক পাঁতি থাকে।

সিবিলাকে অতিথিক বৰকৈ সুশ্ৰশা কৰে হয় কিন্তু অতি ডকাইত। আৰব এজনৰ ঘৰলৈ গৈ ৰোৱা, তোমাক অতি আদৰ কৰিব কিন্তু বাটত পালে কাটি মাৰি এটাইকে নিব। সিবিলাক শিষ্টাচাৰী কিন্তু প্ৰতিহিংসক, কেৱে কোনো আৰবক "তোমাৰ কাপৰ মলিতা" বুলিলে বা তাৰ আগত থুই পেলালে বৰ অপমান হয়, তাক তৰোৱালে হে সুজিব পাৰে।

আৰব বিলাক একে জাতি নহয়, কেতবিলাকে নগৰত বাস কৰে, কেত বিলাকে লৰা তিৰোতাই সৈতে মৰুভূমি বোৰত ভ্ৰমি থাকে, যত ৰয় তাতে কাপৰৰ ঘৰ কৰি থাকে, পাচে আকৌ আন এঠাইত থাকেগৈ।

আৰবতে মুৰলমান ধৰ্ম্ম প্ৰকাশ হৈচে হেতুকে তাত সেই ধৰ্ম্মকে মানে। আৰবি ভাষাও প্ৰধান, আৰব বিলাক পূৰ্ব্বে বিদ্যাত বৰ পাৰ্গৎ আছিল, এতিয়াও সিবিলাকৰ ভিতৰত বিদ্যাৰ অনুশীলন নোহোৱা নহয়।

আৰব দেশত পূৰ্ব্ব কালত একো মহৎ ঘটনা হোৱা নাচিল কিন্তু মহম্মদে মুৰলমান মত স্থাপন কৰাত অনেক লোকে তেঁওৰ মত ললে, পাচে তেঁও মৰিলত কালিফ সকলৰ দিনত আৰব সকলৰ ৰাজ্য ইউৰোপ, আসিয়া আৰু ।২৫। আফ্ৰিকা তিনিও খণ্ড ব্যাপিলে কিন্তু আৰবৰ পৰাক্ৰম আৰু সেই মহা ৰাজ্য

শীঘ্রে ভাগি আকৌ পূর্ব্বৰ দৰে হল। ইং ১৭২০ শঁকত আবদুল ওৱাহেব নামে এজন লোকে নঁকে এক মত কৰি মক্কা ইত্যাদি লৈ এক উপপ্লব কৰিলে, কিন্তু ওৱাহেব মিচৰৰ পাচাৰ আগত ঠাৰৰিব নোৱাৰিলে।

আৰব বিলাকৰ প্রতি জাতিৰ ওপৰতে চীক নামে সৰু২ অধিপতি আচে, দক্ষিণ ডোখৰ অর্থাৎ সুখদ আৰব চানাৰ ইমাম্ নামে এজন ৰজাৰ অধীন, ঠায়ে২ মিচৰৰ পাচা আৰু তুৰুক ৰজাৰ অধীন।

PERSIA.
পাৰস্য দেশ।

পাৰস্য দেশ পূর্ব্বে এখন বৰ মহা ৰাজ্য আচিল কিন্তু এতিয়া সৰু হৈচে, তাত অনেক ওখ ঠাই আৰু মৰুভূমি আচে আৰু নদীও সৰহ নাই। পাৰস্যত ঘিলান, খোৰাচান, ইৰাক আৰু ফার্চ ইত্যাদি নখন প্রদেশ আচে; পাৰস্যৰ ৰাজধানী পূর্ব্বে ইস্পাহান নামে এক অতি বিচক্ষণ নগৰ আচিল, সি এতিয়া ৰাজধানী গুচি হ্রাস হৈ গৈচে কিন্তু ভালে থকা কালত ১৭২ মচীদ্ ৪৮ খন পঢ়াশালি আৰু ১৮০০ সৰাই আচিল। এতিয়া পাৰস্যৰ ৰাজধানী তেহেৰাণ নগৰ বৰ ওখ পর্ব্বত এখনৰ গুৰিত, তাৰ বায়ু এনেহে বেয়া যে ৰজা ।২৬। বিষয়া এটাইএ জহকালি চুল্‌তানিয়া নামে এখন পথাৰত থাকেগৈ। চিৰাজ নামে এখন প্রধান নগৰ আচে তাত অতি প্রসিদ্ধ মদিৰা হয় আৰু তাতে পাৰস্যৰ মহাকবি হাফিজ্ আৰু চাদি দুইৰো মৈদাম আচে। চিৰাজৰ উত্তৰে পর্চি পলিচ নামে পুৰণি ৰাজ নগৰৰ যি চিন আচে তাক দেখি এটাইএ আচৰিত হয়।

পাৰস্যত বৰ সুন্দৰ ঘোৰা আৰু উট পোৱা জায় আৰু শোনামুখিৰ পাত, দ্রাক্ষা আদি নানা উত্তম ফল হয়; অতি বিচক্ষণ দলিচা, কিংখাপকে আদি কৰি নানা বিধৰ পাটৰ কাপৰ, আতৰ আৰু মদিৰা ইত্যাদিও উৎপন্ন হয়।

পাৰস্যত ষাঠি লক্ষ মান মানুহ আচে, সিবিলাকৰ সমান ৰঙ্গিয়াল আৰু শিষ্টাচাৰী লোক কতো নাই আৰু খোৱা পিন্ধা থকাত বৰকৈ ধন ভাঙ্গে কিন্তু সিবিলাকৰ অনেক কথাত সঁজাত নাই আৰু বৰ ধন লোভী; পাৰস্যত মুষলমান ধর্ম্মক মানে, পূর্ব্বে অগ্নি সেৱক আচিল আৰু সেই মতাৱলম্বী কেতবোৰ এতিয়ালৈকে পাৰস্যত আচে। তাৰ লোক সকলৰ ভিতৰত বিদ্যাৰ অনুশীলন বৰ আৰু সিবিলাকে কাব্যক বৰ প্রীতি কৰে, হাফিজ, চাদি আৰু ফের্দুচী সিবিলাকৰ মহা কবি আচিল; পাৰস্য ভাষাও অতি সুললিত আৰু ভাৰতবর্ষতো তাৰ ব্যৱহাৰ আচে।

পাৰস্যৰ থকা ঘৰ বোৰ অতি ভাল নহয় কিন্তু সিবিলাকৰ সাজ হে অতি বিচক্ষণ আৰু হিৰা পানা ইত্যাদি লগায়,।২৭। তিৰোতা বিলাক বাহিৰলৈ নোলায় আৰু অনেক মেৰকৈ কাপৰ পিন্ধে আৰু বৰ দিঘল ওৰণি লয়।

পাৰস্য দেশ এজন ৰজাৰ দ্বাৰা শাসিত হৈছে, তেঁও অতি স্বাধীন আৰু আপোন ইচ্ছাৰে এটাইকে বশ কৰিব পাৰে, তাত দণ্ড বোৰো দাৰুণ অৰ্থাৎ কান নাক কটা, চকু কঢ়া, কৰতেৰে চিৰা, জিয়াই পোৰা ইত্যাদি।

কোৰচ নামে পাতচাই পূৰ্ব্বে পাৰস্য মহাৰাজ্য স্থাপন কৰে আৰু সি অতি বৰ আছিল, পাচে য়িশুখ্ৰীষ্ট উপজিবৰ ৩৩১ বচৰৰ পূৰ্ব্বে গ্ৰীক দেশৰ পৰা চেকন্দৰ চাহ্ পাতচাই অধিকাৰ কৰিলে; কিন্তু তেঁও মৰিলত পাৰস্য ৰাজ্য ডোখৰ২ হৈ চাৰি ৰাজ্য হল, তাৰে পাচে আৰ্ট জেৰেকচ্ নামে ৰজাই পাৰস্য নাম দি এক ৰাজ্য কৰিলে, সিও ইং ৬৫১ শঁকত মুছলমানৰ দ্বাৰা ভ্ৰষ্ট হল, পাচে নাদিৰ চাহে অধিকাৰ কৰিলে, অৱশেষত কৰীম খাঁই হে দেশ সুস্থিৰ কৰিলে।

AFFGHANISTAN.
আফগানিস্থান।

আফগানিস্থানকে কাবুলো বোলে, কাবুল আৰু বেলিস্থান এই দুই দেশৰ নামেই কাবুল; আৰু তাৰ আন নামো আছে। আফগানিস্থান পূৰ্ব্বে পাৰস্য ৰাজ্যৰ ভিতৰত আছিল কিন্তু এতিয়া বেলেগ দেশ, আৰু ভাৰতবৰ্ষৰ পৰা সিন্ধু নদীৰ দ্বাৰা বেলেগ হৈছে। এই দেশৰ উত্তৰে পৰ্ব্বতময়, দক্ষিণে ।২৮। মৰু ভূমি আছে, আৰু তাৰ পৰা বেদানা, ডালিম, আঙ্গুৰ ইত্যাদি অনেক উত্তম ফল আহে।

কাবুলৰ ৰাজধানী কাবুল নগৰ। পেচোয়াৰ আৰু হৰ্ম্মন্দ নদীৰ তীৰত কান্দাহাৰ নামে নগৰ আছে, সি ইস্পাহান নগৰৰ পৰা দিল্লীলৈ জোৱা বাটত। হিৰাট নামে এক নগৰ হিৰাট নামে নদীৰ পাৰত, ই পূৰ্ব্বে বৰ প্ৰধান নগৰ আছিল; গিজনি নগৰো পূৰ্ব্বে বৰ মহানগৰ আছিল, আৰু গিজনিৰ মহম্মদ যোনে আদিতে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল তেঁওৰ ৰাজধানী এই নগৰ আছিল। দক্ষিণে বেলুচিস্থানৰ ৰাজধানী কেলাট নগৰ।

আফগানিস্থানত এক কোটি চল্লিচ লক্ষ মান মানুহ আছে। আফগান বিলাক দুই জাতি, এজাতি ঘৰ কৰি থিতাপি হৈ থাকে, এক জাতি কাপৰৰ ঘৰত থাকি ভ্ৰমি ফুৰে। এই দেশৰ লোক বিলাক বৰ ৰণুৱা আৰু সাহিয়াল, অতিথিক

অতিকৈ সুখ্রশা কৰে আৰু স্বভাৱ অতি স্বাধীন, কাৰো তলতিয়া হৈ থাকিব নোখোজে। সিহঁতৰ ভিতৰত বিদ্যাৰ অনুশীলন সুন্দৰে আচে আৰু সিহঁতৰ ভাষাও ভিন্, তাৰ নাম পুচ্তু। সিহঁতৰ মৃগয়া কৰাই ঘাই ৰঙ্গ, আৰু পাৰসী বোৰৰ দৰে ডাৰি ৰাখে।

আফগানিস্থানত মুষলমান ধৰ্ম্ম মানে কিন্তু অনেক কথাত পাৰসী দেশতকৈ লৰ, কিয়নো পাৰসী বিলাকে মহম্মদৰ জিয়েক ফতেমাৰ পুতেক হাসেন হুসেনক মানে।।২৯।

এই দেশ ৰজাই শাসন কৰে কিন্তু আসিয়াৰ আন দেশৰ নিচিনা ৰজা নিচেই স্বাধীন নহয়। ৰজাৰ তলতিয়া খান নামে কেতবোৰ বিষয়া আচে, আৰু সিহঁতৰ তলতিয়া একো খেল মানুহ আচে তাকে উলুচ বোলে, আৰু সেই উলুচৰ প্ৰতিনিধি ৰূপে এটা জিৰ্গা থাকে, তাৰ সম্মত নোহোৱাকৈ খানে একো কৰিব নোৱাৰে।

TARTARY.
তাতাৰ দেশ।

পূৰ্ব্বে পাচিফিক মহাসাগৰৰ পৰা পশ্চিমে কাস্পীয়ন সমুদ্ৰলৈকে যি ঠাই ডোখৰ তাকে তাতাৰ বোলে। সি অতি ডাঙ্গৰ কিন্তু তাৰ বিবৰণ অদ্যাপিও সুন্দৰকৈ প্ৰকাশ পোৱা নাই। এই বৃহৎ দেশ খনত অনেক বালি ময় মৰুভূমি আচে, কিন্তু ভালেমান ঠাইত শস্যও কৰে। তাতাৰক ঘাই দুভাগ কৰা জায়, এভাগ পূৰ্ব্বে চীনৰ তাতাৰ বোলে, এভাগ পশ্চিমে স্বাধীন তাতাৰ বোলে, এই দুভাগৰো অনেক সৰু২ অংশ আচে। পূৰ্ব্ব খণ্ড চীনৰ পাত্চাৰ অধীন কিন্তু পশ্চিম খণ্ড খান নামে অনেক সৰু২ ৰজাৰ অধীন। তাতাৰত এবিধ যে ঘোৰা হয় সি আৰবৰ ঘোৰাৰ নিচিনা সুৱনি নহয় কিন্তু নাভাগৰাকৈ অনেক দূৰলৈকে জাব পাৰে, সেই ঘোৰাৰ মঙহ তাতাৰ বিলাকে অতি প্ৰীতি কৰি খায় আৰু ঘূৰি বোৰৰ গাখিৰকো পান কৰে। চীনৰ তাতাৰৰ ৰাজধানী ।৩০। চীনিয়ং নগৰ, আৰু স্বাধীন তাতাৰৰ প্ৰধান নগৰ চমৰ্কাণ্ড আৰু বখোৰা নগৰ। তাতাৰত ঘাই নদী আমুৰ আৰু জীহুন।

তাতাৰত মুঠে তিনি কোটি মান মানুহ আচে, তাৰে প্ৰধান জাতি লোক অৰ্থাৎ মোঙ্গল আৰু তুৰুক, এই দুই জাতিৰো অনেক সৰু সৰু জাতি আচে। মোঙ্গল বোৰ দেখিবলৈ অতি কদৰ্য্য কিন্তু তুৰুক বিলাক সুৱনী। তাতাৰ বোৰ অসভ্য, যুদ্ধক বৰ ভাল পায় আৰু অতি নিষ্ঠুৰ। সিহঁত প্ৰায়েই জুম বান্ধি চাল

বা কাপৰৰ ঘৰত থাকি এঠাইৰ পৰা এঠাইলৈ ভ্ৰমি ফুৰে আৰু ডকাও দিয়ে। তাতাৰত দুই প্ৰকাৰৰ ধৰ্ম্ম চলিচে। পূৰ্ব্ব ফালে এবিধ বৌদ্ধ ধৰ্ম্ম, পশ্চিমে মুষলমানৰ ধৰ্ম্মক মানে।

TIBET.

থিবেট দেশ।

ভাৰতবৰ্ষৰ উত্তৰে থিবেট দেশ, সি ভাৰতবৰ্ষৰ পৰা হিমালয় পৰ্ব্বত শ্ৰেণীৰ দ্বাৰা বেলেগ হৈচে। এই দেশ গোটেই পৰ্ব্বত ময় আৰু পালতি, মানস সৰোবৰ ইত্যাদি অনেক সুন্দৰ২ হ্ৰদ আচে আৰু ইয়াৰ পৰ্ব্বত বিলাকৰ পৰা অনেক নদী উৎপত্তি হৈচে। থিবেটৰ ৰাজধানী লাচা নগৰ, তাতে দেশৰ অধিপতি মহালামা থাকে আৰু টৈচু লুম্বু নামে আৰু এক নগৰ আচে।।৩১।

থিবেট দেশত অনেক ভাল২ বস্তু হয়। ইয়াক্ নামে এবিধ জন্তু আচে, তাৰ নেগুৰৰ একো কোচা চুলি থাকে সেয়েই চোঁৱৰ, আৰু তাক ভাৰতবৰ্ষত অনেকে ব্যৱহাৰ কৰে। যি পহুৰ পৰা মৃগনাভি অৰ্থাৎ গন্ধৰ কলাই হয়, সেই এক জন্তু আৰু যি চাগৰ নোমেৰে কাশ্মীৰি চাল কাপৰ হয় সেই চাগো এই দেশতে হয়। ইয়াত বাজেও নদী বিলাকৰ পৰা অতি সুন্দৰ সোনগুৰি পোৱা জায় আৰু গোটেই দেশতে সিহ্, তাম ইত্যাদি ধাতুৰ আকৰ অনেক আচে। থিবেটত অতি জাৰ আৰু তাৰ পৰা ৰক্ষা পাবলৈ মানুহ বিলাকে দুই পৰ্ব্বতৰ মধ্য ঠাইত বাস কৰে।

থিবেটৰ লোক বিলাক শক্তিমন্ত আৰু সিহঁতে আপোন ধৰ্ম্মৰ প্ৰতি বৰ ভক্তি কৰে। সিহঁতৰ ভিতৰত এক আচৰিত ৰীতি এই যে এজনি তিৰোতাৰ অনেক স্বামী আচে, অৰ্থাৎ একো ঘৰৰ যি কেই ভায়েক থাকে সিহঁতৰ যি ডাঙ্গৰ হয় সি এজনি তিৰোতা বাচি ললে সিকেইও ভায়েকে সৈতে তাইৰ বিয়া হয়।

থিবেট দেশত বৌদ্ধ ধৰ্ম্ম মানে। আৰু দেশৰ যে অধিপতি দলৈ বা মহালামা তেঁওকে ঈশ্বৰৰ অৱতাৰ বুলি সেৱা কৰে। সেই মহালামা মৰিলে তেঁও আকৃতি হে সলাই বুলি এটি সৰু কেচুৱা লৰাক তেঁওৰ অৱতাৰ হেন বুলি পুৰোহিত বিলাকে কিবা চিন বুজি মহালামা পাতে পিচে তেঁওৰ নামে ৰাজ্যৰ সকলো কৰ্ম্মই সম্পন্ন হয়। থিবেট দেশত আন ।৩২। দেশৰ নিচিনা ৰজা আৰু বিষয়া আৰু পুৰোহিত বেলেগ নহয় কিন্তু গোটেই ৰাজ্যৰ অধিপতি মহালামা। তেঁওৰ তলতিয়া টৈচুলামা এজনা আচে, তেঁও টৈচুলুম্বু নগৰত থাকে, আৰু

দেশৰ প্ৰতি প্ৰদেশত একোটা লামা আচে আৰু দেশৰ বিষয়া বোৰো কেৱলিয়া পুৰোহিত, সিবিলাককে গাইলং বোলে, সিবিলাকেই হে ধনৱন্ত। থিবেট দেশৰ দেৱতাৰ মন্দিৰ বিলাকত অনেক হিন্দু দেৱতাৰ মূৰ্ত্তি আচে আৰু ভাৰতবৰ্ষৰ কাশী, জগন্নাথ, প্ৰয়াগ ইত্যাদিকো তীৰ্থ বুলি মানে। থিবেট দেশ মাজতে নেপালৰ অধিকাৰ হৈচিল কিন্তু ১৭৯১ ইংৰাজি শকৰ পৰা স্বাধীন হৈচে এতেকে মহালামা স্বতন্ত্ৰ নহয় কিন্তু চীনৰ পাতচাৰ কৰতলিয়া।

থিবেটৰ ভাষাত অনেক সংস্কৃত কথা আচে আৰু তাত চাপা কৰিবলৈ ভালেমান পূৰ্ব্বৰে পৰা জানে।

এই দেশত সাধাৰণ থকা ঘৰ বিলাক সিল দমাই কঁৰাল নিদিয়াকৈ সাজে কিন্তু মন্দিৰ বিলাক অতি উত্তম। লাচা নগৰত পুতুলাত যে মহালামাৰ মন্দিৰ আচে সি সাত তলা আৰু বৰ আচৰিত, তাৰ অতি ওপৰৰ তলাত মহালামা থাকে আৰু গোটেই ঘৰতে সোন ৰূপৰ প্ৰতিমাৰে ভৰি থকা দহ হেজাৰ খোঁটালি আচে, তাৰ চাল বোৰত বন কৰা, আৰু টেচুলুমবুত যি গৃহ আচে সিও সামান্য নহয়। এনে২ অনেক মন্দিৰ আচে আৰু গোটেই ৰাজ্যতে চৌৰাশি হেজাৰ গোঁসাই আৰু পুৰোহিত আচে বুলি কয়।।৩৩।

HINDOOSTAN.

ভাৰতবৰ্ষ বা হিন্দুস্থান।

ভাৰতবৰ্ষৰ উত্তৰ সীমা হিমালয় পৰ্ব্বত শ্ৰেণী, পূৰ্ব্বে ব্ৰহ্ম (অৰ্থাৎ মানৰ) দেশ, আৰু বঙ্গালৰ অখাত, দক্ষিণে ভাৰত মহাসাগৰ, পশ্চিমে আৰব সমুদ্ৰ আৰু সিন্ধু নদী। তাৰ যি ঠাইত বৰ দিঘল সি ১৮৫০ মাইল, আৰু যত বৰ বহল তাত ১৬০০ মাইল। ভাৰতবৰ্ষত মুঠে ওঠেৰে কোটি মানুহ আচে।

এই দেশক ভূগোল বেত্তা সকলে চাৰি ভাগ কৈ বিভক্ত কৰে। প্ৰথম হিমালয় পৰ্ব্বতৰ গাত যি সকল দেশ সতদ্ৰু নদীৰ পৰা মানৰ দেশলৈকে ব্যাপিচে; দ্বিতীয় নিজ হিন্দুস্থান যি এই দেশ বিলাকৰ পৰা নৰ্ম্মদা নদী লৈকে ব্যাপিচে, তৃতীয় দক্ষিণ দেশ নৰ্ম্মদা আৰু কৃষ্ণা নদীৰ মাজত, চতুৰ্থ কৃষ্ণা নদীৰ দক্ষিণে কুমাৰী অন্তৰীপলৈকে যি ঠাই তাকে ভাৰত প্ৰায়দ্বীপ বোলে। এই চাৰি খণ্ডত নানা দেশ আচে, সেই বিলাকৰ সংক্ষেপ বিবৰণ তলত লিখা গল।

NORTH HINDOOSTAN.
উত্তৰ হিন্দুস্থান।

প্ৰথম খণ্ডত, যাকে উত্তৰ হিন্দুস্থানো বোলে, নানা সৰু২ দেশ আচে; প্ৰধান অসম দেশ, ভোট দেশ, নেপাল ৰাজ্য ।৩৪। আৰু কাশ্মীৰ। অসম দেশক উত্তৰ পূৰ্ব্ব ভাৰতবৰ্ষৰ সঁচাৰ বুলিব পাৰি কিয়নো চীন, মান দেশৰ পৰা অসম দেশেৰে হে ভাৰতবৰ্ষলৈ সোমাব পাৰি; তাক পৰ্ব্বতে বেৰি আচে আৰু উত্তৰ পূব আৰু দক্ষিণ কেউ পিনে ভোট, ডফলা, আবৰ, মিচিমি, খামতি, নগা আৰু গাৰো ইত্যাদি অসভ্য জাতি থকা পৰ্ব্বত বিলাক, আৰু পশ্চিম ফালে বঙ্গাল দেশ। এই দেশ সৰু, দিঘলে ২৫০ ক্ৰোশ আৰু পুতলে সকলো ঠাইতে সমান নহয়, মুঠকৈ লেখিলে ত্ৰিশ ক্ৰোশ মান হব, ইয়াৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদ বৈচে আৰু তাত মানাহ, বৰ নদীকে আদি কৰি তিনি কুৰিতকৈ বড়া মুখ্য নদী পৰিচেহি। অসমৰ প্ৰধান দুভাগ, উজনি আৰু নামনি খণ্ড বা কামৰূপ; কিন্তু ইংৰাজৰ অধিকাৰ হবৰ পৰা তাক চ ভাগ কৰি চয় জিলা কৰিচে, অৰ্থাৎ কামৰূপ, নগাঁও, দৰঙ্গ, লক্ষ্মীপুৰ, শিবসাগৰ (কিম্বা শিবপুৰ) আৰু সদিয়া। পূৰ্ব্বে ৰঙ্গপুৰ, গৰগাঁও আৰু জোৰহাট ৰাজধানী আচিল, কিন্তু এতিয়া গুৱাহাটী ঘাই নগৰ, তেজপুৰ, নগাঁও, শিৱসাগৰ, দিব্ৰুগড় জিলাৰ ৰাজধানী।

অসম দেশ অতি উৰ্ব্বৰা, যি ৰোৱা সেইয়েই হয়, সম্প্ৰতি উজনিত চাহ পাত হৈচে, নদী বিলাকৰ বালি ধুলে তাত অনেক সোন পোৱা জায়, হাতিও অনেক আচে নিমিতে হাতি দাঁত পোৱা জায়; মুগা, এড়িয়া, পাট, মজাঠি ইত্যাদি বস্তুও ভালে মান হয় আৰু মুগা বঙ্গাল দেশলৈ নিয়ে।। ৩৫।

অসম দেশ পূৰ্ব্বে হিন্দু ৰজাৰ দ্বাৰা শাসিত হৈচিল পাচে ১১৫১ শঁকত আহোম জাতি ৰজা হল, সিবিলাকে প্ৰায় চ শ বচৰ ৰাজ্য ভোগ কৰিলত মানে দেশ লৈ অসম দেশ একে বেলিয়ে নষ্ট কৰিলে, তেতিয়াৰে পৰা দেশ জনশূন্য আৰু হাবি হল, কিন্তু সিহঁতে ভোগ কৰিব নৌ পাওঁতেই ইংৰাজ সকলে ১৭৪৬ শঁকৰ পৰা অসম দেশ অধিকাৰ কৰিচে।

অসম দেশত মুঠে বাৰে লক্ষ মানুহ আচে, আৰু দেশৰ দিঘল পুতললৈ চালে ইয়াতকৈ বড়া লোক থাকিব লাগিচিল; কিন্তু অসমত মানৰ আৰু মটকৰ উপপ্লৱৰ কাৰণে লোক এতিয়া আগতকৈও অলপ হৈচে। পূৰ্ব্বে এই দেশৰ ভাল লোক সকলৰ মাজত সংস্কৃত বিদ্যাৰ বৰ আলোচনা আচিল আৰু সেই বিদ্যাত অনেকে অতি পাৰ্গত হৈ সংস্কৃতৰ পৰা ভাঙ্গি ভাষাৰে অনেক পুথি লিখিচিল, সংস্কৃত পঢ়াশালিও দেশত অনেক আচিল কিন্তু এতিয়া এটাইএ সেই

মহা বিদ্যা পঢ়িবলৈ প্ৰায় এৰিলে আৰু তাৰ লোপ হৈ আহিচে, ইয়াৰ পৰা দেশৰ ভালেমান অমঙ্গল হৈ সকলো অজ্ঞান হবৰ আগন্তুক হৈচে।

অসম দেশৰ লোক প্ৰায়েই হিন্দু, আৰু অনেকে বামুনিয়া আৰু মহা পুৰুষিয়া নামে দুই বৈষ্ণৱ মতেৰে চলে, এবং মুষলমানো কিচু আচে; কিন্তু কচাৰি, লালুং, মিকিৰ নামে কেত বিলাক জাতি আচে সিহঁত হিন্দু নহয় আৰু অসভ্য।।৩৬।

ভোট– ভোট দেশ দিঘলে ১১০ ক্ৰোশ পুতলে ৫৫ ক্ৰোশ, সি গোটেই পৰ্ব্বত ময় আৰু হিমে ঢাকি থাকে, অনেক ওখ২ পৰ্ব্বত আচে আৰু তাৰো ওপৰত ঠায়ে২ খেতি কৰে। ভোটৰ দেশত অনেক নদী আচে। তাৰ ৰাজধানী নগৰৰ নাম টেচিচুডন, সি দুই পৰ্ব্বতৰ মাজত, তাতে ৰজা থাকে, আৰু পুনাখা নামে আৰু এক নগৰ আচে। ভোট দেশত ডেৰ লক্ষ মান মানুহ আচে, সিহঁত ভাৰতবৰ্ষৰ আন জাতিৰ নিচিনা নহয় কিন্তু অতি বলি আৰু ডাঠ। ভোট দেশৰ মানুহ বোৰ থিবেটৰ ৰাজ্যৰ দৰে বৌদ্ধ ধৰ্ম্মাবলম্বী, সিহঁতৰ ৰজা ধৰ্ম্মা, "যি আকাৰ সলাই" বুলি কয় কিন্তু দেৱা ৰজাই হে দেশ শাসন কৰে। ভোট দেশ চীনৰ কৰ তলিয়া।

ভোট দেশৰ পৰা পঞ্জাব দেশলৈকে যি সকল পৰ্ব্বতীয়া দেশ আচে সেই বিলাক গৰ্খা ফৈদৰ অধীন হোৱাত গোটেই বোৰকে নেপাল ৰাজ্য বোলে। অতি পূব ফালে ভোটৰ সীমাত চিকিম দেশ, সি পূৰ্বে গৰ্খা ৰজাৰ অধীন আচিল কিন্তু এতিয়া তাৰ ৰজাই ইংৰাজক কৰ দিয়ে। চিকিমৰ পশ্চিমে কীৰাট নামে এক জাতিৰ দেশ, সি নেপালৰ তলতিয়া, ইয়াৰ পশ্চিমে নিজ নেপাল দেশ, সি পৰ্ব্বতৰ মাজত আৰু অতি মনোৰম ঠাই, তাত নেৱাৰ আৰু পৰ্ব্বতীয়া দুই বিধ লোক বাস কৰে; মুঠতে পাঁচ লক্ষ মান মানুহ হব। নিজ নেপালত প্ৰধান ৰাজধানী কাটমাণ্ডু নগৰ। নিজ নেপালৰ পশ্চিমে খবিচি বা চব্বিচ ৰজাৰ দেশ আৰু বাইচি ।৩৭। ৰজাৰ দেশ আৰু পশ্চিম সীমা কালী নদী। এই নদীৰ পৰা পশ্চিমে যি বিলাক ঠাই সি এতিয়া ইংৰাজৰ অধীন, তাৰে প্ৰধান কমান আৰু শ্ৰীনগৰ দেশ ইত্যাদি।

এই সকল দেশত বাজে প্ৰথম খণ্ডত শতদ্ৰু নদীৰ পশ্চিমে কাশ্মীৰ দেশ, সি পৰ্ব্বতৰ মাজত আৰু অতি মনোৰম ঠাই। তাত অনেক নদী থকাত ঠাই বৰ উৰ্ব্বৰা হৈচে আৰু নানা শস্য হয়, কিন্তু কাশ্মীৰৰ গোলাপ ফুল এটাইতকৈ ভাল। কাশ্মীৰৰ লোক বিলাক হিন্দু, অতি শ্ৰমী সিহঁতৰ তিৰোতা বোৰ অতি ৰূপৱতী। কাশ্মীৰত সুন্দৰ কাকতপাত হয় আৰু বি চাল কাপৰ সকলো দেশত প্ৰখ্যাত তাকে এই দেশত থিবেট দেশৰ চাগলিৰ লোমেৰে কৰে, তাৰ একো

খন এনেহে ভাল কৰে যে তিনটা মানুহে দিনত ডেৰ আঙুল কৈ বৈ বচৰত হে একো খনকে উলিয়াই। কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ বা কাশ্মীৰ, তাত অনেক মন্দিৰাদি আচে।

PROPER HINDOOSTAN.

নিজ হিন্দুস্থান।

দ্বিতীয় খণ্ডত (অৰ্থাৎ নিজ হিন্দুস্থানত) অনেক প্ৰধান২ দেশ আচে, বঙ্গাল দেশ, বেহাৰ, এলাহাবাদ, অযোধ্যা, আগ্ৰা, দিল্লী, আজমীৰ, গুজৰাত, মালৱা, মুলতান, সিন্ধু দেশ আৰু লাহোৰ।

অতি পূব ফালে বঙ্গাল দেশ; তাৰ সমান উৰ্ব্বৰা ঠাই ।৩৮। প্ৰায়েই নাই, আৰু ধান নিল ইত্যাদি নানা শস্য হয়। সাগৰৰ পাৰৰ ঠাই বোৰ গোটেই সুন্দৰবন নামে হাবিয়ে ঢাকি আচে। বঙ্গালৰ নিচেই পূব ফালে মান দেশৰ সীমালৈকে চাটিগাঁও নামে প্ৰদেশ, সি পৰ্ব্বতিয়া আৰু তাৰ মধ্যত কুকী নামে এবিধ বন্য জাতি আচে। চাটিগাঁওৰ ৰাজধানী ইস্‌লমাবাদ। বঙ্গাল দেশৰ প্ৰধান ৰাজধানী নগৰ কলিকাতা। এই নগৰ পূৰ্ব্বে গাঁওহে আচিল এতিয়া পাঁচ লক্ষ লোক থকা পকি ঘৰেৰে আবৃত এখন মহানগৰ হৈচে; এই নগৰ গঙ্গা নদীৰ নিচেই পাৰতে আৰু তালৈ বাণিজ্যলৈ অনেক জাহাজ আহে। কলিকাতাত ভাৰতবৰ্ষৰ অধিপতি গৱৰ্ণৰ জেনেৰেল বাস কৰে আৰু তাত ফোৰ্ট উলিয়ম নামে এখন বৰ দুৰ্গ (অৰ্থাৎ কোঁঠ) আচে। কলিকাতাৰ ওচৰত শ্ৰীৰামপুৰ, চন্দন নগৰ, হুগলি ইত্যাদি নগৰ আচে আৰু ৬০ ক্ৰোশ উজাই গঙ্গা নদীৰ পাৰত মুৰ্শীদাবাদ চহৰ, সি পূৰ্ব্বে বঙ্গাল দেশৰ ৰাজধানী আচিল, এতিয়াও নৱাবৰ বাস স্থান। এই নগৰত চেউলি, বালিচৰি, চাটন ইত্যাদি অনেক বিধৰ সুন্দৰ পাটৰ কাপৰ হয়। ঢাকা নামেৰে আৰু এখন বিচক্ষণ নগৰ আচে, সিও পূৰ্ব্বে ৰাজধানী আচিল, এতিয়াও বৰ বাণিজ্যৰ স্থান, ডেৰ লক্ষ মান মানুহ আচে। পৃথিবীৰ মধ্যত যি অতি উত্তম মলমল কাপৰ সেয়েই ঢাকাত হয়। এই বিলাক নগৰত বাজে মালদা, গৌৰ আৰু ৰাজমহল এই তিনি নগৰ পূৰ্ব্বে ৰাজধানী আচিল, বঙ্গাল দেশত তিনি কোটিতকৈ সৰহ মানুহ আচে।।৩৯।

বেহাৰ (অৰ্থাৎ মগধ প্ৰদেশ) বঙ্গালৰ পশ্চিমে, সি অতি উৰ্ব্বৰা ঠাই আৰু নানা শস্য হয়, প্ৰধান কৈ আফিং আৰু জখাৰ উৎপন্ন হয়। বেহাৰত প্ৰধান নগৰ বিলাক গঙ্গাৰ তীৰত; প্ৰথমে মোগেঁৰ নামে এক আগৰ ৰাজনগৰ, তাৰ পৰা অল্প ভাটিত ভাগলপুৰ নদীৰ পৰা অল্প দূৰত বেহাৰ নামে নগৰ, সি পূৰ্ব্বে

ৰাজধানী আছিল, কিন্তু এটাইতকৈ প্ৰধান গঙ্গা নদীৰ তীৰত পাটনা, ই অনেক দিনিয়া নগৰ, অনেক মসীদ আৰু মন্দিৰ আচে। পাটনাৰ ওচৰত দানাপুৰ, তাৰ পৰা ২৫ ক্ৰোশ দক্ষিণে গয়া নামেৰে এক নগৰ গঙ্গাত আহি পৰা এক নদীৰ পাৰত, ই এখন বৰ হিন্দু তীৰ্থ, এতেকে তালৈ অনেক যাত্ৰী জায়।

আলাহাবাদ প্ৰদেশ গঙ্গাৰ উত্তৰ আৰু দক্ষিণে দুইও পাৰে ব্যাপিচে। তাত প্ৰধান নগৰ কাশী বা বাৰানশী, সি গঙ্গা নদীৰ তীৰত আৰু বৰ মহা নগৰ, তাৰ ঘৰ বোৰ পকি, সাত তলা লৈকে ওখ, অনেক দেব মন্দিৰ আৰু মসীদ আচে আৰু হিন্দু সকলৰ প্ৰধান তীৰ্থ হেতুকে তালৈ অসংখ্য যাত্ৰী জায়। কাশীৰ ওচৰত চনৰগড় নামে এখন বৰ শকত পৰ্ব্বতিয়া কোঁঠ আচে, এতিয়াও তাত অনেক সৈন্য আৰু এটা বিচক্ষণ মসীদ আচে। যত গঙ্গা আৰু যমুনা নদী মিলিচে তাতে আলাহাবাদ (অৰ্থাৎ প্ৰয়াগ) নগৰ, সি হিন্দু সকলৰ এক ঘাই তীৰ্থ ঠাই, তালৈ অনেক যাত্ৰী জায় আৰু আকবৰ চাহ পাত্চাই এক কোটি কুৰি লক্ষ ধন ভগন কৰি সজোৱা ।৪০। ৰাজকোঠো এই নগৰতে। প্ৰয়াগৰ ওচৰত মিৰ্জাপুৰ নামে এক বাণিজ্যৰ নগৰ। আলাহাবাদত বন্দেল খণ্ড নামে এক খণ্ড আচে, তাত হিৰাৰ আকৰ আচে, তাৰ ঘাই নগৰ কলিঙ্গ, আৰু গঙ্গাৰ পাৰত কানপুৰ নামে নগৰ।

অযোধ্যা ৰাজ্যো উৰ্ব্বৰা আৰু বেহাৰৰ সীমাত, তাক নবাবে শাসন কৰে কিন্তু ইংৰাজৰ কৰতলিয়া। তাৰ ৰাজধানী গোমতী নদীৰ পাৰত লক্ষ্নৌ নগৰ, তাত নবাব থাকে আৰু সি বৰ ডাঙ্গৰ নগৰ, তাত তিনি লক্ষ মান লোক আচে। তাৰ নবাব থকা ঘৰ, মসীদ, মৈদাম বৰ আচৰিত; চাল বোৰত সোন লগাইচে, আৰু কান্স্তান্তিয়া নামে যে মাৰ্টিন সাহাবৰ এক ঘৰ আচে তাক সাজোঁতে ১৫ লক্ষ ৰূপ ভগন হৈচে, অযোধ্যা নগৰ আৰু ফাইজাবাদ পূৰ্ব্বে ৰাজধানী আছিল।

আগ্ৰা প্ৰদেশত জাৰ, আৰু তাত নদীৰ পৰা কৃষি কৰ্ম্মৰ লাভ নাই, তাৰ প্ৰধান অলঙ্কাৰ আগ্ৰা নগৰ। আকবৰ চা পাত্চাই এখন গাঁৱৰ পৰা আগ্ৰাক আসিয়াৰ এক মহানগৰ কৰিলে; সি এতিয়া হ্ৰাস হল তেও চাজাহাঁন পাত্চাই তেঁওৰ কুঁৱৰী নুৰজাহানৰ নাম ৰাখিবলৈ তাজমহল নামে যি মৈদাম সজাইচিল তাৰ সমান মৈদাম পৃথিবীত কতো নাই; সি গোটেই বগা সিলৰ আৰু তাক কৰোঁতে পাঁচ সত্তৰি লক্ষ ধন ভগন হৈচিল। আগ্ৰা নগৰৰ ওচৰতে চেকন্দৰবাদ নামে এক অপূৰ্ব্ব নগৰ, তাতে বগা সিলেৰে সজা আকবৰ ।৪১। চাহৰ মৈদাম আচে। মথুৰা নামে এক নগৰ আচে সিও প্ৰধান হিন্দু তীৰ্থ। আগ্ৰা প্ৰদেশৰ দোৱাব (অৰ্থাৎ অন্তৰ্বেধ) যি ডোখৰ তাতে কান্যকুব্জ নামে পূৰ্ব্বৰ

নগৰ। যমুনা নদীৰ পশ্চিমে ভৰথপুৰ, গোৱালিয়ৰ ইত্যাদি কোঁঠ আচে। আগ্ৰাৰ উত্তৰে দিল্লীৰ প্ৰদেশ, সি উৰ্ব্বৰা নহয়, তাৰ ঘাই নগৰ যমুনা নদীৰ পাৰত দিল্লী। সি পূৰ্ব্বে এখন ইন্দ্ৰপ্ৰস্থ নামে হিন্দু মহা নগৰ আচিল, কিন্তু চাজাহান পাত্চাই মগল ৰাজ্যৰ ৰাজধানী কৰিলে আৰু এতিয়াও দিল্লীৰ পাত্চা এই নগৰতে বাস কৰে। দিল্লী নগৰ এতিয়া হ্ৰাস হল, আৰু নানা ৰূপৰ ঘৰ বোৰ ভাগি আচে, তেও অনেক আচৰিত ঘৰ মৈদাম আৰু মসীদ আচে। আৰঙ্গজিব পাত্চাৰ জিয়েকে জুমা মসীদ নামে যে ৰঙ্গা সিলৰ মসীদ এটা কৰাইচিল, তাৰ নিচিনা ভাৰতবৰ্ষত নাই। কুতব মিনাৰ নামে এটা বুৰুজ আচে সিও সামান্য নহয়। দিল্লী প্ৰদেশত মীৰট নামে আৰু এক নগৰ আচে।

আজমীৰ বা ৰাজপুথান অতি ডাঙৰ প্ৰদেশ, তাতে ৰাজপুত বিলাক বাস কৰে; ভাৰতবৰ্ষত এই জাতি লোক হে অতি বলিষ্ঠ আৰু সাহিয়াল, এই প্ৰদেশ প্ৰায় পৰ্ব্বতিয়া আৰু মৰুভূমি। সি নানা ৰজাৰ অধীন, প্ৰধান মাৰওয়াৰ মেওয়াৰ আৰু জয়পুৰ এই তিনি ঠাইৰ ৰজা। মাৰওয়াৰৰ ৰজা এটাইতকৈ পৰাক্ৰমী, তেঁওৰ ৰাজধানী জোধপুৰ, তেঁও ।৪২। স্বাধীন, কিন্তু ইংৰাজৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰে। মেওয়াৰৰ ৰজাক ৰাণা বোলে, তেঁও মাৰওয়াৰৰ ৰজাৰ তুল্য নহয়, তেঁওৰ ৰাজধানী উদয়পুৰ। জয়পুৰ বা জয়নগৰৰ ৰজাও প্ৰধান, তেঁওৰ ৰাজধানী জয়পুৰ অতি সুন্দৰ। আজমীৰ প্ৰদেশৰ ৰাজধানী যি আজমীৰ তাত কোনো ৰজা নেথাকে। এই বিলাক ৰাজ্যৰ পশ্চিমে বালি ময় মৰু ভূমি এডোখৰ আচে, কিন্তু তাতো দুই প্ৰধান ৰজা আচে অৰ্থাৎ বিকানীয়ৰ আৰু যসল্মীৰৰ ৰজা।

গুজৰাট প্ৰদেশ ঠায়ে২ উৰ্ব্বৰা ঠায়ে২ মৰু; তাত নানা জাতিৰ লোক আচে, পাৰচী (অৰ্থাৎ অগ্নি সেৱক) অনেক, সিবিলাকে অগ্নিক পূজা কৰে আৰু জৈন ধৰ্ম্মাবলম্বীও অনেক আচে। গুজৰাটৰ এডোখৰ গুইকৰ নামে ৰজাৰ অধীন তেঁওৰ ৰাজধানী বাৰদা। গুজৰাটৰ ইংৰাজৰ অধিকাৰত ৰাজধানী আহেম্দাবাদ, কিন্তু সুৰাষ্ট্ৰ নগৰ হে অতি প্ৰধান বাণিজ্যৰ ঠাই।

গুজৰাটৰ গুৰিত আজমীৰৰ দক্ষিণে কছ্ প্ৰদেশ, তাত ঝাৰজ নামে এবিধ ৰাজপুত জাতি বাস কৰে, সিহঁতৰ ডকা দিয়া স্বভাৱ আৰু সিহঁতৰ ভিন এক ৰজা আচে; কিন্তু আচৰিত এই যে সিহঁত মুছলমান, আৰু এক ভয়ানক ৰীতি এই যে চোৱালীৰ লৰা হলে সিহঁতে হত্যা কৰে।

আগ্ৰা আৰু আজ্মীৰৰ দক্ষিণে মালৱা প্ৰদেশ, সি বৰ ওখ ঠাই আৰু উৰ্ব্বৰা, তাত মহাৰাষ্ট্ৰ বিলাক থাকে। মালৱা ।৪৩। প্ৰদেশত ভালেমান আফিং হয়, আৰু একে জনা ৰজা নহয় কিন্তু অনেক, প্ৰধান চিন্ধিয়া আৰু হলকাৰ, সিবিলাকে ইংৰাজকে সাৰথি ৰূপে আচে। মালৱা প্ৰদেশতে পূৰ্ব্বে বিক্ৰমাদিত্য

ৰজা আছিল; মালৱাত প্ৰধান নগৰ উজ্জয়ণী বা অৱন্তী, আৰু ইন্দুৰ যাক অহল্যা বাইয়ে হলকাৰৰ ৰাজধানী পাতিলে।

সিন্ধু নদীৰ মুখতে সিন্ধু প্ৰদেশ। তাৰ প্ৰধান নগৰ টাটা, সি বৰ বাণিজ্যৰ ঠাই আছিল আৰু ৰাজধানীও আছিল, কিন্তু এতিয়া গোটেই হ্ৰাস হৈছে আৰু তাৰ পৰা ৰাজধানী হয়দৰাবাদলৈ এতিয়া নিচে। অল্প দিন হৈছে এই দেশৰ ৰজা মুৰলমান আমিৰ আছিল আৰু সিবিলাকে প্ৰজাক বৰকৈ যাতনা দিছিল, কিন্তু এতিয়া ইংৰাজে তাক লৈছে, তাৰ পৰা প্ৰজাৰ সুখ হব।

লাহোৰৰ দক্ষিণে মূলতান প্ৰদেশ, সি পূৰ্ব্বে কাবুলৰ অধীন আছিল কিন্তু এতিয়া লাহোৰৰ অধীন। ইয়াৰ ৰাজধানী মূলতান নগৰ, সি অতি সুন্দৰ, চাৰিও ফালে সুন্দৰ গড় এটা আছে আৰু তাত যি এখন দেৱালয় আছে তালৈ অনেক যাত্ৰী জায়। এই নগৰত দলিচা আৰু পাট কাপৰ অনেক হয়। মূলতানৰ লোক বিলাক হিন্দুও নহয়, আফগানো নহয়, কিন্তু সিহঁতক জাত বোলে।

ভাৰতবৰ্ষৰ পশ্চিমে লাহোৰ প্ৰদেশ, তাৰ এডোখৰ বৰ উৰ্ব্বৰা, আৰু নানা শস্য উৎপন্ন হয়। এই প্ৰদেশত শীক বা ।৪৪। সিংহ, যৌত আৰু ৰাজপুত ইত্যাদি হিন্দু আৰু মুৰলমান লোক আছে, কিন্তু মুৰলমান বোৰ অতি দুঃখিয়া, উত্তৰ পশ্চিমৰ মানুহ বোৰ আফগান। শীক বা সিংহ বিলাক বৰ শক্তিৱন্ত আৰু হিন্দুস্থানৰ সকলো লোকতকৈ সাহিয়াল সৈন্য; প্ৰায়েই ঘোৰাত উঠি ৰণ কৰে. সিহঁত মৃদু ন হয়, বৰকৈ এটাহ পাৰিহে কথা কয়। শীক বোৰে মদ, আফিং, ভাঙ্গ বৰকৈ খায় আৰু বৰা গাহৰিকো খায়। লাহোৰ পূৰ্ব্বে নানা সৰু২ ৰজাৰ অধীন আছিল, পিচে ৰঞ্জিত সিংহে অধিপতি হল, কিন্তু এতিয়া তেঁওৰ বংশৰ দলিপ্ সিংহ ৰজা থকাত ইংৰাজে সৈতে ৰণ লগাত লাহোৰৰ এডোখৰ ইংৰাজৰ অধীন হৈছে। শীক লোকে গুৰু নানকৰ মতে চলে, সিহঁতৰ ভাষা আৰু আখৰ বেলেগ। লাহোৰৰ ৰাজধানী লাহোৰ নগৰ, সি পূৰ্ব্বে মহা নগৰ আছিল আৰু এতিয়াও ৰজাৰ থকা ঠাই; তাত অনেক উত্তম২ গৃহ আছিল, সেই বোৰ নষ্ট হৈ গৈছে, তেও জহঙ্গিৰ পাত্চাৰ যি মৈদাম সি অকল আগ্ৰাৰ তাজমহলত কৈ হে সৰু। লাহোৰত অমৰেশ্বৰ নামে এক তীৰ্থ থকা নগৰ আছে, তালৈ অনেক জাত্ৰী জায়।

South Hindoostan
দক্ষিণ হিন্দুস্থান।

নৰ্ম্মদা নদীৰ দক্ষিণে দক্ষিণ দেশ, তাৰ সমুদ্ৰৰ তীৰৰ ঠাইত বাজে গোটেই ঠাই ওখ আৰু অনেক শস্য হয়। দক্ষিণত ।৪৫। প্ৰধান প্ৰদেশ খান্দেচ,

আৰঙ্গাবাদ, বিজয়পুৰ, হাইদৰাবাদ ইত্যাদি নিজাম আলিৰ দেশ; বিৰাট ৰজাৰ দেশ অৰ্থাৎ বেৰাৰ, উৎকল অৰ্থাৎ উৰিষ্যা আৰু উত্তৰ চৰকাৰ।

খান্দেচ প্ৰদেশৰ নিচিনা যুদ্ধলৈ ভাল ঠাই পৃথিবীত নাই, তাত আচিৰ গড় ইত্যাদি যি বোৰ কোঁঠ আচে তাক মানুহে কৰা নহয় কিন্তু স্বাভাবিক পৰ্ব্বতৰ দ্বাৰাই হৈচে। ইয়াৰ ৰাজধানী পূৰ্ব্বে ৰহানপুৰ আচিল, ইংৰাজৰো সেয়েই ৰাজ নগৰ হৈচে।

খান্দেচৰ দক্ষিণে আৰঙ্গাবাদ আৰু বিজয়পুৰ এই দুই প্ৰদেশ, তাৰ ভূমি সমান ন হয়, কোনো২ ঠাই পৰ্ব্বতিয়া। খান্দেচৰ দৰে ইয়াতো অনেক স্বাভাবিক কোঁঠ আচে আৰু মহাৰাষ্ট্ৰবিলাকৰ এই মূল ঠাই; সিবিলাকৰ ৰাজধানী পুণ্যগ্ৰাম নামে এখন বৰ নগৰ আচিল, সি এতিয়া ইংৰাজৰ অধীন। চাটাৰা নামে এক নগৰ আচে তাতে ইংৰাজে পেচুৱাক ভাঙ্গি এক ৰজা স্থাপিচে। পূৰ্ব্বৰ ৰাজধানী যে বিজয়পুৰ, সি অতি প্ৰধান নগৰ আৰু তাৰ কোঁঠ অতি ডাঙ্গৰ। আৰঙ্গাবাৰ্জ দৌলতাবাদ আৰু দুই পুৰণি নগৰ আচে। দৌলতাবাদৰ ওচৰত এলোৰাৰ আচৰিত কৰ্ম্ম সকল আচে, এখন পৰ্ব্বতক খুলি নানা মন্দিৰ কৰিচে আৰু তাৰ ভিতৰত সুন্দৰ২ মূৰ্ত্তি বিলাক আচে।

হাইদৰাবাদ, নানদীৰ আৰু বিদৰ এই তিনি প্ৰদেশ নিজামৰ ৰাজ্য, নিজাম আলি ইংৰাজৰ কৰতলিয়া। তেঁওৰ ৰাজ ।৪৬। ধানী হাইদৰাবাদ নগৰ; তাৰ ওচৰত গলকণ্ডা নগৰ যত হিৰাৰ আকৰ আচে।

বেৰাৰ বা বিৰাট প্ৰদেশ নাগপুৰৰ ৰজাৰ অধীন কিন্তু তেঁও ইংৰাজৰ কৰতলিয়া। এই প্ৰদেশৰ ৰাজধানী নাগপুৰ।

দক্ষিণ দেশৰ সাগৰৰ তীৰত উৰিষ্যা প্ৰদেশ, তাৰ লোক বিলাকৰ ভাষা বেলেগ। তাৰ প্ৰধান নগৰ বালেশ্বৰ আৰু কটক, কটকৰ গুৰিত জগন্নাথ ক্ষেত্ৰ, তালৈ অনেক যাত্ৰী জায়।

চৰকাৰ প্ৰদেশো সাগৰৰ তীৰত। কম্পানিয়ে আদিতে এই প্ৰদেশৰ অধিকাৰ পালে, ইয়াত নানা বিধিয়া কাপৰ কৰে, ঘাই চিট।

দক্ষিণ দেশৰ পশ্চিমে সাগৰৰ এক উপদ্বীপত বোম্বাই নামে এক মহানগৰ, সি ইংৰাজৰ ৰাজ্যৰ তিনি ৰাজধানীৰ ভিতৰত এক ৰাজধানী আৰু তাত বাণিজ্যো হয়। এই নগৰৰ ধনৱন্ত লোক অনেক পাৰচি (অৰ্থাৎ অগ্নি সেৱক) তাত দুই লক্ষ কুৰি হেজাৰ মান মানুহ আচে। বোম্বাইত এজন গৱৰ্ণৰ আৰু এখন সভা থাকে।

Indian Peninsula
ভাৰত প্ৰায়দ্বীপ।

কৃষ্ণা নদীৰ পৰা ইফালে ভাৰত প্ৰায়দ্বীপ, ইয়ালৈ পূৰ্ব্বে মুছলমানৰ ৰাজ্য ব্যাপা নাচিল। এই ভাগৰ পশ্চিমে সাগ ।৪৭। ৰৰ তীৰৰ ঠাইকে মালাবাৰ বোলে, তাত খ্ৰীষ্টীয়ান আৰু য়িহুদী অনেক আচে। তাৰ প্ৰদেশ আদিতে কনাৰা, তাত অনেক জৈন ধৰ্ম্মাবলম্বী আচে, তাৰ ঘাই নগৰ মঙ্গলোৰ। তাৰ দক্ষিণে নিজ মালাবাৰ, সি ইংৰাজৰ কৰতলিয়া এক ৰজাৰ অধীন আৰু তাৰ ঘাই নগৰ কালিকট। ইউৰোপৰ পৰা ভাৰতবৰ্ষলৈ মানুহ আহি প্ৰথমে এই নগৰ পাইচিল; মালাবাৰৰ দক্ষিণে কচিন নামে ইংৰাজৰ তলতিয়া এক ৰজাৰ দেশ, তাৰ ৰাজধানী কুচিন। কুচিনৰ পৰা কুমাৰী অন্তৰীপলৈকে যি ঠাই সি ট্ৰাবানকোৰ ৰজাৰ অধীন, তেঁৱো ইংৰাজৰ তলতিয়া আৰু পূৰ্ব্বে ৰাজধানী ট্ৰাবানকোৰ এতিয়া ত্ৰিবন্দ পটাম।

ভাৰত প্ৰায়দ্বীপৰ পূৰ্ব্ব পাৰে সমুদ্ৰৰ তীৰৰ কুমাৰী অন্তৰীপলৈকে যি ঠাই তাকে কৰ্ণাটিক বোলে। তাৰ আদিতে মান্দ্ৰাজ নগৰ; সি নিচেই সাগৰৰ তীৰত আৰু ইংৰাজৰ ৰাজ্যৰ তিনি ৰাজধানীৰ ভিতৰত এক। তাৰ যি ডোখৰত ইংৰাজ বিলাক থাকে সি অতি সুন্দৰ, অনেক বিচক্ষণ পকি আচে, আৰু যি ডোখৰত দেশৰ লোক থাকে তাত অনেক মন্দিৰ আৰু মসীদ আচে; কিন্তু ধনৱন্ত মানুহৰ ঘৰত বাজে ইবোৰ ঘৰ বাঁহ কাঠৰ। মান্দ্ৰাজৰ ১৫ ক্ৰোশ দক্ষিণে মহা বলিপুৰ নামে নগৰ, ইয়াৰো দক্ষিণে ফ্ৰান্স দেশৰ অধীন ফুদচেৰি বা পন্দিচেৰি নগৰ।

কাৱেৰি নদীৰ মুখতে তাঞ্জোৰ নামে এক প্ৰদেশ, সি ।৪৮। পূৰ্ব্বে এক ৰজাৰ অধীন আচিল কিন্তু এতিয়া ইংৰাজৰ হৈচে, তাৰ প্ৰধান নগৰ তাঞ্জোৰ, সি বিদ্যাৰ প্ৰধান ঠাই, তাত যি দেৱ মন্দিৰ আচে সি বাৰে থকিয়া হৈ উঠিচে। তাঞ্জোৰৰ উজনিত ট্ৰিঞ্চিপলি নগৰ, নিগাপটাম নামে এক বাণিজ্যৰ নগৰ আচে। ট্ৰানক্যুবৰ নামে দেম্মাৰ্কৰ অধীন এক নগৰ আচে। ভাৰত প্ৰায়দ্বীপৰ নিচেই দক্ষিণে মাডোৰা প্ৰদেশ, তাৰ নগৰ মাডোৰা কিন্তু কৰ্ণাটিকৰ উত্তৰে পুলিকট আৰু নেলোৰ নগৰ।

মহীশুৰ ৰাজ্য মাজত আৰু ওখ, সি পূৰ্ব্বে হাইদৰ আলীৰ ৰাজ্য আচিল কিন্তু তেঁওৰ পুতেক টিপু সুলতান ৰজা হৈ ইংৰাজে সৈতে যুদ্ধ কৰাত মহীশুৰ ইংৰাজৰ অধিকাৰ হল। হাইদৰ আলিৰ দিনত বঙ্গলোৰ ৰাজধানী, কিন্তু টিপুৰ দিনৰ পৰা শ্ৰীৰঙ্গপটাম ৰাজধানী হৈচে, সি কাবেৰী নদীৰ পাৰত।

Ceylon
সিংহল দ্বীপ।

ভাৰতবৰ্ষৰ ওচৰত মন্নৰ দ্বীপ, লক্ষ দ্বীপ আদি কৰি অনেক উপদ্বীপ আচে কিন্তু এটাইতকৈ প্ৰধান আৰু বৰ সিংহল দ্বীপ। এই দ্বীপ ভাৰতবৰ্ষৰ দক্ষিণে আৰু তাৰ পৰা মানাৰ নামে সমুদ্ৰৰ খালেৰে বেলেগ হৈচে। সাগৰৰ পাৰৰ ওচৰৰ ঠাই বোৰ বালি ময়, কিন্তু মধ্যত চাউল ইত্যাদি কিচু শস্য হয়। তাৰ যাই উৎপন্ন বস্তু ডালচেনি; ।৪৯। তাৰ গঁচ বৰ ওখ নহয়, তাৰ চাল শুকালেই ডালচেনি। নাৰিকলৰ গচো অনেক, কিন্তু সিংহল দ্বীপত অতি ভাল হাতি পোৱা জায়, তাক ৮/১০ দিনতে জাতি কৰিব পাৰি; আৰু মানিক আদি অনেক ৰাখৰ হয় কিন্তু তাৰ মানাৰৰ মোহনাত হে মুক্তা পোৱা জায়। সিংহল দ্বীপ ইংৰাজৰ অধীন কিন্তু কম্পানি বাহাদুৰে চলকৰ নকৰে, ইংগ্লণ্ডৰ ৰজাই শাসন কৰাই। তাৰ ৰাজধানী নগৰৰ নাম কলম্বো; ইয়াত দহ লক্ষ মান মানুহ আচে, তাৰে অনেক পোৰ্তুগীশ আৰু ইংৰাজ। তাৰ লোক বিলাক শিষ্টাচাৰী, কিন্তু বিদ্যাত পাৰ্গত নহয়; সিবিলাকে বৌদ্ধ ধৰ্ম্ম মানে।

River and Mountain
নদী আৰু পৰ্ব্বত।

ভাৰতবৰ্ষত অনেক নদী আচে। সকলো বিলাকৰ বিবৰণ লেখা বাহুল্য; তাৰে প্ৰধান ব্ৰহ্মপুত্ৰ। এই নদ থিবেট, অসম আৰু বঙ্গাল দেশেৰে আহি বঙ্গালৰ অখাতত পৰিচে।

গঙ্গা নদী হিমালয় পৰ্ব্বতৰ পৰা উৎপত্তি হৈ তেৰে শ ক্ৰোশ বৈ কলিকাতাৰ দক্ষিণে সাগৰত পৰিচে, আৰু যমুনা, ঘৰ্ঘৰা, শোণ, গণ্ডকী, কুশী ইত্যাদি নদী ঠায়েং গঙ্গাত পৰিচেহি।

মহানদী কটক, জগন্নাথৰ গুৰিৰে সমুদ্ৰত পৰিচে; ইয়াৰ ।৫০। দক্ষিণে গোদাবৰী, কৃষ্ণা আৰু কাবেৰী নদী। পশ্চিমে তাপ্তি আৰু নৰ্ম্মদা, নৰ্ম্মদা ৰাজমহল পৰ্ব্বতৰ পৰা ওলাই সৌৰাষ্ট্ৰ দেশৰ উত্তৰে সমুদ্ৰত পৰিচে।

সিন্ধু নদী ভাৰতবৰ্ষৰ উত্তৰ পশ্চিমৰ সীমা হৈচে, সি হিমালয়ৰ পৰা ওলাই আৰব সমুদ্ৰত পৰিচে। এই নদীত আৰু পাঁচ নদী পৰিচেহি অৰ্থাৎ "জীলম, চনব, ৰাবী, বেগা আৰু সতদ্ৰু"।

ভাৰতবৰ্ষৰ ঘাই পৰ্ব্বত হিমালয়। এই সাৰী পৰ্ব্বত দিঘলে প্ৰায় চাৰি হেজাৰ ক্ৰোশলৈকে ব্যাপিচে। এই পৰ্ব্বত পৃথিবীৰ সকলো পৰ্ব্বতত কৈ ওখ, এক শৃঙ্গ ওঠৈৰ হেজাৰ হাত ওখ।

ঘাট নামে দুই পৰ্ব্বত শ্ৰেণী ভাৰতবৰ্ষৰ পূৰ্ব্ব আৰু পশ্চিমে ব্যাপিচে।

The Indian Production
ভাৰতবৰ্ষৰ উৎপন্ন দ্ৰব্য।

ভাৰতবৰ্ষত যিবিলাক উত্তম দ্ৰব্য হয়, আন দেশত তাক পোৱা নেজায়। নিল অনেক হয়, আৰু তাক ইংগ্ৰেওলৈ নিয়ে। তুলাও ভালে মান; আৰু ঢাকাত যি মলমল নামে কপাহি কাপৰ, সি আচৰিত। মগধ আৰু মালৱা ইত্যাদি দেশত আফিং হয়। পাট সুতা, চাউল, চেনি, জখাৰ আদি এই বিলাক ঘাই উৎপন্ন বস্তু।।৫১।

History
বুৰঞ্জি।

ভাৰতবৰ্ষৰ অতি পূৰ্ব্বৰ বুৰঞ্জি নাই; ইংৰাজী ১০০০ শঁকৰ পূৰ্ব্বে ভাৰতবৰ্ষত হিন্দু ৰজা সকলৰ নানা ৰাজ্য আচিল। পিচে এই শঁকত গিজনিৰ মহম্মদ নামে মুষলমান পাতচাই ভাৰতবৰ্ষ আক্ৰমণ কৰি নানা উপদ্ৰৱ কৰিলে; পাচে ক্ৰমে পাঠান আৰু মগল এই দুই ফৈদৰ নানা পাতচা হৈ ক্ৰমে প্ৰায় গোটেই ভাৰতবৰ্ষকে অধিকাৰ কৰিলে, আৰু আকবৰ চাহ আৰু আৰঞ্জিব পাতচাৰ দিনত পৰাক্ৰম বৰকৈ বাঢ়ি সিবিলাকৰ দিনৰে পৰা ক্ৰমে২ হ্ৰাস হৈ আহিল। ১৪৯৭ ইং শঁকত ইউৰোপৰ পৰা ভাৰতবৰ্ষ লৈ আহিবৰ বাট ওলাল, তাতে ইংৰাজকে আদি কৰি নানা ইউৰোপৰ জাতিয়ে বাণিজ্য কৰিবৰ নিমিত্তে ভাৰতবৰ্ষলৈ আহিল। তাৰে ইংৰাজ বিলাকে কলিকাতা আৰু মান্দ্ৰাজত কোঁঠ কৰালে, পিচে কাল ক্ৰমে ৰণ কৰি প্ৰথমে ১৭৫৭ শঁকত পলাসি নামে এঠাইত বঙ্গাল দেশৰ নবাবেৰে ৰণ কৰি জিকি নবাব ভাঙ্গি আন এক নবাব পাতিলে। শেষত ১৬৫৭ শঁকত দিল্লীৰ পাতচাৰ আজ্ঞা পত্ৰ লৈ বঙ্গাল বেহাৰ আৰু উৰিষ্যাৰ অধিপতি হল। এই ৰূপে লাহে২ ইংৰাজ সকলে এতিয়া গোটেই ভাৰতবৰ্ষৰে অধিকাৰ হৈছে।।৫২।

Religion and Language
ধৰ্ম্ম আৰু ভাষা।

ভাৰতবৰ্ষৰ প্ৰায় লোকেই হিন্দু ধৰ্ম্মক মানে, আৰু শাক্ত শৈব বৈষ্ণৱ ইত্যাদি মতেৰে চলে, কিন্তু হিন্দুৰ মধ্যৰে জৈন মত আৰু নানকৰ মত দুটা আছে। পৃথিবীৰ ভিতৰত কেৱল ভাৰতবৰ্ষতহে জাতি প্ৰভেদ আছে আন কোনো দেশত নাই। ভাৰতবৰ্ষত মুছলমানো অনেক আছে, সিবিলাকে মহম্মদে স্থাপিত মতেৰে চলে। খ্ৰীষ্টীয়ানো কিছু আছে।

ভাৰতবৰ্ষত যত ভাষা আছে এটাইৰে মূল সংস্কৃত আৰু যত আখৰ আছে এটাইৰে মূল দেৱনাগৰ। ৮০০ বচৰ হল মুছলমান সকল ভাৰতবৰ্ষলৈ আহিল, তাৰে পৰা ফাৰচী ভাষা আৰু আখৰ চলিচে আৰু ভাষা বিলাকতো অনেক ফাৰচী কথা সোমাইচে। ভাৰতবৰ্ষৰ নানা দেশত অসমীয়া, বঙ্গালী, ভোট, কাশ্মীৰী, উৰিয়া, তৈলঙ্গ, কৰ্ণাট, নেপাল, মনিপুৰ ইত্যাদি নামে প্ৰায় চল্লিচ বিধৰ ভাষা চলিচে আৰু এইদৰে নানা বিধিয়া আখৰো আছে।

Government
ৰাজ্যশাসন।

ভাৰতবৰ্ষৰ লোকে স্বাধীন ৰাজত্বত বাজে আন ৰূপে ৰাজ্যশাসন হোৱাৰ কথা প্ৰায় ভু নেপায়। অতি পূৰ্ব্বে হিন্দু ৰজা সকলৰ দিনত স্বাধীন ৰূপে দেশ শাসিত হৈছিল, পাচে ।৫৩। মুছলমান পাত্চা বিলাকেও নিচেই স্বাধীন হৈ ভাৰতবৰ্ষ শাসন কৰিচিল, আৰু প্ৰদেশে২ পাত্চাৰ তলে একোজন সুবা বা নবাব আচিল। এতিয়া ইংৰাজ অধিপতি হোৱাত ৰাজ্য শাসন ভালে মান লৰ হল।

পূৰ্ব্বে ইংৰাজী ১৬০০ শঁকত ইংগ্লণ্ড দেশৰ কেত বোৰ মানুহে গোট খাই ভাৰতবৰ্ষেৰে বাণিজ্য কৰিবলৈ গায়ে পতি ধন তুলি মুঠ ধনেৰে বেহা কৰিব ধৰিলে, আৰু সেই মানুহ বিলাককে কম্পানি বোলে। পিচে সেই কম্পানি বাণিজ্য কৰি কাল ক্ৰমে এতিয়া প্ৰায় গোটেই ভাৰতবৰ্ষকে অধিকাৰ কৰিলে। কিন্তু সিবিলাকো প্ৰজা হেতুকে ইংগ্লণ্ডৰ ৰজাৰ অনুমতি পত্ৰ লৈহে দেশ শাসন কৰাইচে, ৰজাৰ ইচ্ছা হলে কম্পানিৰ শাসন গুচাব পাৰে। অনেক লোকেই কম্পানি হেতুকে সিবিলাকৰ ভিতৰৰে ২৪ জনক সময়ে২ বাচি লৈ সিবিলাকক ভাৰতবৰ্ষ শাসন কৰিবৰ ভাৰ অৰ্পণ কৰে, আৰু সেই ২৪ জনকে কোৰ্ট অফ্ ডিৰেক্টৰ্চ বোলে। সিবিলাকেই কম্পানিৰ হৈ সকলো কৰ্ম্মকে কৰে,

কিন্তু ভাৰতবৰ্ষত কম্পানিয়ে অন্যায় কৰে বুলি কোৰ্ট অফ্ ডিৰেক্‌টৰ্চৰ ওপৰত বোৰ্ড অফ্ কণ্ট্ৰোল নামে ইংগ্লণ্ডৰ ৰজাৰ ফলিয়া দেশৰ বৰ বিষয়া কেই জন মানৰ এক সমাজ আছে। ভাৰতবৰ্ষত কম্পানিৰ ৰাজ্যক চাৰি ৰাজধানীকৈ ভাগ কৰিছে; অৰ্থাৎ বঙ্গ, মান্দ্ৰাজ, বম্বাই আৰু এতিয়া নকৈ হোৱা আগ্ৰা ৰাজধানী। প্ৰতি ৰাজধানীতে একো জন গবৰ্ণৰ ।৫৪। আৰু এক কৌন্সল অৰ্থাৎ সমাজ আছে, আৰু এই দুইয়েই ৰাজধানীৰ তলতিয়া যিবিলাক দেশ আছে তাৰ কৰ্ম্ম চলাই, আৰু প্ৰতি ৰাজধানীতে জিলায় প্ৰতি দেওয়ানী আৰু ফৌজদাৰি সোধৰ ঠাই আছে। কিন্তু এই ৰাজধানী বোৰৰ ওপৰতো জেনেৰেল নামে এজন বৰ বিষয়া আছে, তেঁৱেই গোটেই ভাৰতবৰ্ষৰ অধিপতি, আৰু তেঁওৰ আজ্ঞা কেউ ৰাজধানীত চলে। তেঁও আপোন ইচ্ছাৰে যুদ্ধ বিগ্ৰহ কৰিব পাৰে আৰু তেঁওৰ যি কৌন্সল অৰ্থাৎ সমাজ আছে তাৰে মিলি ভাৰতবৰ্ষলৈ আইন কৰিব পাৰে। ইংৰাজৰ ৰাজ্যৰ চাৰি ৰাজধানীৰ ভিতৰত যি সকল দেশ আছে তাৰ বিবৰণ এই।

বঙ্গ ৰাজধানীত বঙ্গাল, বেহাৰ, উৰিষ্যাৰ এডোখৰ, অসম দেশ আৰু আৰাকান। মাৰ্টবান, টেবয়া, ৰামৰী ইত্যাদি মান ৰজাৰ তৰ পৰা লোৱা দেশ আৰু শিঙ্গাপুৰ, পিনাং এই দুই উপদ্বীপ।

কৃষ্ণা নদীৰ দক্ষিণে কুমাৰী অন্তৰীপলৈকে যি দেশ বিলাক আৰু দক্ষিণ দেশৰ চৰকাৰ, সেই বোৰ মান্দ্ৰাজ ৰাজধানীৰ ভিতৰত।

বোম্বাই ৰাজধানীৰ ভিতৰত অনেক ৰজাৰ ৰাজ্য আছে, কেৱল সুৰাষ্ট্ৰ আৰু পুণ্যগ্ৰাম ইত্যাদি হে নিজ ৰাজধানীৰ তলতিয়া।।৫৫।

আগ্ৰা ৰাজধানীৰ ভিতৰত দিল্লী, আগ্ৰা প্ৰদেশ আৰু আলাহাবাদৰ এডোখৰ।

দক্ষিণ দেশৰ নিজাম আলী, অযোধ্যাৰ নবাব, নাগপুৰ, মহীশুৰ, চাটাৰা, টাবনকোৰ, কুচিন আৰু হলকৰ ইত্যাদিৰ ৰজা নিচেই ইংৰাজৰ অধীন আৰু কৰতলিয়া। গুজৰাটৰ গুইকৱাৰ আৰু ৰাজপুতৰ সৰু২ ৰজা কেত বিলাক ইংৰাজৰ নিচেই অধীন নহয় কিন্তু ইংৰাজে সাৱধি কৰি মিত্ৰভাৱে আছে। নেপাল আৰু ভোট হে স্বাধীন। পঞ্জাবৰো এডোখৰ লৈচে আৰু মহাৰাষ্ট্ৰ, চিন্ধিয়াও এক প্ৰকাৰ স্বাধীন।

এই সকলত বাজে ফ্ৰান্স দেশৰ অধীন দক্ষিণে পন্দিচেৰি আৰু মহী, বঙ্গাল দেশত চন্দন নগৰ। দেন্মাৰ্কৰ অধীন কাৱেৰী নদীৰ মুখত ট্ৰান্‌ক্যুইবৰ, পৰ্ত্তুগীচ সকলৰ অধীন গোৱা, গুজৰাটৰ দামন আৰু দিউ উপদ্বীপ। এই বোৰ ঠাইত ইংৰাজৰ একো অধিকাৰ নাই।

FURTHER INDIA
দূৰৈৰ ভাৰতবৰ্ষ।

ভাৰতবৰ্ষৰ পূৰ্ব্বে মানকে আদি কৰি যি বিলাক দেশ আচে সেই বিলাককে ইংৰাজ ভূগোল বেত্তা সকলে দূৰৈৰ ভাৰতবৰ্ষ বোলে, তাৰ ভিতৰত এই কেই দেশ ইংৰাজৰ অধীন দেশ, ব্ৰহ্মা অৰ্থাৎ মানৰ দেশ, শ্যাম দেশ, আৰু কচীন চীন বা আনামৰ ৰাজ্য।।৫৬।

ইংৰাজে সৈতে মান ৰজাৰ ৰণ হোৱাত ইংৰাজি ১৮২৪ শঁকত সন্ধি কৰি তেঁওৰ দেশৰ এডোখৰ এৰি দিলে। তাৰে প্ৰধান আৰাকান, যত মগ বিলাক থাকে আৰু যাৰ ৰাজধানী নগৰ আৰাকান নদীৰ পাৰত আৰাকান। তাৰ দক্ষিণে মাৰ্টবান, টেবয়া আৰু মৰ্গুই ইত্যাদি প্ৰদেশ। মালাক্কা প্ৰায় দ্বীপৰ এডোখৰ এতিয়া ইংৰাজৰ হৈচে।

মানৰ দেশত পেগু আৰু ব্ৰহ্মা এই দুই দেশ আচে; মাজতে ব্ৰহ্মা পেগুৰ অধীন হৈচিল কিন্তু এতিয়া পেগু হে ব্ৰহ্মাৰ অধিকাৰ হৈচে। পেগু বৰ উৰ্ব্বৰা আৰু তাত বৰ২ কাঠ হয়। তাত পেগু নদীৰ এক সুঁতিত ৰাঙ্গুন নামে এক বৰ বাণিজ্যৰ নগৰ আচে, তালৈ নানা জাতিৰ মানুহ জায়; তাতে চুডাগন বা ডাগং নামে এটা বৰ দেৱতাৰ মন্দিৰ আচে। পেগু ৰাজ্যৰ পূৰ্ব্বৰ ৰাজধানী পেগু আচিল, কিন্তু এতিয়া সি গোটেই নষ্ট হৈচে। প্ৰোম নগৰ পূৰ্ব্বে ব্ৰহ্মা আৰু পেগুৰ সীমা আচিল। পেগাচীন বা পাঘান পূৰ্ব্বে মহা নগৰ আচিল।

ব্ৰহ্মাক আৱাও বোলে; তাৰ ৰাজধানী পূৰ্ব্বে আৱা বা আৰ্ৱা আচিল, কিন্তু আলম্প্ৰা ৰজাই তাৰ পৰা ৰাজধানী গুচাই অমৰপুৰ নামে নগৰলৈ ৰাজধানী নিলে। অমৰপুৰ নিচেই নদীৰ পাৰত নিমিত্তে পানি বাঢ়িলে নগৰ ওপঙাৰ দৰে দেখি, নগৰৰ যি ডোখৰ কোঁঠৰ দৰে, তাতে ৰজাৰ হাউলী। ৰজাৰ চৰাৰ থুম বোৰত সোন খতোৱা আৰু দেৱালয় বোৰ ।৫৭। অতি উত্তম, কিন্তু ইং ১৮২৪ শঁকত অমৰপুৰৰ পৰা ৰাজধানী আৰ্ৱালৈ আকৌ নিয়া হৈচে, আৰ্ৱা আৰু অমৰ পুৰ দুইও ঐৰাৱতী নদীৰ পাৰত।

শ্যাম দেশত অনেক হাতি পোৱা জায়; তাৰ ৰাজধানী পূৰ্ব্বে যুথিয়া নগৰ কিন্তু এতিয়া বাঙ্কক নগৰ হৈচে। এই নগৰ পানিত ওপণ্ডি থাকে তাৰ ঘৰ বোৰ কাঠৰ আৰু নাৱেৰে হে মানুহে অহা জোৱা কৰে। সি মিনম নদীৰ তীৰত।

আনাম ৰাজ্যত কুচীন চীন, টঙ্কিন আৰু কাম্বোডিয়া এই তিনি দেশ। কুচীন চীনৰ ৰাজধানী হিউ নগৰ, তাত এখন অতি বৰ কোঁঠ আচে; কাম্বোডিয়াত চিগং নগৰ, আৰু টঙ্কিনত কেচু নগৰ ৰাজধানী। আনাম ৰাজ্যৰ বিবৰণ পূৰ্ব্বে

প্ৰকাশ পোৱা নাচিল কিন্তু ১৭৭৪ ইংৰাজি শঁকত কাংচং নামে এক ৰজাক খেদিলত তেঁও ফ্ৰান্স দেশৰ পাদ্ৰী সাহাব এজনাক আশ্ৰয় কৰাত তেঁও ফ্ৰান্সৰ পৰা কিচু সেনা আনি ৰজাক আকৌ পাটত বহুৱালে। এই হেতুকে ৰজাৰ ইউৰোপৰ লোকলৈ বৰ আদৰ হল আৰু ইউৰোপৰ দৰে সেনাক ৰণ কৰিবলৈ শিকাই বৰ পৰাক্ৰমী হল।

এই দেশৰ ঘাই উৎপন্ন দ্ৰব্য কাঠ, সি আন দেশলৈ অনেক জায় আৰু তাৰে জাহাজকো সাজিব পাৰে, চাউল, চেনি, তুলাও হয়; শ্যাম দেশত অনেক ভাল হাতি আচে হেতুকে অনেক হাতি দাঁত পোৱা জায়। মালাক্কাত ওৰাং ।৫৮। ওটাং নামে এবিধ বান্দৰ আচে তাকে বন মানুহ বোলে। ব্ৰহ্মা দেশত চল্লিচ লক্ষ মান মানুহ আচে, আনাম ৰাজ্যত দুই কোটি, আৰু শ্যামত চল্লিচ কি পঞ্চাচ লক্ষ মান লোক হব।

এই দেশৰ লোক বিলাকৰ ৰীতি চৰিত্ৰ চীন আৰু ভাৰতবৰ্ষৰ লোকৰ নিচিনা। মীঁন বিলাক অতি সতৰ্ক আৰু বুদ্ধিৱন্ত, কিন্তু হিন্দু বিলাকৰ দৰে কোমল নহয়, আৰু সাহিয়াল। শ্যামৰ মানুহ বোৰ বৰ সোৰোপা আৰু সাহ নোহোৱা বুলি কয়, আৰু সিহঁতৰ এনেহে গপ যে সিহঁতৰ নিচেই সামান্য মানুহো আন দেশৰ বৰ লোকৰ সমান বুলি কয়, কিন্তু সিহঁত দন্দিয়াল নহয় আৰু ব্যৱস্থাক মানে, বুঢ়া মানুহক বৰকৈ মান সৎকাৰ কৰে, আৰু চিত্ৰ বিদ্যাত পাৰ্গৎ। আনামৰ মানুহৰ স্বভাৱ অনেক চীনৰ লোকৰ দৰে, কিন্তু সিহঁত বৰ সজ। মালাক্কাৰ মানুহ বোৰ অতি অসভ্য আৰু নিষ্ঠুৰ।

দূৰৈৰ ভাৰতবৰ্ষৰ দেশ বিলাকত বৌদ্ধ ধৰ্ম্ম চলে আৰু গৌতমক সকলোৱে পূজা কৰে। তাত যি সকল দেৱতাৰ মন্দিৰ আচে সি অতি আচৰিত আৰু তাক সাজোঁতে লোক বিলাকে বৰ শ্ৰম কৰে। ব্ৰহ্মাত বৰ কাইওম নামে যে এক মন্দিৰ আচে তাৰ সমান আচৰিত কতো নাই। আৱাঁত যে এটা আচে সি অতি বৰ, ভিতৰত সোনৰ পাত মৰা দুশ থুম ৪০/৫০ হাত ওখ; কিন্তু পেগুত যে সোমাদুপ্ৰা নামে ।৫৯। এটা মন্দিৰ আচে, সি আৰু আচৰিত। এই দেশত সোন খতোৱা অনেক ডাঙ্গৰ২ গৌতমৰ মূৰ্ত্তি কৰে, তাৰ গোঁসাই বোৰ উদাসীন কেৱলিয়া ৰূপে সত্ৰ পাতি মন্দিৰ বিলাকত থাকে, আৰু সিবিলাকক মানত ৰাহান আৰু শ্যামত টলাপৈন বোলে, সিবিলাকে ঘৰে২ মাগি খায় আৰু ছাত্ৰক বিদ্যা শিকায়।

এই দেশত বিদ্যাৰ অনুশীলন নোহোৱা নহয়। মানৰ ভাষাত অনেক সংস্কৃত কথা আচে, কিন্তু লেখাত কথা বেলেগকৈ নেলেখি একে লগকৈ লেখে আৰু তুলা পাতত নেলেখি সুকান তাল পাতত আঁক দি লেখে; কিন্তু ৰজাৰ

পুস্তকালয়ৰ পুথি বোৰ সুন্দৰ হাতি দাঁতৰ পাতত লেখে, কোখ বোৰত সোনৰ ফুল তোলে, আৰু সোনৰ আখৰ লেখা সুন্দৰ হাতি দাঁতৰ পেৰাত থয়। ব্ৰহ্মা দেশত যিমান শ্যাম দেশত বিদ্যাৰ তিমান অনুশীলন নাই। এই দেশ বিলাকত তিৰোতাক ভিতৰত থোৱা ৰীতি নাই কিন্তু সিহঁত বাহিৰলৈ ওলায় আৰু ওৰণীও নলয়। তাৰ সাধাৰণ থকা ঘৰ বিলাক বাঁহ কাঠ আৰু খেৰেৰে কৰে। মান দেশৰ লোকে সাপ জেঠি ইত্যাদি অনেক বেয়া বস্তু খায়, সিবোৰ জাতিয়েও অনেক কদৰ্য্য বস্তু খায়; টঙ্কিনত কুকুৰৰ মঙহ বৰ অভিলাষ কৈ খায়।

এই দেশ বোৰ নিচেই স্বাধীন ৰজাৰ দ্বাৰা শাসিত হৈছে আৰু ৰজাই যি কৰে তাক কেৱে নিবাৰণ কৰিব নোৱাৰে। আৰাঁত বৰ বিষয়া বোৰক উঙ্গি, উন্‌দোঙ্ক, আৰু আতাউন ।৬০। বোলে; এই বিলাকক ৰজাই ভঙা পতা কৰিব পাৰে। বিষয়া বিলাকেও ৰজাক অতি মান্য কৰে আৰু ৰজাৰ সিংহাসনৰ গুৰিলৈ জাঁওতে মাটিত পেট পেলাই দণ্ডৱত হৈ চুচৰি জায়। ৰজাৰ অনেক নাম আচে, কিন্তু চো (অৰ্থাৎ সোন) নাম হে ঘাই আৰু এটাই কথাতে সোন বুলি কয়, (সোনৰ কানে শব্দ শুনিচে, এক শুচৰিয়া সোনৰ চৰণলৈ আহিচে ইত্যাদি)। এই দেশ বিলাকৰ ব্যৱস্থা হিন্দু আৰু চীন দেশৰ পৰা অনা, কিন্তু মান দেশৰ ব্যৱস্থা গ্ৰন্থক ধৰ্ম্ম শাস্ত্ৰ বোলে আৰু মনুৰ টিকাহে মানে। গোচৰ বিলাক আদিতে মেউনে সোধে, তাৰ পৰা ৰজাই সোধে, এই দেশত ব্যৱস্থাক প্ৰজাই মানে আৰু বিচাৰো হয়।

CHINA
চীন দেশ।

আসিয়াৰ দক্ষিণ পূৰ্ব্ব ফালে চীন মহাৰাজ্য; তাৰ ভিতৰত থিবেট দেশ, ভোট দেশ, তাতাৰৰ এক খণ্ড, আৰু নিজ চীন, এই কেই দেশ। আমি পূৰ্ব্বেই সিবিলাক দেশৰ বিবৰণ লেখিচোঁ, সম্প্ৰতি নিজ চীনৰ বিবৰণ লিখা গল।

পৃথিবীৰ দেশ বিলাকৰ মধ্যত চীন দেশ আচৰিত, সি অতি উৰ্ব্বৰা, তাৰ এফেৰি ঠাইও হাবি নাই আৰু তাৰ যি হোৱাংহো আৰু কিয়াংকো নামে নদী দুটা তাৰ পৰা আৰু অধিক উৰ্ব্বৰা হৈচে। গোটেই দেশেই পৰিশ্ৰমৰ চিন।।৬১। তাত যিমান লোক আৰু ধন আচে পৃথিবীৰ আন কোনো দেশত প্ৰায় নাই। চীন দেশৰ উত্তৰে যে এটা মহা প্ৰাচীৰ (অৰ্থাৎ গড়) আচে সি পৃথিবীৰ মধ্যৰ মনুষ্যে কৰা এটাই কৰ্ম্মত কৈ আচৰিত। এই গড় পূৰ্ব্বে তাতাৰ বিলাকৰ উপদ্ৰৱৰ পৰা ৰক্ষাৰ নিমিত্তে কৰিচিল; সি দিঘলে ৭৫০ ক্ৰোশ লৈকে

ব্যাপিচে, আৰু তাক পৰ্ব্বত গুহা আৰু নদী সকলোৰে ওপৰেৰে নিচে। তাক সাজিবৰ দুহেজাৰ মান বচৰ হৈচে আৰু আজি লৈকে তেনেই আচে, ৰাজ্যৰ তিনি ভাগৰ এভাগ মানুহে পাঁচ বচৰে কৰিচিল; সি ইমান হে বহল যে চটা মানুহ ঘোৰাত উঠি সাৰি হৈ তাৰ ওপৰেৰে জাব পাৰে। সংক্ষেপ কৈ কব লাগিলে এই গড়ৰ ইটা আদিৰে আঠ হাত ওখ আঢ়াই হাত পুতলে এটা গড় পৃথিবী বেষ্টন কৰাকৈ সাজিব পাৰি।

চীন দেশক ওঠেৰে প্ৰদেশকৈ ভাগ কৰা জায়; তাৰ ৰাজধানী নগৰ অতি উত্তৰে পিকিং নগৰ, সি মহা প্ৰাচীৰৰ পৰা ১০ ক্ৰোশ, তাৰ চাৰিও ফালে বৰ ওখ গড় আৰু তাৰ দুভাগ, এভাগত পাতচা থাকে। তাৰ আলি বোৰ ভাল আৰু মানুহে গাঁজ মৰা। এই নগৰৰ সমান মানুহ কোনো নগৰত নাই, প্ৰায় কুৰি লক্ষত কৈ বঢ়া। পিকিং নগৰৰ দক্ষিণে নানকিং নগৰ। সি অতি ডাঙ্গৰ নগৰ আৰু পূৰ্ব্বে ৰাজধানী আচিল, এতিয়াও দেশৰ ঘাই বিদ্যাৰ ঠাই আৰু তাত ।৬২। হোৱা পাট সুতা কপাহ আৰু কাকত পাত অতি উত্তম। তাত কাঁচৰ যি এটা বুৰুজ আচে সি অতি আচৰিত ন থকিয়া, থাকে পতি ঘন্টা আঁৰিচে, আৰু গোটেই ওপৰত এটা ঘুৰণিয়া কলচী আচে তাক সোনৰ বুলি কয়।

নানকিং নগৰৰো দক্ষিণে কান্টন নামে নগৰ, সি পিকিয়াং আৰু টাহো নদীৰ সঙ্গমত আৰু তাত ভিন দেশী সকলো লোকে বাণিজ্য কৰে। চীন দেশৰ অধীন কেত বোৰ উপদ্বীপ আচে, প্ৰধান লিওকিয় উপদ্বীপ, হিলন আৰু ফৰ্মচা, আৰু কান্টনৰ গুৰিত মেকাউ নামে পোৰ্ত্তুগীচৰ অধীন এক উপদ্বীপ আচে।

চীন দেশৰ লোকে কৃষিত যিমান পুৰুষাৰ্থ কৰে আন একোতো তিমান ন কৰে, এই হেতুকে অনেক ভাল২ বস্তু উৎপন্ন হয়, এটাইত কৈ প্ৰধান চাহ পাত সি আন দেশলৈ জায়, কুঁহিয়াৰ, মিচিৰি, চাউল, ধঁপাত, কৰ্পূৰ, অনেক হয়, কাঁচৰ বাচন অতি ভাল হয়; মখমল, চাটন ইত্যাদি পাট কাপৰ, সুন্দৰ২ কাকত পাত, নানা বিধৰ ওমলা বস্তু, হাতি দাতৰ পাচি, খৰাহি আৰু বিচনি ইত্যাদি অনেক বিচক্ষণ বস্তু চীন দেশত হয়। ইয়াৰ লোক বিলাকে ভিন দেশে সৈতে বৰ বেপাৰ ন কৰে, দেশৰ ভিতৰতে সবহ বাণিজ্য কৰে।

চীন দেশত ইমান হে মানুহ আচে যে অনেকে তিনি অৰ্ব্বুদ লোক আচে বুলি কয়। আৰু এই গণনা স্বৰূপ। এই দেশৰ লোক বিলাকৰ বৰণ হালধিয়া সেঁতা, বৰ ওখও ।৬৩। ন হয় চুটিও ন হয়, মুখ আৰু নাক চেপেটা, মাজতে অলপ চুলি দিঘল কৈ চেলাই বাট বাখি গোটেই মুৰকে খুৰায়। তাত ভাল মানুহৰ তিৰোতা বোৰ মানুহৰ আগলৈ প্ৰায় নোলায়, কিন্তু সিহঁতৰ

ভিতৰত এক আচৰিত ৰীতি এই যে সিহঁতে কেচুৱাৰে পৰা ভৰিত কাঠৰ পয়জাৰ সুমাই ভৰি ডাঙ্গৰ হবলৈ নিদিয়ে আৰু যিমান সৰু হয় তিমান ভাল পায়। যি তিৰোতাৰ ভৰি ডাঙ্গৰ তাইক অসুৱনী বোলে, এই ৰূপে ডাঙ্গৰ তিৰোতা জনিৰ ভৰিও কেচুৱা লৰাৰ দৰে, সেই নিমিত্তে এঠাইত ন ধৰাকৈ সিহঁতে এখোজো কাঢ়িব নোৱাৰে। সামান্যৰ তিৰোতাৰ এই ৰীতি ন নহয়। চীনৰ লোক বিলাকৰ দৰে শ্ৰমী প্ৰায় নাই, সিহঁতৰ কৃষিত এনেহে মন যে বচৰি এটা তিথিত পাতচা গায়ে তেঁওৰ প্ৰজাৰ আগত নাঙলৰ মুঠিত ধৰে। সিহঁত অতি কোমল আৰু পিতৃ মাতৃক বৰকৈ মানে আৰু আপোনাৰ বংশৰ মানুহৰ প্ৰতি এনেহে স্নেহ যে একো পৰিয়াল অনেক পুৰুষলৈকে একে ঘৰতে থাকে, কিন্তু এটা ৰীতি এই যে কোনো তিৰোতাৰ প্ৰবৰ্ত্তাব নোৱৰাকৈ সন্তান হলে তাক পেলাই দিয়ে। চীন বিলাক বৰ মিচলিয়া অসজ আৰু ভয়াতুৰ।

চীন দেশত পাতচাই কোনো ধৰ্ম্ম নিশ্চয় ন কৰে কিন্তু জাৰ যি ইচ্ছা সেই ৰূপে চলে। সাধাৰণ লোক বিলাকে বৌদ্ধ ধৰ্ম্মক মানি ফু নামে দেৱতাৰ মূৰ্ত্তি কৰি পূজা কৰে, আৰু ।৬৪। পূৰ্ব্ব পুৰুষ বিলাকক ভজে, কিন্তু পণ্ডিত বিলাকে অৰ্থাৎ বৰ মানুহ বোৰে কেৱল একে জনা ঈশ্বৰক চিন্তে, কিন্তু পূৰ্ব্ব পুৰুষ আৰু ৰাজ্যৰ মুণি বিলাকক মানে।

চীন দেশত বিদ্যাৰ প্ৰভাৱত হে বিষয় পোৱা জায় দেখি তাত বিদ্যাৰ বৰ অনুশীলন হয়, কিন্তু সিবিলাকৰ ভাষা অতি আচৰিত, তাত স্বৰ আৰু ব্যঞ্জন নাই, কিন্তু সূৰ্য্য চন্দ্ৰ ইত্যাদি বস্তুৰ নাম লেখিব লাগিলে তাৰ আকাৰ লেখি বুজায় আৰু চশ শব্দতকৈ বঢ়া নাই। এতিয়া এই ভাষা অনেক ইংৰাজে শিকিচে, চীন ভাষাত অনেক পুথি আচে, আৰু পুথি চাপিবলৈ এই দেশত অনেক পূৰ্ব্বৰে পৰা জানে।

চীন দেশত ঘৰ বিলাক তিমান ভল নহয় প্ৰায়েই এধা পোৰা ইটাৰে কৰে, কিন্তু কেত বোৰত চিত্ৰ কৰে আৰু সোনো লগায়।

চীন বিলাকে মজিয়াত বহি হাতেৰে নেখায়, কিন্তু মাচিয়াত বহি কাঠৰ হাতোৱাৰে খায়।

চীন ৰাজ্যক এজনা পাতচাই শাসন কৰে, তেঁওকে ঈশ্বৰৰ পুত্ৰ পৃথিবীৰ শাসন কৰ্ত্তা প্ৰজাৰ মহা পিতৃ বোলে। পৃথিবীৰ কোনো দেশৰ পাতচা তেঁওৰ দৰে স্বাধীন নহয়, কিন্তু তেঁও প্ৰজাক এফেৰিও দুখ নিদি প্ৰজাৰ পিতৃ বুলি ভাবে আৰু দেশত কোনো বিপদ ঘটিলে আপুনি লঘন দি দুখ ভোগ কৰে, পিতৃ মাতৃৰো পুত্ৰৰ ওপৰত চল কৰি বুঢ়া বাপেকে পুতেকক বেচিব পাৰে আৰু মাৰিলেও বৰ দণ্ড নাই, কিন্তু লৰাই বাপেকক গালি পাৰিলেও প্ৰাণ মাৰিব

পাৰে। চীন দেশত বিষয়াৰ বংশ বেলেগ নহয় কিন্তু নিচেই সামান্য মানুহেও পণ্ডিত হৈ মোহোলাত ভাল হলে বৰ বিষয়া হব পাৰে। তাত ঘাই দণ্ড চাবুক; দোষ কৰিলে এটাইকে কোবায়। চীন বিলাক যুদ্ধত নিচেই অপাৰ্গৎ, মুঠতে আঠ লক্ষ মান সৈন্য হব। চীন দেশত এক ৰীতি এই যে তালৈ ভিন দেশী মানুহ কাকো জাবলৈ নিদিয়ে।

চীন দেশৰ সমান পুৰণি দেশ কতো নাই, সি চাৰি হেজাৰ মান বচৰৰ পৰা প্ৰায় একে দৰে আচে, তাৰ পাতচা সকলৰ ভিতৰত অনেক মহৎ লোক আছিল, ঘাই জ্ঞানী কনফুচী আছিল।

JAPAN
জাপান ৰাজ্য।

আসিয়াৰ পূৰ্ব্বে পাচিফিক মহা সাগৰত জাপান ৰাজ্য। নাইফন্, কিউচিউ বা জিমো, চিক্‌কফ্ আৰু জেচো এই কেই উপদ্বীপৰ দ্বাৰা জাপান মহাৰাজ্য। এই ৰাজ্য অনেক কথাত চীন ৰাজ্যৰ দৰে আৰু তালৈ ভিন দেশৰ মানুহ কাকো জাব নিদিয়ে। জাপানৰ ৰাজধানী নগৰ নাইফন্ উপদ্বীপৰ পূৰ্ব্ব পাৰে জেডো নগৰ, তাতে দেশৰ অনেক ।৬৬। বিষয়া বিলাক থাকে। জেডোৰ পৰা ভালে মান আঁতৰত মিয়াকো নামে ধৰ্ম্মৰ অধিপতিৰ ৰাজধানী। এই নগৰ বিদ্যাৰ ঠাই আৰু তাত নানা সুন্দৰ২ বস্তু হয়। নঙ্গাচকী নামে এক নগৰ আচে অকল তাতে মাথোন ভিন দেশী মানুহ·থাকি বাণিজ্য কৰে।

জাপানৰ লোক বিলাক চীন বোৰৰ দৰে শ্ৰমী, আৰু কৃষিত বৰ পুৰুষাৰ্থ কৰে, আৰু জাপানত চাউল, চাহ্ অনেক হয়; জন্তু অনেক নাই কিন্তু সাগৰত মকৰ মাচ অনেক পোৱা জায়। সোন কিচু হয়, তাম সৰহ আৰু অতি ভাল, আৰু কাঁচৰ বাচন, পাট কাপৰ অনেক জন্মে।

জাপান ৰাজ্যত প্ৰায় চাৰি কোটি মান লোক আচে। জাপানৰ মানুহ চীন দেশৰ লোকৰ নিচিনা হয়, কিন্তু সিহঁতৰ স্বভাৱ লৰ। সিহঁত স্বাধীন আৰু কোমল নহয়, অতি সৰল আৰু সূক্ষ্ম চিন্তিয়া, মিত্ৰৰ হৈ প্ৰাণকে দিব পাৰে, কিন্তু সিহঁত বৰ গপিয়াল আৰু সেই নিমিত্তে অনেকে আত্মঘাত হৈ মৰে।

জাপানত প্ৰায় লোকেই বৌদ্ধ ধৰ্ম্মক মানে, কিন্তু অনেকে চিন্তচ্ নামে এক ধৰ্ম্ম অৱলম্বন কৰে, সিবিলাকে একে জনা পৰমেশ্বৰক মানে। জাপানী বিলাকে তীৰ্থলৈ বৰ অভিলাষ কৈ জায়, প্ৰধান ইস্‌জী নামে তীৰ্থ। জাপানত অনেকে

বিদ্যা শিকে, আৰু সিবিলাকে পুথি চাপিবলৈ জানে। সিবিলাকৰ থকা ঘৰ বোৰ ভাল নহয়, আৰু সিহঁতে সদাই তপত বস্তু খায় আৰু দাঁত বোৰ কলা কৰে।।৬৭।

ভোট দেশত যি ৰূপে ধৰ্ম্মা আৰু দেৱা ৰজা আচে, জাপান ৰাজ্যতো সেই দৰে ধৰ্ম্মৰ অধিপতি দাইৰী আৰু দেশ শাসনৰ অধিকাৰ কাউবু। পূৰ্ব্বে দাইৰী সকলোৰে অধিপতি আচিল, কিন্তু ১৫৮৬ ইংৰাজি শঁকৰ পৰা কাউবু দেশ শাসন কৰি জেডোত থাকে, দাইৰী ৰাজ্যৰ কিচু মান কৰৰ ভাগ লৈ মিয়াকোত থাকে, জাপানৰ ব্যৱস্থা বিলাক অতি দাৰুণ, ডোখৰ২ কৈ কটা, পেট ফলা, তপত তেলত পেলোৱাকে আদি নানা দাৰুণ দণ্ড কৰে।

ASIATIC ISLANDS
আসিয়াৰ উপদ্বীপ বিলাক।

আসিয়াৰ দক্ষিণে অনেক উপদ্বীপ আচে, তাৰ বিবৰণ তলত লিখা গল।

Sumatra
সুমাত্ৰা উপদ্বীপ।

সুমাত্ৰা উপদ্বীপ আঠশ ত্ৰিশ ক্ৰোশ দিঘল, তাৰ মানুহ দুই তিনি বিধিয়া, কেত বোৰ মালাই মুৰলমানৰ মতে চলে, কিন্তু তাৰ ঘাই মানুহ বিলাকে একো পূজা নকৰে। তাত অনেক জালুক হয়, সুমাত্ৰাৰ গুৰিৰে বাঙ্কা নামে এক উপদ্বীপৰ পৰা ৰাঙ্গ আহে, সুমাত্ৰাৰ ভিতৰত আচিন ৰাজ্য, সি পূৰ্ব্বে বৰ পৰাক্ৰমি আচিল, তাৰ পৰা অনেক সৰু২ ঘোৰা । ৬৮। আহে। সুমাত্ৰাত ইংৰাজৰ অধিকাৰ আচে আৰু পূৰ্ব্বে বাণিজ্যৰ কুঠি আচিল। এই উপদ্বীপৰ ৰাজধানী বেঙ্কলন আৰু অচীন।

Java
যাৱা উপদ্বীপ।

সুমাত্ৰাৰ পূৰ্ব্বে যাৱা উপদ্বীপ, সি দিঘলে পাঁচ শ ষাঠি ক্ৰোশ, তাৰ প্ৰধান নগৰ বাটেবিয়া, তাৰ মানুহ বিলাক মুৰলমান আৰু মালাইও অনেক আচে। তাত চীন দেশৰ মানুহো ভালে মান আচে, সিহঁতে আপোন ভাষা কয় আৰু স্বদেবতাক পূজে। যাৱাৰ লোক বোৰে পূৰ্ব্বে হিন্দুৰ মতে চলিচিল, এতিয়াও পূৰ্ব্বৰ হিন্দু মন্দিৰ আৰু প্ৰতিমা আচে কিন্তু মুৰলমানৰ অধীন হোৱাত সেই মত চলিচে, তেও তাৰ ওচৰৰ এখন উপদ্বীপত হিন্দুৰ মত চলিচে। যাৱা হলেণ্ডীয়ৰ অধীন।

Borneo
বর্ণিও।

বর্ণিও উপদ্বীপ ন হলাণ্ডক নেলেখিলে পৃথিবীৰ এটাই উপদ্বীপত কৈ ডাঙ্গৰ। তাৰ মধ্য ঠাই বৰ দ আৰু তাৰ লোক বিলাকে পানিৰ ওপৰত ভেল হেন কৰি থাকে। তাত চাউল, জালুক, কর্পুৰ, সোন আৰু ভাল হিৰা পোৱা জায়। তাৰ ।৬৯। প্রকৃত লোক বিলাক পর্ব্বতত থাকে আৰু অতি কলা, সিহঁত অতি অসভ্য। তাৰ সাগৰৰ পাৰৰ ঠাই বোৰ মুষলমানৰ অধীন। বর্ণিওত বন মানুহ পোৱা জায়।

Celebes
চেলেবেচ।

বর্ণিওৰ পূর্ব্ব ফালে চেলেবেচ নামে উপদ্বীপ, তাত জালুক আৰু আফিং হয় আৰু তাৰ মানুহ বোৰে বিষ কৰে। তাৰ মানুহ বিলাকে টঙ্গিৰ দৰে খুঁটাৰ ওপৰত ঘৰ কৰি তাতে থাকে আৰু সিহঁত বনৰিয়া।

Malacca
মালাক্কা উপদ্বীপ বিলাক।

চেলেবেচৰ পূর্ব্বে পাঁচ চয় উপদ্বীপ আচে, তাকে মালাক্কাৰ উপদ্বীপ বোলে, তাত জায়ত্রী, লবঙ্গ, জায়ফলকে আদি কৰি অনেক মচলা হয়। আসিয়াৰ সকলো উপদ্বীপতে অনেক আহি ত্রাৰ তিৰোতা বিয়া কৰাই বাস কৰিচে।

Philipine Islands.
মানীলা বা ফিলিপিন উপদ্বীপ বিলাক।

বর্ণিওৰ উত্তৰে কেত বিলাক উপদ্বীপ আচে তাকে ফিলি ।৭০। পিন উপদ্বীপ বোলে, সি স্পানিয়া দেশৰ অধীন, তাত সকলো বিধৰ শস্য হয় আৰু অতি উর্ব্বৰা। তাৰ ঘাই উপদ্বীপৰ নাম লুকানিয়া, আৰু তাৰ ৰাজধানী নগৰ মানিলা।

এই বিলাকত বাজে ভাৰতবর্ষৰ গুৰিত মাল দ্বীপ, তাত কড়ি হয়, আৰু লকড়ী দ্বীপ। বঙ্গালৰ অখাতত আন্দামান উপদ্বীপ আৰু মালাক্কাৰ গুৰিত পিলুপিলাং নামে এখন সৰু উপদ্বীপ আচে; ইংৰাজে তালৈকে অপৰাধিক নিয়ে। মালাক্কাৰ দক্ষিণে সিঙ্গাপুৰ নামে এখনি ইংৰাজৰ অধীন সৰু উপদ্বীপ আচে।

HISTORY OF ASIA
আসিয়াৰ বুৰঞ্জি।

আসিয়াত যি বিলাক মহাৰাজ্য হৈ গৈচে আৰু যি সকল মহা উপপ্লব হৈ গৈচে আন কোনো খণ্ডত তিমান হোৱা নাই। আসিয়াৰ নানা দেশৰ লোক বিলাক এটাইত কৈ পূৰ্ব্বে সভ্য হৈছিল, আৰু সেই কালত আন২ দেশৰ মানুহ বোৰ নিচেই অসভ্য আছিল।

য়িহুদী সকলৰ বুৰঞ্জি অনুসাৰে ঈশ্বৰে আসিয়াতে আদিতে মনুষ্য সৃষ্টি কৰিলে, আৰু সৃষ্টি কৰিবৰ চ হেজাৰ বচৰহে হৈচে। সৃষ্টিৰ পাচে মনুষ্যৰ পাপ বঢ়াত নুখ নামে এজন মানুহত বাজে সকলোকে প্ৰলয়ৰ দ্বাৰা ঈশ্বৰে সংহাৰ কৰিলে আৰু সেই নুখৰ সন্ততিয়ে পৃথিবী ব্যাপিলে। এই ।৭১। সকল ঘটনা আসিয়াত হল। তাৰ পিচত আসিয়াত সৃষ্টিৰ ১৭৮৬ বচৰৰ মূৰত নিমৰদ নামে এক লোকে বাবিলন ৰাজ্য স্থাপন কৰিলে, সি ১৬৮০ বচৰ থাকি কোৰচ্ পাত্চাৰ দ্বাৰা ভ্ৰষ্ট হল। নিমৰদৰ দিনতে আশুৰ ৰাজ্য আশুৰে স্থাপন কৰিলে, সি খ্ৰীষ্ট জন্মিবৰ ৭৫০ বচৰৰ পূৰ্ব্বে ভ্ৰষ্ট হল। তাৰ পিচত খ্ৰীষ্ট জন্মিবৰ ৫৫৪ বচৰৰ পূৰ্ব্বে কোৰচ ৰজাই পাৰস্য মহাৰাজ্য স্থাপি সকলো ৰাজ্যকে ভ্ৰষ্ট কৰিলে, আৰু তেঁওৰ পিচত ক্ষিৰ্ক্ষিয়া নামে ৰজাই গ্ৰীক দেশ আক্ৰমণ কৰিচিল; এই মহাৰাজ্য ২২০ বচৰ থাকিলত সেকন্দৰ চাহে ভ্ৰষ্ট কৰিলে। ইউৰোপৰ গ্ৰীক দেশৰ পৰা তেঁও আহি পাৰস্য মহাৰাজ্য ৰণ কৰি ললে, আৰু অতি পৰাক্ৰমী হৈ ভাৰতবৰ্ষৰ পঞ্জাব দেশলৈকে অধিকাৰ কৰিচিল। তেঁও মৰিলত তেঁওৰ সেনাপতি বিলাকে তেঁওৰ ৰাজ্য ভগাই ললে।

কিন্তু য়িহুদী বুৰঞ্জি অনুসাৰে প্ৰলয়ৰ চাৰিশ বচৰৰ মুৰত এক ৰাজ্য স্থাপিত হৈছিল আৰু বৰ পৰাক্ৰমীও আছিল, তাকে য়িহুদী ৰাজ্য বোলে।

সেকন্দৰ চাহৰ ৰাজ্যৰ পিচত ৰুম ৰাজ্য ইউৰোপত মহা পৰাক্ৰমী হৈ আসিয়াৰ এই ৰাজ্য বিলাক অধিকাৰ কৰিলে, এনেতে য়িহুদী দেশত ১৮৪৬ বচৰ হৈচে য়িশু খ্ৰীষ্ট জন্মিল, তেতিয়াৰে পৰা খ্ৰীষ্টিয়ান ধৰ্ম্ম পৃথিবীত প্ৰচলিত হল।

ওপৰত লিখা এই সকল উপপ্লব যি হৈছিল সি ভাৰতবৰ্ষ আৰু চীন ৰাজ্য পোৱা নাচিল কেৱল আসিয়াৰ পশ্চিম ।৭২। ফালেহে ঘটিচিল, আৰু ভাৰতবৰ্ষত নানা হিন্দু ৰজা বিলাক আৰু চীন ৰাজ্যত মহা২ পাতচা বিলাকে একো উপদ্ৰৱ নোহোৱাকৈ সুখে ৰাজ্য ভোগ কৰি আছিল, কিন্তু শেষত এক জাতি মহা পৰাক্ৰমী হৈ কেৱল প্ৰায় গোটেই আসিয়াকে অধিকাৰ কৰিলে এনে নহয়, কিন্তু ইউৰোপ আৰু আফ্ৰিকাৰো অনেক দেশ অধিকাৰ কৰিলে।

য়িশুখ্রীষ্ট উপজিবৰ ৫৭০ বচৰৰ মূৰত আৰব দেশত মক্কা নগৰত মহম্মদ উপজিল, তেঁও পূৰ্ব্বে ধনৱন্ত বা বৰ মানুহ নাচিল কিন্তু কোৰাণ শাস্ত্র উলিয়াই আপুনি নবি বুলি এক ন ধৰ্ম্ম স্থাপন কৰিলে, তাকে মুষলমানৰ মত বোলে। তেঁওৰ ধৰ্ম্ম লৈ অনেক মানুহ তেঁওৰ শিষ্য হল আৰু তেঁও মহা পৰাক্রমী হৈ অনেক ৰণ কৰি তেঁওৰ ধৰ্ম্ম ভালে মান ঠাইতে প্রকাশ কৰিলে। তেঁও মৰিলত তেঁওৰ মতাৱলম্বী সকল এনেহে পৰাক্রমী হল যে সিবিলাকে আসিয়া, আফ্রিকা আৰু ইউৰোপত মহাৰাজ্য স্থাপন কৰিলে, তাতাৰ দেশতো মুষলমানৰ মত ললে আৰু তাতাৰ বিলাক বৰ সাহিয়াল, সিহঁত পাঁচ বেলি আহি আক্রমণ কৰি ৰাজ্য স্থাপন কৰিলে। ইংৰাজি ১০০০ শঁকত গীজনীৰ মহম্মদে ভাৰতবৰ্ষত অনেক উপদ্রৱ কৰি এক ৰাজ্য স্থাপিলে, গিজনী ৰাজ্য বিনাশ হোৱাত জঙ্গিচ খাই ভাৰতবৰ্ষ চীনকে আদি কৰি নানা দেশ আক্রমণ কৰিলে আৰু তেঁওৰ সন্ততি বিলাকে ইউৰোপতো নানা উপদ্রৱ কৰিলে। তৈমুৰবেগ আৰু সলজুক এই দুইওঁবো বৰ পৰা ।৭৩। ক্রমী ৰাজ্য হৈচিল, কিন্তু অতি শেষত ১৪৫৩ শঁকত তাতাৰৰ পৰা তুৰুক বা আতমান বিলাক আহি ইউৰোপ আক্রমণ কৰিলে আৰু এতিয়া যি তুৰুক ৰাজ্য আচে তাকে স্থাপিলে। আসিয়াকো ইউৰোপ আক্রমণ কৰিচিল আৰু এঘেৰ বাৰে আৰু তেৰে শ বচৰত মুষলমানৰ হাতৰ পৰা তুৰুক দেশৰ যিৰুষালমত য়িশুখ্রীষ্টৰ যি মৈদাম আচে তাকে উদ্ধাৰ কৰিবলৈ প্রায় গোটেই ইউৰোপৰ লোক বিলাকেই আসিয়া লৈ আহি ৰণ কৰিলে।

আসিয়াত অলপ দিনলৈকে মুষলমান বিলাকেই ভাৰতবৰ্ষকে আদি কৰি নানা দেশাধিপতি হৈ আচিল, কিন্তু ১৪৯৭ শঁকত ইউৰোপৰ পৰ্ত্তুগল দেশৰ পৰা মানুহে ভাৰতবৰ্ষলৈ আহা বাট উলিয়ালত তেতিয়াৰে পৰা ইংৰাজ ইত্যাদি অনেক ইউৰোপৰ জাতি বাণিজ্য কৰিবলৈ আহিব ধৰিলে; শেষত ইংৰাজি ১৭৫৭ শঁকৰ পৰা ইংৰাজ সকল মুদৈ গুচি মুষলমানৰ ৰাজত্ব ভাৰতবৰ্ষত গুচাই এতিয়া গোটেই ভাৰতবৰ্ষৰ অধিপতি হৈ আসিয়াৰ সকলো ৰজাতকৈ পৰাক্রমী হল। কিন্তু ভাৰতবৰ্ষৰ পশ্চিমৰ দেশ বোৰ মুষলমানৰ অধীন এতিয়ালৈকে আচে আৰু চীন ৰাজ্যও ইংৰাজ বা মুষলমানৰ অধিকাৰ হোৱা নাই।।৭৪।

EUROPE
ইউৰোপ।

ইউৰোপ দিঘলে ৩৩০০ মাইল বা ২৯০০ ক্ৰোশ, পুতলে ২৪০০ মাইল বা ২৮৬০ ক্ৰোশ। ইউৰোপ পৃথিবীৰ কেউ ভাগতকৈ সৰু কিন্তু তেও সি এটাইতকৈ পৰাক্ৰম, জ্ঞান, বিদ্যা, ধন আৰু বুদ্ধিত বড়া। তাত মানুহো অনেক আচে, প্ৰায় দুই অৰ্ব্বুদত বড়া হব। ইউৰোপৰ উত্তৰ সীমা উত্তৰ হিম সাগৰ, পশ্চিমে আটলাণ্টিক মহাসাগৰ, দক্ষিণে ভূমধ্যস্থ সমুদ্ৰ আৰু পূৰ্ব্বে আসিয়া। আসিয়াৰ পৰা ইউৰোপ ইউৰল পৰ্ব্বত শ্ৰেণী ৱল্গা আৰু দন নদী আৰু কলা সমুদ্ৰৰ দ্বাৰা বেলেগ হৈচে।

ইউৰোপত এতিয়া পাঁচ জাতিয়েই ঘাই অৰ্থাৎ ইংৰাজ বা ইংগ্লণ্ডৰ লোক, ৰুচিয়ান, ফ্ৰান্সিচ, প্ৰুচিয়ান, আৰু অষ্ট্ৰিয়ান।

ইউৰোপত এই২ দেশ আচে, উত্তৰে নৰ্ৱে, স্বীদন, দেন্মাৰ্ক, লাপলাণ্ড, আৰু ৰুচিয়া ৰাজ্য; মধ্যত জৰ্ম্মনি, অষ্ট্ৰিয়া, প্ৰুচিয়া, স্বীট্জৰলণ্ড, হলাণ্ড, বেল্জীয়ম আৰু পোলণ্ড দেশ; দক্ষিণে ফ্ৰান্স, স্পানিয়া, পৰ্ত্তুগল, ইটালি, তুৰুক আৰু গ্ৰীক ৰাজ্য; আৰু পশ্চিমে আটলাণ্টিক মহাসাগৰত ইংগ্লণ্ড, স্কটলণ্ড আৰু আইয়ৰলণ্ড ইত্যাদি ইংৰাজৰ ৰাজ্য।

ইউৰোপত ঘাই পৰ্ব্বত এই, ৰুচিয়াৰ উত্তৰ পূৰ্ব্বে ইউৰল পৰ্ব্বত সাৰি, নৰ্ৱে আৰু স্বীদন দেশৰ মধ্যত ডফ্ৰিফিণ্ড, ফ্ৰান্স আৰু স্পানিয়াৰ মধ্যত পীৰানীচ, ইটালিৰ উত্তৰে আল্প নামেৰে পৰ্ব্বত শ্ৰেণী। আপিনাইন পৰ্ব্বত সাৰি ইটালিৰ উত্তৰৰ পৰা দক্ষিণলৈকে ব্যাপিচে; হঙ্গাৰী আৰু পোলণ্ডৰ মাজত কাৰপেথিয়ন পৰ্ব্বত। এই বিলাকত বাজে চিচিলি উপদ্বীপত এটনা, আইচলণ্ড উপদ্বীপত হেক্লা আৰু ইটালিৰ দক্ষিণে বিচ্যুবিচ এই কেইখন আগ্নেয় পৰ্ব্বত।

ইউৰোপত ঘাই উপদ্বীপ এই২ উত্তৰে স্পিট্স্বৰ্গন আৰু আইচলণ্ড। দেন্মাৰ্ক দেশৰ গুৰিত জিলণ্ড, ফুনন ইত্যাদি আৰু তাৰ কিছু আঁতৰতে বালটিক্ সমুদ্ৰত অনেক সৰু২ উপদ্বীপ আচে। দক্ষিণে ভূমধ্যস্থ সমুদ্ৰত বেলিএৰিক উপদ্বীপ বিলাক, কৰ্চিকা, চাৰ্দিনিয়া, চিচিলি, কাণ্ডিয়া, চাইপ্ৰচ, ৰোধকে আদি কৰি অনেক উপদ্বীপ আচে।

প্ৰায়দ্বীপ এই খণ্ডত প্ৰধান নৰ্ৱে আৰু স্বীদন, দেন্মাৰ্ক, স্পানিয়া, পৰ্ত্তুগল, ইটালি, মোৰিয়া আৰু কৃমিয়া।

ইউৰোপত কৰিন্থ ডমৰুমধ্যে মোৰীয়া প্ৰায়দ্বীপক আৰু প্ৰিকপ্ ডমৰুমধ্যে কৃমিয়াক মাটিয়ে সৈতে সংযোগ কৰে।

ইউৰোপত উত্তৰে উত্তৰ অন্তৰীপ, নৰ্ৱেৰ দক্ষিণে নেজ, ইংগ্লণ্ডৰ দক্ষিণ পশ্চিমে লিজাৰ্ডপইণ্ট আৰু লেণ্ডএণ্ড, ফ্ৰান্সৰ উত্তৰ পশ্চিমে লাহোগ, স্পানিয়াৰ উত্তৰ পশ্চিমে আৰ্টগল, পৰ্ত্তুগলৰ দক্ষিণ পশ্চিমে বিনচণ্ট আৰু স্পানিয়াৰ । ৭৫। দক্ষিণে ট্ৰাফালগৰ অন্তৰীপ। ইটালিৰ দক্ষিণে স্পাৰ্টিৱেণ্টো আৰু গ্ৰীক দেশৰ দক্ষিণে মাটাপান অন্তৰীপ।

ইউৰোপত প্ৰধান নদী এই২; ৰুচিয়াত বল্গা নদী যি কাস্পিয়ন হ্ৰদত পৰিচে, দন যি এজফ সাগৰত পৰিচে আৰু ডুইনা নদী। দান্যুব নদী জৰ্ম্মনি দেশত উৎপত্তি হৈ অষ্ট্ৰিয়া আৰু তুৰুক দেশেৰে আহি কলা সমুদ্ৰত পৰিচে, বিষ্টুলা নদী কাৰপেথিয়ান পৰ্ব্বতৰ পৰা ওলাই পোলণ্ড, প্ৰুচিয়া দেশেৰে বৈ বাল্টীক সাগৰত পৰিচে। এল্ব নদী জৰ্ম্মণিৰে বৈ উত্তৰ বা জৰ্ম্মণ সমুদ্ৰত পৰিচে, ৰাইন নদী আল্প পৰ্ব্বতত উৎপত্তি হৈ হলাণ্ডেৰে গৈ জৰ্ম্মণ সমুদ্ৰত পৰিচে। ফ্ৰান্স দেশত ৰোণ, চীন, গাৰোম আৰু লইৰ এই কেইটা প্ৰধান নদী আচে। স্পানিয়া আৰু পৰ্ত্তুগলত টেগচ, ইটালিত পো আৰু টাইবৰ, ইংগ্লণ্ডত থেমচ, স্কটলণ্ডত টে আৰু আইয়ৰলণ্ডত চানন এই বিলাক অনেক নদী আচে।

ইউৰোপত সাগৰ এই২, উত্তৰে হিম সাগৰত বগা সাগৰ, ইংগ্লণ্ডৰ পূৰ্ব্বে উত্তৰ বা জৰ্ম্মণ সাগৰ, ৰুচিয়া আৰু প্ৰুচিয়াৰ গুৰিত বাল্টিক সাগৰ, ইউৰোপৰ দক্ষিণে ভূমধ্যস্থ সমুদ্ৰ আৰু আসিয়াৰ সীমাতে এজক সমুদ্ৰ, কলা সমুদ্ৰ আৰু মাৰমৰা সমুদ্ৰ।

ইউৰোপত বাল্টিক সমুদ্ৰত বথ্নিয়া, ফিন্লণ্ড আৰু ৰীগা নামে খাল, ফ্ৰান্সৰ পশ্চিমে বিস্কেৰ অখাত, ভূমধ্যস্থ সমুদ্ৰত ।৭৭। লিয়ন্স আৰু জেনেৱাৰ খাল, ইটালিৰ পূৰ্ব্বে বিনিচৰ খাল আৰু দক্ষিণে টৰেণ্টোৰ খাল।

ইউৰোপৰ মোহনা এই২, ফ্ৰান্স আৰু ইংগ্লণ্ডৰ মাজত ডোৱৰৰ মোহনা, আফ্ৰিকা আৰু স্পানিয়াৰ মাজত জিব্ৰাল্টৰ, চাৰ্দিনিয়া আৰু কৰ্চিকাৰ মাজত বনিফেচিয়ো, ইটালি আৰু চিচিলিৰ মাজত মেচিনা ইত্যাদি নামেৰে মোহনা। ডাৰ্ডিনল মোহনা ইউৰোপ আৰু আসিয়াৰ মাজত। ইংগ্লণ্ড আৰু আইয়ৰলণ্ডৰ মাজত আইৰীচ বৃহন্মোহনা, ইংগ্লণ্ড আৰু ফ্ৰান্সৰ মাজত বৃটিচ বৃহন্মোহনা, আৰু স্কাগাৰাক আৰু কাটাগাট নামে দুই বৃহন্মোহনাৰে বাল্টিক সমুদ্ৰত সোমাব পাৰি।

ৰুচিয়াত লডেগা আৰু অনেগা হ্ৰদ, স্বীদনত উৱেনৰ আৰু উৱেটৰ, ইংগ্লণ্ডত কেচ্উইক, স্কটলণ্ডত লমণ্ড, আইয়ৰলণ্ডত কীলাৰনী, স্বীটজৰ্লণ্ডত জেনেৱা আৰু কনষ্টাঞ্চ আৰু ইটালিৰ উত্তৰে কমো হ্ৰদ।

ইউৰোপৰ নানা দেশৰ বিবৰণ।

ENGLAND

ইংগ্লণ্ড দেশ।

ইউৰোপৰ উত্তৰ পশ্চিম ফালে দুখন বৰ২ দ্বীপ আচে, তাৰে এখনক গ্ৰেট বৃটন এখনক আইয়ৰলণ্ড বোলে। গ্ৰেট বৃটনত দুখন দেশ, এখনক ইংগ্লণ্ড আৰু এখনক স্কটলণ্ড বোলে। কিন্তু পূৰ্ব্বে আমি ইংগ্লণ্ড অৰ্থাৎ ইংৰাজৰ দেশৰ বিবৰণ কৈ পিচে সিবিলাকৰ কথা কম। ।৭৮।

ইংগ্লণ্ড দেশ দিঘলে ৪০০ মাইল পুতলে ৩০০ মাইল। পৃথিবীত যিবিলাক দেশ আচে এটাইতকৈ ইংগ্লণ্ড দেশ সুন্দৰ। আমি আমাৰ এই দেশত যিবিলাক বস্তু দেখোঁ ইংগ্লণ্ডত সেই বিলাক নিচেই নৰ। ইয়াত ভালে মান ঠাই হাবি, পৰ্ব্বত বোৰত অৰণ্য, মাজে২ হে লোক সকলৰ বসতি। ইয়াত কাঠ বাঁহেৰে সজা ঘৰ বিলাকত সকলো থাকে আৰু অনেক মাটি একো শস্য নোহোৱাকৈ সুদাই পৰি আচে, নৈবিলাকত অতি সৰু২ নাও অহা জোৱা কৰে আৰু বাণিজ্য আৰু শিল্প কৰ্ম্মৰো বৰ আলোচনা নাই। কিন্তু ইংগ্লণ্ড দেশত বিচাৰি ফুৰিলে এখামোচ ঠাইও হাবি নোপোৱা, আৰু গোটেই দেশতে ফুলবাৰী খনৰ নিচিনা নানা বিধৰ শস্যে আৰু বৃক্ষে আবৰি থকা পথাৰ বিলাকে হাঁহি আচে, ঠায়েং যত হাবি আচে সিও আপুনি হোৱা নাই কিন্তু বৰ লোক বিলাকৰ মৃগয়াৰ নিমিত্তে মানুহে কৰিচে, পৰ্ব্বত বিলাকৰ ওপৰতো হাবি নাই কিন্তু থকা ঠাই আৰু শস্য হে। নদী বিলাকত ভাপৰ কলৰ নাও আৰু বৰ২ এই দেশৰ ডাঙ্গৰ ঘৰৰ নিচিনা জাহাজে ভৰি থাকে; ভাপৰ ৰথেৰে বস্তু অনা নিয়া আৰু লোক অহা জোৱা কৰে আৰু কাপৰ আদি অনেক দ্ৰব্যও ভাপৰ কলেৰেহে কৰে। দেশ খন মানুহে অতি ঘন হৈ ভৰি আচে। গোটেই দেশকে অতি মনোৰম ইটা আৰু শিলৰ ঘৰে ঢাকি আচে, দুখিয়া যি তাৰো ঘৰ প্ৰায় কাঠৰ আৰু ।৭৯। ইটাৰ হে। দেশত যদিও নদী সৰহ নাই তেও মানুহ বিলাকেই খানি নদী কৰি জোৱা অহালৈ আৰু বাণিজ্যলৈ সুগম কৰিচে, আৰু ভাপৰ নাৱকে আদি কৰি যিবিলাক নাৱেৰে নদীত চলে সিও মহা আচৰিত। বামে যিবিলাক বাট সিও সামান্য ন হয়; ভাপৰ ৰথেৰে অনেকে চলাচল কৰে আৰু তাৰে পথ দিনৰ বাট একে দিনে জাব পাৰি। নগৰৰ যি আলি সি শিলৰ আৰু পকি, তাত গাড়ি আৰু ঘোৰাৰে অনেকে ফুৰে। এইবিলাকত বাজে তাত দুখিয়াও যি ৰূপে চলে আৰু থাকে, ইয়াত চহকিএও তেনেকৈ চলিবৰ ভু নেপায়। ইংগ্লণ্ডত যতে বিচাৰা

ততে হেজাৰে২ পঢ়াশালি পাবা আৰু যিপিনে চোৱা সেই পিনেই দুখিয়াৰ হিতলৈ লোকৰ উপকাৰলৈ নানা ঠাই দেখিবা।

ইংগ্লণ্ড দেশৰ পূৰ্ব্ব ফালে ঠাই সমান আৰু পশ্চিমে ওখ আৰু পৰ্ব্বতো আছে; তাত ঠাই মৰু কিন্তু লোক বিলাকৰ শ্ৰমৰ প্ৰভাৱত গোটেই দেশ উৰ্ব্বৰা হৈ নানা শস্য হয়। সেই দেশত সদায় জাৰ, আৰু জাৰকালি এনেহে জাৰ যে নদীৰ পানি বোৰ বৰখুনত পৰা সিলৰ দৰে টান হয়।

ইংগ্লণ্ড দেশত চল্লিচ খন প্ৰদেশ আছে আৰু পশ্চিমে উৱেল্চ নামে এখন দেশ আছে।

ইংগ্লণ্ডত অনেক বৰ২ নগৰ আছে, এটাইতকৈ প্ৰধান আৰু ৰাজ্যৰ ৰাজধানী লণ্ডন নগৰ। পৃথিবীৰ সকলো নগ ।৮০। ৰতকৈ লণ্ডন বৰ আচৰিত আৰু ধনৱন্ত। সি থেমচ নদীৰ পাৰত আৰু সাগৰৰ পৰা ৩০ ক্ৰোশ অন্তৰত, তাত ঘৰবোৰ গোটেই ইটাৰ আৰু সিলৰ আৰু চেইণ্ট পালৰ গিৰ্জা এটা যি আছে সি অতি আচৰিত। লণ্ডনত ৰাজ আলি বোৰ অতি ডাঙ্গৰ, তাৰ তিনি ভাগ মাজত বৰ সিলেৰে বন্ধোৱা, তাৰে গাৰি চলে, দুইও কোখে বৰ সুন্দৰ২ সিলেৰে বন্ধোৱা, তাৰে অকল মানুহ জোৱা অহা কৰে। আলি বোৰত ইমান হে সমাগম যে একো ৰাজ আলিত দিনত ৭০০০ গাড়ি চলে। এই দেশত যেনেকৈ নিলগৰ পৰা পানি আনিব লাগে লণ্ডনত তেনে নহয়, কিন্তু নদীৰ পাৰত একোটা এনেহে কল কৰি থৈচে যে তাৰ দ্বাৰা নগৰৰ প্ৰতি ঘৰলৈকে সিহঁৰ নলিৰে পানি জায়। লণ্ডনত ৰাতি হলে আলিয়ে প্ৰতি চাকিৰে পোহৰ কৰে। এই নগৰ থেমচ নদীৰ দুইও পাৰে ব্যাপিচে দেখি অনেক সুন্দৰ২ সাঁকো আছে, এখন সাজোঁতে আশী লক্ষ টকা ভগন হৈচে আৰু পানিৰ তলেৰে সুৰঙ্গা কৰি যে এতিয়া এখন কৰিচে সি অতি আচৰিত। লণ্ডন নগৰত কুৰি লক্ষ মান মানুহ আছে আৰু সি পৃথিবীৰ ভিতৰত প্ৰধান বাণিজ্যৰ ঠাই।

ইংগ্লণ্ড দেশত আৰু অনেক নগৰ আছে। লণ্ডনৰ উত্তৰ পশ্চিমে মৰ্চে নদীৰ পাৰত লিৱৰপুল নামে নগৰ, সি বৰ বাণিজ্যৰ ঠাই আৰু তাৰ পৰা অনেক বাণিজ্যৰ জাহাজ পৃথিবীৰ নানা দেশলৈ জায়। লিৱৰপুলৰ ওচৰতে মাঞ্চেষ্টৰ ।৮১। নগৰ, তাতে কপাহি কাপৰ কলেৰে অনেক কৰে আৰু তাৰে পৰা আন দেশলৈ জায়, তাত হেজাৰ২ মানুহে কপাহি কাপৰ কৰে। মাঞ্চেষ্টৰৰ পৰা ৪০ ক্ৰোশ মান অন্তৰত বৰ্ম্মিংহাম্ নগৰ, তাত লো আৰু পিতলৰ অনেক বস্তু হয়; তৰোৱাল, হিলৈ অতি ভাল কৰে। বৃষ্টল, বাথ, চেফিল্ড ইত্যাদি আৰু অনেক নগৰ আছে।

ইংৰাজ সকল অতি শ্ৰমী হেতুকে ইংগ্লণ্ডত নানা উত্তম২ বস্তু হৈ পৃথিবীৰ

সকলো দেশতে ব্যাপে। কিন্তু কেৱল মনুষ্যৰ শ্ৰমেৰেহে ইংগ্লগুত ইমান ভাল২ বস্তু হয় এনে নহয়, ভাপৰ কলৰ দ্বাৰাইহে সকলো কৰ্ম্ম কৰে আৰু সেই নিমিত্তে মানুহে হাতেৰে কৰাত দহ দিনত হলে কলেৰে ততালিকে হয়। ভাৰতবৰ্ষকে আদি কৰি নানা দেশৰ পৰা তুলা নি ইংগ্লগুত কাপৰ কৰি আকৌ সেই২ দেশলৈকে আহে, বানতকে আদি কৰি নানা বিধৰ নোমৰ কাপৰ, লোৰ অস্ত্ৰ শস্ত্ৰ, দা, কটাৰি, হিলৈ, কল, বেলোলৰ বস্তু, কাকত পাত, সুৰা আৰু কাঁচ ইত্যাদি অনেক ভাল২ বস্তু ইংগ্লগুত উৎপন্ন হয়। লো, সিহ, তাম, আৰু বগিতাম ইত্যাদি ধাতু আচে; কিন্তু ইংগ্লগুত নাগমাটিৰ আকৰ হে সৰহ আৰু সেই আকৰ বোৰ অতি আচৰিত, তাত খৰিৰ সলনি নাগমাটিৰে জুই ধৰে।

ইংগ্লগুৰ সমান বাণিজ্য পৃথিবীৰ কোন দেশত নাই আৰু বাণিজ্যৰ দ্বাৰা হে ইংৰাজ জাতি পৃথিবীৰ মধ্যত মহা পৰা ।৮২। ক্ৰমী আৰু ধনৱন্ত হৈচে। ইংগ্লগুৰ পৰা বাণিজ্যৰ জাহাজ নোজোৱা পৃথিবীত কোন দেশ নাই, এটাই দেশে সৈতে ইংৰাজৰ বাণিজ্য ব্যৱসায় আচে। দেশৰ ভিতৰতে ভাপৰ ৰথ আৰু মানুহে খনা খালৰ দ্বাৰা বাণিজ্য বৰকৈ বাঢ়িচে।

ইংগ্লগু দেশত মানুহ অতি ঘন, প্ৰায় এক কোটি ষাঠি লক্ষ মান হব। ইংৰাজ সকলৰ অতি ভাল স্বভাৱ, সিবিলাক অতি স্বাধীন অৰ্থাৎ কাৰো তলতিয়া হৈ থাকিব নোখোজে কিন্তু সকলোৱে আপোন ইচ্ছানুসাৰে চলে, বাণিজ্য আৰু শিল্প কৰ্ম্মত অতি পাৰ্গৎ, জাহাজৰ ব্যৱসাইত বৰ নিপুণ, আপোনাৰ দেশৰ হিত অনেক চিন্তে, অতি সজ, মিচা কথাক বৰকৈ ভয় কৰে আৰু অনেকে গোট খাই অনেক দানশীল কাৰ্য্য কৰে, কিন্তু সিবিলাকে ভিন দেশী মানুহক ঘৃণা কৰে আৰু যি ইংৰাজ নহয় তাক ভাল নেপায়।

ইংগ্লগুত খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে, আৰু ৰুমৰ পাপাক না মানে; ইংগ্লগুত আমাৰ অসম দেশত যেনে চাৰি সত্ৰিয়াকে আদি কৰি মহন্ত আচে, সেইৰূপে কেইজন মান বিচপ্ আৰু আৰ্চবিচপ্ নামে ধৰ্ম্মাধ্যক্ষ আচে, আৰু সিবিলাকৰ তলত গাঁৱে পতি পাদ্ৰি (অৰ্থাৎ উপদেশক) আচে, সেই উপদেশক সকলে প্ৰতি ৰবিবাৰে লোক বিলাকক ধৰ্ম্ম কথা শিকায়। ইংগ্লগুৰ লোকৰ অনেকে ৰাজ্যৰ স্থাপিত মত না মানি আপোন ইচ্ছাৰে যেনে ভাল পায় সেই ৰূপেই চলে।

ইংগ্লগু দেশত বিদ্যাৰ যিমান অনুশীলন হয় পৃথিবীৰ ।৮৩। আন কোন দেশত তিমান নহয়; ভাল মানুহ আৰু বৰলোক সকলে তো বিদ্যা শিকেই কিন্তু সামান্য মানুহেও বিদ্যাক অৱহেলা নকৰে। তাত ধনৱন্ত মানুহৰ লৰাই পঢ়িবলৈ গাঁৱে২ অনেক পঢ়াশালি আচে, কিন্তু অকস্ফোৰ্ড আৰু কেম্ব্ৰিজ নামে দুই

নগৰত যি দুখন পঢ়াশালি আছে সি অতি প্ৰধান আৰু পুৰণি, অক্স্ফোৰ্ডৰ খনত তিনি হেজাৰমান ছাত্ৰ পঢ়ে। কিন্তু দুখিয়াৰ লৰাৰ উপকাৰলৈ গোটেই দেশতে বাৰে হেজাৰ মান পঢ়াশালি আছে; আৰু এইবিলাকত বাজে বিদ্যা বৃদ্ধিলৈ অনেক সভা আছে। ইংৰাজি ভাষাত অসংখ্য লক্ষ পুথি আছে, আৰু ইংৰাজ সকলৰ ভিতৰত অনেক বৰ২ পণ্ডিত হৈ গৈচে।

ইংগ্লণ্ড দেশৰ ৰাজ্য শাসন অতি আচৰিত। তাত এজনা ৰজা আৰু পাৰ্লিমেণ্ট নামে এক সভাই দেশ শাসন কৰে। আমাৰ এই দেশত ফুকন ডাঙ্গৰিয়াকে আদি কৰি যেনে বিষয়া আচিল তেনেকৈ ইংগ্লণ্ডতো ড্যুক্, মাৰ্কুইচ, অৰ্ল, ৰাই কৌণ্টে, আৰু বাৰণ ইত্যাদি নামেৰে দেশত যি বৰ২ বিষয়া আচে আৰু যিবিলাক আৰ্চবিচপ্ আৰু বিচপ্ নামে ধৰ্ম্মৰ অধ্যক্ষ আচে, সিবিলাকৰ এখন মেল আচে; আৰু ৰাজ্যৰ প্ৰজাবিলাকে গাঁৱে পতি আপোনাৰ মাজৰে এজনক এটাইৰে হৈ প্ৰতিনিধি কৰি পঠাই, এনে প্ৰতিনিধি বিলাকৰো এখন মেল আচে। পিচে এই বিষয়া আৰু প্ৰজাৰ প্ৰতিনিধিৰ মেলকে পাৰ্লিমেণ্ট বোলে, এই পাৰ্লিমেণ্টে ।৮৪। দেশ চলকৰৰ ব্যৱস্থা কৰে আৰু তাৰ দুই সভাই আৰু ৰজাই একে মত হলে সেই ব্যৱস্থা চলে, কিন্তু ৰজাই মানতি নহলে ব্যৱস্থা হব নোৱাৰে, দেশৰ কঁটলো পাৰ্লিমেণ্টৰ আজ্ঞাৰেহে সাধে, অকল ৰজাই সধাব নোৱাৰে। ইংগ্লণ্ডৰ ৰজা মৰিলে তেঁওৰ পুতেক ৰজা হয়। কিন্তু পুতেক নাথাকিলে জিয়েকেই হয়। ৰজাই ৰণ কৰিব সন্ধি কৰিব আৰু বিষয়া ভঙা পতা কৰিবলৈ পাৰে, কিন্তু ব্যৱস্থাত হাক দিয়া কোনো কথা কৰিব নোৱাৰে। ইংগ্লণ্ডত গোচৰ সোধাৰ ৰীতি অতি সুন্দৰ। কোনো পদকিয়া হলে তাৰ ওচৰ চুবুৰিয়া বাৰে জনক মাতি আনি বহুৱাই, পিচে সাক্ষী ইত্যাদিৰ মুখ শুনিলে বিচাৰপতিয়ে পদকিয়া দোষী নে নিৰ্দ্দোষী বুলি সেই বাৰে জনক সুধি দোষী বুলিলে দণ্ড কৰে নিৰ্দ্দোষী বুলিলে ক্ষমা কৰে।

ইংৰাজৰ ৰাজ্যত বচৰি বাৱন কোঁটী মান টকা খাজনা উঠে।

ইংৰাজ সকলৰ জাহাজেই হে বল আৰু নাবিকতাৰ দ্বাৰাহে এতিয়া সিবিলাক ইমান পৰাক্ৰমী হৈচে। সৈন্যও অনেক আচে, যুদ্ধৰ সময়ত দুই লক্ষ মান হয়।

ইংগ্লণ্ড দেশ অতি সৰু কিন্তু তেও পৃথিবীৰ অনেক দেশ সেই দেশৰ অধীন। ইউৰোপত ইংগ্লণ্ড, ওৱেল্চ্, স্কটলণ্ড আৰু আইয়ৰলণ্ড দেশ, আৰু তাৰ ওচৰতে অনেক সৰু২ উপদ্বীপ, ।৮৫। জৰ্ম্মণিৰ হানোবৰ নামে প্ৰদেশ, আটলাণ্টিক মহাসাগৰত চেণ্ট হেলিনা আৰু ভূমধ্যস্থ সমুদ্ৰত মাল্টা উপদ্বীপ। আমেৰিকা খণ্ডত সম্মিলিত মণ্ডলৰ উত্তৰে গোটেই খনেই আৰু দক্ষিণেও আচে। আফ্ৰিকাৰ পশ্চিমে আৰু দক্ষিণে উত্তমাসা অন্তৰীপ ইংৰাজৰ অধীন।

কিন্তু আসিয়াত হে সৰহ। ভাৰতবৰ্ষ, সিংহল দ্বীপ, মান দেশৰ এডোখৰ আৰু গোটেই নৱহলণ্ড উপদ্বীপ আৰু তাৰ গুৰিৰো অনেক উপদ্বীপ ইংৰাজৰ অধীন।

১৯০০ বচৰৰ পূৰ্ব্বে ইংগ্লণ্ড দেশৰ লোক বিলাক অতি অসভ্য বন মানুহৰ নিচিনা আছিল, নাঙট হৈ ফুৰিছিল, গা বোৰ আঁকিছিল, আৰু গাঁতত বা পজাত বাস কৰিছিল, আৰু মৃগয়া কৰি খাইছিল। সিহঁতে দেৱতাৰ মূৰ্ত্তি কৰি পূজা কৰিছিল, আৰু মানুহ বলি দিছিল। ড্ৰুইদ নামে সিহঁতৰ কেত বোৰ পুৰোহিত আছিল, সিহঁতেই সোধ পোচ এটাইকে কৰিছিল। পাচে য়িশুখ্ৰীষ্ট উপজিবৰ ৫৫ বচৰৰ পূৰ্ব্বে কাইচৰ নামে ৰোমানৰ সেনাপতিয়ে ইংগ্লণ্ড আক্ৰমণ কৰিলে আৰু অল্প কালৰ মূৰত ইংগ্লণ্ড ৰোমান সকলৰ অধীন হল আৰু সেই ৰূপে চাৰি শ বচৰ থাকিলত ৰোমান সকলে ইংগ্লণ্ড (পূৰ্ব্বৰ নাম বৃটন) এৰি আপোন দেশ ৰাখিবলৈ আহিল; তাতে উত্তৰৰ স্কট আৰু পিকট জাতিৰ উপদ্ৰৱত থাকিব নোৱাৰি ইংৰাজ বোৰে চাক্‌চন নামে এজাতিৰ সহায় লোৱাত সিহঁতে দেশৰ অধিকাৰ হল, তাতে ডেন্‌চ বিলাকে আহি এবেলি ইংগ্লণ্ড লৈছিল কিন্তু ১০৬৬ ইং শঁকত ।৮৬। ফ্ৰান্সৰ নৰ্ম্মণ্ডি প্ৰদেশৰ উলিয়মে ইংগ্লণ্ড ৰাজ্য ললে আৰু আজি লৈকে তেঁওৰ বংশৰ নানা ফৈদে ৰজা হৈ আছে। কিন্তু ইংৰাজ সকলৰ পূৰ্ব্বৰ অসভ্যতা গুচি এতিয়া যে ইমান সভ্য হল এই হে অতি আচৰিত।

স্কটলণ্ড দেশ।

ইংগ্লণ্ড দেশৰ উত্তৰে স্কটলণ্ড দেশ, সি ইংগ্লণ্ডৰ পৰা চিবৈট পৰ্ব্বত আৰু টুইড নদীৰ দ্বাৰা বেলেগ হৈছে। সি দিঘলে ১৫০ মাইল পুতলে ১০০ মাইল। তাৰ উত্তৰ ডোখৰ পৰ্ব্বতিয়া, দক্ষিণ ডোখৰ দ, পৰ্ব্বতিয়া নহয় আৰু শস্যও হয়। স্কটলণ্ডত ৩৩ খন প্ৰদেশ আৰু তাৰ গুৰিত তিনি জুম সৰু২ উপদ্বীপ আছে। এই দেশৰ ৰাজধানী এডিন্‌বৰ্গ নগৰ সি প্ৰধান বিদ্যাৰ ঠাই আৰু ডেৰ লক্ষমান মানুহ আছে। গ্লাচগৌ নামে এখন অতি বৰ বাণিজ্য আৰু শিল্প কৰ্ম্মৰ নগৰ, তাত প্ৰায় আঢ়াই লক্ষ মান লোক থাকে। এবাৰ্ডিন আৰু ডণ্ডি নামে আৰু দুই নগৰ আছে। স্কটলণ্ডত নাগমাটি, লো হয়, কপাহি কাপৰো অনেক হয়, আৰু মেৰ চাগ ভালেমান আৰু লোক বিলাকেও কৃষি কৰ্ম্ম বৰকৈ কৰে।

স্কটলণ্ড দেশত পূৰ্ব্বে ৰজা আছিল কিন্তু কিছু পূৰ্ব্বৰে পৰা ইংগ্লণ্ডৰ ৰজাই লৈছিল, আৰু জেমচ ৰজাই ইংগ্লণ্ড ।৮৭। স্কটলণ্ড দুইৰো ৰজা হৈছিল; শেষত ১৭০৭ শঁকত ইংগ্লণ্ডে সৈতে লগ হৈ একে খন ৰাজ্য হল।

স্কটলণ্ড ইংগ্লণ্ডৰ দৰে শাসিত হৈছে। এই দেশৰ পৰা পার্লিমেণ্ট সভালৈ ষোলেজন বিষয়া আৰু ৫৩ জন প্রতিনিধি জায়।

স্কটলণ্ডত পাঁচিচ লক্ষ মান মানুহ আচে। তাৰ লোক বিলাক বৰ সজ, অধর্ম্মি নহয়, শ্রমী, স্থিৰ প্রতিজ্ঞ, সাহিয়াল, আৰু গম্ভীৰ, আৰু আপোনাৰ দেশক অতি ভাল পায়, উত্তৰে থকা লোক বিলাকৰ ভাষা লৰ আৰু ৰীতি ব্যৱহাৰ বেলেগ। স্কটলণ্ডত খ্রীষ্টীয়ান ধর্ম্মৰ মতেৰে চলে।

স্কটলণ্ড দেশত এটাই বিধৰ মানুহৰ ভিতৰতে বিদ্যাৰ অনুশীলন ইংগ্লণ্ডত কৈও বঢ়া, অনেক পঢ়াশালি আচে আৰু অনেক বৰ২ পণ্ডিত হৈ গৈচে, স্কটলণ্ডতো ইংৰাজি ভাষাই চলে।

IRELAND.
আইয়ৰ্লণ্ড দেশ।

গ্রেট বৃটনৰ পশ্চিমে আইয়ৰ্লণ্ড নামে এখন উপদ্বীপ আচে, সি প্রায় স্কটলণ্ডৰ সমান আৰু দিঘলে ২৪০ মাইল মান হ্ব। তাত ঠায়েং২ পৰ্ব্বত আচে আৰু হ্রদো কেত বোৰ আচে। আইয়ৰ্লণ্ডক চাৰি ভাগ কৰা জায় আৰু সেই চাৰি ভাগত ৩২ খন জিলা আচে। আইয়ৰ্লণ্ডৰ ৰাজধানী ডব্লিন ।৮৮। নগৰ, সি ইংৰাজৰ ৰাজ্যৰ ভিতৰত দ্বিতীয় নগৰ, আৰু সি লিফি নামে নদীৰ পাৰত; তাত অনেক সুন্দৰ২ ঘৰ আচে আৰু দুই লক্ষ সত্তৰী হেজাৰ লোক থাকে, তাত এখন বৰ বিদ্যালয় আচে। লিমৃক আৰু কর্ক নামে আৰু দুই প্রধান নগৰ আচে। আইয়ৰ্লণ্ডত কৃষি কর্ম্মৰ প্রাদুর্ভাৱ নাঁই, সেই নিমিত্তে লোক বিলাক অতি দুখিয়া, তাত বিলাতি আলু আৰু গোমধান হয়, আৰু গৰু ইত্যাদি অনেক জন্তুও হয়।

আইয়ৰ্লণ্ড ইং ১১৭০ শঁকৰ পৰা ইংগ্লণ্ড ৰজাৰ অধীন হৈছে, কিন্তু ১৮০০ শঁকত হে ইংগ্লণ্ডে সৈতে একে ৰাজ্য কৰা গল।

ইংগ্লণ্ড যি ৰূপে আইয়ৰ্লণ্ডো সেই ৰূপেই শাসিত হৈচে, কিন্তু আইয়ৰ্লণ্ডৰ অধিপতি ইংগ্লণ্ডৰ ৰজাই পতা লৰ্ড লেফটনণ্ট নামে এজন বৰ বিষয়া, আৰু স্কটলণ্ডৰ দৰে আইয়ৰ্লণ্ডৰ পৰা পার্লিমেণ্টত ৩২ জন বিষয়া, আৰু প্রজাৰ প্রতিনিধি ১০৫ জন বহে।

আইয়ৰ্লণ্ডত আশী লক্ষ মান মানুহ আচে। তাৰ লোক বিলাক সাহিয়াল, ৰঙ্গিয়াল, অতি মিঠা; সিহঁতৰ অতি মৰমিয়াল চিত্ত আৰু অতিথিক শুশ্রসা কৰে কিন্তু সিহঁত বৰ দন্দুৰা আৰু ৰজাক নামানা প্রজা। সিহঁতৰ মৰামৰি হলে মিত্র কুটুম্ব এটাইয়ে মিলি কিলাকিলি কৰে।

ইংগ্লণ্ডৰ মতক মনা লোক আইয়র্লণ্ডত অলপ, কিন্তু প্ৰায় এটাই বোৰেই খ্ৰীষ্টীয়ান, ৰোমান কাথলিক আৰু পাপাক মানে। ।৮৯।

আইয়ৰ্লণ্ডত বিদ্যাৰ বৰ অনুশীলন নাই, দুখিয়া বোৰৰ ভিতৰত মুঠেই নাই, আৰু সিহঁত নিচেই অজ্ঞান আৰু বৰ দৰিদ্ৰ; তাত ঘৰ বোৰো বেয়া, প্ৰায় মাটিৰ, মুঠকৈ কলে ইংগ্লণ্ডত কৈ আইয়ৰ্লণ্ড সভ্যতাত ভালেমান কমি।

SWEDEN
স্বীদন দেশ।

স্বীদন দেশ অতি বৰ, তাত নৰ্ৱে আৰু লাপলাণ্ড এই দুই দেশ; কিন্তু প্ৰথমে স্বীদনৰ বিবৰণ লেখি পাচে সি দুই দেশৰ কথা লিখা জাব।

স্বীদন ইউৰোপৰ অতি উত্তৰে, সেই দেখি তাত অতিশয় জাৰ, তাত অনেক পৰ্ব্বত হ্রদ আৰু হাবি আচে আৰু নদীও কেতবোৰ আচে। তাক তিনি ভাগ কৰা হৈচে; উত্তৰ, মধ্যম আৰু দক্ষিণ স্বীদন। তাৰ ৰাজধানী স্টক্‌হলম্ নগৰ, সি দুখন উপদ্বীপৰ ওপৰত; গটেনবৰ্গ্ নামে আৰু এখন নগৰ আচে।

স্বীদন মুঠেই উৰ্ব্বৰা নহয়, এই নিমিত্তে তাত ভাল বস্তু অনেক উৎপন্ন নহয়। সেই দেশৰ পৰা অনেক কাঠ আৰু অতি ভাল লো আহে। এই দেশ বাণিজ্যৰ বৰ সুগম।

স্বীদনত ত্ৰিশ লক্ষ লোক আচে; সিবিলাক শ্ৰমী সন্তোষী আৰু সজ, সিবিলাকৰ খ্ৰীষ্টীয়ন ধৰ্ম্ম লুথৰ নামে মানুহে স্থাপন কৰা মতে চলে, সিবিলাকৰ ভাষাও বেলেগ। স্বীদনত ।৯০। বিদ্যাৰ অনুশীলন ভালৰূপে আচে আৰু অপ্‌চল নগৰত এখন বৰ পঢ়াশালি আচে, আৰু অনেক পণ্ডিতো হৈ গৈচে।

চাৰি শ কি পাঁচ শ মান বচৰ হ'ল, স্বীদন ৰাজ্য কিচু কাল দেম্মাৰ্কৰ অধীন আচিল, কিন্তু গষ্টৈচ্ ৱাচা নামে এজন বৰ ৰণুৱাই দেম্মাৰ্কৰ লোক বোৰ দেশৰ পৰা খেদিলে। এতিয়া ফ্ৰান্স দেশৰ লোক এজন ৰজা।

স্বীদনৰ ৰাজ্য শাসন ইংগ্লণ্ডৰ দৰে পৰিমিত ৰাজত্ব, আৰু তাত ডাইএট্ নামে বিষয়া আৰু গোসাঁই আৰু প্ৰজাৰ সভাৰ দ্বাৰা কৰ্ম্ম চলে, ৰজাৰ ক্ষমতা পৰিমিত।

NORWAY
নৰ্ৱে দেশ।

নৰ্ৱে স্বীদনত কৈও উত্তৰে; সি দিঘলে এহেজাৰ মাইল বা পাঁচ শ ক্ৰোশ মান হব, কিন্তু পুতল ঠেক। সি পৰ্ব্বতিয়া ঠাই আৰু ডফ্রিন পৰ্ব্বতে গোটেই

দেশকে জুৰিচে, তাৰ শৃঙ্গ বোৰক সদাই হিমে ঢাকি থাকে। তাত অতি বৰ জাৰ আৰু লোক বোৰো ভালে মান দিন লৈকে জীয়াই থাকে। নৰ্ব্বেৰ ৰাজধানী খ্ৰীষ্টীয়ানা, বৰ্জিন নামে আৰু এখন নগৰ আচে। নৰ্ব্বেৰ পশ্চিমে সাগৰত মালষ্ট্ৰম নামে যে এটা ডকা আচে সি অতি ভয়ানক, যি জাহাজ তাত পৰে সি তৎক্ষণাৎ নষ্ট হয়।

নৰ্ব্বেত অতি অলপ মানুহ আচে, মুঠে দহ লক্ষ মান হে হ্‌ব। সিহঁত সাহিয়াল, সজ কিন্তু বৰ সভ্য নহয়। সিহঁতে।৯১। এটাইয়ে আপোনা আপুনি ঘৰতে প্ৰায় এটাইকে কৰি লয়। আৰু মানুহ বোৰ এশ বচৰ লৈকে বন কৰি খাব নোৱৰা নহয়। তাতো খ্ৰীষ্টীয়ান ধৰ্ম্মৰ লুদৰন মত চলে।

নৰ্ব্বেত লো, চুম্বক, মণি, তাম, কাঠ আৰু জন্তুৰ চাল অনেক হয়।

নৰ্ব্বে পূৰ্ব্বে দেন্মাৰ্কৰ অধীন আচিল কিন্তু ১৮১৪ ইংৰাজি শঁকৰ পৰা স্বীদনৰ অধীন হৈচে।

LAPLAND.
লাপ্‌লাণ্ড দেশ।

লাপ্‌লাণ্ড দেশ আৰু তাৰ লোক বিলাকৰ অৱস্থা জানিলে আমি কৃপাময় পৰমেশ্বৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ নকৰা কৈ থাকিব নোৱাৰোঁ।

ইউৰোপৰ নিচেই উত্তৰে লাপ্‌লাণ্ড দেশ, সি দিঘলে ৫০ ক্ৰোশ আৰু পুতলে দুশ কি আঢ়াই শ মান ক্ৰোশ হ্‌ব। তাৰ তিনি ভাগ, দেনিচ, স্বিদিচ আৰু ৰুচিয়ন্ লাপ্‌লাণ্ড। তাত নগৰ প্ৰায়েই নাই, লুলিয়া নামে যি এখন নগৰ আচে সিও ডাঙৰ নহয়। লাপ্‌লাণ্ড দেশক পৰ্ব্বতে ঢাকি আচে, মাজে২ নদী আৰু হ্ৰদ বিলাক, আৰু পথাৰ বোৰো অতি বেয়া, একো শস্য নহয়, সেই নিমিত্তে দেশত কৃষি প্ৰায়েই নাই। লাপ্‌লাণ্ড দেশত দুমাহ সূৰ্য্য উদয় নহয় কিন্তু সেই কালত আমাৰ এই দেশত সূৰ্য্য অস্ত হলে যেনে পোহৰে থাকে সেই ৰূপ।৯২। পোহৰে থাকে আৰু জহ কালি দুমাহ সূৰ্য্য অস্ত নোহোৱা কৈ ৰাতিয়ে দিনে থাকে। লাপ্‌লাণ্ড দেশত যিমান জাৰ পৃথিবীৰ আন কোনো দেশত তিমান নাই। জাৰ কালি গোটেই দেশ খনকে ভালে মান গথম [?] হৈ হিমে ঢাকি থাকে। তাত জাৰৰ প্ৰভাৱত সুৰা যে সিও জমি গোটা হয়, আৰু কেতিয়াবা২ মানুহৰ হাত ভৰিও গেলে।

লাপ্‌লাণ্ডত মানুহ মুঠেই নাই, ইমান খন দেশত ষাঠি হেজাৰতকৈ বঢ়া লোক নহব, সিহঁতৰ দেশত যে এবিধ পহু আচে সেই পহুৱেই সিহঁতৰ জীৱন,

সেয়েই নহলে সেই হেন দাৰুণ দেশত থাকিবৰ সিহঁতৰ আন একো উপায় নাই। যেতিয়া দেশক হিমে ঢাকে তেতিয়া নাও হেন একো খনিত মানুহ উঠি সেই পহুৰ দ্বাৰা টনাই নিয়ে আৰু এনেহে বেগে সেই পহু জায় যে দিনত এশ ক্রোশ বাট চলে। এই পহুৰ চালেৰে গাত লোৱা কাপৰ, সিঙ্গেৰে থাল বাটি, সিৰ বিলাকেৰে জৰি কৰে আৰু তাৰ গাখিৰ খাই প্রাণ ধাৰণ কৰে।

লাপ্‌লাণ্ডৰ লোক বিলাক নিচেই চুটি আৰু মুঠেই শকত নহয়। সিহঁত অতি ভয়াতুৰ, দুখিয়ালৈ অতি মৰমিয়াল। সিহঁতৰ ভিতৰত চুৰ কৰা কথা ভুকে নেপায় আৰু ভিন দেশী মুদৈ বিলাকে মুকলিত বস্তু এৰি জায় তেও তাৰ কেৱে হাতেৰেই নোচোৱে। সিহঁতে চালেৰে ঢকা টুপৰ নিচিনা ঘৰত থাকে, মাজতে জুই ধৰে আৰু একো পৰিয়াল একেটা ।৯৩। পজাতে থাকে। সিহঁতে পহুৰ মঙহক খায় আৰু ভালুকৰ মঙহক বৰ ভাল পায়। লাপ্‌লাণ্ডত দুবিধ লোক আচে; কেত বোৰে পৰ্ব্বতত থাকি পহু ৰাখি খায়, কেত বোৰে হ্রদৰ গুৰিত বাস কৰি মাচ খাই থাকে। এই দেশৰ লোক বিলাকক স্বীদন ইত্যাদি দেশৰ পৰা মানুহ গৈ খ্রীষ্টীয়ান কৰিচে, কিন্তু তেও সিহঁতে পূৰ্ব্ব পুৰুষ বোৰৰ ক্রিয়া বিলাক এৰিব পৰা নাই।

RUSSIA IN EUROPE.
ইউৰোপৰ ৰুচিয়া দেশ।

পৃথিৱীৰ সকলো ৰাজ্যতকৈ ৰুচিয়া ৰাজ্য ডাঙ্গৰ, ইউৰোপৰ ৰুচিয়া দিঘলে ৩০০০ ক্রোশ পুতলে ১০০০ ক্রোশ। এই দেশ খন নিচেই সমান পথাৰ খনৰ নিচিনা, পৰ্ব্বত প্রায়েই নাই, তাত এনেহে জাৰ যে কোনো মানুহ ফুৰিলে জাৰত চকুৰ পানি ওলাই গোটা হৈ ওলমি থাকে, বনুৱই বিলাকৰ ডাৰিত হিম পৰি জাৰৰ প্রভাৱত ডাৰি বোৰেই একো ডোখৰ হিম হেন হয়।

ৰুচিয়া দেশক প্রদেশকৈ ভাগ কৰিচে। সেই মহাৰাজ্যৰ ৰাজধানী চেইণ্ট্‌ পিতৰ্চবৰ্গ, তাক ১৭০৩ ইংৰাজি শকত মহা পিতৰ নামে পাত্‌চাই নকৈ স্থাপন কৰিলে। সি নেৱা নামে নৈৰ দুইও পাৰে, আৰু ইউৰোপৰ ভিতৰত এক প্রধান নগৰ, আৰু তাৰ বাণিজ্য অতি বৰ। তাত অনেক বৰ২ ঘৰ আচে ।৯৪। আৰু পিতৰ পাত্‌চাৰ যি এটা সিলৰ মূৰ্ত্তি আচে সি অতি আচৰিত। ৰুচিয়াৰ পূৰ্ব্বে ৰাজধানী মস্কৌ নগৰ আচিল, সি এতিয়া হ্রাস হৈ গল, তেও অনেক বৰ২ ঘৰ আচে, তাত যি এটা ঘন্টা আচে তাৰ সমান ডাঙ্গৰ পৃথিৱীত

কতো নাই, তাক সাজোঁতে আঠ লক্ষ মান ধন ভগন হৈছিল। তাত অতি বৰ তোপ এটাও আছে।

ৰুচিয়াত লো, তাম, কাঠ, শন সুতা, মম, মৌ ইত্যাদি বস্তু হয়।

ৰুচিয়াত পাঁচ কোটি মান মানুহ আছে। তাৰ লোক বিলাক পূৰ্ব্বে অসভ্য আছিল, কিন্তু পিতৰ পাত্চাৰ দিনৰ পৰা সভ্য হৈছে। তেও তাত বৰ লোক বিলাক হে সভ্য হৈছে, সামান্য বোৰ নিচেই অজ্ঞান আৰু দেশৰ প্ৰায় লোকেই বৰ লোক বোৰৰ গোলাম। এঘৰ বিষয়াৰ এক লক্ষ পঁচিচ হেজাৰ গোলাম আচে বুলি কয়। ৰুচিয়াৰ লোক বোৰ বলৱন্ত, দুখ সহিব পাৰে আৰু অতি শ্ৰমী, কিন্তু মদ বৰকৈ খায়।

ৰুচিয়াত খ্ৰীষ্টীয়ান ধৰ্ম্ম মানে আৰু গ্ৰীক মণ্ডলীৰ মতেৰে এটাইয়ে চলে। ৰুচিয়া দেশ পূৰ্ব্বে মুঠেই পৰাক্ৰমী নাচিল কিন্তু মহা পিতৰ পাত্চাৰ গুণত ইংৰাজি ১৭২১ শঁকৰ পৰা অতি পৰাক্ৰমী হৈ একে খন মহাৰাজ্য হল। মহা পিতৰ পাত্চা নিশ্চয়কৈ অতি মহৎ লোক আচিল। তেঁওৰ গুণৰ কথা শুনি কেৱে প্ৰশংসা আৰু ধন্যবাদ নকৰাকৈ থাকিব ।৯৫। নোৱাৰে। তেঁও আপোনাৰ দেশৰ প্ৰজা বিলাকক সভ্য কৰিবৰ নিমিত্তে প্ৰায়ে ইংগ্লণ্ড আৰু হলাণ্ড দেশলৈ গৈ ৰজা বেশ এৰি জাহাজ সজা ইত্যাদি বাঢ়ৈৰ বন শিকালে, আৰু অশেষ পুৰুষাৰ্থ কৰি প্ৰজা বিলাকক সভ্য কৰিলে। হে মোৰ প্ৰিয় লৰা বিলাক, মহা পিতৰ পাত্চাৰ দৃষ্টান্ত শিকি তোমোলাকো সেই ৰূপে আপোনাৰ দেশৰ হিত চিন্তিবলৈ পুৰুষাৰ্থ কৰা।

ৰুচিয়া দেশ পাত্চাৰ দ্বাৰা শাসিত হৈছে, যদিও এখন ৰাজমেল আচে, তেও পাত্চা স্বাধীন আৰু আপোন ইচ্ছাৰে সকলোকে কৰিব পাৰে। ৰুচিয়া ৰাজ্য ইমান ডাঙ্গৰ তেও তাত মুঠে তেৰে কোটি মান ৰুপহে খাজনা উঠে।

POLAND

পোলণ্ড দেশ।

পোলণ্ড দেশ পূৰ্ব্বে স্বতন্ত্ৰ এখন ৰাজ্য আচিল কিন্তু ইংৰাজি ১৭৯৫ শকত তাৰ ৰাজ্য নামেই লোপ হল আৰু ৰুচিয়া, প্ৰুচিয়া আৰু অষ্ট্ৰিয়া এই তিনি দেশৰ ৰজাই পোলণ্ডক ভগাই ললে। আৰু সেই নিমিত্তে তাক ভিন্ন ৰাজ্য বোলা নেজায়, পোলণ্ডৰ লোক বিলাকে স্বতন্ত্ৰ হবলৈ ভালেমান পুৰুষাৰ্থ কৰিলে কিন্তু একো কৰিবলৈ নোৱাৰিলে।

পোলণ্ডত প্ৰধান নগৰ ওৱাৰ্চা, সি বিচ্যুলা নৈৰ পাৰত; ক্ৰাকৌ নামে আৰু এক নগৰ আচে, তাৰ গুৰিতে এটা যি লোণ ।৯৬। ৰ আকৰ আচে সি অতি আচৰিত। পোলণ্ড দেশ সমান পথাৰৰ নিচিনা আৰু উৰ্ব্বৰা, তাত থাকিবলৈ ভাল আৰু জাৰ অতি টান নহয়। নানা বিধৰ শস্য, শনসূতা, কাঠৰ পাট, মম, লোন মৌ ইত্যাদি পোলণ্ড দেশৰ বাণিজ্য দ্ৰব্য। পোলণ্ডত প্ৰায় দুই কোটি মান লোক আচে, তাতো দুবিধ মানুহ, এবিধ বৰ লোক আৰু এবিধ বনুৱা, তাৰ প্ৰায়েই গোলাম। বৰ লোক বিলাক সাহিয়াল, ৰঙ্গিয়াল, নিষ্কপট, আৰু দানী, কিন্তু অতি কথকী। সিবিলাকে কোন ব্যৱসায় কৰা অতি নিন্দা বুলি ভাবে, আৰু য়িহুদিকে আদি কৰি ভিন দেশী মানুহে হে তাত ব্যৱসায় কৰে। পোলণ্ডতো খ্ৰীষ্টীয়ান ধৰ্ম্মেই চলে কিন্তু পাপা আৰু গ্ৰীক মণ্ডলীৰ মত এই দুইও মতেই তাত মানে।

PRUSSIA
প্ৰুচিয়া দেশ।

প্ৰুচিয়া ৰাজ্য দিঘলে ৩০০ ক্ৰোশ আৰু যত অতি বহল তত সি ২০০ ক্ৰোশ মান হব। এই দেশক দহ প্ৰদেশকৈ ভাগ কৰিচে, তাত পৰ্বত নাই আৰু তাৰ বায়ু ভাল আৰু মাটিও উৰ্ব্বৰা। প্ৰুচিয়াৰ ৰাজধানী বৰ্লিন নগৰ; সি স্প্ৰি নামে নৈৰ পাৰত আৰু তাত আঢ়াই লক্ষ মান মানুহ আচে। কনিংস্বৰ্গ নামে আৰু এক বাণিজ্যৰ নগৰ, তাত এখন বৰ পঢ়াশালি আচে, দাণ্টিজগ, থৰ্ণ ইত্যাদিও ঘাই নগৰ।।৯৭।

প্ৰুচিয়া দেশত হিলৈৰ খাৰ, কাকত পাত ইত্যাদি বস্তু কৰে আৰু শস্যও হয়।

প্ৰুচিয়াত এক কোটি চাৰি লক্ষ মান মানুহ আচে সিহঁত বৰ ৰণুৱা; তাৰ পূৰ্ব্বৰ লোক বিলাক অতি অসভ্য আচিল। তাত খ্ৰীষ্টীয়ান ধৰ্ম্ম চলে। প্ৰুচিয়া দেশ পূৰ্ব্বে ৰজাৰ ৰাজ্য নাচিল অলপৰ পৰাহে ৰাজ্য হৈ এতিয়া ইউৰোপৰ মধ্যত অতি বৰ পৰাক্ৰমী হৈচে।

এই দেশ ৰজা এজনাৰ দ্বাৰা শাসিত হৈচে, তেঁও স্বাধীন, যি ইচ্ছা তাকে কৰিব পাৰে। প্ৰুচিয়াৰ সৈন্য অনেক প্ৰায় পাঁচ লক্ষ মান হব।

DENMARK
দেন্মাৰ্ক দেশ।

দেন্মাৰ্ক দেশ প্ৰায়দ্বীপ এখন, আৰু ফ্যুনন, জিলণ্ড, লালাণ্ড, আৰু আইচলণ্ড ইত্যাদি উপদ্বীপৰ দ্বাৰা হৈচে। এই দেশ অতি দ আৰু কিছু উৰ্ব্বৰাও; তাৰ

ৰাজধানী কোপনহেগন নগৰ, জিলণ্ড উপদ্বীপত সি অতি সুন্দৰ নগৰ, এক লক্ষতকৈ বড়া মানুহ আচে। আল্টনা নামে এক প্ৰধান বাণিজ্যৰ নগৰ আচে।

দেন্মার্কৰ মাটি বালিয়া হেতুকে অনেক শস্য নহয়, তেও ভিন দেশলৈ অনেক নিয়ে। এই দেশ বাণিজ্যলৈ বৰ ভাল,।৯৮। কাঠ, চাল, তেল, লো, ঘোৰা ইত্যাদি তাৰ বাণিজ্য দ্ৰব্য। দেন্মার্কত কুৰি লক্ষ মান লোক আচে, সিবিলাক অতি সাধা, মৃদু, আৰু শ্ৰমী। সামান্য মানুহ বোৰ পূৰ্ব্বে অতি দুৰৱস্থাত আচিল কিন্তু এতিয়া সিহঁত ভাল হৈচে। দেন্মার্কৰ পৰা অনেক মানুহ মকৰ মাচ ধৰিবলৈ জায়।

এই দেশত খ্ৰীষ্টীয়ান ধৰ্ম্মৰ লুথৰে প্ৰকাশ কৰা প্ৰটেষ্টন্ট মতক মানে।

দেন্মার্কত বিদ্যাৰ অনুশীলন সুন্দৰে আচে, আৰু ৰজাই আজ্ঞা কৰিচে যে এটাইৰে লৰাক বয়স হলে পঢ়াশালিলৈ পঠাব পাই।

দেন্মার্ক পূৰ্ব্বে পৰাক্ৰমী আচিল কিন্তু এতিয়া হ্ৰাস হল। তাৰ ৰাজ্য শাসন পৰিমিৰ্ত্ত ৰাজত্ব আৰু পুৰুষানুক্ৰমে ৰজা হয়।

HOLLAND
হলাণ্ড দেশ।

হলাণ্ড দেশৰ নিচিনা দ ঠাই কতো নাই, পূৰ্ব্বে তাৰ এডোখৰত সাগৰ আচিল, কিন্তু তাৰ লোক বিলাকে সাগৰৰ পানি উঠিব নিদিয়াকৈ বান্ধিচে; তেও কেতিয়াবা২ সাগৰৰ পানিয়ে বান্ধ খহাই দেশত উঠে আৰু ঘৰ মানুহ ডুবাই নষ্ট কৰে। তাত হাৰ্লেম্‌মিৰ নামে এটা হ্ৰদ আচে।।৯৯।

হলাণ্ডৰ ৰাজধানী আমষ্টৰ্ডম, সি আমষ্টল নৈৰ পাৰত, এই নগৰ ইউৰোপৰ মধ্যত এক ঘাই বাণিজ্যৰ ঠাই আৰু তাত দুই লক্ষতকৈ বড়া মানুহ আচে। আন দেশৰ নগৰ বিলাকৰ দৰে হলাণ্ডৰ নগৰ নহয়, তাত নগৰৰ ভিতৰত মানুহে খনা খাল আচে, সেই খাৱৈত দ পানি আৰু তাৰে অনেকে চলে, আলিও আচে। আমষ্টৰ্ডমত ষ্টাড্‌হৌচ্ নামে যি এটা ঘৰ আচে সি অতি আচৰিত। হলাণ্ডত মিচ্ নদীৰ পাৰত ৰটৰ্ডম, হাগ্ যত ৰজা থাকে, লিডন যত এখন বৰ পঢ়াশালি আচে, এই বিলাক নগৰ আচে।

পূৰ্ব্বে ইউৰোপৰ এটাই দেশতকৈ হলাণ্ডৰ বাণিজ্য বড়া আচিল, এতিয়াও তাৰ বাণিজ্য সৰু নহয়। সুৰা, মজাঠি, নানা বিধৰ সুকান মাচ, মকৰ মাচৰ তেল আৰু হাৰ, আৰু ভিন দেশৰ পৰা অনা চেনী আৰু মচলা ইত্যাদি তাৰ বাণিজ্য দ্ৰব্য।

হলাণ্ডত ২৭ লক্ষ মান মানুহ আছে, সিবিলাক অতি শ্ৰমী, স্থিৰ প্ৰতিজ্ঞ, আৰু অতি চাকচিকণ। সিবিলাক নিয়ম হৈ চলে এই হেতুকে নিচেই দৰিদ্ৰ প্ৰায়েই নাই। সিবিলাকে হোঁকা বৰকৈ খায়। এই দেশত খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে, আৰু তাত বিদ্যা সকলোৱে শিকে।

হলাণ্ডত পৰিমিত ৰাজত্ব দ্বাৰা দেশ শাসিত হৈছে আৰু এক সমাজৰ দ্বাৰা দেশৰ ব্যৱস্থা হয়।।১০০।

BELGIUM
বেল্‌জিয়ম দেশ।

ইংৰাজি ১৮১৪ শকত বেল্‌জিয়ম হলাণ্ড একে খন দেশ হৈছিল, কিন্তু ১৮৩০ শকত বেল্‌জিয়ম স্বতন্ত্ৰ দেশ হল। সি মুঠেই পৰ্ব্বতিয়া নহয় কিন্তু সমান, তাৰ ৰাজধানী ব্ৰুচল্‌চ্‌ নামে এক অতি সুন্দৰ নগৰ। এই নগৰৰ গুৰিতে ওৱাটৰ্ল্‌ নামে যি ঠাই তাতে নেপোলিয়ন বোনাপাৰ্তে সৈতে ইংৰাজৰ মহা ৰণ হৈছিল। চেল্‌ট নৈৰ পাৰত আণ্টৱৰ্প নামে বেল্‌জিয়মৰ ঘাই বাণিজ্যৰ নগৰ আছে।

এই দেশত ভালেমান শস্য আৰু ফল হয়, আৰু শিল্প কৰ্ম্মো ভাল ৰূপে কৰে; তাৰ দৰে উত্তম ফিটা কতো নহয়, লোমৰ কাপৰ আৰু আন২ কাপৰো সৰহ কৰে।

বেল্‌জিয়মত ৩৫ লক্ষ মান মানুহ আছে, সিবিলাক কৃষি কৰ্ম্মত বৰ পাৰ্গৎ আৰু চিত্ৰ বিদ্যাতো বৰ ভাল। তাৰ লোক বিলাকৰ ধৰ্ম্ম খ্ৰীষ্টীয়ান, আৰু ৰোমাণ কাথলিক মতেৰে চলে।

বেল্‌জিয়মো ৰজাৰ দ্বাৰা শাসিত হৈছে।

GERMANY
জৰ্ম্মণি দেশ।

ইউৰোপৰ মাজত জৰ্ম্মণি দেশ; তাৰ চাৰিও ফালে ফ্ৰান্স, পোলণ্ড, স্বীতজৰ্লণ্ড, ৰুচিয়া আৰু প্ৰুচিয়া ইত্যাদি দেশ। সি দিঘলে তিনি শ ক্ৰোশ মান হব।।১০১।

এই দেশ খন একেটা ৰজাৰ নহয় কিন্তু ৩৮ খন মণ্ডলকৈ ভাগ হৈছে, তাৰে কেতবোৰ অষ্ট্ৰিয়া, প্ৰুচিয়া আৰু দেন্মাৰ্কৰ অধীন, আৰু ইবিলাকত চাৰি ৰাজ্য আছে; অৰ্থাৎ হানোৱৰ, চাক্‌চনী, ওৱৰটেম্‌বৰ্গ, আৰু বেৱেৰিয়া, আৰু

অনেক সৰু২ মণ্ডল আচে। এই মণ্ডল বিলাকে ৰক্ষাৰ নিমিত্তে একে লগে মিলি আচে, আৰু ৰণত এটাইএ এটাইক সহায় কৰিবলৈ সম্মত হৈচে, কিন্তু প্ৰতি মণ্ডল স্বতন্ত্ৰ ৰূপে শাসিত হয়। কেতবোৰত বা ৰজা আৰু কেতবোৰত ড্যুক নামে বৰ বিষয়া আচে। জৰ্ম্মণিৰ মণ্ডলবোৰৰ পৰা প্ৰতিনিধি ফ্ৰাঙ্কফোৰ্ট নামে নগৰত একেলগ হৈ মেল কৰে আৰু সেই মেলকে ডাইএট বোলে।

জৰ্ম্মণিৰ ভিতৰত অষ্ট্ৰিয়া প্ৰুচিয়া আৰু দেৰ্ম্মাকৰ যি বোৰ দেশ আচে তাৰ বিবৰণ সেই২ দেশৰ কথাত লিখা হৈচে। ইবিলাক যি ৰাজ্য আৰু সৰু প্ৰদেশ আচে তাৰ ভিতৰতো অনেক বৰ২ নগৰ আচে, ঘাই এই২, বেৱেৰিয়াত মুনিচ ৰাজধানী আৰু অস্বৰ্গ আৰু ৰাটিস্বন নামে দুই নগৰ, ওৱটেম্বৰ্গত ৰাজধানী ষ্টটগাৰ্ট; চাকচনীত দ্ৰুজদন্ নামে ৰাজধানী, সি এল্ব নদীৰ পাৰত আৰু অতি সুন্দৰ নগৰ, লিপ্জিগ্ নামে যি এখন নগৰ আচে তাত বৰ হাট হয়। হানোৱৰত ৰাজধানীও হানোৱৰ, এই বিলাক নগৰত বাে হাম্বৰ্গ, ল্যুবেক, ফ্ৰাঙ্কফোৰ্ট, আৰু বৃমণ নামে চাৰি খন ঘাই নগৰ আচে, তাকে স্বাধীন নগৰ বোলে ।১০২। অৰ্থাৎ সেই নগৰ বিলাক কোন ৰাজ্যৰ অধীন নহয় কিন্তু স্বতন্ত্ৰ।

জৰ্ম্মণি দক্ষিণে পৰ্ব্বতিয়া, কিন্তু উত্তৰে সমান ঠাই; তাত কৃষি অতি ভাল ৰূপে নহয় কিন্তু তাৰ বাণিজ্য আৰু শিল্প কৰ্ম্ম বৰ। এই দেশত অনেক গাহৰি হয়, তাৰ মঙহ আন দেশলৈ জায়, শন সুতা, ধঁপাত, কাঠ, মজাঠি, নোম, কাঁচ, বেলোল, এই বিলাকো তাৰ ঘাই উৎপন্ন দ্ৰব্য।

জৰ্ম্মণিত প্ৰায় সাৰে তিনি কোটি মান মানুহ আচে। সিবিলাক অতি সজ, অতিকৈ শ্ৰম কৰিব পাৰে, বৰ গম্ভিৰ, আৰু নিচেই সাধু আৰু হোজা, আৰু বিদ্যাত বৰ পাৰ্গৎ।

জৰ্ম্মণি দেশতে আদিতে খ্ৰীষ্টীয়ানৰ প্ৰটেষ্টণ্ট মতৰ উদ্ভৱ হয়, তেও তাৰ আদখিনি মানুহ প্ৰটেষ্টণ্ট আৰু আদখিনি ৰোমাণ কাথলিক মতে চলে।

জৰ্ম্মণ লোক সকল বিদ্যাৰ নিমিত্তে প্ৰখ্যাত আৰু বিদ্যা শিকিবলৈ ভালে মান পুৰুষাৰ্থ কৰে। সিবিলাকৰ ভিতৰত অনেক বৰ পণ্ডিত হৈ গৈচে।

AUSTRIA
অষ্ট্ৰিয়া ৰাজ্য।

অষ্ট্ৰিয়া বৰ পৰাক্ৰমী ৰাজ্য, সি দিঘলে ৩৫০ ক্ৰোশ আৰু পুতলে ২৫০ ক্ৰোশ মান হব, তাত জৰ্ম্মণিৰ বোহেমিয়া আৰু মৰেৰিয়া প্ৰদেশ, হঙ্গাৰী দেশ, পোলণ্ড গালিটেজিয়ৰা ।১০৩। প্ৰদেশ আৰু লম্বাৰ্দি আৰু টাইৰল ইত্যাদি

প্ৰদেশ আচে। অষ্ট্ৰিয়া ৰাজ্যৰ ৰাজধানী বিএনা নগৰ, সি দান্যুব নৈৰ পাৰত, তাত অনেক সুন্দৰ২ ঘৰ আচে আৰু দুই তিনি লক্ষ লোক থাকে। বোহেমিয়া প্ৰদেশত প্ৰেগ, হুঙ্গাৰিত বুডা নামে আৰু দুই বৰ নগৰ আচে।

অষ্ট্ৰিয়া ৰাজ্য উৰ্ব্বৰা, নানা বস্তু উৎপন্ন হয়, দ্ৰাক্ষা ইত্যাদি ফল অনেক হয়, ধাতুও পোৱা জায়।

অষ্ট্ৰিয়াত তিনি কোটি মান মানুহ আচে, সিবিলাক বৰ সাহিয়াল আৰু বাদ্যক বৰ ভাল পায়। তাত ৰোমাণ কাথলিক ধৰ্ম্ম চলে।

অষ্ট্ৰিয়াৰ পাত্‌চাই পূৰ্ব্বে জৰ্ম্মণি গোটেই খনৰ অধিপতি আচিল, কিন্তু এতিয়া তেঁও মুঠে অষ্ট্ৰিয়া ৰাজ্যৰ হে অধিকাৰ, তেও বৰ পৰাক্ৰমী।

FRANCE
ফ্ৰান্স দেশ।

ফ্ৰান্স দেশ অতি উত্তম, বৰ উৰ্ব্বৰা আৰু ইউৰোপৰ মধ্যত এক মহা পৰাক্ৰমী দেশ। সি দিঘলে ৩৬০ আৰু পুতলে ২৫০ ক্ৰোশ মান হব আৰু ইংগ্লণ্ডৰ পৰা ডোৱৰ মোহনাই হে বেলেগ কৰিচে। ফ্ৰান্সক ৮৬ খন প্ৰদেশকৈ ভাগ কৰা হৈচে, তাৰ ৰাজধানী পেৰিচ, সি চীন নৈৰ দুইও পাৰে আৰু ইউৰোপৰ এক মহা নগৰ। তাৰ ঘৰ বোৰ সিলৰ, বৰ ।১০৪। ওখ, কিন্তু আলি বোৰ তেনে ভাল নহয়, আৰু অনেক সুন্দৰ গৃহ আচে। পেৰিচত এক লক্ষ মান লোক আচে। ফ্ৰান্সত লিয়ন্স নামে নগৰত প্ৰখ্যাত পাট কাপৰ হয়, ৱৰ্চিলচত আচৰিত ৰাজ ঘৰ এটা আচে, মাৰ্চিলিচ, বৰডোঁ, ৰৌন প্ৰভৃতি আৰু অনেক নগৰ আচে।

ফ্ৰান্সত অনেক বিধৰ ভাল২ সুৰা হয়, পাট কাপৰ, মখমল, নোমৰ কাপৰ, বেলোল, কাঁচ আৰু মোৰব্বা ইত্যাদি অনেক ভাল বস্তু হয়।

এই দেশত তিনি কোটি ত্ৰিশ্‌ লক্ষ লোক আচে। সিবিলাক বৰ শিষ্টাচাৰী আৰু শ্ৰমী, ৰণৰ সুখ্যাতিলৈ বৰ বাঞ্ছা কৰে, শিল্প বিদ্যাত বৰ পাৰ্গৎ, বিদ্যা শিকিবলৈ বৰ উদ্যোগি কিন্তু সিবিলাকৰ স্বভাৱ আৰু চৰিত্ৰ তিমান ভাল নহয় আৰু অসজ বুলি কয়।

ফ্ৰান্সত খ্ৰীষ্টীয়ানৰ ৰোমাণ কাথলিক মত মানে।

মুঠতে কব লাগিলে ফ্ৰান্স দেশ সভ্যতা আৰু আন২ কথাত প্ৰায় ইংগ্লণ্ডৰ দৰেই এতেকে আমি তাৰ বিবৰণ বিশেষকৈ নকলোঁ।

পূৰ্ব্বে ফ্ৰান্স দেশৰ এডোখৰ এবেলি ইংৰাজৰ অধীন হৈছিল, কিন্তু আকৌ স্বাধীন হল। পঞ্চাশ্ বচৰ মান হল ফ্ৰান্স দেশত এক উপপ্লব হৈ তাতে ৰজা আৰু তেঁওৰ কুঁৱৰিক কাটিচিল আৰু ভালে মান প্ৰাণি বধ হৈছিল, তাৰে পৰা ফ্ৰান্স দেশত ৰজাৰ শাসন গুচি প্ৰজা সমূহৰ দ্বাৰা শাসিত ।১০৫। হল; কিন্তু এইৰূপেও সৰহ দিন নেথাকি নেপোলিয়ন বোনাপাৰ্ত নামে এজন লোক সামান্য পদৰ পৰা ফ্ৰান্স দেশৰ পাতচা হল। লোভী মানুহ কেতিয়াও সন্তোষ হৈ থাকিব নোৱাৰে, সেইৰূপে বোনাপাৰ্তেও গোটেই ইউৰোপকে অধিকাৰ কৰিবৰ ইচ্ছা কৰিলে, কিন্তু শেষত ইংগ্লণ্ড আৰু প্ৰুচিয়া ইত্যাদি দেশে মিলি ওৱাটৰ্লূত ৰণ কৰি নেপোলিয়নক চেইন্ত্ হেলিনা নামে উপদ্বীপ এখনত বন্দি কৰি থলে, তাতে মৰিল। পৃথিবীৰ একো বস্তুৱেই নিত্য নহয়, কি ধন কি মান, এটাইয়ে খন্তেকিয়া। বোনাপাৰ্তৰ এই গতি হলত ফ্ৰান্স দেশত আকৌ ৰজা হল কিন্তু তেঁওৰ ক্ষমতা পূৰ্ব্বতকৈ টুটি পৰিমিত হল, আৰু এতিয়া ইংগ্লণ্ডত যেনে এখন বিষয়া আৰু প্ৰজাৰ সভা আচে ফ্ৰান্সতো তেনে এখন ৰাজ মেল আচে।

SPAIN
স্পানিয়া দেশ।

ফ্ৰান্সৰ দক্ষিণ পশ্চিয়ে স্পানিয়া, আৰু পীৰণিচ পৰ্ব্বতৰ দ্বাৰা বেলেগ হৈচে। স্পানিয়া ডাঙ্গৰ দেশ, দিঘলে ৩০০ ক্ৰোশ পুতলে ২৫০ ক্ৰোশ মান হব, তাৰ মাজে২ একো সাৰি পৰ্ব্বত আচে। এই দেশৰ ৰাজধানী মাদ্ৰিদ্ নগৰ, সি মাঞ্জনাৰীচ নামে এখনি সৰু নৈৰ তীৰত আৰু অনেক বৰ২ ঘৰ আচে, আলি বোৰো ডাঙ্গৰ আৰু বহল। চেবিল্ আৰু টলেডো পূৰ্ব্বে ।১০৬। মহা নগৰ আচিল। যেতিয়া মুষলমানে স্পানিয়া লয় তেতিয়া গ্ৰাণাদা নামে নগৰ ৰাজধানী আচিল; তাত মুষলমানে সজা আলহম্ব্ৰা নামে এক মহাগৃহ আজিলৈকে আচে। বাৰ্চেলনা, কাৰ্থেজীনা আৰু কাডিজ্ নামে সমুদ্ৰৰ তীৰত ঘাই তিনি নগৰ, আৰু জিব্ৰল্টৰ নামে এখন কোঁঠ থকা নগৰ ইংৰাজৰ অধীন।

স্পানিয়া দেশ উৰ্ব্বৰা হয় কিন্তু তাৰ লোক বিলাকৰ দুৰবস্থাত থাকি দেশত কৃষি ভাল ৰূপে নকৰে। স্পানিয়াত সুমথিৰা টেঙাকে আদি কৰি অনেক ফল হয়। গোমধান, জখাৰ, লোন, কুঁহিয়াৰ, মৌ, পাট, নোম, সুৰা, লো, তাম আৰু বাখৰো পোৱা জায়।

স্পানিয়া দেশ এতিয়া পুৰ্ব্বে যেনে আচিল তাতকৈ ভালে মান হ্ৰাস হল, আৰু লোকো ডেৰ কোটিতকৈও কমি হব, সিহঁতৰ পূৰ্ব্ব পুৰুষ সকল অতি

সজ আৰু জ্ঞানী আছিল কিন্তু এতিয়া সিহঁত নিচেই অজ্ঞান মহা গপিয়া হৈ ৰৰকৈ প্ৰতিহিংসা কৰে।

স্পানিয়াত ৰোমাণ কাথলিক ধৰ্ম্ম চলে আৰু ভিন ধৰ্ম্ম লোৱাৰ নিমিত্তে তাত অনেক অকৰ্ম্ম হৈচে আৰু ভালে মান লোক নষ্ট হৈচে।

স্পানিয়া দেশ এজন স্বাধীন ৰজাৰ দ্বাৰা শাসিত হৈচে, কিন্তু এই দেশৰ শাসন নিচেই বেয়া।

স্পানিয়াত অনেক উপপ্লব হৈ গৈচে, পূৰ্ব্বে ৰোমাণ গ্ৰীক প্ৰভৃতি জাতিৰ অধীন হৈচিল, পাচে মুষলমান বিলাকৰ ।১০৭। অধীন হৈ কিচু কাল আছিল, কিন্তু স্ব ৰজাৰ অধিকাৰ হলত স্পানিয়া মহা পৰাক্ৰমী হল; শেষত যেনে বৰ হৈচিল এতিয়া তেনে সৰু হল। সম্প্ৰতি স্পানিয়াত দেশৰ মানুহেৰেই ৰণ লাগি গোটেই নষ্ট হল। পূৰ্ব্বে স্পানিয়া ধন, পৰাক্ৰম, আৰু পৌৰুষতাৰ হৈ প্ৰখ্যাত আছিল কিন্তু এতিয়া তাৰ বিপৰীত হল।

স্পানিয়াৰ অৱস্থা দেখি এটাই জাতিয়ে জানক যে ধৰ্ম্মত হে পৰাক্ৰম থাকে, যি দিনাই দেশৰ ধৰ্ম্ম গুচিব সেই দিনাই পৰাক্ৰমো গুচিব।

PORTUGAL
পৰ্ত্তুগল দেশ।

স্পানিয়াৰ গাতে পৰ্ত্তুগল দেশ, সি সৰু দেশ আৰু ইউৰোপৰ নিচেই পশ্চিমে। তাৰ ৰাজধানী লিচ্‌বন নগৰ, সি টেগচ নদীৰ পাৰত আৰু তাত দুখন কোঠ আচে। লিচ্‌বনত ঘনে২ ভুঁইকপ হয়, চাৰি কুৰি মান বচৰ হল ভুঁইকপৰ দ্বাৰা এই নগৰ একে বেলিয়ে নষ্ট হৈচিল। পৰ্ত্তুগলৰ দ্বিতীয় নগৰ অপৰ্টো, সি ডৌৰো নদীৰ তীৰত আৰু তাত এবিধ সুৰা হয়।

পৰ্ত্তুগল পূৰ্ব্বে বাণিজ্যৰ নিমিত্তে প্ৰখ্যাত আছিল, এতিয়া গোটেই হ্ৰাস হৈচে, স্পানিয়াৰ যি২ উৎপন্ন দ্ৰব্য পৰ্ত্তুগলতো সেই২ দ্ৰব্য আৰু নানা বিধৰ সুৰা হয়।।১০৮।

পৰ্ত্তুগলত ৩৫ লক্ষ মান মানুহ আচে, সিবিলাকৰো স্বভাৱ স্পানিয়া হঁতৰ নিচিনা প্ৰতিহিংসক ইত্যাদি। তাত খ্ৰীষ্টীয়ান ধৰ্ম্মৰ ৰোমান কাথলিকৰ মত চলে, মাজতে পৰ্ত্তুগল বৰ পৰাক্ৰমী আছিল, আমেৰিকাত ব্ৰাজিল মহাৰাজ্য পৰ্ত্তুগলৰ অধীন আছিল, ভাৰতবৰ্ষ ইত্যাদি ঠাইতো অনেক ঠাই অধিকাৰ আছিল, কিন্তু এতিয়া সেই বিলাক অধিকাৰ গুচিল আৰু পৰ্ত্তুগল দুৰ্ব্বল হল। এতিয়া তাত ৰজাই স্বাধীনৰূপে শাসন কৰে।

SWITZERLAND
স্বীত্‌জৰ্লণ্ড দেশ।

স্বীত্‌জৰ্লণ্ডৰ সমান পৰ্ব্বতিয়া দেশ প্ৰায় নাই, গোটেই দেশতে পৰ্ব্বতৰ ওপৰত পৰ্ব্বত আৰু তাক সদাই হিমে ঢাকি থাকে। এটাইতকৈ ওখ আৰু প্ৰধান আল্‌প্‌ পৰ্ব্বত সাৰি, তাত যি সকল বাটৰুৱা মানুহ জায় সিহঁত কেতিয়াবা২ হিমত ঠেঁটুৰা লাগি মৰে, কিন্তু চেইণ্ট বৰ্ণাৰ্ড নামে এখন পৰ্ব্বত আচে, তাতে অনেক তপসী আচে, সিবিলাকৰ এবিধ কুকুৰ আচে, সেই কুকুৰ বিলাকৰ ডিঙ্গিত একোটা চিচাতকৈ ব্ৰাণ্ডি সুৰা আৰু গাত একো খন কাপৰ দিয়ে, পাচে সেই কুকুৰে পৰ্ব্বতৰ মাজে২ বিচাৰি যতে ঠেঁটুৰা লাগি থকা বাটৰুৱাক পায় তাকে সেই কাপৰ আৰু সুৰা দি ৰক্ষা কৰে, ঈশ্বৰে চেইণ্ট বৰ্ণাৰ্ডৰ তপসী বিলাকক আশীৰ্ব্বাদ কৰক। স্বীত্‌ ।১০৯। জৰ্লণ্ডত অনেক হ্ৰূদো আচে, তাত ২২ খন প্ৰদেশ আচে আৰু তাৰ ৰাজধানী বৰ্ণ নামে নগৰ; সি আৰ নামে নদীৰ তীৰত। জেনেৱা নগৰ জেনেৱা হ্ৰূদৰ গুৰিত, সি ঘাই বিদ্যাৰ ঠাই আৰু তাত বৰ ভাল ঘৰী হয়।

স্বীত্‌জৰ্লণ্ডত জাৰো জহো, পৰ্ব্বত বিলাক মৰু কিন্তু ভয়াম উৰ্ব্বৰা, তাত সুৰা, শন সুতা অনেক হয় আৰু ঘৰী, যন্ত্ৰ, কল ইত্যাদি স্বীত্‌জৰ্লণ্ডত্‌ কৰে।

স্বীত্‌জৰ্লণ্ডত কুৰি লক্ষতকৈ বঢ়া মানুহ আচে, সিবিলাক সজ, দুষ্টামি নেজানে, বৰ সাহিয়াল, শ্ৰমী, কিন্তু ধন পালে এটাই দন্দতে সোমায়। কোনো দেশৰ মানুহে স্বদেশক বঢ়াকৈ চেনেহ নকৰে।

স্বীত্‌জৰ্লণ্ডত খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে কিন্তু প্ৰটেষ্টেণ্ট আৰু ৰোমাণ কাথলিক দুইও মত চলে।

স্বীত্‌জৰ্লণ্ড পূৰ্ব্বে প্ৰজা সমূহৰ দ্বাৰা শাসিত হৈছিল, মাজতে জৰ্ম্মণিৰ পাত্‌চাই লৈ বৰ উপদ্ৰৱ কৰাত জৰ্ম্মণিৰ অধিকাৰ গুচিল, এতিয়া তাত ৰজা নাই কিন্তু দেশৰ এটাই বিষয়াই ৰাজ্য শাসন কৰে।

ITALY
ইতালি দেশ।

ইউৰোপৰ দক্ষিণে ভূমধ্যস্থ সমুদ্ৰত ইতালি দেশ; সি প্ৰায়দ্বীপ দিঘলে ৩৪০ ক্ৰোশ আৰু যি ঠাইত বৰ বহল তাত ২০০ ।১১০। ক্ৰোশত কিচু কমি হব।

পৃথিবীৰ ভিতৰত ইতালি দেশ অতি মনোৰম, তাৰ বায়ু অতি ভাল, মাটিও বৰ উৰ্ব্বৰা আৰু গোটেই দেশকে পূৰ্ব্ব কালৰ অনেক আচৰিত২ কৰ্ম্মে ঢাকি আছে।

ইতালি একে খন ৰাজ্য নহয়, তাত অনেক স্বতন্ত্ৰ২ ৰাজ্য আছে অৰ্থাৎ চাৰ্দিনিয়া ৰাজ্য, লম্বাৰ্ডি, টস্কনি, পাপাৰ ৰাজ্য, নেপল্‌চ, আৰু পাৰ্মালুকা, মদেনা, মাচা, আৰু চান মাৰিনো নামে সৰু২ ৰাজ্য।

চাৰ্দিনিয়াত পিদমন্ত, চেরই, জেনোৱা প্ৰদেশ আৰু চাৰ্দিনিয়া উপদ্বীপ আছে, তাৰ ৰাজধানী ট্যুৰিণ নামে নগৰ। জেনোৱা নামে সমুদ্ৰৰ তীৰত এক নগৰ, সি পূৰ্ব্বে বাণিজ্যৰ দ্বাৰা বৰ পৰাক্ৰমী হৈছিল আৰু তাতে যি কলম্বচে আমেৰিকা খণ্ড প্ৰথমে দেখিলে তাতে তেঁও উপজিছিল। চাৰ্দিনিয়াৰ অধিপতি ৰজা এজনা।

লম্বাৰ্ডি আৰু বিনিচ্ ৰাজ্য অষ্ট্ৰিয়াৰ পাতচাৰ অধীন, তাৰ ৰাজধানী মিলান নগৰ আৰু বিনিচ্ নামে এক সমুদ্ৰ তীৰৰ নগৰ যি পূৰ্ব্বে বৰ বাণিজ্য আৰু ধনৰ ঠাই আছিল।

টস্কনি ড্যুক নামে বৰ বিষয়া বা সৰু ৰজাৰ অধীন, তাৰ ৰাজধানী ফ্লোৰেঞ্চ নগৰ। লেগ হৰ্ণ নামে আৰু এক নগৰ আছে।

পাপাৰ ৰাজ্য পাপা নামে ধৰ্ম্মাধ্যক্ষ এজনাৰ অধীন। এই পাপাই পূৰ্ব্বে সকলো দেশৰ (খ্ৰীষ্টীয়ান) ধৰ্ম্মৰ অধিপতি ।১১১। আছিল কিন্তু এতিয়া তেঁওক কেতবোৰ দেশে মানে এতেকেহে ৰোমাণ কাথলিক (অৰ্থাৎ যি পাপাক মানে) আৰু প্ৰটেষ্টণ্ট (যি তেঁওক নেমানে) এই দুই মত হল, পাচে সেই পাপাৰ নিজা তলতিয়া যি ঠাই খনি তাকে পাপাৰ ৰাজ্য বোলে; পাপাৰ ৰাজ্যৰ ভিতৰত মহাশ্চৰ্য্য বস্তু ৰোম নগৰ, এই নগৰ পূৰ্ব্বে যি মহাৰাজ্যে প্ৰায় তেতিয়া জনা গোটেই পৃথিবীকে ব্যাপিছিল তাৰে ৰাজধানী আছিল, এতিয়াও পাপাৰ ৰাজ্যৰ ৰাজধানী। এই নগৰত যি সকল প্ৰাচীন গৃহাদি কৰ্ম্মৰ চিন আছে তাৰ সমান পৃথিবীৰ কতো নাই। পান্থিয়ন নামে এক আচৰিত গৃহ আছে, কিন্তু কলাইচীয়ম্ নামে যি ৰঙ্গ ঘৰ সি আৰু আচৰিত, পঞ্চাচ্ হেজাৰ মানুহ একে লগে বহি তাত ৰঙ্গ চাইছিল। ৰোম নগৰত আধুনিকৰো অনেক আচৰিত বস্তু আছে, চেইণ্ট্ পিটৰ্চ্ কাথিদ্ৰল নামে যি এটা গিৰ্জা আছে তাৰ নিচিনা গিৰ্জা পৃথিবীৰ কতো নাই।

নেপল্‌চ ৰাজ্য ইতালিৰ দক্ষিণ ডোখৰ আৰু চিচিলি উপদ্বীপৰ দ্বাৰা হৈছে, তাৰ ৰাজধানী নেপল্‌চ নগৰ।

ইটালিত তেল, নানা বিধৰ ভাল২ ফল, পাট সূতা, আৰু ভাল সিল পোৱা জায়; ইতালিত দুই কোটী কুৰি লক্ষ মান মানুহ আছে। সিবিলাক বাদ্য কাব্য আৰু চিত্ৰ বিদ্যাৰ নিমিত্তে প্ৰখ্যাত, আৰু এটাই কথাতে নিয়মিত। বৰ লোক

বিলাক দয়াশীল, কেতবোৰে অতি দুখিয়াৰ ঘৰলৈ গৈও ।১১২। অনাথৰ উপকাৰ কৰে। কিন্তু দেশৰ অনেক অতি সোৰোপা আৰু অসজ। ইতালি দেশত খ্রীষ্টীয়ান ধৰ্ম্মৰ ৰোমাণ কাথলিক মতক মানে, ইতালিত পূৰ্ব্বে বিদ্যাৰ অনুশীলন বৰ আচিল আৰু অনেক বৰ২ পণ্ডিত হৈ গৈচে।

ইতালি দেশতে পূৰ্ব্বৰ ৰোম মহাৰাজ্যৰ ঠাই আচিল। ৰোম ৰাজ্য আদিতে বৰ নাচিল য়িশুখ্রীষ্ট উপজিবৰ কিচু পূৰ্ব্বৰে পৰা প্ৰায় গোটেই পৃথিবী (তেতিয়া তাৰ লোকে জনা) অধীন কৰিলে। ৰোম আদিতে ৰজা, পাচে প্ৰজা সমূহ, তাৰ পৰে পাতচাৰ দ্বাৰা ক্ৰমে শাসিত হৈচিল। ইউৰোপৰ উত্তৰৰ নানা অসভ্য জাতি আহি ৰোম ৰাজ্য ভ্ৰষ্ট কৰিলে, তাৰ পাচে কালক্ৰমে এতিয়া ইতালি নানা মণ্ডল হৈ ভাগ হৈচে।

GREECE.
গ্ৰীক দেশ।

গ্ৰীক দেশ তুৰুকৰ অধীন আচিল। কিন্তু সি এতিয়া তুৰুক ৰাজ্যৰ গুচি স্বতন্ত্ৰ এক ৰাজ্য হৈচে।

গ্ৰীক দেশ তুৰুকৰ দক্ষিণে, সি ভূমধ্যস্থ সমুদ্ৰৰ প্ৰায়দ্বীপ এখন, আৰু তাক তেৰে খন প্ৰদেশকৈ এতিয়া ভাগ কৰিচে আৰু সি দিঘলে ৯০ আৰু পুতলেও ৮০ ক্ৰোশ মান হব। ইতালিৰ দৰে গ্ৰীক দেশতো পূৰ্ব্বৰ আচৰিত২ কৰ্ম্মৰ চিন আচে, আৰু আগৈ তাত আথেন্স, কৰিন্থ, থিবচ আৰু ।১১৩। স্পাৰ্ত্তাকে আদি কৰি অনেক মহানগৰ আচিল, সম্প্ৰতি আথেন্স নগৰেই ৰাজধানী হৈচে।

গ্ৰীক দেশৰ বায়ু অতি ভাল আৰু মাটিও অতি উৰ্ব্বৰা।

গ্ৰীকত দহ লক্ষ মান মানুহ আচে, সিবিলাকৰ পূৰ্ব্ব পুৰুষ সকল অতি সভ্য আচিল, বিদ্যা জ্ঞানত বৰ পাৰ্গৎ আৰু অতি স্বাধীন আচিল, কিন্তু এতিয়াৰ গ্ৰীকৰ তেনে স্বভাৱ গুচিল আৰু তুৰুকৰ তলতিয়া হোৱাত অনেক অসজ হল, এতিয়া স্বাধীন হোৱাত ভাল হব পাৰে। গ্ৰীক সকলে খ্রীষ্টীয়ান ধৰ্ম্মক মানে কিন্তু পাপাক নেমানে, সিবিলাকৰ মতক গ্ৰীক মণ্ডলিৰ মত বোলে।

তিনি হেজাৰ তিনি শ মান বচৰ হল, মিচৰ দেশৰ পৰা মানুহ আহি গ্ৰীক দেশত বসতি কৰিলে, ইয়াৰ পূৰ্ব্বে গ্ৰীক দেশত বন্য মানুহ আচিল। মিচৰৰ পৰা মানুহ আহিলত গ্ৰীক দেশ পূৰ্ব্বৰ এটাই দেশতকৈ জ্ঞানী আৰু সভ্য হৈ বৰ২ মহানগৰ কৰিলে, তাৰ চিন আজিলৈকে আচে। পাচে চৈধ্যে শ মান বচৰ পৃথিবীৰ এটাই জাতিতকৈ বৰ হৈ থাকি পাৰচি ৰাজ্যকো অধীন কৰি

সেইৰূপেই থাকিল; আৰু দু হেজাৰ মান বচৰ হল পাচে গ্ৰীক বিলাক ৰোম ৰাজ্যৰ অধীন হল, কিন্তু ৰোম ৰাজ্য ভ্ৰষ্ট হলত গ্ৰীক দেশ তুৰুকৰ তলতিয়া হল কিন্তু তুৰুক বিলাকে সিহঁতক বৰ যন্ত্ৰনা দিলে দেখি ইউৰোপৰ ইংগ্লণ্ড, ফ্ৰান্স আৰু ৰুচিয়া ইত্যাদি দেশে গ্ৰীক হঁতৰ ।১১৪। সাৰথি হৈ তুৰুক হঁতক নাবাৰিণোত ৰণ কৰি জিকি ২৪ বচৰ মান হল অথোক গ্ৰীকৰ ৰজা পাতিলে।

TURKEY IN EUROPE
ইউৰোপৰ তুৰুক দেশ।

তুৰুক দেশ ইউৰোপ, আসিয়া আৰু আফ্ৰিকা এই তিনিও খণ্ডত আচে কিন্তু ৰজা ইউৰোপৰ তুৰুকত হে থাকে। এই ৰাজ্য অতি বৰ আৰু স্থাপিত হবৰ অনেক কাল হোৱা নাই, তুৰুক ৰাজ্য অতি পৰাক্ৰমী, কিন্তু এতিয়া ক্ৰমে হ্ৰাস হবৰ উপক্ৰম হৈ আহিচে, আৰু ৰুচিয়াৰ পাতচাই তুৰুক ৰাজ্যৰ অল্প এডোখৰ লৈচে।

ইউৰোপৰ তুৰুক দেশ ডাঙ্গৰ আৰু কিচু পৰ্ব্বতিয়া, তাত ঘাই নগৰ কন্‌স্তান্তিনোপল, সি তুৰুক ৰাজ্যৰ ৰাজধানী, তাৰ নাম পূৰ্ব্বে বিজাণ্টিয়ম্‌ আচিল; কনস্তান্তি নামে পাতচাই তাক ৰাজনগৰ কৰি আপোনাৰ নাম দি কনস্তান্তিনোপল বুলিলে। এই নগৰ অতি বৰ কিন্তু তাৰ আলি বিলাক বৰ ভাল নহয়, তাত অনেক মসীদ আচে, চেইণ্ট চোফীয়া আৰু চোলিমান আৰু আখমৎ চুলতানৰ মসীদ এটাইতকৈ প্ৰধান। আদ্ৰিয়ানোপল নগৰ পূৰ্ব্বে ৰাজধানী আচিল।

তুৰুক দেশ উৰ্ব্বৰা, অনেক ভাল২ বস্তু উৎপন্ন হয় কিন্তু তাৰ বাণিজ্য বৰ নহয়; দলিচা, চাল, পাট, দ্ৰাক্ষা, বনৰ ঔষধ ইত্যাদি অনেক বস্তু উৎপন্ন হয়।।১১৫।

ইউৰোপৰ তুৰুক দেশত মুঠে এক কোটি মান মানুহ আচে, আমি ইউৰোপৰ যিবিলাক দেশৰ কথা কৈ আহিচোঁ তুৰুকৰ লোক সকল সেই২ দেশৰ লোকতকৈ এটাই কথাতে লৰ। আন ইউৰোপৰ জাতিয়ে যি ৰূপে খায়, পিন্ধে, শোৱে আৰু থাকে, তুৰুকত সেই বোৰ বেলেগ। তুৰুক বিলাকে আপোনা আপুনি বৰ বুলি ভাবে, সিহঁতৰ খঙ্গ উঠিলে একোকে নেচায়, প্ৰতিহিংসাও কৰে, শ্ৰম কৰিবলৈ ভাল নেপায়, ধনৱন্ত হলে অতি সোৰোপা, আৰু কেৱল শৰীৰৰ সুখ ভোগৰ হে বাঞ্ছা, কিন্তু সিহঁতৰ সুস্বভাৱো আচে অৰ্থাৎ সিহঁত অসজ নহয়, বাক্য নেৰে আৰু দানশীলো।

তুৰুক বিলাকে মুছলমানৰ ধৰ্ম্মক মানে, কিন্তু সিবিলাকে পাৰসী সকলৰ মতক ঘৃণা কৰে। সিবিলাকে মসীদলৈ গৈ দিনত পাঁচ বেলি নমাজ অৰ্থাৎ

প্ৰাৰ্থনা) কৰে। তাত ধৰ্ম্মৰ অধিপতি চুলতান্ আৰু তেঁওৰ তলতিয়া মুফ্তি, কিচলৰআগা, আৰু মোল্লাকে আদি কৰি ধৰ্ম্মৰ অধিকাৰ আচে, আৰু হিন্দুৰ যেনে সন্ন্যাসী সিহঁতৰো তেনে দৰৱেচ্ আচে।

তুৰুকত বিদ্যাৰ অনুশীলন আচে হয় কিন্তু ইউৰোপৰ পদাৰ্থ বিদ্যা প্ৰভৃতি ঘাই২ বিদ্যা একোকে নেজানে।

আসিয়াৰ দেশ বিলাকৰ নিচিনা তুৰুকতো তিৰোতা বিলাকৰ দুৰৱস্থা, সিবিলাকে বাহিৰলৈ জাব নোৱাৰে আৰু এটাইতকৈ কুৰীতি এই যে ধনৱন্ত বিলাকে অনেক তিৰোতা ।১১৬। ৰাখে, কেতবোৰ প্ৰায় বান্দিৰ দৰে; ধনৱন্ত বিলাকে অনেক তিৰোতাক কিনি আনি ৰাখে। এজনিতকৈ বড়া বিয়া কৰোৱা ৰীতি এই দেশতো চলিচে, কিন্তু তাৰ সমান কুৰীতি নাই কিয়নো তাৰ পৰা যথাৰ্থ সুখ কেতিয়াও নহয়। তুৰুকৰ লোকে বৰকৈ আফিং (কানি) খায়।

তুৰুক দেশৰ ধৰ্ম্ম, সৈন্য আৰু ৰাজ্য এটাইৰে অধিপতি একে জনা পাতচা যাকে চুল্তান বোলে আৰু যাক ঈশ্বৰৰ চাঁ সংসাৰৰ আশ্ৰয় বোলে। চুল্তান নিচেই স্বাধীন, আপোন ইচ্ছাৰে এটাইকে কৰিব পাৰে, তেঁও সোধ পোচ আৰু ৰাজকৰ্ম্ম ইত্যাদি একোকে নকৰে কিন্তু উজিৰ অৰ্থাৎ ৰাজমন্ত্ৰী আৰু দিৱান নামে মেলেহে এটাই সোধ পোচ দণ্ড বন্ধ এটাইকে কৰে। মৰ্জ্যাদাত ৰজাৰ তলতে মুফ্তি, এঁওৰ ব্যৱস্থা নোহোৱাকৈ কোনো বৰ কৰ্ম্মই নহয়; আৰু দেশৰ সোধ পোচ বৰ নগৰত মোল্লা আৰু সৰু বোৰত কাজিৰ দ্বাৰা হয়।

তুৰুকৰ চুল্তানৰ কুঁৱৰী নিশ্চয়ৰূপে নাই, তেঁওৰ পাঁচ শ কি চ শ মান লিগিৰিৰ দৰে আচে, তাৰে সাত জনি কাডুনিজ্ অৰ্থাৎ লাগি থাকে।

EUROPEAN ISLANDS.
ইউৰোপৰ উপদ্বীপ বিলাক।

ইউৰোপৰ এটাইতকৈ উত্তৰে স্পিট্জ্বৰ্জন নামে কেত ।১১৭। বিলাক উপদ্বীপ, তাৰে যিখন অতি ডাঙ্গৰ সি দিঘলে ১৫০ ক্ৰোশ। সি ১৫৩৩ ইংৰাজী শকত প্ৰথমে প্ৰকাশ হল। জাৰ কালি চাৰি মাহলৈকে তাত সদাই ৰাতিয়ে থাকে। তাত ভালুক পহু আচে আৰু ৰুচিয়াৰ কিচু লোকে তাত বাস কৰিচে।

ইউৰোপৰ উত্তৰতে আইচ্লণ্ড নামে আৰু এক প্ৰায় ৯০ ক্ৰোশ দিঘল উপদ্বীপ আচে, তাতো জহ কালি আৰু জাৰ কালি দুমাহলৈ প্ৰায় সূৰ্য্য উদয় অস্ত নহয়। তাত অনেক পৰ্ব্বত আচে আৰু হেক্লা নামে যি এখন আগ্নেয়

পৰ্ব্বত আচে সি ফাটিলে অতি ভয়ানক। আইচ্‌লণ্ড দেম্মাৰ্কৰ অধীন আৰু তাৰ ৰাজধানী স্কাল্‌হোল্‌ট। তাৰ লোক বিলাক তিমান সভ্য নহয়, সিহঁতে থকা ঘৰ বিলাক নিচেই বেয়া গাঁতৰ নিচিনা। সিহঁতৰ খ্ৰীষ্টীয়ান ধৰ্ম্ম। তাত মকৰ মাচৰ তেল, হাৰ আৰু চাল ইত্যাদি পোৱা জায়।

আইচ্‌লণ্ডৰ দক্ষিণে দেম্মাৰ্কৰ অধীন ফেৰো উপদ্বীপ বিলাক; তাৰ ওচৰা ওচৰিত ইউচ্‌ট, অৰ্কণী, চেট্‌লণ্ড, হিব্ৰাইদিচ্‌ আৰু ইংলণ্ডৰ ওচৰতে মান, ওৱইট্‌, জৰ্চি, গৰেঞ্চি নামেৰে উপদ্বীপ বিলাক ইংৰাজৰ অধীন। বাল্‌টিক সমুদ্ৰত শ্বীদনৰ ওলণ্ড আৰু গথলণ্ড; ৰুচিয়াৰ ডাগো আৰু ওচল; প্ৰুচিয়াৰ ৰুজন, আৰু দেম্মাৰ্কৰ জিলণ্ড, ফ্যুনন, পাল্‌চট, লাংলণ্ড, মোয়েন প্ৰভৃতি উপদ্বীপ আচে।

ভূমধ্যস্থ সমুদ্ৰত অনেক উপদ্বীপ আচে, প্ৰধান এই২। ।১১৮। বেলিএৰিক্‌ উপদ্বীপ বিলাক স্পানিয়াৰ অধীন; তাত নোম, সুৰা, মৌ, নানা বিধৰ ফল অনেক হয়।

কৰ্চিকা উপদ্বীপ দিঘলে ৭৫ ক্ৰোশ সি এতিয়া ফ্ৰান্স দেশৰ অধীন; তাত অনেক পৰ্ব্বত আচে যত ধাতু আৰু বাখৰ হয়। মৌ অনেক পোৱা জায়; কৰ্চিকাৰ ঘাই নগৰ বাষ্টিয়া, আৰু তাৰ গুৰিত এল্বা নামে এখন সৰু উপদ্বীপ আচে।

কৰ্চিকাৰ চাৰ্দিনিয়া নামে আৰু এখন উপদ্বীপ আচে যি কৰ্চিকাৰ পৰা বনিফেচিও মোহনাৰে বেলেগ হৈচে। তাৰ ঘাই নগৰ কাগ্‌লিয়াৰী, সি এতিয়া চাৰ্দিনিয়া ৰাজ্যৰ অধীন আৰু সুমথিৰা টেঙ্গা মদ ইত্যাদি বস্তু উৎপন্ন হয়।

ইতালিৰ দক্ষিণে চিচিলি উপদ্বীপ, তাৰ ঘাই নগৰ চীৰাকুচ্‌ আৰু পালেৰ্মো, সি নেপ্লচ্‌ ৰাজ্যৰ অধীন আৰু তাৰ পৰা মেচিনা মোহনাৰ দ্বাৰা বেলেগ হৈচে, তাৰ লোক বিলাক ইতালিৰ মানুহৰ দৰেই প্ৰায়। চিচিলিৰ দক্ষিণে মাল্টা নামে ইংৰাজৰ অধীন এখনি সৰু উপদ্বীপ আচে।

গ্ৰীক দেশৰ গুৰিত সাত খন উপদ্বীপ আচে তাকে আইওনিয়ন উপদ্বীপ বোলে, সি ইংৰাজৰ আশ্ৰয় লৈ প্ৰজা সমূহৰ দ্বাৰা শাসিত হৈচে। সেই সাত উপদ্বীপৰ নাম এই২ অৰ্থাৎ কৰ্ফো, পাক্‌চো, চান্তামৰা, ইথেকা, চেফালোনিয়া, কেৰিজো, আৰু জান্তি।।১১৯।

ইয়াৰ দক্ষিণে কান্দিয়া চাইপ্ৰচ আৰু ৰোধ নামে উপদ্বীপ আৰু নিগ্ৰোপন্তকে আদি কৰি অনেক উপদ্বীপ আচে।

HISTORY OF EUROPE.

ইউৰোপৰ বুৰঞ্জি।

পৃথিবীৰ যি কেই খণ্ড আচে তাৰ মূঠ বুৰঞ্জি জনা বৰ আবশ্যক, আৰু পূৰ্ব্বেই কৈ অহা কথা বিলাককে যদি ময় আকৌ কঁও তাৰ পৰা সি তোমোলাকৰ মনত ভালকৈ হে থাকিব। যি শিকোঁ তাক যদি পাহৰোঁ তেন্তে নিশিকাই ভাল। তুমি যদি পৃথিবীৰ এটাই বোৰ পুথিকো পঢ়া তেও মনত নেৰাখিলে একো লাভ নাই।

ইউৰোপৰ আদি লোক বিলাক অতি অজ্ঞান আৰু অসভ্য আচিল, পাচে মিচৰ দেশৰ পৰা গ্ৰীক দেশলৈ লোক জাই গ্ৰীক হঁতক সভ্য হবলৈ শিকালে। তাৰে পৰা গ্ৰীক দেশ অতি সভ্য হৈ চেকন্দৰ চাহ পাতচাৰ দিনত আসিয়াৰ ভাৰতবৰ্ষ লৈকে অধিকাৰ কৰিলে। গ্ৰীক দেশৰ কিচু পৰে ৰোম ৰাজ্যও সভ্য হৈ অতি জ্ঞানী আৰু পৰাক্ৰমী হৈ অকল নানা দেশ অধিকাৰ কৰিলে এনে নহয় কিন্তু গ্ৰীক দেশকো অধীন কৰিলে। ৰোম ৰাজ্য অতি বৰ হল হেতুকে তাক দমিব নোৱৰা হলত ইউৰোপৰ উত্তৰাদিৰ পৰা অসভ্য জাতিয়ে ভাল২ দেশ বিলাক অধিকাৰ কৰিলে। এই ৰূপে ৰোম ।১২০। ৰাজ্য ধ্বংশ হবৰ পৰা ৰণ বিগ্ৰহ সদাই হৈ ইউৰোপৰ লোক বিলাক অতি অজ্ঞান আৰু দুখিয়া হল। এই দৰেই ইউৰোপ এহেজাৰ মান বচৰ থাকিল, আৰু এই কালকে অনেকে অন্ধকাৰ কাল বোলে।

প্ৰায় চাৰি শ মান বচৰ হৈচে চাপা কৰিবলৈ মানুহে জানিলে, তাৰে দ্বাৰা ইউৰোপত বিদ্যাৰ অনুশীলন বাঢ়িব ধৰিলে; কিয়নো পূৰ্ব্বে পুথি বিলাক হাতেৰে লেখিচিল হেতুকে অনেকে নেপাইচিল কিন্তু চাপা কৰিবলৈ জনাত পুথি এটাইয়ে পোৱা হল। এই কালৰে পৰা ইউৰোপৰ ধৰ্ম্মও সংশোধন হল। পূৰ্ব্বে ৰোমৰ পাপাই খ্ৰীষ্টীয়ান ধৰ্ম্মৰ অধিপতি বুলি ধৰ্ম্ম শাস্ত্ৰৰ বিপৰিত অনেক কৰ্ম্ম কৰি আচিল পাচে জৰ্ম্মাণি দেশত মাৰ্ত্তিন লুথৰ্ নামে এজন লোকে সেই দোষ বিলাক প্ৰকাশ কৰি লোকক ধৰ্ম্ম শাস্ত্ৰৰ বাট দেখুৱালে, তাৰে পৰা অনেক দেশতে ধৰ্ম্ম সংশোধিত হল অৰ্থাৎ পাপাক আৰু তেঁওৰ মিচা বিধি বিলাক নমনা হল। কিন্তু অনেক দেশত আজিলৈকে পাপাক মানে হয়, তেও পূৰ্ব্বৰ ক্ষমতাক নেমানে।

এই সকল ঘটনাৰে পৰা ইউৰোপৰ লোক বিলাক ক্ৰমে সভ্য হৈ আহিল আৰু এতিয়া আন কোন ঠাই ইউৰোপৰ সমান জ্ঞান, বিদ্যা আৰু পৰাক্ৰমত হব নোৱাৰে। ইংৰাজ, ফ্ৰান্সিচ্ আৰু জৰ্ম্মাণি বিলাক এটাইতকৈ শ্ৰেষ্ঠ।

ধৰ্ম্ম সংশোধনৰ পাচে ইউৰোপত অতি প্ৰধান ঘটনা ফ্ৰান্স ।১২১। দেশৰ উপপ্লব। ইং ১৭৯১ শঁকত ফ্ৰান্স দেশৰ ৰজা ষোৰশ লুইচক আৰু তেঁওৰ কুৱঁৰীক আৰু হেজাৰে২ বৰ২ বিষয়া বিলাকক দেশৰ প্ৰজা বোৰ উঠি বধ কৰিলে, আৰু প্ৰজা সমূহৰ ৰাজ্য শাসন স্থাপন কৰিলে, কিন্তু অল্প দিনৰ মুৰত প্ৰজাৰ ৰাজ্য শাসন গুচাই বোনাপাৰ্ত নামে এজনক পাতচা পাতিলে। কিচু কাললৈ বোনাপাৰ্ত বৰ পৰাক্ৰমী হৈ আচিল, কিন্তু তেঁওৰ মহা লোভৰ নিমিত্তে গোটেই ইউৰোপ মিলি তেঁওক ৰণ কৰি ৰজা ভাঙ্গিলে আৰু এল্বা নামে এখন সৰু উপদ্বীপৰ ৰজা পাতি থলে। কিন্তু ১৮১৫ শঁকত বোনাপাৰ্ত আকৌ ফ্ৰান্সৰ পাতচা হল, কিন্তু কেই মাহ মানৰ মুৰত ইংলণ্ড আৰু প্ৰুচিয়া দেশৰ সৈন্যে ৰণ কৰি তেঁওক ধৰি চেইন্ত হেলিনা নামে উপদ্বীপত বন্দি কৰি থলে তাতে কিচু কাল থাকি তেঁও মৰিল।

১৮১৪ শঁকত সেই ১৬ লুইচৰ ভায়েক ফ্ৰান্সৰ ৰজা হল, তেঁওৰ পাচে ১০ চাৰ্লচ হল, তেঁওক খেদা হলত এতিয়াৰ ৰজা লুই ফিলিবি সিংহাসনত বহিল। বোনাপাৰ্তৰ দিনৰ পৰা ইউৰোপৰ যুদ্ধ বিগ্ৰহ গুচি এতিয়া শান্তি হৈ আচে, প্ৰধান এই দুই ঘটনা হৈচে যে পোলণ্ড দেশ ৰুচিয়াই ললে আৰু ফ্ৰান্সিচ হঁতে আফ্ৰিকাৰ আল্‌জিএৰ্চ দেশ ললে।

সম্প্ৰতি নানা বিধৰ কল, ভাপৰ যন্ত্ৰ, ভাপৰ নাও, ইত্যাদিৰ দ্বাৰা জীৱনৰ উপকাৰক যি সকল সৃষ্টি হৈচে তাৰ দ্বাৰা অকল ইউৰোপৰ অৱস্থা লভিব এনে নহয় কিন্তু গোটেই পৃথিবীৰ অৱস্থা সলনি হোৱাৰ আগন্তুক হৈচে।।১২২।

AFRICA.
আফ্রিকা।

আফ্রিকা এখন বৰ প্রায়দ্বীপ, আৰু ৩৫ ক্রোশ বহল, যি চুৱেজ ডমৰুমধ্য তাৰে আসিয়াই সৈতে যোগ হৈ নথকা হলে সি এখন বৰ দ্বীপ হল হঁতন। আফ্রিকা· দিঘলে ৫০০০ মাইল বা ৪২০০ ক্রোশ, পুতলে ৪৭০০ মাইল বা ৪০০০ ক্রোশ মান হব। তাৰ উত্তৰ সীমা ভূমধ্যস্থ সমুদ্র যাৰ দ্বাৰা ইউৰোপৰ পৰা বেলেগ হৈছে; পশ্চিম সীমা আটলান্তিক মহাসাগৰ, দক্ষিণে দক্ষিণ মহাসাগৰ, আৰু পূৰ্ব্বে ভাৰত মহাসাগৰ আৰু চুফ সমুদ্র।

আফ্রিকাৰ সম্পূর্ণ বিবৰণ আজিলৈকে ভাল ৰূপে প্রকাশ পোৱা নাই কিয়নো তাৰ নিচেই মাজৰ দেশ বিলাকলৈ মানুহ জাব পৰা নাই। আফ্রিকাত জহটো ৱৰ আৰু তাৰ অনেক ঠাইত ভালে মান ব্যাপি বালিময় মৰু ভূমি আচে আৰু নদী পৰ্ব্বতো সৰহ নাই। আফ্রিকাত নিচেই পাতল হৈ মানুহ আচে, ইমান খন ঠাইত পাঁচ চয় কোটিত বঢ়া নহব, তাৰ লোক বিলাকো প্রায়েই অতি অসভ্য।

আফ্রিকাৰ দেশ বিলাকক এই কেই ভাগ কৰা জায়; অর্থাৎ চুফ সমুদ্রৰ গাত মিচৰ, খব্‌চ আৰু ন্যুবিয়া দেশ; উত্তৰে বাৰ্বৰীৰ ৰাজ্য বিলাক; পশ্চিম আফ্রিকা, দক্ষিণ আফ্রিকা, আৰু মধ্য আফ্রিকা। এই সকল খণ্ডৰ দেশত বাজে চাহাৰা নামে এডোখৰ মৰু ভূমি আচে আৰু সৰু২ দেশো কেত বিলাক আচে।।১২৩।

আফ্রিকাত বাৰ্বৰীৰ দক্ষিণে আট্‌লাচ্ পৰ্ব্বত সাৰি, পূৰ্ব্বে লোকে এই পৰ্ব্বতে আকাশ খন ধৰি থকা বুলি কৈচিল। পশ্চিম আফ্রিকাত চাইৰালিয়ম, মধ্যত চন্দ্রৰ পৰ্ব্বত, চুফ সমুদ্রৰ পশ্চিমে খব্‌চৰ পৰ্ব্বত, এই কেই পৰ্ব্বত সাৰি আফ্রিকাত আচে।

আফ্রিকাৰ উপদ্বীপ এই২; পশ্চিমে আট্‌লাণ্টিক মহাসাগৰত কনাৰী, মদীৰা আৰু চেইন্ত হেলিনা ইত্যাদি সৰু২ উপদ্বীপ। পূৰ্ব্বে মাদাগাস্কৰ নামে বৰ দ্বীপ, বোৰ্বন, মৰীচ ইত্যাদি সৰু২ কেতবোৰ উপদ্বীপ আচে।

এই খণ্ডৰ অন্তৰীপ—— উত্তৰে চেৰাটি আৰু বন; পশ্চিমে ব্লাঙ্কো, বৰ্ড আৰু পাল্‌মাচ অন্তৰীপ; দক্ষিণে উত্তমাশা নামে প্রখ্যাত অন্তৰীপ যাক ইং ১৪৯৭ শকত গামা নামে এজন মানুহে প্রথমে দেখিলে; পূৰ্ব্বে গার্দিফ্যু নামে অন্তৰীপ।

আফ্রিকাৰ খাল আৰু অখাত এই২; উত্তৰে চাইদ্রা হ্রদ আৰু আবুকীৰ অখাত যত ইংৰাজৰ লেঞ্চন্ সেনাপতিয়ে ফ্রান্সৰ সৈন্যক ৰণত জিকিলে; পশ্চিমে গিণিৰ হ্রদ; পূৰ্ব্বে দেলেগোৱা আৰু চফেলাৰ অখাত; আৰু মাদাগাস্কৰ আৰু আফ্রিকাৰ মাজত মোজাম্বিক মোহনা।

আফ্ৰিকাৰ মুখ্য নদী মিচৰ দেশত নীল, পশ্চিমে নাইজৰ নদী আৰু চেনিগল আৰু গাম্বিয়া নামে দুখন নৈ আছে।

আফ্ৰিকাৰ মাজতে চাৰ্ড্ হ্ৰদ; পূৰ্ব্বে সাৰাৰি হ্ৰদ আৰু পশ্চিমে দেম্বিয়া আৰু দেবী নামে দুই হ্ৰদেৰে নাইজৰ নদী বৈচে।।১২৪।

আফ্ৰিকাৰ নানা দেশৰ বিবৰণ

EGYPT.

মিচৰ দেশ।

আফ্ৰিকাৰ সকলো দেশতকৈ মিচৰ দেশ প্ৰধান, সি অতি পূৰ্ব্বে সভ্য হৈছিল আৰু সি বৰ পুৰণি দেশ, তাক তিনি ভাগ কৰা জায় অৰ্থাৎ নামনি, মাজ আৰু উজনি মিচৰ।

মিচৰ দেশৰ যি নীল নদী সি কেইবা ঠানিও হৈ সেই সুঁতি বিলাক যি ঠাইৰে বৈচে তাকে নামনি মিচৰ বোলে; তাৰ ঘাই নগৰ সমুদ্ৰৰ তীৰত আলেক্জান্দ্ৰিয়া অৰ্থাৎ চেকন্দৰাবাদ। সি বৰ পুৰণি, চেকন্দৰচাহ পাত্চাই নিৰ্ম্মাণ কৰিছিল আৰু পূৰ্ব্বে তাৰ সমান বাণিজ্যৰ নগৰ প্ৰায় নাছিল। তাত যি এখন পুস্তকালয় আছিল তাত সাত লক্ষত বঢ়া পুথি আছিল, তেও মুষলমান হঁতে এতেক বোৰ পুথি পুৰি পেলালে। এতিয়া চেকন্দৰাবাদ নিচেই হ্ৰাস হৈচে। নীল নদীৰ দুই সুঁতিৰ মুখতে ৰচেতা আৰু দামেতা নামে দুই নগৰ আছে।

মাজ মিচৰত কাইৰো নামে নগৰ মিচৰৰ ৰাজধানী আৰু আফ্ৰিকাৰ সকলো নগৰতকৈ ভাল। তাত অনেক মসীদ আছে আৰু মিচৰৰ পাচাও থাকে, সি নীল নদীৰ পাৰত। কাইৰোৰ গুৰিতে পিৰামিদ নামে যি পূৰ্ব্বৰ মৈদাম কেইটা মান আছে সি অতি আচৰিত। তাক কৰিবৰ চাৰি হেজাৰ মান বচৰ হল তেও আজিলৈকে তেনেই আছে। সি চাৰি ।১২৫। চুকিয়া দলৰ নিচিনা ক্ৰমে জোঙা হৈ গৈচে, বৰ ডাঙ্গৰটো তলত একো ফালেই পাঁচ শ হাত দিঘল আৰু ওখও পাঁচ শ হাত আৰু এক লক্ষ লোকে কুৰি বচৰে কৰিছিল বুলি কয়। এটাইবোৰ ইমান ডাঙ্গৰ নহয়, আৰু এই পিৰামিদ্ বিলাক কোনে কিয় কৰিছিল কব নোৱাৰি। পিৰামিদৰ ওচৰতে স্ফিংক্স নামে ভয়ঙ্কৰ সিলৰ মূৰ্ত্তি এটা আছে। উজনি মিচৰতো পূৰ্ব্বৰ কৰা অনেক আচৰিত২ কৰ্ম্ম আছে।

মিচৰ দেশ স্বাভাৱিক বৰ উৰ্ব্বৰা নহয়, কিন্তু তাত যি নীল নদী আছে সি বচৰি বাঢ়ি মাটি উৰ্ব্বৰা কৰে আৰু সেই দেখি অনেক শস্য আৰু তুলাও হয়।

মিচৰ দেশ পূৰ্ব্বে বাণিজ্যৰ বৰ ঠাই আছিল। তাত ভাল ঘোৰা পোৱা জায়, বাঘ, উঁট, পহু ইত্যাদিও আচে।

মিচৰ দেশত ২৫ লক্ষ মান লোক আচে। তাৰ মানুহ তিনি বিধ অৰ্থাৎ কপ্ত জাতি মিচৰৰ আদি লোক, সিহঁত নানা ব্যৱসায়ক কিন্তু বৰ দুৰৱস্থাত আচে। আৰব জাতি যি আৰব দেশৰ পৰা গৈ মিচৰ দেশত আচে। আৰু তুৰুক জাতি যিবিলাক এতিয়া মিচৰৰ অধিকাৰ। কপ্ত বিলাকে খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে, কিন্তু ইবোৰ লোক মুষলমান।

মিচৰ দেশ পূৰ্ব্বে বিদ্যা আৰু সভ্যতাৰ নিমিত্তে প্ৰখ্যাত আছিল, এতিয়া হলে বিদ্যা একেবেলিয়ে গুচিচে, কিন্তু সম্প্ৰতি তাৰ পাচাই তেঁওৰ প্ৰজা বিলাকক ইউৰোপৰ বিদ্যা সকল শিকাবলৈ পুৰুষাৰ্থ কৰিচে।।১২৬।

য়িশু খ্ৰীষ্ট উপজিবৰ ৫২৫ বচৰৰ পূৰ্ব্বে মিচৰ দেশৰ স্বতন্ত্ৰ ৰজা আছিল, তাৰে পৰা সি পাৰসী গ্ৰীক আৰু ৰোমাণৰ অধীন হৈ ক্ৰমে আহিচে; পাচে ইংৰাজী ৭০০ বচৰৰ পৰা মুষলমানৰ অধীন হল। মিচৰ তুৰুক ৰাজ্যৰ চুলতানৰ কৰতলিয়া পাচা এজনৰ দ্বাৰা স্বাধীনৰূপে শাসিত হৈ আচে কিন্তু এতিয়াৰ যি পাচা মহম্মদ আলি তেঁও চুলতানৰ অধীন গুচিচে, আৰু এই পাচাৰ শাসনৰ দ্বাৰা মিচৰ দেশ ভাল হৈচে আৰু হব।

NUBIA.
ন্যুবিয়া দেশ।

মিচৰ আৰু খব্চ দেশৰ মাজত ন্যুবিয়া দেশ, সি উৰ্ব্বৰা নহয় কিন্তু নীল নদীৰ প্ৰভাৱত কিচু শস্য হয়, আৰু এই দেশৰ পৰা অনেকক গোলাম বান্দিকৈ নিয়ে। ন্যুবিয়াত চেনাৰ আৰু দঙ্গলা নামে দুই নগৰ আচে। ন্যুবিয়াত অনেক জাতি মানুহ আচে, ঘাই ন্যুবিয়াৰ নিজ লোক আৰব আৰু কাফ্ৰিও অনেক আচে, সিহঁত নিচেই অসভ্য আৰু তাত কোনো এটা নিশ্চয় ৰজা নাই, সৰু২ ৰজা অনেক আচে।

ABYSSINIA.
খব্চ দেশ।

খব্চ দেশ অনেক দিনীয়া পুৰণি ৰাজ্য, সি নিচেই পৰ্ব্ব ।১২৭। তিয়া আৰু চুফ সমুদ্ৰৰ গাতে, তাত নদী নোহোৱা নহয়। খব্চত প্ৰধান নগৰ গন্দাৰ

আৰু আক্‌চম; তাত এখন আচৰিত পথাৰ আচে যাৰ ওপৰত অতি গধম হৈ লোণ পৰিচে। খব্‌চ দেশ উৰ্ব্বৰা, তাত কিচু তুলা আৰু শস্য হয়, মৌ পোৱা জায়, নদী বিলাকৰ পৰা সোন পায়, আৰু কপাহি কাপৰো কিচু কৰে।

খব্‌চৰ লোক বিলাক অতি অসভ্য আৰু সিহঁতৰ অনেক কুৰীতি আচে। সিহঁতে জিয়া জন্তুৰ মঙহ বোৰ কাটি২ এনেই জুইৰ গুৰিলৈ নিনিয়াকৈ তপতে২ ইফালে তেজ বৈ থাকিলেও খায় আৰু বৰকৈ সলাগে। সিহঁতৰ বিয়াৰো একো নিৰ্ণয় নাই। সিহঁতৰ ধৰ্ম্ম খ্ৰীষ্টীয়ান কিন্তু অনেক বেলেগ ক্ৰিয়া কৰে। খব্‌চ দেশ ৰজাৰ দ্বাৰা শাসিত হৈচে কিন্তু ৰজা এতিয়া নিচেই দুৰ্ব্বলি হৈচে।

BARBARY.
বাৰ্ব্বৰী ৰাজ্য।

বাৰ্ব্বৰী এখন দেশ নহয়, সি আফ্ৰিকাৰ উত্তৰে সাগৰৰ পৰা মিচৰ দেশলৈকে ব্যাপিচে, আৰু তাত এই২ দেশ আচে; অৰ্থাৎ মৰক্কো, আল্‌জিএৰ্চ, ট্যুনিচ, আৰু ত্ৰিপলি।

মৰক্কো ৰাজ্য উৰ্ব্বৰা হয় কিন্তু তাৰ লোকৰ অজ্ঞানতাৰ নিমিত্তে অনেক শস্য নহয়। অনেক সৰু২ মণ্ডল মিলাই মৰক্কো ৰাজ্য হৈচে, তাৰ ৰাজধানী মৰক্কো নগৰ, তাতে এখন নগৰৰ মান ডাঙ্গৰ ৰজা হাউলি এখন আচে। ফেজ। ১২৮। নামে এখন বৰ নগৰ আচে। এই ৰাজ্যত বৰ সুন্দৰ এবিধ চাল হয়; হাতি দাঁত, সোন গুৰি, মৌ, মম ইত্যাদি বস্তুও হয়। মৰক্কো ৰাজ্য এজন পাত্‌চাৰ দ্বাৰা শাসিত হৈচে কিন্তু তেঁওৰ দৰে স্বাধীন ৰজা কতো নাই। পাত্‌চা বিলাক প্ৰায়েই মহা দুষ্ট, প্ৰজাক অতি দুখ দিয়ে।

মৰক্কোৰ পূৰ্ব্বে আল্‌জিএৰ্চ দেশ, সি উৰ্ব্বৰা আৰু সুমথিৰা টেঙ্গাকে আদি কৰি অনেক উত্তম২ বস্তু হয়। আল্‌জিএৰ্চৰ লোক বোৰ পূৰ্ব্বে বৰ ডকাইত আচিল আৰু সাগৰৰ জাহাজ বোৰ লুটি তাৰ মানুহ বোৰক গোলামকৈ বেচিচিল, কিন্তু এতিয়া এই ৰীতি গুচিচে আৰু ইংৰাজি ১৮৩০ শকত ফ্ৰান্সিচ্‌ হঁতে এই দেশ অধিকাৰ কৰিলে; ইয়াৰ পূৰ্ব্বে সি দে নামে ৰজাৰ অধীন আচিল। আল্‌জিএৰ্চৰ ৰাজধানী আল্‌জিএৰ্চ নামে এক নগৰ।

ট্যুনিচৰ অৱস্থা অতি বেয়া নহয়, তাতে পূৰ্ব্বে কাৰ্থেজ মহানগৰ আচিল কিন্তু তাৰ চিন বিস্তৰ নাই। তাৰ ৰাজধানী ট্যুনিচ্‌ নগৰ, তাৰ পাঁচ খন দুৱাৰ আচে। ট্যুনিচত চাবন, মখমল, আৰু পাট কাপৰ হয়, তাৰ ৰজাক বে বোলে।

ত্রিপলি দেশ বাৰ্ব্বীৰ এটাই দেশতকৈ ভালদৰে শাসিত হৈচে, আৰু তাৰ ৰজাই ইউৰোপৰ লোকক আদৰ কৰি তেঁওৰ ৰাজ্যকো সভ্য কৰিবৰ পুৰুষার্থ কৰে। ত্রিপলিৰ ৰাজধানী ত্রিপলি নগৰ, তাৰ পূৰ্ব্বে বাৰ্ক্কা ইত্যাদি কেতবোৰ মৰু ঠাই আচে ।১২৯।

বাৰ্ব্বীত মুঠে এক কোটি চয় লক্ষ মান মানুহ হব, সিহঁতৰ প্রধান তিনি জাতি আচে অর্থাৎ মুৰ, আৰব আৰু বৰ্ব্বৰ। মুৰ বিলাক নগৰত আৰু তাৰ ওচৰৰ গাঁও বোৰত থাকে, সিহঁত বৰ ডকাইত আৰু প্রায় কাল হাৰমতে থাকে (অর্থাৎ যত তিৰোতা আৰু লিগিৰী বিলাক থাকে)। আৰব জাতি নগৰৰ নিলগত থাকে। সিহঁতে ঘৰত নেথাকি কাপৰৰ লৰাই নিব পৰা ঘৰ কৰি থাকে, সেই ঘৰকে দৌয়াৰ বোলে। একো পৰিয়াল তেনে দৌয়াৰ কেইটা মান তৰি থাকে, সেই পৰিয়ালৰ অধিকাৰ যি ঘাই মানুহ, তাকে চেক বোলে আৰু লোকেও চেকত বাজে ৰজাক নেমানে। কোনো পৰিয়ালৰ উঠিব লগা হলে তিৰোতা বোৰ লব্রা চোৱালি আৰু ঘৰচিয়া পহু পাচিত ভৰাই লৈ উটত উঠি জায়, মুনিহ বোৰ খোজ কাঢ়ি আকৌ এঠাইত ৰয় গৈ। সিহঁতৰ আলহিত এনেহে ভক্তি যে বৰ চেক টোৰেও আপোন হাতে ভৰি ধুৱাই কিন্তু সিহঁত ডকাইত।

বৰ্ব্বৰ বিলাক বাৰ্ব্বীৰ আদি লোক, সিহঁতে পৰ্ব্বত বিলাকত গাঁও পাতি থিতাপি হৈ থাকে, আৰু বৰ সাহিয়াল ডাঠ আৰু দুখ কাৰী। মৃগয়া কৰে, কিন্তু খেতিও নকৰা নহয়। সিহঁতে ৰজাক কৰ দিয়ে আৰু আপোনাৰ মাজৰে একোটাক ৰজা পাতে।

বাৰ্ব্বীত মুষলমান ধৰ্ম্মক দৃঢ়কৈ মানে, কিন্তু অনেক ।১৩০। মিচা ক্রিয়াও কৰে, তাত বিদ্যাৰ অনুশীলন নাই, লোক বোৰে প্রায় লেখিব পঢ়িব নেজানে, অতি মুৰ্খ আৰু অজ্ঞান।

WESTERN AFRICA.
পশ্চিম আফ্রিকা।

আফ্রিকাৰ পশ্চিম তীৰত লালিহৈ অনেক সৰু ৰাজ্য আচে, সেই বিলাকৰ গায়ে পতি বিবৰণ লেখা টান, কিন্তু তাৰ লোক বিলাক প্রায় অনেক কথাত একে দৰৰ দেখি মুঠ বিবৰণ লিখা গল।

আদিতে চেনিগাম্বিয়া নামে এডোখৰ ঠাই আচে, তাৰ ভিতৰতে অনেক২ সৰু২ ৰাজ্য আচে তাত ফৌলা, মান্দিঙ্গো আৰু যালফ নামে তিনি জাতি মানুহ থাকে; সিহঁতৰ স্বভাৱ পশ্চিম আফ্রিকাৰ আন ঠাইৰ লোকতকৈ কোমল, তাতে

ফ্ৰান্সিচ বিলাকৰ চেইণ্ট লুইচ্ নামে এক ঠাই আচে। চেনিগাম্বিয়াৰ দক্ষিণে ইংৰাজৰ চাইএৰালিয়ন নামে এডোখৰ ঠাই আচে। পশ্চিম আফ্ৰিকাৰ পৰা ইউৰোপৰ আৰু আমেৰিকাৰ লোক বোৰে গোলাম কিনি নিয়ে, কিন্তু ইংৰাজ সকলে এই ব্যবসাই বেয়া বুলি আপুনিও এৰিলে আৰু আন দেশেও এই কুব্যৱসাই কৰে বুলি নিবাৰিবলৈ তাতে স্থান কৰিচে, এনে ধৰ্ম্মৰ নিমিত্তেহে ইংৰাজ ইমান পৰাক্ৰমী হৈচে।।১৩১।

চাইএৰালিয়নৰ দক্ষিণে কেতবোৰ ৰাজ্য আচে, তাৰ দক্ষিণে আমেৰিকাৰ লোকে স্থাপন কৰা ঠাই আচে, ইয়াৰ দক্ষিণে গ্ৰেন কোষ্ট নামে দেশ যত মানুহ বলিকে আদি কৰি লোক বিলাকে অনেক অসভ্য কৰ্ম্ম কৰে। গ্ৰেন কোষ্টৰ পূৰ্ব্বে ক্ৰমে লেথেৰি লাগি আইৱৰী কোষ্ট (অৰ্থাৎ হাতি দাঁতৰ তীৰ), গোল্ড কোষ্ট (সোনৰ তীৰ), স্লেৱ কোষ্ট (গোলামৰ তীৰ) ইত্যাদি দেশ সমুদ্ৰৰ পাৰত আচে, আৰু নামানুসাৰে তাত গোলাম, সোন, দাঁত ইত্যাদি বাণিজ্যৰ দ্ৰব্য হয়। গোল্ড আৰু স্লেৱ কোষ্টৰ ভিতৰে সোমাই আচান্তি আৰু দেহমী নামে দুখন ৰাজ্য আচে, সি অতি অসভ্য নহয় কিন্তু হেজাৰে২ মানুহ বলি দিয়ে, আৰু ৰজাটোৰ তিনি হেজাৰ তিৰোতা থাকে। বেনিন, ওৱাৰী আৰু বাইএফ্ৰা নামে আৰু তিনি ৰাজ্য আচে। পশ্চিম আফ্ৰিকাক দুই খণ্ড কৰা জায়, ওপৰ গিণি আৰু নামনি গিণি; উপৰুক্ত দেশ বিলাক ওপৰ গিণিত, কিন্তু নামনি গিণিত এই২ দেশ আচে অৰ্থাৎ কঙ্গো, লোৱাঙ্গো, আঙ্গোলা আৰু বেঙ্গুলা।

পশ্চিম আফ্ৰিকাত দুই কোটি মান মানুহ আচে, সিহঁতৰ বৰণ অতি কলা, চুলি বোৰ কুট্‌কুৰা, ওঠ ডাঙৰ, আৰু দেখিবলৈ অতি কুৎসিত। সিহঁতৰ অনেক জাতি, এটাইৰে স্বভাৱ একে নহয়, কিন্তু প্ৰায়েই কোমল আৰু মৃদু কিন্তু যুদ্ধত বৰ ভয়ানক। সিহঁতৰ ভিতৰত বিদ্যাৰ নামো নাই আৰু প্ৰায় অতি অসভ্য।।১৩২।

সিহঁতে ঈশ্বৰ এজনা আচে বুলি জানে, কিন্তু গচ পৰ্ব্বতক পূজা কৰে আৰু এটাইৰে লগত একো ডোখৰ কাঠ বা চাগলিৰ সিঙ্গ নাইবা কুকুৰ বাঘ আৰু হাতিৰ দাঁত থাকে, তাকে সিহঁতে ফেটিচ বোলে আৰু তাক পূজা কৰে। কোনো মানুহ মৰিলে তাক গোৰ দিয়াত লগত ধন সোন দিয়ে আৰু অনেক মানুহ বলি দিয়ে।

সিহঁতৰ ভিতৰত যেয়ে যিমান পাৰে তিমান বিয়া কৰাই, ধনৱন্ত বিলাকে ২০/৩০ কৈ বিয়া কৰাই আৰু একো ৰজাৰ হেজাৰে২ তিৰোতা থাকে।

এই দেশ বিলাকৰ ঠায়ে২ ৰজা ঠায়ে২ প্ৰজা সমূহে দেশ শাসন কৰে, আৰু ইয়াৰে পৰা ইউৰোপ আৰু আমেৰিকাৰ লোকে গোলাম নিয়ে, কোনো২ দেশে এই ব্যৱসা এৰিচে।

SOUTHERN AFRICA.
দক্ষিণ আফ্রিকা।

দক্ষিণ আফ্রিকাক ঘাই তিনি ভাগ কৰা জায় অৰ্থাৎ কেপ কলনি, কাফ্ৰী হঁতৰ দেশ, আৰু বচুৱানচ হঁতৰ দেশ।

কেপ কলনি ইংৰাজৰ অধীন আৰু তাত ইংৰাজ কেতবিলাক আচে। হলাণ্ড দেশৰ অনেক লোক আচে সিহঁত প্ৰায় খেতিয়ক কিন্তু বৰ সোৰোপা হৈ থাকে। তাৰ আদি লোক বিলাক হটেণ্টত, সিহঁত অতি অসভ্য আৰু গা বিলাকত জন্তুৰ তেল ঘঁহি থাকে আৰু গাঁত হেন ঘৰত থাকে,।১৩৩। প্ৰায়েই গোলাম হৈ খেতি কৰে। আৰু এক জাতি যি আচে সিহঁতে পৰ্ব্বতৰ গুহাত থাকি জন্তু বিচাৰি খাই ফুৰে। কেপ কলনিৰ ৰাজধানী কেপ টাউন নামে এখন নগৰ, এই ঠাইতে আসিয়া আৰু ইউৰোপলৈ যি জাহাজ অহাজোৱা কৰে সেয়েই চাপি পানি আৰু আন২ দ্ৰব্য লয়। কেপ কলনিত মদ, চাল, নোম ইত্যাদি বস্তু হয়।

আফ্রিকাৰ দক্ষিণে পূৰ্ব্ব পাৰে কাফ্রিহঁতৰ দেশ, সিহঁত ওখ ডাঠ আৰু বৰ বলিষ্ঠ। সিহঁতে খেতি কৰি থিতাপি হৈ নেথাকে কিন্তু সদাই ভ্ৰমি ফুৰে, সিহঁতৰ একো জাক ঘৰচিয়া জন্তু থাকে আৰু গাখিৰ খাই প্ৰায় থাকে।

বচুৱানচ হঁতৰ দেশ কেপ কলনিৰ উত্তৰে, এই দেশ আগৈ কেৱে দেখা নাছিল, অলপৰ পৰা হে জনা হৈচে। তাৰ লোক বিলাক আন বোৰ জাতিতকৈ অনেক কথাত সভ্য, সিহঁতে ভ্ৰমি নুফুৰি থিতাপি হৈ থাকি কৃষি কৰে আৰু তাহাঁতৰ নগৰো আচে, ঘাই লটাকু নগৰ। তাত ঘৰ বিলাকো নিচেই বেয়া নহয়, কেত বোৰৰ সিলৰ বেৰ।

EASTERN AFRICA.
পূৰ্ব্ব আফ্রিকা।

কাফ্ৰী হঁতৰ দেশৰ পৰা খবচ দেশলৈকে ১৫০০ ক্ৰোশ দিঘল যি ঠাই সেইয়েঃ পূৰ্ব্ব আফ্রিকা, তাত নানা জাতি লোক আচে, সিহঁতৰ বৰণ হে কলা কিন্তু নিচেই অসভ্য নহয়।।১৩৪। তাত পোৰ্ত্তুগীচ বিলাকৰ অধীন অনেক ঠাই আচে; আদিতে চফেলা যাৰ সোন এটাইতকৈ ভাল, তাৰ লোক বিলাক কাফ্ৰী জাতি আৰু সাহিয়াল; চফেলাৰ উত্তৰে মম্মট্পা ৰাজ্য, তাৰো উত্তৰে

মোজাম্বিক, ইয়াতে পোৰ্ত্তুগীচৰ ঘাই ঠাই, তাৰ ৰাজধানী মোজাম্বিক, যত সোন, হাতি দাঁত আৰু গোলামৰ বৰ বাণিজ্য হয়। মোজাম্বিকৰ উত্তৰে মেলিন্দা, জাঙ্গবৰ, আজান আৰু এদেল নামে দেশ ক্ৰমে আচে, তাৰ বিবৰণ আজিলৈকে সবিশেষকৈ জানিব পৰা নাই।

CENTRAL AFRICA.
মাজ আফ্ৰিকা।

আফ্ৰিকাৰ মাজ ডোখৰ পূৰ্ব্বে প্ৰকাশ নাচিল, চল্লিচ বচৰ মানৰ পৰা হে তাৰ বিবৰণ জনা হৈচে, তাত অনেক ৰাজ্য আচে।

বৰ্ণৌ ৰাজ্য চাড্ নামে হ্ৰদৰ পশ্চিমে, সি বৰ পৰাক্ৰমী আৰু অতি উৰ্ব্বৰা; তাৰ নগৰ বিলাকত অনেক লোক থাকে আৰু সি ৰজাৰ দ্বাৰা শাসিত হৈচে, তাৰ লোক বিলাকে পেট ডাঙ্গৰ হবলৈ অভিলাষ কৰি ডাঙ্গৰ নহলে তলত কাপৰ মেৰাইও ডাঙ্গৰ কৰে।

বৰ্ণৌৰ দক্ষিণে মান্দাৰা দেশ; তাৰ লোক কেতবোৰে চাল পিন্ধে, গাত আঁকে আৰু ফল মূল মৌ ইত্যাদি খায় থাকে। লগম দেশ যি আচে তাৰ মানুহ বিলাক অসভ্য নহয়, ভাল ।১৩৫। কাপৰ কৰিব পাৰে; এই বিলাকত বাজে বেঘাৰ্ম্মি, টম্বক্টো, হৌচা, বুৰ্গু, ইউও, নাইফী, আৰু বাম্বাৰাকে আদি কৰি নানা ৰাজ্য আচে।

এই ৰাজ্য বিলাক ৰজাৰ দ্বাৰা স্বাধীনৰূপে শাসিত হৈচে, সেই ৰজা বিলাক প্ৰজাৰ দৰেই থাকে কিন্তু প্ৰজাই বৰকৈ সৎকাৰ কৰে আৰু সিহঁতৰ অনেক কুঁৱৰী আচে কিন্তু কুঁৱৰী বোৰ বান্দিহে। যি দেশত মুষলমান ৰজা তাত কিচু লৰ।

মাজ আফ্ৰিকাৰ লোক বিলাক যদিও সভ্য নহয় তেও আফ্ৰিকাৰ আন জাতি বিলাকতকৈ ভাল। সিহঁতৰ ভিতৰত সদাই ৰণ লাগি অনেক নষ্ট হয়, আৰু সিহঁতৰ অনেক লোক ডকাইত কিন্তু তাহাঁতৰ স্বভাৱ প্ৰকৃতি মৃদু আৰু মৰমিয়াল।

এই দেশৰ মানুহ বোৰৰ কেতবিলাক মুষলমান আৰু কেতবোৰ পূৰ্ব্বে কৈ অহা (ফেটিচ) অৰ্থাৎ সিল কাঠ ইত্যাদিক পূজে আৰু মানুহ বলি দিয়াকে আদি কৰি অনেক দাৰুণ কৰ্ম্ম কৰে। সিহঁতৰ মধ্যত বিদ্যা বা লেখা পঢ়া এই বোৰ একোৱেই নাই, মুষলমানেও কোৰাণ পঢ়িব নেজানে।

THE SAHARA OR GREAT DESERT.
চাহাৰা নামে বৰ মৰু ভূমি।

পৃথিবীত যি২ মৰু ঠাই আচে এটাইতকৈ চাহাৰা ডাঙ্গৰ, সি দিঘলে ডেৰ হেজাৰ ক্রোশ ব্যাপিচে, আৰু পুতলে পাঁচশ ক্রোশ হব; ইমান খন ঠাই গোটেই বালি; মাজে২ ।১৩৬। সিলৰ পৰ্ব্বত সাৰি আচে। তাক চেৰাই জোৱা প্রায় অসাধ্য, তেও অনেক লোকে জুম বান্ধি২ জায় আৰু অনেক মৰেও, সেই হেতুকে তাত মানুহৰ হাৰ মুৰে বগা হৈ আচে। একোবেলি সেই বালি বোৰ উৰি একোটা এনে হে বাওমাৰলী হয় যে মানুহ উসাহ নেপাই মৰে। সমুদ্রৰ মাজত যেনে উপদ্বীপ তেনে মৰু ভূমিতো একো ডোখৰ ঠাই আচে যত গচ সহ ইত্যাদি হয় আৰু শস্যও জন্মে, তাতে মানুহো বাস কৰে আৰু তাক ওচ্ বোলে।

চাহাৰাত অনেক ওচ্ আচে, প্রধান ফেজান আৰু দাৰ্ফৰ, ত্রিপলিৰ দক্ষিণে ফেজান, সি এখন ৰাজ্য আৰু তাৰ চুল্‌তান ত্রিপলিৰ ৰজাৰ কৰ তলিয়া, সি বৰ উৰ্ব্বৰা নহয়, কিন্তু তাৰ লোকে শ্রম কৰি শস্য কৰে। দাৰ্ফৰ মিচৰ দেশৰ দক্ষিণে, সি উৰ্ব্বৰা, তাৰো এজন ৰজা আচে আৰু তাত আৰব কাফ্রি দুইও জাতি আচে তাহাঁত মুষলমান।

চাহাৰাৰ মাজত দুই প্রধান জাতি বাস কৰে অৰ্থাৎ টিবু আৰু টৰিক। টিবু বোৰ কলা, চুলি বৰ কুটকুৰা নহয়; সিহঁতে উটৰ গাখিৰ আৰু অলপ যি শস্য হয় তাকে খাই থাকে, কিন্তু সিহঁতক বচৰি টৰিক বোৰে আহি কাটি মাৰি এটাইকে লুটি নিয়ে। এই বিলাক দুখতো তাহাঁত সন্তোষী হৈ থাকে। টৰিক বিলাক অতি অসভ্য ৰণুৱা, থিতাপিৰূপে নেথাকি লুটি ডকা দি বা বাণিজ্য কৰি খায় আৰু যি ঘৰত থাকি খেতি কৰে তাক ভাল নেপায়। সিহঁতে লেখিবলৈ জানে।।১৩৭।

AFRICAN ISLANDS.
আফ্রিকাৰ উপদ্বীপ বিলাক।

ইউৰোপ আৰু আসিয়াৰ যিমান উপদ্বীপ আচে আফ্রিকাৰ তিমান নাই, ঘাই এই২।

পশ্চিমে পৰ্ত্তুগীচ সকলৰ অধীন এজোৰ্চ নামে নখন সৰু২ উপদ্বীপ আচে।

সেই বিলাক সাগৰৰ তলৰ ভুঁইকপৰ দ্বাৰা হৈচে আৰু পূৰ্ব্বে নাচিল ★।

মদিৰা উপদ্বীপ বিলাকো পর্ত্তুগীচৰ অধীন, তাৰ বায়ু এনেহে ভাল যে নৰিয়া মানুহ অনেকে ভাল হবলৈ জায়, তাত এবিধ মদিৰা নামে মদ হয়।

কানাৰী উপদ্বীপ বোৰ স্পানিয়াৰ অধীন, তাত মদ দ্ৰাক্ষা আৰু কানাৰী নামে এবিধ সুন্দৰ চৰাই পোৱা জায়। টেৈলি ৰাইফ্‌ নামে তাৰে এক উপদ্বীপত এখন বৰ ওখ পৰ্ব্বত আচে।

কেপবৰ্ড উপদ্বীপ বোৰো পর্ত্তুগীচৰ অধীন, কিন্তু সি নিচেই মৰু, বায়ুও বেয়া; লোন, চাগলিৰ চাল তাৰ উৎপন্ন দ্ৰব্য।।১৩৮।

চেইণ্ট হেলীনা নামে তীৰৰ পৰা ভালেখনি দূৰৈত ইংৰাজৰ অধীন এখনি সৰু উপদ্বীপ আচে, তাতে নেপোলিয়ন বোনাপার্ত্তক বন্দি কৰি থৈচিল।

আফ্রিকাৰ পূৰ্ব্ব পাৰে এটাইতকৈ ডাঙ্গৰ মাদেগাস্কৰ নামে এখন বৰ দ্বীপ আচে। সি বৰ উৰ্ব্বৰা, চল্লিচ্‌ লক্ষ মান মানুহ আচে; তাৰ আদি লোক বোৰ কাফ্‌ৰী কিন্তু আৰব আৰু মালাইয়া অনেক আচে। তাৰ স্বতন্ত্ৰ ৰজা আচে আৰু লোক বোৰ সভ্য নহয়, এতিয়া কিচু ভাল হৈ আহিচে। মাদেগাস্কৰৰ কিচু ওচৰতে ফ্ৰান্সৰ অধীন বোৰবোঁ উপদ্বীপ, যত এখন বৰ আগ্নেয় পৰ্ব্বত আচে আৰু তাত সদাই জুই লাগি থাকে। মৰিচ উপদ্বীপ ইংৰাজৰ অধীন, সি পৰ্ব্বতিয়া, আবলখ ইত্যাদি কাঠ হয়; কমৰো উপদ্বীপ বিলাকো প্ৰায় পৰ্ব্বতিয়া, তাৰ মানুহ বোৰ কোমল আৰু শ্ৰমী।

গাৰ্দিফ্যু অন্তৰীপৰ গুৰিত চকত্ৰা উপদ্বীপ, সি মুষলমানৰ অধীন।

HISTORY OF AFRICA.
আফ্রিকাৰ বুৰঞ্জি।

আফ্রিকাৰ নাম শুনিলেই আমাৰ বাঘ, সিংহ, ঘঁৰিয়াল, বৰ সাপ, কাফ্‌ৰি ইত্যাদি আচৰিত বস্তুৰ কথা মনত পৰে, কিয়নো সেই বিলাক আফ্রিকাত আচে। আফ্রিকাৰ মাজ ঠাই চাবলৈ অনেক লোক গৈ নষ্ট হৈচে।।১৩৯।

★ পৃথিবীৰ অনেক সৰু২ উপদ্বীপ ভুঁইকপ আৰু পোকৰ দ্বাৰা হৈচে। ফুলৰ নিচিনা এবিধ সৰু পোক আচে সেয়েই সাগৰৰ তলত পৰ্ব্বত কৰি আনি পানিৰ ওপৰ তোলে, পাচে আকৌ তাক বহল কৰে আৰু সি সিলৰ ন্যায় টান হৈ থাকে। সাগৰৰ চৰাই বোৰে তাতে জিৰাই মল ত্যাগ কৰিলে মলত থকা গচৰ গুটি পৰি গচো হয়, তাৰ মাটি বৰ উৰ্ব্বৰা, অতি ভাল। সুমথিৰা টেঙ্গা আৰু দ্ৰাক্ষাকে আদি কৰি অনেক শস্য হয়, তাৰ ৰাজধানী টেৰ চীৰা উপদ্বীপত আঙ্গাৰা নগৰ।

অনেক হেজাৰ বচৰ হৈচে, আফ্রিকাত অনেক মহাৰাজ্য আচিল তাৰে প্ৰধান মিচৰ, কাৰ্থেজ আৰু ইথিয়পিয়া ৰাজ্য; তেতিয়া থিবচ্, মেম্ফিচ্ আৰু কাৰ্থেজ অতি বৰ নগৰ আচিল।

মিচৰ দেশৰ লোক বিলাক পূৰ্ব্বে এটাই দেশৰ লোকতকৈ জ্ঞানী আৰু সভ্য আচিল; কিন্তু সিবিলাকে এটাই জন্তুক পূজা কৰিচিল, অৰ্থাৎ ষাঁৰ, ঘৰিয়াল, কুকুৰ, মেকুৰি ইত্যাদিক দেৱতা বুলি মানিচিল আৰু সিবিলাকেই প্ৰথমে গ্ৰীক দেশৰ লোকক সভ্য কৰিলে। মিচৰৰ পূৰ্ব্বৰ ৰজা সকলে পিৰামিদ নামে সিলৰ মহাশ্চৰ্য্য দল বন্ধালে, সেই বিলাক কৰিবৰ তিনি চাৰি হেজাৰ বচৰ হৈচে, তেও তেনেই আচে। সেই ৰজা সকলেই মাটিৰ তলত লেবিৰিন্থ নামে এখন ঠাই কৰাইছিল। সেই ঠাইক সিলেৰে বন্ধাইচিল আৰু তিনি হেজাৰ মান ঘৰ কৰি ইয়ে সিয়ে অনেক পকোৱা পকি বাটেৰে মিল হৈচে, আৰু সেই বাটেৰে সোমাই ওলোৱাই টান।

এতিয়া ট্যুনিচ নগৰ যত আচে তাৰে গুৰিত পূৰ্ব্বে কাৰ্থেজ নগৰ আৰু ৰাজ্য আচিল। সি বৰ পৰাক্ৰমী হৈ ৰোমাণ বিলাকে সৈতে বৰ ৰণ কৰি আচিল, কিন্তু অৱশেষত ৰোমাণ হঁত জিকি তাক ধ্বংশ কৰিলে।

তাৰ পাচে আফ্রিকাৰ উত্তৰ ডোখৰ ইউৰোপৰ গ্ৰীক, ৰোমাণ, গথৱাণ্ডাল আৰু আসিয়াৰ আৰব এই কেই জাতিয়ে ক্ৰমে অধিকাৰ কৰি প্ৰায় গোলাম হেন কৰিলে।। ১৪০।

পূৰ্ব্বে আফ্রিকাৰ যিবিলাক বৰ২ নগৰ আচিল তাৰ এতিয়া চিন মাথোন আচে আৰু লোক বোৰো অতি অজ্ঞান আৰু অসভ্য হৈচে। দেশৰ অধিপতি বোৰে প্ৰজাক বেয়াকৈ শাসন কৰি এনে দুৰৱস্থাত পেলাইচে।

পূৰ্ব্বে ইউৰোপৰ লোক সকলে আফ্রিকাৰ পৰা মানুহক কিনি গোলামকৈ নিচিল। এতিয়া ইংৰাজ বিলাকে এই কু ব্যৱসায় এৰিচে হয় কিন্তু স্পানিয়া পৰ্ত্তুগল আৰু আমেৰিকা দেশৰ মানুহে তাক এৰা নাই। আমেৰিকাৰ যি ব্ৰাজিল ৰাজ্য সি ইংৰাজি ১৮৩৮ শঁকত আফ্রিকাৰ পৰা এঘাৰ মাহত বত্ৰিশ হেজাৰ গোলাম নিচিল।

ইংৰাজ সকলে গোলাম কিনি নিবলৈ অকল এৰিচে এনে নহয় কিন্তু আফ্রিকাৰ লোকক সভ্য কৰিবলৈও বৰ পুৰুষাৰ্থ কৰিচে।

আমি চিত্তে সৈতে বাঞ্ছা কৰোঁ যে আন দেশৰ মানুহেও যেন এনে দুৰ্ম্মতিৰ পৰা মন পালটাই আফ্রিকাৰ হিত চিন্তে।। ১৪১।

২য় অংশ।

AMERICA.
আমেৰিকা।

পৃথিবীৰ ঘাই দুই খণ্ড, অৰ্থাৎ পুৰণি আৰু ন পৃথিবী, এই দুই খণ্ড আটলাণ্টিক মহাসাগৰৰ দ্বাৰা বেলেগ হৈছে। পুৰণি পৃথিবীত ইউৰোপ আসিয়া আৰু আফ্ৰিকা আছে, ন পৃথিবীত আমেৰিকা আছে। আমেৰিকা আছে বুলি ইউৰোপ আৰু আসিয়াৰ মানুহে নেজানিছিল, অলপৰ পৰাহে সি আছে বুলি জানিছে এতেকে তাক ন পৃথিবী বোলে।

আমেৰিকাৰ উত্তৰে হিমসাগৰ; পূৰ্ব্বে আটলাণ্টিক মহাসাগৰ, দক্ষিণে দক্ষিণ মহাসাগৰ আৰু পশ্চিমে পাচিফিক মহাসাগৰ; সি দিঘলে ৭৫০ ক্ৰোশ আৰু পুতলে ৩৯০০ মান ক্ৰোশ, তাত চাৰি কোটি মান মানুহ আছে।

তাক দুভাগ কৰা জায় অৰ্থাৎ উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা। এই দুই খণ্ডৰ দেশাদিৰ বিবৰণ লেখাৰ পূৰ্ব্বে আমেৰিকা দেশক নো আদিতে পুৰণি পৃথিবীৰ লোকে কেনেকৈ দেখিলে তাকে জনা আৱশ্যক।।১৪২।

OF THE DISCOVERY OF AMERICA.
আমেৰিকা প্ৰথমে দৰ্শন হোৱাৰ কথা।

পাঁচ শ মান বচৰ হৈছে, চুম্বক সিলৰ গুণ প্ৰকাশ হয়। তাৰ এই গুণ অৰ্থাৎ আন লো এডোখৰে সৈতে ঘঁহিলে সেই লোৰ আগ সকলো ঠাইতে সদাই উত্তৰ মুৱা হৈ থাকে, এই নিমিত্তে তাৰ দ্বাৰা এটাই ঠাইতে কোন পিনে কি দিগ জানিব পৰা হলত লোকে তীৰ নেদেখিও সাগৰৰ মাজে২ জাহাজ নিব পাৰিলে।

চুম্বক সিলৰ গুণ প্ৰকাশ হোৱাৰ দুশ বচৰৰ মুৰত জেনোৱা নগৰত কলম্বচ্ নামে এজন লোক জন্মিল। তেঁও সৰুৰে পৰা নাবিকতাত বৰ পাৰ্গৎ হৈ সেই কালত এটাইয়ে ইউৰোপৰ পৰা ভাৰতবৰ্ষলৈ জোৱা সমুদ্ৰৰ বাট উলিয়াবলৈ পুৰুষাৰ্থ কৰাত তেঁও ভাবিলে যে ইউৰোপৰ পৰা পশ্চিম পিনে গৈ২ ভাৰতবৰ্ষ পোৱা জাব, আৰু এদিন পশ্চিমৰ পৰা কেত বিলাক বেত আৰু নকৈ কটা কাঠ ওপঙ্গি অহা দেখি তেঁওৰ মনে দৃঢ়কৈ পতিয়ালে যে পশ্চিমে দেশ আছে। কিন্তু দেশ বিচাৰি জাবলৈ ভগনৰ ধন নথকাত তেঁও আদিতে আপোন দেশৰ

অধিপতি সকলত ধন খুজিলে, কিন্তু সিবিলাকে নিদিয়াত পৰ্তুগল স্পানিয়া আৰু ইংগ্লণ্ডাদিৰ ৰজাৰ তত সহায় খুজিলে তাতো সিদ্ধি নহ্‌ল, শেষত স্পানিয়া দেশৰ ইজেবেলা ৰাণীয়ে আপোনাৰ অলঙ্কাৰ সোঁতা থৈ ধন আনি কলম্বচক দেশ বিচাৰিবলৈ তিনি খনি সৰু জাহাজ দিলে।।১৪৩।

পাচে ১৪৯২ শঁকৰ আগষ্ট মাহৰ তিনি তাৰিখত কলম্বচে যাত্ৰা কৰি পোনেৎ পশ্চিম মুখে গৈ কেই দিন মানৰ মুৰত যেতিয়া মাজ সমুদ্ৰ পালে তেতিয়া নাবিক বোৰে হিয়া মুৰ ভুকুৰাই কান্দিব ধৰিলে, কিন্তু কলম্বচে তেঁওৰ মনোৰথ কেনেকৈ সিদ্ধি হ্‌ব তাকে চিন্তি থাকি টোপনি এৰিও শ্ৰম কৰিলে। ১ অক্‌টোবৰত তীৰৰ পৰা সিবিলাকে ১১৫০ ক্ৰোশ গল কিন্তু কলম্বচে ৮৭০ ক্ৰোশ গৈছে বুলিহে কলে। সিবিলাকে মাটি নেদেখাকৈ ২১ দিন গল, তেও দেশ নেদেখি নাবিক হঁতে কলম্বচক উভতি আহিবলৈ প্ৰাৰ্থনা কৰিলত তেঁও নেমানি অনেক ৰূপে বুজালে, কিন্তু সিহঁতে কলম্বচক জাহাজৰ পৰা পানিত পেলাই জাহাজ ওভোতাবলৈ মন্ত্ৰণা কৰিলে। কলম্বচে এই কথা বুজ পাই তিনি দিনৰ মূৰত মাটি নেদেখিলে উভতি জাম বুলি শপথ খালে। ১১ অক্‌টোবৰত কলম্বচে জাহাজৰ পাল মেৰিয়াব দিলে। সেই ৰাতি কেৱে চকু নুমুদি সজাগে থাকিল, পাচে কলম্বচে নিখা দুপৰ ভাটি দিয়াত নিলগত এটা চাকি লৰা দেখিলে তাৰে কিচু মানৰ মূৰত আগৰ জাহাজ খনৰ মানুহে দেশ দেশ বুলি এটাহ্‌ পাৰি কলে। তাৰ পিচত ১২ আক্‌টোবৰৰ ৰাতি পুৱা ডেৰ ক্ৰোশ অন্তৰত বৃক্ষাদিয়ে আবৰি থকা এখন উপদ্বীপ দেখিলে। তাতে এটাইয়ে ঈশ্বৰৰ ধন্যবাদ কৰিলে আৰু নাবিক বোৰে কলম্বচৰ ভৰিত পৰি ক্ষমা মাগিলে আৰু নাৱেৰে গৈ সেই উপদ্বীপত উঠি স্পানিয়া ৰজাৰ ধ্বজা পুতিলে। । ১৪৪। সেই দেশৰ লোক বিলাকে ইবিলাকৰ চাৰিও ফালে আহি গাৰ বগা বৰণ আৰু ডাৰি দেখি বৰ আচৰিত হ'ল, আৰু জাহাজ আৰু পালক চৰাইৰ পাখিৰে যন্ত্ৰ উৰি আহিচে বুলি আৰু তোপৰ শব্দক মেঘৰ গাজনি আৰু বিজুলি চমক বুলি সেই উপদ্বীপৰ হোজা মানুহ বোৰে বৰ ভয় পাই সিবিলাক সূৰ্য্যৰ পুত্ৰ আকাশৰ পৰা নামিচে বুলি ভাবিলে।

স্পানিয়াৰ মানুহ বোৰেও সেই দেশৰ লোকক দেখি অতি আচৰিত হ্‌ল কিয়নো সিহঁতৰ গাৰ চাল তাম বৰণিয়া আৰু সিহঁত নিচেই নাঙ্গট আচিল। এই ৰূপে পুৰণি পৃথিবীৰ মানুহে প্ৰথমে পৃথিবী দেখিলে।

কলম্বচেই গোটেই আমেৰিকা দেশ খন প্ৰকাশ কৰা নাচিল কিন্তু তেঁওৰ পাচে ক্ৰমে অনেক লোকে গৈ হে গোটেই দেখিলে।

NORTH AMERICA.
উত্তৰামেৰিকা।

উত্তৰামেৰিকাৰ উত্তৰ সীমা হিম সাগৰ, পূৰ্ব্বে আটলাণ্টিক মহাসাগৰ, দক্ষিণে দেৰীন বা পানামা ডমৰু মধ্যৰ দ্বাৰা দক্ষিণ আমেৰিকাই সৈতে মিলিচে, আৰু পশ্চিমে পাচিফিক মহাসাগৰ আচে আৰু আসিয়াৰ পৰা বেৰীং মোহনাৰ দ্বাৰা বেলেগ হৈচে। উত্তৰামেৰিকা দিঘলে ৩৯০০ ক্ৰোশ আৰু পুতলেও প্ৰায় তিমানেই হৰ।।১৪৫।

উত্তৰামেৰিকাত এই২ দেশ আচে, অৰ্থাৎ উত্তৰ আৰু উত্তৰ পশ্চিমৰ দেশ বিলাক, ইংৰাজৰ অধীন দেশ, সম্মিলিত মণ্ডল বোৰ, মেক্‌চিকো আৰু গোৱাটিমেলা ৰাজ্য।

উত্তৰামেৰিকা আৰু দক্ষিণামেৰিকাৰ উত্তৰৰ পৰা দক্ষিণলৈকে একে সাৰি পৰ্ব্বতেই ব্যাপিচে, তাকে উত্তৰে ৰকি দক্ষিণে আন্দীচ্‌ বোলে। সম্মিলিত মণ্ডল বোৰত আলিঘানি নামে এসাৰি পৰ্ব্বত।

উত্তৰামেৰিকাত গ্ৰীনলণ্ড, নিউফাউণ্ড্‌লণ্ড ঘাই উপদ্বীপ আৰু অনেক সৰু সৰু আচে। নৱাস্কচিয়া, কালিফৰ্ণিয়া, আৰু উক্‌টান এই২ প্ৰায়দ্বীপ। এই খণ্ডৰ অন্তৰীপ পূৰ্ব্বে ফেৰ্‌ওৱেল আৰু চিদলি অন্তৰীপ, পশ্চিমে ল্যূকাচ অন্তৰীপ।

উত্তৰামেৰিকাৰ ঘাই নদী মিচিচিপি; সি মেক্‌চিকো খালত পৰিচে আৰু তাত মিচৌৰী, অহাইও ইত্যাদি নদী মিলিচে। ইংৰাজৰ অধীন দেশত চেণ্ট লৰঞ্চ নামে এক বৰ নদী আচে। ইয়াত বাজে আৰু অনেক বৰ সৰু নদী আচে।

তাত উত্তৰে হদ্‌চনৰ আৰু বাফিনৰ অখাত, দক্ষিণে কাম্পিচি আৰু হণ্ডুৰচৰ অখাত আচে। খালৰ ভিতৰত প্ৰধান চেণ্ট লৰঞ্চৰ খাল, মেক্‌চিকো আৰু ফ্লৰিদিয়াৰ খাল আৰু কালিফৰ্ণিয়াৰ খাল।

উত্তৰামেৰিকাৰ মোহনা ঘাই হদ্‌চন আৰু ৰাফিনৰ মোহনা আৰু বেৰিং মোহনা।।১৪৬।

আমেৰিকাৰ হ্ৰদ বিলাক অতি ডাঙ্গৰ। অন্তাৰিও, ইৰাই, হুৰণ, মিচিগান আৰু চুপিৰিয়ৰ্‌ এইকেইটা প্ৰায় সমুদ্ৰৰ নিচিনা একে লেথিৰিত আচে। চুপিৰিয়ৰৰ উত্তৰ পশ্চিমে চেব লেক, উইনিপেগ, বেৰ লেক লালি লাগি আচে।

NORTHERLY AND WESTERLY REGIONS OF AMERICA.

আমেৰিকাৰ উত্তৰ আৰু পশ্চিমৰ দেশ বিলাক।

ইউৰোপৰ পৰা লোক আহি সম্মিলিত মণ্ডলকে আদি কৰি যি বোৰ দেশত বাস কৰিছে সেই বিলাক দেশে উত্তৰামেৰিকাৰ আদ খিনি ঠাই হে জুৰি আচে, কিন্তু তাৰ উত্তৰে আৰু আদ খিনি আমেৰিকাৰ আদি অসভ্য লোক বোৰৰ দ্বাৰা অতি পাতল ৰূপে বসতি হৈচে। সেই দেশ বিলাককো ৰুচিয়া, ইংৰাজ আৰু সম্মিলিত মণ্ডল এই তিনি জাতিয়ে তিনি ডোখৰকৈ ৰাজ্য বুলি ভগাই নিচে, কিন্তু সিবিলাকৰ ৰাজ্য বুলি নাম হে, দেশৰ ওপৰত আন একো চলকৰ নাই, কেৱল সেই দেশৰ যি উত্তম চাল তাকে আনিবৰ নিমিত্তে ঠায়ে২ একোটা স্থান কৰি সৰু সৰু কোঁঠ কৰি কেত বিলাক লোক আচে।

যিবিলাক ঠাই ইংৰাজৰ ৰাজ্য বোলে সি অতি বৰ। তাৰ ভিতৰত পূৰ্ব্বে লাব্রাদৰ নামে দেশ, সি আটলাণ্টিক মহাসাগৰ আৰু হুদ্‌চনৰ অখাতৰ মাজত, আৰু তাত দুই জাতি লোক থাকে, এক জাতি এচক্যুইমাকচ্‌, আৰু এক জাতি পৰ্ব্ব ।১৪৭। তিয়া। সিহঁত অতি অসভ্য। হুদ্‌চনৰ অখাততো কেত বোৰ উপদ্বীপ আচে তাতো অতি ভয়ানক অসভ্য জাতি থাকে। হুদ্‌চনৰ অখাতৰ পশ্চিম পাৰে ইংৰাজ থকা কেত বিলাক ঠাই আচে, তাৰে প্ৰধান ইয়ৰ্ক ফোৰ্ট, আৰু অনেক আচে। সেই অখাতৰ দক্ষিণ পশ্চিমে নিউ চাউথ্‌ ওৱেল্‌চ নামে এডোখৰ ঠাই আচে। তাৰ উত্তৰে হিম সাগৰৰ তীৰলৈকে যি ঠাই তাত সৰহ মানুহ নাই, অল্প এচক্যুইমাক্‌চ জাতি আচে, সিহঁত মৃদু, জন্তুৰ মঙহ খাই থাকে, জহ কালি তাঁহাতে পহুৰ চালৰ ঘৰ কৰি থাকে কিন্তু জাৰ কালি হিম গোটা হলে তাকে কাটি তাৰে ঘৰ কৰি থাকে। এই দৰৰ অনেক অসভ্য জাতি আচে।

যি ডোখৰ ঠাই ৰুচিয়াই নিয়ে সি উত্তৰ পশ্চিমে; তাত পঞ্চাচ হেজাৰ মান সেই দেশী মানুহ আচে যোনে মাচ মাৰি আৰু মৃগয়া কৰি খায়, তাৰ ঘাই ঠাই নব আৰ্কেঞ্জেল। ৰকী পৰ্ব্বত আৰু পাচিফিক মহাসাগৰৰ মাজৰ এডোখৰ সম্মিলিত মণ্ডলৰ ৰাজ্য বুলি নিয়ে, তাতো নানা অসভ্য লোক বাস কৰে।

BRITISH AMERICA.

আমেৰিকাৰ ইংৰাজৰ অধীন দেশ।

ইংৰাজৰ অধীন দেশক পাঁচ ভাগ কৰা জায় অৰ্থাৎ ওপৰ আৰু নামনি কেনাদা, ন ব্ৰঞ্চউইক, নৱাস্কচিয়া, আৰু নিউ ।১৪৮। ফাউণ্ডলণ্ড। ওপৰ কেনাদাত অনেক বৰ২ গচেৰে হাবি আচে। সি উৰ্ব্বৰা আৰু খাৰ, বৰ২ কাঠ ইত্যাদি হয়, তাত মানুহ প্ৰায় হুৰণ প্ৰভৃতি হ্ৰদৰ গুৰিত থাকে। তাৰ ঘাই নগৰ টৰণ্টো, কিংষ্টন নামে এক নগৰ আচে, সি ঘাই জাহাজৰ ঠাই।

নামনি কেনাদা পৰ্ব্বতিয়া ঠাই, অনেক উৰ্ব্বৰা গুহা আচে, তাত অনেক ফ্ৰান্সৰ লোক আচে আৰু চাল, কাঠ, মাচ আৰু খাৰ ইত্যাদি দ্ৰব্য হয়। তাৰ প্ৰধান নগৰ কুইবেক, সি ইংৰাজৰ অধীন ৰাজ্যৰে ৰাজধানী আৰু সি চেইণ্ট লৰেঞ্চ নদীৰ পাৰত। মণ্ট্ৰিল নামে আৰু এক প্ৰধান বাণিজ্যৰ নগৰ, সি চেণ্ট লৰেঞ্চ নদীৰ উপদ্বীপ এখনত। দুই কেনাদাত দহ লক্ষ মান মানুহ আচে।

ন ব্ৰঞ্চউইক নামনি কেনাদাৰ দৰে উৰ্ব্বৰা, তাৰ প্ৰধান নগৰ চেইণ্ট জন, তাৰে পৰা অনেক কাঠ ভিন দেশলৈ জায়।

নৱাস্কচিয়াত বৰ জাৰ, আৰু তাৰ মাটি উৰ্ব্বৰা নহয়। তেল, কাঠ আৰু মাচ তাৰ উৎপন্ন দ্ৰব্য আৰু হালিফাক্চ তাৰ প্ৰধান নগৰ।

নিউ ফাউণ্ডলণ্ড উপদ্বীপ মৰু, তাৰ তীৰত অনেক মাচ ধৰে আৰু তাত চেইণ্ট্ জন নামে নগৰ।

নামনি কেনাদা, আৰু ব্ৰঞ্চউইক প্ৰভৃতি ঠাইৰ লোক বিলাক প্ৰায় ফ্ৰান্সিচ, সিহঁতক হাবিতান বোলে। সিহঁতৰ বৰণ তিমান বগা নহয় আৰু সিহঁত অতি শিষ্টাচাৰী আৰু মৃদু।।১৪৯। সিহঁতে খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে আৰু ফ্ৰান্স দেশৰ দৰে পাপাক মানে।

এই দেশ বিলাক ইংৰাজৰ অধীন আৰু ইংৰাজৰ ৰাজ্য যিৰূপে, সিও সেই ৰূপেই শাসিত হৈচে। তাত ইংৰাজ গবৰ্ণৰ অৰ্থাৎ শাসন কৰ্ত্তা আচে আৰু প্ৰজা বিলাকৰ মেলো আচে।

কেনাদাই আদি ঠাই, পুৰ্ব্বে ফ্ৰান্সৰ লোকে বসতি কৰিচিল হেতুকে ফ্ৰান্সৰ অধীন আচিল কিন্তু ইংৰাজে ৰণ কৰি লৈচে।

UNITED STATES.
সম্মিলিত মণ্ডল বিলাক।

সম্মিলিত মণ্ডল বিলাক আমেৰিকাৰ এটাই দেশতকৈ পৰাক্রমী। সি উত্তৰামেৰিকাৰ প্রায় আদখিনি ঠাই জুৰি আচে আৰু দিঘলে ২৫০০ মাইল হব, পুতলে ১৪০০ মাইল হব।

তাত ২৪ খন মণ্ডল আচে; নব ইংলণ্ড বা পূৰ্ব্ব ফালৰ মণ্ডল এই২, মেইন, নব হেম চাইয়ৰ, বৰ্ম্মণ্ট, মাচাচুচেটচ, ৰোধ উপদ্বীপ আৰু কনেক্‌টিকট। মাজৰ মণ্ডল এই২, নব ইয়র্ক, নব জর্চি, পেনচিলৱানিয়া, আৰু দেলৱেৰ। দক্ষিণৰ মণ্ডল এই২, মেৰিলণ্ড, বৰ্জ্জিনিয়া, উত্তৰ আৰু দক্ষিণ কাৰোলাইনা, জৰ্জ্জিয়া, আৰু আলাবামা। পশ্চিমৰ মণ্ডল এই২ ।১৫০। লুইচীয়ানা, মিচিচিপি, টিনাচি, মিচৌৰী, কেণ্ট্রাকী, ইলিনইচ, ইন্দিয়ানা আৰু অহাইও। সম্মিলিত মণ্ডলৰ আৰু চখন দেশ আচে অৰ্থাৎ ফ্লৰিদিয়া, আৰ্কানচা, মিচৌৰী, মিচিগান, পশ্চিমৰ দেশ আৰু উত্তৰ পশ্চিমৰ দেশ।

সম্মিলিত মণ্ডলৰ ৰাজধানী ওৱাচিংটন নগৰ পটমাক নৈৰ পাৰত। তাত বাজে আৰু অনেক মহা নগৰ আচে, প্রধান বোষ্টন, ফিলিদেলফিয়া, নব ইয়র্ক, চাৰ্লচটন, নব আৰ্লিঞ্চ ইত্যাদি।

ইংলণ্ডত যি ৰূপে কৃষি আৰু শিল্পকৰ্ম্ম ইত্যাদি ভাপৰ কলেৰে কৰে, আমেৰিকাৰ সম্মিলিত মণ্ডলতো সেইৰূপেই কৰে, আৰু তাত ভাপৰ ৰথ, ভাপৰ নাও ইত্যাদিও অনেক আচে। মুঠকৈ কব লাগিলে আমেৰিকাও ইংলণ্ডৰ দৰেই প্রায় হৈচে, তাৰ বাণিজ্যও অতি বৰ, প্রায় গোটেই পৃথিবীতে আমেৰিকাৰ বাণিজ্য আচে, আৰু এই দেশত চাউল, কপাহ, নিল, ধঁপাত, চেনি ইত্যাদি অনেক ভাল২ বস্তু পোৱা জায়। তাত বিচন নামে ম'হৰ নিচিনা এবিধ আচৰিত জন্তু আচে।

দুশ বচৰ মান হল আমেৰিকাৰ মিল দেশত এতিয়াৰ সুন্দৰ২ নগৰ আৰু ঘৰ বিলাক নাচিল, কিন্তু গোটেই দেশতে হাবি আচিল আৰু অতি অসভ্য লোক বোৰ তাত বাস কৰিচিল, এনেতে ইংলণ্ডৰ পৰা কেত বিলাক লোক গৈ প্রথমে তাত বাস কৰিলে। তাতে তাৰ যি অসভ্য জাতি ।১৫১। আচিল সিহঁতে বেয়া পোৱা নাচিল, কিন্তু শেষত ইংলণ্ডৰ পৰাক্রমে আৰু অনেক লোক গৈ বাস কৰি সিহঁতক খেদাত সিহঁতেৰে অনেক ৰণ হল, তথাপি লোক গৈ ক্রমে গোটেই দেশলৈ বাস কৰিলে। এই ৰূপে আমেৰিকাৰ মিল দেশ গোটেই ইংৰাজৰ দ্বাৰা বসতি হৈ ইংগ্লণ্ডৰ ৰজাৰ অধীন হৈ আচিল, কিন্তু শেষত ৰজাই

সিবিলাকত অন্যায়কৈ কঁটলৰ ধন সধাত সিবিলাকে নিদিওঁ বুলি প্রতি মণ্ডলেই স্বাধীন হৈ ইংগ্লণ্ডৰ ৰজাক নামানো বুলিলে। তাতে ৰজাই সেনা পঠাই অনেক ৰণ কৰি জিকিব নোৱৰাত শেষত ১৭৮৩ ইংৰাজি শকত আমেৰিকাৰ ইংৰাজ হঁতক স্বাধীন বুলি এৰি দিলে, তেতিয়াৰে পৰা সি এখন বেলেগ ৰাজ্য হল।

মিল দেশত ৰজা বা বৰ বিষয়া এই বিলাক একোৱে নাই, নানা মণ্ডলৰ প্রজা সমূহৰ কঙ্গ্রেচ নামে এখন সমাজ আচে, সেয়েই ব্যৱস্থাদি কৰি কঁটল সধাই ৰাজ্য শাসন কৰে আৰু প্রেচিডেণ্ট নামে এজন বিষয়া বাচি লয়, তেঁৱেই ৰাজ্যৰ কৰ্ম্ম কৰে আৰু চাৰি বচৰৰ মুৰত ভঙা জায় আৰু তেঁওৰ কৰ্ম্মত আন এজন হয়।

সম্মিলিত মণ্ডলত ডেৰ কোটি মান মানুহ, সিবিলাক প্রায়েই ইংৰাজৰ সন্ততি; আন২ ইউৰোপৰ জাতিও কিচু আচে।

ইংৰাজ সকল আৰু আমেৰিকাৰ মিল দেশৰ মানুহ সভ্যতা, স্বভাৱ, ৰীতি, চৰিত্র ইত্যাদিত লৰ-নহয়। ইবিলাকো ।১৫২। দানশীল, বিদ্যা, শিল্প কৰ্ম্ম আৰু বাণিজ্যত অতি পাৰ্গৎ। সিবিলাকৰ ভাষাও ইংৰাজী কিন্তু ইংগ্লণ্ডৰ দৰে ৰজাৰ স্থাপিত ধৰ্ম্ম নাই, যাৰ যি ইচ্ছা সেই মতেৰে চলে। এটাইয়ে খ্রীষ্টীয়ান।

আমেৰিকাৰ সম্মিলিত মণ্ডলৰ এটাই কথাই ভাল, এটি মাথোন বৰ দুৰ্গুণ আৰু লাজৰ কথা আচে অৰ্থাৎ তাত গোলাম আচে আৰু আফ্রিকাৰ পৰা অনেক নিয়ে।

পূৰ্ব্বে যি অসভ্য জাতি বিলাকে গোটেই আমেৰিকা ব্যাপি আচিল সেই বিলাক জাতি সম্মিলিত মণ্ডলত প্রায় নোহোৱাই হল, মাজে২ হে অলপ কেতবিলাক আঁচে। সিহঁত নিচেই অসভ্য কিন্তু কোনো২ জাতি এতিয়া অলপ সভ্য হৈচে, সৰহ অসভ্য।

MEXICO.
মেক্চিকো দেশ।

মেক্চিকো ৰাজ্য অতি ডাঙৰ, তাৰ মাজৰ ঠাই বোৰ বৰ ওখ আৰু ৰকী পৰ্ব্বত সাৰি তাত আচে। তাৰ ৰাজধানী মেক্চিকো, সি আমেৰিকাৰ ভিতৰত এক বিচক্ষণ নগৰ; পাচিফিক্ মহাসাগৰত আকাপুল্কু, আৰু মেক্চিকোৰ খালত বেৰাক্রুজ, এই দুই দুখন সমুদ্রতীৰৰ ঘাই নগৰ।

মেক্চিকো দেশত ৰূপৰ আৰু সোনৰ আকৰ যিমান আচে পৃথিবীৰ আন কোনো দেশত তিমান নাই আৰু তাত ।১৫৩। অনেক ৰূপ আৰু সোন

উৎপন্ন হয়, তাত বাজে চেনি, নিল, ধঁপাত, কপাহ, আটা, বৰ২ কাঠ আৰু মেহগ্নী নামে এবিধ অতি সুন্দৰ কাঠ ইত্যাদি বস্তুও পোৱা জায়।

ইউৰোপৰ লোক আমেৰিকালৈ অহাৰ পূৰ্ব্বে মেক্‌চিকো এখন বৰ ডাঙ্গৰআৰু পৰাক্ৰমী ৰাজ্য আছিল, তাৰ মানুহ বোৰো আন বোৰ জাতিৰ দৰে অসভ্য নাচিল কিন্তু অতি বৰ২ নগৰ কৰি সভ্যৰূপে আছিল। পাচে স্পানিয়া বিলাকে গৈ তাক অধিকাৰ কৰিলে আৰু অনেক মানুহো বহিলগৈ, কিন্তু সম্মিলিত মণ্ডল বিলাকৰ দৰে স্পানিয়াৰ ৰজাক নেমানি মেক্‌চিকোৰ লোকে অনেক ৰণ কৰি এতিয়া স্বাধীন হৈ মিল দেশৰ নিচিনা প্ৰজা সমূহৰ ৰাজত্ব স্থাপন কৰি স্বতন্ত্ৰ হৈ আচে।

মেক্‌চিকোত ৮০ লক্ষ মান লোক আচে। সিহঁত পাঁচ জাতি, অৰ্থাৎ স্পানিয়াৰ যি মানুহ, আমেৰিকাত যি স্পানিয়াৰ লোক উপজিচে, মিহলি জাতি, আৰু তাৰ আদি লোক। স্পানিয়াৰ মানুহ সৰহ নাই, সিবিলাক এতিয়া দুখিয়া হৈচে কিন্তু আন বোৰ জাতিত কৈ শ্ৰমী, শিষ্টাচাৰী আৰু জ্ঞানৱন্ত। আমেৰিকাত ওপজা স্পানিয়া বিলাক বৰ ধনৱন্ত, সিবিলাক বিদ্যাত তিমান পাৰ্গত নহয়। মেক্‌চিকোত তাৰ আদি লোক এটাই জাতিত কৈ সৰহ, সিহঁত তাম বৰণিয়া, ভালে মান বয়স ।১৫৪। লৈকে জিয়াই থাকে আৰু দেখিবলৈ অসুৱনি নহয়। সিহঁতে প্ৰায়েই খেতি কৰে।

মেক্‌চিকোত খ্ৰীষ্টীয়ান ধৰ্ম্মক মানে, তাৰ আদি লোকেও সেই ধৰ্ম্ম লৈচে।

GUATEMALA.

গোৱাটিমেলা দেশ।

উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ মাজত যি ঠেক ঠাই সেইয়েই গোৱাটিমেলা ৰাজ্য। সি বৰ উৰ্ব্বৰা, অনেক ভাল২ বস্তু হয়, ধাতুৰ আকৰো অনেক আচে। তাত প্ৰধান নগৰ গোৱাটিমেলা যত পঞ্চাচ লক্ষ মান লোক আচে। লিয়ন, কাৰ্টেজ্ আৰু ট্ৰুক্‌চিলো নামে আৰু তিনি নগৰ আচে।

গোৱাটিমেলা ৰাজ্যো মেক্‌চিকোৰ নিচিনা। পূৰ্ব্বে সভ্য আছিল। সি স্পানিয়াৰ অধীন আছিল কিন্তু ইংৰাজি ১৮২১ শকৰ পৰা মেক্‌চিকোৰ দৰে স্বাধীন হৈ প্ৰজা সমূহৰ দ্বাৰা শাসিত হৈচে। তাৰ আদ খিনি লোক তাৰ আদি মানুহ, ইবোৰ স্পানিয়াৰ পৰা গৈ বাস কৰা আৰু মিহলি জাতি।

SOUTH AMERICA.
দক্ষিণামেৰিকা।

দক্ষিণামেৰিকাৰ উত্তৰ সীমা কেৰেবিয়ন সমুদ্ৰ, পূৰ্ব্বে আটলাণ্টিক মহাসাগৰ, দক্ষিণে দক্ষিণ মহাসাগৰ আৰু ।১৫৫। পশ্চিমে পাচিফিক মহাসাগৰ। সি দিঘলে ৩৫০০ ক্ৰোশ মান পুতলে ২৪৫০ক্ৰোশ। তাত এইং দেশ আচে, অৰ্থাৎ কলম্বিয়া, পিৰু, বল্বিয়া, চিলি, লাপ্লাতা, ব্ৰাজিল, গুইনা, আৰু পাটেগোনিয়া।

দক্ষিণামেৰিকাত আমাজন বা মাৰান নদী। সি পৃথিবীৰ ভিতৰত এটাই নদীতকৈ ডাঙ্গৰ, আৰু আন্দিচ্ পৰ্ব্বতৰ পৰা উৎপত্তি হৈ আটলাণ্টিক মহাসাগৰত পৰিচে। তাত দুশ মান নদী মিলিচেহি। অৰিণকু আৰু ৰাইয়-দি-লাপ্লাতা নামে আৰু দুখন বৰ নদী আচে।

দক্ষিণামেৰিকাৰ উপদ্বীপ উত্তৰে ত্ৰিনিদাদ, দক্ষিণে তেৰাদেল-ফ্যুগো আৰু ফাল্কলণ্ড উপদ্বীপ; পশ্চিমে চিলো, গেৰি পাপো আৰু কেত বোৰ সৰু উপদ্বীপ আচে।

এই খণ্ডৰ উত্তৰে কেৰেবিয়ান সমুদ্ৰ, দেৰীনৰ খাল আৰু পানামাৰ অখাত, পূৰ্ব্বে অল্চেইণ্টৰ অখাত আৰু চেইণ্ট জৰ্জ্জৰ অখাত, দক্ষিণে তেৰা-দেল-ফ্যুগো উপদ্বীপ আৰু আমেৰিকাৰ মাজত মাগিল্নৰ মোহনা।

উত্তৰামেৰিকাৰ উত্তৰে বেলা, পূৰ্ব্বে চেণ্ট ৰক, দক্ষিণে হৰ্ণ, পশ্চিমে ব্লাঙ্কো, এইং অন্তৰীপ আচে।

COLUMBIA.
কলম্বিয়া দেশ।

দক্ষিণামেৰিকাৰ উত্তৰ পশ্চিমে কলম্বিয়া দেশ; তাত ন ।১৫৬। গ্ৰানাদা, ৱেনিজুলিয়া আৰু ইকোৱেদৰ নামে তিনি খন স্বতন্ত্ৰ ৰাজ্য আচে। তাত বৰ জহ আৰু সময়েং বৰখুনে দ ঠাই বোৰ তল কৰে। কলম্বিয়াৰ পূৰ্ব্ব ফালে ঠাই সমান, পশ্চিমে বৰ ওখ, আৰু আন্দিচ্ পৰ্ব্বত সাৰি আচে; সেই সাৰিৰ অনেক পৰ্ব্বত আগ্নেয়; কটোপাক্চ্ নামে যি এখন আচে সি অতি ভয়ানক, তাৰ পৰা কেতিয়াবাং বোকাও ওলায়। চিম্বৰেজো নামে এক শৃঙ্গ আন্দিচৰ এটাই পৰ্ব্বততকৈ ওখ।

ন গ্রানাদা ৰাজ্য সি দুখনতকৈ পৰাক্রমী, তাত ৰূপ, সোন হয় আৰু তাৰ ৰাজধানী চান্তা-ফি-দি-বগটা নগৰ। সি বৰ ওখ ঠাইত স্থাপিত হৈছে আৰু অনেক বিচক্ষণ গৃহ আছে। পানামা, কার্থেজিনা, পর্জেবেলো আৰু তিনি নগৰ।

ইকোৱেদৰ ৰাজ্য বৰ ওখ আৰু অনেক সহ হয়, তাৰ ৰাজধানী কুইটো সি অতি ওখ ঠাইত স্থাপিত হৈছে আৰু বৰ সুন্দৰ নগৰ। তাত সদাই ভুঁইকপ আৰু ধুমুহা হয়। ৱেনিজুলিয়া ৰাজ্যৰ প্রধান নগৰ আছিল কিন্তু এটা বৰ ভুঁইকপ হৈ সি নষ্ট হল, হেজাৰ মান লোকো মৰিল।

কলম্বিয়াত নিল, ধঁপাত, কপাহ, নানা ফল ইত্যাদি উৎপন্ন হয়।

কলম্বিয়াত ৩০ লক্ষ মান মানুহ আছে। সিবিলাকৰ কেত বোৰ স্পানিয়াৰ পৰা গৈ থকা, কেত বোৰ কাফৰী আৰু কেত বোৰ নানা জাতিৰ আদি লোক। তাত খ্রীষ্টীয়ান ধর্ম্মক ।১৫৭। মানে, আদি অসভ্য জাতি বোৰেও সেই ধর্ম্মকে প্রায় মানে।

কলম্বিয়া পূর্ব্বে স্পানিয়াৰ অধীন আছিল, কিন্তু অলপৰ পৰা স্বতন্ত্র তিনি ৰাজ্য হৈ উত্তৰামেৰিকাৰ সম্মিলিত মণ্ডলৰ দৰে প্রজা সমূহৰ দ্বাৰা শাসিত হৈছে।

PERU.
পিৰু দেশ।

আমেৰিকাৰ সকলো দেশতকৈ পিৰু ধনৰ নিমিত্তে প্রসিদ্ধ, আৰু স্পানিয়া হঁত তালৈ জোৱাৰ পূর্ব্বে তাৰ লোক বিলাক মেক্‌চিকো দেশতকৈও অনেক কথাত সভ্য আছিল। তাৰ সকলো ঠাই একে দৰৰ নহয়, এডোখৰ উর্ব্বৰা আৰু এডোখৰ মৰু, আৰু কপাহ, চেনি, নানা শস্য, আৰু এবিধ গচৰ চাল যাৰ পৰা বৰ ঔষধ হয় ইত্যাদি ভাল২ বস্তু উৎপন্ন হয়, কিন্তু এটাইতকৈ পেৰুৰ সোন হে প্রখ্যাত, তাৰ সমান সোন কোনো দেশত নাই।

পেৰুৰ ৰাজধানী লিমা দুই পর্ব্বতৰ গুহা এখনত আৰু সাগৰৰ পৰা ওচৰত। কজকো নামে যি আৰু এখন নগৰ আছে সি পূর্ব্বে পেৰুৰ ৰাজধানী আছিল আৰু ইন্‌কা নামে সেই দেশৰ ৰজা তাতে বাস কৰিছিল। যেতিয়া স্পানিয়া হঁতে প্রথমে সেই নগৰ ললে তেতিয়া তাত সোনেৰে ভূষিত সূর্য্যৰ মন্দিৰ এটা আছিল, তাত নানা মূর্ত্তি বিলাক আছিল।

পেৰুত ২০ লক্ষ মান মানুহ আছে, তাত স্পানিয়াৰ মানু ।১৫৮। হতকৈ পূর্ব্বৰ আদি লোক হে সৰহ, সিহঁত আন জাতি বিলাকৰ দৰে ভয়ানক নহয় কিন্তু নিচেই মৃদু। পেৰুত স্পানিয়া দেশৰ খ্রীষ্টীয়ান্ ধর্ম্মকো মানে।

তাত প্রজা সমূহৰ দ্বাৰা ৰাজ্য শাসন হৈছে।

BOLIVIA.
বলিবিয়া দেশ।

পূৰ্ব্বে পেৰু আৰু বলিব্বিয়া একে খন ৰাজ্য আচিল আৰু বলিৰিয়াক ওপৰ পেৰু, পেৰুক নামনি পেৰু বুলিচিল; পাচে বলিব্বিয়া নামে সেনাপতিৰ পুৰুষাৰ্থত ওপৰ পেৰু ১৮২৫ ইংৰাজি শঁকত স্পানিয়াৰ অধীন গুচি স্বতন্ত্র হৈ প্রজা সমূহৰ ৰাজ্য স্থাপন কৰাত দেশক সেনাপতিৰ নাম দিলত বলিব্বিয়া হল।
বলিৰিয়া উৎপন্ন দ্রব্য, বায়ু আৰু অনেক কথাত পেৰুৰ নিচিনা, তাত অনেক ৰূপৰ আকৰ আচে, তাৰ ৰাজধানী চুকুইজাকা নগৰ। চুকুইজাকাৰ অর্থ ৰূপ, সি হেতুকে তাৰ গুৰিত অনেক ৰূপ পোৱা জায়।

CHILI.
চিলি দেশ।

আন্দিচ্ পৰ্ব্বত সাৰি আৰু পাচিফিক্ মহাসাগৰৰ মাজতে যি ঠেক দেশ সেয়েই চিলি। সি অতি উৰ্ব্বৰা আৰু তাৰ ।১৫৯। বায়ু বৰ ভাল, সোন ৰূপ তাম লো ইত্যাদিৰ অনেক আকৰ আচে, আৰু চেনি, কপাহ, তেল, মদ, শস্য, নানা বিধৰ ফল ভালেমান হয়। তাত অনেক আগ্নেয় পৰ্ব্বত আচে আৰু ভুঁইকপ বৰ ঘনকৈ হয়; তাৰ ৰাজধানী চল্লিচ্ হেজাৰ মান লোক থকা চান্তিয়াগো নামে নগৰ; ৱালপেৰিজো, কন্ চেপ্চন আৰু ৱাণ্ডিব্বিয়া নামে আৰু তিনি নগৰ আচে।
চিলিত ১৫ লক্ষ মান মানুহ আচে। তাৰ আদি লোক বোৰ দক্ষিণামেৰিকাৰ সকলো জাতিতকৈ সাহিয়াল, স্পানিয়াৰ পৰা জোৱা লোকো অনেক; চিলিও আন বোৰ ৰাজ্যৰ দৰে স্বাধীন প্রজা সমূহৰ দ্বাৰা শাসিত হৈচে।

LAPLATA.
লাপ্লাতা দেশ।

লাপ্লাতা, পাৰাগুৱে, আৰু বান্দা অৰিএণ্টল এই তিনি দেশকে এক ৰাজ্য বোলা জায়। লাপ্লাতা নিচেই সমান ঠাই, নদী সৰহ নাই, তেও বৰ উৰ্ব্বৰা

কিন্তু চাহ ভালকৈ হয়, আৰু তাৰ পথাৰ বিলাকত অনেক জন্তু চৰে, তাৰ ঘাই বাণিজ্যৰ দ্ৰব্য নোম আৰু চাল।

লাপ্লাতাৰ ৰাজধানী লাপ্লাতা নামে নদীৰ পাৰত বোইনচ্-এইৰীচ নামে এক প্ৰধান নগৰ। পাৰাগুৱেৰ প্ৰধান নগৰ এচম্প্চন, আৰু বান্দা অৰিএন্টলৰ নগৰ মন্টৱিদিও। লাপ্লাতাত অনেক অসভ্য আদি লোক আচে। এই জাতিৰ ।১৬০। সমান সোৰোপা মানুহ পৃথিবীৰ কতো নাই, সিহঁতে প্ৰায়েই ঘোৰাৰ ওপৰত ফুৰে।

লাপ্লাতা প্ৰজা সমুহৰ দ্বাৰা শাসিত হৈচে, কিন্তু সি কেউ ৰাজ্য একে লগে সুন্দৰ হোৱা নাই। পাৰাগুৱেত ৰাজ্য শাসন বেলেগ।

BRAZIL.
ব্ৰাজিল দেশ।

দক্ষিণামেৰিকাৰ সকলো দেশতকৈ ব্ৰাজিল ডাঙ্গৰ, সি বৰ উৰ্ব্বৰা আৰু অনেক নদী আচে। তাৰ ৰাজধানী ৰাইও-ডি-জেনিৰো নামে এক নগৰ, তাতে পাত্চা থাকে। পৰ্ণাম্বুকো আৰু চেইন্ট চাল্ৱেদৰ নামে দুই বাণিজ্যৰ নগৰ আচে।

ব্ৰাজিলত চেনি, কপাহ, চাউল, নিল, ধঁপাত, আবলখ আৰু মেহগ্নিকে আদি কৰি নানা বিধৰ কাঠ, নদী বিলাকৰ পৰা ধুই পোৱা সোন গুৰি আৰু হিৰা এই সকল বস্তু উৎপন্ন হয়।

ব্ৰাজিলত ৪০ লক্ষ মান লোক আচে তাৰে ইউৰোপৰ পৰা গৈ বহা লোক অলপ হে, আফ্ৰিকাৰ গোলাম হে অনেক।

ব্ৰাজিল ৰাজ্য পাত্চা এজনৰ দ্বাৰা শাসিত হৈচে, কিন্তু তেঁও স্বাধীন নহয়।।১৬১।

GUIANA.
গুইয়ানা দেশ।

গুইয়ানা দেশ ডাঙ্গৰ, তাৰ দক্ষিণ ডোখৰ ব্ৰাজিলৰ অধীন, মাজ ডোখৰ ইংলণ্ড, ফ্ৰান্স আৰু হলাণ্ড এই তিনি জাতিৰ অধীন।

ইংৰাজৰ অধীন গুইয়ানা বৰ দ কিন্তু উৰ্ব্বৰা আৰু অনেক বস্তু উৎপন্ন হয়। তাৰ ৰাজধানী জৰ্জ টাউন দেমাৰাৰা নদীৰ পাৰত, কুৰি হেজাৰ মান মানুহ আচে। ন এমষ্টৰ্ডম নামে আৰু এক নগৰ আচে।

চৰিনাম অৰ্থাৎ হলাণ্ডৰ গুইয়ানাও সেই দৰে দ আৰু সি ভাল হবৰ উপক্ৰম হৈছে, তাৰ ৰাজধানী চৰিনাম নৈৰ পাৰত পৰা মাৰিবো নগৰ।

কেইনী অৰ্থাৎ ফ্ৰান্সৰ গুইয়ানাত অনেক হাবি আছে, তাৰ গছ বোৰ বৰ ডাঙ্গৰ, লৱঙ্গও তাত হয়। কেইনীৰ ৰাজধানী কেইনী নামে নগৰ।

PATAGONIA.
পাটেগোনিয়া দেশ।

পাটেগোনিয়া কোনো ইউৰোপৰ জাতিৰ অধীন নহয়, কিন্তু তাত যি আদি লোক বোৰ আছে সিহঁত অতি ভয়ানক, ।১৬২। ঘোৰাত উঠি ফুৰে আৰু তাহাঁতৰ নিচিনা মানুহ আন কোনো দেশত নাই।

পাটেগোনিয়াৰ লোক বোৰ অসভ্য হেতুকে তাত নগৰাদি নাই, অকল চেণ্টজুলিয়ন নামে সমুদ্ৰৰ তীৰত যি এক ঠাই আছে তাতে মাজে২ জাহাজ ৰয়।

ISLANDS CONNECTED WITH AMERICA.
আমেৰিকাৰ উপদ্বীপ বিলাক।

আমেৰিকাৰ এটাই উপদ্বীপতকৈ গ্ৰীণলণ্ড ডাঙ্গৰ, তাক পূৰ্ব্বে উপদ্বীপ বুলি নেজানিচিল কিন্তু অনেক পূৰ্ব্বৰে পৰা ইউৰোপৰ লোকে তাক দেখিছে। তাৰ মাজত মানুহ নাই, পূৰ্ব্ব আৰু পশ্চিমে সমুদ্ৰৰ পাৰত হে লোক থাকে, এই উপদ্বীপ দেন্মাৰ্ক্কৰ অধীন আৰু দুই এক ঠাইত দেন্মাৰ্ক্কৰ লোকে গৈ বহিছে। গ্ৰীণলণ্ডত লাপ্‌লাণ্ডৰ নিচিনা বৰ জাৰ, মাটিও অতি মৰু আৰু সূৰ্য্যও কেই মাহ মানলৈ উদয় অস্ত নহয়। আমেৰিকাৰ এচকুইনকচ জাতিয়ে আৰু গ্ৰীণলণ্ডৰ লোকে একে দৰৰ, গ্ৰীণলণ্ডৰ মানুহ বোৰ চুটি, মাচ আৰু পহুৰ মঙহ খাই থাকে, আৰু তাৰ তিৰোতা বোৰে ঘৰ বন্ধাকে আদি কৰি এটাই মুনিহৰ বন কৰে। সিহঁতে নিচেই সৰু পজা একোটিত থাকে, কাকো কেৰে সেৱা নকৰে আৰু চুৰ নকৰে। গ্ৰীণলণ্ডত বগা ভালুক আৰু ৰেইন-ডিয়ৰ নামে পহু পোৱা জায়, কিন্তু তাৰ গুৰিৰ সমুদ্ৰত হুৱেল নামে যে এবিধ মকৰ মাচ ।১৬৩। পোৱা জায় সি হে অতি আচৰিত। পৃথিবীৰ সকলো জন্তুতকৈ মকৰ মাচ ডাঙ্গৰ, সি ডাঙ্গৰ হবলৈ পালে ১৫০ হাত মান দিঘল হয়, কিন্তু প্ৰায় ৫০/৬০ হাত দিঘল। তাৰ শৰীৰৰ তিনি ভাগৰ এভাগ মুৰটো, তাৰ নেগুৰ ৯ হাত

দিঘল, পাখি ২৪ হাত বহল, আৰু চকু বোৰ গৰুৰ চকুৰ মান। এই মাচ ধৰি তাৰ তেল আনিবলৈ বচৰি ইংলণ্ডাদি দেশৰ পৰা ৪০০/৫০০ জাহাজ জায়। আৰু তাক ধৰাও বৰ আচৰিত। জাহাজৰ পৰা সৰু নাৱেৰে মানুহ গৈ মকৰৰ গাত টেটা মাৰে। তাতে তললৈ গৈ আকৌ উসাহ লবলৈ উঠিলে আকৌ টেটা মাৰে। শেষত মকৰ ভাগৰি ওপঙিলে জাঠিৰে খুঁচি মাৰে, আৰু তাৰ গাৰ তেল কাটি লয়, আৰু একোটা মকৰৰ গাত আশী পিপা তেল হয়, তাৰ দৰ আঢ়াই হেজাৰ টকা।

নিউ ফাউণ্ডলণ্ড, কেপ বৃটন, আৰু প্ৰিঞ্চ এড্ওৱাৰ্ডৰ উপদ্বীপ উত্তৰামেৰিকাত ইংৰাজৰ দেশৰ এডোখৰ।

বৰ্ম্মূদা নামে চাৰিশ মান নিচেই সৰু২ উপদ্বীপ আচে, কিন্তু তাত প্ৰায়েই লোক নাই আৰু মৰু। তাৰ বায়ু ভাল দেখি অনেক লোক নৰিয়া ভাল হবলৈ তালৈ জায়।

দক্ষিণামেৰিকাত ইংৰাজৰ অধীন ত্ৰিনিদাদ নামে উপদ্বীপ। তাত নিল, ধঁপাত, চেনি, কপাহ ইত্যাদি হয়, কিন্তু তাৰ বায়ু নিচেই বেয়া। ফাল্কলণ্ড নামে কেত বোৰ, আৰু পাটেগোনিয়াৰ দক্ষিণে তেৰা-দেল-ফ্যুগো নামে এখন বৰ উপদ্বীপ, তাত অসভ্য এক জাতি লোক বাস কৰে। জুৱান ফৰ্ম্মন্দচ্,। ১৬৪। চেইণ্ট ফিলিক্চ্, মাল্লিলো, গেলিপেগো ইত্যাদি সৰু সৰু উপদ্বীপ আচে।

WEST INDIES.

কলম্বিয়ন উপদ্বীপ বিলাক।

উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ মাজত কলম্বিয়ান নামে অনেক বৰ সৰু উপদ্বীপ আচে, তাৰে কেত বোৰ ইংৰাজৰ অধীন আৰু কেত বোৰ ফ্ৰান্স, স্পানিয়া, হলাণ্ড, দেন্মাৰ্কাদি দেশৰ অধীন। ইংৰাজৰ এটাইতকৈ সৰহ, প্ৰধান এই২।

জেমেকা দ্বীপ অতি সুন্দৰ আৰু উৰ্ব্বৰা, তাৰ পৰা অনেক চেনি, মদ, নিল, কপাহ, মেহগ্নি কাঠ আন দেশলৈ জায় আৰু তাৰ প্ৰধান নগৰ কিংষ্টন আৰু স্পানিচ্ টাউন সমুদ্ৰৰ তীৰত। জেমেকাত তিনি চাৰি লক্ষ লোক আচে।

বাহামা উপদ্বীপ বিলাক অনেক, পাঁচ শতকৈ বঢ়া, তাৰে চেইণ্ট-চাল্বেদৰ উপদ্বীপকে কলম্বচে প্ৰথম দেখিচিল, প্ৰৱিদেঞ্চ উপদ্বীপতে ৰাজধানী।

বাৰ্ব্বেদোজ উপদ্বীপ বিলাক অতি পূৰ্ব্বৰে পৰা ইংৰাজৰ, তাৰ ৰাজধানী বৃজ্টাউন। এই সকল উপদ্বীপত বাজে লিউয়াৰ্দ নামে এজুম যোৰ মধ্যত ঘাই

বৰ্জিন উপদ্বীপ, দমিনিক ইত্যাদি) আৰু উইণ্ড ওৰাৰ্দ নামে এজুম এই বিলাক ইংৰাজৰ অধীন।। ১৬৫।

স্পানিয়াৰ অধীন ক্যুবা আৰু পৰ্তোৰিকো নামে দুখন বৰ২ উপদ্বীপ। এটাই বোৰ কলম্বিয়ন উপদ্বীপকে গোটালে যিমান হব অকল ক্যুবাই তিমান হব, তাৰ মাজে২ এসাৰি পৰ্ব্বত আচে আৰু সি বৰ উৰ্ব্বৰা, তাৰ ৰাজধানী হাৱানা নামে এখন বৰ নগৰ। পৰ্তোৰিকোও সৰু নহয় আৰু অতি উৰ্ব্বৰা, তাৰ মুখ্য নগৰ চাঞ্জুয়ান।

ফ্ৰান্সৰ অধীন উপদ্বীপ সৰহ নোহোৱা হৈচে, প্ৰধান গোৱাদিলোপ আৰু মাতিনিকো হলাণ্ডৰ অধীন। কৰকেও আৰু ইউষ্টেচিয়া, দেম্মাৰ্কৰ চেণ্ট, ক্ৰুজ থমচ আৰু চেণ্ট জন, আৰু স্বীদনৰ বাৰ্থলম্যু ইত্যাদি সৰু২ উপদ্বীপ।

হেইটী নামে এখন বৰ উপদ্বীপ আচে। পূৰ্ব্বে সি ফ্ৰান্সৰ অধীন আচিল, পাচে তাত আফ্ৰিকাৰ যিবোৰ গোলাম আচিল সিহঁত গোট খাই ইউৰোপৰ পৰা অহা এটাই বগা মানুহক খেদি কাফ্ৰি হঁতৰে সমূহ ৰাজ্য শাসন স্থাপন কৰিলে। তাৰ ৰাজধানী পোৰ্ত-আপৃঞ্চ।

কলম্বিয়ন উপদ্বীপ বিলাক প্ৰথমে কলম্বচে দেখিলে, কিন্তু তেঁও তাক ভাৰতবৰ্ষৰ এডোখৰ বুলিলত সেই উপদ্বীপ বিলাকৰ পশ্চিম ভাৰতবৰ্ষৰ উপদ্বীপ নামো হল। তেতিয়া তাত অতি শান্ত আৰু জাতি এবিধ লোক আচিল, পাচে ইউৰোপৰ লোকে সিহঁতক খেদি নানা উপদ্বীপত বহিলেগৈ আৰু খেতি কৰিবলৈ অনেক গোলাম আফ্ৰিকাৰ পৰা ।১৬৬। নিলে। এই হেতুকে এই উপদ্বীপ বিলাকত বগা মানুহ অলপহে, কাফ্ৰিৰ সঁচ হে সৰহ।

কলম্বিয়ন উপদ্বীপ বোৰত অনেক ভাল২ বস্তু হয় আৰু সেই বোৰ প্ৰায় ইউৰোপলৈ জায়; চেনি, ধঁপাত, কপাহ, নিল, বনৌষধি, সুমথিৰা টেঙ্গা ইত্যাদি ফল আৰু নানা বিধৰ কাঠ তাৰ উৎপন্ন দ্ৰব্য।

HISTORY OF AMERICA.

আমেৰিকাৰ বুৰঞ্জি।

ইংৰাজি ১৪৯২ শঁকত কলম্বচে কি ৰূপ আমেৰিকা প্ৰথমে দেখিলেগৈ তাৰ কথা আমি পূৰ্ব্বেই লেখিচোঁ। ইউৰোপৰ পৰা যেতিয়া লোকে আমেৰিকালৈ গল তেতিয়া তাৰ মানুহ বোৰ প্ৰায়েই অতি অসভ্য আচিল। মেক্‌চিকো, পিৰু আৰু দক্ষিণামেৰিকাৰ ঠায়ে২ মানুহ বোৰ তিমান নজনা নাচিল, কিন্তু সিহঁতৰ কাপৰ ঘৰ আৰু নগৰ ইত্যাদি আচিল।

কোনো২ ঠাইৰ মানুহৰ অনেক সোন আছিল দেখি তাকে পাবৰ নিমিত্তে স্পানিয়া আৰু পৰ্ত্তুগলৰ অনেক মানুহ আমেৰিকালৈ গৈ সোন কত আছে দেখুৱাবলৈ তাৰ মানুহক বৰ যাতনা দিলে, সেই বিলাক কোৱাই অযুগুত। স্পানিয়া হঁতে মেক্‌চিকোৰ লোককেৰে ৰণ কৰি তাহাঁতৰ ৰাজধানী লৈ তাতে বাস কৰিলে। তাৰ পাচে ভালেমান ।১৬৭। লোকে সোন লুটি আনিবলৈ দক্ষিণামেৰিকাৰ চাৰিও ফালে গল। পিজাৰো নামে এজনে কেতবোৰ সেনাই সৈতে পিৰুলৈ গৈ তাৰ যি ইঙ্কা অৰ্থাৎ ৰজা তাক বন্দি কৰিলে, তাতে সেই ইঙ্কাই এৰি দিলে যি ঘৰত তেঁওক বন্দি কৰিচিল সেই ঘৰ ভৰাই সোন দিম বুলিলত পিজাৰোৱে মানতি হল, কিন্তু তেও সোন পাইও দুষ্ট আৰু নিষ্ঠুৰ পিজাৰোৱে ইঙ্কাক মাৰিলে।

কেই বচৰ মানৰ মুৰত দক্ষিণামেৰিকাৰ অনেক ঠাই, মেক্‌চিকো আৰু কলম্বিয়ান উপদ্বীপ বিলাকত স্পানিয়া পৰ্ত্তুগল আৰু আন ইউৰোপৰ লোকে বসতি কৰিলে। ন কৈ বহা সেই মানুহ বোৰ মাতৃ দেশৰ অধীন হৈ আছিল, পাচে অলপ দিন হল মেক্‌চিকো আৰু ব্ৰাজিলত বাজে এটাই দক্ষিণ আমেৰিকাৰ দেশেই স্বাধীন হল আৰু উত্তৰামেৰিকাৰ সম্মিলিত মণ্ডলৰ দৰে শাসিত হৈচে। ব্ৰাজিলো পৰ্ত্তুগলৰ অধীন গুচি স্ব ৰজাৰ অধীন হৈচে।

উত্তৰামেৰিকাৰ সম্মিলিত মণ্ডলত যি বোৰ উপপ্লব হব তাৰ বিবৰণ লিখা গৈচে আৰু সেই দেশ কুশলে থাকিব হেন দেখা গৈচে।।১৬৮।

AUSTRALASIA.
অষ্ট্ৰেলাসিয়া।

আসিয়াৰ দক্ষিণ পূৰ্ব্বে ন হলাণ্ড, ৱান্দিমনৰ ভূমি, ন গিণি, ন জিলণ্ড, ন আয়ৰ্লণ্ড, ন বৃটন, ন হিব্ৰাইদীচ, ন কালিদোনিয়া ইত্যাদি যি দ্বীপ আৰু উপদ্বীপ আচে তাকে অষ্ট্ৰেলাসিয়া বোলে।

NEW HOLLAND.
ন হলাণ্ড।

অষ্ট্ৰেলিয়া বা ন হলাণ্ড পৃথিবীৰ সকলো বোৰ উপদ্বীপতকৈ ডাঙ্গৰ আৰু সি প্ৰায় ইউৰোপ খণ্ডৰ মানেই হব দিঘলে ২৭৫০ মাইল মান, পুতলে প্ৰায় দুই

হেজাৰ মাইল। তাৰ সমুদ্ৰৰ তিৰৰ ঠাইহে লোকে দেখিচে, কিন্তু মাজলৈ কেৱে জাব পৰা নাই। অষ্ট্ৰেলিয়াৰ পূব পিনে সমুদ্ৰৰ পাৰৰ অনেক ঠাইত ইংৰাজে আহি বহিচে আৰু সেই ঠাইকে ন দক্ষিণ উৱেল্চ বোলে, তাত চিদ্নি নামে নগৰ আচে, পশ্চিমে চোৱান নদিৰ পাৰত আৰু দক্ষিণেও অনেক ইংৰাজ বহিচে।

অষ্ট্ৰেলিয়াত দুই জাতি মানুহ আচে অৰ্থাৎ ইংৰাজ আৰু তাৰ আদি লোক।।১৬৯।

ইংগ্লণ্ডৰ পৰা অষ্ট্ৰেলিয়ালৈ কিচু মান বচৰৰ পৰা অনেক মানুহ গৈ বসতি কৰিব ধৰিচে কিন্তু আপোনাৰ ইচ্ছাৰে যি জায় তাত বাজেও ইংগ্লণ্ড দেশৰ অপৰাধী লোক ভালে মানক তালৈ পঠায়। সম্প্ৰতি এই ৰূপে অনেক ইংৰাজ গৈ আচে আৰু তাত বিদ্যালয় পুস্তকালয় আৰু বাণিজ্যালয় ইত্যাদিও হৈচে, এতেকে কিচু কালৰ মুৰত ন হলাও আমেৰিকাৰ নিচিনা হবৰ আগন্তুক হৈচে। ১৮৩৩ ইং শংকত অষ্ট্ৰেলিয়াত নকৈ বহা ইংৰাজ ষাঠি হেজাৰ হৈচিল।

অষ্ট্ৰেলিয়াৰ নিজ লোক বোৰৰ দৰে অসভ্য প্ৰায়েই নাই। সিহঁতৰ বৰণ কাফ্ৰি বোৰৰ দৰে অতি কলা, আৰু গঢ়ো প্ৰায়েই তাহাঁতৰ দৰেই। তীৰত থকা বোৰে মাচ মাৰিয়েই দিন খেদায় আৰু যি নাৱত ফুৰে সিও চৰিয়াটিৰ মান, কষ্টে এটি মানুহ বহি জায়, সিহঁতে খেতি কৰিব বা জন্তু পুহিবৰ ভু নেপায় আৰু তীৰৰ পৰা আঁতৰত যি থাকে সিহঁতে ফল মূল আৰু পোক পৰুৱা খাই থাকে। সিহঁতে গাঁতত বা গচৰ চালক নাৱৰ চৈ হেন কৰি তাতে থাকে আৰু গোটেই নাঙট হৈ ফুৰে, গাত মাচৰ তেল বোৰ ঘঁহে আৰু জন্তুৰ দাঁত, মাচৰ হাৰ, কুকুৰৰ নেগুৰ ইত্যাদিক অলঙ্কাৰ বুলি পিন্ধে। সিহঁতৰ ৰজা নাই ব্যৱস্থাও নাই সমাজো নাই, কিন্তু এটাইতকৈ তিৰোতাক সিহঁতে যি ৰূপে ব্যৱহাৰ কৰে সিহে আচ ।১৭০। ৰিত। কোনো মানুহে যি জনি তিৰোতা বিয়া কৰাব খোজে তাইক চল চাই অকলে পালে আদিতে তাইক টাঙ্গন এডালেৰে মাৰ মাৰি বগৰাই পেলায়, পাচে কিলৰ উপৰি কিলাই সিল বা হুলৰ মাজেৰে টানি ঘৰলৈ আনে আৰু সদাই সেই ৰূপে থাকে। সিহঁতৰ ধৰ্ম্ম প্ৰায়েই না থাকিবৰ নিচিনা কিন্তু ভূত প্ৰেত ইত্যাদি আচে বুলি মানে।

VANDIEMEN'S LAND.
ৱান্দিমনৰ উপদ্বীপ।

অষ্ট্ৰেলিয়াৰ দক্ষিণে ৱান্দিমনৰ ভূমি নামে এখন তাতকৈ ভালে মান সৰু উপদ্বীপ আচে। আৰু অষ্ট্ৰেলিয়াৰ পৰা বাচৰ মোহনাৰ দ্বাৰা বেলেগ হৈচে, তাত

প্ৰায়েই ইংগ্লণ্ডৰ পৰা গৈ বহা লোক হে, তাৰ নিজ লোক সৰহ নাই, তাৰ ৰাজধানী হোবাৰ্ট্ টাউন।

ৱান্দিমনত মুঠে ডেৰ হেজাৰ মান হে তাৰ নিজা লোক আচে, সিহঁত ন হলাণ্ডৰ মানুহতকৈও অসভ্য, মাচ মাৰিব বা নাও কৰিবৰো ভু নেপায়।

NEW ZEALAND.
ন জিলণ্ড।

অষ্ট্ৰেলিয়াৰ দক্ষিণ পূৰ্ব্বে কিচুমান আঁতৰত ন জিলণ্ড ।১৭১। নামে দুখন বৰ২ উপদ্বীপ, আৰু কুকৰ মোহনাই দুইকো বেলেগ কৰে। তাৰ বায়ু ভাল আৰু মাটিও অতি উৰ্ব্বৰা, নানা শস্য হয়। তাৰ মাজত অনেক পৰ্ব্বত আচে আৰু দেখিবুলৈ বৰ ভাল।

তাৰ লোক বোৰ ন হলাণ্ডৰ মানুহৰ দৰে অসভ্য আৰু কলা নহয় কিন্তু কিচু সভ্য, তাহাঁতৰ ৰজাৰ নিচিনা একো জন আচে, তেও সিহঁত এনেহে নিষ্ঠুৰ আৰু ভয়ানক যে সদাই ৰণ কৰি থাকে আৰু শত্ৰুক বধিব পাৰিলে তাৰ মঙহ বোৰ খায়। সম্প্ৰতি অনেক ভাল ইংৰাজ গৈ সিহঁতক সভ্য কৰিবৰ পুৰুষাৰ্থ কৰিচে আৰু সভ্য হবও।

ন গিনি ইত্যাদি।

অষ্ট্ৰেলাসিয়াৰ সকলো বোৰ উপদ্বীপতকৈ ন গিনি ডাঙ্গৰ, অকল ন হলাণ্ডতকৈ হে সৰু। এই উপদ্বীপলৈ ইউৰোপৰ মানুহ প্ৰায় সোমোৱাই নাই, দুই এজন হে গৈচে। তাৰ মানুহ বোৰ কলা কিন্তু ন হলাণ্ডৰ লোকতকৈ কিচু সভ্য।

এই বিলাক উপদ্বীপত বাজে ন আয়ৰ্লণ্ড, ন বৃটন, ন হিব্ৰাইদিচ, ন কালিদোনিয়া আৰু সুলিমানৰ উপদ্বীপ নামে যি বোৰ আচে তাৰ লোক বোৰ প্ৰায়েই অসভ্য।।১৭২।

POLYNESIA.
পলিনাসিয়া।

পলিনাসিয়া অৰ্থাৎ বহু দ্বীপ নাম পাচিফিক্ মহাসাগৰত যে কেতবিলাক নিচেই সৰু২ উপদ্বীপ আচে তাকে দিয়া জায়। সেই উপদ্বীপ বোৰ প্ৰায়েই

ভুঁইকপ আৰু সৰু২ পোকৰ দ্বাৰা হৈছে, তাৰে প্ৰধান এই২— ফ্ৰেণ্ডলী অৰ্থাৎ মিত্ৰ ভাৱ উপদ্বীপ জুম বৰ উৰ্ব্বৰা, কুঁহিয়াৰ কল ইত্যাদি নানা বস্তু উৎপন্ন হয়। তাৰ মানুহ বোৰ অতি মৃদু আৰু এটাইয়ে সৈতে মিত্ৰ ভাৱে থাকে আৰু কিচু সভ্যাও।

চোচাইটী অৰ্থাৎ সমূহ উপদ্বীপ বিলাকৰ ভিতৰত অটাহিট্ উপদ্বীপ ডাঙ্গৰ, তাত অনেক শস্য হয়, তাৰ লোক বোৰ অনেক সভ্য, কাপৰকে আদি কৰি শিল্প বিদ্যা কিচু জানে আৰু সিহঁতৰ ধৰ্ম্মও নিচেই বেয়া নহয়, এতিয়া ইউৰোপৰ লোকে সিহঁতক সভ্য হৱলৈ শিকাইচে।

চান্দ্বীচ উপদ্বীপ জুমৰ মধ্যত মুখ্য অহাইহি উপদ্বীপ, তাতে যি কাপ্তান কুকে পৃথিবী ঘুৰি নানা উপদ্বীপ দেখিলে, তেঁৱেই বধ গল। এই২ জুম উপদ্বীপত বাজে মাৰ্ক্যইচ, কেৰোলাইন আৰু লেদ্ৰোন নামে তিনি জুম আৰু আচে।

পলিনাসিয়াৰ উপদ্বীপ বিলাকত আন্দাজ পাঁচ লক্ষ মান ।১৭৩। মানুহ আচে। সিহঁতৰ স্বভাৱ অতি ৰঙ্গিয়াল আৰু শিষ্ট, কিন্তু অনেক কথাত অসজ্ঞৈ, বৰ নিষ্ঠুৰ ৰূপে যুদ্ধ কৰে, আৰু আজি লৈকে কোনো২ উপদ্বীপৰ মানুহে মানুহ খায়। সিহঁতৰ ধৰ্ম্ম প্ৰায়েই প্ৰতিমা পূজা কিন্তু এতিয়া ইউৰোপৰ লোকে গৈ অনেকক খ্ৰীষ্টীয়ান ধৰ্ম্মলৈ আনিচে। সিহঁতে নাচিবলৈ বৰ প্ৰীতি কৰে আৰু সাঁতৰি বা নাৱত ৰঙ্গ কৈ প্ৰায় কাল থাকে।

OF MAPS.

মেপ অৰ্থাৎ পৃথিবীৰ নক্চাৰ কথা।

মেপ নহলে ভূগোল বিদ্যা বুজিব নোৱাৰি, আৰু তাক চালে অনেক কথা শিকিব পাৰি। মেপত গোটেই পৃথিবীৰ বা তাৰ কোনো এক খণ্ডৰ নক্চা থাকে, আৰু তাক চাই কোন দেশ কোন পিনে, কিমান ডাঙ্গৰ, এই বোৰ এটাইকে জানিব পাৰি।

মেপৰ ওপৰৰ পিনে উত্তৰ, তলৰ পিনে দক্ষিণ, আৰু সোঁ হাতৰ পিনে পূব আৰু বাঁও হাতৰ পিনে সদাই পশ্চিম।

মেপ বিলাকত অকল দেশৰ হে নক্চা আচে এনে নহয়, কিন্তু তাত অনেক ৰেখাও আচে, আৰু সেই ৰেখা বোৰৰ অৰ্থ নেজানিলে নহয়। পৃথিবীৰ যে কীলক, তাৰ দুই মূৰক ।১৭৪। উত্তৰ আৰু দক্ষিণ কেন্দ্ৰ বোলে। ভূগোল বেত্তা সকলে পৃথিবীক এটা বৰ ৰেখা কল্পনা কৰি সমানে দুভাগ কৰিচে আৰু সেই ৰেখাকে ৰেখা ভূমি বোলে।

এই ৰেখা ভূমিৰ পৰা উত্তৰে আৰু দক্ষিণে দুইও কেন্দ্ৰ লৈকে যি ৰেখা বিলাক আচে তাকে অক্ষাংশ বোলে, আৰু প্ৰতি অক্ষাংশ ৬৯।।০ মাইলৰ সমান। ৰেখা ভূমিৰ পৰা উত্তৰে আৰু দক্ষিণে যি যি ঠাই আচে সি ইয়ে সিয়ে কিমান আঁতৰ তাকে জানিবলৈ অক্ষাংশ ৰেখা দিয়ে। যদি ৰেখা ভূমিত কোনো ঠাই থাকে তেন্তে তাৰ এক অক্ষাংশ উত্তৰে যি ঠাই থাকে সি তাৰ পৰা ৬৯।।০ মাইল উত্তৰে থকা বুলি জনা জায়।

এই ৰূপে যদি কোনো ঠাই দক্ষিণে ১ অক্ষাংশত থাকে তেন্তে সিও ৰেখা ভূমিৰ পৰা ৬৯।।০ মাইল আঁতৰ বুলি জনা জাব। মেপত থিয়কৈ যিবিলাক ৰেখা দিয়া দেখা, তাকে দ্ৰাঘিমা বোলে, আৰু তাৰ দ্বাৰা পূৰ্ব্ব আৰু পশ্চিমে যিবোৰ ঠাই থাকে সি পৰস্পৰ কিমান দূৰ তাকে জনা জায়। অক্ষাংশ যেনেকৈ ৰেখা ভূমিৰ পৰা গণে, দ্ৰাঘিমা যৰ পৰা ইচ্ছা তৰে পৰা গণিব পাৰি। ইংৰাজি মেপত লণ্ডন নগৰৰ গুৰিৰ গ্ৰীন হুইচ্‌ নগৰৰ পৰা গণে; সেই নগৰৰ দ্ৰাঘিমাই প্ৰথম দ্ৰাঘিমা, আৰু তাৰ পৰা যি ঠাই পূৰ্ব্ব বা পশ্চিমে থাকে তাৰ দ্ৰাঘিমা জানিলে কিমান মাইল আঁতৰ তাকো জনা জায়।।১৭৫।

CONCLUSION.
সমাপ্তি।

হে মোৰ প্ৰিয় লৰা বিলাক, ভূগোল বিদ্যা বিষয়ক যি কৰলৈ মোৰ ইচ্ছা আচিল তাক কলোঁ, এতিয়া ময় ভৰসা কৰোঁ যে তোমোলাকে মোৰ কথা বিলাকৰ প্ৰতি মন নিদি থকা নাই। মৌ মাখিয়ে যেনেকৈ যি ফুল পায় তাৰে পৰা মৌ লয় তেনেকৈ তোমোলাকেও যি পুথি পঢ়া তাৰে পৰা জ্ঞান লবা।

তোমোলাকে এই পুথিৰ দ্বাৰা পৃথিবী, তাৰ লোক, আৰু উৎপন্ন দ্ৰব্যাদিৰ কথা জানিলা, তাৰ নিমিত্তে যিজনা মহৎ আৰু কৃপাবান ঈশ্বৰে সকলো বস্তুকে স্ৰজিচে আৰু যাৰ অনুগ্ৰহত সেই বোৰ ৰক্ষা পাই আচে তেঁওক মান্য আৰু প্ৰীতি কৰিব পোৰা।

পৃথিৱীৰ নানা জাতি লোকৰ কথা জানি তোমোলাকৰ জ্ঞানী আৰু ধাৰ্ম্মিকৰ উপমাৰে চলিবলৈ আৰু অসজৰ উপমা এৰিবলৈ মতি হব পাই। নানা দেশৰ বুৰঞ্জি কথা জানি যি কথা অন্যায় আৰু নিষ্ঠুৰ বা দুষ্ট আৰু অযুগুত তাত লাজ কৰি যি কৰ্ম্ম সজ আৰু যুগুত আৰু ধাৰ্ম্মিক তাকে কৰিবলৈ মনক উৎসাহ কৰিবা।

জুই আৰু পানিৰ নিচিনা জ্ঞানেৰে সজ্‌ কৰ্ম্ম কৰিলেহে তাৰ পৰা উপকাৰ হয়, জুইয়ে হাবিকো পুৰিব পাৰে বা পকা ধানৰ পথাৰকো পুৰি নষ্ট কৰিব পাৰে; পানিয়ে মাটি ।১৭৬। উৰ্ব্বৰা কৰিব পাৰে আৰু তল কৰি দেশ চন কৰিবকো পাৰে। সেই নিমিত্তে যেনে জুই পানিৰে সজকৈ ব্যৱহাৰ কৰিলেহে গুণ দৰ্শে, জ্ঞানো সেই দৰৰ বুজিবা।

তুমি কিচু মান ভাবি চালে বুজিবা যে জ্ঞানক সজকৈ ব্যৱহাৰ কৰাৰ পৰা আমাৰ চিন্তা কিমান কমে, আৰু সুখো কিমান বাঢ়ে; পৃথিবী আৰু তাত থকা লোক নো কেনে তাক এটাইয়ে জানিব পাই।

নানা কথাত নানা দেশ ভাল। যি দেশত জহ তাত সোন, হিৰা, নানা বাখৰ, হাতি দাঁত, সুন্দৰ২ ফল, আৰু বনৌষধি ইত্যাদি হয়; কিন্তু যত জাৰ তাত চাল, কাঠ, লো, ইত্যাদি অনেক হয়। যত জাৰো বৰ নহয় আৰু জহো বৰ নহয তাত নানা শস্য আৰু অনেক সুখ ভোগৰ বস্তু হয়। যেতিয়া নানা দেশৰ মানুহে মিত্ৰ ভাৱে স্বদেশৰ বস্তু পৰ দেশৰ বস্তুৰে সলাই, তাৰ পৰা দুই দেশৰ লাভ হয়।

দেশ ফুৰাৰ ঘাই অভিপ্ৰায় এই যে আপোনাৰ দেশৰ ভাল কথা পৰ দেশত প্ৰকাশ কৰা আৰু পৰ দেশৰ সজ কথা স্বদেশলৈ আনি প্ৰকাশ কৰা, এই দৰে মানুহ আনৰ শত্ৰু নহৈ মিত্ৰ আৰু ভ্ৰাতৃ হয়।

পৃথিৱীৰ অনেক দেশ পূৰ্ব্বে বৰ পৰাক্ৰমী আচিল কিন্তু এতিয়া বৰ নিৰ্ব্বলী হৈচে, আৰু যিবোৰৰ নামো পূৰ্ব্বে নাচিল সি এতিয়া এটাইতকৈ বৰ হৈচে।

পৃথিবীৰ মধ্যত সকলো উপদ্বীপতকৈ অষ্ট্ৰেলিয়া ডাঙ্গৰ; ।১৭৭। সকলো সাগৰতকৈ পাচিফিক্‌ ডাঙ্গৰ; সকলো হ্ৰদতকৈ চুপিৰিয়ৰ ডাঙ্গৰ; সকলো নদীতকৈ আমাজন ডাঙ্গৰ; আৰু সকলো পৰ্ব্বততকৈ ধৱল গিৰি ওখ, এই সকল কথা তোমোলাকে পাহৰা নাই হেন পাঁও।

পানিৰ সকলো জন্তুতকৈ মকৰ মাচ ডাঙ্গৰ; মাটিত থকা এটাই জন্তুতকৈ হাতি ডাঙ্গৰ।

তুমি কোনো দেশৰ মানুহক কোন দেশ ভাল বুলি যদি সোধা তেন্তে প্ৰায় এটাইয়ে যি দেশত উপজিচে সেই দেশ ভাল বুলি কব। এনে বুলি সকলোৱে ভাবিব পাই আৰু স্বদেশত এটাইতকৈ সজ হবলৈ পুৰুষাৰ্থ কৰিব পাই। তাতকৈ বঢ়া সুখ আৰু কত আচে? তোমোলাকে সৰুৰে পৰা আপোনাৰ দেশৰ হিত চিন্তিবা।

হে সৰু মিত্ৰটিহঁত, ময় তোমোলাকত সম্প্ৰতি বিদায় ললোঁ হয় কিন্তু তোমোলাকে যদি এই পুথি পঢ়ি বেজাৰ নাই পোৱা তেন্তে আৰু সজ কথা থকা পুথি পঢ়িবলৈ পাবা।

ঈশ্বৰে তোমোলাকক কৃপা কৰি কুশলে ৰাখক আৰু সুমতি দিয়ক।।১৭৮।

শুদ্ধিপত্ৰ।

অশুদ্ধ	শুদ্ধ	পত্ৰ	পংক্তি
ঈৰৰৰ	ঈশ্বৰৰ	১	১১
ষোগ.	যোগ	৬	২
পামিয়েৰে	পানিয়েৰে	ঐ	১২
ক্রিুয়া	ক্রিয়া	১০	২০
মনুয্যৰ	মনুষ্যৰ	১১	১৯
ওৰুক	তুৰুক	১৬	১৮
ও খটচ্‌ক	ওখটচ্‌ক	১৭	৪
চকেচিয়া	চৰ্কেচিয়া	১৮	১২
চিৰিয়াৰ	চিবীৰিয়াৰ	১৯	২২
বগ্‌দদ	বাগ্‌দাদ	২১	২০
নগৰ	নগৰৰ	২২	১
পাৰস্যব	পাৰস্যৰ	২৬	২১
আক্রমন	আক্রমণ	২৮	৮
ত্রজাতি	এজাতি	ঐ	১২
অপোন	আপোন	৩১	২১
নন্দিৰ	মন্দিৰ	৩২	২১
ভলেমান	ভালেমান	৩৪	২২
অহিচে	আহিচে	৩৫	১২
অনুশীপন	অনুশীলন	ঐ	১৩
হিন্দ	হিন্দু	ঐ	১৮
কৈষ্ণব	বৈষ্ণৱ	ঐ	১৯ ।১৭৯।
চবিবচ্	চব্বিচ	৩৬	২২
জহাজ	জাহাজ	৩৮	৯
বা পিচে	ব্যাপিচে	৩৯	১৩
তলৈ	তালৈ	ঐ	১৬
চন ৰগড়	চনৰগড়	ঐ	১৭
ডেখৰ	ডোখৰ	৪১	৩
হ্যস	হ্রাস	ঐ	৯
প্রধন	প্রধান	৪৫	১
আবঙ্গাৱাদ	আৰঙ্গাবাদ	ঐ	১৭
পাৰসী	পাৰচি	৪৬	১৬

অশুদ্ধ	শুদ্ধ	পত্ৰ	পংক্তি
মুযলমান	মুছলমান	ঐ	২২
পৰচেহি	পৰিচেহি	৪৯	২১
পাৰচে	পৰিচে	৫০	৫
ভাৰতবৰ্যলৈ	ভাৰতবৰ্ষলৈ	৫১	১৩
ভাৰতবৰ্যত	ভাৰতবৰ্ষত	৫২	৯
ভলে	ভালে	৫৩	৪
ভাৰতৰৰ্যকৈ	ভাৰতবৰ্ষক	ঐ	৯
ডিকেটৰচ	ডিৰেক্টৰস্	ঐ	১৫
ফাঞ্চ	ফ্ৰান্স	৫৫	১০
কিন্ত	কিন্তু	৬০	৮
কাণ্টস	কাণ্টন	৬২	৪ ।১৮০।
আত্মঘত	আত্মঘাত	৬৬	১৫
আত্রুমণ	আক্ৰমণ	৭২	১৭
মুৰনমান	মুছলমান	৭৩	৫
ইউৰোপৰ	ইউৰোপ	ঐ	১৩
ভাৰবৰ্ষত	ভাৰতবৰ্ষত	ঐ	১৫
পোলণ্ড; দেশ	পোলণ্ড দেশ;	৭৪	১৫
ইংপ্লণ্ড	ইংগ্লণ্ড	৭৫	২০
স্পানিয়াৰা	স্পানিয়াৰ	ঐ	২২
ষি	যি	৭৬	৩
আইৰ, লণ্ডনত	আইয়ৰ লণ্ডত	ঐ	১৩
দেখো	দেখোঁ	৭৮	৫
ইলণ্ড	ইংগ্লণ্ড	৭৯	১০
ইংগুঞ্জ	ইংগ্লণ্ড	৮২	১৫
মামুহে	মানুহে	৮৩	২
কিন্ত	কিন্তু	৮৬	২১
বিষয়	বিষয়া	৯০	৮
লাপ্লাণ্ড	লাপ্লাণ্ড	৯৩	২
তাগ	ভাগ	ঐ	১৮
নমেই	নামেই	৯৫	১৬
চাব	চাৰি	১০১	২২
ফান্স	ফ্ৰান্স	১০৪	২২ ।১৮১।
গমধান	গোমধান	১০৬	৮
পণ্ডিত	পণ্ডিত	১১২	৪
জাদিতে	আদিতে	ঐ	১৬

অশুদ্ধ	শুদ্ধ	পত্র	পংক্তি
খ্রীষ্টী	খ্রীষ্ট	ঐ	ঐ
ইতালিড	ইতালিৰ	ঐ	২২
ৰাজ্যেৰ	ৰাজ্যৰ	১১৮	১৪
ফান্স	ফ্রান্স	১২০	২২
তৰ	তাৰ	১২২	১৩
জকিলে	জিকিলে	১২৩	১৬
আফিকাৰ	আফ্রিকাৰ	ঐ	১৮
নগৰ ধৈ	নগৰতকৈ	১২৪	১৮
উটঁত	উটঁত	১২৯	১২
স্তানে	জানে	১৩২	১
ঐত্যাদি	ইত্যাদি	১৩৩	৬
বর্ণিষ্ঠ	বলিষ্ঠ	ঐ	৮
কৰে	কেৰে	ঐ	১২
অৰু	আৰু	১৩৪	২১
লানুহ	মানুহ	ঐ	২২
ছিঘলে	দিঘলে	১৩৫	২১
যেন	যেন	১৪০	১৫
গাৰু	গাৰ	১৪৪	৯ । ১৮২।
দক্ষিণে	দক্ষিণ	ঐ	১৯
ফান্স	ফ্রান্স	১৪৮	৭
অৰু	আৰু	১৪৯	৩
চালর্চ	চার্লচ	১৫০	৭
কৃযি	কৃষি	ঐ	৯
ইত্যাদিৰ	ইত্যাদি	ঐ	ঐ
ইংগ্লগুৰ	ইংগ্লগুৰ	ঐ	১২
মতের	মতেৰে	১৫২	৩
সাজ২	মাজে২	ঐ	১০
সান	মান	১৫৫	৮
আচে	নগৰ আচে	১৬০	১২
শেযত	শেষত	১৬৩	১০
সৃন্দর	সুন্দৰ	১৬৪	১০
কিষ্টন	কিংষ্টন	১৬৪	১২
স্পানীয়া	স্পানিয়া	১৬৭	৯
যি	যি	ঐ	১৬

ওপৰঞ্চি

An Account of England

ইংগ্লণ্ডৰ বিবৰণ।

এই অসম দেশ নিবাসী লোক সকলে স্বদেশত বাজে পৃথিবীত আন আন যি সকল বৰ বৰ দেশ আচে তাৰ একো কথাৰ ভূ নেপাই, সেই হেতুকে সিবিলাকে আপোনাৰ দেশ অতি দূৰ অৱস্থাত আচে বুলি নেজানে; এতেকে সম্প্ৰতি পৃথিবীৰ ভিতৰত অতি আচৰিত যে ইংগ্লণ্ড দেশ তাৰে সংক্ষেপ বিবৰণ তলত লেখিলোঁ, তাক পঢ়ি মানিলে অনেক উপকাৰ দৰ্শিব।

ইংগ্লণ্ড অৰ্থাৎ আমাৰ দেশাধিপতি ইংৰাজ সকলৰ দেশ অসম দেশৰ উত্তৰ পশ্চিমে, আৰু ইউৰোপ নামে যি পৃথিবীৰ এভাগ তাতে আচে। সি সাগৰৰ মাজত বৰ উপদ্বীপ এখনৰ এভাগ আৰু দিঘলে ৪০০ মাইল পুতলে ২৮০ মাইল।

এই দেশ যি দৰৰ ইংগ্লণ্ড দেশ সেই দৰৰ নহয় আৰু আটাই কথাতে লৰ। এই দেশৰ ভালেমান ঠায়েই হাবি আৰু পৰ্ব্বতিয়া; অনেক আঁতৰে আঁতৰে একো খনি সৰু সৰু নগৰ; আলি বিলাক প্ৰায়েই বেয়া আৰু অগম্য; লোক থকা ঘৰ বোৰো প্ৰায়েই পজা একোটিৰ দৰে খেৰ বাঁহেৰে সজা; নৈত যি নাও বোৰ থাকে সিও ডোঙ্গা একোটিৰ দৰে সৰু, আৰু দহ দিনৰ বাট বিচাৰি ফুৰিলেও এখনি পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালই, দুখিয়া দৰিদ্ৰ আৰু দেশৰ উপকাৰলৈ কোনো উপাই পোৱা নে জায়। কিন্তু ইংগ্লণ্ড দেশলৈ গৈ চোৱা, গোটেই খন দেশেই ফুল বাৰী খনৰ নিচিনা মনোহৰ, এখামোচ হাবিও নো পোৱা, নানা বিধৰ শস্য হোৱা পথাৰে ঢাকি আচে; পৰ্ব্বত যি আচে তাতো মানুহৰ বসতি, আৰু যত হাবি সিও আপুনি হোৱা ন হয়, কিন্তু বৰ লোক সকলৰ মৃগয়াৰ নিমিত্তে ভালেমান পুৰুষাৰ্থ কৰি মানুহে ৰুইচে। দেশ খনত অতি আচৰিত আচৰিত অনেক মহা নগৰ আচে; লোক থকা ঘৰ বিলাক প্ৰায়ে ইটা আৰু সিলৰ, অনেক বিচক্ষণ বিচক্ষণ অট্টালিকা আচে, আৰু তাৰ হজুৰাৰ ঘৰো এই দেশৰ ধনৱন্তৰ ঘৰতকৈ ভাল; আলি বোৰ যে দেখিবা সিও কেত বোৰ বা সিলৰ কেত বোৰ বা ইটাৰ প্ৰায়েই পকি, আৰু তাৰে ৰাতিয়ে দিনে হেজাৰে হেজাৰে মানুহ আৰু ৰথ চলি থাকে; ইয়াত বাজে ৰেল্‌ৰদ নামে চাৰিও ফালে লোৰ বাট দেখিবা, তাৰে ভাপৰ ৰথ জোআ অহা কৰে আৰু সেই ৰথেৰে এনে

বেগেৰে জাব পাৰি যে দহ্ পোন্ধৰ দিনৰ বাট একে দিনে পোৱা জায়; নৈ বিলাকত ভাপৰ নাও বৰ বৰ জাহাজ ইত্যাদিয়ে ভৰি থাকে, আৰু বাণিজ্যৰ সুগমলৈ চাৰিও ফালে মানুহে খানি নৈ কৰিচে; দেশৰ ঠায়ে ঠায়ে হেজাৰে হেজাৰে পঢ়াশালি জ্ঞানৰ সভা পাবা, আৰু যলৈকে জোআ তাতে চিকিৎসালই আৰু দৰিদ্ৰৰ উপকাৰলৈ নানা ঠাই দেখিবা; তাত নৰিয়াক বিনা ধনে চাই দুখিয়াৰ দুখ বিমোচন হয়।

ইংগ্লণ্ড দেশক চল্লিচ প্ৰদেশ কৰি ভাগ কৰা হৈচে; তাৰ সকলো নগৰতকৈ প্ৰধান ৰাজধানী লণ্ডন নগৰ। এই নগৰ এনেহে আচৰিত যে তাৰ বিবৰণ অনেক অসমীয়া লোকেই ন পতিয়াব। লণ্ডন ইমানহে ডাঙ্গৰ যে তাত কুৰি লাখ মানুহ থাকে, আৰু দুই লাখতকৈ বঢ়া পকি ঘৰ আচে। তাৰ আলি বোৰৰ তিনি ভাগ; মাজত বৰ বৰ সিলেৰে বন্ধাইচে তাতে ৰথ ঘোঁৰা চলে, দুই কোখৰে বৰ সুন্দৰ সুন্দৰ সিলেৰে বন্ধোৱা তাতে মানুহ ফুৰে। প্ৰতি আলিৰ দাঁতিত খবৈ থাকে তাৰে নগৰৰ মলি বোৰ নৈত পৰেগৈ; আৰু এই দেশত যেনেকৈ নিলগৰ পৰা পানি আনিব লাগে তাত নে লাগে কিন্তু নগৰৰ মাজে যি থেমচ্ নদী বৈচে তাৰে দাঁতিত এনেহে একোটা কল কৰি থৈচে যে প্ৰতি ঘৰলৈ সিহৰ চুঙ্গাৰে পানি জাই। লণ্ডনৰ প্ৰতি আলিতে চাকি লগাই, আৰু একেটা আলিতে দিনত সাত হেজাৰ মান ৰথ অহা জোৱা কৰে! এই নগৰত থেমচ্ নদীৰ ওপৰে কেই খন মান বিচক্ষণ বিচক্ষণ সাকোঁ আচে, তাৰে নৈৰ তলেদি পাৰ হব পৰাকৈ সুৰুঙ্গা বাট এটা যি কৰিচে, সি পৃথিবীৰ মধ্যত এক আচৰিত কৰ্ম্ম; আৰু তাক সাজোঁতে ৪৫ লাখ ৰূপ খৰচ হৈচিল। এই মহা নগৰত বাজে লিৱৰপুল, ব্ৰিষ্টলকে আদি কৰি অনেক বৰ বৰ নগৰ আচে তাৰ কথা লেখা বৰ বাহুল্য।

ইংগ্লণ্ড দেশ স্বাভাৱিকতে যদিও বৰ উৰ্ব্বৰা ন হয় তেও তাৰ লোকৰ পৰিশ্ৰমৰ প্ৰভাৱত বৰ উৰ্ব্বৰা হৈ নানা বিধৰ শস্য উৎপন্ন হয়। কিন্তু ইংগ্লণ্ড শিল্প কৰ্ম্মতহে প্ৰখ্যাত; এই দেশত যেনেকৈ কাপৰ হাতেৰে বয় তাত তেনে ন হয়, ভিন দেশৰ পৰা কপাহ্ নি ভাপৰ কলেৰে কাপৰ কৰে, আৰু এপখৰ বন এক মুহূৰ্ত্তকত হয়। কৃষি কৰ্ম্মতো ইংগ্লণ্ড ঘাটি ন হয়, অসমত যদি পুৰাৰ মাটিত দহ টকা উৎপন্ন হয় তাত দহ গুণে বঢ়া হয়, কিয়নো তাৰ খেতিয়ক বিলাক বঢ়া বুধিয়ক। ইংগ্লণ্ডৰ বাণিজ্য অসীম আৰু পৃথিবীৰ সকলো ঠাইলৈকে ইংৰাজৰ জাহাজ বেপাৰলৈ জায়।

ইংগ্লণ্ড দেশত প্ৰাই এক কোটি চল্লিচ লাখ মান লোক আচে। ইংৰাজ সকল অতি স্বাধীন অৰ্থাত কাৰো তলতিয়া হৈ থাকিব নো খোজে; সিবিলাক

বৰ সাহিয়াল, পৰিশ্ৰমী, আৰু শিল্প কৰ্ম্ম আদিত বৰ পাৰ্গত। পৃথিবীৰ কোনো দেশত বিদ্যাৰ অনুশীলন বঢ়াকৈ ন হয়। ইংগ্লণ্ডত ভাল মানুহৰ সন্তান সকলক পঢ়াবলৈ অসংখ্য পঢ়াশালি আচে, তাত বাজে যি সকল লোক দুখিয়া আৰু ধন ভগন কৰি পঢ়িব নোৱাৰে সিহঁতৰ জ্ঞানলৈ দেশৰ ধনৱন্ত সকলে আপোনাৰ ধনেৰে পঢ়াশালি হেজাৰে হেজাৰে পাতিচে। এই ৰূপে দেশৰ আটাইৰে জ্ঞান বাঢ়ি সুতৰাং ধৰ্ম্মৱন্ত হৈচে। ইংৰাজৰ ভাষাৰে লাখে লাখে পুথি নানা বিদ্যা বিষয়ক আচে, আৰু লোকৰ এনেহে বিদ্যাত মন যে প্ৰায় নিতৌ নতুন পুথি ৰচনা হৈ আচে।

ইংগ্লণ্ড দেশৰ আন আন বৃত্তান্ত যেনে আচৰিত তাৰ ৰাজ্য শাসনৰ কথাও তাতকৈ সৰু আচৰিত ন হয়। সি ৰজা এজনা আৰু পাৰ্লিমেণ্ট নামে এখন বৰ সভাৰ দ্বাৰাই শাসিত হৈচে। দেশত বৰ বিষয়া আৰু বিচপ নামে যি ধৰ্ম্ম অধিপতি সকল আচে সিবিলাকৰ এক সভা, আৰু প্ৰজা সকলৰ প্ৰতিনিধি বিলাকৰ এক সভা, এই দুই সভাই পাৰ্লিমেণ্ট। সেই পাৰ্লিমেণ্টে দেশ শাসনৰ ব্যৱস্থা কৰাই, আৰু খাটনি ধনো তাৰ অনুমতিৰেহে সধা হয়। এই ৰূপে ৰজাই স্বতন্ত্ৰ হৈ একোকে কৰিব নোৱাৰে আৰু ব্যৱস্থাত নিজে কোনো কৰ্ম্ম কৰিবৰ অক্ষম। ইংৰাজৰ দেশত বচৰি একান্নন কোটি টকা কঁটল উৎপন্ন হয়।

আন সকলো কথাতকৈ ইংৰাজৰ বুৰঞ্জি জনা বৰ আবশ্যক। ১৯০০ বচৰৰ পূৰ্ব্বে ইংৰাজ বিলাক অতি অসভ্য আচিল। সিহঁতে কাপৰ পিন্ধিব নে জানি নাঙ্গটে ফুৰি গা বোৰত আঁকিচিল, হাবিত বাস কৰিচিল আৰু গাঁত বা গচৰ ডালি আৰু পাতেৰে সজা ঘৰত থাকি মৃগয়া কৰি যি মঙ্গহ পাই, তাকে খাই প্ৰাণ ধাৰণ কৰিচিল। সিহঁত তেতিয়া নিচেই অগিয়ান আচিল, আৰু পুৰোহিত হঁতেহে বিদ্যা জানিচিল। সিহঁতে প্ৰতিমা পূজা কৰিচিল আৰু অনেক অকৰ্ম্মকো কৰিচিল; এক সময়ত ৰণত ঘাটি দেবতা ৰুষ্ট হৈচে বুলি তিনি শ ভাল মানুহৰ লৰাক পুৰি বলি দিলে। আৰু সিহঁতৰ এই নীতি আচিল, ৰণৰ সময়ত কাঠৰ বৰ এক দেৱতাৰ মূৰ্ত্তি চিলিঙ্গিৰ নিচিনাকৈ সাজি, সেই দেৱতা তুষ্ট হবৰ নিমিত্তে ৰণ জিকি ধৰি অনা মানুহ বিলাকক সেই বৰ মূৰ্ত্তিৰ ভিতৰত সুমুৱাই, হোম দি পুৰিলে। সেই ৰূপে মূৰ্ত্তিৰ নক্চা এটা তলত আচে, আৰু সেই নক্চাৰ ভিতৰত চিলিঙ্গিৰ মাজেদি সুমাই দিয়া মানুহ বোৰৰ মূৰ, হাত আৰু ভৰি দেখা জাই। পূৰ্ব্বৰ ইংৰাজ সকল এই দৰৰ অসভ্য আচিল কিন্তু এতিয়া ক্ৰমে ক্ৰমে সিবিলাক পৃথিবীৰ সকলো জাতিতকৈ পৰাক্ৰমী, জ্ঞানী, ধনৱন্ত আৰু মহৎ হৈচে।

এই বিবৰণ পাঠ কৰি স্বাভাবিকতে আমাৰ মনত এটা প্ৰশ্ন ওলাই অৰ্থাৎ ইংৰাজ সকল এনে অসভ্য থাকিও যে আমাৰ দেশতকৈ বহু সভ্য হল ইয়াৰ কি হেতু? ভাৰতবৰ্ষৰ লোক সকল অতি পূৰ্ব্বৰে পৰা সভ্য হৈও যে একেদৰেই থাকিল বৰঞ্চ অসমীয়া লোক পূৰ্ব্বতকৈ ধৰ্ম্মত হ্রাসহে হল, ইয়াৰ বা কি কাৰণ? হে অসম দেশ নিবাসী লোক সকল, তোমোলাকে অলপ গমি চালেই জানিবা যে তোমোলাকৰ দুৰ অবস্থাৰ হেতু তোমোলাকেই। দেখা প্ৰথমতে এই জগতত বিদ্যাৰ সমান আমাৰ মিত্ৰ নাই, কিয়নো তাক জানিলে আমি জ্ঞান পাওঁ আৰু জ্ঞানী হলে ইহ কালত আদৰ সম্মান পাম। এনে যে অমূল্য ৰতন বিদ্যা তাৰ তোমোলাকে একো মূল নে পাই নিচেইকৈ অৱহেলা কৰিচা। তোমোলাকৰ পূৰ্ব্ব পুৰুষ সকলে এক প্ৰকাৰ বিদ্যাৰ আলোচনা কৰিচিল আৰু সেই নিমিত্তে সিবিলাকৰ অনেক জ্ঞানী আচিল, কিন্তু এতিয়া তোমোলাকে কি সংস্কৃত কি ইংৰাজী একো বিদ্যা ন পঢ়ি পূৰ্ব্বৰ হোজা স্বভাৱ এৰি অজ্ঞানি আৰু টেঙ্গৰ স্বভাৱ লবৰ উপক্ৰম কৰিচা। আমাৰ ইংৰাজ অধিপতি সকল কেনে বিদ্যোৎসাহি, সিবিলাকে স্বকীয় বিদ্যা শিকাই বঙ্গ দেশক সভ্য কৰিব ধৰিচে, তোমোলাককো সেই দৰে অনুগ্ৰহ কৰিব খোজে কিন্তু পশুক মানিক দিয়াৰ দৰে তোমোলাকে সেই অনুগ্ৰহ নোলোৱা আৰু আপুনি ধন ভাঙ্গিও নপঢ়া। হায় হায়, কি আক্ষেপৰ কথা! হে প্ৰিয় মিত্ৰ সকল, যদি সভ্য আৰু সুখী হবৰ বাঞ্চা কৰা তেন্তে টোপনিৰ পৰা উঠা। লৰা সকল, তোমোলাকে আটায়ে একে বাক্য হৈ কাৰো হাক নুশুনি বিদ্যাত আটায়ে চিত্ত আৰু শক্তি দিয়া। যি হেতুক ধনে সোনে জ্ঞান দিব নোৱাৰে। পিতৃ মাতৃ সকল, আটাই কথাকে কাতি কৰি থোৱা, সন্তানক ধন আৰ্জ্জিব নিদি, বিদ্যা আৰ্জ্জিব দিয়া, কিয়নো সিহঁত অজ্ঞান হৈ যি পাপ কৰে তাৰ দোষে তোমোলাককো ধৰিব আৰু তাৰ সলনি ঈশ্বৰৰ সোধত তোমোলাকে দণ্ড নেপাঁও বুলি নে ভাবিবা। ধনৱন্ত লোক সকল, তোমোলাকেও আজিৰে পৰা উঠা, পূৰ্ব্বৰ প্ৰতিজ্ঞা এৰা, তোমোলাকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নিদিবা, কিন্তু দেশত বিদ্যা বৃদ্ধিলৈ ধন ভাঙ্গা এই উপাই লোৱা দেশ অৱশ্যে সভ্য আৰু জ্ঞানী হব।

দ্বিতীয়তে হে মোৰ অসমীয়া মিত্ৰ সকল, বিদ্যা যেনেকৈ ইহ কালত উপকাৰক আন একো তেনে ন হই; কিন্তু যদি সভ্য আৰু সুখী হব খোজা তেন্তে কৃষি আৰু শিল্প কৰ্ম্মত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুষাৰ্থ কৰা। তোমোলাক নিচেই অজ্ঞান আৰু সেই বিদ্যা ভু নোপোৱা, আৰু জানিবলৈকো শ্ৰম ন কৰা। তোমোলাকে ভাপৰ ৰথ, ভাপৰ কল, ভাপৰ নাও ইত্যাদি কৰিব

পৰা হলে কেনে সুখী হলা হঁতন; এতিয়াও তোমোলাকৰ সাধ্যৰ বাহিৰ ন হয়, তোমোলাকৰ ভিতৰৰ ধনৱন্ত সকলে এবেলি মাথোন কিচু ধন ভগন কৰি ইংৰাজৰ সহায় লৈ, কেই জন মান দেশী ভাইক কৃষি কৰ্ম্মৰ নানা যন্ত্ৰ কৰি তাৰ ব্যৱহাৰ শিকাওক, আৰু নানা আচৰিত আচৰিত ইংৰাজী যন্ত্ৰ সকল বুজাওক, ইয়াকে কৰিলে লোকে যদি তাৰ গুণ দেখিলে, তেন্তে তাক নেৰি বঢ়াকৈহে শিকিব আৰু তেতিয়া দেখিবা, অসম দেশ হাবি গুচি ফুল বাৰী হ'ব, পজাৰ ঠাইত অট্টালিকা হব, ডোঙ্গা গুচি ভাপৰ নাও হব, আৰু গোটেই দেশ ধনময় হব।

অসমীয়া সকল, ইংৰাজতকৈ অসভ্য হোৱাৰ তৃতীয় হেতু কওঁ শুনা। তোমোলাকৰ ভিতৰত বাণিজ্যৰ অনুশীলন নিচইকৈ নাই, সকলে ধন মাটিত পুতি থৈ ভাল পাই, কিন্তু যিহৰ পৰা সেই ধনেৰেই ধন হয়, তাক নিচিন্তে। ইংৰাজ সভ্যতাৰ ঘাই এক হেতু বাণিজ্য, এতেকে যদি ধনৱন্ত হব খোজা, তেন্তে, সম্প্ৰতি বাণিজ্যত প্ৰবৰ্ত্ত হোৱা। কৃষি কৰ্ম্ম নে বাঢ়িলে বাণিজ্যও নে বাঢ়ে, সেই নিমিত্তে দুইকো অনুশীলন কৰিবলৈ যত্ন কৰা।

কিন্তু হে মোৰ স্বদেশীয় বান্ধৱ সকল, আমাৰ দেশৰ দুৰবস্থাৰ চতুৰ্থ আৰু ঘাই হেতু এই যে তোমোলাক কেৱে দেশৰ হিত নি চিন্তা, কেৱল আপুনি কেনেকৈ ভালে থাকা তাকেহে সদাই ভাবা। ওপৰত যি সকল উপাই দিলোঁ, সেই বিলাকৰ পৰা কি গুণ হব যদি স্বদেশকে কেৱে মৰম ন কৰিলে? ইংগ্লণ্ডৰ কত সদ লোকে দেশৰ হিতলৈ কোটি কোটি ৰূপ ভগন কৰিব লাগিচে! দেখা, আমাৰ দেশত কত ধনৱন্ত লোকে সিবিলাকৰ ধন মাটিৰ তলত পুতি থৈ, দেশৰ হিতলৈ এটকিও ভাঙ্গিব নো খোজে। যদি সকলে একে বাক্য হৈ দেশৰ উপকাৰলৈ প্ৰতিজ্ঞা কৰে, তেন্তে কি হব নোৱাৰে? হে ধনৱন্ত সকল তোমোলাকে নিশ্চই জানিবা যে ঈশ্বৰে ধন সাঁচি থবলৈ, নাইবা আপোন সুখলৈ দিয়া নাই, কিন্তু তাৰে পৰৰ উপকাৰ কৰিবলৈহে দিচে; এই ভৰ্ৎসনা বাক্য শুনি অনেক সদ লোকৰ চিত্তে উৎসাহ পাই, দেশৰ দুৰ্ভাগ্য গুচাবলৈ উঠিব পাৰে, কিন্তু অকলে কি কৰিম বুলি, নৈৰাশ ন হৈ স্ব স্ব সাধ্যানুসাৰে হিত কৰিব, এতেকে আনেও সিবিলাকক দেখি সেই ৰূপে হিত কৰিব।

হে কৃপাময় জগদীশ্বৰ, এই অসম দেশৰ লোক সকলক স্বদেশ সভ্য জ্ঞানী আৰু ধাৰ্ম্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাব আৰু দুৰবস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া, আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আজ্ঞা পালিবৰ যোগ্য কৰা। যি সময়ত অসম হাবি গুচি, ফুল বাৰী হব, নৈত ডোঙ্গা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি, সিল ইটাৰ হ'ব,

গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব, আৰু যি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি, আটাইয়ে আটাইক ভাতৃবৎ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাক্ষি নি দি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইও কাৰো অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৰা এই কথা দেশত লোকে ভু নোপোৱা হব, সেই সময়, হে পৰম পিতা জগদীশ্বৰ, শীঘ্ৰে ঘটোৱা।